# স্বদেশ অধ্যয়ন

## উচ্চতৰ মাধ্যমিক দ্বিতীয় বাৰ্ষিকৰ পাঠ্যপুথি

অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ

প্ৰথম প্ৰকাশ ঃ ২০১৯
পুনৰ্মুদ্ৰণ ঃ ২০২০
পুনৰ্মুদ্ৰণ ঃ ২০২২
পুনৰ্মুদ্ৰণ ঃ ২০২৩

মূল সংস্কৰণ-

© অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ, ২০১৯

মূল্য ঃ ২১০.০০ টকা

মুদ্ৰণ ঃ 70 জি এছ এম

বেটুপাত ঃ 170 জি এছ এম

প্ৰচ্ছদ ঃ ধীৰাজ ডেকা

অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ সচিবৰ দ্বাৰা প্ৰকাশিত।
বামুণীমৈদাম, গুৱাহাটী-৭৮১০২১

ছপা ঃ শৰাইঘাট ফটো টাইপছ প্ৰাঃ লিঃ
বামুণীমৈদাম, গুৱাহাটী-৭৮১০২১

**সৰ্বস্বত্ব সংৰক্ষিত**

- প্ৰকাশকৰ অনুমতি অবিহনে এই প্ৰকাশনৰ যিকোনো অংশৰ ছপা কৰা কাৰ্য অথবা ইলেকট্ৰ'নিক মাধ্যম, যান্ত্ৰিক মাধ্যম, ফটো প্ৰতিলিপি, ৰেকৰ্ডিং নাইবা আন কোনো উপায়েৰে পুনঃপদ্ধতিৰ সহায়ত ইয়াৰ সংগ্ৰহকৰণ অথবা সংবৰ্ধন কৰাটো নিষিদ্ধ।
- এই কিতাপখনৰ বিক্ৰী এই চুক্তি সাপেক্ষে কৰা হৈছে যে প্ৰকাশকৰ আগতীয়া অনুমতি অবিহনে এই কিতাপখন ইয়াৰ নিজা বেটুপাত, 'বাইণ্ডিঙ'ৰ বাহিৰে অন্য কোনো প্ৰকাৰে ব্যৱসায় কৰিব, ভাৰা দিব, পুনৰ বিক্ৰী কৰিব নাইবা ধাৰলৈ দিব নোৱাৰিব।
- এই পুথিখনৰ উচিত মূল্য এই পৃষ্ঠাতে ছপা কৰিব লাগিব। ৰবৰৰ 'ষ্টাম্প', ষ্টিকাৰ মৰা বা অন্য কোনো প্ৰকাৰে অংকিত যিকোনো সংশোধিত মূল্যই অশুদ্ধ হ'ব আৰু বিবেচিত নহ'ব।

অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ হকে
নম্ৰতা প্ৰকাশন, এচ.চি. গোস্বামী ৰোড,
পাণবজাৰ, গুৱাহাটী-১

# পাঠ্যপুথি লেখক মণ্ডলী

## ভূগোল ভাগ

**ড° ভবেন চন্দ্ৰ কলিতা**
প্ৰাক্তন মুৰব্বী অধ্যাপক, ভূগোল বিভাগ
কটন বিশ্ববিদ্যালয়
(দ্বিতীয় আৰু চতুৰ্থ অধ্যায়)

**ড° প্ৰদীপ শৰ্মা**
অৱসৰপ্ৰাপ্ত অধ্যাপক, ভূগোল বিভাগ
কটন বিশ্ববিদ্যালয়
(প্ৰথম আৰু দশম অধ্যায়)

**ড° ধ্ৰুৱজ্যোতি চহৰীয়া**
সহযোগী অধ্যাপক, ভূগোল বিভাগ
গুৱাহাটী বিশ্ববিদ্যালয়
(তৃতীয় অধ্যায়)

**বিনীতা দেৱী**
অৱসৰপ্ৰাপ্ত অধ্যক্ষা
জালুকবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়
(পঞ্চম অধ্যায়)

## বুৰঞ্জী ভাগ

**ড° গজেন্দ্ৰ অধিকাৰী**
অধ্যক্ষ, দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়
(সপ্তম অধ্যায়)

**নৰেন পাটগিৰি**
সহযোগী অধ্যাপক, মুৰব্বী, ইতিহাস বিভাগ,
গুৱাহাটী মহাবিদ্যালয়
(ষষ্ঠ অধ্যায়)

**ড° যতীন্দ্ৰনাথ কোঁৱৰ**
সহযোগী অধ্যাপক, বুৰঞ্জী বিভাগ, টিংখাং মহাবিদ্যালয়
(তৃতীয় অধ্যায়)

**ড° জ্যোৎস্না বৰুৱা**
সহযোগী অধ্যাপিকা, ইতিহাস বিভাগ
লোকনায়ক অমিয় কুমাৰ দাস মহাবিদ্যালয়
(তৃতীয় অধ্যায়)

**ড° বিমান হাজৰিকা**
সহযোগী অধ্যাপক, মুৰব্বী, ইতিহাস বিভাগ, ধিং মহাবিদ্যালয়
(নৱম অধ্যায়)

# সম্পাদনা

## ভূগোল ভাগ ঃ

**ড° ভবেন চন্দ্ৰ কলিতা**
প্ৰাক্তন মুৰব্বী অধ্যাপক, ভূগোল বিভাগ
কটন বিশ্ববিদ্যালয়

## বুৰঞ্জী ভাগ ঃ

**ড° ডম্বৰুধৰ নাথ**
প্ৰাক্তন প্ৰাধ্যাপক, ডিব্ৰুগড় বিশ্ববিদ্যালয়
উপাচাৰ্য, মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়, অসম

সমন্বয়ক ঃ **অনুৰূপা চৌধুৰী**
উপ-সচিব (শৈক্ষিক)
অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ

# অধ্যক্ষৰ একাষাৰ

ইতিহাস প্ৰীতি এটা জীয়া জাতিৰ লক্ষণ। যি জাতিয়ে নিজৰ অতীত ইতিহাস নাজানে সেই জাতিয়ে বৰ্ত্তমান নিৰ্মাণত নিজস্বতা পৰিত্যাগ কৰিব লগা হয় আৰু তেনে জাতিৰ ভৱিষ্যত থেৰুছিগা হয়। এয়োদশ শতিকাৰ আৰম্ভণিৰে পৰা এটা প্ৰক্ৰিয়াৰ মাজেদি অসমীয়া জাতি গঠনৰ কুছকাৰাজ আন্তৰিকতাৰে আৰম্ভ হৈছিল আৰু বহু ত্যাগৰ বিনিময়ত এটা শক্তিশালী অসমীয়া জাতি গঢ় লৈ উঠিছিল; যাক প্ৰৱল পৰাক্ৰমী মোগল বাহিনীয়ে পৰাভূত কৰাটো দূৰৰে কথা বহু প্ৰশংসা কৰি উভতি-উলটি যাব লগা হৈছিল। সম্পূৰ্ণ স্বাৱলম্বী আছিল জাতিটো। একমাত্ৰ নিমখৰ বাহিৰে একো বস্তু বাহিৰৰ পৰা আনিব লগা নহৈছিল। নিমখৰ জোৰা মৰা হৈছিল খাৰ উদ্ভাৱন কৰি।

ইতিহাস অতি নিষ্ঠুৰ ই কাকো ক্ষমা নকৰে। অহৈতুক ধৰ্মীয় গোড়ামীৰ বোকোচাত উঠি আহিছিল বিদ্ৰোহ আৰু উন্নাসিক ব্যক্তিত্বৰ অহংকাৰে মাতি আনিছিল প্ৰায় স্বগোষ্ঠীয় আক্ৰমণ। দীৰ্ঘদিনীয়া মোৱামৰীয়া বিদ্ৰোহ আৰু মানৰ আক্ৰমণে নিমন্ত্ৰণ কৰি আনিলে ইংৰাজক। অসমত এশ এঘাৰ বছৰীয়া (১০ বছৰ লালবন্দী) ইংৰাজ শাসনে জাতিটোক প্ৰায় ধ্বংসৰ গৰাহলৈ ঠেলি দিলে। অন্যহাতে, স্বাধীনোত্তৰ আবেগ বিহ্বল অসমীয়াৰ শাসনত বছৰতে জাতিটো পৰমুখাপেক্ষী হৈ পৰিল।

ইতিহাসৰ সমান্তৰালভাৱে ভৌগোলিক জ্ঞানৰ প্ৰয়োজনীয়তা অনস্বীকাৰ্য। ৰাজ্য তথা দেশখনৰ ভৌগোলিক অৱস্থান, প্ৰকৃতিৰ মেটমৰা সম্ভাৰ, জলবায়ু, জীৱ-জন্তু, নদ-নদী বিপুল সম্ভাৱনীয়াতা, সাৰুৱা কেঁচা মাটিৰ গোন্ধ, প্ৰাকৃতিক সৌন্দৰ্য,বিভিন্ন জাতি জনগোষ্ঠীৰ সমাহাৰে সৃষ্টি কৰা সংস্কৃতিৰ বৈভৱ-অনুভুত কৰিবলৈ ভূগোলৰ জ্ঞান লাগিব। ৰাজস্থান, উত্তৰ প্ৰদেশৰ হিচাপত ধৰিলে অসমৰ গোবাটবোৰৰ উন্নয়ন অসম্ভৱ। সম্প্ৰতি, এনে হোৱাবোৰকে প্ৰত্যক্ষ কৰা হৈছে।

এই সকলোবোৰ দিশৰ পুঙ্খানুপুঙ্খ আলোচনা দুয়োটা বিভাগৰ বিদ্বৎ সমাজৰ লগত সমাপ্ত কৰি সদৌটিৰে সন্মতি সাপেক্ষে ‘স্বদেশ অধ্যয়ন’ নাম কৰণেৰে এটা বিষয়ৰ ওপৰত অধ্যয়নৰ প্ৰচেষ্টা হাতত লোৱা হৈছে। ইতিমধ্যে, অসমৰ ডিব্ৰুগড় আৰু গুৱাহাটী বিশ্ববিদ্যালয়ে বিষয়টি মূল বিষয় (Major) হিচাপে অধ্যয়নতো অনুমতি প্ৰদান কৰিছে। বিগত বৰ্ষত উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ পাঠ্যপুথিখন প্ৰকাশ পোৱাৰ পাছত চলিত বৰ্ষত দ্বিতীয় বৰ্ষৰ ছাত্ৰ-ছাত্ৰীৰ বাবে পাঠ্যপুথিখন যুগুত কৰা হৈছে। আমাৰ আশা - অসমৰ নতুন প্ৰজন্মই অসমৰ ইতিহাস আৰু ভূগোলৰ ওপৰত সম্যক জ্ঞান আহৰণ কৰি ৰাজ্যখনৰ সৰ্বাঙ্গীন উন্নতিত অৰিহণা যোগাবলৈ সক্ষম হ’ব আৰু এই পাঠ্যপুথিখনে শৈক্ষিক সমাজৰ নতুন দিশ উন্মোচিত কৰিব।

**ড° দয়ানন্দ বৰগোহাঞি**
অধ্যক্ষ
অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ

তাৰিখ ঃ ১ জুন, ২০১৯

# ভূমিকা

আমাৰ সমাজখন উন্নতিৰ দিশত সুচাৰুৰূপে চলি থকাৰ মূল চালিকা শক্তি হ'ল শিক্ষা। সময়ে সময়ে শিক্ষাৰ পাঠ্যক্ৰম নতুন ৰূপত যুগুত কৰাটো অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ এটা গুৰুত্বপূৰ্ণ কাম। সেই মৰ্মে অসমৰ নৱ-প্ৰজন্মক ভূগোল আৰু বুৰঞ্জী বিষয় দুটা একত্ৰিত কৰি স্বদেশৰ বিষয়ে জনাৰ উপৰি প্ৰতিযোগিতামূলক পৰীক্ষা আদিতো সহায়ক হোৱাকৈ অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদে "স্বদেশ অধ্যয়ন" নামেৰে এটা নতুন বিষয় উচ্চতৰ মাধ্যমিক পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰিছে। ইতিমধ্যে ইং ২০১৮-১৯ শিক্ষাবৰ্ষৰ উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ (একাদশ শ্ৰেণী) কলা শাখাৰ ছাত্ৰ-ছাত্ৰীয়ে এই বিষয়টো অধ্যয়ন কৰিছে। এইবাৰ বিষয়টো দ্বিতীয় বৰ্ষৰ (২০১৯-২০ চনত) ছাত্ৰ-ছাত্ৰীৰ বাবেও আগবঢ়োৱা হৈছে।

ইয়াণ্ডাবু সন্ধিৰ সময়ৰ অসমৰ পৰা অসমত আঞ্চলিক দল গঠনলৈকে ইতিহাসৰ এক দীঘল পৰিক্ৰমা; কৃষক বিদ্ৰোহসমূহ, মধ্যযুগৰ পৰা এতিয়ালৈ অসমৰ অৰ্থনীতিৰ সৈতে জড়িত শিল্প উদ্যোগসমূহ; বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়া তথা জনসংখ্যাৰ সমস্যা, ভাৰতৰ পাৰিপাৰ্শ্বিক আন্দোলনৰ পৰিপ্ৰেক্ষিতত অসমৰ পৰিৱৰ্তনসমূহৰ সম্যক ধাৰণা এই পাঠ্যপুথিৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলক দিবলৈ প্ৰয়াস কৰা হৈছে। লগতে ভৌগোলিক দিশত ব্ৰহ্মপুত্ৰ নদ, অসমৰ জনগাঁথনি, জৈৱ বৈচিত্ৰ্য, অসমৰ উদ্যোগ, সম্পদসমূহৰ সম্ভাৱনীয়তা, মানচিত্ৰৰ ধাৰণাও ছাত্ৰ-ছাত্ৰীয়ে এই পাঠ্যপুথিখনত পাব।

যিকোনো বিষয়ৰ তাত্ত্বিক জ্ঞান লাভৰ সমান্তৰালকৈ ব্যৱহাৰিক জ্ঞান লাভ কৰিলে সেই জ্ঞান বেছি ফলপ্ৰসূ হয়। সেয়ে দ্বিতীয় বাৰ্ষিকৰ স্বদেশ অধ্যয়নৰ পাঠ্যক্ৰমত ৮০ নম্বৰ তত্ত্বৰ লগতে ২০ নম্বৰৰ প্ৰকল্প প্ৰস্তুত কৰিবলৈ দিয়া হৈছে; যাতে ছাত্ৰ-ছাত্ৰীসকল অধিক জ্ঞানলব্ধ হয়। ছাত্ৰ-ছাত্ৰীয়ে ভূগোল আৰু বুৰঞ্জী দুয়োটা ভাগৰে প্ৰকল্প প্ৰস্তুত কৰিব।

শিক্ষা সংসদৰ মাননীয় অধ্যক্ষ ড° দয়ানন্দ বৰগোহাঞি মহোদয়ৰ একান্ত ইচ্ছা আৰু উদ্যোগত তথা শিক্ষা উপ-সচিব অনুৰূপা চৌধুৰীয়ে অশেষ কষ্ট কৰি সম্পাদনা সমিতিৰ মাননীয় সদস্যসকলৰ সহযোগত উক্ত পাঠ্যক্ৰমটি যুগুতাই দিয়াৰ লগতে দুয়োখন পাঠ্যপুথি প্ৰস্তুত কৰি উলিওৱাৰ বাবে সংশ্লিষ্ট সকলো পক্ষলৈ ধন্যবাদ জ্ঞাপন কৰিলোঁ।

বিষয়গত কিবা ভুল-ভ্ৰান্তি থাকিলে শুভাকাংক্ষীসকলে পোনপটীয়াকৈ সচিব আৰু উপ-সচিব (শৈক্ষিক)ৰ লগত যোগাযোগ কৰিলে পৰৱৰ্তী সংস্কৰণত উক্ত ভুলসমূহ শুধৰোৱাৰ কাৰণে চেষ্টা কৰা হ'ব।

**কমল গগৈ**

তাৰিখ ঃ ১০ জুন, ২০১৯

সচিব

অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ

# ভাৰতীয় সংবিধান

## প্ৰস্তাৱনা

“আমি ভাৰতৰ জনগণে ভাৰতক এখন সাৰ্বভৌম, সমাজবাদী, ধৰ্মনিৰপেক্ষ, লোকতান্ত্ৰিক গণৰাজ্য ৰূপে গঠন কৰিবলৈ, তথা ইয়াৰ সকলো নাগৰিকৰ বাবে, সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক ন্যায়, চিন্তা, অভিব্যক্তি, বিশ্বাস, ধৰ্ম আৰু উপাসনাৰ স্বাধীনতা, প্ৰতিষ্ঠা আৰু সুযোগৰ সমতা লাভ কৰিবলৈ আৰু তেওঁলোকে সকলোৰে মাজত ব্যক্তিৰ মৰ্যাদা তথা জাতীয় ঐক্য আৰু সংহতি সুনিশ্চিতকাৰী ভ্ৰাতৃভাব বৃদ্ধি কৰিবলৈ নিষ্ঠা সহকাৰে সংকল্প কৰি— আমাৰ এই সংবিধানসভাত আজি ১৯৪৯ চনৰ নবেম্বৰ মাহৰ ষষ্ঠবিংশ দিৱসত, ইয়াৰ দ্বাৰা এই সংবিধান গ্ৰহণ কৰিছোঁ, অধিনিয়মিত কৰিছোঁ আৰু নিজকে অৰ্পণ কৰিছোঁ।”

# সূচীপত্ৰ

## প্ৰথম ভাগ ঃ ভূগোল


| | | | পৃষ্ঠা |
|---|---|---|---|
| প্ৰথম অধ্যায় | ঃ | **উত্তৰ-পূব ভাৰতত অসম ঃ** | |
| | | **পৰিৱেশ, ভূপ্ৰকৃতি, ব্ৰহ্মপুত্ৰ নদ, জলবায়ু, মাটি আৰু পৰস্পৰৰ সম্পৰ্ক** | ৩ |
| দ্বিতীয় অধ্যায় | ঃ | **অসমৰ জনদৃশ্যপট** | ১৪ |
| | | — জন-গাঁথনি | |
| | | — জনপ্ৰব্ৰজন ঃ সমস্যা আৰ সম্ভাৱনীয়তা | |
| তৃতীয় অধ্যায় | ঃ | **জৈৱবৈচিত্ৰ্য** | ২৪ |
| | | — বৈচিত্ৰ্যৰ সূচক | |
| | | — অসমত জৈৱবৈচিত্ৰ্যৰ বৰ্তমানৰ অৱস্থা | |
| | | — সমস্যা আৰু সম্ভাৱনীয়তা | |
| | | — সংৰক্ষণৰ আৱশ্যকীয়তা | |
| | | — প্ৰদূষণ | |
| | | — বহনক্ষম উন্নয়ন | |
| চতুৰ্থ অধ্যায় | ঃ | **অসমৰ অৰ্থনৈতিক গঠন আৰু সম্ভাৱনীয়তা** | ৩৯ |
| | | — সম্পদৰ আধাৰ | |
| | | — যোগাযোগ | |
| | | — উদ্যোগ ঃ সমস্যা আৰু সম্ভাৱনীয়তা | |
| পঞ্চম অধ্যায় | ঃ | **মানচিত্ৰ অধ্যয়ন আৰু ভৌগোলিক তথ্যৰ উপস্থাপন** | ৫৯ |
| | | — মানচিত্ৰ | |
| | | — মানচিত্ৰৰ প্ৰস্তুতকৰণ | |
| | | — মানচিত্ৰৰ ইতিহাস | |
| | | — জৰীপ | |
| | | — দূৰ সংবেদন | |
| | | — ভৌগোলিক তথ্য ব্যৱস্থা | |

## দ্বিতীয় ভাগ ঃ বুৰঞ্জী


| | | | |
|---|---|---|---|
| ষষ্ঠ অধ্যায় | ঃ | **অসমৰ ৰাজনৈতিক বিকাশ (১৮২৬-১৯৮৫)** | ৭৯ |
| | | — ইয়াণ্ডাবু সন্ধি ; পৰিক্ৰমা, চৰ্তাৱলী আৰু ফলাফল<br>ঐতিহাসিক পৰিক্ৰমা ঃ আহোম শাসনৰ অৱনতি | |
| | | — ব্ৰিটিছ শাসন, ভাৰতৰ স্বাধীনতা সংগ্ৰাম আৰু অসম | |
| | | — অসমত কৃষক বিদ্ৰোহ | |
| | | — প্ৰাক-স্বাধীনতা কালৰ সামাজিক-ৰাজনৈতিক অনুষ্ঠান | |
| | | — অসমত অসহযোগ আন্দোলন | |
| | | — আইন অমান্য আন্দোলন | |
| | | — অসমত ভাৰত ত্যাগ আন্দোলন | |
| | | — স্বৰাজোত্তৰ ভাৰতীয় ৰাজনীতি আৰু অসম | |
| সপ্তম অধ্যায় | ঃ | **অসমৰ জনসংখ্যা বিস্ফোৰণ আৰু বিদেশী নাগৰিক প্ৰসঙ্গ** | ১২০ |
| | | — অসমলৈ বহিৰাগত আগমণৰ ৰূপৰেখা | |
| | | — অসমৰ জনজীৱন আৰু সংস্কৃতিত অনুপ্ৰৱেশকাৰীৰ প্ৰভাৱ | |
| অষ্টম অধ্যায় | ঃ | **(ক) প্ৰাক্-ব্ৰিটিছ যুগৰ অসমৰ শিল্প-উদ্যোগ** | ১৩৭ |
| | | **(খ) ব্ৰিটিছ যুগৰ অসমৰ শিল্প-উদ্যোগ** | ১৫১ |
| | | — জীৱন আৰু সংস্কৃতিত ঔদ্যোগিক বিকাশৰ প্ৰভাৱ | |
| নৱম অধ্যায় | ঃ | **ভাৰতৰ পাৰিপাৰ্শ্বিক আন্দোলন আৰু অসমৰ পাৰিপাৰ্শ্বিক পৰিৱৰ্তনসমূহ** | ১৬৭ |
| | | — প্ৰাক উপনিবেশিক কালৰ অসমৰ পৰিৱেশ | |
| | | — অহোম যুগৰ ভূমিনীতি, বন আৰু নদী সম্পৰ্কীয় আঁচনি | |
| | | — ব্ৰিটিছৰ পাৰিপাৰ্শ্বিক আঁচনি আৰু ইয়াৰ প্ৰভাৱ | |
| | | — ১৯৪৭ চনৰ পৰৱৰ্তী কালৰ অসমৰ পাৰিপাৰ্শ্বিক পৰিৱৰ্তন ঃ কাৰণ, প্ৰকৃতি আৰু প্ৰভাৱ | |
| | | — পাৰিপাৰ্শ্বিক সুৰক্ষা আৰু অসমৰ বেচৰকাৰী সংস্থা | |


## তৃতীয় ভাগ


| | | | |
|---|---|---|---|
| দশম অধ্যায় | ঃ | **প্ৰকল্প প্ৰস্তুত**<br>(ভূগোল আৰু বুৰঞ্জী) | ১৯১ |

# পাঠ্যক্ৰমৰ সাৰাংশ
## (Syllabus)

### প্ৰথম ভাগ ঃ ভূগোল

| | | | নম্বৰ | শ্ৰেণী |
|---|---|---|---|---|
| প্ৰথম অধ্যায় | ঃ | উত্তৰ-পূব ভাৰতত অসম ঃ পৰিৱেশ, ভূপ্ৰকৃতি, জলবায়ু, মাটি আৰু পৰস্পৰৰ সম্পৰ্ক | ০৮ | ১৪ |
| দ্বিতীয় অধ্যায় | ঃ | অসমৰ জনদৃশ্যপট | ০৮ | ১৪ |
| তৃতীয় অধ্যায় | ঃ | জৈৱবৈচিত্ৰ্য | ০৮ | ১৪ |
| চতুৰ্থ অধ্যায় | ঃ | অসমৰ অৰ্থনৈতিক গঠন আৰু সম্ভাৱনীয়তা | ০৮ | ১৪ |
| পঞ্চম অধ্যায় | ঃ | মানচিত্ৰ অধ্যয়ন আৰু ভৌগোলিক তথ্যৰ উপস্থাপন | ০৮ | ১৪ |

### দ্বিতীয় ভাগ ঃ বুৰঞ্জী

| | | | | |
|---|---|---|---|---|
| ষষ্ঠ অধ্যায় | ঃ | অসমৰ ৰাজনৈতিক বিকাশ (১৮২৬-১৯৮৫) | ১২ | ২০ |
| সপ্তম অধ্যায় | ঃ | অসমৰ জনসংখ্যা বিস্ফোৰণ আৰু বিদেশী নাগৰিক প্ৰসঙ্গ | ০৮ | ১৫ |
| অষ্টম অধ্যায় | ঃ | (ক) প্ৰাক্-ব্ৰিটিছ যুগৰ অসমৰ শিল্প-উদ্যোগ<br>(খ) ব্ৰিটিছ যুগৰ অসমৰ শিল্প-উদ্যোগ | ১২ | ২০ |
| নৱম অধ্যায় | ঃ | ভাৰতৰ পাৰিপাৰ্শ্বিক আন্দোলন আৰু অসমৰ পাৰিপাৰ্শ্বিক পৰিৱৰ্তনসমূহ | ০৮ | ১৫ |
| | | মুঠ ঃ | ৮০ | ১৪০ |
| দশম অধ্যায় | ঃ | প্ৰকল্প প্ৰস্তুত — ভূগোল ভাগ ঃ | ১০ | |
| | | বুৰঞ্জী ভাগ ঃ | ১০ | |
| | | মুঠ নম্বৰ ঃ | ১০০ | |

**নম্বৰ তালিকা**

প্ৰথম ভাগ ঃ ভূগোল — ৪০

দ্বিতীয় ভাগ ঃ বুৰঞ্জী — ৪০

প্ৰকল্প প্ৰস্তুত — মুঠ ২০ (১০ + ১০)

# প্রথম ভাগ

## ভূগোল

প্ৰথম অধ্যায়

# উত্তৰ-পূব ভাৰতত অসম ঃ পৰিৱেশ, ভূপ্ৰকৃতি, জলবায়ু, মাটি আৰু পৰস্পৰৰ সম্পৰ্ক

**প্ৰয়োজনীয় তথ্য**

- উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰদেশসমূহ — অৰুণাচল, অসম, মণিপুৰ, মেঘালয়, মিজোৰাম, নাগালেণ্ড, ত্ৰিপুৰা আৰু ছিকিম।
- উত্তৰ-পূৰ্বাঞ্চলৰ চৌপাশৰ বিদেশী ৰাষ্ট্ৰ — নেপাল, ভূটান, চীন, ম্যানমাৰ আৰু বাংলাদেশ।
- অসমৰ অৱস্থিতি —২৪°০৭' উত্তৰ আৰু ২৮°০' উত্তৰ অক্ষাংশ, আৰু ৮৯°৫' পূব আৰু ৯৬°১' পূব দ্ৰাঘিমাংশ।
- অসমৰ জলবায়ু — সেমেকা উপক্ৰান্তীয়।
- ২০১১ চনৰ পিয়ল অনুসৰি অসমৰ জনসংখ্যা — ৩১,২০৫,৫৭৬ জন।
- ব্ৰহ্মপুত্ৰৰ বিশেষত্ব —

  পৃথিৱীৰ ষষ্ঠ বৃহৎ নদী।

  পৃথিৱীৰ দ্বিতীয় বৃহৎ গেদ কঢ়িওৱা নদী (বছৰি ৪২০ নিযুত টন)।

  দূলৰ্ভ প্ৰজাতিৰ শিহু (Platanish Gangetica) ৰ আৱাস।

  পৃথিৱীৰ মুখ্য পৰিভ্ৰমী চৰাইৰ পৰিভ্ৰমণৰ পথৰ ভিতৰত ব্ৰহ্মপুত্ৰ পথ অন্যতম।

  পৃথিৱীৰ বৃহত্তম নদীদ্বীপ মাজুলী ব্ৰহ্মপুত্ৰৰ মাজতে।

  ১৯৮৮ চনৰ ১ ছেপ্টেম্বৰত শদিয়াৰ পৰা ধুবুৰীলৈকে ব্ৰহ্মপুত্ৰৰ ৮৯১ কিলোমিটাৰ দীঘল নদীপথ দেশৰ দ্বিতীয়টো ৰাষ্ট্ৰীয় নদীপথ হিচাপে ভাৰত চৰকাৰৰ দ্বাৰা ঘোষণা।

উত্তৰ-পূব ভাৰত তথা উত্তৰ-পূৰ্বাঞ্চলৰ আঠখন প্ৰদেশৰ ভিতৰত অসম এখন উল্লেখযোগ্য প্ৰদেশ। উত্তৰ-পূৰ্বাঞ্চলত অন্তৰ্ভুক্ত হোৱা প্ৰধান দেশ কেইখন হ'ল অৰুণাচল, অসম, মণিপুৰ, মেঘালয়, মিজোৰাম, নাগালেণ্ড, ত্ৰিপুৰা আৰু ছিকিম। ছিকিমক বাদ দি সাতখন প্ৰদেশক পূৰ্বে অসম বুলি কোৱা হৈছিল। এই প্ৰদেশ কেইখনেই উত্তৰ-পূৰ্বাঞ্চলৰ লোকসকলৰ মাজত সাতভনী বুলি জনাজাত। সাতখন প্ৰদেশ তথা কেন্দ্ৰীয় শাসিত অঞ্চলৰে গঠিত পূৰ্বৰ এই বৰঅসম কালক্ৰমত এখন এখনকৈ ৰাজনৈতিকভাৱে আঁতৰি সাতখন

প্ৰদেশত বিভক্ত হয়। সাতখন প্ৰদেশৰে গঠিত গোটেই অঞ্চলটোৰ সৰ্বাঙ্গীন উন্নয়নৰ লক্ষ্যৰে উত্তৰ-পূব পৰিষদে (North-Eastern Council) উত্তৰ-পূৰ্বাঞ্চল গঠন কৰে আৰু প্ৰধানকৈ অৰ্থনৈতিক উন্নয়নৰ ব্যৱস্থা হাতত লয়। পৰৱৰ্তী সময়ত উত্তৰ-পূব পৰিষদে চিকিম প্ৰদেশক উত্তৰ-পূৰ্বাঞ্চলত অন্তৰ্ভুক্ত কৰে।

১৮২৬ চনত ইংৰাজ আৰু ব্ৰহ্মদেশৰ মাজত হোৱা ঐতিহাসিক ইয়াণ্ডাবু সন্ধিৰ আগলৈকে পূৰ্বৰ অসম তথা সাতভনী আহোম ৰাজ্য, ত্ৰিপুৰা আৰু মণিপুৰ ৰাজ্য এই তিনি ৰাজনৈতিক ভূখণ্ডত বিভক্ত আছিল। ১৯৪৭ চনত ভাৰত স্বাধীন হোৱাৰ পিছত এই ভূখণ্ড অসম প্ৰদেশ, মণিপুৰ ৰাজ্য আৰু ত্ৰিপুৰা ৰাজ্য এই তিনিটা ৰাজনৈতিক ক্ষেত্ৰত বিভক্ত কৰা হয়। পৰৱৰ্তী সময়ত ১৯৬৩ চনৰ ১ ডিচেম্বৰত নাগালেণ্ড, ১৯৭০ চনৰ ২ এপ্ৰিলত মেঘালয়, ১৯৭২ চনৰ ২০ জানুৱাৰীত অৰুণাচল আৰু ১৯৭২ চনত মিজোৰামক কেন্দ্ৰীয় শাসিত অঞ্চল হিচাপে স্বীকৃতি দিয়া হয়। মণিপুৰ আৰু ত্ৰিপুৰাক পূৰ্বতে কেন্দ্ৰীয় শাসিত অঞ্চল হিচাপে ঘোষণা কৰা হয় যদিও ১৯৭২ চনৰ ২১ জানুৱাৰীত এই দুয়োটা কেন্দ্ৰীয় শাসিত অঞ্চলক পূৰ্ণাঙ্গ ৰাজ্যৰ মৰ্যাদা দিয়া হয়। ২০০২ চনতহে ছিকিমক উত্তৰ-পূৰ্বাঞ্চলৰ অষ্টমখন প্ৰদেশ হিচাপে অন্তৰ্ভুক্ত কৰা হয়। (উৎস ঃ শৰাইঘাট ইয়াৰবুক, ২০১৯)

সমুদ্ৰৰ পৰা বহুদূৰত অৱস্থিত উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰতিখন প্ৰদেশৰ পৰিসীমা অতি কমেও এখন বিদেশী ৰাষ্ট্ৰৰ সীমাৰে পৰিবেষ্টিত। সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ মুঠ পৰিসীমাৰ প্ৰায় ৯৯ শতাংশ অৰ্থাৎ ৫১৮২ কিলোমিটাৰ বিদেশী ৰাষ্ট্ৰই আগুৰি আছে। পশ্চিমবঙ্গৰ উত্তৰ খণ্ডত থকা কেৱল ২১ কিলোমিটাৰৰ পৰা ৪০ কিলোমিটাৰ প্ৰস্থৰ এক ঠেক স্থলভাগে উত্তৰ-পূৰ্বাঞ্চলক দেশৰ বাকী অংশৰ লগত সংযোগ কৰি ৰাখিছে। নেপাল, ভূটান, চীন, ম্যানমাৰ আৰু বাংলাদেশ এই পাঁচখন বিদেশী ৰাষ্ট্ৰই প্ৰায় চাৰিওফালে বেৰি ৰখাৰ বাবে সামৰিক দিশৰ পৰা উত্তৰ-পূৰ্বাঞ্চল অতিশয় স্পৰ্শকাতৰ।

ভূ-প্ৰাকৃতিক দিশৰ পৰা উত্তৰ-পূৰ্বাঞ্চল প্ৰধানকৈ পূব হিমালয় আৰু ব্ৰহ্মপুত্ৰ-বৰাক উপত্যকাৰে গঠিত। ব্ৰহ্মপুত্ৰ, বৰাক আৰু এই দুই নদীৰ উপনৈসমূহে সৃষ্টি কৰা বিস্তীৰ্ণ উপত্যকা অঞ্চল, মণিপুৰ উপত্যকা আৰু মেঘালয় আৰু মিজোৰামৰ পাহাৰবোৰৰ মাজত অৱস্থিত কিছু সমতল ভূমিৰ বাহিৰে সমগ্ৰ পূৰ্বাঞ্চলৰ দুই-তৃতীয়াংশৰ ভূ-অৱয়ব পাহাৰীয়া। সাগৰৰ পৃষ্ঠৰ কেইমিটাৰমান উচ্চতাৰ পৰা ৭০০০ মিটাৰতকৈও বেছি উচ্চতাৰ অঞ্চল উত্তৰ-পূৰ্বাঞ্চলত পোৱা যায়। ছিকিম আৰু নেপালৰ সীমান্তৱৰ্তী অঞ্চলত থকা ৮৫৮৬ মিটাৰ উচ্চতাৰ কাঞ্চনজংঘা পৃথিৱীৰ উচ্চতম শৃঙ্গ সমূহৰ ভিতৰত তৃতীয় স্থানত থকা শৃঙ্গ।

সামগ্ৰিকভাৱে উত্তৰ-পূৰ্বাঞ্চল ইণ্ডো মালয়ান, ইন্দোচীন আৰু ইণ্ডিয়ান জৈৱ ভৌগোলিক অঞ্চলৰ সংগমস্থলত অৱস্থিত। অঞ্চলটো প্ৰধানকৈ সেমেকা উপক্ৰান্তীয় জলবায়ু অঞ্চলৰ অন্তৰ্গত। সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চল, বিশেষকৈ অসমৰ ভূ-প্ৰকৃতি আৰু জলবায়ু নিম্নোক্ত কাৰকৰ দ্বাৰা বিশেষভাৱে প্ৰভাৱান্বিত। এই কাৰকসমূহ হ'ল —


(১) অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ভৌগোলিক অৱস্থিতি আৰু অৱয়ৱসমূহ।

(২) সুউচ্চ হিমালয় পৰ্বতমালাৰ অৱস্থিতি আৰু

(৩) মহাবাহু ব্ৰহ্মপুত্ৰৰ বিশাল জলধাৰ আৰু ইয়াৰ প্ৰভাৱ।

অসমৰ অৱস্থিতি আৰু ইয়াৰ ভূ অৱয়ৱৰ বৈশিষ্ট্যই অসমৰ প্ৰাকৃতিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক


পৰিৱেশৰ ওপৰত বিশেষ প্ৰভাৱ পেলাইছে। ভূ-গোলকৰ ২৪°০৭/ উত্তৰ অক্ষাংশ আৰু ২৮°০/ উত্তৰ অক্ষাংশ আৰু ৮৯°৫/ পূব দ্ৰাঘিমাংশ আৰু ৯৬°১/ পূব দ্ৰাঘিমাংশৰ মাজত অৱস্থিত হোৱাৰ বাবে আৰু অসমৰ প্ৰায় চৌপাশ গিৰিবেষ্টিত হোৱাৰ কাৰণে অসমৰ জলবায়ু তথা জৈৱবিচিত্ৰতা ভাৰতবৰ্ষৰ আন ৰাজ্যবোৰতকৈ বেলেগ হৈ পৰিছে (মানচিত্ৰ-১)। জলবায়ুৰ বৈশিষ্ট্যৰ বাবেই শীতকালত যিবোৰ উদ্ভিদ আৰু প্ৰাণী অসমত পোৱা যায় গ্ৰীষ্মকালত এচাম বেলেগ প্ৰজাতিৰ উদ্ভিদ আৰু প্ৰাণী পোৱা যায় যাৰ বাবে অসম জৈৱবিচিত্ৰতাৰ এক চহকী অঞ্চলত পৰিণত হৈছে।




মানচিত্ৰ নং ১ ঃ গিৰিবেষ্টিত ৰাজ্যসমূহৰ মাজত অসম

অসমেই উত্তৰ-পূৰ্বাঞ্চলৰ একমাত্ৰ সমতলীয় প্ৰদেশ। ডিমা হাচাও, কাৰ্বি আংলং আৰু পশ্চিম কাৰ্বি আংলং এই তিনিখন জিলা পাহাৰীয়া। বাকীবোৰ জিলা প্ৰায় সমতলীয়। অৱশ্যে কামৰূপ মহানগৰ, দক্ষিণ মৰিগাঁও আৰু ভূটান আৰু অৰুণাচলৰ দাঁতি কাষৰীয়া অঞ্চলত কিছুমান পাহাৰ আৰু টিলা আছে (মানচিত্ৰ - ১)। অসমক গছ-গছনিৰে ভৰা পাহাৰীয়া প্ৰদেশ কেইখনে বেৰি থকাৰ বাবে অসমৰ জলবায়ু একে অক্ষাংশত থকা ভাৰতৰ আন আন প্ৰদেশবোৰৰ জলবায়ুতকৈ বহুত বেলেগ; গ্ৰীষ্মকালত উষ্ণতাৰ পৰিমাণ তুলনামূলকভাৱে কম। কিন্তু অসমৰ বায়ুমণ্ডলত জলীয়বাষ্প বেছিকৈ থকাৰ বাবে গৰমৰ দিনত প্ৰকৃত উত্তাপতকৈ অনুভূত উত্তাপৰ পৰিমাণ কিছু বেছি। চিকিমৰ বাহিৰে উত্তৰ-পূৰ্বাঞ্চলৰ বাকী ৰাজ্যসমূহত হোৱা প্ৰবল বৃষ্টিপাতৰ অধিকাংশ পানীয়েই ব্ৰহ্মপুত্ৰ আৰু বৰাক নৈলৈ বিভিন্ন উপনদীয়ে কঢ়িয়াই আনে। থিয় পাহাৰৰ ঢালেদি

প্ৰবল বেগেৰে বৈ অহা পাহাৰীয়া জান-জুৰি আৰু উপনদীবোৰে প্ৰচুৰ পৰিমাণে বালি, বোকা আদি গেদ কঢ়িয়াই আনি ব্ৰহ্মপুত্ৰৰ গভীৰতা দ্ৰুতগতিত হ্ৰাস কৰিছে যাৰ ফলত বানপানী আৰু গৰাখহনীয়াৰ প্ৰকোপ দিনক দিনে বাঢ়িব লাগিছে।




মানচিত্ৰ নং ২ ঃ অসমৰ বিভিন্ন অঞ্চলৰ ভূ-ভাগৰ উচ্চতা

সুউচ্চ হিমালয় পৰ্বত-মালাই সমগ্ৰ অঞ্চলটোক উত্তৰ দিশৰ পৰা প্ৰবাহিত হোৱা প্ৰবল শীতৰ পৰা ৰক্ষা কৰিছে। হিমালয়ৰ বৰফাবৃত থিয় ঢালৰ পৰ্বতমালা আৰু গভীৰ গিৰিখাতবোৰে বিদেশী ৰাষ্ট্ৰই স্থলভাগেৰে কৰিব পৰা আক্ৰমণৰ সম্ভাৱনা বহু পৰিমাণে কমাই ৰাখিছে। হিমালয়ৰ বৰফ গলা পানীয়ে ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উত্তৰ বাহিনীৰ প্ৰায়বোৰ উপনদীক গোটেই বছৰ পানীৰে পৰিপুষ্ট কৰি ৰাখিছে। গোটেই বছৰ পানী থকাৰ বাবে নদ-নদীবোৰত বিভিন্ন প্ৰজাতিৰ বহুতো উদ্ভিদ আৰু জলচৰ প্ৰাণীৰ সমাহাৰ ঘটিছে; সকলো ঋতুতে প্ৰয়োজন অনুসৰি খেতি মাটিত পানী যোগান ধৰা সম্ভৱ হৈছে। অৰুণাচল, নাগালেণ্ড, মণিপুৰ, মিজোৰামৰ পাহাৰ-পৰ্বতবোৰে ব্ৰহ্মপুত্ৰ তথা বৰাক উপত্যকাক বেৰি ৰাখিছে। বৰ্ষা ঋতুত যেতিয়া মৌচুমী বায়ু উত্তৰ-পূৰ্বাঞ্চলত প্ৰৱেশ কৰে তেতিয়া হিমালয়ৰ এই পাহাৰ-পৰ্বতবোৰৰ অৱস্থিতিৰ বাবে প্ৰচুৰ পৰিমাণে শৈলোৎক্ষেপ বৃষ্টিপাত হয়। ইয়াৰ ফলত নদ-নদীবোৰ পানীৰে উপচি পৰি ঠায়ে ঠায়ে প্ৰবল বানৰ সৃষ্টি কৰে যদিও প্ৰাকৃতিকভাৱে পোৱা এই পানী হাবি জংঘলবোৰ বৰ্তি থকাত আৰু খেতি-বাতি কৰাত যথেষ্ট সহায় হৈছে। নদী, উপনদী আৰু আন আন জলাশয়সমূহত মাছ, কাছকে ধৰি বিভিন্ন প্ৰজাতিৰ জীৱ আৰু বিভিন্ন প্ৰজাতিৰ উদ্ভিদেৰে অসমক জৈৱবিচিত্ৰতাৰে চহকী অঞ্চলত পৰিণত কৰিছে। পশ্চিমে চিকিমৰ পৰা আৰম্ভ কৰি পূবে অৰুণাচলৰ বিভিন্ন অংশৰ প্ৰাকৃতিক সৌন্দৰ্য্য অতিশয় মনোমোহা। ইয়াৰে কেইটামান এলেকাহে বৰ্তমানলৈকে


পৰ্যটন ক্ষেত্ৰলৈ উন্নীত কৰা হৈছে। পৰ্যাপ্ত পৰিবহণ আৰু থকা মেলাৰ সুবিধা কৰিব পাৰিলে নতুন নতুন বহুতো অঞ্চল অতিশয় আকৰ্ষণীয় পৰ্যটন ক্ষেত্ৰলৈ ৰূপান্তৰ কৰিব পৰা হ'ব আৰু ইয়াৰ দ্বাৰা অসম তথা সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলত নিবনুৱাৰ নিযুক্তিৰ লগতে বিদেশী মুদ্ৰা উপাৰ্জনৰ বাট মুকলি হ'ব।

## ব্ৰহ্মপুত্ৰ নদ ঃ

মহাবাহু ব্ৰহ্মপুত্ৰক অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ জীৱন ৰেখা বুলি কোৱা হয়। বিশেষকৈ অসমৰ প্ৰাকৃতিক পৰিৱেশ, অৰ্থনৈতিক অৱস্থা আৰু মানুহৰ জীৱনধাৰণ ব্যৱস্থাত ব্ৰহ্মপুত্ৰৰ প্ৰভাৱ অপৰিসীম। ব্ৰহ্মপুত্ৰৰ উৎস হিমালয়ৰ উত্তৰে। এই নদী অৰুণাচল-হিমালয়ৰ মাজেৰে দক্ষিণলৈ আহি অসম উপত্যকাত প্ৰৱেশ কৰিছে। ব্ৰহ্মপুত্ৰ এখন পূৰ্ববৰ্তী নদী বুলি জনা যায় কাৰণ ব্ৰহ্মপুত্ৰ উৎস অঞ্চলতকৈ ওখ অঞ্চলৰ মাজেৰে প্ৰবাহিত হৈছে। ই পৃথিৱীৰ ষষ্ঠ বৃহৎ নদী। ব্ৰহ্মপুত্ৰৰ মুঠ অববাহিকা অঞ্চল ৫,৮০,০০০ বৰ্গ কিলোমিটাৰ। ব্ৰহ্মপুত্ৰ অৱবাহিকাৰ ৫০.৫ শতাংশ চীন দেশত, ৩৩.৬ শতাংশ ভাৰতবৰ্ষত, ৮.১ শতাংশ বাংলাদেশত আৰু ৭.৮ শতাংশ ভূটানত পৰিছে। ভাৰতবৰ্ষৰ ভিতৰত ব্ৰহ্মপুত্ৰৰ মুঠ অৱবাহিকা অঞ্চলৰ শতকৰা ৪১.৮৮ ভাগ অৰুণাচলত, ৩৬.৩৩ ভাগ অসমত ৬ ভাগ মেঘালয়ত, ৫.৫৫ ভাগ নাগালেণ্ডত, ৩.৭৫ ভাগ চিকিমত আৰু ৬.৪৭ ভাগ পশ্চিমবঙ্গত পৰিছে। ব্ৰহ্মপুত্ৰৰ উৎস কৈলাশ গিৰিমালাৰ পৰা য়াৰলুং চাংপো নামেৰে প্ৰায় ১৭০০ কিলেমিটাৰ পূব দিশে বৈ দক্ষিণমুৱা হৈ অৰুণাচল প্ৰদেশত প্ৰৱেশ কৰিছে। এই ৰাজ্যত প্ৰৱেশৰ পিছত এই নদীক ছিয়াং নামেৰে জনা যায়। প্ৰায় ২৭৮ কিলোমিটাৰ পথ প্ৰবাহিত হৈ পাছিঘাটৰ পৰা ৫২ কিলোমিটাৰ নামনিত ছিয়াঙৰ নামনি অংশ অৰ্থাৎ দিহঙে দিবং আৰু লোহিতৰ লগ লাগিছে। এই সংগমস্থলীৰ (পৰশুৰাম কুণ্ড) পৰা পশ্চিমমুৱাকৈ বৈ অহা বৃহৎ জলাধাৰেই ব্ৰহ্মপুত্ৰ। ব্ৰহ্মপুত্ৰই বছৰি ৪০২ নিযুত টন গেদ কঢ়িয়াই পৃথিৱীৰ দ্বিতীয় বৃহৎ গেদ কঢ়িওৱা নদীত পৰিণত হৈছে। অতি কম ঢালৰ ভূখণ্ডৰ মাজেৰে প্ৰচুৰ গেদ সমৃদ্ধ ব্ৰহ্মপুত্ৰ প্ৰবাহিত হোৱাৰ বাবে ইয়াৰ জলধাৰ ঠায়ে ঠায়ে বিভিন্ন শাখাত বিভক্ত হৈছে আকৌ এই শাখাবোৰ পুনৰ লগ লাগিছে। এনেদৰে প্ৰবাহিত নদীক গুম্ফিত নদী বুলি কোৱা হয়। নদীখনৰ এনে গতিৰ ফলত প্ৰায় ৬০০ টামান চৰ চাপৰি সৃষ্টি হৈছে। ইয়াৰ ফলত নদীখনৰ প্ৰস্থ ঠাই বিশেষে ৭ কিলোমিটাৰতকৈও অধিক হৈছে। ব্ৰহ্মপুত্ৰৰ আৰু কেইটামান বিশেষত্বৰ বাবে নদীখনক পৃথিৱীৰ এক বিশেষ নদী হিচাপে গণ্য কৰা হয়। ব্ৰহ্মপুত্ৰৰ বুকুতেই পৃথিৱীৰ সৰ্ববৃহৎ নদীদ্বীপ মাজুলী আছে। ৬৪৫ বৰ্গ কিলোমিটাৰ এলেকা আৱৰি থকা নদীদ্বীপ মাজুলীত ১৫৫ খন বসতিপূৰ্ণ গাঁও আছে। জৈৱবিচিত্ৰতাৰ দিশৰ পৰা মাজুলী অতিশয় চহকী। এই নদীদ্বীপ সত্ৰীয়া সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ। মাজুলীৰ মুখা শিল্প বিশ্ববিখ্যাত। ব্ৰহ্মপুত্ৰৰ আন এটা বৈশিষ্ট্য হ'ল ইয়াত পোৱা বিৰল প্ৰজাতিৰ শিহু। গোটেই পৃথিৱীত কেৱল চাৰিটা প্ৰজাতিৰ নিৰ্মল পানীত থকা শিহু আছে। তাৰ ভিতৰত প্লেটানিছ গেঞ্জেটিকা (Platenish Gangetica) নামৰ লুপ্তপ্ৰায় শিহুবিধ ব্ৰহ্মপুত্ৰত আছে। অৱশ্যে এই শিহু বৰ্তমান প্ৰায় ২০০ টা মানহে আছেগৈ। বিৰল প্ৰজাতিৰ এই শিহু বহুতো গৱেষক আৰু পৰ্যটকৰ আকৰ্ষণ বিন্দু।

ব্ৰহ্মপুত্ৰ নদী পৰিভ্ৰমী চৰাইৰ এটা সুদীৰ্ঘ আৰু গুৰুত্বপূৰ্ণ ভ্ৰমণ পথ। সুদূৰ ইউৰোপ, চাইবেৰিয়া আদিৰ পৰা পৰিভ্ৰমী চৰাই ব্ৰহ্মপুত্ৰ পথেৰে দক্ষিণ-পূব এছিয়ালৈকে উৰি আহে। তাৰে বহুতো পক্ষী অসমৰ বিল, জলাহবোৰত আশ্ৰয় লয়। সাধাৰণতে শীতকালত এনে পৰিভ্ৰমী চৰাই অসমত দুই তিনি মাহৰ বাবে আশ্ৰয় লয় আৰু পুনৰ নিজ স্থানলৈ গতি কৰে।

নদীখনত গোটেই বছৰ জাহাজ চলাচল কৰিব পৰাকৈ পৰ্যাপ্ত পানী থকাৰ বাবে চৰকাৰে এই নদীপথ ৰাষ্ট্ৰীয় নদীপথ হিচাপে চিনাক্ত কৰিছে (মানচিত্ৰ-৩)।




মানচিত্ৰ নং ৩ ঃ ব্ৰহ্মপুত্ৰ, ৰাষ্ট্ৰীয় নদীপদ নং ২

## জলবায়ু ঃ

অসমৰ জলবায়ু মৌচুমী বতাহৰ দ্বাৰা বিশেষভাৱে প্ৰভাৱান্বিত। বতৰৰ অৱস্থা একোটা বছৰৰ বিভিন্ন সময়ত বিভিন্ন হোৱাৰ বাবে বছৰটোক চাৰিটা ঋতুত ভগোৱা হৈছে। বৰ্ষা, শীত, শৰৎ আৰু বসন্ত। এই চাৰিটা ঋতুৰ ভিতৰত বৰ্ষা আৰু শীত ঋতু কিছু দীঘলীয়া। শীত আৰু বৰ্ষাৰ মাজত বসন্ত আৰু বৰ্ষা আৰু শীতৰ মাজত শৰৎ ঋতু। এই দুই ঋতুকাল যথেষ্ট চুটি। নৱেম্বৰ মাহৰ মাজভাগৰ পৰা ফেব্ৰুৱাৰী মাহৰ মাজলৈকে শীতকাল। এই সময়ত গড় উত্তাপ ১৫° ছেলছিয়াছতকৈ তললৈ নামে। এই ঋতুত পুৱা গধূলি কুঁৱলী পৰা দেখা যায়। মাৰ্চ মাহৰ পৰা উষ্ণতা বাঢ়িবলৈ লয়। লগতে ধূলি-ধুমুহাৰ প্ৰকোপ বাঢ়ে। মাৰ্চ মাহৰ শেষৰ পৰা প্ৰায় গোটেই এপ্ৰিল মাহত অসমত যি ধুমুহা বতাহ বলে তাকে স্থানীয় লোকে বৰদৈচিলা অহা বুলি কয়। এই সময়ছোৱাতে গছে নতুন পাত মেলে আৰু এটা চুটি সময়ৰ বাবে বসন্ত কাল বিৰাজ কৰে। তাৰ পিছত জুন

মাহৰ আৰম্ভণিৰে পৰা মৌচুমী বায়ুৰ আগমন ঘটে আৰু ছেপ্টেম্বৰ মাহ পৰ্যন্ত প্ৰৱল বৃষ্টিপাত হয়। ইয়াৰ ঠিক আগে আগে প্ৰধানকৈ মে' মাহত বায়ুমণ্ডলৰ উষ্ণতা যথেষ্ট অনুভূত হয়। এই সময়ত উত্তাপ ৩০° ছেলছিয়াৰ পৰা ৩৫° ছেলছিয়াছ পৰ্যন্ত হয়গৈ। ছেপ্টেম্বৰৰ শেষৰ ফালে উত্তাপো কমি আহে আৰু বৰ্ষা ঋতুৰো অন্ত পৰে। ক্ৰমে আকাশ ফৰকাল হয়।

নৱেম্বৰ মাহৰ পৰা আৰম্ভ হোৱা শীত ঋতু আৰু বৰ্ষা ঋতুৰ মাজৰ সময়ছোৱা হ'ল শৰৎকাল যিটো ঋতু যথেষ্ট চুটি। লাহে লাহে শীতৰ প্ৰকোপ বাঢ়ে আৰু ডিচেম্বৰৰ শেষৰ পৰা জানুৱাৰী মাহৰ ভিতৰত বায়ুমণ্ডলৰ উষ্ণতা সৰ্বনিম্ন হয়গৈ। এই সময়ত গড় উত্তাপ ১৩° ছেলছিয়াছমান হয় যদিও মাজে মাজে তাপমাত্ৰ ৮° ছেলছিয়াছলৈ হ্ৰাস হয়।


উল্লেখযোগ্য যে পূব আৰু পশ্চিম অসমৰ জলবায়ুৰ মাজত কিছু পাৰ্থক্য আছে। ঠিক তেনেদৰে হিমালয়ৰ পাদভূমিত আন ঠাইৰ তুলনাত উষ্ণতা কিছু কম অনুভূত হয়। গোৱালপাৰা, বঙাইগাঁও, কোকৰাঝাৰ, ধুবুৰী আদি জিলাকেইখনৰ জলবায়ু পশ্চিমবঙ্গৰ উত্তৰ-অঞ্চলৰ দৰে। বৰাক উপত্যকাৰ জিলা কেইখনত সাধাৰণতে অধিক বৃষ্টিপাত হোৱাৰ লগতে বায়ুমণ্ডলত জলীয় বাষ্পৰ পৰিমাণ বেছি হৈ থাকে। তাৰ ফলত তুলনামূলকভাৱে অধিক গৰম অনুভৱ হয়। মধ্য অসমৰ দক্ষিণ নগাঁও আৰু হোজাই জিলা বৃষ্টিছায়া অঞ্চলত পৰাৰ বাবে এই অঞ্চলৰ জলবায়ু অসমৰ আন ঠাইৰ তুলনাত কিছু শুকান। পূব অসমৰ গোলাঘাট, যোৰহাট, শিৱসাগৰ, চৰাইদেউ, তিনিচুকীয়া, ডিব্ৰুগড়, ধেমাজী আৰু লক্ষীমপুৰ জিলাৰ জলবায়ু মধ্য অসমৰ দৰে যদিও শীতকালত উষ্ণতাৰ পৰিমাণ কিছু কম অনুভূত হয়।

অসমৰ অৰ্থনীতিও প্ৰধানকৈ কৃষিৰ ওপৰত নিৰ্ভৰশীল। গ্ৰামাঞ্চলৰ শতকৰা ৮৬ ভাগ লোক শস্য উৎপাদন, মাছমৰা আৰু বনজ সম্পদ আহৰণ কৰা আদি প্ৰাথমিক কাৰ্যৰ লগত জড়িত। অসমৰ অনুকূল জলবায়ুৰ বাবেই কৃষক সকলৰ এই কাৰ্যকলাপ সম্ভৱ হৈছে। কিন্তু শেহতীয়া তথ্য অনুসৰি অসমৰ জলবায়ু ক্ৰমে সলনি হৈছে। উষ্ণতাৰ পৰিমাণ বাঢ়িছে আৰু বৃষ্টিপাত অনিয়মীয়া হোৱাৰ লগতে পৰিমাণো হ্ৰাস হৈছে। জলবায়ুৰ এই পৰিৱৰ্তনৰ গতি আগন্তুক সময়ছোৱাত আৰু অধিক হ'ব বুলি বিজ্ঞানীসকলে তথ্য সহকাৰে আগজাননী দিছে। এনে পৰিৱৰ্তনে নিশ্চিতভাৱে অসমৰ কৃষি ব্যৱস্থা, জলাশয়সমূহত মাছ, কাছৰ উৎপাদন, চাহ উদ্যোগ তথা বনাঞ্চলসমূহত বিৰূপ প্ৰভাৱ পেলাব। তদুপৰি সমগ্ৰ ৰাজ্যখনৰ জনসাধাৰণ তথা জীৱ-জন্তুৰ স্বাস্থ্যৰ অৱনতি আৰু বিভিন্ন প্ৰকাৰৰ বেমাৰ-আজাৰৰ প্ৰকোপ বাঢ়িব।

## অসমৰ মাটি

অসমৰ ভৌগোলিক অৱস্থান, ভূ-প্ৰকৃতি আৰু জলবায়ুৰ লগতে অসমৰ মাটিৰ গুণাগুণে প্ৰদেশখনৰ অৰ্থনীতিত বিশেষ প্ৰভাৱ পেলাইছে। উদ্ভিদৰ প্ৰকাৰ, বৃদ্ধি, গঠন আদিৰ ওপৰত মাটিৰ গুণাগুণে যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰে। উদ্ভিদৰ ওপৰতেই যিহেতু প্ৰাণীজগত নিৰ্ভৰশীল সেয়েহে অসমৰ জৈৱবিচিত্ৰতাত অসমৰ মাটিৰ গুণাগুণৰ প্ৰভাৱো অপৰিসীম।

অসমৰ মাটিত সাধাৰণতে অম্লতাৰ পৰিমাণ বেছি। গুণাগুণৰ ওপৰত নিৰ্ভৰ কৰি অসমৰ মাটিক চাৰিটা ভাগত ভগাব পাৰি। এই চাৰিবিধ মাটি হ'ল — পলসুৱা মাটি, পাহাৰীয়া মাটি, পৰ্বত-পাহাৰৰ পাদদেশত উপলব্ধ কংকৰীয়া মাটি আৰু ৰঙামাটি বা লেটাৰাইট (মানচিত্ৰ-৪)।




মানচিত্ৰ নং ৪ ঃ গুণাগুণ অনুসৰি অসমৰ মাটিৰ বিতৰণ

## পলসুৱা মাটি

ব্ৰহ্মপুত্ৰ-বৰাক উপত্যকা প্ৰধানকৈ নদীগঠিত পলসুৱা মাটিৰে গঠিত। এই পলসুৱা মাটিক দুটা ভাগত ভগাব পাৰি। নতুন পলসুৱা আৰু পুৰণি পলসুৱা মাটি। ব্ৰহ্মপুত্ৰ আৰু বৰাকৰ দুয়োপাৰে সঘনে বানপানী হোৱা অঞ্চল প্ৰধানকৈ নতুন পলসুৱা মাটিৰ। এই মাটিৰ ৰং সাধাৰণতে মধ্যমীয়াৰ পৰা গাঢ় ধোঁৱা বৰণীয়া।

পুৰণি পলসুৱা মাটি কোকৰাঝাৰ, চিৰাং, বাক্সা, ওদালগুৰি, বৰপেটা, নলবাৰী, কামৰূপ, দৰং, শোণিতপুৰ, লক্ষীমপুৰ আৰু অংশ বিশেষে ধেমাজি জিলাত প্ৰধানকৈ পোৱা যায়। নদীকাষৰীয়া নতুন পলসুৱা আৰু পাহাৰৰ দাঁতিকাষৰীয়া অঞ্চলৰ মাজভাগত প্ৰধানকৈ পুৰণি পলসুৱা মাটি দেখা যায়। ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰৰ পুৰণি পলসুৱা মাটিভাগ তুলনামূলকভাৱে উত্তৰপাৰতকৈ ঠেক। কিন্তু মানকাচৰ, দক্ষিণ শালমাৰা, গোৱালপাৰা, নগাঁও, হোজাই জিলাত পুৰণি পলসুৱা মাটিভাগ যথেষ্ট বহল।

বৰাক উপত্যকাত মিজোৰামৰ পাহাৰবোৰৰ সমান্তৰালকৈ কেইবাটাও পুৰণি পলসুৱা মাটিৰ ঠেক কিন্তু দীঘলীয়া অঞ্চল আছে। পুৰণি পলসুৱা মাটিৰ ৰং গাঢ় মটীয়াৰ পৰা মটীয়া-হালধীয়া হোৱা দেখা যায়।

## পাহাৰীয়া মাটি

এই মাটি অসমৰ দক্ষিণৰ পাহাৰীয়া অঞ্চলত প্ৰধানকৈ পোৱা যায়। এই মাটিৰ উৰ্বৰতা স্থান বিশেষে যথেষ্ট কম-বেছি হোৱা দেখা যায়। এই মাটিত নাইট্ৰ’জেন আৰু জৈৱিক পদাৰ্থ বেছিকৈ থাকে। ভৌতিক আৰু ৰাসায়নিক মিশ্ৰণৰ ওপৰত নিৰ্ভৰ কৰি পাহাৰীয়া মাটিৰ বালিয়া আৰু বালি-অঁহীয়া (Loamy) এই দুটা ভাগত পোৱা যায়। ৰঙা মাটিভাগ অসম মেঘালয়ৰ সীমান্তত কাৰ্বি পাহাৰত, ডিমা হাচাও জিলাৰ বৰাইল শৈলশিৰাত আৰু কাছাৰ জিলাৰ পূব প্ৰান্তত পোৱা যায়। ৰঙা বালিঅঁহীয়া মাটিত অম্লতাৰ পৰিমাণ কম। এই মাটিত নাইট্ৰ’জেন, ফচফৰিক এচিড, হিউমাছ আৰু চূণৰ পৰিমাণ নগণ্য।

## কংকৰীয় মাটি

হিমালয়ৰ পৰ্বতমালা আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ সমভূমিৰ মাজত এক ঠেক অঞ্চলত এই মাটিভাগ পোৱা যায়। এই মাটি ভাবৰ (Bhabar) আৰু টেৰাই (Tarai) মাটি বুলিয়ে প্ৰখ্যাত। অসম আৰু অৰুণাচল পশ্চিম সীমাৰ পৰা সোৱণশিৰি নদী পৰ্যন্ত দীঘলীয়া কিন্তু ঠেক অঞ্চল পৰ্বতৰ পৰা খহি অহা সৰু ডাঙৰ, শিল, বালি আদিৰে মাটিভাগ সৃষ্টি হৈছে যি মাটিৰ বৈশিষ্ট্য অসমৰ বাকী অঞ্চলৰ মাটিতকৈ বেলেগ। এই মাটিভাগক ভাবৰ বোলা হয়। ব্ৰহ্মপুত্ৰ উপত্যকাৰ টেৰাই অঞ্চলৰ মাটিৰ গুণাগুণ প্ৰায় ভাবৰ অঞ্চলৰ দৰেই। অৱশ্যে এনে মাটি ভাবৰ অঞ্চলৰ দক্ষিণত দিহং নদী পৰ্যন্ত বিভিন্ন স্থানত প্ৰায় সমান্তৰালভাৱে বিস্তৃত। এই মাটিত ওখ ঘাঁহ গছে আৰু ঠাই বিশেষে জলাহভূমি সৃষ্টি হয়।

## ৰঙামাটি বা লেটাৰাইট

লেটাৰাইট বা ৰঙা মাটিত লৌহকণা আৰু এলুমিনিয়াম বেছিকৈ থাকে। এই মাটি সাধাৰণতে সেমেকা ক্ৰান্তীয় অঞ্চলত পোৱা যায়। লৌহকণা বেছিকৈ থকাৰ বাবে এই মাটিৰ ৰং ৰঙচুৰা। ডিমা হাচাও জিলা আৰু কাৰ্বি মালভূমিৰ হামৰেণ অঞ্চলত প্ৰধানকৈ এই মাটি পোৱা যায়। তদুপৰি গোলাঘাট জিলাৰ দক্ষিণ প্ৰান্তত আৰু বৰাক উপত্যকাৰ বৰাইল পাহাৰৰ পাদভূমিত লেটাৰাইট পোৱা যায়। এই মাটিৰ ৰং গাঢ় কিন্তু নাইট্ৰ’জেন, পটাচ, ফছফৰিক এছিড আৰু চূণৰ পৰিমাণ অতি কম।

সামগ্ৰিকভাৱে অসমৰ মাটি বিভিন্ন শস্য উৎপাদনৰ বাবে উপযোগী যদিও নদী কাষৰীয়া মাটিত বালিৰ অনুপাত বেছি হোৱাৰ বাবে অতিশয় ক্ষয় প্ৰৱণ। সেইবাবে ব্ৰহ্মপুত্ৰকে আদি কৰি অসমৰ ভালেমান ডাঙৰ নদী উপনদীৰ পাৰ বছৰি হোৱা বানত খহনীয়াৰ কবলত পৰে যাৰ ফলত হাজাৰ হাজাৰ লোকৰ ঘৰ-বাৰী নদীত জাহ যোৱাৰ লগতে খেতি পথাৰৰ বিস্তৰ ক্ষতি হয়।

সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ মাজভাগত থকা অসম ৰাজ্যৰ অৱস্থিতিৰ বাবে সমগ্ৰ অঞ্চলটোৰ লোকসকলৰ যাতায়াত ভাৰতবৰ্ষৰ বাকী অংশৰ লগত অসমৰ মাজেদিয়েই হয়। স্থলপথ, জলপথ, ৰে’লপথ আৰু বিমানপথ এই সকলো পথেৰে ভাৰতৰ আন ঠাই আনকি বিদেশী ৰাষ্ট্ৰৰ লগত যোগাযোগ ৰখাৰ বাবে অসমত যি সুবিধা আছে উত্তৰ-পূৰ্বাঞ্চলৰ বেলেগ ৰাজ্যত তেনে সুবিধা নাই। ৰাজ্যখনৰ বেছিভাগ অঞ্চল সমতলীয় হোৱাৰ বাবে আৰু কৃষিকাৰ্যৰ বাবে জলবায়ু অনুকূল আৰু মাটি উৰ্বৰ হোৱাৰ কাৰণে জনবসতি অতি ঘন। তালিকা নং

১ ত থকা তথ্যসমূহে অসম যে উত্তৰ-পূৰ্বাঞ্চলৰ বাকী ৰাজ্যৰ তুলনাত বিভিন্ন দিশৰ পৰা অধিক গুৰুত্বপূৰ্ণ সেইটো স্পষ্ট হৈ পৰিছে।

তালিকানং— ১

**উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ মাজত অসমৰ স্থান**

| প্ৰদেশ | মাটিকালি (বৰ্গ কিঃমিঃ) | জনসংখ্যা (২০১১ চনৰ লোকপিয়ল) | জনসংখ্যাৰ ঘনত্ব (প্ৰতিবৰ্গ কিঃমিঃ) | সাক্ষৰতাৰ হাৰ |
|---|---|---|---|---|
| ত্ৰিপুৰা | ১০,৪৮৬ | ৩,৬৭৩,৯১৭ | ৩৫০ | ৮৭.২ |
| ছিকিম | ৭,০৯৬ | ৬১০,৫৭৭ | ৮৬ | ৮১.৪২ |
| নাগালেণ্ড | ১৬,৫৭৯ | ১৮৭৮,৫০২ | ১১৯ | ৭৯.৫৫ |
| মিজোৰাম | ২১,০৮১ | ১০৯৭,২০৬ | ৫২ | ৯১.৩৩ |
| মেঘালয় | ২২,৪২৯ | ২,৯৬৬,৮৮৯ | ১৩২ | ৭৪.৪৩ |
| মণিপুৰ | ২২,৩২৭ | ২,৫৭০,৩৯০ | ১২২ | ৭৯.২১ |
| অসম | ৭৮,৪৩৮ | ৩১,২০৫,৫৭৬ | ৩৯৭ | ৭২.১৯ |
| অৰুণাচল প্ৰদেশ | ৮৩,৭৪৩ | ১,৩৮৩,৭২৭ | ১৭ | ৬৫.৩৮ |

উৎস ঃ ২০১১ চনৰ লোকপিয়ল, ভাৰত চৰকাৰ

## অনুশীলনী

১। (ক) উত্তৰ-পূব পৰিষদ কোন চনত গঠন হয়?
(খ) উত্তৰ-পূৰ্বাঞ্চলত ছিকিম ৰাজ্যক কেতিয়া অন্তৰ্ভুক্ত কৰা হয়?
(গ) অসম ৰাজ্য কোন জলবায়ু অঞ্চলৰ অন্তৰ্গত?
(ঘ) ২০১১ চনৰ লোকপিয়ল অনুসৰি প্ৰতি বৰ্গ কিলোমিটাৰত অসমৰ জনসংখ্যাৰ ঘনত্ব কিমান?
(ঙ) ভাৰতবৰ্ষৰ পৰিসীমাৰ ভিতৰত থকা ব্ৰহ্মপুত্ৰ অৱবাহিকাৰ কিমান শতাংশ এলেকা অসমৰ ভিতৰত পৰিছে?
(চ) অসমৰ মাটি কেইপ্ৰকাৰৰ?

২। (ক) উত্তৰ-পূৰ্বাঞ্চলৰ মুঠ প্ৰদেশ কেইখন আৰু কি কি?
(খ) উত্তৰ-পূব পৰিষদৰ মূল লক্ষ্য আৰু উদ্দেশ্য কি?
(গ) ইয়াণ্ডাবু সন্ধি কেতিয়া আৰু কাৰ কাৰ মাজত হৈছিল?
(ঘ) উত্তৰ-পূৰ্বাঞ্চলৰ কোন দুখন ৰাজ্য ১৯৪৯ চনৰ পৰা ১৯৭২ চনলৈকে কেন্দ্ৰীয় শাসিত অঞ্চল হিচাপে আছিল?
(ঙ) উত্তৰ-পূৰ্বাঞ্চলক কোন কেইখন বিদেশী ৰাষ্ট্ৰই আগুৰি আছে?

(চ) ব্ৰহ্মপুত্ৰক পূৰ্বৱৰ্তী নদী বুলি কিয় কোৱা হয়?

৩। (ক) ভাৰতবৰ্ষত প্ৰৱেশ কৰাৰ পৰা ব্ৰহ্মপুত্ৰৰ গতিপথৰ এটা চমু বৰ্ণনা দিয়া।

(খ) অসমৰ জলবায়ু নিয়ন্ত্ৰণত হিমালয়ৰ প্ৰভাৱ ব্যাখ্যা কৰা।

(গ) মাজুলীৰ বিশেষত্বসমূহৰ বৰ্ণনা দিয়া।

(ঘ) ব্ৰহ্মপুত্ৰ ৰাষ্ট্ৰীয় নদীপথ হিচাপে এটি চমু ব্যাখ্যা দিয়া।

(ঙ) জলবায়ুৰ দিশৰ পৰা অসমক কেইটা আৰু কি কি ঋতুত ভাগ কৰা হৈছে বৰ্ণনা কৰা।

(চ) অসমত মৌচুমী বতাহৰ প্ৰভাৱ কেনেকুৱা ব্যাখ্যা কৰা।

(ছ) অসমৰ লেটাৰাইট বা ৰঙা মাটিৰ বিতৰণ আৰু বিশেষত্বৰ বিষয়ে এটি টোকা লিখা।

৪। (ক) অসম জৈৱবৈচিত্ৰ্যত চহকী হোৱাৰ কাৰণবোৰ ব্যাখ্যা কৰা।

(খ) অসমৰ পলসুৱা মাটিৰ গুণাগুণ আৰু বিতৰণৰ এটা টোকা লিখা।

(গ) অসমৰ ভূপ্ৰকৃতি প্ৰধানকৈ সমতলীয় হোৱাৰ বাবে উত্তৰ-পূৰ্বাঞ্চলৰ বাকী ৰাজ্যৰ তুলনাত কি কি সুবিধা হৈছে আলোচনা কৰা।

(ঘ) উত্তৰ-পূৰ্বাঞ্চলত অসমৰ অৱস্থিতিৰ বৈশিষ্ট্যই ৰাজ্যখনৰ গুৰুত্ব কেনেদৰে বঢ়াইছে আলোচনা কৰা।

দ্বিতীয় অধ্যায়

# অসমৰ জনদৃশ্যপট

## জন-গাঁথনি ঃ

১৮৭২ চনত ব্ৰিটিছ শাসন কালত হোৱা অসমৰ সৰ্ব্বপ্ৰথম লোকগণনা অনুসৰি জনসংখ্যা আছিল প্ৰায় ২২ লাখ। তেতিয়া অৱশ্যে বৰ্তমানৰ উত্তৰ-পূৰ্বাঞ্চলৰ সাতখন ৰাজ্য সামৰি এই গণনা কৰা হৈছিল। ২০১১ চনৰ লোকপিয়লৰ তথ্য অনুসৰি অসমৰ জনসংখ্যা হ'ল ৩,১২,০৫,৫৭৬ গৰাকী। ২০১৯ চনৰ মাৰ্চ মাহৰ প্ৰাক-কলন অনুসৰি বৰ্তমান অসমৰ জনসংখ্যা প্ৰায় ৩.৫০ কোটি। এই জনসংখ্যা ভাৰতবৰ্ষৰ মুঠ জনসংখ্যাৰ প্ৰায় ২.৬ শতাংশ। অসমৰ মাটিকালি ভাৰতবৰ্ষৰ মুঠ মাটিকালিৰ প্ৰায় ২.৪ শতাংশ। অৰ্থাৎ ভাৰতবৰ্ষৰ মুঠ মাটিকালিৰ ২.৪ শতাংশ ঠাইয়ে সমগ্ৰ ৰাষ্ট্ৰখনৰ প্ৰায় ২.৬ শতাংশ লোকৰ আবাসস্থলী। কুৰি শতিকাৰ কালছোৱাত অসমৰ জনসংখ্যাৰ বৃদ্ধিৰ হাৰ ৮.১ গুণ। এই কালছোৱাত ভাৰতবৰ্ষৰ জনসংখ্যাৰ বৃদ্ধি হাৰ মাথো ৪.৩ গুণ। অসমৰ নগৰীকৰণ প্ৰক্ৰিয়াও মন্থৰ, মাত্ৰ ১৪ শতাংশ। জিলাৰ সংখ্যা ৩৩ খন। পাহাৰীয়া জিলা ৩ খন। মহকুমাৰ সংখ্যা ৫৬ খন (২০১১ চন) আৰু ৰাজহ চক্ৰৰ সংখ্যা ১৮৪ টা।

খিলঞ্জীয়া অধিবাসীসকলৰ মাজত নৃতাত্বিক, ভাষিক, সামাজিক আৰু ধৰ্মীয় উপাদানসমূহৰ বৈচিত্ৰ্য বিৰাজমান। বৈচিত্ৰ্যপূৰ্ণ জনসমাবেশৰ শৈলীৰ হেতুকে অতিসচেতনতাই অসমৰ সমাজ-সংস্কৃতিক ঐক্যৰ অন্তৰায়ৰ সৃষ্টি কৰা দেখা যায়।

শিল্প-বাণিজ্যৰ ক্ষেত্ৰতো আশানুৰূপ অগ্ৰগতি নোহোৱাৰ ফলত বিভিন্ন বৃত্তিত নিয়োজিত লোকৰ সংখ্যাৰ তাৰতম্য দেখা যায়।

প্ৰাথমিক বৃত্তি ঃ ৫২.৪ শতাংশ (কৃষিজীৱী ৪০ শতাংশ, কৃষি শ্ৰমিক ১২.৪ শতাংশ)

দ্বিতীয় বৃত্তি ঃ ১৪.০ শতাংশ

তৃতীয় বৃত্তি ঃ ২৪.৩ শতাংশ

চতুৰ্থক বৃত্তি ঃ ৬.৩ শতাংশ

পঞ্চমক বৃত্তি ঃ ৩.০ শতাংশ

সাক্ষৰতাৰ হাৰ ৭২.২ শতাংশ। মহিলাৰ সাক্ষৰতাৰ হাৰ মাথো ৬৬.৩ শতাংশ। স্ত্ৰী শিক্ষাৰ মান উন্নত কৰাৰ হেতুকে প্ৰচেষ্টা (চৰকাৰী আৰু বেচৰকাৰী সংস্থাৰ জৰিয়তে) অব্যাহত আছে যদিও আশানুৰূপ নহয়। ফলত উন্নয়ন আৰু বিকাশৰ গতি লেহেমীয়া হৈছে।

মানৱ সম্পদ উন্নয়ন নিম্নমানৰ। প্ৰচেষ্টা কৰা হৈছে যদিও গতি এতিয়াও লেহেমীয়া। কৌশল বিকাশৰ ধাৰা অব্যাহত আছে যদিও সম্পদৰ তুলনাত বিকাশ আশাব্যঞ্জক হৈ উঠা নাই।

অসমৰ জনবসতিৰ ঘনত্ব প্ৰতি বৰ্গ কিলোমিটাৰত গড়ে ৩৯৭ গৰাকী। কিন্তু পাহাৰীয়া অঞ্চলত জনবসতিৰ ঘনত্ব প্ৰতি বৰ্গ কিলোমিটাৰত মাত্ৰ ১২ গৰাকী। অৰ্থাৎ সেৰেঙা (বিৰল বসতি)।

১৮৩০ চনত এগৰাকী ব্ৰিটিছ বিষয়াই অসমৰ জনসংখ্যা প্ৰায় সাত লাখ বুলি অনুমান কৰিছিল আৰু ইয়াৰ প্ৰায় পঞ্চাশ বছৰ পিছত অৰ্থাৎ ১৮৭২ চনৰ সৰ্বপ্ৰথম লোকগণনাত জনসংখ্যা বৃদ্ধি হৈ প্ৰায় ২২ লাখ বুলি ঘোষণা কৰা হয়।

এটা অঞ্চলত জনসংখ্যাৰ বৃদ্ধি হাৰ তিনিটা কাৰণত হ'ব পাৰে (i) জন্মৰ হাৰ, (ii) মৃত্যুৰ হাৰ আৰু (iii) প্ৰব্ৰজন। সেয়েহে সংক্ষেপে জনসংখ্যাৰ বৃদ্ধিৰ হাৰ গণনা কৰিবলৈ তলৰ সূত্ৰটো ব্যৱহাৰ কৰা হয়—

জনসংখ্যাৰ বৃদ্ধি ($P_g$) = (জন্মৰ হাৰ ~ মৃত্যুৰ হাৰ) + প্ৰব্ৰজন

প্ৰব্ৰজন = (আন্তঃপ্ৰব্ৰজন ~ বহিঃপ্ৰব্ৰজন)

১৯০১ চনৰ পৰা সমগ্ৰ ভাৰতবৰ্ষৰ লগতে অসমতো প্ৰতিটো দশকৰ অন্তৰে অন্তৰে জনগণনা (লোকপিয়ল) কৰি ভাৰতবৰ্ষৰ জনসংখ্যাৰ চৰকাৰী তথ্য প্ৰকাশ হৈ আহিছে।

১৯০১ চনৰ প্ৰকৃত লোকপিয়লৰ তথ্য অনুসৰি অসমৰ জনসংখ্যা প্ৰায় ৩.২৯ নিযুত হোৱাৰ বিপৰীতে ২০১১ চনত ৩১.০১ নিযুত হয় অৰ্থাৎ এই কালছোৱাত জনসংখ্যা প্ৰায় ৯.৫ গুণ বৃদ্ধি হয়।

তালিকা ২:১

**অসমৰ জনসংখ্যা বৃদ্ধি (১৮৩০-২০১৯)**

| বছৰ | জনসংখ্যা (লাখ) | ঘনত্ব | বৃদ্ধিৰ হাৰ |
|---|---|---|---|
| ১৮৩০ | ৭ (প্ৰায়) | ৯ | |
| ১৮৭২ | ২২ (প্ৰায়) | ২৮ | ৫.৫ |
| ১৯০১ | ৩৩ | ৪২ | ১৮.১ |
| ১৯১১ | ৩৮ | ৪৯ | ১৭.০ |
| ১৯২১ | ৪৬ | ৫৯ | ২০.৫ |
| ১৯৩১ | ৫৬ | ৭১ | ১৯.৯ |
| ১৯৪১ | ৬৭ | ৮৫ | ২০.৪ |
| ১৯৫১ | ৮০ | ১০২ | ১৯.৯ |
| ১৯৬১ | ১০৮ | ১৩৮ | ৩৫.০ |
| ১৯৭১ | ১৪৬ | ১৮৬ | ৩৫.০ |
| ১৯৮১ | ১৮০ (প্ৰায়) | ২৩০ | ২৩.৪ |
| ১৯৯১ | ২২৪ | ২৮৬ | ২৪.২ |
| ২০০১ | ২৬৬ | ৩৪০ | ১৮.৯ |
| ২০১১ | ৩১২ | ৩০৮ | ১৭.১ |
| ২০১৯ | ৩৩০ (প্ৰায়) | ৪২১ | ১৯.০ |

প্ৰাক্-স্বাধীনতাৰ কালছোৱাত (১৯০১-১৯৫১) অসমৰ জনসংখ্যাৰ বৃদ্ধিৰ গতিধাৰা ১৪৪ শতাংশ

হোৱাৰ বিপৰীতে সমগ্ৰ ভাৰতবৰ্ষত এই সময়ছোৱাৰ বৃদ্ধিৰ গতি আছিল ৫১ শতাংশ মাথো। আনহাতে স্বাধীনোত্তৰ কালত (১৯৫১-২০১১) চনলৈ জনসংখ্যাৰ এই বৃদ্ধিৰ হাৰ অসমত ২৩২ শতাংশ হোৱাৰ বিপৰীতে ভাৰতবৰ্ষৰ বৃদ্ধিৰ হাৰ আছিল ১৮৪ শতাংশ। ৰাজ্যখনত দ্ৰুতহাৰত বৃদ্ধি হোৱা জনসংখ্যাৰ মূল কাৰণ হৈছে দুটা (ক) জন্মৰ হাৰ বৃদ্ধি আৰু মৃত্যুৰ হাৰ হ্ৰাস, (খ) জনপ্ৰব্ৰজন। জীৱিকাৰ তাড়নাত বাংলাদেশ, নেপাল আদিৰ পৰা বৈধ-অবৈধভাৱে জনস্ৰোত বোৱাৰ উপৰিও ভাৰতবৰ্ষৰ আন ৰাজ্যবোৰৰ পৰা ঘটা শ্ৰমিক আৰু ব্যৱসায়ীৰ প্ৰব্ৰজনে অসমৰ আৰ্থ-সামাজিক গাঁথনিৰ ওপৰত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰিছে।

সমগ্ৰ অসমৰ ৩৩ খন জিলাতেই জনসংখ্যাৰ বিতৰণ আৰু ঘনত্বৰ পাৰ্থক্য বিৰাজমান। অসমস্থিত ব্ৰহ্মপুত্ৰ উপত্যকাৰ উজনিৰ জিলাকেইখনত বিশেষকৈ দক্ষিণে গোলাঘাট জিলাৰ পূবে আৰু উত্তৰে বৰনদীৰ পূবত অৱস্থিত জিলাকেইখনত জনবসতি পাতল (চহৰকেইখন / সদৰস্থান বাদে)। আনহাতে মধ্য ব্ৰহ্মপুত্ৰ উপত্যকাৰ মধ্যম খণ্ডত অৱস্থিত জিলা কেইখনত জনবসতিৰ ঘনত্ব অধিক আৰু নামনি অঞ্চলৰ জিলাকেইখনত (বিটিচি বাদে) ঘনত্ব অধিক। অসমৰ পাহাৰীয়া জিলা ৩ খনত জনবসতিৰ বাবে কিছু কাৰকৰ প্ৰতিকূলতাৰ হেতুকে জনসংখ্যাৰ ঘনত্ব কম। বিটিচিৰ চাৰিখন জিলাৰ ভিতৰত কোকৰাঝাৰ বাদে বাকী তিনিওখনতেই (চিৰাং, বাক্সা আৰু ওদালগুৰি) জনসংখ্যা সেৰেঙা। অসমত বৰ্তমান ২৬,৩৯৫ খন গাঁৱত গড়ে ৮৮০ জনকৈ লোকে বাস কৰে। বিশেষভাৱে মন কৰিবলগীয়া যে এই গাঁওসমূহৰ প্ৰায় ৬৬ শতাংশত প্ৰতিখন গাঁৱতেই মুঠ জনসংখ্যাৰ আকাৰ ১০০০ গৰাকীৰ তলত। পাহাৰীয়া জিলা তিনিখনত আকৌ প্ৰতিখন গাঁৱত গড়ে প্ৰায় ৭ ঘৰ মানুহ আছে। গাঁওসমূহৰ অধিকাংশই কৃষিভূমিৰ স্থানান্তৰিত কৃষি প্ৰথাৰ প্ৰচলনৰ হেতুকে স্থানান্তৰীকৃত হয়। নিগাজী গাঁৱৰ সংখ্যা তাকৰ। পল্লী (Harnlet) শ্ৰেণীভুক্ত গাঁৱৰ সংখ্যা পাহাৰীয়া জিলা তিনিখনত অধিক। বসবাসৰ বাবে প্ৰয়োজনীয় ন্যূনতম সুবিধাৰ অভাৱৰ হেতুকে জীৱন ধাৰণৰ মান উন্নত নহয়। ডেকাচামৰ অধিকাংশৰেই চহৰমুখী প্ৰৱণতা বিৰাজমান। জিলা গ্ৰাম্য উন্নয়ন প্ৰাধিকৰণৰ আঁচনিৰ সেৱাৰ সু-প্ৰভাৱ নগণ্য।

জনসংখ্যাৰ ওপৰত ভিত্তি কৰি শ্ৰেণীবিভক্ত কৰা ভাৰতৰ নগৰ সমূহৰ ভিতৰত প্ৰথম শ্ৰেণীৰ (জনসংখ্যা ১ লাখ বা ততোধিক) নগৰৰ সংখ্যা বৰ্তমান ৪ খন। গুৱাহাটী, শিলচৰ, ডিব্ৰুগড় আৰু নগাঁও। গুৱাহাটী মহানগৰৰ বাবে পৌৰ নিগম আৰু আন তিনিখনত পৌৰ সভা গঠন কৰা হৈছে। বাকী নগৰবোৰ পৌৰ সমিতিৰ (Town Committee) দ্বাৰা পৰিচালিত। যোৰহাট আৰু তিনিচুকীয়াৰ জনসংখ্যা বৃদ্ধি হৈ বৰ্তমান প্ৰথম শ্ৰেণীৰ নগৰৰ মৰ্যাদাৰ সীমা চুইছে।

জিলা ভিত্তিক জনসংখ্যাৰ ঘনত্বৰ তাৰতম্য ঘটাৰ উপৰিও জনসংখ্যা বৃদ্ধিৰ হাৰত তাৰতম্য বিদ্যমান। ২০০১-২০১১ চনৰ লোকপিয়লৰ তথ্য অনুযায়ী অসমৰ জনসংখ্যাৰ বৃদ্ধিৰ হাৰ ১৬.৯৩ শতাংশ। ৩৩ খন জিলাৰ ভিতৰত ১৪ খন জিলাত বৃদ্ধিৰ হাৰ ৰাজ্যিক গড়তকৈ অধিক। জিলাকেইখন হ'ল ধুবুৰী (২৪.৪%), মৰিগাঁও (২৩.৪%), মানকাচৰ (২৩.৩%), গোৱালপাৰা (২২.৮%), নগাঁও (২২.১%), হাইলাকান্দি (২১.৫%), বৰপেটা (২১.৪%), কৰিমগঞ্জ (২০.৮%), কাছাৰ (২০.২%), দৰং (১৯.৫%), কামৰূপ মহানগৰ (১৯.৫%), ধেমাজি (২০.৩%), কাৰ্বি আংলং (১০.৪%) আৰু লখিমপুৰ (১৭.১%)। কামৰূপ মহানগৰ, ধেমাজি, কাৰ্বি আংলং আৰু লখিমপুৰত জনসংখ্যা বৃদ্ধিৰ কাৰণ আন্তঃৰাজ্যিক আৰু আন্তঃজিলা প্ৰব্ৰজন হোৱাৰ বিপৰীতে আন দহখন জিলাৰ জনগাঁথনিলৈ লক্ষ্য কৰিলে এই উচ্চ হাৰৰ বৃদ্ধিক সন্দেহজনক অনুপ্ৰৱেশৰ

ফল হিচাবে বিবেচনা কৰিব পাৰি। বিশেষকৈ বাংলাদেশ, নেপাল আদিৰ পৰা জীৱিকাৰ সন্ধানত অনুপ্ৰৱেশ কৰি চৰ আৰু চাপৰি অঞ্চলত (ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাৰ) অবৈধ বসতি স্থাপন কৰি ৰবি শস্যৰ খেতি কৰাৰ উপৰিও নিৰ্মাণ কাৰ্যৰ সতে সস্তীয়া শ্ৰমিক হিচাবে নিয়োজিত হৈ আছে। একাংশই আকৌ শাক-পাচলিৰ বেপাৰ, হাঁহ-কুকুৰাৰ উপৰিও কণীৰ বেপাৰ আদি কৰি জীৱিকা নিৰ্বাহ কৰে। এনেদৰে বাংলাদেশী অনুপ্ৰৱেশকাৰীৰ সংখ্যা বৃদ্ধি পাবলৈ ধৰে। স্বাধীনোত্তৰ কালত প্ৰব্ৰজন ঘটা নেপালী সম্প্ৰদায়ৰ লোকসকলৰ সৰহভাগেই দুগ্ধজাত সামগ্ৰীৰ উৎপাদন আৰু বিতৰণৰ সতে জড়িত। বড়োলেণ্ডৰ চাৰিওখন জিলা (কোকৰাঝাৰ, ওদালগুৰি, বাক্সা আৰু চিৰাং) জনসংখ্যাৰ বৃদ্ধিৰ হাৰ গড়ে ১০ শতাংশৰ তলত।

অসমৰ বৰ্তমান জনসংখ্যাৰ ঘনত্ব প্ৰতিবৰ্গ কিলোমিটাৰত ৩৯৭ জন। অঞ্চল বিশেষে এই ঘনত্বৰ পাৰ্থক্য আছে। কামৰূপ মহানগৰ জিলাত জনসংখ্যাৰ ঘনত্ব সৰ্বাধিক (প্ৰতি বৰ্গ কিলোমিটাৰত ২০১০ গৰাকী), গোৱালপাৰা, ধুবুৰী, হাইলাকান্দি, দৰং, বাক্সা, কাছাৰ, লখিমপুৰ, কামৰূপ, শিৱসাগৰ, বঙাইগাঁও আৰু মানকাচৰত জনসংখ্যাৰ বসতিৰ ঘনত্ব ৰাজ্যিক গড় ঘনত্বতকৈ অধিক। আনহাতে যোৰহাট, শোণিতপুৰ, তিনিচুকীয়া, গোলাঘাট, কোকৰাঝাৰ, চিৰাং আৰু ধেমাজিৰ জন-ঘনত্ব সেৰেঙা। পাহাৰীয়া জিলা তিনিখন কাৰ্বি আংলং (৯৩ গৰাকী), পশ্চিম কাৰ্বি আংলং (৮৯ গৰাকী, ডিমা হাচাও (৪৪ গৰাকী) আৰু চৰাইদেউ, নাজিৰা, মাজুলী জিলা বিৰল বসতিৰ জিলা।

তালিকা ২:২

**অসমৰ জিলা ভিত্তিক জনসংখ্যাৰ ঘনত্ব আৰু শিক্ষিতৰ হাৰ**

| জিলা | মাটি কালি | জনসংখ্যা | ঘনত্ব | স্বাক্ষৰতাৰ হাৰ | বৃদ্ধিৰ হাৰ |
|---|---|---|---|---|---|
| কোকৰাঝাৰ | ৩.১৭ | ৮.৮৭ | ২৬৯ | ৬৫.২ | ৫.১৯ |
| ধুবুৰী | ১.৬৬ | ১৯.৪৯ | ৮৯৬ | ৫৮.৩ | ২৪.৪০ |
| গোৱালপাৰা | ১.৮২ | ১০.০৮ | ৫৫৩ | ৬৭.৪ | ২২.৭৪ |
| বৰপেটা | ২.৬৮ | ১৬.৯৪ | ৭৪২ | ৬৩.৮ | ২১.৪০ |
| বঙাইগাঁও | ১.৭৩ | ৭.৪ | ৬৭৬ | ৬৯.৭ | ১৯.৫৮ |
| চিৰাং | ১.৯৭ | ৪.৮ | ২৫১ | ৬৩.৬ | ১১.২৬ |
| ওদালগুৰি | ১.৬৭ | ৮.৩২ | ৪১৩ | ৬৫.৪ | ৯.৭৬ |
| দৰং | ১.৮৯ | ৯.৩ | ৫৮৬ | ৬৩.১ | ১৯.৫১ |
| শোণিতপুৰ | ২.২৮ | ১৯.৩ (ইউ ডি) | ৩৭০ | ৬৭.৪ | ১৫৬৭ |
| লখিমপুৰ | ২.২৮ | ১০.৪২ | ৪৫৮ | ৭৭.২ | ১৭.০৬ |
| ধেমাজি | ৩.২৩ | ৬.৮৬ | ২১২ | ৭২.৭ | ২০.৩০ |

| | | | | | |
|---|---|---|---|---|---|
| তিনিচুকীয়া | ৩.৭৯ | ১৩.২৮ | ৩৫০ | ৬৯.৭ | ১৪.৫১ |
| ডিব্রুগড় | ৩.৩৮ | ১.৩৩ | ৩৯২ | ৭৬.১ | ১২.০৪ |
| শিৱসাগৰ | ১.৭৩ | ১১.৫০ | ৪৩১ | ৮০.৪ | ৯.৩৭ |
| যোৰহাট | ১.৯৭ | ১০.৯২ | ৩৮৩ | ৮২.২ | ৯.২১ |
| গোলাঘাট | ৩.৫০ | ১০.৭ | ৩০৫ | ৭৭.৪৩ | ১১.৮৮ |
| নগাঁও | ২.২৯ | ২৮.২৪ | ৭১১ | ৭২.৪ | ২২.০৯ |
| মৰিগাঁও | ১.৬০ | ৯.৫৭ | ৬১৭ | ৬৮.০ | ২৩.৩৯ |
| কামৰূপ (মেট্ৰো) | ৬.২৭ | ১২.৫৪ | ১৩১৩ | ৮৮.৭ | ১৮.৯৫ |
| কামৰূপ | ৩.৪৮ | ১৫.৫৪ | ৪৮৯ | ৭৫.৬ | ১৫.৬৭ |
| নলবাৰী | ১০.১০ | ৭.৭২ | ৭৩৩ | ৭৮.৬ | ১১.৭৪ |
| হাইলাকান্দি | ১.৩৩ | ৬.৫৯ | ৪৯৭ | ৭৪.৩ | ২১.৪৪ |
| কৰিমগঞ্জ | ১.৮১ | ১২.২৯ | ৬৭৯ | ৭৮.২ | ২০.৭৪ |
| কাছাৰ | ৩.৭৯ | ১৭.৩৭ | ৪৫৯ | ৭৯.৪ | ২০.১৭ |
| চৰাইদেউ | ০.৯৪ | | | ৭১.০ | ১১.৫ |
| মাজুলী | ০.৮৮ | ২.৫০ | ৩০০ | ৬৮.২ | ১১.৬২ |
| কাৰ্বি আংলং | ৭.৪ | ৯.৫৬ | ৯২ | ৬৯.৩ | ১৮.৬৯ |
| পশ্চিম কাৰ্বি আংলং | ৩.০৪ | ২.০০ (অনু) | ৬৬ | ৬২.০ | ১৮.৬৯ |
| ডিমা হাচাও | ৪.৮৯ | ২.১৪ | ৪৪ | ৭৭.৫ | ১৩.৫৩ |
| দক্ষিণ শালমাৰা | ০.৫৭ | ৫.৫৫ | ৯৭৭ | ৬৭.৬ | ১৮.৮৬ |
| মানকাচৰ | ৩.০ | ১২.০ | ৪০০ | ৬৭.৬ | ১৫.৭ |
| বিশ্বনাথ | ১.৬৯ | ৯.৩১ | ৫৫২ | ৬৪.৫ | ১৮.৮ |
| হোজাই | ৭৮.৪৪ | ৩১১ | ৩৯৭ | ৭৩.২ | ১৬.৯৩ |

**Source : Assam Year Book 2018**

## জনপ্ৰব্ৰজন ঃ সমস্যা আৰ সম্ভাৱনীয়তা

জন প্ৰব্ৰজন এটা অৱধাৰিত প্ৰক্ৰিয়া। আৱহমান কালৰ পৰাই এই প্ৰক্ৰিয়া চলি আহিছে। মানুহৰ জীৱন-ধাৰণৰ সা-সুবিধাৰ নেতিবাচক স্থানৰ (–ve) পৰা ইতিবাচক (+ve) স্থানলৈ গতি স্বাভাৱিকভাৱে স্বীকৃত যদিও ৰাজনৈতিক দিশৰ পৰা গন্তব্য স্থানৰ খিলঞ্জীয়াৰ নিৰাপত্তাৰ দিশৰ পৰা সমূলি গ্ৰহণযোগ্য নহয়।

অসমত আন্তঃ আঞ্চলিক জনপ্রব্রজন সাধাৰণতে চহৰমুখী যদিও সৰু চহৰ আৰু সেৱা কেন্দ্ৰৰ পৰা কাষৰীয়া ডাঙৰ চহৰলৈ অধিক হাৰত দেখা যায়। আনকি দাঁতিকাষৰীয়া গ্ৰামাঞ্চলৰ পৰা দৈনিক আৰু সাপ্তাহিক সময়ত বিভিন্ন কাম-কাজৰ বাবে নগৰাঞ্চললৈ জনপ্রব্রজন হৈ আছে যদিও সদ্যহতে অসমত সামান্য প্ৰভাৱ পৰিলেও বিশেষ কুপ্ৰভাৱ পৰিলক্ষিত হোৱা নাই। কিন্তু আন্তঃৰাজ্যিক প্রব্রজন আৰু প্ৰতিবেশী ৰাষ্ট্ৰৰ পৰা হোৱা অবৈধ প্রব্রজন আৰু শৰণাৰ্থীৰ বাবে অসমত স্বাধীনোত্তৰ কালত বিশেষ সামাজিক, সাংস্কৃতিক আৰু অৰ্থনৈতিক ক্ষেত্ৰত ক্ষতি হোৱাটো পৰিলক্ষিত হৈছে।

২০১১ চনৰ লোকপিয়লৰ তথ্য অনুসৰি অসমত ইছলামধৰ্মী লোকৰ সংখ্যা সৰ্বমুঠ ১ কোটি ৬ লাখ। এইসকলৰ প্ৰায় ৩২.৬ শতাংশৰ মাতৃভাষা অসমীয়া। খিলঞ্জীয়া লোকসকলৰ দৰে অসমীয়া ইছলামধৰ্মী লোকসকলৰ সন্তানৰ সংখ্যা দুটা বা তিনিটা। ১৯৭১ চনৰ লোকপিয়ল আৰু পৰৱৰ্তী সময়ত বাংলাদেশৰ পৰা হোৱা অনুপ্রৱেশ আৰু এই অনুপ্রৱেশকাৰীসকলৰ ব্যাপক বংশ বৃদ্ধিৰ বাবেই অসমৰ জনগাঁথনিৰ অস্বাভাৱিক পৰিৱৰ্তন ঘটিছে। ২০০১-২০১১ চনৰ কালছোৱাত অসমৰ হিন্দু জনসংখ্যা প্ৰায় ৮০ শতাংশ বৃদ্ধি হৈছে। অৱশ্যে ইয়াৰ ভিতৰত বাংলাদেশী ভগনীয়া আৰু শৰণাৰ্থী আৰু নেপালৰ পৰা বৈধ আৰু অবৈধভাৱে অহা লোকসকলো অন্তৰ্ভুক্ত। আনহাতে এই কালছোৱাত মুছলিম জনসংখ্যাৰ বৃদ্ধিৰ হাৰ হ'ল প্ৰায় ১৯৭ শতাংশ। লোকপিয়লৰ তথ্য অনুসৰি বিগত চাৰিটা দশকত (১৯৭১-২০১১) মুছলমান জনসংখ্যাৰ হাৰ হিন্দুৰ তুলনাত প্ৰায় ২৫০ শতাংশ অধিক হাৰত বৃদ্ধি পাইছে। এই সময়ছোৱাত হিন্দুৰ জনসংখ্যা মুঠ জনসংখ্যাৰ ৭২.৫ শতাংশ (১০ শতাংশ বৃদ্ধি) হৈছে। অভাৱ আৰু অশান্তিতকৈও ৰাজনৈতিক পৃষ্ঠপোষকৰ দূৰদৃষ্টি হীনতাৰ বাবে বাংলাদেশৰ পৰা হোৱা অবাধ প্রব্রজনৰ পৰিণতিতেই অসমত জনসংখ্যাৰ অস্বাভাৱিক বৃদ্ধি হৈছে (তালিকা ঃ ২:৩) কেইখনমান জিলাৰ নিৰ্দিষ্ট অঞ্চলত জনগাঁথনিৰ পৰিৱৰ্তন বিশেষ মনকৰিবলগীয়া

তালিকা ২:৩

**ধৰ্মীয় জনগাঁথনিৰ পৰিৱৰ্তন**

| | হিন্দু | | | মুছলমান | | |
|---|---|---|---|---|---|---|
| **বছৰ** | **১৯৯১** | **২০০১** | **২০১১** | **১৯৯১** | **২০০১** | **২০১১** |
| দলগাঁও (দৰং) | ৫৩,৬৭৮ | ৮০,১৪১ | ৫৩,০৬৫ | ১,৫৪,১৭৯ | ৩,২৩,৩০৯ | ৪,১৮,০১২ |
| বাঘবৰ (বৰপেটা) | ১৪,১১২ | ১০,৯৪৯ | ১০,৭৮৯ | ২,৩১,২৪২ | ২,৮৪,১৫১ | ২,৯৪,৯৯৩ |
| কলগাছিয়া (বৰপেটা) | ৩,১৮৬ | ১,৫১৬ | ১,৩৯১ | ১,২১,৪৩১ | ১,৪৬,৫১৬ | ১,৯৪,৪৫৬ |

তালিকা ২:৪

**ভাষিক জনগাঁথনিৰ পৰিৱৰ্তন**

| | অসমীয়া ভাষী | | | বাংলাভাষী | | |
|---|---|---|---|---|---|---|
| বছৰ | ১৯৯১ | ২০০১ | ২০১১ | ১৯৯১ | ২০০১ | ২০১১ |
| দলগাঁও (দৰং) | ১,৭৩,২৮৮ | ৯২,৯২৩ | ৭৪,১৩৮ | ১,১৫,১২০ | ২,৯৭,১২০ | ৩,৮৬,৫৯৫ |
| বাঘবৰ (বৰপেটা) | ১,৩৩,৪৪৯ | ৪৫,০২২ | ১৫,৭২৮ | ১,১১,৪৪১ | ২,৫০,০৯১ | ২,৯০,১৫৮ |
| কলগাছিয়া (বৰপেটা) | ৬৮,৯৮২ | ৩৩,৯৭০ | ৫৬,৩৬৩ | ৫৫,৫৩৯ | ১,১৪,৩৪৫ | ১,৩৯,১৭৮ |

**উৎস ঃ ভাৰতৰ লোকপিয়ল, ২০১১**

ধৰ্মীয় জনগাঁথনিৰ পৰিৱৰ্তনৰ লগে লগে ভাষিক জনগাঁথনিৰ পৰিৱৰ্তন বিশেষভাৱে মন কৰিবলগীয়া। অসমৰ ১৭ খন জিলাত বাংলাভাষীৰ সংখ্যা দ্ৰুতভাৱে বৃদ্ধি হৈছে। বাংলাদেশৰ পৰা প্ৰব্ৰজনৰ বাবেহে এনে ছবি এখন পৰিস্ফুত হৈছে। উক্ত তিনিটা অঞ্চলৰ লোকপিয়লৰ তথ্যই ভাষিক (বাংলাভাষী) আৰু ধৰ্মীয় জনগাঁথনিৰ পৰিৱৰ্তনৰ ভয়াবহ আগ্ৰাসনৰ ছবিখন প্ৰকট ৰূপত উন্মোচিত হৈছে।

বৰাক উপত্যকাক বাদ দি কোনো অসমীয়া হিন্দু বা চাহ-জনগোষ্ঠীৰ লোকে নাইবা কোনো খিলঞ্জীয়া তথা দীৰ্ঘকালৰ বাসিন্দা পুৰণি অভিবাসী মুছলমানসকলে কোনো পৰিস্থিতিতেই বাংলাভাষী হিচাবে লোকপিয়লত নিজৰ পৰিচয় সম্পৰ্কীয়  তথ্য নিদিয়ে। সামাজিক, ৰাজনৈতিক ক্ষেত্ৰখনত অসমৰ খিলঞ্জীয়া অভিবাসী মুছলমানসকলৰ অৱদান অতি গুৰুত্বপূৰ্ণ।

প্ৰাক্স্বাধীনতা কালৰ মংগোলীয়, আৰ্য্য, আক্ৰমণকাৰী মোগল সকলৰ একাংশ ৰণুৱা সৈনিক সংগী (মোগল) তথা চিংফৌ বসতিস্থলত আৱিষ্কৃত চাহগছ আৰু পৰৱৰ্তী কালত স্থাপিত হোৱা বাগিচাবোৰলৈ কৰ্মৰ বাবে চোট্টনাগপুৰ মালভূমি অঞ্চলৰ পৰা অনা বনুৱাবোৰ আৰু ব্ৰিটিছ প্ৰশাসক সকলৰ নিম্নবৰ্গৰ সহায়ক আৰু চকী (Posts) বোৰৰ পহৰাকৰ্মী, সাহসী আৰু বিশ্বাসী নেপালী ভাষী লোক আৰু নেতাজী সুভাষ চন্দ্ৰ বসুৰ ভাৰতীয় জাতীয় ফৌজৰ অৱশিষ্ট সকল পৰৱৰ্তী কালত অসমৰ বাসিন্দা হৈ অসমৰ জনসদৃশ্যপটৰ (Demography)) মূল সুঁতিৰ সতে মিলি সোণত সুৱগা চৰাইছে বাবে অসমৰ কোনো ক্ষতি হোৱা নাই বৰ অসম নামৰ জন ফুলনিত নানা ৰঙৰ সমাহাৰ ঘটি মহামিলনৰ এক সুকীয়া জাতিসত্বাৰ সৃষ্টি হৈছে। স্বাধীনোত্তৰ কালত বিশেষকৈ ১৯৭১ চনত হোৱা পাকিস্তানৰ ৰাজনৈতিক পট পৰিৱৰ্তন আৰু বাংলাদেশৰ অভ্যুত্থানে এক বিশেষ ভাষিক আৰু ধাৰ্মিক লোকৰ অবৈধ প্ৰব্ৰজনে অসমৰ আৰ্থ-সামাজিক আৰু ৰাজনৈতিক জন দৃশ্যপটত বিশেষভাৱে প্ৰভাৱান্বিত কৰিছে।

তালিকা ২:৫

**অসমৰ ধৰ্মীয় গাঁথনিৰ পৰিৱৰ্তন**

| ধৰ্ম | জনসংখ্যা (শতাংশ) | | বৃদ্ধিৰ হাৰ |
|---|---|---|---|
| | ২০০১ | ২০১১ | |
| হিন্দু | ৮০.০৫ | ৬১.৪৭ | -১৮.৬০ |
| ইছলাম | ১৩.০৪ | ৩৪.২২ | ২১.১৮ |
| খ্ৰীষ্টিয়ান | ২.৩০ | ৩.৭৪ | ১.৪৪ |
| শিখ | ১.৯০ | ০.০৭ | -১.৮৩ |
| বৌদ্ধ | ০.৮০ | ০.১৮ | -০.৬২ |
| জৈন | ০.৪০ | ০.৪০ | |
| অন্যান্য | ০.৭০ | ০.২৫ | -০.৪৫ |

সেয়েহে অসমৰ ১৪ খন জিলা আৰু বৰাক-ব্ৰহ্মপুত্ৰৰ চৰ-চাপৰি অঞ্চল অধিকাংশ অবৈধ আৰু সন্দেহযুক্ত বিশেষ ভাষিক আৰু সংখ্যালঘু সম্প্ৰদায় লোকৰ দ্বাৰা আগ্ৰাসিত হৈ ভূমিৰ বেদখলত লিপ্ত হৈছে। সস্তীয়া আৰু সুলভ কৰ্মচাৰী হিচাবে বিবেচিত এনেধৰণৰ অসংগঠিত একাংশক আকৌ বিভিন্ন নিৰ্মাণ কাৰ্যৰ সৈতেও জড়িত কৰোৱা হৈছে।

অসমৰ খিলঞ্জীয়া অধিবাসীসকলৰ মাজত সামাজিক, সাংস্কৃতিক, নৃ-তাত্বিক, ধৰ্মীয় ভাষিক আৰু ৰাজনৈতিক উপাদান সমূহৰ বৈচিত্ৰ বিৰাজমান। ঐক্য আৰু সংহতিৰ এনাজৰী সুদৃঢ় আৰু ৰাজনৈতিক ক্ষেত্ৰখনৰ সাতামপুৰুষীয়া ঐক্য আৰু সংহতিৰ প্ৰতি ভাবুকি স্বৰূপ পাবতগজা ন-অসমীয়া নামধাৰী লোকক চিনাক্তকৰণ, ভোটাৰ তালিকাৰ পৰা নামকৰ্তন আৰু স্বদেশলৈ ওভটাই পঠিওৱাৰ দাবী তুলি খিলঞ্জীয়া লোকৰ দাবীৰ প্ৰতি সঁহাৰি জনাই ১৯৮৫ চনত তেতিয়াৰ ভাৰত চৰকাৰ, অসম চৰকাৰ আৰু আন্দোলন বহনকাৰীৰ বৈধ প্ৰতিনিধিৰ সৈতে ঐতিহাসিক 'অসম চুক্তি' স্বাক্ষৰিত হৈছিল। অনুপ্ৰৱেশ ৰোধ কৰিবলৈ উন্মুক্ত ভাৰত-বাংলাদেশৰ আন্তৰ্জাতিক সীমাৰেখা ছীল কৰা আদি কৰি কেইবাটাও দাবীৰ প্ৰতি তদনান্তীন কেন্দ্ৰীয় চৰকাৰে অনুমোদন জনাইছিল। ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী (NRC) প্ৰস্তুতকৰণ 'অসম চুক্তি' কাৰ্যকৰী কৰাৰ অন্যতম পদক্ষেপ। অসমৰ খিলঞ্জীয়াসকলৰ 'ৰক্ষা কবচ' স্বৰূপ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ ফলপ্ৰসূ কাৰ্যকৰণে অসমক অবৈধ বিদেশীমুক্ত কৰি বহুতো সমস্যাৰ পৰা মুক্ত কৰি উন্নয়নৰ দিশ ত্বৰান্বিত কৰিব পাৰি। এইক্ষেত্ৰত উগ্ৰজাতীয়তাবাদ পৰিহাৰ কৰি অধিক সজাগতাৰ জৰিয়তে চৰকাৰী আঁচনিসমূহৰ ফলপ্ৰসূ কাৰ্যকৰণত মনোনিবেশ কৰাৰ প্ৰয়োজন। শিক্ষা, স্বাস্থ্য, 'অসম মালা', দক্ষতা বিকাশ (Skill Development) আদিৰ ক্ষেত্ৰত লোৱা বহুমুখী আঁচনি সমূহৰ জৰিয়তে মানৱ কল্যাণ সাধন কৰাৰ লগতে মানৱ সম্পদ উন্নয়নৰ মান বৃদ্ধি দ্ৰুততৰ হ'ব পাৰে।

## জানিবলগীয়া তথ্য

- ২০১১ চনৰ লোকপিয়লৰ তথ্য অনুসৰি অসমৰ জনসংখ্যা — ৩,১২,০৫,৫৭৬
- ২০১৯ চনৰ মাৰ্চৰ প্ৰাক্-কলন অনুসৰি জনসংখ্যা প্ৰায় — ৩.৫০ কোটি
- ভাৰতবৰ্ষৰ মুঠ জনসংখ্যাৰ ২.৬ শতাংশ
- মাটিকালি সমগ্ৰ ভাৰতবৰ্ষৰ প্ৰায় ২.৪ শতাংশ
- কুৰি শতিকাৰ কালছোৱাত অসমৰ জনসংখ্যাৰ বৃদ্ধিৰ হাৰ ঃ ৮.১ গুণ
- উক্ত কালছোৱাত ভাৰতত বৃদ্ধিৰ হাৰ ঃ ৪.৩ গুণ
- নগৰীকৰণ প্ৰক্ৰিয়া ঃ মন্থৰ, মাথো ১৪ শতাংশ
- জিলাৰ সংখ্যা ঃ ৩৩ খন, পাহাৰীয়া জিলা ৩ খন
- মহকুমা ঃ ৫৬ খন (২০১১ চন)
- ৰাজহ চক্ৰ ঃ ১৮৪ টা
- খিলঞ্জীয়া অধিবাসীসকলৰ মাজত নৃতাত্বিক, সামাজিক আৰু ধৰ্মীয়, ভাষিক আদি উপাদানসমূহৰ বৈচিত্ৰ্য বিৰাজমান। বৈচিত্ৰ্যপূৰ্ণ জনশৈলীৰ সমাবেশৰ হেতুকে অতি সচেতনতাই অসমৰ সমাজ সাংস্কৃতিক ঐক্যৰ অন্তৰায়ৰ সৃষ্টি কৰা দেখা যায়।
- শিল্প-বাণিজ্যৰ অনগ্ৰসৰতাৰ হেতু মুঠ কৰ্মৰত জনসংখ্যাৰ ৫২.৪ শতাংশ প্ৰাথমিক বৃত্তিৰ সৈতে জড়িত।
- কৃষিজীৱি ঃ ৪০ শতাংশ
- কৃষি শ্ৰমিক ঃ ১২.৪ শতাংশ
- দ্বিতীয় বৃত্তি ঃ ১৪.০ শতাংশ
- তৃতীয় বৃত্তি ঃ ২৪.৩ শতাংশ
- চতুৰ্থক বৃত্তি ঃ ৬.০ শতাংশ
- পঞ্চমক বৃত্তি ঃ ৩.০ শতাংশ
- সাক্ষৰতাৰ হাৰ ঃ ৭২.২ শতাংশ
- মহিলাৰ সাক্ষৰতাৰ হাৰ ঃ ৬৬.৩ শতাংশ
- মানৱ সম্পদ উন্নয়ন ঃ নিম্নমানৰ (প্ৰচেষ্টা ঃ লেহেমীয়া)
- জনবসতিৰ ঘনত্ব ঃ ৩৯৭ প্ৰতি বৰ্গ কিলোমিটাৰত
- পাহাৰীয়া জিলা তিনিখনত ঃ ১২ প্ৰতি বৰ্গ কিলোমিটাৰত

# অনুশীলনী

১। ২০১১ চনৰ লোকপিয়ল অনুসৰি অসমৰ জনসংখ্যা হ'ল—
(ক) ৩.২১ কোটি (গ) ৩.১২ কোটি
(খ) ২.১৩ কোটি (ঘ) ৩.৩৯ কোটি

২। ২০০১-২০১১ এই দশকটোত অসমত জনসংখ্যাৰ বৃদ্ধিৰ হাৰ কিমান?
(ক) ১৯.৬% (গ) ১৭.১%
(খ) ১৭.৭% (ঘ) ১৬.৯%

৩। অসমত প্ৰাথমিক বৃত্তিত কিমান শতাংশ লোক নিয়োজিত হৈ আছে?
(ক) ৬৮.২% (গ) ৬৫.০%
(খ) ৬০.৪% (ঘ) ৫২.৪%

৪। ২০১১ চনৰ লোকপিয়ল অনুসৰি অসমৰ সাক্ষৰতাৰ হাৰ কিমান?
(ক) ৭৪.২% (গ) ৭৩.৩%
(খ) ৭০.৪% (ঘ) ৭২.২%

৫। অসমত পঞ্চম বৃত্তিত (quinary activity) জড়িত লোকৰ সংখ্যা কিমান?
(ক) ৬.০% (গ) ৭.২%
(খ) ৩.০% (ঘ) ১২.৪%

৬। ২০১১ চনৰ লোকপিয়লৰ তথ্য অনুসৰি অসমৰ জনসংখ্যাৰ ঘনত্ব কিমান?
(ক) ৩৯০ গৰাকী প্ৰতি বৰ্গ কি.মি. (গ) ৩৭৯ গৰাকী প্ৰতি বৰ্গ কি.মি.
(খ) ৩৯৭ গৰাকী প্ৰতি বৰ্গ কি.মি. (ঘ) ২৯৭ গৰাকী প্ৰতি বৰ্গ কি.মি.

৭। ২০১১ চনৰ লোকপিয়ল মতে অসমৰ মহিলাৰ সাক্ষৰতাৰ হাৰ কিমান?
(ক) ৩৬.৬% (গ) ৭১.৬%
(খ) ৬৬.৩% (ঘ) ৬৩.৬%

৮। অসমত পোনপ্ৰথমতে কোন চনত লোকপিয়ল কৰা হৈছিল?
(ক) ১৯০১ (গ) ১৮৩০
(খ) ১৮৭২ (ঘ) ১৯৫১

৯। অসমত বিভিন্ন বৃত্তিত নিয়োজিত জনসংখ্যা শতাংশ হিচাবত দেখুউৱা।

১০। মানৱ সম্পদ উন্নয়নৰ লাইখুটা বুলিলে কি বুজা? এই লাইখুটা কেইটা কি কি?

১১। কৌশল বিকাশ কি? কৌশল বিকাশ অসমত কেনেকৈ কৰিব পাৰি।

১২। অসমত পাহাৰীয়া জিলা কেইখনৰ নাম লিখা। পাহাৰীয়া জিলাকেইখনত জনবসতি সেৰেঙা হোৱাৰ ৪ টা কাৰণ লিখা।

তৃতীয় অধ্যায়

# জৈৱবৈচিত্ৰ্য

## জৈৱবৈচিত্ৰ্য কি ?

জৈৱবৈচিত্ৰ্য শব্দটো 'জীৱ' আৰু বিচিত্ৰতা শব্দ দুটা লগ লগাই সৃষ্টি কৰা হৈছে। বিভিন্ন ব্যক্তিয়ে বিভিন্ন সময়ত এই শব্দটোৰ ব্যৱহাৰ কৰি আহিছে যদিও ৮০ ৰ দশকৰ পৰা ইয়াৰ বহুল প্ৰচাৰ হ'বলৈ ধৰে। জৈৱবৈচিত্ৰ্যই পৃথিৱীত থকা বিভিন্ন জীৱসমূহৰ বিচিত্ৰতা আৰু পৰিৱৰ্তনশীলতাক বুজায়। ই ক্ষুদ্ৰ অণুজীৱ সমূহ, জীৱ-জন্তু, গছ-গছনি তথা ঘাঁহনি, অৰণ্য আদিৰ দৰে পৰিস্থিতি তন্ত্ৰ সমূহকো সামৰি লয়। ইয়াৰ লগতে জৈৱবৈচিত্ৰ্যই কোনো এখন ঠাইত কোনো এক শ্ৰেণীৰ জীৱ কিমান পৰিমাণে থাকে সেইটোও বুজায়। আমাৰ পৃথিৱীখনৰ পৰিৱেশ যথেষ্ট জটিল ধৰণৰ আৰু ইয়াৰ উপৰিভাগৰ পৰিৱেশ আৰু বিচিত্ৰতা বহু সংযোগী কাৰকৰ ওপৰত নিৰ্ভৰ কৰে। সেয়ে কোনো এখন ঠাইৰ জৈৱবৈচিত্ৰ্য বুলি ক'লে আমি এই সকলোবোৰ কাৰকৰ ফালে চকু দিব লগীয়া হয়। উদাহৰণস্বৰূপে সূৰ্যৰ তাপ, জলবায়ু, মাটিৰ প্ৰকাৰ, পৃথিৱীৰ উপৰিভাগৰ অৱয়ব ইত্যাদিৰ কথা উল্লেখ কৰিব পাৰি। এই খিনিতে বিশেষ মন কৰিবলগীয়া কথাটো হ'ল জীৱৰ ক্ৰমবিকাশ আৰু বিলুপ্তি এটা প্ৰাকৃতিক পৰিঘটনা। এতিয়ালৈকে পৃথিৱীৰ পৰা পাঁচ বাৰকৈ জীৱৰ সম্পূৰ্ণ বিলুপ্তিকৰণ তথা পুনৰ আবিৰ্ভাৱ হৈছে। পৃথিৱীত মানুহৰ আবিৰ্ভাৱৰ পৰা এই বিলুপ্তিকৰণ প্ৰক্ৰিয়াটো পুনৰ খৰতকীয়া হৈ উঠিছে আৰু এক ষষ্ঠ বিলুপ্তিকৰণৰ সম্ভাৱনা জগাই তুলিছে।

পৰিৱেশৰ প্ৰাকৃতিক কাৰকসমূহৰ লগত মানুহৰ সংস্পৰ্শৰ যি অভিজ্ঞতা, তাৰ পৰা আহৰণ কৰা কথাকেইটা হ'ল —

১। জলবায়ু, ভু-অৱয়ব আৰু বিভিন্ন জীৱসমূহৰ ইটোৱে সিটোৰ লগত থকা যোগসূত্ৰই জীৱসমূহৰ বিতৰণত এক প্ৰভাৱ বিস্তাৰ কৰে।

২। জৈৱবৈচিত্ৰ্য নিৰক্ষীয় অঞ্চলত বেছি আৰু মেৰু অঞ্চলৰ ফালে ক্ৰমান্বয়ে কমি যায়।

৩। পৃথিৱীত কিছুমান এনে বিশেষ অঞ্চল আছে যিবোৰত বিশেষ ধৰণৰ জীৱ পোৱা যায়। উদাহৰণস্বৰূপে অষ্ট্ৰেলিয়া, দক্ষিণ আমেৰিকা আদি।

জৈৱবৈচিত্ৰ্যৰ বিজ্ঞান তুলনামূলকভাৱে নতুন। চাৰ্লচ ডাৰউইন, ফিলিপ লুটলে শ্লেটাৰ, আলফ্ৰেড ৰাচেল ৱালেচ আদিৰ দৰে বিজ্ঞানীসকলে যথেষ্ট ক্ষেত্ৰভিত্তিক অধ্যয়নৰ সহায়ত আজিৰ জৈৱবৈচিত্ৰ্যক বুজিব পৰাকৈ এক ভেটি নিৰ্মাণ কৰি থৈ গৈছে। বৰ্তমান সময়ত জৈৱবৈচিত্ৰ্যৰ ধাৰণাটো বিভিন্ন বিজ্ঞানী/পৰিৱেশবিদসকলে বিভিন্ন সময়ত বেলেগ বেলেগ ধৰণে ব্যৱহাৰ কৰি আহিছে। সেয়ে জৈৱবৈচিত্ৰ্যৰ এক সৰ্বগ্ৰহণযোগ্য সূত্ৰ বিচাৰি উলিওৱা কঠিন।

১৯৯২ চনত ৰাষ্ট্ৰসংঘৰ ৰিঅ' ডি জেনেইৰোত বহা অধিৱেশনত (Earth Summit) জৈৱবৈচিত্ৰ্যৰ এক

সূত্ৰ উদ্ভাৱন কৰা হয় আৰু সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰা হয়। এই সূত্ৰ অনুসৰি, জৈৱবৈচিত্ৰ্য হ'ল স্থলভাগৰ, জলভাগৰ বা উভচৰ জীৱসমূহৰ মাজত থকা বিচিত্ৰতা আৰু যিকোনো পৰিস্থিতিতন্ত্ৰৰ অংশস্বৰূপে, এক শ্ৰেণীৰ জীৱৰ মাজত, বহু শ্ৰেণীৰ জীৱৰ মাজত নাইবা একাধিক পৰিস্থিতি তন্ত্ৰৰ মাজত থকা বিচিত্ৰতা। জৈৱবৈচিত্ৰ্যৰ ধাৰণাটো সৰ্বজন গ্ৰহণযোগ্য কৰাৰ ক্ষেত্ৰত ১৯৯২ চনৰ ৰাষ্ট্ৰসংঘৰ অধিৱেশনে এক বিশেষ ভূমিকা পালন কৰি আহিছে।

বিজ্ঞানীসকলে মূলতঃ তিনি প্ৰকাৰৰ জৈৱবৈচিত্ৰ্য বিচাৰি উলিয়াইছে —

## প্ৰজাতিগত বিচিত্ৰতা (Species Diversity) ঃ

প্ৰজাতিগত বিচিত্ৰতা বুলি ক'লে কোনো এখন ঠাইৰ বিভিন্ন শ্ৰেণীৰ জীৱৰ মাজত থকা সাংখিক পাৰ্থক্যৰ কথা বুজায়। প্ৰজাতিগত বিচিত্ৰতা, প্ৰজাতিগত সমৃদ্ধি (Species richness), বৰ্গীকৰণ বা বংশাৱলীক ভিন্নতা (Taxonomic or phylogenetic diversity) আৰু প্ৰজাতিগত সমতা (Species eveness) এই তিনিটা কাৰকে প্ৰভাৱ বিস্তাৰ কৰে। ইয়াৰ ভিতৰত প্ৰজাতিগত সমৃদ্ধি হ'ল এক শ্ৰেণীৰ জীৱৰ সংখ্যা; বৰ্গীকৰণ তথা বংশাৱলীক ভিন্নতা হ'ল বিভিন্ন শ্ৰেণীৰ জীৱৰ মাজত থকা আনুবংশিক সংস্পৰ্ক; আৰু প্ৰজাতিগত সমতা হৈছে বিভিন্ন জীৱৰ মাজত থকা প্ৰচুৰতাৰ অনুপাত।

## আনুবংশিক বিচিত্ৰতা (Genetic Diversity) ঃ

আনুবংশিক বিচিত্ৰতাই একে শ্ৰেণীৰ জীৱৰ মাজত থকা পাৰ্থক্যৰ কথা বুজায়। প্ৰত্যেক প্ৰজাতিৰ জীৱই নিজৰ দেহত থকা জিনৰ (Gene) দ্বাৰা কিছু বিশেষ গুণাগুণ কঢ়িয়াই ফুৰে। উদাহৰণস্বৰূপে, মানুহ মাত্ৰেই মুখমণ্ডল বেলেগ হোৱাটো এই জিনৰ ওপৰতেই নিৰ্ভৰ কৰে। আনুবংশিক বিচিত্ৰতাই আনহাতে একেটা প্ৰজাতিৰ ভিতৰত থকা ভিন্নতাৰ কথা বুজায়। উদাহৰণস্বৰূপে কুকুৰৰ বিভিন্ন প্ৰজাতি নাইবা গোলাপৰ বিভিন্ন প্ৰকাৰৰ কথা উল্লেখ কৰিব পাৰি।

এটা প্ৰজাতিৰ মাজত আনুবংশিক বিচিত্ৰতা প্ৰজননৰ দ্বাৰা সৃষ্টি হয়। প্ৰাণীৰ জিনৰ গুণাগুণ প্ৰজননৰ দ্বাৰা সৃষ্টি হোৱা সন্তানলৈ প্ৰবহন হয় আৰু নতুন গুণাগুণৰ সৃষ্টি কৰে। আনুবংশিক বিচিত্ৰতাৰ ধাৰণাটো সাধাৰণতে কৃষি আৰু খাদ্য নিৰাপত্তাৰ বিষয়ৰ লগত সাঙোৰ খোৱা দেখা যায়। উদাহৰণস্বৰূপে, আনুবংশিক গুণাগুণৰ হ্ৰাস পোৱাৰ কাৰণে বহু খাদ্য-শস্য ইতিমধ্যে লুপ্ত প্ৰায় হৈছে আৰু বৰ্তমান সময়ত মাত্ৰ এশবিধ মান উদ্ভিদেই ৯০ শতাংশ পৃথিৱীবাসী মানুহৰ বাবে প্ৰয়োজনীয় খাদ্যৰ প্ৰয়োজন পূৰণ কৰি আহিছে। ইয়াৰ ভিতৰতে আকৌ ধান, মাকৈ আৰু ঘেঁহু এই তিনিবিধ শস্যই গছে যোগান ধৰা কেলৰি আৰু প্ৰ'টিনৰ ভিতৰত ক্ৰমে ৬৭% কেলৰি আৰু ৫৬% প্ৰ'টিনৰ যোগান ধৰি আহিছে।

## পৰিস্থিতি তান্ত্ৰিক বিচিত্ৰতা (Ecosystem Diversity) ঃ

পৰিস্থিতি তান্ত্ৰিক বিচিত্ৰতা জৈৱবৈচিত্ৰ্যৰ এটি ভাগ। এই বিচিত্ৰতা অঞ্চল বিশেষে নাইবা গোটেই পৃথিৱীৰ পৰিস্থিতি তন্ত্ৰক সাঙুৰি বুজোৱা হয়। এই জৈৱবৈচিত্ৰ্য এই কাৰণেই দৰকাৰ যে ই আমাৰ বাবে পানী, জলবায়ুৰ পৰিৱৰ্তন আৰু খাদ্যৰ যোগান ধৰে। পৰিস্থিতি তান্ত্ৰিক বিচিত্ৰতাই স্থলজ আৰু জলজ উভয় পৰিস্থিতি

তন্ত্ৰৰ কথাকে বুজায়। পৰিস্থিতিতান্ত্ৰিক বিচিত্ৰতাই ইয়াৰ উপৰিও বিভিন্ন ধৰণৰ "Niche" পৌষ্টিকতাৰ স্তৰৰ (Trophic level) সংখ্যা আৰু আন আন পৰিস্থিতিক প্ৰক্ৰিয়া বিলাকৰ কথাকে বুজায়।

পৃথিৱীখনৰ মাপকাঠিত পৰিস্থিতি তন্ত্ৰৰ বিচিত্ৰতাৰ এটা ভাল উদাহৰণ হ'ল— মৰুভূমি, অৰণ্য, তৃণভূমি, আৰ্দ্ৰভূমি নাইবা মহাসাগৰ ইত্যাদি। পৰিস্থিতি তান্ত্ৰিক বিচিত্ৰতা জৈৱবৈচিত্ৰ্যৰ আটাইতকৈ ডাঙৰ ভাগ আৰু একো একোটা পৰিস্থিতি তন্ত্ৰৰ মাজতেই আকৌ প্ৰজাতিগত বিচিত্ৰতা আৰু আনুবংশিক বিচিত্ৰতা সোমাই থাকে।

### আনবিক বিচিত্ৰতা (Molecular Diversity) ঃ

এই তিনি প্ৰকাৰৰ জৈৱবৈচিত্ৰ্যৰ উপৰিও ২০০৩ চনত কেম্ববেল নামৰ বিজ্ঞানী এজনে আনবিক বিচিত্ৰতা (Molecular Diversity) ৰ ধাৰণাটো প্ৰদান কৰিছিল। এই চতুৰ্থ প্ৰকাৰৰ জৈৱবৈচিত্ৰ্যৰ কাৰণেই পৃথিৱীত জীৱৰ ক্ৰমবিকাশ (Evolution), নতুন প্ৰজাতিৰ সৃষ্টি, ইয়াৰ উত্তৰ জীৱিতা (Survival), বিকাশ আৰু বিলুপ্তি হোৱাটো সম্ভৱ হয়। আনবিক বিচিত্ৰতা সাধাৰণতে আনুবংশিক বিচিত্ৰতাতকৈ বেলেগ যদিও দুয়োটা প্ৰাণীৰ বংশানুক্ৰমিক DNA ৰ ওপৰত নিৰ্ভৰ কৰে। এইটো এবিধ প্ৰাণীৰ নিজৰ মাজত, একাধিক প্ৰাণীৰ মাজত, সম্বন্ধিত প্ৰাণীৰ মাজত নাইবা বিভিন্ন পৰিস্থিতি তন্ত্ৰৰ মাজত গোটেই ক্ৰমবিকাশৰ প্ৰক্ৰিয়াটোত জড়িত হৈ থাকে।

## জৈৱবৈচিত্ৰ্য কিদৰে জুখিব পাৰি ?

গাণিতিকভাৱে জৈৱবৈচিত্ৰ্যৰ দুটা উপাদান হৈছে— প্ৰাচুৰ্যতা আৰু সমতা। প্ৰাচুৰ্যতা হৈছে কোনো এটা নিৰ্দিষ্ট এলেকাত থকা জীৱৰ সমষ্টিৰ জোখ। সমতা হৈছে যিকোনো এটা সম্প্ৰদায়ৰ প্ৰত্যেক প্ৰজাতিয়ে প্ৰতিনিধিত্ব কৰা সমসংখ্যক ব্যক্তি অথবা এটা বা দুটা প্ৰজাতিৰ বৃহৎ জনসংখ্যা আৰু অন্য প্ৰজাতিসমূহৰ ক্ষুদ্ৰ জনসংখ্যাৰ মাজৰ অনুপাত। প্ৰজাতিৰ সংখ্যাৰ ফালৰ পৰা সম্প্ৰদায় দুটা সমানে বিচিত্ৰতাপূৰ্ণ হ'ব পাৰে, কিন্তু সমতাৰ ক্ষেত্ৰত ই সমধৰ্মী হ'ব নোৱাৰে। বৰ্তমান সময়লৈকে বিভিন্ন ধৰণৰ গাণিতিক পদ্ধতিৰ বিকাশ হৈছে যদিও বিজ্ঞানীসকলে প্ৰজাতিৰ আনুপাতিক প্ৰাচুৰ্যতা যাৰ দ্বাৰা প্ৰজাতিৰ প্ৰচুৰতা আৰু প্ৰাচুৰ্যতা প্ৰতিফলিত কৰিব পাৰি তেনে এক সূচক ব্যৱহাৰ কৰিবলৈ পচন্দ কৰে। এনে সূচকবোৰৰ ভিতৰত বহুলভাৱে ব্যৱহাৰ হোৱা দুবিধ সূচক হৈছে— শ্বেনন সূচক (Shanon Index (H)) আৰু চিম্পচ'ন সূচক (Simpson Index(D))। দুয়োটা সূচক ১৯৪০ চনত উদ্ভাৱন হৈছিল যদিও ১৯৫০ চনত মাৰ্গালেফ আৰু মেক আৰ্থাৰ নামৰ পৰিস্থিতিতন্ত্ৰবিদ দুজনে ইয়াক ব্যৱহাৰ কৰাৰ পিছত এই সূচক সমূহে জনপ্ৰিয়তা লাভ কৰে।

প্ৰজাতিগত বিচিত্ৰতাৰ সূচকসমূহৰ পৰিস্থিতিতন্ত্ৰৰ অধ্যয়নত সাধাৰণভাৱে ব্যৱহাৰ কৰা হয় আৰু তেনে এক প্ৰয়োগেই হৈছে শ্বেনন উইনেৰ আৰু চিম্পচ'ন সূচকৰ ব্যৱহাৰ। উল্লেখযোগ্য যে শ্বেনন উইনেৰ সূচক, প্ৰজাতিৰ প্ৰচুৰতা আৰু দুষ্পাপ্যতাৰ দ্বাৰা প্ৰভাৱান্বিত হয়। আনহাতে চিম্পচ'নসূচক প্ৰজাতিৰ সমতা বা সমবিতৰণ তথা সাধাৰণতে পোৱা প্ৰজাতিৰ দ্বাৰা প্ৰভাৱান্বিত হয়। দুয়োটা সূচকৰ ক্ষেত্ৰতেই নমুনাৰ আকাৰৰ প্ৰভাৱ নগণ্য।

## বৈচিত্র্যৰ সূচক ঃ

এটা সম্প্ৰদায়ৰ প্ৰজাতিসমূহৰ গাণিতিকভাৱে কৰা জোখ বা মাপক বিচিত্ৰতাৰ সূচক বোলা হয়। এই সূচক প্ৰজাতিৰ প্ৰচুৰতাৰ ভিত্তিত (যিমান সংখ্যক প্ৰজাতি উপলব্ধ) আৰু প্ৰজাতিৰ অন্তৰ্গত প্ৰাণীৰ সাংখ্যিক প্ৰাচুৰ্যতাৰ ভিত্তিত (প্ৰত্যেক প্ৰজাতিৰ ভিতৰত থকা প্ৰাণীৰ সংখ্যা) নিৰূপণ কৰা হয়। যিমানেই প্ৰজাতি বেছি থাকিব, এটা অঞ্চল সিমানেই বিচিত্ৰতাপূৰ্ণ হ'ব। বিচিত্ৰতা সূচক সাধাৰণতে দুই প্ৰকাৰৰ — নিয়ন্ত্ৰণসূচক আৰু তথ্য পৰিসংখ্যা সূচক। নিয়ন্ত্ৰণসূচক বিচিত্ৰতা জুখিবলৈ চিম্পচ'ন সূচক আৰু তথ্য পৰিসংখ্যা সূচক বিচিত্ৰতা জুখিবলৈ শ্বেনন সূচক ব্যৱহাৰ কৰা হয়।


চিম্পচ'ন সূচক হৈছে এটা নিয়ন্ত্ৰণসূচক কাৰণ ই সাধাৰণতে সুলভ আৰু মুখ্য প্ৰজাতিৰ ওপৰত বেছি গুৰুত্ব দিয়ে। এইক্ষেত্ৰত কিছু সংখ্যক দুৰ্লভ প্ৰজাতিৰ প্ৰতিনিধিয়ে জৈৱ বিচিত্ৰতাৰ ক্ষেত্ৰত বিশেষ প্ৰভাৱ নেপেলায়।

শ্বেনন সূচক হৈছে তথ্য পৰিসংখ্যাসূচক, য'ত সকলো প্ৰজাতিৰ নমুনাৰ দ্বাৰা প্ৰতিনিধিত্ব কৰা হ'ব আৰু এই নমুনাসমূহ যাদৃচ্ছিকভাৱে (Random) সংগ্ৰহ কৰা হয়। শ্বেনন সূচকত (n/N) এটা বিশেষ প্ৰজাতিত পোৱা একক (n), আৰু সৰ্বমুঠ একক প্ৰজাতি (N) ৰ অনুপাত।

উপৰোক্ত সূচক কেইটাৰ বাহিৰেও জৈৱবৈচিত্ৰ্য বুজাবলৈ সাধাৰণতে আলফা বিচিত্ৰতা (Alpha Diversity), বিটা বিচিত্ৰতা (Beta Diversity) আৰু গামা বিচিত্ৰতা (Gama Diversity) নামৰ সূচকৰ ব্যৱহাৰ কৰা হয়। পৰিস্থিতি বিজ্ঞানত, আলফা বিচিত্ৰতা ($\alpha$ Dirversity) বিটা বিচিত্ৰতা ($\beta$ Diversity) আৰু গামা বিচিত্ৰতা ($\gamma$ Diversity) নামৰ সূচক কেইটা আৰ এইচ হুইটেকাৰ (R. H. Whittaker) নামৰ জীৱ বিজ্ঞানীজনে আগবঢ়াইছিল।

## আলফা বিচিত্ৰতা (Alpha Diversity) ঃ

আলফা বিচিত্ৰতাই এটা নিৰ্দিষ্ট সময়ত একক সম্প্ৰদায়ত থকা বিভিন্ন প্ৰজাতিক বুজায়। আলফা বিচিত্ৰতাক প্ৰজাতিৰ প্ৰাচুৰ্যতা বুলি ক'বও পাৰি। আলফা বিচিত্ৰতা ভিন ভিন সম্প্ৰদায়ৰ ভিন ভিন প্ৰজাতিবোৰৰ মাজত তুলনা কৰিবলৈও ব্যৱহাৰ কৰা হয়।





চিত্ৰ-৩.১ ঃ আলফা বিচিত্ৰতা

## বিটা বিচিত্ৰতা (Beta Diversity) ঃ

এই জোখ হৈছে প্ৰজাতিৰ বিচিত্ৰতাৰ লগতে প্ৰাকৃতিক ঢালৰ সলনিৰ হাৰ। উদাহৰণস্বৰূপে বিটা বিচিত্ৰতা বেছি হ'ব যদিহে এটা ডাঙৰ সম্প্ৰদায়ৰ প্ৰজাতিৰ বিচিত্ৰতা এক উচ্চতাপূৰ্ণ পৰ্বতীয়া ঢালত সফলতাৰে সলনি হয়। বিটা বিচিত্ৰতা কম হ'ব যদিহে একেই প্ৰজাতিটোৱে গোটেই পৰ্বতীয়া অঞ্চলটোত উপলব্ধ হয়।


বিটা বিচিত্ৰতাৰ আন আন প্ৰক্ৰিয়াবোৰ হৈছে প্ৰকৃত প্ৰজাতিয় ঘূৰণ (Absolute species turnover), হুইটেকাৰৰ প্ৰজাতিয় ঘূৰণ (Whittakers species turnover) আৰু আনুপাতিক প্ৰজাতিয় ঘূৰণ (Proportional Species turnover).




চিত্ৰ-৩.২ ঃ বিটা বিচিত্ৰতা

## গামা বিচিত্ৰতা (Gama Diversity) ঃ

গামা বিচিত্ৰতা সাধাৰণতে এটা ডাঙৰ ভৌগোলিক অঞ্চল সামৰি প্ৰয়োগ কৰা হয়। পৰিস্থিতি বিজ্ঞানত গাঁমা বিচিত্ৰতা ($\gamma$ Diversity) হৈছে এটা ভূদৃশ্যপটৰ (Landscape) সৰ্বমুঠ প্ৰজাতিৰ বিচিত্ৰতা। হুইটেকাৰৰ ধাৰণা মতে এখন ভূদৃশ্যটপটৰ সৰ্বমুঠ প্ৰজাতিয় বিচিত্ৰতা দুটা বিষয়ৰ ওপৰত নিৰ্ভৰ কৰে। স্থানীয় নিবাসস্থান সমূহত গড় প্ৰজাতিৰ বিচিত্ৰতা ($\alpha$) আৰু নিবাসস্থান সমূহৰ ভিন্নতা ($\beta$)। এই যুক্তিটোৰ মতে আলফা বিচিত্ৰতা আৰু বিটা বিচিত্ৰতা হৈছে গামা বিচিত্ৰতাৰ স্বতন্ত্ৰ উপাদান।




চিত্ৰ-৩.৩ ঃ গামা বিচিত্ৰতা

## অসমত জৈৱবৈচিত্ৰ্যৰ বৰ্তমানৰ অৱস্থা ঃ

ভাৰতবৰ্ষৰ উত্তৰ-পূবত অৱস্থিত ৰাজ্যসমূহৰ এখন অসম— পৰ্বত, পাহাৰ, মালভূমি, নদীউপত্যকা, অৰণ্য ইতাদিৰে অনুপম, জৈৱবৈচিত্ৰ্যত চহকী এখন ৰাজ্য। ভাৰতবৰ্ষৰ দুটা জৈৱবৈচিত্ৰ্যৰ হটস্পট (Hotspot) হৈছে পশ্চিমঘাট পৰ্বত আৰু উত্তৰ-পূব ভাৰত। আমাৰ অসমখন এই উত্তৰ-পূব ভাৰতৰ এক গুৰুত্বপূৰ্ণ অংগ। অদ্বিতীয় প্ৰকৃতি, বতৰৰ অৱস্থা, মাটিৰ ধৰণ আদিয়ে এই অঞ্চলটোক জৈৱবৈচিত্ৰ্যৰ ক্ষেত্ৰত উৎকৰ্ষ সাধনত সহায় কৰিছে।

অসমৰ জৈৱবৈচিত্ৰ্যৰ কেইটামান বৈশিষ্ট্য হৈছে —

(ক) অৰণ্য বা বনাঞ্চলৰ প্ৰাচুৰ্য।

(খ) ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈসমূহৰ জালিকা।

(গ) আৰ্দ্ৰভূমিৰ পৰিৱেশ তন্ত্ৰ।

(ঘ) ঘাঁহনি পৰিৱেশ তন্ত্ৰ।


(ঙ) ৰাষ্ট্ৰীয় উদ্যান আৰু অভয়াৰণ্য সমূহ।

**অসমৰ ৰাষ্ট্ৰীয় উদ্যান আৰু অভয়াৰণ্যসমূহৰ এটি আভাস ঃ**

| ৰাষ্ট্ৰীয় উদ্যান | অৱস্থান (জিলা) | মাটি কালি (বৰ্গ কি.মি.) |
|---|---|---|
| A. কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান | গোলাঘাট, নগাঁও, শোণিতপুৰ | ৮৫৮.৯৮ |
| B. মানস ৰাষ্ট্ৰীয় উদ্যান | চিৰাং, বাক্সা | ৫০০.০০ |
| C. ডিব্ৰু-চৈখোৱা ৰাষ্ট্ৰীয় উদ্যান | ডিব্ৰুগড়, তিনিচুকীয়া | ৩৪০.০০ |
| D. নামেৰি ৰাষ্ট্ৰীয় উদ্যান | শোণিতপুৰ | ২০০.০০ |
| E. ওৰাং ৰাষ্ট্ৰীয় উদ্যান | ওদালগুৰি, শোণিতপুৰ | ৭৮.৮১ |
| **অভয়াৰণ্য** | | |
| 1. আমচাং অভয়াৰণ্য | কামৰূপ (মহানগৰ) | ৭৮.৬৪ |
| 2. বৰাইল অভয়াৰণ্য | কাছাৰ আৰু কৰিমগঞ্জ | ৩২৬.২৫ |
| 3. বুঢ়াচাপৰি অভয়াৰণ্য | শোণিতপুৰ | ৪৪.০৬ |
| 4. চক্ৰশিলা অভয়াৰণ্য | কোকৰাঝাৰ | ৪৫.৫৬ |
| 5. দীপৰবিল অভয়াৰণ্য | কামৰূপ (মহানগৰ) | ৪.১৪ |
| 6. দিহিং পাটকাই অভয়াৰণ্য | ডিব্ৰুগড় আৰু তিনিচুকীয়া | ১১১.১৯ |
| 7. পূব কাৰ্বি আংলং অভয়াৰণ্য | কাৰ্বি আংলং | ২২১.৮১ |
| 8. গৰমপানী অভয়াৰণ্য | কাৰ্বি আংলং | ৬.০৫ |
| 9. হোলোং পাৰ গিবন অভয়াৰণ্য | যোৰহাট | ২০.৯৪ |
| 10. লাওখোৱা অভয়াৰণ্য | নগাওঁ | ৭০.১৩ |
| 11. মাৰাত লংৰি অভয়াৰণ্য | কাৰ্বি আংলং | ৪৫১.০০ |

| | | |
|---|---|---|
| 12. নামবৰ দৈগুৰুং অভয়াৰণ্য | গোলাঘাট | ৯৭.১৫ |
| 13. নামবৰ অভয়াৰণ্য | কাৰ্বি আংলং | ৩৭.০০ |
| 14. উত্তৰ কাৰ্বি আংলং অভয়াৰণ্য | কাৰ্বি আংলং | ৯৬.০০ |
| 15. পানীদিহিং অভয়াৰণ্য | শিৱসাগৰ | ৩৩.৯৩ |
| 16. পবিতৰা অভয়াৰণ্য | মৰিগাঁও | ৩৮.৮১ |
| 17. সোণাই ৰূপাই অভয়াৰণ্য | শোণিতপুৰ | ২২০.০০ |
| 18. বৰনদী অভয়াৰণ্য | ওডালগুৰি | ২৬.২২ |
| 19. ভেৰজান-বৰজান-পদুমণি অভয়াৰণ্য | তিনিচুকীয়া | ৭.২২ |

উৎস ঃ ***Dept. of Forest, Assam***




চিত্ৰ-৩.৪ ঃ অসমৰ মানচিত্ৰত ৰাষ্ট্ৰীয় উদ্যান আৰু অভয়াৰণ্য

## উদ্ভিদৰ বিচিত্ৰতা ঃ

অনুকূল ভৌগলিক অৱস্থান, বিচিত্ৰময় ভূ-প্ৰকৃতি আৰু অনুকূল জলবায়বিক অৱস্থাই জৈৱ বৈচিত্ৰৰ ক্ষেত্ৰত অসমক চহকী কৰি তুলিছে। অসমৰ উদ্ভিদসমূহ বিশেষকৈ ক্ৰান্তীয় প্ৰকৃতিৰ সেইসমূহৰ ভিতৰত চিৰহৰিৎ, অৰ্ধ-চিৰহৰিৎ (Semi-evergreen), ঘাঁহনি, পৰ্ণপাতী, ঘাঁহনি আৰু জলাহ অৰণ্য দেখিবলৈ পোৱা যায়। অসমত গুৰুত্বপূৰ্ণ বিভিন্ন ধৰণৰ উদ্ভিদ প্ৰজাতি পোৱা যায়, তাৰে ভিতৰত হলোং (Dipterocarpus macrocarpus), গুৰজান (Dipterocarpus tubinatus), মেকাই (Shorea assamiea), কুৰ্তা (Palaquim Polyandhum), নাহৰ (Mesucs ferrea), চিয়া-নাহৰ (Keyea assamica), শিশু (Dalbergia Sissoo), খৈয়েৰ (Acacia Catechu) আদি।

বাসস্থান, কৃষিকাৰ্য আৰু আন ধৰণৰ উৎপাদনৰ বাবে যি বৃহৎ পৰিমাণৰ অৰণ্যৰ শোষণ চলিছে (আইনী আৰু বে-আইনীভাৱে), সিয়ে ৰাজ্যৰ অৰণ্য অঞ্চল বৃহৎ হাৰত কমাই আনিছে। ৰাজ্যৰ বহুতো ঘন অৰণ্য অঞ্চল ক্ৰমান্বয়ে অবক্ৰমিত অৰণ্যৰ তালিকালৈ অবনমিত হৈছে। বহুতো পৰিৱেশজনিত সমস্যা, যিসমূহ মানুহে সাধাৰণতে ভুগিব লগা হৈছে যেনে— বানপানী, গৰাখহনীয়া ইত্যাদি প্ৰত্যক্ষভাৱে অৰণ্য ধ্বংসৰ লগতে জড়িত বুলি ক'ব পাৰি। এই কাৰকসমূহেই ৰাজ্যৰ বিভিন্ন পৰিস্থিতিতন্ত্ৰৰ মহাদুৰ্যোগৰ কাৰণ হৈ পৰিব পাৰে।

**অসমৰ উদ্ভিদ প্ৰজাতিৰ সাধাৰণ পাৰিসাংখ্যিক বিশ্লেষণ**

| উদ্ভিদ প্ৰজাতিৰ নাম | গোত্ৰৰ সংখ্যা | গণৰ সংখ্যা | প্ৰজাতিৰ সংখ্যা | বিশ্লেষণ |
|---|---|---|---|---|
| ফাৰ্ন এলিছ (Fern Allies) | ৪ | ৬ | ১০ | ফাৰ্ণ আৰু ফাৰ্ণ এলিচ- ৩১৫ আৰু ৪০টা প্ৰজাতিয়ে একাদিক্ৰমে অসমৰ ২৫.৪৫% আৰু ভাৰতৰ ৩৫.৮৪% প্ৰতিনিধিত্ব কৰে। |
| ফাৰ্ণ (Ferns) | ২৮ | ৯১ | ৩১৫ | |
| এনজিঅ'স্পাৰমছ (Angiosperms) | | | | |
| জিম্ন'স্পাৰমছ (Gymnosperms) | ৭ | ১৪ | ২২ | এই সমূহে ভাৰতৰ ২২.৬৮% উদ্ভিদ প্ৰজাতি প্ৰতিনিধিত্ব কৰিছে। |
| ডাইক'লাইলেডচ্ (Dycolyledous) | ১৮৯ | ১০১২ | ২৭৫২ | |
| মন'কলিলেডনচ্ (Monocolyledons) | ৪০ | ৩৬৮ | ১০৮০ | |
| মুঠ | ২৩৬ | ১৩৯৪ | ৩৮৫৪ | |

উৎস ঃ *ENVIS, Assam*

অসমত বহুতো পৰিমাণৰ ঔষধি উদ্ভিদ পোৱা যায় যিসমূহ মানুহে পৰম্পৰাগতভাৱে বিভিন্ন চিকিৎসা মহৌষধ হিচাপে ব্যৱহাৰ কৰি আহিছে। পৰম্পৰাগত আৰু আধুনিক চিকিৎসাৰ এখন সৰ্বাঙ্গীন তালিকা প্ৰস্তুত কৰা হৈছে (ভাগৱতী, কলিতা আৰু বৰুৱা সম্পাদিত Biodiversity of Assam, 2006, EBH Publication)। তালিকাখনৰ মতে ৩৪৭ প্ৰকাৰৰ উদ্ভিদ চিকিৎসা প্ৰণালীৰ বাবে চিনাক্ত কৰা হৈছে। অসম বাঁহ গছৰ বিচিত্ৰতাৰ ক্ষেত্ৰত অতিকে চহকী ১০ প্ৰকাৰৰ গণ আৰু ৪২ প্ৰজাতিৰ বাঁহ এতিয়ালৈকে নথিভুক্ত কৰা হৈছে।

অসমত পোৱা ৭১ গণৰ আৰু ১৯৩ প্ৰজাতিৰ কপৌ ফুল বিশেষকৈ সমতল আৰু পাহাৰীয়া অংশত সিচৰতি হৈ আছে। অধিক সংখ্যক বিশেষকৈ সংৰক্ষিত বনাঞ্চল আৰু পাহাৰীয়া জিলাকেইখনত বিচাৰি পোৱা যায়।

সৰহসংখ্যক জলাহভূমিৰ অৱস্থিতিয়ে অসমত জলজ উদ্ভিদসমূহ বৈচিত্ৰ্যময় আৰু বৈশিষ্ট্যপূৰ্ণ পৰিস্থিতিতন্ত্ৰৰ অন্তৰ্গত কৰি তুলিছে। অসমত বিশেষকৈ ৩৪০ প্ৰকাৰৰ জলজ উদ্ভিদ (hydrophytes) পোৱা যায়। এই জলজ উদ্ভিদসমূহক তলত দিয়া ধৰণে ভাগ কৰিব পাৰি—

- Free floating hydrophytes
- Suspended submerged hydrophytes
- Anchored submerged hydrophytes
- Anchored hydrophytes with floating shoots
- Anchored hydrophytes with floating leaves
- Emergent amphibious hydrophytes
- Wetland hydrophytes.

এইসমূহৰ উপৰিও অসমত ১০২ প্ৰজাতিৰ স্থানিক উদ্ভিদ পোৱা যায় যিসমূহ ৭৫ গণৰ অন্তৰ্গত।

### পশু বৈচিত্ৰ্য ঃ

সমগ্ৰ দক্ষিণ-পূব এছিয়াৰ ভিতৰত উত্তৰ-পূব ভাৰত জৈৱবৈচিত্ৰ্যৰ ক্ষেত্ৰত অতিকে বৈচিত্ৰ পূৰ্ণ। ইয়াৰ বনাঞ্চলসমূহ বিভিন্ন প্ৰজাতিৰ পশু-পক্ষীয়ে চহকী কৰি তুলিছে। অসমত মুঠ ৪০০ প্ৰজাতিৰ স্তন্যপায়ী জীৱৰ ভিতৰত ১৬৪ প্ৰজাতিৰ ৮৫টা গণৰ স্তন্যপায়ী জীৱ নথিভুক্ত কৰা হৈছে। ঠিক তেনেদৰে ৯৫৮ প্ৰজাতিৰ আৰু উপ-প্ৰজাতিৰ চৰাই অসমত বিচাৰি পোৱা গৈছে। আনহাতে বান্দৰৰ প্ৰজাতিৰ ক্ষেত্ৰতো অসম বিশেষভাৱে চহকী। ১৫টা প্ৰজাতিৰ ভিতৰত, অসমত ৯টা প্ৰজাতিৰ বান্দৰ পোৱা যায়। সেই প্ৰজাাতিসমূহ হৈছে লাজুকী বান্দৰ (Slow loris), হলৌ বান্দৰ (Hoolock gibbon), সোণালী বান্দৰ (Golden leaf monkey), কেপ লিফ বান্দৰ, ফেৰিছ লিফ বান্দৰ, ষ্টাম্প টেইল বান্দৰ (Assamese Maccave) ইত্যাদি।

ইয়াৰে ভিতৰত ৩বিধ প্ৰজাতি অসুৰক্ষিত আৰু ৪বিধ লুপ্তপ্ৰায় প্ৰজাতিৰ বুলি IUCN (International Union of Conservation of Nature) এ চিহ্নিত কৰিছে।

### পক্ষী বৈচিত্ৰ্য ঃ

অসম বিশ্বৰ ভিতৰতে পক্ষীৰ ক্ষেত্ৰত এখন চহকী ৰাজ্য। অসমত ৯৫০টা প্ৰজাতিৰ চৰাই পোৱা যায়,

এই প্ৰজাতিৰ চৰাইসমূহ ৩০২টা গণ আৰু ৬৮টা গোত্ৰৰ অন্তৰ্গত। এই ২৩ স্থানিক পক্ষী প্ৰজাতি ৫টা পক্ষী গোত্ৰৰ অন্তৰ্গত যিসমূহ উত্তৰ-পূব ভাৰতৰ ৰাজ্যসমূহত পোৱা যায়। ইয়াৰ বাহিৰেও প্ৰতিবছৰে যথেষ্ট সংখ্যক পৰিভ্ৰমী চৰাই আমাৰ অসমলৈ আহে।

### সৰীসৃপৰ বৈচিত্ৰ্য ঃ

অসমৰ ভূ-প্ৰকৃতি, জলবায়ু, উদ্ভিদসমূহে সৰীসৃপ প্ৰজাতিৰ ক্ষেত্ৰতো চহকী কৰি তুলিছে। সৰীসৃপ সমূহৰ ভিতৰত ঘঁৰিয়াল (Crocodylia), কাছ (Chelonia) আৰু সাপ আৰু জেঠী (Squamuta) অসমত বিচাৰি পোৱা যায়। ১টা প্ৰজাতিৰ ঘৰিয়াল, ১৯টা প্ৰজাতিৰ কাঁছ আৰু ৭৭টা প্ৰজাতিৰ সাপ আৰু জেঠী অসমত সহজলভ্য।

উভচৰ প্ৰাণীৰ তিনিটা আধুনিক বৰ্গ (Order) ৰ ভিতৰত Anura (ভেকুলী আৰু চুক ভেকুলী) Urodela (চালামাণ্ডাৰ) আৰু Apoda (এপ'ডা) অন্যতম। পৰিচিত উভচৰ প্ৰাণীসমূহৰ ভিতৰত ৯০ শতাংশই হৈছে ভেকুলী। ভাৰতত পোৱা সৰীসৃপ প্ৰজাতিসমূহৰ ভিতৰত ২১৫ বিধ মান প্ৰজাতি অসমত পোৱা যায়।

### মীন বৈচিত্ৰ্য ঃ

ব্ৰহ্মপুত্ৰ আৰু বৰাকৰ লগতে ইয়াৰ উপনদীসমূহ, বৃহৎ প্লাৱনভূমি, জলাশয় পিটনিসমূহে মাছৰ কাৰণে বিশেষ বাসস্থানৰ ভূমিকা পালন কৰে। আমাৰ ৰাজ্যখন সতেজ পানী থকা মীন জৈৱ বৈচিত্ৰতাৰ বাবে এক উত্তম অঞ্চল। অসমত পোৱা প্ৰায় ১৮৫বিধ প্ৰজাতিৰ ভিতৰত ৯৮ গণৰ ৩৪টা গোত্ৰ এতিয়ালৈকে গণনা কৰা হৈছে আৰু ইয়াৰ ভিতৰত ৩৩টা হ'ল এই অঞ্চলৰ স্থানীয়।

### শামুকৰ বৈচিত্ৰ্য ঃ

শামুক হ'ল পৰিস্থিতি তন্ত্ৰৰ এক গুৰুত্বপূৰ্ণ প্ৰজাতি। যদিও এতিয়ালৈকে প্ৰায় ৮০০ প্ৰজাতিৰ শামুকৰ তথ্য পোৱা গৈছে তথাপিও অসমৰ ক্ষেত্ৰত এই তথ্যসমূহ অতি দুৰ্লভ। বিভিন্ন জনগোষ্ঠীয় খাদ্যাভ্যাসৰ ভিত্তিত কেৱল ১০বিধ মান সতেজ পানীৰ শামুক চিনাক্তকৰণ কৰা হৈছে।

### পলু আৰু পখিলাৰ বৈচিত্ৰ্য ঃ

ভাৰতবৰ্ষত এতিয়ালৈকে ১৫০০বিধ পখিলাৰ প্ৰজাতি পোৱা গৈছে আৰু তাৰে ৫০ শতংশই অসমত পোৱা যায়। সৰ্বমুঠ ৪০৫ বিধ পখিলাৰ প্ৰজাতি আৰু ৩৪৭ বিধ পলুৰ প্ৰজাতি গৱেষকসকলে বিভিন্ন সময়ত চিনাক্ত কৰিছে।

উপৰোক্ত বৰ্ণনাসমূহে ৰাজ্যখনৰ জৈৱবৈচিত্ৰ্যৰ বিষয়ে এটা সম্যক ধাৰণাহে আমাক প্ৰদান কৰে। এই তথ্যসমূহেই অন্তিম তথ্য নহয়। তালিকাখনত আন আন বহুতো ক্ষেত্ৰ অন্তৰ্ভুক্ত কৰি ল'ব পাৰি যেনে— মৌ-মাখি, ম'হ তথা পতংগৰ বিচিত্ৰতা আদি।

## সমস্যা আৰু সম্ভাৱনীয়তা ঃ

যদিও অসমখনক ইয়াৰ প্ৰাকৃতিক সম্পদ সমূহৰ বাবে এক বৈচিত্ৰময় অঞ্চল হিচাবে চিহ্নিত কৰা হৈছে

তথাপিও অপৰিকল্পিত উন্নয়ন, মানুহৰ কাৰ্যকলাপ, নগৰীকৰণ ইত্যাদিৰ ফলত প্ৰাকৃতিক পৰিৱেশ আৰু সম্পদসমূহ যথেষ্ট প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। জৈৱবৈচিত্ৰ্যৰ পৰম্পৰাগত জ্ঞানসমূহ আৰু সংৰক্ষণৰ প্ৰণালীসমূহ দ্ৰুতগতিৰে আমি হেৰুৱাই আহিছো। জৈৱবৈচিত্ৰ্যৰ এই অৱনমিত ধাৰাটোক নিয়ন্ত্ৰণ কৰিবলৈ যিমানদূৰ সম্ভৱ সংৰক্ষণৰ ধাৰাটোক অতি ক্ষিপ্ৰতাৰে আগবঢ়াব লাগিব। এই অঞ্চলত জৈৱবৈচিত্ৰ্য সংৰক্ষণৰ ক্ষেত্ৰত দেখা দিয়া কিছুমান সমস্যা তলত উল্লেখ কৰা হ'ল—

১। জনসংখ্যাৰ বৃদ্ধি আৰু ঘনত্ব।
২। মানুহৰ কাৰ্যকলাপৰ দ্বাৰা বাসস্থান ধ্বংস।
৩। অতিচাৰণ ভূমি।
৪। চোৰাংচিকাৰ।
৫। বান আৰু খহনীয়া সমস্যা।
৬। কৃষিভূমিত অত্যাধিক ৰাসায়নিক দ্ৰব্যৰ প্ৰয়োগ।
৭। জৈৱ লুণ্ঠন।
৮। পৰম্পৰাগত প্ৰযুক্তি বিদ্যাৰ অৱনতি।

উপৰোক্ত সমস্যাবোৰৰ অৱস্থিতি স্বত্বেও এই সমৃদ্ধ জৈৱবৈচিত্ৰময় অঞ্চলটোৱে ৰাজ্যখনক প্ৰদান কৰিছে অৰ্থনৈতিক সমৃদ্ধি আৰু উন্নয়ন। তলত কিছুমান সম্ভানাময় ক্ষেত্ৰ উল্লেখ কৰা হ'ল।

১। পৰিৱেশ অনুকূল পৰ্যটন।
২। মৎস্য উৎপাদন।
৩। আলংকাৰিক মাছ।
৪। বাঁহ-বেতৰ উদ্যোগসমূহ।
৫। পৰম্পৰাগত ঔষধ আৰু খাদ্যসমূহ।
৬। পৰম্পৰাগত জ্ঞানৰ ওপৰত গৱেষণা।
৭। পৰ্যটনৰ আন্তঃগাঁথনিৰ সম্ভাৱনীয়তা।

## সংৰক্ষণৰ আৱশ্যকীয়তা ঃ

বিগত দুটা শতিকাত মানুহৰ জনসংখ্যা দ্ৰুত গতিত বৃদ্ধি পাই আহিছে। জনসংখ্যা বৃদ্ধি পোৱাৰ লগে লগে পৃথিৱীৰ সম্পদসমূহ দ্ৰুত গতিৰে হ্ৰাস পাই আহিছে। আমি বহু বছৰৰ আগতে পৃথিৱীৰ ধাৰণ ক্ষমতা (carrying capacity) পাৰ কৰি আহিলো। সেইবাবে গোলকীয় স্তৰত বন্যপানী আৰু সম্পদসমূহৰ সংৰক্ষণৰ প্ৰয়োজনীয়তা আহি পৰিছে।

জৈৱবৈচিত্ৰ্য সংৰক্ষণৰ বহুকেইটা দৃষ্টিভংগী আছে। ইয়াৰে প্ৰথমটো হ'ল মানৱ কেন্দ্ৰিক দৃষ্টিভঙ্গী। যিহেতু মানৱ জাতিৰ ভৱিষ্যৎ নিৰ্ভৰ কৰি আহিছে খাদ্য সামগ্ৰী, বাসস্থান, পানীৰ যোগান ইত্যাদিৰ ওপৰত। আকৌ এই সম্পদসমূহৰ যোগান নিৰ্ভৰ কৰে জৈৱবৈচিত্ৰ্যৰ ওপৰত। তেনে পৰিপ্ৰেক্ষিতত জৈৱবৈচিত্ৰ্যৰ সংৰক্ষণ অনিবাৰ্য্য। যিহেতু প্ৰত্যেক প্ৰজাতিৰ জীৱৰেই জীয়াই থকাৰ অধিকাৰ আছে গতিকে প্ৰত্যেকৰেই জীয়াই থকাৰ বাবে অনুকূল পৰিৱেশ সৃষ্টি কৰি ভৱিষ্যৎ প্ৰজন্মৰ বাবে এই সম্পদসমূহ সংৰক্ষণ কৰাটো

প্ৰয়োজনীয়। এইটো হ'ল সংৰক্ষণৰ নৈতিক দৃষ্টিভঙ্গী। এইটো মনত ৰাখিবলগীয়া যে আমি ধ্বংস কৰা সম্পদসমূহ পুনৰাই সৃষ্টি কৰিব নোৱাৰো। সেইবাবেই সংৰক্ষণৰ ধাৰণাটোৰ দৰকাৰ যাতে পৃথিৱীয়ে নিজৰ স্বাভাৱিক প্ৰক্ৰিয়াৰে জীৱৰ সৃষ্টি পৰিৱৰ্দ্ধন আৰু বিকাশ ঘটাব পাৰে আৰু ইয়াৰ দ্বাৰা বৈচিত্ৰতা ৰক্ষা কৰাৰ উপৰিও বিলুপ্তিকৰণ ৰোধ কৰিব পাৰে।

সম্পদ সংৰক্ষণ আৰু আমাৰ প্ৰয়োজনসমূহ সদায় এটা আনটোৰ বিপৰীতমুখী। উদাহৰণ স্বৰূপে কিছুলোকৰ বাবে বনাঞ্চলসমূহ হ'ব পাৰে কৃষিভূমি সমূহৰ প্ৰসাৰণৰ ঠাই, অন্যহাতে এটা উদ্যোগৰ বাবে উক্ত বনাঞ্চল কেঁচা সম্পদৰ ভাণ্ডাৰ হৈ উঠিব পাৰে। এটা ব্যৱসায়িক প্ৰতিষ্ঠানে নিৰ্মাণ কৰিব পাৰে এটা উদ্যোগ নাইবা এটা ৰাজপথ। এই প্ৰয়োজনবোৰ অৰ্থহীন নহয় যদিও বহুক্ষেত্ৰত আমাৰ প্ৰয়োজনসমূহৰ কাৰণে প্ৰাকৃতিক পৰিৱেশত বাস কৰা উদ্ভিদ আৰু জীৱ-জন্তুৰ অধিকাৰক অস্বীকাৰ কৰা দেখা যায়। সেয়ে উন্নয়নৰ পৰা হোৱা লাভৰ লগত জীৱ-জন্তুৰ বাসস্থান হেৰুৱাৰ ফলত হোৱা লোকচান, সম্পদসমূহ চিৰদিনৰ বাবে বিলুপ্ত হোৱাৰ ফলত হোৱা লোকচান নাইবা আমাৰ খোৱাপানীৰ নাটনি হোৱাৰ ফলত হোৱা লোকচানৰ লগত তুলনা কৰা উচিত। উন্নয়ন আৰু সংৰক্ষণৰ সহাৱস্থান সম্ভৱ। আমি যেতিয়া সম্পদসমূহৰ ব্যৱহাৰ অদূৰ ভৱিষ্যতৰ প্ৰজন্মৰ ব্যৱহাৰৰ দিশত নিশ্চিত কৰিব পাৰো ইয়েই হ'ল বহনক্ষম উন্নয়নৰ আৰম্ভণি। সেয়ে সংৰক্ষণৰ মূলমন্ত্ৰই হ'ল প্ৰকৃতিৰ লগত সহাৱস্থান কৰি জীয়াই থকা।

## প্ৰদূষণ ঃ

আমাৰ কাৰ্যকলাপৰ মাধ্যমেৰে বহু বেছি দূষিত পদাৰ্থ প্ৰাকৃতিক পৰিৱেশৰ লগত মিহলি হয় যাক কোৱা হয় প্ৰদূষণ। উদাহৰণস্বৰূপে আমি আৱৰ্জনা জমা কৰো আৰু প্ৰদুষিত পানীক নৈসমূহলৈ বৈ যাবলৈ দি প্ৰদূষণ কৰো। উদ্যোগসমূহৰ পৰা আৰু যান-বাহনসমূহৰ নিসৰিত বিবিধ গেছে বায়ু প্ৰদূষণৰ সৃষ্টি কৰে। এই পানী, বায়ু, মাটি ইত্যাদি প্ৰদূষণে আমাৰ জীৱন অতিষ্ঠ কৰি তুলিছে। ইয়াৰ বাহিৰেও প্ৰদূষণে বিবিধ ৰোগৰ সৃষ্টি, মাটিৰ সাৰুৱা গুণৰ অৱনমন আৰু খাদ্যৰ উৎপাদন হ্ৰাস, জৈৱবৈচিত্ৰত আঘাত আদিত সহায় কৰিছে। আমি প্ৰদূষণ সমূহক বিভিন্ন ভাগত ভগাব পাৰো। তাৰে প্ৰধান ভাগসমূহ হ'ল —

**১। বায়ু প্ৰদূষণ ঃ** বিবিধ ৰাসায়নিক পদাৰ্থৰ নিৰ্গমন তথা ক্ষুদ্ৰ কণাসমূহৰ বায়ুমণ্ডললৈ নিসৰ্গন। সচৰাচৰ গেচীয় প্ৰদূষণসমূহ হ'ল — কাৰ্বন মনক্সাইড, ছালফাৰ ডাইক্সাইড, চি এফ চি, নাইট্ৰজেন অক্সাইড। এই দূষিত গেছসমূহ উৎপাদন কৰে বিভিন্ন উদ্যোগ আৰু যান-বাহনসমূহে। ফ'টকেমীকেল অ'জন আৰু ধুঁৱলী সৃষ্টি হয় নাইট্ৰজেন অক্সাইড আৰু হাইড্ৰ-কাৰ্বনৰ সূৰ্যৰ ৰশ্মিৰ সৈতে হোৱা বিক্ৰিয়াৰ ফলত।

**২। শব্দ প্ৰদূষণ ঃ** শব্দ-প্ৰদূষণ সংঘটিত হয় দৈনন্দিন পথৰ শব্দসমূহ, উৰাজাহাজৰ শব্দ, উদ্যোগৰ শব্দ, তীব্ৰ প্ৰাৱল্যৰ চনাৰ (SONAR, Sound Navigation Ranging) যন্ত্ৰৰ উচ্চ মাত্ৰাৰ শব্দৰ জৰিয়তে।

**৩। প্লাষ্টিক প্ৰদূষণ ঃ** ইয়াৰ দ্বাৰা আমাৰ পৰিৱেশত প্লাষ্টিকেৰে তৈয়াৰী পদাৰ্থসমূহ আৰু অতি ক্ষুদ্ৰ প্লাষ্টিকসমূহ জমা হৈ বন্যপ্ৰাণীৰ বাসস্থান, বন্যপ্ৰাণী তথা মানুহৰ ওপৰত ঋণাত্মক প্ৰভাৱ পেলায়।

**৪। ভূমি প্ৰদূষণ ঃ** ভূমি প্ৰদূষণ সংঘটিত হয় যেতিয়া ভূগৰ্ভীয় নিঃসৰণৰ ফলত ৰাসায়নিক পদাৰ্থৰ নিসৰ্গন ঘটে। গুৰুত্বপূৰ্ণ ভূমি প্ৰদূষকসমূহ হ'ল হাইড্ৰ'কাৰ্বন, গধূৰ ধাতৰ পদাৰ্থসমূহ, অপতৃণনাশক, কীটনাশক

আৰু ক্লৰিনেটেড হাইড্ৰ' কাৰ্বনসমূহ।

**৫। আণৱিক প্ৰদূষণ ঃ** বিংশ শতিকাৰ আণৱিক ক্ষেত্ৰখনত ঘটা কাৰ্যকলাপসমূহ যেনে— পাৰমাণৱিক শক্তি উৎপাদন আৰু আণৱিক যুদ্ধাস্ত্ৰসমূহৰ গৱেষণা, পণ্য উৎপাদনৰ ক্ষেত্ৰখনৰ লগতে বিন্যস্তকৰণে তেজষ্ক্ৰীয় প্ৰদূষণত অৰিহণা যোগাইছে।

**৬। জল প্ৰদূষণ ঃ** জল প্ৰদূষণত অৰিহণা যোগাইছে ব্যৱসায়িক তথা ঔদ্যোগিক প্ৰতিষ্ঠানসমূহৰ পৰা নিৰ্গত অপৰিশোধিত পানীভাগৰ ভূ-পৃষ্ঠৰ পানী ভাগলৈ নিৰ্গসন, লগতে অপৰিশোধিত ঘৰুৱা নলাসমূহ আৰু ৰাসায়নিক আৱৰ্জনাবিলাকৰ দ্বাৰা।

## বহনক্ষম উন্নয়ন ঃ

বহনক্ষম উন্নয়নৰ মুখ্য উদ্দেশ্য হ'ল মানৱৰ জীৱনৰ মান উন্নত কৰা, বহনক্ষম উন্নয়নৰ দ্বাৰা মানুহৰ যোগ্যতাক অধিক বৃদ্ধি কৰিবলৈ চেষ্টা কৰা হয় যাতে পৰিৱেশৰ বিনষ্ট অবিহনে আৰ্থ-সামাজিক প্ৰয়োজনীয়তাসমূহ তেওঁলোকে আহৰণ কৰিব পাৰে।

কোনো এখন সমাজৰ উন্নয়নৰ তিনিটা মুখ্য উদ্দেশ্য হ'ল —

(ক) জীৱন ধাৰণৰ মান উন্নত কৰা। যেনে— উপাৰ্জন আৰু উপভোগ, খাদ্যবস্তুৰ মান, স্বাস্থ্যসেৱা, প্ৰয়োজনীয় প্ৰক্ৰিয়াৰ মাজেৰে শিক্ষা।

(খ) আত্মসন্মানৰ সুবৃদ্ধি ঘটাকৈ কিছুমান পৰিস্থিতিৰ সৃষ্টি কৰা যাতে সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক ব্যৱস্থা তথা অনুষ্ঠানসমূহৰ প্ৰতিষ্ঠাৰ মাধ্যমেৰে মানৱীয় সম্ভ্ৰম তথা সন্মানৰ বিকাশ ঘটে। অভিৰুচিসমূহৰ প্ৰয়োজনীয় সামগ্ৰীৰ নিৰ্বাচনৰ পৰিসৰ বহল কৰিব পৰাকৈ জনসাধাৰণৰ স্বাধীনতা বৃদ্ধি কৰা; উদাহৰণস্বৰূপে বস্তু আৰু সেৱাৰ বৈচিত্ৰ্যতা তথা বিচিত্ৰতা।

সি যি কি নহওক, উন্নয়নৰ প্ৰক্ৰিয়াই পৃথিৱীত পৰিস্থিতি তন্ত্ৰৰ ব্যৱস্থালৈ বিপদ কঢ়িয়াই আনিব নালাগিব। ১৯৭২ চনত ষ্টকহমত সম্পন্ন হোৱা বিশ্বসন্মিলনৰ পিছত বহনক্ষম উন্নয়নৰ ধাৰণাটোৱে গুৰুত্বপূৰ্ণ ধাৰণা হিচাপে বৃদ্ধি হৈছে। ভাৰতকে ধৰি বিশ্বৰ কেইবাখনো দেশে অংশগ্ৰহণ কৰা এই সন্মিলনত পৰিৱেশৰ অৱস্থাৰ ওপৰত বিশেষকৈ গুৰুত্ব দিয়া হৈছিল। ব্ৰুণ্ডলেণ্ডৰ অধ্যক্ষতাত গঠিত হোৱা সমিতীখনে ১৯৮৭ চনত এখন প্ৰতিবেদন প্ৰস্তুত কৰি উলিয়াইছিল, যাৰ শিৰোনামা আছিল, 'আমাৰ উমৈহতীয়া ভৱিষ্যত' (Our common future) যাক 'ব্ৰুণ্ডলেণ্ড প্ৰতিবেদন' নামেৰেও জনা যায়। উক্ত প্ৰতিবেদনখনত বহনক্ষম উন্নয়নৰ বাবে তলৰ ৰণকৌশলসমূহ চিনাক্ত কৰি উলিওৱা হৈছিল।

সেইসমূহ হ'ল —

- উন্নয়নশীল দেশসমূহত ন্যূনতম প্ৰয়োজনীয়তাসমূহ পূৰণ কৰিব পৰাকৈ অৰ্থনৈতিক বৃদ্ধিক পুনৰুজ্জীৱিত কৰা।
- বিকাশৰ মানৰ পৰিৱৰ্তন সাধন কৰা যাতে উন্নয়ন সাধনৰ লগতে আহৰণ কৰিব পাৰে উপাৰ্জন, সমতাৰ বিতৰণৰ ক্ষেত্ৰত তথা অৰ্থনৈতিক স্থিতাৱস্থাৰ স্পৰ্শকাতৰতা হ্ৰাস কৰিব পাৰে আৰু কম বা বেছি পৰিমাণে শক্তি আৰু বৈষয়িক ক্ষেত্ৰত নিৰ্ভৰশীলতা কমাব পাৰে।

- অত্যাৱশ্যকীয় প্ৰয়োজনীয়তাসমূহ, যেনে — চাকৰি, খাদ্য, শক্তি বিতৰণ, জনস্বাস্থ্যৰ যতন, শিক্ষা আৰু অনাময় সুবিধাসমূহ পৃথিৱীৰ জনসংখ্যাৰ বেছিখিনিয়ে আয়ত্ত কৰিব পাৰে।
- জনসংখ্যাৰ বহনক্ষম স্তৰটো লাভ কৰা।
- পেলনীয়া সামগ্ৰীৰ ব্যৱস্থাপনা, বিশুদ্ধ প্ৰযুক্তি, বিকল্পৰ ব্যৱহাৰ যেনে শক্তিৰ বিকল্প উৎসমূহৰ ব্যৱস্থাসমূহ গ্ৰহণ কৰি প্ৰাকৃতিক সম্পদসমূহ সংৰক্ষণ আৰু উন্নত কৰা।
- প্ৰযুক্তিসমূহৰ পুনৰসংগঠিত কৰা আৰু পাৰিৱেশিক স্পৰ্শকাতৰতাৰ ব্যৱস্থাপনা কৰা।
- সিদ্ধান্ত গ্ৰহণত পাৰিৱেশিক বিষয়সমূহ আৰু অৰ্থনীতিক সমান্তৰালকৈ ৰখা। পৰিৱেশ আৰু উন্নয়ন দীৰ্ঘসময়ৰ বাবে বিৰোধী হ'ব নোৱাৰে, দুয়ো পাৰস্পৰিকভাৱে সম্পৰ্কযুক্ত আৰু এটাক আনটোৰ পৰিপূৰক হিচাপে গ্ৰহণ কৰা উচিত।

থূলমূলকৈ ক'বলৈ গ'লে বহনক্ষম উন্নয়নৰ দ্বাৰা আমি আমাৰ বৰ্তমানৰ আৰ্থসামাজিক অৱস্থাৰ উন্নয়ন তথা বিকাশৰ লগতে ভৱিষ্যৎ প্ৰজন্মৰ বাবে সম্পদসমূহ সুৰক্ষিত কৰাৰ চেষ্টা কৰো।

## বহনক্ষম উন্নয়নৰ উদ্দেশ্যসমূহ ঃ

২০১৫ চনৰ ছেপ্টেম্বৰত ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই বহনসক্ষম উন্নয়নৰ হকে এলানি কাৰ্যসূচী হাতত লৈছিল য'ত অন্তৰ্ভুক্ত আছিল সৰ্বমুঠ ১৭ টা বহনক্ষম উন্নয়ন লক্ষ্য (SDG, Sustinable Development Goal) যাক ২০৩০ ৰ ভিতৰত সম্পূৰ্ণ কৰা হ'ব। 'কোনো যাতে থাকি নাযায়' এই নীতিটোৰ ওপৰত ভিত্তি কৰিয়েই নিৰ্ধাৰণ কৰা নতুন কাৰ্যসূচী লানিয়ে গুৰুত্ব আৰোপ কৰিছিল।

আমাৰ বিশ্বক সলনি কৰিব পৰা সেই ১৭ টা লক্ষ্য হ'ল ঃ

লক্ষ্য - ১ ঃ দৰিদ্ৰতা নিৰ্মূল

লক্ষ্য - ২ ঃ ভোকৰ নিবৃত্তি

লক্ষ্য - ৩ ঃ সুস্বাস্থ্য আৰু সু-জীৱন প্ৰণালী

লক্ষ্য - ৪ ঃ উন্নত শিক্ষা

লক্ষ্য - ৫ ঃ লিংগ সমতা

লক্ষ্য - ৬ ঃ বিশুদ্ধ পানী আৰু অনাময়

লক্ষ্য - ৭ ঃ গ্ৰহণযোগ্য আৰু বিশুদ্ধ শক্তি

লক্ষ্য - ৮ ঃ মৰ্যাদাপূৰ্ণ কৰ্ম আৰু অৰ্থনৈতিক উন্নয়ন

লক্ষ্য - ৯ ঃ উদ্যোগ, উদ্ভাৱন আৰু আন্তঃগাঁথনি

লক্ষ্য - ১০ ঃ অসমতা হ্ৰাস কৰা

লক্ষ্য - ১১ ঃ বহনক্ষম চহৰ আৰু সম্প্ৰদায়

লক্ষ্য - ১২ ঃদায়বদ্ধ উপভোগ আৰু উৎপাদন

লক্ষ্য - ১৩ ঃ জলবায়ুৰ সংৰক্ষণৰ ওপৰত কৰ্মসূচী

লক্ষ্য - ১৪ ঃ পানীৰ তলৰ জীৱন

লক্ষ্য - ১৫ ঃ ভূমিসাগৰ তীৰ

লক্ষ্য - ১৬ ঃ শান্তি আৰু ন্যায় শক্তিশালী প্ৰতিষ্ঠান

লক্ষ্য - ১৭ ঃ লক্ষ্য আহৰণৰ বাবে অংশীদাৰিত্ব।

মানৱ সমাজৰ বিবিধ শত্ৰুসমূহক সমূলঞ্চে নিৰ্মূলৰ অৰ্থে এই লক্ষ্যসমূহ শিল্পনৈপুণ্যৰে সজ্জিত কৰা হৈছে। বহনক্ষম উন্নয়নৰ উক্ত ১৭ টা লক্ষ্যৰ গৰিষ্ঠসংখ্যৰেই বিশ্বৰ উন্নয়নশীল দেশসমূহত বিশেষভাৱে গুৰুত্ব দিয়া দেখা যায়। সি যি কি নহওক এই লক্ষ্যসমূহৰ সফলতা আমাৰ কৰ্মৰ ওপৰত নিৰ্ভৰশীল। যুৱপ্ৰজন্মই বিশেষকৈ শিক্ষাৰ্থীসকলে নিজকে সক্ৰিয়ভাৱে সৃষ্টিশীল সচেতনতাত যুক্ত হৈ লগতে জনসাধাৰণৰ মাজত এই বাণীসমূহ সম্প্ৰসাৰণ কৰি পৰিবৰ্তন আনিব পাৰে। বহনক্ষম উন্নয়নৰ ধাৰণাটো সঠিকভাৱে ৰূপায়ন হ'লেহে জৈৱবৈচিত্ৰ্য সংৰক্ষণৰ ধাৰণাটো ফলৱতী হ'ব।

## অনুশীলনী

১। জৈৱবৈচিত্ৰ্য কাক বোলে ? ইয়াৰ বিভিন্ন প্ৰকাৰসমূহ কি কি ? উদাহৰণসহ বৰ্ণনা কৰা।

২। জৈৱবৈচিত্ৰ্য কিদৰে জুখিব পাৰি ? ইয়াৰ বিভিন্ন পদ্ধতিসমূহ বৰ্ণনা কৰা।

৩। অসমৰ জৈৱবৈচিত্ৰ্যৰ সম্পৰ্কে এটা টোকা প্ৰস্তুত কৰা।

৪। অসমৰ জৈৱবৈচিত্ৰ্যৰ সমস্যা আৰুসম্ভাৱনীয়তাৰ সম্পৰ্কে বৰ্ণনা কৰা।

৫। জৈৱবৈচিত্ৰ্যৰ সংৰক্ষণৰ প্ৰয়োজনীয়তা সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰা।

৬। প্ৰদূষণ কি ? ইয়াৰ বিভিন্ন প্ৰকাৰসমূহ বৰ্ণনা কৰা।

৭। বহনক্ষম উন্নয়ন কাক বোলে ? বহনক্ষম উন্নয়নৰ ধাৰণাটো কিদৰে বিকশিত হ'ল বৰ্ণনা কৰা।


চতুৰ্থ অধ্যায়

# অসমৰ অৰ্থনৈতিক গঠন আৰু সম্ভাৱনীয়তা

মানুহৰ জীৱন-ধাৰণৰ বাবে প্ৰয়োজনীয় উপাদানসমূহক সামগ্ৰিকভাৱে সম্পদ হিচাপে গণ্য কৰা হয়। সম্পদ হ'বলৈ তিনিটা প্ৰধান বৈশিষ্ট্য থকাটো নিতান্তই প্ৰয়োজন। যেনে — (ক) উপযোগিতা, (খ) কাৰ্যকাৰিতা আৰু (গ) গতিশীলতা।

সম্পদৰ ধাৰণাৰ ক্ষেত্ৰত বিশেষভাৱে অৰিহণা যোগোৱা প্ৰখ্যাত সমাজবিজ্ঞানী জিমাৰমেনৰ সূত্ৰ অনুযায়ী অসমৰ সম্পদসমূহ তলত উল্লেখ কৰা মতে বিভক্ত কৰিব পাৰি—

**সম্পদৰ শ্ৰেণী বিভাগ**




অসম বিভিন্ন প্ৰকাৰৰ সম্পদত চহকী। সম্পদৰ মূল্যাংকন সাধাৰণতে নিৰ্ভৰ কৰে আমাৰ জ্ঞানৰ পৰিসৰ তথা সামাজিক, যান্ত্ৰিক আৰু কৌশল বিকাশৰ ওপৰত। অসমৰ সম্পদসমূহ চিত্ৰ নং ৪.১ ত শ্ৰেণীবিভাগ কৰা হৈছে যদিও বহুক্ষেত্ৰত একেবিধ সম্পদক বিভিন্ন শ্ৰেণীত অন্তৰ্ভুক্ত কৰিব পাৰি। যেনে — উদ্ভিদ এবিধ প্ৰাকৃতিক সম্পদ। একেদৰে উদ্ভিদ জৈৱিক সম্পদৰ অন্তৰ্ভুক্ত আৰু নবীকৰণযোগ্য (পুনৰ্ভৱ) সম্পদ। মালিকাধীন অনুযায়ী আকৌ উদ্ভিদৰ সমাহাৰ (বননি) ব্যক্তিগত আৰু ৰাষ্ট্ৰীয় শ্ৰেণীৰ অন্তৰ্ভুক্ত। সেইদৰে বহুতৰেই হেঁপাহৰ সোণ প্ৰাকৃতিক সম্পদ আৰু অনবীকৰণ বা ক্ষয়শীল সম্পদ। মালিকনাধীন ভিত্তিত সোণ

ব্যক্তিগত নাইবা ৰাষ্ট্ৰীয় সম্পদ হ'ব পাৰে। মানৱ কৌশল প্ৰয়োগ কৰি গহণালয়ত সোণ বিভিন্ন অলংকাৰলৈ (আঙঠি, ঢোলবিৰি, জোনবিৰি, কণ্ঠহাৰ, গলপতা আদি) ৰূপান্তৰ কৰিব পাৰি।

অসম বিভিন্ন প্ৰকাৰৰ সম্পদৰ ক্ষেত্ৰত চহকী ৰাজ্য। বিশেষকৈ প্ৰাকৃতিক সম্পদ যেনে — খনিজ, বনজ, জলজ আদি সম্পদৰ ক্ষেত্ৰত চহকী।


**সম্পদৰ আধাৰ ঃ** সম্পদৰ ক্ষেত্ৰত অসম চহকী ৰাজ্য আৰু সেয়েহে অসমক প্ৰাকৃতিক সম্পদৰ বিশেষকৈ খনিজ সম্পদৰ 'ভড়াল' আখ্যা দিয়া হয়। ভাৰতীয় ভূ-তাত্ত্বিক জৰীপ বিভাগ আৰু অসমৰ ভূ-তত্ত্ব আৰু খনিজ বিভাগে বিভিন্ন প্ৰকাৰৰ আধুনিক প্ৰণালী প্ৰয়োগ কৰি অসমৰ খনিজ সম্পদৰ ভড়ালত মজুত পৰিমাণ আৰু স্থানিক বিতৰণ সম্পৰ্কে তথ্য যুগুত কৰি উলিয়াইছে। আনকি অত্যাধুনিক ভৌগোলিক তথ্য-প্ৰযুক্তি (Geographical Information System i.e. GIS) আৰু দূৰ সংবেদন প্ৰযুক্তি (Remote Sensing Technique) প্ৰয়োগ কৰি ভূগৰ্ভত মজুত থকা খনিজ সম্ভাৰৰ সন্ধান আৰু স্থান আৰু পৰিমাণ সম্পৰ্কে শুদ্ধ তথ্য আহৰণ কৰিবলৈ সক্ষম হৈছে। তদুপৰি ভাৰতীয় তৈল নিগম (OIL), তেল আৰু প্ৰাকৃতিক গেছ আয়োগ (ONGC) আদি প্ৰতিষ্ঠানে ভূগৰ্ভত তেল (জুলীয়া সোণ) আৰু প্ৰাকৃতিক গেছৰ সম্ভাৰৰ পৰিমাণৰ উপৰিও আহৰণত ব্ৰতী হৈ আছে। ভাৰত কয়লা নিগম (Coal India Limited) কয়লা (কলা হীৰা) খনন আৰু বাণিজ্যৰ সৈতে জড়িত। স্থানীয়ভাৱে উপলব্ধ চূণশিল আৰু আকৰিক লোৰ ওপৰত ভিত্তি কৰি অসমে ৰাষ্ট্ৰীয় মানৰ চিমেণ্ট উৎপাদন কৰিবলৈ সক্ষম হৈছে। গণ্ডোৱানা যুগৰ শিলাখণ্ড নামনি ব্ৰহ্মপুত্ৰ উপত্যকাৰ পাহাৰ, টিলা আদিত উপলব্ধ হোৱাৰ উপৰিও কাৰ্বি আৰু ডিমা হাচাও মালভূমি অঞ্চলত পোৱা যায়। এই যুগৰ শিলাত আকৰিক লো পোৱা যায় যদিও আৰ্থিক দিশৰ পৰা নিষ্কাষণ লাভজনক নহয়। অসমত আন কিছুমান খনিজ সম্পদ আছে যিবোৰ দুৰ্গম অঞ্চলত অৱস্থিত হোৱাৰ বাবে সম্ভাব্য পৰিমাণ সম্পৰ্কে তথ্য আহৰণ কৰিব পৰা হোৱা নাই। অৱশ্যে ফায়াৰ মৃত্তিকা (Fire clay) এছবেষ্টছ, গ্ৰাফাইট, কাওলিন, গন্ধক, এলাম, খনিজ লৱণ, ছেল (Shale), অভ্ৰ, তাম, সোণ, জিপচাম আদিৰ সন্ধান ভূগৰ্ভত মজুতৰ আৰু পৰিমাণ সম্পৰ্কে তথ্য লাভ কৰা হৈছে।

**তালিকা ৪.১**

অসমৰ ভূগৰ্ভত খনিজ সম্পদৰ মজুত ভাণ্ডাৰ

| খনিজ দ্ৰব্য | সম্ভাব্য ভাণ্ডাৰ (নিযুত টন হিচাবত) |
|---|---|
| কয়লা | ১০০০.০ |
| খনিজ তেল | ১৫৬.০ |
| প্ৰাকৃতিক গেছ | ২০৮.৭ (কিউবিক মিটাৰ) |
| চূণশিল | ২২৭.৫ |
| আকৰিক লো | ২৩.০ |

**কয়লা ঃ** ১৮৬৫ চনত অসমৰ মাকুমত পোন প্ৰথমে মেলিক'ট (H. B. Mellicott) নামৰ চাহাব এজনে কয়লা বা ক'লা হীৰা (Black Diamond) আৱিষ্কাৰ কৰে। কয়লাত থকা কাৰ্বনৰ পৰিমাণ ৫০-৬০ শতাংশ অৰ্থাৎ এই কয়লাবোৰক বিটুমিনাচ কয়লা হিচাবে চিহ্নিত কৰা হৈছে। কয়লাবোৰত ছালফাৰৰ পৰিমাণ অধিক (প্ৰায় ৩ শতাংশৰ আশে পাশে) কাৰ্বনৰ পৰিমাণ মধ্যমীয়া (গড়ে ৫৫ শতাংশ)। হিমালয়ৰ পাদদেশত




মানচিত্ৰ ৪.১ ঃ অসমত খনিজ সম্পদৰ বিতৰণ

বিশেষকৈ ভুটান দুৱাৰ অঞ্চলৰ পৰা শদিয়া-অৰুণাচলৰ পাদদেশত গণ্ডোৱানা যুগৰ কয়লাৰ সন্ধেদ পোৱা গৈছে যদিও আজিকোপতি খনন কাৰ্য বা উৎপাদন কৰা হোৱা নাই। কিয়নো কয়লাস্তৰ অতি পাতল, আৰ্থিক দিশৰ পৰা খনন মুঠেই লাভজনক নহয়। আনহাতে টাৰ্চিয়াৰী যুগৰ কয়লাৰ স্তৰ ডাঠ হোৱা হেতুকে খননৰ ক্ষেত্ৰত অধিক ফলপ্ৰসূ। মলিনতাৰ (Impurity) পৰিমাণ অধিক আৰু কাৰ্বনৰ পৰিমাণ মধ্যমীয়া। অসমৰ কয়লা খননৰ বাবে আৰ্থিকভাৱে সুবিধাজনক ভূ-তাত্বিক স্তৰবোৰ হ'ল (১) নিম্ন টাৰ্চিয়াৰী যুগত সৃষ্ট শিলাস্তৰ (কাৰ্বি আংলঙত উপলব্ধ) আৰু (২) মধ্য আৰু উচ্চ টাৰ্চিয়াৰী যুগৰ কয়লা ভাণ্ডাৰ (লিডু-জয়পুৰ-নাগিনীমৰাত উপলব্ধ)

অসমত কয়লাৰ খনি আৰু সম্পদৰ ভৌগোলিক বিতৰণ উল্লেখ কৰা হ'ল —

(ক) **উজনি অসমৰ কয়লা ভাণ্ডাৰ ঃ** অসম-অৰুণাচল সীমান্তৰ চাংলাং জিলাৰ দক্ষিণৰ পৰা অসম-নগালেণ্ডৰ সীমান্তৰ ডিমাপুৰৰ দক্ষিণে অৱস্থিত কয়লা খনি অঞ্চল। মাৰ্ঘেৰিটাৰ মাকুম, জয়পুৰ-ডিলিৰখনিসমূহ আৰু নাগিনীমৰাৰ কয়লা খনি ভাণ্ডাৰ এই অঞ্চলৰ অন্তৰ্ভুক্ত। এই অঞ্চলৰ কয়লা স্তৰৰ ঘনত্ব গড়ে১৭ মিটাৰ।

(খ) **কাৰ্বি আংলঙৰ কয়লা ভাণ্ডাৰ ঃ** লংলই, কয়লাজান, শিলভেটা খৰভামন আদি এই অঞ্চলৰ উল্লেখযোগ্য খনি অঞ্চল। এই অঞ্চলৰ কয়লা খনিবোৰৰ পৰা উৎপাদিত অধিক কয়লা প্ৰধানকৈ ৰে'ল বিভাগ, চাহ উদ্যোগ, ইটাভাটা আদিত ব্যৱহাৰ কৰা হয়।

**খনিজ তেল ঃ** অসম খাৰুৱা তেল সম্পদত চহকী। ১৮২২ চনত অসমত খাৰুৱা তেলৰ সন্ধেদ পোৱা হৈছিল। ব্ৰিটিছ চাহাব H. B. Medicott ৰ উপদেশ মৰ্মে আৰু গুডেনআফৰ (Goodenough) নেতৃত্বত আৰু অসম ৰে'লপথ আৰু ব্যৱসায়িক সংস্থাৰ (Assam Railway and Trading Company) সহযোগত ১৮৮৯ খৃষ্টাব্দত ডিগবৈত সৰ্ব প্ৰথমে খাৰুৱা তেল উদ্‌ঘাটন কৰা হয়। পৰৱৰ্তী কালত অসম তেল কোম্পানী গঠন হয় আৰু নামদাঙত এটা ক্ষুদ্ৰকায় শোধনাগাৰ প্ৰতিষ্ঠা কৰা হয়। ১৯২১ চনত ডিগবৈ শোধনাগাৰ স্থাপন কৰা হয়। ডিগবৈ তেল শোধনাগাৰ ভাৰতৰ আটাইতকৈ পুৰণি শোধনাগাৰ। পিছলৈ ARTC, AOC, BOC (Burma Oil Company) আদিয়ে তেল আহৰণৰ দায়িত্ব লৈ সেইমৰ্মে কাম আৰম্ভ কৰে। স্বাধীনতাৰ পৰৱৰ্তী কালত ১৯৫৮ চনত ভাৰতীয় তেল নিগম (OIL) আৰু ১৯৫৯ চনত তেল আৰু প্ৰাকৃতিক গেছ আয়োগ গঠিত হয়। এই দুয়োটা প্ৰতিষ্ঠানেই অত্যাধুনিক কাৰিকৰী প্ৰযুক্তি (যেনে — শব্দ তৰংগ, ভৌগোলিক তথ্য প্ৰযুক্তি ব্যৱস্থা, সুদূৰ সংবেদন আদি) ব্যৱহাৰ কৰি তৈল ভাণ্ডাৰৰ স্থান, বিতৰণ আৰু মজুতৰ পৰিমাণৰ প্ৰকৃত সন্ধান উলিয়াবলৈ সক্ষম হৈছে। অসমে ভাৰতৰ মুঠ খাৰুৱা তেলৰ প্ৰায় ১৭ শতাংশ উৎপাদন কৰে।

অসমত উৎপাদিত খাৰুৱা তেল পাইপ লাইন যোগে দেশৰ শোধনাগাৰ সমূহলৈ পৰিবহণ কৰা হয়। অকল অসমৰ শোধনাগাৰেই নহয়; বিহাৰৰ বাৰাউনী, পশ্চিমবংগৰ হালদিয়া আদিলৈ পাইপ পৰিবহণ ব্যৱস্থাৰে অসমৰ খাৰুৱা তেল কঢ়িয়াই লৈ যোৱা হয়। উত্তৰ-পূব পৰিষদৰ বিগত ৩৮ বছৰৰ তথ্য অনুযায়ী অসমৰ তৈল ভাণ্ডাৰৰ পৰা বছৰি গড়ে ৩-৫ নিযুত টন উৎপাদন কৰা হয় আৰু এইবোৰ ডিগবৈ, নুনমাটি, বঙাইগাঁও আৰু নুমলিগড় তেলশোধনাগাৰত শোধন কৰা হয়। হালদিয়া, বাৰাউনী আদি শোধনাগাৰেও অসমৰ পৰা খাৰুৱা তেল পাইপ লাইনৰ যোগেদি আমদানি কৰে। বঙাইগাঁও শোধনাগাৰ আৰু পেট্ৰ'ৰাসায়নিক প্ৰকল্প, নুমলিগড়

আৰু বাৰাউনী শোধনাগাৰত কেৰাচিন, পেট্ৰ'ল, ডিজেল আদিৰ উপৰিও গ্ৰীজ, আঠা, মম, পাৰাফিন, নাপথা, DMT, কৃত্ৰিম ৰবৰ, প্লাষ্টিক, PVC, কৃত্ৰিম আঁহ, জিলেন (xylene) ইত্যাদি বহুতো কৃত্ৰিম সামগ্ৰী উৎপাদন কৰা হয়।

২৪ চেণ্টিমিটাৰ ব্যাসাৰ্ধৰ এডাল পাইপ লাইনৰ সহযোগত অসমৰ পৰা ৰাজ্যৰ বাহিৰলৈ খাৰুৱা তেল পৰিবহণ কৰা হয়। এই পাইপ লাইনডালে লাকুৱা-ৰুদ্ৰসাগৰ তৈলক্ষেত্ৰক বাৰাউনীৰ সতে সংযোগ কৰিছে। ইয়াৰ দৈৰ্ঘ্য ১১৫২ কিলোমিটাৰ। মৰাণ-নাহৰকটীয়া তৈলক্ষেত্ৰৰ পৰা নুনমাটি শোধনাগাৰলৈ পাইপ লাইনেৰে খাৰুৱা তেল কঢ়িওৱা হয়। মৰাণ-নাহৰকটীয়া তৈলক্ষেত্ৰৰ পৰা বঙাইগাঁও শোধনাগাৰলৈ দূৰত্ব প্ৰায় ৬০০ কিলোমিটাৰ। ঠিক তেনেদৰে এডাল ১২ চেণ্টিমিটাৰ ব্যাসাৰ্ধৰ পাইপেৰে নাহৰকটীয়া-হুগ্ৰিজান তৈলক্ষেত্ৰৰ পৰা ডিগবৈ শোধনাগাৰলৈ প্ৰতিনিয়ত ভাৱে খাৰুৱা তেল সৰবৰাহ কৰি থকা হৈছে।

**প্ৰাকৃতিক গেছ ঃ** খাৰুৱা তেলৰ নিচিনাকৈ প্ৰাকৃতিক গেছ শক্তি আৰু অন্যান্য ৰাসায়নিক অপজাত দ্ৰব্যৰ বাবে প্ৰয়োজনীয় উৎস। সাধাৰণতে খাৰুৱা তেলৰ স'তে সংপৃক্ত প্ৰাকৃতিক গেছৰ প্ৰকৃত উৎস হ'ল জৈৱিক আৰু ই ভূ-গৰ্ভত সাধাৰণতে শিলাস্তৰৰ মাজত আৱদ্ধ হৈ থাকে। প্ৰাকৃতিক গেছত মিথেন (৮০-৯০%), কিছু পৰিমাণে ইথেন (৮-৯%), প্ৰপেন (২-৪%) আৰু বুটেন (০.৭-১.৭%) আদি থাকে। খনিজ তেলৰ সৈতে সংলগ্ন হৈ থকা প্ৰাকৃতিক গেছক 'সংপৃক্ত প্ৰাকৃতিক গেছ' আৰু স্বতন্ত্ৰীয়ভাৱে উপলব্ধ গেছক 'মুক্ত প্ৰাকৃতিক গেছ' বোলে। অসমৰ বৰাইল শ্ৰেণীৰ শিলাখণ্ড বিশেষকৈ অলিগ'চিন আৰু মায়'চিন ভূ-তাত্ত্বিক যুগত গঠন হোৱা শিলাখণ্ডত অতি উচ্চ তাপ আৰু চাপৰ মাজত সাধাৰণতে গেছীয় ভাণ্ডাৰ মজুত থকা বুলি প্ৰমাণিত হৈছে।

অসম গেছ কোম্পানী, ভাৰতীয় তেল নিগম (OIL) আৰু  তেল আৰু প্ৰাকৃতিক গেছ আয়োগ (ONGC) আদি সংগঠনবোৰ প্ৰাকৃতিক গেছ উৎপাদনৰ সতে জড়িত। বছৰেকত গড় হিচাবে উৎপাদন প্ৰায় ৩০০০ নিযুত বৰ্গ ঘনমিটাৰ। এই বিশাল প্ৰাকৃতিক সম্পদ ৰাজিৰ অসমত আজিকোপতি সম্পূৰ্ণ উপযুক্ত ব্যৱহাৰ হোৱা পৰিলক্ষিত হোৱা নাই। প্ৰায় ২ বিলিয়ন বৰ্গ ঘনমিটাৰ গেছ ব্যৱহাৰৰ অভাৱত জ্বলাই পেলোৱা হয়। ভাৰতবৰ্ষত উৎপাদন হোৱা মুঠ প্ৰাকৃতিক গেছৰ প্ৰায় ২৫ শতাংশ অসমত উৎপাদন কৰা হয়। ঘৰুৱা আৰু হোটেল-ৰেষ্টোৰা আদিত ৰন্ধন কাৰ্যত ব্যৱহাৰ কৰা ৰন্ধন গেছ (LPG, Liquefied Petroleum Gas), ঘৰুৱা ব্যৱহাৰৰ উপৰিও শক্তি উৎপাদন, ৰাসায়নিক সাৰ উৎপাদনৰ কেছামাল, পেট্ৰ' ৰাসায়নিক আৰু অন্যান্য অপজাত দ্ৰব্য উৎপাদনৰ ক্ষেত্ৰত ব্যৱহাৰ কৰিব পাৰি।

প্ৰাকৃতিক গেছক ভিত্তি কৰি অসমত  কেইবাটাও উদ্যোগ গঢ়ি উঠিছে। সেইবোৰ হ'ল নামৰূপ তাপবিদ্যুৎ প্ৰকল্প, নামৰূপ সাৰ কাৰখানা, অসম গেছ কোম্পানী, অসম গেছ ক্ৰেকাৰ প্ৰকল্প ইত্যাদি। বৰ্তমান উৎপাদিত হোৱা প্ৰাকৃতিক গেছৰ অধিকাংশই OIL, ONGC, BRPL, চাহ বাগিচা, আঁহ উৎপাদিত কাৰখানা, ঔষধ প্ৰস্তুতকাৰী কাৰখানা ইত্যাদিয়ে ব্যৱহাৰ কৰে। গেছ ক্ৰেকাৰ প্ৰকল্পটোৰ উৎপাদন সন্তোষজনক হ'লে ইয়াৰ ওপৰত ভিত্তি কৰি অন্যান্য বহুতো কাৰখানা স্থাপন কৰাৰ সম্ভাৱনাৰ অবকাশ আছে।

**চূণশিল ঃ** অসমৰ গেদীয় শিলাত যথেষ্ট উচ্চমান বিশিষ্ট চূণশিল মজুত আছে। কাৰ্বি আংলং, পশ্চিম কাৰ্বি আংলং আৰু ডিমা হাচাও জিলাত উপলব্ধ চূণশিলৰ বিশাল ভাণ্ডাৰে প্ৰমাণ কৰে যে অতীতৰ মেছ'জ'য়িক

ভূ-তাত্ত্বিক যুগত এই অঞ্চলবোৰ মধ্যমীয়া গভীৰতাযুক্ত সমুদ্ৰ গৰ্ভত নিমগ্ন আছিল। নিউমিলিত চোকোৰাৰ পৰা (nummulite) সৃষ্ট এই চূণশিলবোৰ প্ৰধানতঃ যৌগিক পদাৰ্থৰে গঠিত।

চূণশিল উপলব্ধ প্ৰধান ঠাইবোৰ হ'ল কাৰ্বি আংলঙৰ ডিলাই, কইলাজান, শিলভেটা, ছৈনিলাংছ' আৰু ডিমা হাচাও জিলাৰ উমৰাংছ' আৰু গৰমপানী অঞ্চল। দুয়োটা অঞ্চল সামৰি বৰ্তমান প্ৰায় ২৮০ নিযুত টন চূণশিল মজুত থকাৰ প্ৰমাণ পোৱা গৈছে। বিগত ১০ বছৰত প্ৰতি বছৰে গড়ে প্ৰায় ০.৩৮ নিযুত টন চূণশিল আহৰণ কৰা হৈছে।

বৰ্তমান বজাৰত উচ্চমানৰ চূণশিলৰ চাহিদা অধিক। চিমেণ্ট কাৰখানাৰ বাবে চূণশিল অন্যতম কেচা সামগ্ৰী। লো আৰু তিখা উৎপাদনৰ ক্ষেত্ৰত ফ্লাক্স (Flux) চূণশিল অন্যতম অপৰিহাৰ্য্য দ্ৰব্য। ৰাসায়নিক দ্ৰব্য প্ৰস্তুতকাৰী বহুতো উদ্যোগত চূণশিল অপৰিহাৰ্য। গ্ৰাম্যাঞ্চলত গৃহ আৰু বেৰ আদিত ৰং কৰা কাৰ্য্যত চূণশিল ব্যৱহাৰ কৰা হয়। পঢ়াশালিত শিক্ষকে কলা ব'ৰ্ডত লিখিবলৈ আৰু ছবি-নক্সা আঁকি ছাত্ৰ-ছাত্ৰীক বুজাবলৈ চকমাটি হিচাবে ভিন্নৰঙী পেঞ্চিল ব্যৱহাৰ কৰাৰ উপৰিও চকমাটিৰ গুৰি খাদ্য শস্য মজুত ৰখা ভড়ালত আৰ্দ্ৰতা-নিয়ন্ত্ৰণৰ ক্ষেত্ৰত বহুলভাৱে ব্যৱহাৰ কৰা হয়।

**চিলিমিনাইট ঃ** অসমৰ কাৰ্বি আংলং আৰু নগাঁও জিলাৰ কেইটামান বিশেষ স্থানত উপলব্ধ চিলিমিনাইট অসমৰ মূল্যৱান সম্পদ। চিলিমিনাইট উচ্চতাপ সহনকাৰী পদাৰ্থ হিচাবে বহু ব্যৱহৃত খনিজ দ্ৰব্য। অট'মবাইলত ব্যৱহৃত স্পাৰ্কিং প্লাগ (sparking plug), গ্লাচ উদ্যোগ আদিত চিলিমিনাইট ব্যৱহাৰ কৰা হয়। অসমত উপলব্ধ চিলিমিনাইট উচ্চমান বিশিষ্ট। কাৰ্বি আংলঙৰ চিপিলাংছ', চামেলাংছ' চেইলাংছ', ইংতিগাঁও আপাৰ চেলাবৰ আৰু আমটেৰেঙত চিলিমিনাইট পোৱা যায়। নগাঁও জিলাৰ বুমুনিত কিছু পৰিমাণৰ চিলিমিনাইটৰ ভাণ্ডাৰ মজুত থকাৰ তথ্য পোৱা গৈছে।

## বনজ সম্পদ ঃ

অসম বনজ সম্পদত চহকী। অসমৰ ভূ-পৰিৱেশ ক্ৰান্তীয় অৰ্ধ-চিৰহৰিৎ (Tropical Semi-ever-green) উদ্ভিদৰ বাবে উপযোগী যদিও ইয়াত ক্ৰান্তীয় চিৰহৰিৎ, পৰ্ণপাতী উদ্ভিদ আৰু ব্ৰহ্মপুত্ৰ বৰাক উপত্যকাত ঘাঁহনি যেনে — কঁহুৱা, উলুৱনি আদিৰ বাবে উপযোগী। আদ্ৰভূমিবোৰত নল-খাগৰি-বিৰিণা আদি গজে। এইবোৰ অসমৰ অতি মূল্যৱান সম্পদ।

চৰকাৰী তথ্য অনুসৰি অসমৰ প্ৰায় ২৭ শতাংশ ঠাই বননিৰে আগুৱা যদিও উপগ্ৰহৰ পৰা পোৱা তথ্য-চিত্ৰৰ অধ্যয়নৰ পৰা (মাৰ্চ, ২০১৯) প্ৰায় ২১ শতাংশ ঠাই উদ্ভিদেৰে আবৰা। ১৯৭০ চনত অসমৰ বননিৰ পৰিমাণ আছিল প্ৰায় ৬৪ শতাংশ। বিগত ৪৮ বছৰত অসমৰ বন ধ্বংসৰ বাবে প্ৰায় ৩৩ শতাংশ হ্ৰাস হৈ বৰ্তমানৰ অৱস্থা হৈছেগৈ। ১৯৮৭ চনৰ পৰা সামাজিক বননীকৰণৰ জৰিয়তে আৰু ১৯৯৩ চনত ৰিও-ডি-জেনিৰিও চহৰত অনুষ্ঠিত হোৱা 'বিশ্ব সন্মিলন'ৰ চুক্তিৰ আধাৰত ভাৰতৰ সৰ্বোচ্চ ন্যায়ালয়ৰ ৰায় অনুসৰি গছ-গছনি জধে-মধে কটা নিষিদ্ধ কৰা হয়।

প্ৰকৃততে বননি প্ৰকৃতি প্ৰদত্ত অতি মূল্যৱান সম্পদৰ ভড়াল। বননিক বহুমুখী সম্পদৰ ভড়াল হিচাবে

গণ্য কৰা হয়। ঘৰ-দুৱাৰ, দলং, বিভিন্ন প্ৰকাৰৰ আচ-বাব, নাও, ৰে'লৰ শ্লিপাৰ, গাড়ী-মটৰৰ (ডাঙৰ) সজা-দেহ (Body) আদি তৈয়াৰ কৰিবলৈ কাঠ কেঁচামাল হিচাবে ব্যৱহাৰ কৰা হয়। গ্ৰাম্যাঞ্চলত ব্যৱহৃত খৰি বননিৰ পৰাই সংগ্ৰহ কৰা হয়। অসমৰ হাবিৰ পৰা মানুহ আৰু তৃণভোজী জীৱজন্তুৰ খাদ্য পোৱা যায়। বননিয়ে পৰিৱেশ নিয়ন্ত্ৰণত সহায় কৰে, বননিৰ পৰা অৰণ্য-বৃষ্টি (Forest rain) হয়। অৰণ্য অক্সিজেনৰ ভড়াল। অক্সিজেনে মানুহ, জীৱজন্তু, পশু-পক্ষী আৰু অন্যান্য জীৱকূল ৰক্ষা কৰি আহিছে।

কঠিন কাঠ সাধাৰণতে নিৰ্মাণ কাৰ্যত; কোমল কাঠ প্লাইউড, জুইশলা, কাগজৰ মণ্ড আৰু কাগজ তৈয়াৰ কৰিবলৈ কোমল কাঠ আৰু ঘাঁহ, প্ৰাকৃতিক ধূনা, লা, খয়েৰ, গ্ৰাম্যাঞ্চলত ঘৰৰ চাল চিলাবলৈ (সিবলৈ) ব্যৱহাৰ কৰা উলুখেৰ, বাৰাঙাখেৰ, প্ৰাকৃতিক এঠা, বেত, ফল-মূল, প্ৰাকৃতিক যৌগিক পাচলি (Natural organic vegetables) আদি অসমৰ হাবিৰ প্ৰকৃতি-প্ৰদত্ত সম্পদ। তদুপৰি পুৰণি কালৰ বৈষ্ণৱ পণ্ডিতসকলে ব্যৱহাৰ কৰা সাঁচিপাত অসমৰ সাঁচি গছৰ পৰা উৎপাদিত লেখন সামগ্ৰী। অসমৰ পুৰণি সত্ৰ আৰু সংগ্ৰহালয়ত বৰ্তমান এই সাঁচিপাত দেখা যায়। আগৰ (অগৰু) প্ৰাকৃতিকভাৱে তৈয়াৰী সুগন্ধি দ্ৰব্য (Perfume) তৈয়াৰ কৰিবলৈ ব্যৱহাৰ কৰা হয়। অসমৰ শিৱসাগৰ, গোলাঘাট, যোৰহাট, নগাঁও (হোজাই-লামডিং-লংকা অঞ্চল) অগৰু গছৰ বাবে উপযুক্ত ঠাই। পাইন গছৰ পৰা টাৰপিনটাইন, ধূনা আদিও তৈয়াৰ কৰা হয়। অসমৰ হাবিবোৰ অসংখ্য বন-দৰবৰ ভড়াল। চাহ গছৰ কুমলীয়া পাত চাহপাত হিচাবে ব্যৱহাৰ কৰাৰ উপৰিও টেনিন (Tennin) আৰু অন্যান্য ৰং উৎপাদনৰ কেঁচা সামগ্ৰী হিচাবে ব্যৱহাৰ কৰা হয়।

অসমৰ হাবিত সাধাৰণতে শাল, চেগুন, গমাৰি, শিশু, খয়েৰ, শিৰিখ, কঠাল, ঔটেঙা, কদম, ভোমোৰা, শিলিখা, আম আদি মূল্যৱান গছ পোৱা যায়।

অসমৰ বনাঞ্চল প্ৰাণীকূলৰ উপযুক্ত আবাস ভূমি। প্ৰাণীকূল অসমৰ আপুৰুগীয়া সম্পদ। বিভিন্ন প্ৰকাৰৰ তৃণভোজী, মাংসাহাৰী, সৰ্বভক্ষী, বিভিন্ন প্ৰজাতিৰ বান্দৰ, অসমৰ অৰণ্যৰ সম্পদ। এছিয়াৰ এশিঙিয়া গঁড়ৰ আবাসভূমি হ'ল অসমৰ বননি অঞ্চল। অৱশ্যে অসমৰ বাহিৰেও নেপালৰ দক্ষিণে থকা 'টে'ৰাই' বননি অঞ্চলতো এশিঙিয়া গঁড় আছে। বনৰীয়া ম'হ, চাৰিশিঙীয়া হৰিণ (Antelope), সুগৰি পহু, দল হৰিণা আৰু বিভিন্ন প্ৰকাৰৰ হৰিণা পহু আছে। অসমত পোৱা নলগাহৰি (pigmy hog) দুষ্প্ৰাপ্য প্ৰাণী। লুপ্তপ্ৰায় প্ৰজাতিৰ এই গাহৰিবিধ আৰু সুগৰি পহু ৰাষ্ট্ৰসংঘই বিপদাপন্ন প্ৰজাতি হিচাবে চিহ্নিত কৰিছে। আন্তঃৰাষ্ট্ৰীয় প্ৰকৃতি আৰু প্ৰাকৃতিক সম্পদ সংৰক্ষণ সংঘই (IUCN) অস্তিত্বৰ প্ৰতি ভাবুকিৰ সন্মুখীন হোৱা প্ৰাণী প্ৰজাতি সমূহৰ এখন তালিকা প্ৰস্তুত কৰি উলিয়াইছে। নল গাহৰি আৰু সুগৰি পহুক দুষ্প্ৰাপ্য আৰু বিপদাপন্ন প্ৰাণী হিচাবে এই তালিকাভুক্ত (Red data list) কৰিছে। হলৌ বান্দৰ বিপদাপন্ন চাৰিবিধ বান্দৰ প্ৰজাতিৰ অন্যতম। অসম চৰকাৰে ভাৰত চৰকাৰৰ অৰ্থ-সাহায্যত হলৌ-গিবন সংৰক্ষণৰ হকে **হ'ল'ক গিবন অভয়াৰণ্য** স্থাপন কৰিছে। ভাৰতবৰ্ষত থকা এঘাৰবিধ প্ৰজাতিৰ বান্দৰৰ ভিতৰত অন্যতম সোণালী বান্দৰ (Golden Langoor) আৰু টুপীয়া বান্দৰ (Capped Langoor) অসমত পোৱা যায়।

অসম বহুতো প্ৰকাৰৰ সৰীসৃপৰ আবাস আৰু বিচৰণ ভূমি। পিতনি আৰু জলাহভূমিৰ ঘৰিয়াল, নিৰ্মল পানীত বিচৰণ কৰা কুম্ভীৰ, কাছ, ডুৰা, নেউল, জেঠী, গুইসাপ, ফেটি, অজগৰকে ধৰি বিভিন্ন প্ৰজাতিৰ সাপ অসমৰ অমূল্য সম্পদ।

চৰাই-চিৰিকতিৰ ক্ষেত্ৰখনতো অসম চহকী। ময়ুৰ, ধনেশ, হাড়গিলা, বড়টোকোলা, বিভিন্ন প্ৰকাৰৰ বগলী, হাঁহ, শৰালি, ভাটৌ, ফেচা, তিঁয়া, ঘনচিৰিকা, কুলি, কেতেকী, দহিকতৰা আদিৰ উপৰিও বিল আৰু আৰ্দ্ৰভূমিবোৰত বহুতো পৰিভ্ৰমী চৰাই (Migratory bird) পোৱা যায়।

অসমৰ ব্ৰহ্মপুত্ৰ, বৰাক আৰু ইয়াৰ উপনৈ সমূহৰ উপৰিও আৰ্দ্ৰভূমি বিল-খাল আদিত বিভিন্ন প্ৰজাতিৰ বাকলি থকা আৰু নথকা আলঙ্কাৰিক মাছ পোৱা যায়। দীপৰ বিল, কাপলা বিল, তামৰাঙ্গা, খামৰেঙ্গা, গৌৰাঙ্গ আদি বিলত উপলব্ধ মাছ-পুঠি অসমৰ জলজ সম্পদ। এই মাছবোৰৰ বাণিজ্যিক বজাৰ মূল্য অধিক।

অসমত বৰ্তমান ৫খন ৰাষ্ট্ৰীয় উদ্যান আৰু ১৮ খন বন্যপ্ৰাণী অভয়াৰণ্য, ৩খন পক্ষী অভয়াৰণ্য আৰু কেইবাখনো সংৰক্ষিত বনাঞ্চল সৃষ্টি কৰি বন্যপ্ৰাণী সংৰক্ষণৰ ব্যৱস্থা কৰিছে।

শক্তি সম্পদৰ ক্ষেত্ৰখনৰ উন্নয়নৰ হকে অনবীকৰণযুক্ত সম্পদৰ বাদেও পুনৰ্ভৰ সম্পদ যেনে — বিজুলী উৎপাদনৰ বাবে তিনিটা উৎসৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে — (ক) জলবিদ্যুৎ শক্তি, (খ) তাপবিদ্যুৎ শক্তি আৰু (গ) সৌৰশক্তি। প্ৰযুক্তি ব্যৱহাৰ কৰি মানুহৰ কৌশলৰ দ্বাৰা সৃষ্টি কৰা সম্পদ পুনৰ্ভৰ সম্পদ হিচাবে গণ্য কৰা হয় আৰু এনে সম্পদ ব্যৱহাৰ কৰি থাকিলেও শেষ কৰিব নোৱাৰি। ইয়াৰ ফলত ইতিমধ্যে স্থাপন কৰা বা ভৱিষ্যতে স্থাপন কৰিবলগীয়া মজলীয়া আৰু ক্ষুদ্ৰ উদ্যোগবোৰ অধিক শক্তিশালী হ'লে উৎপাদনৰ ক্ষেত্ৰত অধিক অৰিহণা যোগাব পাৰিব। অসমৰ বহুতো ঠাইত সৰু সৰু পৰিসৰৰ সৌৰ-প্ৰকল্প স্থাপন কৰি সুফল লাভ কৰিব পৰা হৈছে। অৱশ্যে বিজ্ঞান আৰু প্ৰযুক্তিৰ উন্নয়নৰ ক্ষেত্ৰত অসম ভাৰতৰ অগ্ৰণী দেশ সমূহৰ তুলনাত যেনে— গুজৰাট, মহাৰাষ্ট্ৰ, পঞ্জাৱ, হাৰিয়ানা, চণ্ডীগড়, গোৱা আদিতকৈ বহু পিছপৰা।

**মানৱ সম্পদ উন্নয়নৰ** (HRD) ধাৰণাটো আৰম্ভ হৈছিল ভাৰতবৰ্ষই স্বাধীনতা লাভৰ প্ৰায় চাৰিটা দশকৰ পিছত। এইক্ষেত্ৰত অকল দেশীয় আয়, সূচক (Indicator) হিচাবে চিহ্নিত কৰা হৈছিল। মানৱ সম্পদ উন্নয়নৰ ধাৰণাৰ উদ্ভাৱক মেহবুল-আল-হক আৰু অমৰ্ত্য সেন ডাঙৰীয়াৰ তত্ত্ব (Concept) অনুযায়ী শিক্ষা, স্বাস্থ্য, মানসিক স্বাস্থ্য আদিও মানৱ সম্পদ উন্নয়নৰ অপৰিহাৰ্য সূচক। সমতা (Equality), উৎপাদন (Production), স্থায়িত্ব (Durability) আৰু অধিকাৰ (Rights) এই চাৰিটা মানৱ সম্পদ উন্নয়নৰ লাইখুটা। অসমত মানৱ সম্পদ উন্নয়ন সাধন দ্ৰুত হ'বলৈ আয় বঢ়াব লাগিব, পুৰুষ-মহিলাৰ শিক্ষাৰ মান উন্নত কৰিব লাগিব, সামৰ্থ্য আৰু যোগ্যতা (Ability and Capacity) বঢ়াই প্ৰাথমিক প্ৰয়োজন পুৰণ কৰিব লাগিব আৰু কৌশল বিকাশৰ মূল মন্ত্ৰেৰে থলুৱা লোকক প্ৰশিক্ষিত কৰি সামৰ্থবান কৰি গঢ়ি তুলিব লাগিব। অসমৰ পৌৰ বসতি অঞ্চলত স্বাধীনতাৰ পিছৰ পৰাই শিক্ষা, স্বাস্থ্য, আয় আদিৰ ক্ষেত্ৰত কিছু পৰিমাণে উন্নত অৱস্থা পৰিলক্ষিত হৈছে যদিও দূৰদূৰণিৰ গাঁওবোৰৰ অৱস্থা স্বাধীনতাৰ ৭০ বছৰ পিছতো সন্তোষজনক নহয়। সেয়েহে বিভাগীয় কৰ্তৃপক্ষই এইক্ষেত্ৰত অধিক মনোনিৱেশ কৰি উন্নয়নৰ ক্ষেত্ৰত অসমক ভাৰতৰ্ষৰ প্ৰথম পাঁচখন ৰাজ্যৰ মাজত স্থান দখল কৰিবলৈ অধিক ক্ষিপ্ৰতাৰে কাম কৰাটো উচিত।

## যোগাযোগ ঃ

কোনো এটা অঞ্চলৰ উন্নয়ন হ'বলৈ হ'লে সেই অঞ্চলৰ আন্তঃগাঁথনি মজবুত হ'বই লাগিব। আন্তঃগাঁথনি অবিহনে উন্নয়ন সুদূৰ পৰাহত। যোগাযোগৰ অৰ্থ হ'ল যাতায়াত আৰু বিভিন্ন প্ৰকাৰৰ পৰিবহণ ব্যৱস্থাৰ উন্নত

সা-সুবিধা। পথ, ৰে'লপথ, জলপথ, আকাশী পথ, ৰচীপথ, পাইপপৰিবহণৰ প্ৰয়োজনীয় সা-সুবিধা আদি অসমৰ বিভিন্ন প্ৰকাৰৰ পৰিবহণ ব্যৱস্থা যাৰ সহায়ত মানুহ আৰু বিভিন্ন প্ৰকাৰৰ সামগ্ৰী পৰিবহণ কৰা হয়। কিন্তু অতি পৰিতাপৰ বিষয় এই যে ৰাস্তা-ঘাট আদি পৰিবহণৰ ক্ষেত্ৰত অকল পাহাৰীয়া জিলা তিনিখনতেই নহয় ব্ৰহ্মপুত্ৰ-বৰাক উপত্যকাৰ ভিতৰুৱা অঞ্চলত অৱস্থিত গাঁওসমূহৰ যোগাযোগ ব্যৱস্থা ভাৰতৰ অন্যান্য ৰাজ্যৰ তুলনাত পুতৌলগা আৰু অনুন্নত। অসমৰ সম্পদসমূহ এতিয়াও আশা কৰা মতে ব্যৱহাৰ হোৱা নাই। ইমান সম্পদৰ ভাণ্ডাৰ মজুত থকা সত্বেও সমগ্ৰ অঞ্চলটো অনগ্ৰসৰ হৈ আছে। অসমত যোগাযোগ আৰু পৰিবহণ ব্যৱস্থা পিছপৰাৰ ভৌগোলিক কাৰকবোৰ হ'ল —

(১) অসমৰ প্ৰায় ২০ শতাংশ ঠাই পৰ্বত-পাহাৰে আবৰা। থিয়গৰীয়া, এঢলীয়া পাহাৰীয়া ঠাইবোৰত পথ আৰু ৰে'লপথ নিৰ্মাণ ব্যয়বহুল।

(২) উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনৰ সোমাজত অৱস্থিত অসম। অঞ্চলটো বিদেশী ৰাষ্ট্ৰৰ দ্বাৰা পৰিবেষ্টিত আৰু ভাৰতৰ প্ৰধান শিল্পদ্যোগ অঞ্চলৰ পৰা বহু নিলগত হোৱা হেতুকে যোগাযোগ ব্যৱস্থা আশাকৰা মতে পৰ্যাপ্ত নহয়।

(৩) অসমত মৌচুমীকালত বছৰি বৰষুণৰ পৰিমাণ গড়ে প্ৰায় ২৩০ ছে.মি.। এই বৰষুণ আকৌ প্ৰায় তিনিটা মাহত অধিক হয়। সেই সময়ত পথসমূহ বিশেষকৈ ৰাস্তা আৰু ৰে'লপথৰ অধিকাংশই লোৰ খনন (gully erosion), পৃষ্ঠীয় খনন (surface erosion) আদিৰ দ্বাৰা ক্ষতিগ্ৰস্ত হয় আৰু সেইবোৰ মেৰামতি আৰু পুনৰনিৰ্মাণৰ বাবে অতিৰিক্ত ধন খৰচ কৰিবলগীয়া হয়। এনেবোৰ কাৰ্য ব্যয় বহুল। উপত্যকা অঞ্চলৰ নতুন পলসুৱা মাটি সোনকালে পৰিগৰ্ভিত (Saturated) হয় আৰু ইয়াৰ ওপৰত নিৰ্মাণ কৰা পথৰ অধিকাংশই বিধ্বস্ত হয়। ফলত অধিক পুঁজিৰ প্ৰয়োজন হয়। ভাৰত চৰকাৰৰ সাহায্য অবিহনে অসম চৰকাৰৰ গড়কাপ্তানী বিভাগে পৰ্যাপ্ত পুঁজিৰ অভাৱত মেৰামতিৰ কাম খৰতকীয়া কৰাটো কঠিন হয়।

(৪) অধিক বৰষুণ আৰু ইয়াৰ ফলত হোৱা একাধিক বানপানীয়ে পথ আৰু ৰে'লপথবোৰৰ বিস্তৰ ক্ষতি কৰে। ফলত যাতায়াত আৰু পৰিবহণ ব্যৱস্থাৰ অধিক অৱনতি হয়। বছৰৰ কেইমাহমান বানপানীৰ কাৰণে গধূৰ যান-বাহনৰ বাবে পথ বন্ধ কৰিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হয়। পাহাৰীয়া অঞ্চলত ভূমিস্খলন, মৃত্তিকাৰ অবনমন (soil creep) ঘটি পথ পৰিবহণত বিজুতি ঘটায়। ফলত পথ সূচল কৰিবলৈ কৰ্মী আৰু অন্যান্য বাহন ব্যৱহাৰ কৰিবলৈ অধিক ব্যয় কৰিবলগীয়া হয়।


(৫) বাৰিষাকালত পাহাৰৰ পৰা উপত্যকালৈ ফেনে-ফুটোকাৰে ভৈয়ামলৈ গতি কৰা উপনদী আৰু শাখা নদীবোৰে ভৈয়ামত কেতিয়াবা গতি সলনি কৰে। কেতিয়াবা আকৌ দলং আদিৰ দুয়োপাৰ বিধ্বস্ত কৰি যথেষ্ট ক্ষতি সাধন কৰে। এনেক্ষেত্ৰত নতুন দলং নিৰ্মাণ নাইবা মেৰামতি কৰিবলৈ উপপথ সাজি কালভাৰ্ট আৰু অতিৰিক্ত বনুৱাৰ হতুৱাই বাঁহ আদিৰে স্পাৰ (bamboo spur) সাজিবলৈ জৰুৰীকালীন পুঁজিৰ প্ৰয়োজন। সাহায্য অবিহনে অসম চৰকাৰৰ গড়কাপ্তানী বিভাগৰ দ্বাৰা কঠিন হৈ পৰে।

(৬) চাহ, প্লাইউড আৰু খাৰুৱা তেল ভিত্তিক উদ্যোগৰ বাহিৰে অসমত আনকোনো ডাঙৰ উদ্যোগ গঢ়ি উঠা নাই। চেনীকল, কাগজকল, সূতাকল, কৃত্রিম সূতাকল আৰু বস্ত্র উৎপাদন (Spun silk mill) কাৰখানা উপযুক্ত আন্তঃগাঁথনি আৰু কেঁচামাল, অনভিজ্ঞ পৰিচালনা আদিৰ উপৰিও অনুন্নত পথ-যোগাযোগৰ বাবে বন্ধ হৈ আছে। 'নমামি গংগা'ৰ নিচিনাকৈ ব্যয় সাপেক্ষে 'নমামি ব্রহ্মপুত্র', 'নমামি বৰাক' আদি অনুষ্ঠিত কৰি স্বদেশী-বিদেশী বিনিয়োগকাৰী আকৰ্ষণ কৰাৰ ব্যৱস্থা কৰা হৈছিল। খৰচ হ'ল যদিও আশাকৰা মতে বিনিয়োগৰাকী নাহিল।

(৭) সম্পদ আহৰণ বিশেষকৈ পৰ্যাপ্ত পৰিমাণৰ ধন সংগ্ৰহ কৰাৰ আঁচনি বাস্তৱত পৰিণত কৰিব নোৱাৰা হেতুকে 'অসম মালা'ৰ অধীনত অসমৰ প্ৰতিখন গাঁৱকেই ঘাই পথৰ সৈতে সংলগ্ন কৰা আঁচনি লেহেমীয়া গতিত চলিছে। প্ৰধান মন্ত্ৰীৰ গ্ৰামচড়ক যোজনাৰ কাম উপযুক্ত সময়ত ধন আদায় নিদিয়াৰ বাবে শামুকীয়া গতিত আগ বাঢ়িছে।


**পথ যোগাযোগ ঃ** ২০১৯ চনৰ জানুৱাৰীৰ তথ্য অনুযায়ী অসমত পকী আৰু কেঁচাপথ মিলি মুঠ ৫৭,৫১৬ কি.মি. দৈৰ্ঘ্যৰ পথ আছে। চাৰিলেন যুক্ত পথৰ সৈতে ৰাষ্ট্ৰীয় ঘাইপথৰ দৈৰ্ঘ্য, ২,৮৩৫ কি. মি., ৰাজ্যিক ঘাইপথ ২৫৩০ কি. মি., জিলাৰ মুখ্যপথ ৪৩৭৯ কি. মি., নগৰীয়া পথৰ মুঠ দৈৰ্ঘ্য ১,৪০৯ কি.মি., গ্ৰাম্য পথৰ দৈৰ্ঘ্য ৩৬,৫৪৬ কি. মি. আৰু বাকীখিনি পঞ্চায়ত আৰু অন্যান্য পথৰ অন্তৰ্ভুক্ত। উক্ত পথবোৰত (NH বাদে) পথবোৰৰ অধিকাংশই বাৰিষা পানীৰ দ্বাৰা বিধৌত আৰু পথত কাঠৰ দলং থকা বাবে সকলো ঋতুতেই যাতায়াত সুগম নহয়। ৰাজ্যিক গড়কাপ্টানী বিভাগে কাঠৰ দলংবোৰ পৰ্যায়ক্ৰমে পকী দলঙলৈ উন্নীত কৰিবলৈ লৈছে যদিও কামৰ গতি লেহেমীয়া তেনেদৰে কেঁচাপথ পকীকৰণৰ কামও পৰ্যায়ক্ৰমে কৰিবলৈ লৈছে যদিও বহুক্ষেত্ৰত ধনৰ অভাৱত অসম্পূৰ্ণ হৈ আছে।

কোঁচ ৰজা নৰনাৰায়ণে তেওঁৰ ৰাজত্বকালত **কোচ-বিহাৰৰ পৰা পূবে নাৰায়ণপুৰলৈ (লখিমপুৰ)** এটা পথ নিৰ্মাণ কৰি উলিয়াইছিল। ইয়াৰ নাম 'গোহাঁই কমল আলি'। ঠিক তেনেদৰে ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰেও গোৱালপাৰাৰ পৰা ছেখোৱাঘাটলৈ আন এটা পথ নিৰ্মাণ কৰি যাতায়াত ব্যৱস্থা সূচল কৰিছিল। অৱশ্যে দক্ষিণপাৰৰ পথটো দ্বিতীয় মহাসমৰৰ সময়ত খৰতকীয়াকৈ নিৰ্মাণ কৰা হৈছিল। ব্ৰিটিছৰ ৰাজত্বকালত এই দুয়োটা পথ পুনৰ নামকৰণ কৰাৰ ব্যৱস্থা কৰে। উত্তৰপাৰৰ পথটো **নৰ্থ ট্ৰাংক ৰোড** আৰু দক্ষিণ পাৰৰ পথটোক **দক্ষিণ ট্ৰাংক ৰোড**। স্বাধীনোত্তৰ কালত এই ঘাই পথছোৱা বাইহাটা চাৰিআলিৰ পূবে NH ৫২ আৰু পশ্চিমে NH ৩১ আৰু NH ৩১ C হিচাবে চিহ্নিত কৰা হৈছে। দক্ষিণৰ ঘাইপথটো স্বাধীনতাৰ পিছত NH ৩৭ নামকৰণ কৰা হৈছে। তেনেদৰে গুৱাহাটী-শ্বিলং সংযোগী পথছোৱাৰ নাম হৈছে NH ৪০। বৰাক উপত্যকা অতীজতে ছিলেটৰ সৈতে যোগাযোগ আছিল। কিন্তু বংগ বিভাজন, পাকিস্তান বিভাজন, পৰৱৰ্তীকালত বাংলাদেশৰ সৃষ্টি আদিয়ে বৰাকৰ যোগাযোগ ব্যৱস্থাত ব্যাঘাত জন্মাইছিল যদিও বৰ্তমান গুৱাহাটীৰ পৰা শ্বিলং হৈ এটা সুন্দৰ পকীপথ নিৰ্মাণ কৰি যাতায়ত ব্যৱস্থা সুচল কৰা হৈছে।




মানচিত্ৰ ৪.২ঃ অসমৰ ৰাষ্ট্ৰীয় ঘাইপথ (২০১৯)

**ৰে'ল পথ ঃ** ১৮৫৩ চনত পুনে আৰু মুম্বাইৰ থানেক সংযোগ কৰি পোনপ্ৰথমে ব্ৰিটিছ চৰকাৰে এটা ৰে'লপথ নিৰ্মাণ কৰিছিল। ইয়াৰ ৩০ বছৰৰ পিছত (১৮৮১-৮৪) চনৰ ভিতৰত অসমত ৰে'লপথ নিৰ্মাণৰ কাম কৰা হৈছিল। অসমত বৰ্তমান ৰে'লপথৰ দৈৰ্ঘ্য হ'ল ২৫০০ কি. মি.। ইয়াৰ ব্ৰডগজৰ দৈৰ্ঘ্য ২০৯২ কি. মি. আৰু বাকীখিনি মিটাৰগজ। অসমত ক্ষুদ্ৰকায় ৰে'লপথ (narrow gauge) নাই। ব্ৰডগজ পথে অসমৰ মূল ৰে'লপথ দৈৰ্ঘ্যৰ প্ৰায় ৮৩.৭ শতাংশ ঠাই আগুৰি আছে। অসমত ৰে'লপথৰ ঘনত্ব হ'ল প্ৰতি ১০০ বৰ্গ কিলোমিটাৰত মাত্ৰ ১ কি. মি.। উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰায় সকলোবোৰ ৰাজ্যলৈ মালবস্তু আৰু অন্যান্য গধূৰ সামগ্ৰী উত্তৰ বংগৰ 'দুৱাৰ' (Duars) অঞ্চলেৰে সংযোগ কৰা ব্ৰডগজ ৰে'লপথেৰে অনা-নিয়া কৰা হয়। ৰে'লপথ (মিটাৰ গজ) স্থাপনৰ সময়ৰ পৰা ব্ৰিটিছ আৰু অন্যান্য ব্ৰিটিছ কোম্পানীবোৰে অসমৰ প্ৰাকৃতিক সম্পদ আহৰণ আৰু লুণ্ঠন কৰি আহিছে। বিশেষকৈ চাহ, কয়লা আৰু খাৰুৱা তেলত তেওঁলোকৰ বিশেষ গুৰুত্ব আছিল। কিয়নো প্ৰায় সৰহভাগ ৰে'লপথ উৎপাদন স্থলী আৰু নদী-বন্দৰৰ মাজত নিৰ্মাণ কৰি যাতায়াত ব্যৱস্থা সহজ কৰি লোৱা হৈছিল। এই বন্দৰবোৰৰ পৰা জাহাজেৰে জলপথ ব্যৱহাৰ কৰি বংগ উপসাগৰ হৈ বিভিন্ন স্থানলৈ কঢ়িয়াই নি বিভিন্ন সামগ্ৰী তৈয়াৰ কৰি পুনৰ ব্ৰিটিছ উপনিবেশবোৰত বৃহৎ বজাৰ এখন গঢ়ি তুলিছিল। অসমৰ মানুহৰ সেৱাৰ স্বাৰ্থত যে ৰে'লপথ নিৰ্মাণ কৰা হোৱা নাছিল সেয়া প্ৰমাণিত হোৱাৰ লগতে ব্ৰিটিছৰ স্বাৰ্থতহে ৰে'লপথ নিৰ্মাণ কৰা হৈছিল সেইয়া প্ৰমাণিত হৈছে।




মানচিত্ৰ ৪.৩ ঃ অসমত ৰে'ল সেৱা পথ

**জলপথ ঃ** অসমৰ বৃহৎ নদীদ্বয় আৰু উপনদীসমূহে বিশেষকৈ সমভূমি অঞ্চলত জলপৰিবহণ ব্যৱস্থাত যথেষ্ট অৰিহণা যোগাইছে। ব্ৰহ্মপুত্ৰই দুটা উৎসৰ পৰা জল ভাণ্ডাৰ আহৰণ কৰে। এটা উৎস হ'ল বৰষুণৰ পানী আৰু আনটো উৎস হ'ল হিমালয়ৰ বৰফগলা পানী। কিন্তু বৰাক নদী আৰু ইয়াৰ উপনদীবোৰ কেৱল বৰষুণৰ পৰাহে পানী আহৰণ কৰে। বাৰিষা কালত উভয় জলধাৰাই, বিশেষকৈ নিম্নাংশত জাহাজ পৰিবহণ আৰু নাও চলাচল ব্যৱস্থা সূচল কৰি তোলে। চৰ আৰু চাপৰি অঞ্চলৰ মাজত সংযোগৰ মাধ্যম হ'ল যন্ত্ৰচালিত নাও যাক স্থানীয়ভাৱে ভুটভুটি (Bhut-bhuti) হিচাবে জনা যায়। পথ পৰিবহণৰ তুলনাত জলপৰিবহণ ব্যৱস্থা সস্তীয়া আৰু আন্তঃচৰ, ওচৰ-পাজৰৰ দুয়োপাৰৰ হাট-বজাৰ, নগৰ আদিৰ সৈতে যোগাযোগৰ উপযুক্ত মাধ্যম।

ব্ৰিটিছসকল পোনতে উত্তৰ-পূৰ্বাঞ্চলত প্ৰৱেশ কৰোঁতে কলিকতাৰ পৰা সমুদ্ৰ পথেৰে মেঘনা-পদ্মা (ব্ৰহ্মপুত্ৰৰ অন্তিম অংশ) জলপথ অনুসৰণ কৰিছিল। পিছলৈ ব্ৰহ্মপুত্ৰ জলপথ ব্যৱহাৰ কৰি পশ্চিমে মানকাচৰৰ পৰা ডিব্ৰুগড় হৈ পৰশুৰাম কুণ্ডলৈ যোৱাৰ ব্যৱস্থা কৰিছিল। ব্ৰহ্মপুত্ৰক বৰ্তমান আন্তৰ্জাতিক জলপথ হিচাবে ঘোষণা কৰা হৈছে যদিও আন্তঃগাঁথনিৰ কোনো প্ৰৱৰ্তন বা উন্নয়ন হোৱা নাই। আভ্যন্তৰীণ জলপৰিবহণ সঞ্চালকালয়ে (IWT) বৰ্তমান এই নদীদ্বয়ত ৭৪ খন ফেৰী চলাচল কৰাৰ ব্যৱস্থা কৰিছে। ইয়াৰে ৫৪খন ব্ৰহ্মপুত্ৰত আৰু বাকী ২০খন বৰাক আৰু ইয়াৰ উপনদী সমূহত চলাচল কৰে। বৰ্তমান এই বিভাগটোৱে ৬১খন যাত্ৰী আৰু মালপৰিবাহী ফেৰীৰ চলাচল অব্যাহত ৰাখিছে। বৰ্তমান আভ্যন্তৰীণ জলপৰিবহণ বিভাগৰ অধীনত ২৪০ খন যাত্ৰীবাহী ফেৰী আৰু নিজাববীয়াকৈ ১৭খন বাণিজ্যিক ফেৰীসেৱাৰ ব্যৱস্থা কৰিছে। বিভিন্ন জল পৰিবহণ সংস্থা আৰু ব্যক্তিগত ভাৱেও কৰ্তৃপক্ষৰ অনুমতি লৈ বহুতো ফেৰীসেৱা ব্ৰহ্মপুত্ৰ আৰু বৰাক জলধাৰাত অবিৰতভাৱে চলি আছে। শেহতীয়াভাৱে অসমৰ জলপৰিবহণ বিভাগে এখন আধুনিক মানৰ ৰ' ৰ' জাহাজ ক্ৰয় কৰি গুৱাহাটী আৰু উত্তৰ গুৱাহাটীৰ মাজত চলাচলৰ ব্যৱস্থা কৰিছে। জাহাজখনত মানুহ আৰু সম্পত্তিৰ সুৰক্ষাৰ ব্যৱস্থা থকাৰ উপৰিও লঘু আৰু গধুৰ যান-বাহন কঢ়িয়াই নিয়াৰ ব্যৱস্থা উপলব্ধ। নদী পৰিবহণৰ আমেজ অনুভৱ কৰিবলৈ 'জলপৰী', চৰচাপৰি অঞ্চলত ক্ষিপ্ৰ স্বাস্থ্য সেৱাৰ বাবেও জল-এম্বুলেন্স আৰু ভ্ৰাম্যমান জলচিকিৎসালয়ৰ ব্যৱস্থা কৰা হৈছে। পৃথিৱীৰ বৃহত্তম নদীদ্বীপ মাজুলী (বৰ্তমান মাজুলী জিলা) আজিকোপতি ৰাজ্যৰ আন ঠাইবোৰৰ যাতায়াতৰ সংযোগ মাধ্যম হ'ল ফেৰী আৰু ভুটভুটী সেৱা।

**আকাশী পথ ঃ** আকাশীপথ যোগাযোগৰ ক্ষেত্ৰত অন্যান্য যোগাযোগৰ ব্যৱস্থাতকৈ অসম যথেষ্ট আগবঢ়া। জাকৈচুকীয়া অৱস্থান আৰু দেশৰ প্ৰতিৰক্ষাৰ দিশৰ পৰা চাবলৈ গ'লে এটা শক্তিশালী বায়ু-ঘাটি (Air-base) অসমত অতি প্ৰয়োজন। দ্বিতীয় বিশ্ব মহাসমৰৰ সময়ত অসমত কেইবাটাও বায়ুসেনাৰ ঘাটি পতা হৈছিল। সন্মিলিত শক্তিয়ে স্থাপন কৰা ঘাটিবোৰ হ'ল গুৱাহাটীৰ ওচৰৰ কাঁহিকুছি, শালনিবাৰী (তেজপুৰ), ৰৌৰয়া (যোৰহাট), লীলাবাৰী (লখিমপুৰ) আৰু ডিব্ৰুগড়ৰ দাঁতিকাষৰীয়া মোহনবাৰী উৰণ-অৱতৰণ ক্ষেত্ৰ। ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পৰৱৰ্তী কালত এই উৰাজাহাজৰ উৰণ-অৱতৰণ ক্ষেত্ৰবোৰ ব্যক্তিগত প্ৰতিষ্ঠান যেনে — ইণ্ডিয়ান এয়াৰৱেজ, ভাৰত এয়াৰৱেজ, ইণ্ডিয়ান এয়াৰলাইন কৰ্পোৰেচন আদিয়ে সেৱাৰ দায়িত্ব লয়। বৰাক উপত্যকাৰ শিলচৰৰ ওচৰৰ কুম্ভীৰগ্ৰামত আন এটা নতুন বায়ু ঘাটি (বন্দৰ) মুকলি কৰা হয়। ইতিমধ্যে কাঁহিকুছিস্থিত বায়ু ক্ষেত্ৰখন ওচৰতে থকা শক্তিশালী আৰু উৰ্বৰা ধানৰ কৃষিপথাৰ বৰঝাৰলৈ স্থানান্তৰ কৰা হয়। ১৯৪৬ চনৰ পৰাই এইক্ষেত্ৰখন (বৰ্তমান লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান বন্দৰ) বহুলভাৱে ব্যৱহাৰ কৰি বায়ুপথ যোগাযোগৰ ক্ষেত্ৰত আমূল পৰিৱৰ্তন ঘটিছে।

লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান বন্দৰটোৰ আন্তঃগাঁথনি আন্তৰ্জাতিক মানৰ হোৱা হেতুকে ইণ্ডিয়ান এয়াৰ লাইনচৰ পৰা আদি কৰি জেট এয়াৰৱেজ, ইণ্ডিগ', এয়াৰ এচিয়া, স্পাইচ জেট্, গ' এয়াৰ, জেট লাইট আদি বিমান পৰিবহণ সংস্থাবোৰে নতুন দিল্লী, কলিকতা, মুম্বাই, দক্ষিণ-পূব এচিয়া আদি বহুতো ঠাইলৈ যাতায়তৰ ব্যৱস্থা সুচল কৰি তুলিছে। এই সংস্থাবোৰে গড়ে দৈনিক প্ৰায় ৭০০ যাত্ৰী কঢ়িয়াই আছে। প্ৰতিদিনে অসমত উৰাণৰ সংখ্যা গড়ে প্ৰায় ৮৩খন। গুৱাহাটীৰ নিকটৱৰ্তী LGB বিমান বন্দৰৰ পৰা যোৱা ৮ বছৰৰ পৰা দেশীয় আৰু আন্তঃৰাষ্ট্ৰীয় বিমান সেৱাৰ সংখ্যা দ্ৰুতগতিত বৃদ্ধি হৈছে।

**আকাশ মাৰ্গীয় ৰছীপথ (Rope way)** ব্যৱস্থাৰ অন্তৰ্গত ঠাইবোৰ সাধাৰণতে পাহাৰীয়া, দুৰ্গম আৰু সততে বিপদসংকুল স্থানত সংস্থাপিত কৰা হয়। দুৰ্গম অঞ্চলত উপলব্ধ চুণশিল, কয়লা আদি কাৰখানালৈ কঢ়িয়াবলৈ ৰছীপথ বাদে গত্যন্তৰ নাই। এনে স্থানত সচৰাচৰ পথ, ৰে'লপথ আদি নিৰ্মাণ কৰাটো কষ্টকৰ। বায়ুপথও ব্যয়বহুল। কাৰ্বি আংলং জিলাৰ ডিলাইত থকা বৃহৎ চুণশিল ভাণ্ডাৰ খনন কৰি বোকাজান চিমেণ্ট কাৰখানালৈ কঢ়িওৱাৰ একমাত্ৰ উপায় হৈছে ৰছীপথ। গুৱাহাটী আৰু উত্তৰ গুৱাহাটীৰ মাজত ব্ৰহ্মপুত্ৰৰ ওপৰেৰে যোগাযোগৰ সুবিধাৰ্থে আন এডাল ৰছীপথ নিৰ্মাণ কৰা হৈছে। এই পথেৰে মানুহৰ উপৰিও পাতল ওজনৰ সামগ্ৰী কঢ়িওৱাৰ ব্যৱস্থা ৰখা হৈছে। বিশেষ বিজুলীৰ ব্যৱস্থাপনাৰে ২৪×৭ ঘণ্টাই অব্যাহত ৰখাৰ প্ৰতিশ্ৰুতিৰে নিৰ্মিত এই ৰছীপথ সংযোগে যাতায়াতৰ ক্ষেত্ৰত এক নতুন মাত্ৰা প্ৰদান কৰিব।

**পাইপ লাইন পৰিবহণ** ব্যৱস্থা বৰ্তমান সময়ত যথেষ্ট গুৰুত্বপূৰ্ণ হিচাবে বিবেচিত হৈছে। খাৰুৱা তেল আৰু প্ৰাকৃতিক গেছ কঢ়িওৱাৰ বাবে পাইপ লাইন অতি সুৰক্ষিত ব্যৱস্থা। অসমত পোনপ্ৰথমে ১৯৬৪ চনত পাইপ লাইন ব্যৱস্থাৰ প্ৰৱৰ্তন কৰি নাহৰকটীয়া-মৰাণ তৈল খাদৰ পৰা নুনমাটি আৰু বাৰাউনীত স্থাপন কৰা শোধনাগাৰলৈ খাৰুৱা তেল পৰিবহণৰ শুভাৰম্ভ কৰা হৈছিল। পিছলৈ অধিক শক্তিশালী আৰু প্ৰায় **২৪ চেণ্টিমিটাৰ ব্যাসাৰ্ধৰ** পাইপ লাইন স্থাপন কৰি পশ্চিমবংগৰ হালদিয়া, অসমৰ বঙাইগাঁও (BRPL) আৰু নুমলিগড় তেল শোধনাগাৰলৈ খাৰুৱা তেল কঢ়িওৱাৰ ব্যৱস্থা কৰা হয়। বৰ্তমান শোধনাগাৰৰ পৰা উৎপাদিত সামগ্ৰী যেনে — কেৰাচিন, ডিজেল, পেট্ৰ'ল, পৰিশোধিত কেৰাচিন আদি পাইপ যোগে কঢ়িয়াই নি আনকি শিলিগুৰি আদিৰ দৰে ঠাইলৈকো পৰিবহণ কৰাৰ ব্যৱস্থা কৰা হৈছে। নাহৰকটীয়াৰ পৰা নামৰূপলৈ প্ৰায় ১৬ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথছোৱা পাইপ লাইনেৰে সংযোগ কৰি অসম গেছ কোম্পানীয়ে গেছ পূৰ্ণদ্যোমে ব্যৱহাৰ কৰি আছে। নুমলিগড় শোধনাগাৰলৈ উজনি অসমৰ তৈলক্ষেত্ৰৰ পৰা পাইপেৰে গেছ সৰবৰাহ কৰা হয়। টেঙাখাটৰ ওচৰৰ লেপেটকটাৰ গেছ-ক্ৰেকাৰ প্ৰকল্প আৰু আমগুৰিৰ তাপবিদ্যুৎ প্ৰকল্পলৈও পাইপ লাইন যোগে গেছ পৰিবাহিত কৰি থকা হৈছে। জুলীয়া পেট্ৰ'লিয়াম গেছ (LPG) বটলীকৰণ প্ৰকল্প (Bottling plants) বোৰে পৃষ্ঠীয় পৰিবহণ ব্যৱস্থাৰে (টেংকাৰ) সৰবৰাহ কৰাটো অতি বিপদজনক হিচাবে পৰিগণিত হোৱাৰ পৰিপ্ৰেক্ষিতত ইয়াৰ বিকল্প পৰিবহণ ব্যৱস্থাৰূপে অনতি পলমে পাইপ লাইনৰ ব্যৱস্থাৰ প্ৰৱৰ্তনৰ বিষয়ে চিন্তা-চৰ্চা কৰা হৈছে।

## উদ্যোগ ঃ সমস্যা আৰু সম্ভাৱনীয়তা

সম্পদৰ প্ৰাচুৰ্য সত্বেও অসম শিল্প উদ্যোগৰ ক্ষেত্ৰত অতি লেহেমীয়া গতিৰে আগবাঢ়িছে। চাহ, কৃষি আৰু খনিজ তেল ভিত্তিক উদ্যোগৰ বাহিৰে কেৱল নিৰ্দিষ্ট ঔদ্যোগিক উৎপাদন শিল্পহে গঢ়ি উঠিছে। প্ৰাকৃতিক

সম্পদৰ ক্ষেত্ৰত অসম অতি চহকী। অসমত বিৰাজমান সম্পদবোৰ হ'ল —

(১) অসমত যথেষ্ট পৰিমাণত খাৰুৱা তেল, কয়লা, প্ৰাকৃতিক গেছ, চুণশিল, চিলিমিনাইট ইত্যাদিৰ ভাণ্ডাৰ আছে।

(২) বিশাল বনজ সম্পদ যেনে — বাঁহ-বেত, কোমল কাঠ, মূল্যৱান টান কাঠ, মূল্যৱান গুটিযুক্ত গছ (ভোমোৰা, শিলিখা, আমলখি, বেল ইত্যাদি) গছৰ ছাল, ঔষধিযুক্ত উদ্ভিদ, আলংকাৰিক উদ্ভিদ ইত্যাদি আছে। এইবোৰৰ ঔদ্যোগিক আৰু ব্যৱসায়িক প্ৰমূল্য অপৰিসীম।

(৩) আৰ্দ্ৰভূমিবোৰ অসংখ্য উভচৰী জীৱৰ আবাসভূমি। নদী-বিল-খালবোৰৰ অধিকাংশৰেই আবাসী আলংকাৰিক মাছৰ চাহিদা অধিক হোৱা হেতুকে ব্যৱসায়িক মূল্য যথেষ্ট।

(৪) অসংখ্য নদ-নদী থকা হেতুকে জলবিদ্যুৎ উৎপাদনৰ প্ৰচুৰ সম্ভাৱনীয়তা আছে। লগতে বহুমুখী পৰিকল্পনাৰ জৰিয়তে ব্যৱহাৰিক দিশত আগবাঢ়িব পাৰি। যেনে— কৃষিভূমিত পানী যোগান, মৎস পালন, জলপৰিবহণ ইত্যাদি।

(৫) অসমৰ মাটি আৰু জলবায়ু বিভিন্ন কালত বিভিন্ন প্ৰকাৰৰ (ৰবি, খাৰিফ আৰু জাইড) খেতিত শস্যৰ উপৰিও ফলমূল প্ৰচুৰ পৰিমাণে উৎপাদন হয়। এইবোৰ শস্যৰ ওপৰত ভিত্তি কৰি কৃষি-ভিত্তিক উদ্যোগ আৰু ফল-ভিত্তিক উদ্যোগ (ৰস, আচাৰ ইত্যাদি) গঢ়ি তোলাৰ যথেষ্ট সম্ভাৱনা আছে।

(৬) অসমত শিক্ষিত নিবনুৱাৰ সংখ্যা অত্যধিক। বিশেষকৈ অভিযান্ত্ৰিক, চিকিৎসা বিজ্ঞান, ব্যৱসায় ব্যৱস্থাপনাত বিচক্ষণ আৰু দক্ষ লোক আছে। অসমৰ মানুহ সৎ আৰু উদ্যোগী। বিশ্বাস যোগ্যতাও যথেষ্ট আছে। এনে কৰ্মঠ, অত্যুৎসাহী আৰু কৰ্তব্যপৰায়ণ শিক্ষিত লোক মানৰ সম্পদ হিচাবে দুই ধৰণে ব্যৱহাৰ কৰিব পাৰি।

(ক) কাৰিকৰী শিক্ষাৰে শিক্ষিত আৰু

(খ) সাধাৰণ শিক্ষিত লোক যাক দক্ষতা বিকাশৰ জৰিয়তে শক্তিশালী সম্পদ হিচাবে গঢ়ি তুলিব পাৰি।

ইমান প্ৰাচুৰ্য্য আৰু সম্পদৰ সম্ভাৱনীয়তা থকা সত্বেও অসম শিল্প-উদ্যোগৰ ক্ষেত্ৰত ভাৰতৰ আন অগ্ৰণী ৰাজ্যতকৈ তুলনামূলকভাৱে পিছপৰা। ইয়াৰ প্ৰধান ভৌগোলিক কাৰণবোৰ হ'ল —

(১) স্থানিক সূচলতাৰ অভাৱ; যেনে— অসম ভাৰতৰ উত্তৰ-পূব চুকত অৱস্থিত। 'বংগ দুৱাৰ' নামে পৰিচিত এক ঠেক ভূভাগেৰে ভাৰতৰ মূল ভূ-ভাগৰ সৈতে স্থলপথেৰে সংলগ্ন হৈ আছে। তদুপৰি উত্তৰ-পূৰ্বাঞ্চল উত্তৰ, উত্তৰ-পূব আৰু দক্ষিণ-পশ্চিম দিশত বিদেশী ৰাষ্ট্ৰৰ দ্বাৰা পৰিবেষ্টিত হোৱাৰ উপৰিও পাহাৰ-পৰ্বতেৰে আগুৰি আছে। ফলত স্থলপথেৰে চীন আৰু দক্ষিণ-পূব এছিয়াৰ ৰাষ্ট্ৰসমূহৰ পৰা বিচ্ছিন্ন হৈ আছে। Silk Route (চীন-ৰাছিয়া হৈ ইউৰোপলৈ যোৱা পথ), Steel-well Route (পাটকাই-ম্যানমাৰ হৈ দক্ষিণ-পূব-এছিয়াৰ সংযোগী পথ) আদি বৰ্তমান ব্যৱহাৰৰ উপযোগী হৈ থকা নাই।

(২) অসমৰ ভূ-প্ৰকৃতি পাহাৰীয়া অঞ্চলত অসমান, অসংখ্য নদ-নদীবোৰ কোমল (গেদীয় শিলাৰ

পৰা সৃষ্টি হোৱা) আৰু পলসুৱা মাটি, গিৰিখাত আৰু বহুক্ষেত্ৰত এঢলীয়া ভূমিৰ ওপৰত নিৰ্মাণ কৰা হেতুকে বাৰিষা কালত বিধ্বস্ত হয় আৰু পথপৰিবহণ ব্যাহত হয়; ফলত যোগাযোগ ব্যৱস্থাৰ অৱনতি ঘটে। সংযোগ বিচ্ছিন্ন হ'লে অৰ্থনৈতিক উন্নয়নত যতি পৰে। অসম 'ক্ৰান্তীয় মৌচুমী জলবায়ুৰ' অন্তৰ্গত অঞ্চল। গ্ৰীষ্মকালত অধিক বৰষুণ হোৱাৰ ফলত নদ-নদীবোৰ ফেনেফুটুকাৰে উপচি পৰি বাৰিষাৰ সৃষ্টি কৰে। কেতিয়াবা স্থলপথ, ৰে'লপথ, দলং আদি ক্ষতিগ্ৰস্ত হৈ ক্ষিপ্ৰ মেৰামতিৰ অভাৱত যোগাযোগ কিছু সময় বিচ্ছিন্ন হয়। পাহাৰীয়া অঞ্চলত ভূমিস্খলন, শিলাখণ্ডৰ অৱনমন (Land slip) মৃত্তিকা আদিৰ স্খলন ঘটি যোগাযোগত বাধা জন্মায়। জলপথৰ ক্ষেত্ৰতো দেখা যায় যে ব্ৰহ্মপুত্ৰ আৰু বৰাক নদীদ্বয় নামনি অংশত বাংলাদেশৰ মাজেৰে প্ৰবাহিত হৈছে। বাংলাদেশ বিদেশী ৰাষ্ট্ৰ। বৰাক-ব্ৰহ্মপুত্ৰ নদী পথদ্বয় আন্তৰ্জাতিক জলপথ হিচাবে ঘোষণা কৰা হৈছে যদিও কাৰ্যক্ষেত্ৰত প্ৰয়োগ হৈ উঠা নাই। তদুপৰি দুয়োটা নদীপথ সকলো ঋতুতেই ব্যৱহাৰৰ উপযোগী নহয়। কাৰণ খৰালি পানী শুকাই তৰাং হৈ জল পৰিবহণত ব্যাঘাত জন্মায়।

(৩) অসমত উপলব্ধ প্ৰাকৃতিক সম্পদৰ প্ৰকৃত ভাণ্ডাৰৰ আজিকোপতি পৰিমাণ নিৰ্দ্ধাৰণ কৰিব পৰা নাই। ইয়াৰ মূল কাৰণ হ'ল অত্যাধুনিক প্ৰযুক্তিৰ উপযুক্ত প্ৰয়োগ ভালদৰে কৰা হোৱা নাই। ব্যৱহাৰ আৰু সংৰক্ষণ এই দুয়োটা ক্ষেত্ৰতেই উপযুক্ত পদক্ষেপ ল'ব পৰা হোৱা নাই।

(৪) পৰ্যাপ্ত পুঁজিৰ অভাৱত উদ্যোগৰ বাবে আন্তঃগাঁথনি সৃষ্টি কৰাত চৰকাৰ থমকি ৰ'বলগীয়া হৈছে। ৰাজ্য চৰকাৰৰ লগতে কেন্দ্ৰীয় চৰকাৰেও যথেষ্টখিনি কৰিবলগীয়া আছে। ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ বিনিয়োগকাৰীৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ 'নমামি ব্ৰহ্মপুত্ৰ' আৰু 'নমামি বৰাক' আদি উৎসৱ অনুষ্ঠিত কৰি উদ্যোগপতিক নিমন্ত্ৰণ কৰি প্ৰয়াস অব্যাহত ৰাখিছে যদিও আজিকোপতি সুফল দেখা হোৱা নাই। অনিশ্চয়তাৰে ভাৰাক্ৰান্ত সামাজিক ৰাজনৈতিক পৰিৱেশৰ বাবেও বৃহৎ উদ্যোগপতিয়ে অসমত বিনিয়োগত অনিহা প্ৰকাশ কৰে। বিশেষকৈ বিগত চাৰিটা দশকত উদ্ভৱ হোৱা অস্থিৰ-অশান্তি পৰিৱেশে উদ্যোগপতিক নিৰাশ কৰি তুলিছে।

(৫) শক্তিৰ নাটনিয়ে উদ্যোগপতিক নিৰাশ কৰিছে। আনকি ২৪×৭ ঘণ্টা গাৰ্হস্থ্য বিজুলী যোগান ধৰিব নোৱাৰা 'বিজুলী ভৱনে' (শক্তিবিভাগ) NEEPCO আদিৰ পৰা বিজুলী ক্ৰয় কৰি গ্ৰাহকক অধিক হাৰত যোগান ধৰিবলগীয়া হৈছে। বিজুলী কৰ্তন বিশেষকৈ বিজুলীৰ সৰ্বোচ্চ ব্যৱহাৰৰ (Peak hour) সময়ত এটা নিত্য-নৈমিত্তিক পৰিঘটনাত পৰিণত হৈছে।

(৬) অসমৰ খিলঞ্জীয়া ডেকা তেজত ঔদ্যোগিক মানসিকতাৰ অভাৱ। তথাপিতো উৎসাহী ঔদ্যোগিক মানসিকতাৰ লোক এই ক্ষেত্ৰত ওলাই আহি প্ৰাৰম্ভিক লোকচান বা লাভালাভ নহ'লেও ধৈৰ্য্য সহকাৰে লাভৰ আশাত কাম কৰি যাব লাগিব। আশাকৰা মতে অসমে এনে মানসিকতাৰ ব্যক্তি বা দল সৃষ্টি কৰিব পৰা নাই। প্ৰকৃত ঔদ্যোগিক পৰিৱেশৰ (Industrial Climate) অভাৱ, পুঁজিৰ অভাৱ আদি দূৰ কৰিবলৈ চৰকাৰে উদ্যোগ-বান্ধব নীতি (Industrial

Friendly Policy) প্ৰস্তুত কৰিব লাগিব য'ত 'ৰেহাই' (Subsidy) কৰৰ ক্ষেত্ৰত নিৰ্দিষ্ট সময়ৰ বাবে মাফ (Tax holiday) আদিৰ স্পষ্ট উল্লেখ থাকিব লাগিব।

(৭) বজাৰ সৃষ্টি কৰি সংযোগ ব্যৱস্থাৰ উন্নয়ন কৰিব লাগিব। সস্তীয়া নিম্নমানৰ সামগ্ৰী আমদানিৰ ক্ষেত্ৰত স্পষ্ট নীতি আৰু উপযুক্ত প্ৰয়োগ কৰিব লাগিব যাতে স্থানীয় উদ্যোগত উৎপাদিত বিশিষ্ট মানৰ সামগ্ৰীৰ বজাৰখন প্ৰতিযোগিতামূলক হোৱাৰ উপৰিও উচ্চমানৰ সামগ্ৰীৰ পয়োভৰ হয়।

অসমত ঔদ্যোগিক উন্নয়নৰ হাৰ নগণ্য। সি যি কি নহওক অসমত হোৱা ঔদ্যোগিক উন্নয়নক কেবাটাও পৰ্যায়ত ভাগ কৰিব পাৰি —

(১) অসমত উপলব্ধ খনিজ সম্পদৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠা মুখ্য উদ্যোগ ঃ খনিজাত তেল সম্পদৰ ওপৰত ভিত্তি কৰি অসমত পাঁচটা তেল শোধনাগাৰ গঢ়ি উঠিছে। স্থানীয় চূণশিলৰ ওপৰত ভিত্তি কৰি কেইবাটাও চিমেণ্ট কাৰখানা গঢ়ি উঠিছে। স্থানীয় ভাণ্ডাৰবোৰৰ পৰা অহৰহ কয়লা আহৰণ কৰি বিভিন্ন কামত ব্যৱহাৰ কৰা হৈছে।

(২) বনজ সম্পদৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠা উদ্যোগ ঃ প্লাইউড, হাৰ্ড ব'ৰ্ড, কাগজ কল, বাঁহ-বেতৰ উদ্যোগ, দিয়াচলাই উদ্যোগ, কাঠৰ ব্যৱহাৰৰ যোগে ঘৰুৱা আছবাব তৈয়াৰ কৰা উদ্যোগ, কাঠ ফলা উদ্যোগ ইত্যাদি।

(৩) বিগত দুটা দশকত পেট্ৰ'ৰাসায়নিক দ্ৰব্য (শোধনাগাৰ আশুত) কেঁচামাল হিচাবে ব্যৱহাৰ কৰি প্লাষ্টিকৰ বিভিন্ন সামগ্ৰী, পাইপ, ধাৰণ-পাত্ৰ (Container), প্লাষ্টিক, ৰং, ঔষধ আৰু ঔষধৰ বটল, পানীৰ বটল আদি তৈয়াৰ কৰা অসংখ্য উদ্যোগ গঢ়ি উঠিছে।

(৪) কৃষি উৎপাদিত সামগ্ৰীৰ ওপৰত ভিত্তি কৰি অসমত কিছু উদ্যোগ গঢ়ি উঠিছে। যেনে — চাহশিল্প, ধানৰ কল, আটাৰ কল, মৰাপাট উদ্যোগ, কঁপাহী সূতা কটা উদ্যোগ, কৃত্ৰিম সূতা আৰু বস্ত্ৰ উদ্যোগ ইত্যাদি। এই উদ্যোগসমূহৰ বাহিৰেও কিছুমান খাদ্য-সংসাধন (Food processing) উদ্যোগ, বিভিন্ন প্ৰকাৰৰ ৰুটি (Bread) আৰু বিস্কুট তৈয়াৰ কৰা কাৰখানা, ফলৰ ৰস আহৰণ আৰু সংৰক্ষণ কৰা কাৰখানা ইত্যাদি বহুতো ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ গঢ়ি উঠিছে।

(৫) এড়ি, মূগা আৰু পাটশিল্প অসমৰ আপুৰুগীয়া সম্পদ। অসম আৰু অসমীয়াৰ এই তিনিওবিধ অন্যতম সাংস্কৃতিক সম্পদ অকল ভাৰতেতেই নহয় আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো সমাদৃত। বাৰেৰহণীয়া সংস্কৃতিৰ অনবদ্য সম্পদ এই বস্ত্ৰ কেইপদ বিবাহ, উৎসৱ-পাৰ্বন আদিত সততে পৰিধান কৰা দেখা যায়। এড়িপলুৰ খাদ্য হৈছে এড়া আৰু কেছেৰু গছৰ পাত। মূগাপলুৰ খাদ্য হ'ল চোম গছৰ পাত আৰু পাট-পলুৰ খাদ্য হ'ল নুনি গছ। এড়া, কেছেৰু, চোম আৰু নুনিগছ অসমৰ প্ৰাকৃতিক সম্পদৰ অতি মূল্যৱান বিৰিখ হিচাবে গণ্য কৰা হয়। প্ৰাকৃতিক পাট বা বিশুদ্ধ পাটসূতাৰে তৈয়াৰী বস্ত্ৰ অকল অসমৰ 'বস্ত্ৰনগৰীত' (শুৱালকুছিত) তৈয়াৰ কৰা হয়। তেনেদৰে মূগা-বস্ত্ৰও অতি আদৰৰ সম্পদ। এড়ী কাপোৰ পলাশবাৰী-ছয়গাঁও অঞ্চলৰ শিপিনীৰ গৌৰৱময় সম্পদ। প্ৰাপ্তবয়স্ক পলুপোকৰ মুখেৰে নিৰ্গত এবিধ আঠা জাতীয় দ্ৰব্যৰ পৰা আঁহ বা সূতাকাটি

এড়ী, মূগা আৰু পাট কাপোৰ তৈয়াৰ কৰা হয়। দাম তুলনামূলকভাৱে অধিক হ'লেও বহু বছৰ এইবোৰ কাপোৰ ব্যৱহাৰ কৰি থাকিলেও সহজতে নষ্ট নহয় — বৰং উজ্জ্বলতা আৰু চমক অধিক হয়।

কাঁহ আৰু পিতলৰ শিল্পজাত সামগ্ৰী অসমৰ আপুৰুগীয়া সম্পদ। সৰ্থেবাৰী আৰু হাজোত এই দুবিধ শিল্প প্ৰধানকৈ গৰিয়া-মৰিয়া লোকসকলে পৰম্পৰাগতভাৱে কাঁহ-পিতলৰ শিল্পদ্যোগ গঢ়ি তুলিছে। বিভিন্ন প্ৰকাৰৰ বাচন-বৰ্তন, শৰাই, বটা, টৌ, চৰিয়া, কাঁহী-বাতি-গিলাচ, কলহ, লোটা, ঘটি আদি অসমীয়া সমাজৰ আভিজাত্যৰ প্ৰতীকী সম্পদ হিচাবে গণ্য কৰা হয়। এই শিল্পদ্যোগৰ কাৰণে বজাৰত কেঁচামালৰ নাটনি দেখা যায়। ভগা-ফুটা, চেপেতা আদি পুৰণি সামগ্ৰীবোৰ ঘৰে ঘৰে সংগ্ৰহ কৰি মজুত কৰি কেঁচামাল যোগাৰ কৰা হয়। এই ব্যৱসায়টো বৰ্তমান অসমৰ বাহিৰৰ ব্যৱসায়ীৰ হাতৰ মুঠিত। অসাধু এই ব্যৱসায়ী চক্ৰটোৱে কেঁচামালৰ মূল্য খেয়াল-খুচি মতে নিৰ্দ্ধাৰণ কৰে। বিভাগীয় কৰ্তৃপক্ষ এই ক্ষেত্ৰত নীৰৱ। তদুপৰি মোৰাদাবাদ আদিৰ পৰা মেচিনত তৈয়াৰী সস্তীয়া আৰু চিকচিকিয়া অথচ পাতল সামগ্ৰীৰে অসমৰ বজাৰ ভৰি পৰিছে। ফলত স্থানীয় এই কৃষ্টি-সংস্কৃতিৰ বুনিয়াদ স্বৰূপ শিল্পদ্যোগটো বাৰুকৈয়ে ক্ষতিগ্ৰস্ত হৈছে। খিলঞ্জীয়াৰ সুৰক্ষাৰ স্বাৰ্থত চৰকাৰৰ এইক্ষেত্ৰত সুকীয়া শিল্পনীতিৰ প্ৰয়োজন। হাতীৰ দাঁতৰ (Ivory) শিল্প অতীজতে বৰপেটাত গঢ়ি উঠিছিল যদিও কেঁচামালৰ অভাৱত আৰু হস্তীকুল সংৰক্ষণৰ স্বাৰ্থত এইবিধ কুটিৰ শিল্প মৃত প্ৰায়।

বয়ন শিল্প অসমীয়া সমাজৰ বিশেষকৈ গ্ৰাম্যাঞ্চলৰ পিৰালি আৰু সুকীয়া গৃহত গঢ়ি উঠা সংস্কৃতিৰ অবিচ্ছেদ্য উদ্যোগ। বৰ্তমান অসমত মুঠ ১৪.৩ লাখ শাল, তাঁতশাল আৰু বৈদ্যুতিক শাল আছে। বৈদ্যুতিক শালৰ সংখ্যা তাকৰ। আভিজাত্যৰ প্ৰতীক অসমীয়া গ্ৰাম্যাঞ্চলত প্ৰায় প্ৰতিঘৰ পৰিয়ালত শাল আছে। জীয়ৰী-বোৱাৰীৰ দ্বাৰা চালিত শালবোৰৰ অধিকাংশই গৰকা আৰু হাতৰ পটুতাৰ দ্বাৰা নিয়ন্ত্ৰিত (Hand and foot looms)। প্ৰায় ২০ শতাংশ শিপিনীয়ে হস্ততাঁত (Handloom) ব্যৱহাৰ কৰে। নিজৰ পৰিয়াল আৰু আপোজনৰ বাবে সযতনে বোৱা এই বস্ত্ৰ-প্ৰণালী অসমীয়াৰ বাপতি-সাহোন। মানুহ বিহুৰ দিনা (পহিলা ব'হাগত) নিজ হাতে বোৱা নৱবস্ত্ৰ পৰিধান কৰোৱাই আশীৰ্বাদ ল'লে আৰু দিলে (কনিষ্ঠ গৰাকীয়ে জ্যেষ্ঠজনক) মন পুলকিত হোৱাৰ লগতে সুস্থ-শৰীৰে দীৰ্ঘায়ু হোৱাৰ পৰম্পৰা অসমৰ চহা সমাজত প্ৰচলিত আছে। গলবস্ত্ৰ অসমৰ প্ৰতিটো জনগোষ্ঠীৰেই আদৰণি আৰু সন্মানৰ প্ৰতীক স্বৰূপ। আনকি বিভিন্ন দেৱ-দেৱী, নামঘৰ আদিত উপাসনা কৰোতে 'গামোচা' অপৰিহাৰ্য্য গলবস্ত্ৰ হিচাবে বিবেচনা কৰা হয়। অসমৰ খাদী আৰু গ্ৰামোদ্যোগে অসমৰ খাদী আৰু হস্তনিৰ্মিত কুটিৰ শিল্পৰ উন্নয়নৰ হকে কাম কৰি আহিছে। অসমৰ খাদী বিশেষকৈ হস্ততাঁত আৰু বস্ত্ৰশিল্পলৈ সাম্প্ৰতিক কালত ৰাজ্যৰ বাহিৰৰ পৰা বিভিন্ন মহলে আমদানিকৃত সস্তীয়া আৰু মিলত তৈয়াৰ কৰা গামোচা-বস্ত্ৰ আদিৰে বজাৰ উপচাই পেলাইছে। এইবোৰ তুলনামূলকভাৱে সস্তা আৰু আয়ুস কম, কাৰণ নিম্নমানৰ। চৰকাৰে আৰু বেচৰকাৰী সংস্থাবোৰে এইক্ষেত্ৰত খিলঞ্জীয়াক বহিৰাগত সস্তীয়া নিম্নমানৰ কাপোৰৰ ব্যৱসায়ীৰ আগ্ৰাসনৰ পৰা ৰক্ষণাবেক্ষণ দিয়াৰ ব্যৱস্থা লোৱা উচিত।

সোণৰ আৰু কাৰ্য খটোৱা গহনা, কঠ শিল্প, কুহিলা শিল্প, পুতলা বনোৱা, কাঠত খোদিত হস্ত কাৰুকাৰ্য, মুখা শিল্প, কুমাৰ শিল্প (মাটিৰ বাচন) আদি অসমৰ কাৰুকাৰ্য খোদিত শিল্প আৰু ভাস্কৰ্য। অকল স্থানীয় বজাৰতেই নহয় এইবোৰ জাতীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যটকক বিশেষভাৱে আকৰ্ষিত কৰিব পৰা 'পৰ্যটন

উৎপাদন' (Tourism Product)। এইবোৰ বিদেশী মুদ্ৰা আহৰণৰ আধাৰ হ'ব পাৰে।

উপযুক্ত আৰু আগ্ৰহী শিল্পীক প্ৰশিক্ষণ, দক্ষতা বিকাশ, প্ৰয়োজনীয় আন্তঃগাঁথনি তৈয়াৰ, বৃত্তীয় প্ৰতিষ্ঠান আৰু বেংকৰ ঋণ ব্যৱস্থাৰ সৰলীকৰণ, ঋণৰ সুত ৰেহাই (Subsidy), উৎপাদিত সামগ্ৰীৰ ওপৰত আৰোপিত বিক্ৰী কৰৰ ৰেহাই (Tax holiday) ইত্যাদিৰ উপযুক্ত কাৰ্যকৰণে নতুন আগ্ৰহী উদ্যোগীসকলক অনুপ্ৰাণিত কৰিব পাৰিব। অসম উদ্যোগীকৰণৰ ক্ষেত্ৰত এখোজ আগবাঢ়িব পাৰিব আৰু অৰ্থনৈতিকভাৱে স্বাৱলম্বী হ'ব পাৰিব।

## অনুশীলনী

১। সম্পদ হিচাবে গণ্য কাৰিবলৈ হ'লে কোনটো বৈশিষ্ট্য উপাদানত নিহিত থকাটো প্ৰয়োজন?
(ক) কাৰ্যকাৰিতা (খ) উপযোগিতা (গ) গতিশীলতা (ঘ) ক, খ আৰু গ তিনিওটা।

২। অসমৰ কোন স্থানত প্ৰথমতে কয়লা (ক'লা হীৰা) আবিস্কাৰ হৈছিল?
(ক) নাহৰকটীয়া (খ) মাৰ্ঘেৰিটা (গ) লিডু (ঘ) মাকুম

৩। অসমত খাৰুৱা তেলৰ সন্ধেদ কেতিয়া পোৱা হৈছিল?
(ক) ১৮২২ চনত (খ) ১৮৮৪ চনত (গ) ১৯০১ চনত (ঘ) ১৯৮৯ চনত।

৪। ভাৰতবৰ্ষৰ মুঠ খাৰুৱা তেলৰ কিমান শতাংশ অসমত উৎপাদন কৰা হয়?
(ক) ২৭ শতাংশ (খ) ৩৪ শতাংশ (গ) ২২ শতাংশ (ঘ) ১৭ শতাংশ।

৫। তলৰ কোনটো শোধনাগাৰলৈ অসমত উৎপাদিত খাৰুৱা তেল পঠিওৱা হোৱা নাই—
(ক) নুনমাটি (খ) হালদিয়া (গ) মথুৰা (ঘ) বাৰাউনী।

৬। প্ৰাকৃতিক গেছত মিথেনৰ পৰিমাণ কিমান থাকে?
(ক) ৮-৯ শতাংশ (খ) ১-১.৭ শতাংশ (গ) ২-২.৪ শতাংশ (ঘ) ৮০-৯০ শতাংশ।

৭। উপগ্ৰহৰ পৰা প্ৰাপ্ত তথ্য অনুসৰি অসমৰ কিমান শতাংশ ঠাই বনাবৃত?
(ক) ১৭ শতাংশ (খ) ২১ শতাংশ (গ) ২৭ শতাংশ (ঘ) ৩৭ শতাংশ।

৮। অসমত উৎপাদন হোৱা প্ৰাকৃতিক গেছৰ অধিকাংশ কোন কেইটা প্ৰধান প্ৰকল্পই ব্যৱহাৰ কৰে?

৯। অসমৰ কাৰ্বি আংলঙৰ চুণশিল উপলব্ধ যিকোনো ৫ খন ঠাইৰ নাম লিখা।

১০। ১৯৯৩ চনত 'বিশ্ব শীৰ্ষ সম্মিলন' কোন চহৰত অনুষ্ঠিত হৈছিল?

১১। একমাত্ৰ অসমত উপলব্ধ দুষ্প্ৰাপ্য আৰু লুপ্তপ্ৰায় কোন দুবিধ প্ৰাণীক ৰাষ্ট্ৰ সংঘই 'দুষ্প্ৰাপ্য আৰু বিপদাপন্ন প্ৰাণী' হিচাবে ৰঙা তথ্য তালিকাত অন্তৰ্ভুক্ত কৰিছে?

১২। অসমত বৰ্তমান কেইখন ৰাষ্ট্ৰীয় উদ্যান অৱস্থিত?

১৩। চলন্ত শিল্পৰ এটা উদাহৰণ দিয়া।

১৪। মানৱ সম্পদ উন্নয়নৰ লাইখুটা কেইটা কি কি?

১৫। অসমত গ্ৰীষ্ম কালৰ তিনিটা মাহত ৰাস্তা আৰু ৰে'লপথ ক্ষতিগ্ৰস্ত কৰা খনন দুবিধৰ নাম লিখা।

১৬। ৰছীপথ পৰিবহন অসমৰ কোন দুখন ঠাইৰ মাজত প্ৰচলিত?

১৭। কোঁচ ৰজা নৰনাৰায়নে তেওঁৰ ৰাজত্ব কালত নিৰ্মাণ কৰা গোঁহাই-কমল আলিৰ দুই মূৰে থকা ঠাই দুখনৰ নাম লিখা।

১৮। ৪০ নম্বৰ ৰাষ্ট্ৰীয় ঘাই পথে (NH 40) কোন দুখন ঠাই সংলগ্ন কৰিছে?

১৯। অসমৰ আৰ্দ্ৰভূমিৰ গুৰুত্ব ৩০ টা মান শব্দৰ ভিতৰত লিখা।

২০। Silk Route আৰু Steel-Well-Route ৰ বিষয়ে ৫০/৬০ টা মান শব্দত বৰ্ণনা কৰা।

২১। অসমত ঔদ্যোগিক অনগ্ৰসৰতাৰ ৫ টা কাৰকৰ বিষয়ে লিখা।

২২। কাঁহ আৰু পিতলৰ শিল্পৰ ৫ টা সমস্যাৰ বিষয়ে লিখা।

পঞ্চম অধ্যায়

# মানচিত্ৰ অধ্যয়ন আৰু ভৌগোলিক তথ্যৰ উপস্থাপন

## পৰিচিতি ঃ

ভূগোল বিজ্ঞান এটা মৌলিক শিক্ষা বিষয়। ভূগোলৰ অধ্যয়নে আমি বাস কৰা ঘৰখন অৰ্থাৎ পৃথিৱীখনৰ বিষয়ে জানিবলৈ দিয়ে। পৃথিৱীৰ জলভাগ, স্থলভাগ, জলবায়ু, পাহাৰ-পৰ্বত, নদ-নদী, উদ্ভিদ-জীৱজন্তু আদি প্ৰাকৃতিক উপাদান সমূহৰ উপৰি মানৱ সমাজ, মানুহৰ ভিন্ন প্ৰকাৰৰ কাৰ্যকলাপ, প্ৰকৃতি আৰু মানুহৰ সম্পৰ্ক আৰু সম্পৰ্কৰ পৰিৱৰ্তন আৰু প্ৰভাৱ আদিৰ সম্বন্ধে আমাক বহুমূলীয়া জ্ঞান দিয়ে। সাম্প্ৰতিক কালত সেয়েহে ভূগোল বিজ্ঞান অধ্যয়নৰ প্ৰাসংগিকতা বৃদ্ধি পাইছে।

তাত্ত্বিকভাৱে (Theoretically) অধ্যয়ন কৰি যিকোনো বিজ্ঞান বা সমাজ বিজ্ঞানৰ সম্পূৰ্ণ জ্ঞান আহৰণ কৰাটো বহুক্ষেত্ৰত সুফলৰ পৰা বঞ্চিত হ'বলগা হয়। এনেক্ষেত্ৰত বিশ্লেষণ অধিক ফলদায়ক আৰু বোধগম্য কৰি তুলিবলৈ অতীজতে আৰ্হি চিত্ৰ (Sketch) ব্যৱহাৰ কৰিছিল। য'ত মাপনীৰ (জোখ-মাপ) ওপৰত কোনো গুৰুত্ব নাছিল; বৰং অনুমানৰ ওপৰত ভিত্তি কৰি চিত্ৰসদৃশ আৰ্হিবোৰ প্ৰস্তুত কৰি ভূগোলৰ জ্ঞন দিবলৈ চেষ্টা কৰা হৈছিল। কিন্তু খ্ৰীষ্টপূৰ্ব ২৫০০ শতিকাত চুমেৰীয় (Sumerian) সকলে সৰ্বপ্ৰথম মানচিত্ৰ প্ৰস্তুত কৰি দিশ আৰু শুদ্ধ জোখ মাপৰ জ্ঞান দিবলৈ চেষ্টা কৰিছিল বুলি জনা যায়।

বৰ্তমান ব্যৱহাৰিক কৰ্ম বা অনুশীলনৰ অন্যতম আহিলা হ'ল মানচিত্ৰ প্ৰস্তুত কৰণ, ব্যৱহাৰ আৰু বিশ্লেষণ। ভূগোল বিজ্ঞানত বিভিন্ন তথ্যৰ ওপৰত নিৰ্ভৰ কৰি মানচিত্ৰ প্ৰস্তুতকৰণ, ভৌগোলিক তথ্যৰ (সংখ্যাগত আৰু গুণগত) উপস্থাপন, মানচিত্ৰৰ অধ্যয়নৰ যোগেদি বিশ্লেষণ আদি সেয়েহে গুৰুত্বপূৰ্ণ কৰ্ম হিচাবে অন্তৰ্ভুক্ত কৰা হৈছে।

## মানচিত্ৰ ঃ

পৃথিৱীখন গোলাকাৰ। গোলাকাৰ পৃথিৱীখনৰ পৃষ্ঠভাগ বা কোনো এটা অঞ্চল এখন সমতলত উপস্থাপন কৰি মানচিত্ৰ পোৱা যায়। অৰ্থাৎ ভূ-পৃষ্ঠ বা ইয়াৰ কোনো এটা অংশ এখন সমতলত এক নিৰ্দিষ্ট মাপনী অনুসৰি কৰা উপস্থাপন বা অংকনকেই মানচিত্ৰ বোলা হয়। মানচিত্ৰ অধ্যয়ন আৰু বিশ্লেষণ কৰি ভূ-পৃষ্ঠৰ কোনো এটা অঞ্চলৰ প্ৰাকৃতিক, ৰাজনৈতিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক অৱস্থাৰ বিষয়ে জানিব পাৰি।

বৈশিষ্ট্য আৰু উদ্দেশ্যৰ ওপৰত ভিত্তি কৰি মানচিত্ৰ বিভিন্ন প্ৰকাৰৰ হ'ব পাৰে। মানচিত্ৰৰ কিছুমান

উপাদান (Map element) থাকে। অপৰিহাৰ্যভাৱে সন্নিৱিষ্ট হোৱা উপাদান কেইটা হ'ল — (১) মানচিত্ৰৰ নাম, (২) অৱস্থান (আপেক্ষিক ঃ অন্য অঞ্চলৰ পৰিপ্ৰেক্ষিতত, জ্যামিতিক ঃ অক্ষৰেখা আৰু দ্ৰাঘিমাৰেখাৰ বিস্তৃতি), (৩) মানচিত্ৰৰ সীমাৰেখা আৰু দিশ, (৪) মানচিত্ৰৰ মাপনী, (৫) আকৃতি আৰু আকাৰ, (৬) দূৰত্ব, (৭) মাটিকালি, (৮) প্ৰচলিত সাংকেতিক চিহ্ন আৰু (৯) মান চিত্ৰৰ সময় (কোন চনৰ তথ্য উপস্থাপন বা ভিত্তি কৰি মানচিত্ৰখন প্ৰস্তুত কৰা হৈছে)।

মানচিত্ৰ ভূগোল বিজ্ঞানৰ আটাইতকৈ প্ৰয়োজনীয় আহিলা। ভূ-ভাগৰ কোনো এক অংশ, অথবা গোটেই পৃথিৱীখনক যদি সৰু আকাৰলৈ পৰিৱৰ্তিত কৰি, দিশ আৰু দূৰত্ব সঠিকভাৱে ৰাখি, কোনো সমতল পৃষ্ঠত বা কাগজত যদি প্ৰতিৰূপ প্ৰকাশ কৰা হয়, তাকেই মানচিত্ৰ বোলা হয়। মানচিত্ৰ অঙ্কন কৰোঁতে শুদ্ধ ভৌগোলিক স্থিতি আৰু উচ্চতাৰ আভাস, মাপনীৰ ব্যৱহাৰেৰে দিব পৰা যায়। মৌলিক স্থানিক সম্বন্ধ প্ৰকাশ কৰোঁতে মানচিত্ৰ এখন অতি সহজ-সৰল হ'ব পৰাৰ বিপৰীতে জ্যামিতিৰ ধাৰণা লৈ, বস্তুৰ স্থানাংক দেখুৱাবলৈ যাওঁতে, বিকৃত হোৱাৰ সম্ভাৱনাও থাকে।

ডাঙৰ মাপনীযুক্ত মানচিত্ৰত সৰুকৰণ কমকৈ কৰা থাকে বাবে, কেৱল সৰু অঞ্চল বা নগৰ এখনৰ প্ৰাকৃতিক অৰ্থনৈতিক, সামাজিক তথা সাংস্কৃতিক অৱয়বক বিতংকৈ দেখুৱাব পাৰে। কিন্তু সৰু মাপনীযুক্ত মানচিত্ৰত সৰুকৰণ বহুলভাৱে কৰা থাকে, যাৰ কাৰণে বৃহৎ অঞ্চল নতুবা গোটেই পৃথিৱীখনকে দেখুৱাব পাৰে।

সাধাৰণ নক্সা আৰু মানচিত্ৰ এখনৰ মাজত পাৰ্থক্য থাকে। যেনে মানচিত্ৰত মাপনী, দিশ, অক্ষৰেখা, দ্ৰাঘিমা ৰেখাৰ জ্যালিকা আৰু সাংকেতিক চিহ্নৰ প্ৰয়োগ হয়। কিন্তু সাধাৰণ নক্সাই কম সময়ৰ ব্যৱধানেৰে বিভিন্ন প্ৰতিচ্ছবি অংকন কৰাটোকে সূচায়। যিকোনো ক্ষুদ্ৰ অথবা বৃহৎ অঞ্চল একোটাক এখিলা পাতত সীমাৱদ্ধ কৰি ৰাখি অঁকা মানচিত্ৰ একোখন, সৰু অংশ একোটাৰ চিত্ৰ দেখুওৱা নক্সাতকৈ বহুগুণে নিখুঁট। মানচিত্ৰই পৃথিৱীৰ আকাৰ আকৃতি, বিভিন্ন অৱয়বৰ স্থানিক বিতৰণ আৰু দূৰত্বৰ হুবহু তথ্য দিয়ে। জনবসতিৰ আৰ্হি, আৱাসস্থলৰ স্থিতি, ৰাস্তা-ঘাট ইত্যাদিবোৰৰ বিতং তথ্য ডাঙি ধৰে।

মানচিত্ৰ প্ৰস্তুত কৰোতাক 'মানচিত্ৰকৰ' (Cartographer) নামে জনা যায়। বিভিন্ন উদ্দেশ্য সাপেক্ষে মানচিত্ৰকৰে একোখন মানচিত্ৰ নিৰ্বাচন কৰে। সেয়েহে বিভিন্ন তথ্য সমৃদ্ধ মানচিত্ৰৰ বহুল ব্যৱহাৰ থাকে। যেনে যাত্ৰীসকলে ৰাস্তাঘাটৰ তথ্য থকা মানচিত্ৰক পথ নিৰ্দেশক হিচাবে ব্যৱহাৰ কৰিব পাৰে। তেনেদৰে আকৌ বতৰ বিজ্ঞানীয়ে যুগুত কৰা মানচিত্ৰৰ দ্বাৰা বায়ুমণ্ডলৰ অৱস্থা বতৰৰ আগলি বতৰাৰ বিষয়ে জানিব পৰা যায়। মহানগৰ, নগৰ পৰিকল্পক সকলে বিভিন্ন ব্যৱহৃত, অব্যৱহৃত স্থানবোৰ দেখুওৱা মানচিত্ৰ অধ্যয়ন কৰি আৱাস গৃহ, হাস্পতালৰ স্থান, বিনোদন আস্থান আদিৰ স্থান নিৰ্ণয় কৰিবলৈ সামৰ্থৱান হয়।

মানচিত্ৰৰ সৈতে তিনিটা উপাদান, প্ৰধানকৈ জড়িত হৈ থাকে, যেনে— 'মাপনী' (Scale) সাংকেতিক চিহ্ন (Conventional symbols) আৰু গ্ৰীডছ (Grids)। তাৰোপৰি অন্যান্য উপাংশ বহুতো আছে, পৰ্যায়ক্ৰমে আলোচনা কৰা হ'ব।

**মাপনী ঃ** 'মাপনী' বা 'স্কেল' বুলি ক'লে সাধাৰণতে এটা অনুপাতৰ ধাৰণা কৰিব পৰা যায়। ইয়াৰ প্ৰকৃত সংজ্ঞাটো এনেধৰণৰ হ'ব — ভূ-পৃষ্ঠত থকা কোনো দুটা নিৰ্দিষ্ট বিন্দুৰ মাজত থকা প্ৰকৃত দূৰত্ব আৰু

মানচিত্ৰৰ প্ৰতিনিধিত্ব কৰা (একে দূৰত্ব) দূৰত্বৰ অনুপাতকে ‘স্কেল’ বা ‘মাপনী’ বুলি কোৱা হয়। মানচিত্ৰৰ বাবে মাপনী এক প্ৰয়োজনীয় মৌল কাৰণ ভূমি ভাগত থকা প্ৰকৃত দূৰত্ব, মানচিত্ৰত প্ৰতিনিধিত্ব কৰা দূৰত্বতকৈ বহুগুণে বেছিকৈ থাকে। আচলতে ‘মাপনী’ মানচিত্ৰত ব্যৱহৃত হোৱা এটা সুক্ষ্মতৰ বস্তুৰ লেখীয়া।

মাপনীক তিনিটা প্ৰকাৰে প্ৰতিফলিত কৰা হয়। যেনে — (ক) ৰৈখিক মাপনী (Graphical Scale), (খ) উক্তি মাপনী (Statement Scale), আৰু (গ) নিৰূপক ভগ্নাংশ (Representative Fraction) চমুকৈ যাক R.F. বুলি কোৱা হয়।

**(ক) ৰৈখিক মাপনী ঃ** দেখাত একেবাৰে সাধাৰণ, ৰূল টনা স্কেলৰ নিচিনা (চিত্ৰ 5.1) অনুভূমিকভাৱে টনা ৰেখা এডালত একক বোৰক দাগ দি লোৱা হয়। অৰ্থাৎ মানচিত্ৰ এখনত, দুখন ঠাইৰ মাজৰ প্ৰকৃত দূৰত্বক দেখুৱাবলৈ কিমান জোখ ল’ব লাগিব, সেইটো ঠিক কৰি লোৱা হয়। তদুপৰি যদি কিবা সালসলনি কৰিবলগীয়াও হয়, ৰৈখিক মাপনীকো সমানুপাতিকভাৱে সৰু বা ডাঙৰ কৰি ল’ব পৰা যায়।

উদাহৰণ ঃ ধৰা 1 cm ≅ 4 kilometer, লৈ এডাল ৰৈখিক মাপনী অঙ্কন কৰা হওঁক ঃ

$\therefore$ 1 cm ≅ 4 km

$\therefore$ 5 cm ≅ 5 × 4 ≅ 20 km

এতিয়া, প্ৰথমতে আমি সুবিধা অনুযায়ী 5 জোখ লৈ এডাল ৰেখা আকি তাক পাঁচোটা, সমান ভাগত বিভাজন কৰি ল’ব পাৰো। এই প্ৰাথমিক ভাগবোৰক মুখ্য ভাগ বুলি ক’ম। একোটা সংখ্যাৰে মুখ্য ভাগবোৰক দাগ দি লম। এনে সংখ্যাৰে দাগ দি যাঁওতে এটা কথা মন কৰিবলগীয়া যে প্ৰথম মুখ্য ভাগৰ শেষত ‘0’ সংখ্যাটোৰে দাগ দি ল’ব লাগিব।




Scale 1″ ≅ 4 km

**চিত্ৰ ৫.১ ঃ ৰৈখিক মাপনী**

‘0’ সংখ্যাটোৰ বাওঁকাষে থকা মুখ্য ভাগটোক সৰু সৰু ভাগত ভাগ কৰি গৌণ ভাগ হিচাবে লৈ উপযুক্ত সংখ্যা ব্যৱহাৰ কৰিব পাৰো। এতিয়া প্ৰতিটো মুখ্য ভাগে 4 km কৈ দেখুৱাব আৰু প্ৰতিটো গৌণ ভাগে 1 km কৈ বুজাব।

**(খ) উক্তি মাপনী ঃ** এই মাপনী, বাক্যৰে প্ৰকাশ কৰা হয়। যেনে — মানচিত্ৰৰ দূৰত্ব আৰু পৃথিৱীত থকা সেই বিন্দু দুটাৰ দূৰত্বৰ মাজৰ সম্বন্ধ প্ৰকাশ এনেদৰে কৰা হয় ঃ যেনে — 1 চেণ্টিমিটাৰে 1 কিলোমিটাৰক (1 cm ≅ 1 km) সূচাব বা 1 চেণ্টিমিটাৰে 4 কিলোমিটাৰক প্ৰতিপন্ন কৰিব পাৰে।

**(গ) নিৰূপক ভগ্নাংশ ঃ** ইয়াত কোনো একক নাথাকে অৰ্থাৎ অনুপাতৰ মাধ্যমেৰে কেৱল প্ৰকাশ কৰিব পৰা যায়। যেনে $\frac{1}{10,00,000}$ বা 1:1000,000 অৰ্থাৎ মানচিত্ৰৰ যিকোনো একক জোখ, ভূমিৰ 10 লাখ দূৰত্বৰ সমান। মানচিত্ৰ এখনত থকা 1 চে.মি. দৈৰ্ঘ্যই ভূপৃষ্ঠত 10 লাখ চে. মি. দৈৰ্ঘ্য দেখুৱাব পাৰে। মানচিত্ৰ

এখনত 1″ inch ভূ-ভাগত 1 Lakh inches ক দেখুৱাব নাইবা 16 miles তকৈ কিছু কম দৈৰ্ঘ্য দেখুৱাব পাৰে।

যেনে ঃ মাপনী 1″ = 6 miles, হ'লে নিৰূপক ভগ্নাংশ অৰ্থাৎ R. F. নিৰ্ণয় কৰা ঃ

উক্ত বাক্য শাৰীত, যিহেতু জোখৰ প্ৰথম একক inch ত দিয়া আছে, গতিকে বাকী অংশটোকো inch লৈ পৰিৱৰ্তিত কৰিব লাগিব।

প্ৰকাশ আছে, 1 mile = 63,360 inches

$\therefore$ 6 miles = $6 \times 63360$=380,160 inches

$\therefore$ R.F = 1 : 380,160 হ'ব।

আন এটা উদাহৰণেৰে নিৰূপক ভগ্নাংশৰ প্ৰকাশ এনেদৰে কৰা হয় ঃ যেনে 4 cms = 1 kilometre

$\therefore$ জোখৰ প্ৰথম একক cm ত আছে, গতিকে বাকী অংশটোকো cm লৈ নিব লাগিব।


$\therefore$ 1 km = 100000 cms

$\therefore$ 4 cms = 100000 cms হ'ব।

$\therefore$ 1 cms = 25000 cms

অৰ্থাৎ R. F = 1 : 25,000

সৰল ৰৈখিক মাপনীয়ে কেৱল মুখ্য আৰু গৌণ ভাগ কেইটাহে দেখুৱায়, কিন্তু পৰম শুদ্ধতা পাবলৈ হ'লে, আকৌ এটা তৃতীয়ক বিভাজন থকা প্ৰয়োজন। এইক্ষেত্ৰত নিপূৰ্ণভাৱে, বিভাজন দেখুওৱা মাপনী হ'ল '**কৰ্ণ মাপনী**' (Diagonal Scale), য'ত গৌণ বিভাজনক আকৌ তৃতীয়ক ভাৱে বিভক্ত কৰি দেখুৱাব পৰা যায়।




**চিত্ৰ ৫.২ ঃ কৰ্ণ মাপনী**

ধৰা R. F = $\frac{1}{100,000}$ আৰু 50 metres লৈ জুখিব পৰকৈ এডাল কৰ্ণ মাপনী অঙ্কন কৰা হওক ঃ

এতিয়া R.F = $\frac{1}{100,000}$

অৰ্থাৎ মানচিত্ৰৰ 1 cm য়ে ভূমিত 100,000 cms ক দেখুৱাব।

∴ 10 cm য়ে 10 km ক বুজাব।

এতিয়া যদি 10 cms দীঘল ৰেখা এডাল অঙ্কন কৰিম যিয়ে 10 kms ক বৰ্ণনা কৰিব। এতিয়া দহোটা মুখ্য ভাগে 1 km কৈ প্ৰকাশ কৰিব। যদি, প্ৰথম মুখ্য ভাগক আকৌ 4টা গৌণ ভাগত বিভক্ত কৰো, প্ৰতিটো গৌণভাগে 1/4 km = 50 কি. মি. কৈ প্ৰকাশ কৰিব। আকৌ যদিহে 50 metres লৈ জুখিবলৈ যাওঁ, তেতিয়া 5টা তৃতীয়ক বিভাজনত বিভক্ত কৰিব লাগিব। অৰ্থাৎ কৰ্ণভাৱে টনা উলম্বিক ৰেখাই প্ৰতিটো গৌণ ভাগক $\frac{250}{5}$ metres = 50 metres কৈ প্ৰকাশ কৰিব।

আন এটা উপাদান **গ্ৰীডছে** (Grids) য়ে মানচিত্ৰত অৱস্থান নিৰ্ণয় কৰোতে সহায় কৰে। সম ব্যৱধানত, সমান্তৰালভাৱে অঁকা কিছুমান কাল্পনিক অক্ষ ৰেখা আৰু উত্তৰা দক্ষিণাকৈ কৈ দ্ৰাঘিমাৰেখাই কটাকটি কৰি গঠন কৰা আৰ্হিটোকে **গ্ৰীডছ** বোলে। এনে আৰ্হি কেতিয়াবা বৰ্গক্ষেত্ৰাকাৰ, নাইবা আয়ত ক্ষেত্ৰাকাৰ ভাৱে থাকিব পাৰে। তদুপৰি আন কেইটামান প্ৰয়োজনীয় উপাদানৰে মানচিত্ৰ একোখন সমৃদ্ধ হৈ থাকে যেনে ঃ তাৰিখ বা সময়সীমা, শিৰোনামা, মানচিত্ৰকৰৰ পৰিচয়, নিৰ্দেশক, ইতিহাস, উৎস ইত্যাদিয়ে মানচিত্ৰ এখনৰ পৰিপূৰক হিচাবে থাকে। শিৰোনামাই বিষয়বস্তুক ৰেখাপাত কৰে; যেনে — 'অসমৰ ৰাজনৈতিক মানচিত্ৰ'। সময়সীমাই একোটা নিৰ্দিষ্ট সময়ৰ তথ্য, সম্পূৰ্ণতাকে প্ৰকাশ কৰে। অৰ্থাৎ পৌৰাণিক বুৰঞ্জীপ্ৰসিদ্ধ মানচিত্ৰ এখনে, যেনে— বৰ্মন বংশৰ ৰাজত্বকালৰ 350 ৰ পৰা 650 AD লৈ থকা সময়সীমাৰ, বিস্তৃত তথ্য প্ৰকাশ কৰিব। আনহাতে কাড় চিনৰ প্ৰয়োগেৰে দিশ সঠিকভাৱে দেখুৱাব পাৰে। আকৌ নিৰ্দেশকে (Index) অধ্যয়ন কৰোঁতাজনক গ্ৰীডছৰ জৰিয়তে নিৰ্দিষ্ট স্থান এখনক নিৰ্বাচিত কৰি দেখুৱাব পাৰে।





**চিত্ৰ ৫.৩ ঃ অসমৰ মানচিত্ৰ**

## সাংকেতিক চিহ্নৰ প্ৰয়োগ (Conventional Symbols) ঃ

উপাদানসমূহৰ বিতৰণৰ ক্ষেত্ৰত সাংকেতিক চিহ্নৰ প্ৰয়োগ অপৰিহাৰ্য। বিভিন্ন প্ৰকাৰৰ সাংকেতিক চিহ্নৰে বিভিন্ন উপাদানৰ বিতৰণ দেখুৱাব পৰা যায়। পৰিমাপণ (Quantitative) সম্বন্ধীয় মানচিত্ৰত, আটাইতকৈ বহুল প্ৰয়োগ থকা চিহ্ন 'বিন্দু' (Dot) বিন্দুবোৰ গোট গোটকৈ, নতুনবা বিভিন্ন জ্যামিতিক আকাৰেৰে উপাদানৰ বিতৰণক পৰিষ্কাৰকৈ দেখুৱায়। পৰিমাণ আৰু মূল্য দুয়োটাকে বিন্দুৰ মাধ্যমেৰে, একোটা নিৰ্দিষ্ট মাপনীসহ সৰু বা ডাঙৰকৈ বহুৱাই তথ্য প্ৰকাশ কৰে। বৃত্তাকাৰ, গোলাকাৰ, বৰ্গৰ লেখীয়া, আয়তাকাৰ, দণ্ডৰ দৰে, ত্ৰিভুজাকাৰ নতুবা ঘনক আকৃতিত, মাপনীৰ ব্যৱহাৰেৰে জনসংখ্যা অথবা অৰ্থনৈতিক দ্ৰব্যৰ বিতৰণৰ পাৰ্থক্যসমূহ দেখুৱাব পাৰে। সমানুপাতিক চিহ্নৰ গণনা এটা এনেদৰে কৰিব পৰা যাব ঃ


ধৰা হওক এবিধ দ্ৰব্যৰ পৰিমাণ 10,000 ক যদি বৃত্তাকাৰে প্ৰকাশ কৰোঁ, প্ৰথমতে সংখ্যাটোৰ বৰ্গমূল উলিয়াই লম। এতিয়া বৰ্গমূল হ'ব 100। আমি জানো যে বৃত্তৰ কালি $\pi r^2$ য'ত $\pi$ ৰ মান ধ্ৰুৱক, গতিকে ব্যাসাৰ্ধ হ'ব 1 inch। এনেদৰে 1 inch লৈ অকা বৃত্তবোৰক সাংকেতিক চিহ্নৰূপে ব্যৱহাৰ কৰা হ'ব। আনহাতে ধৰা 50,000 ক পৰিমাণ দেখুৱাবলৈ হ'লে, তাৰ বৰ্গমূল পাম 223.0 আৰু মাপনী 0.223 inch লৈও বৃত্ত অঙ্কণ কৰি সাংকেতিক চিহ্ন হিচাবে প্ৰয়োগ কৰিব পৰা যাব।




**চিত্ৰ ঃ ৫.৪ মানচিত্ৰত সাংকেতিক চিহ্নৰ প্ৰয়োগ**

আনহাতে 'আদৰ্শ লিপি' বা 'লেখ' চিত্ৰৰ দ্বাৰাও বিভিন্ন ভৌগোলিক তথ্য প্ৰকাশ কৰা হয়। মাপনী

নিৰ্দিষ্টভাৱে ৰাখি, 'পাই' নক্সা বা দণ্ডচিত্র আদিৰ অঙ্কণেৰে, তথ্যৰ তুলনামূলক বৃত্তান্ত ডাঙি ধৰিব পাৰি। যেনে দণ্ডচিত্র নতুবা 'পাই' চিত্রৰ দ্বাৰা বিভিন্ন উপাদানৰ, ভৌগোলিক তথা সাংস্কৃতিক বিতৰণ দেখুৱাব পৰা যায়।




**চিত্র ৫.৫ ঃ 'পাই'চিত্র**

## মানচিত্রৰ প্রস্তুতকৰণ ঃ

মানচিত্রকৰে সদায় কোনটো বিষয়বস্তুৰ উপস্থাপন কৰা হ'ব, তাৰে মোটামুটি সিদ্ধান্ত এটি লয় আৰু দৰ্শকৰ প্ৰয়োজনীয়তাৰ ভিত্তিত, উদ্দেশ্যমূলক মানচিত্র একোখনি প্রস্তুত কৰি উলিয়ায়। মানচিত্রকৰ এজনে বিশেষভাৱে গুৰুত্ব দিবলগীয়া হয় ভাষাৰ ওপৰত। যেনে — কোনো অন্ধ পঢ়ুৱৈ এজনে পঢ়িব পৰাকৈ ব্ৰেইল (Braille) ভাষাত প্ৰকাশ থাকিব লাগিব। মানচিত্রকৰে ৰঙা আৰু সেউজ বুলীয়া ৰঙেৰে বা চিহ্নৰে সেউজ পাইন বা মেপল গছৰ অৱস্থান দেখুৱাবও পাৰে। কিন্তু ৰঙৰ অন্ধতা থকা (Color blind) জনৰ পক্ষে, যিটো ব্যৱহাৰ বা উপযোগী নহ'বও পাৰে। শেষত গণিতৰ গণনাৰে , অক্ষন কৰা অক্ষৰেখা আৰু দ্ৰাঘিমাৰেখাৰ দ্বাৰা কোনো স্থানৰ অবিকল স্থানাংক নিৰ্ণয় কৰিব পৰা সুবিধাখিনি পঢ়ুৱৈক যোগান ধৰে। আধুনিক প্রযুক্তিৰ আৰু কম্পিউটাৰৰ উদ্ভাৱনৰ পূৰ্বে মানচিত্রকৰে শুদা হাতেৰে মানচিত্র একোখন নিৰ্মাণ কৰি উলিয়াইছিল। কেইবাখিলা প্লাষ্টিকৰ চিটা তৰপে তৰপে এখিলাৰ ওপৰত আনখিলা ৰাখি বিভিন্ন ৰং লগাই মানচিত্রত ওখ-চাপৰ অৱয়বেবোৰৰ প্রদর্শন কৰিছিল।

বৰ্তমান বেছি সংখ্যক মানচিত্রকে কম্পিউটাৰৰ জৰিয়তে তৈয়াৰ কৰিব পৰা হ'ল। প্রদর্শন কৰিবলগীয়াত যিকোনো নথি, টোকা, তথ্য ইত্যাদিবোৰক কম্পিউটাৰত প্ৰৱেশ কৰি পুৰণি তথ্যবোৰ মচি (Delete) পেলাবলৈও সহজসাধ্য হৈ পৰিল। বিভিন্ন বৰণীয়া ৰঙৰ আচ্ছাদেনেৰে, তৎপৰতাৰে ভূ-ভাগৰ অৱয়ব সমূহক নতুবা নদ

নলা আদিবোৰকো সালসলনি কৰি দেখুৱাবলৈও সুবিধাজনক হৈ পৰিল। অতি সহজতে নতুন নতুন মানচিত্ৰ প্ৰস্তুত কৰিব পৰা হ'ল।

মানচিত্ৰ প্ৰধানকৈ দুই প্ৰকাৰৰ। সেইয়া হ'ল—

(ক) নিদৰ্শনমূলক মানচিত্ৰ (Representative Type Map) আৰু

(খ) বিষয় প্ৰসঙ্গ থকা মানচিত্ৰ (Map drawn with reference to the subject)।

(ক) **নিদৰ্শনমূলক মানচিত্ৰ ঃ** সাধাৰণ ভৌগোলিক ইতিবৃত্ত থকা ঃ স্থান, সীমাৱৰ্তী অঞ্চল, ৰাস্তাঘাট, পৰ্বত-পাহাৰ, নদ-নদী, সমুদ্ৰৰ বৰ্ণনা থকা কথাবোৰ প্ৰদৰ্শন কৰে। ৰাষ্ট্ৰীয় ভূতত্ত্ব জৰীপ বিভাগে (National Geological Society) ভৌগোলিক ইতিবৃত্ত সম্পৰ্কীয় মানচিত্ৰবোৰ প্ৰস্তুত কৰি উলিয়ায়। বেছি ভাগতে ভূ-ভাগত থকা অৱয়বসমূহ ওখ-চাপৰ, খলা-বমা, উপত্যকা বা পাৰ্বত্য অংশৰ প্ৰদৰ্শন কৰে। এনে মানচিত্ৰ পথ সন্ধানকাৰীৰ পৰা ঘাইপথ, বান্ধ নিৰ্মাণকাৰী, অভিযন্তা আদি সকলোৱে ব্যৱহাৰ কৰিব পৰা বিধৰ হয়।

(খ) **বিষয় প্ৰসঙ্গ থকা মানচিত্ৰ ঃ** ভূ-পৃষ্ঠৰ ওপৰিভাগত থকা যিকোনো উপাদানৰ বিতৰণ বা আৰ্হি আদিৰ ওপৰত বিশেষ গুৰুত্ব দিয়ে। এনে মানচিত্ৰ মাথোন এটি বিশেষ বিষয়ক নিৰ্বাচন কৰি উলিওৱাত সহায়ক হয়। জনসংখ্যা, অন্যান্য স্বাভাৱিক অৱয়বক অথবা ভূমিভাগক পৃথকভাৱে দেখুৱায়। উদাহৰণস্বৰূপে, শস্যৰ উৎপাদন, জনসংখ্যাৰ গড় আয়, বিভিন্ন ভাষিক সম্প্ৰদায়ৰ সম্পৰ্কে নতুবা কোনো অঞ্চলৰ বাৰ্ষিক গড় বৃষ্টিপাতৰ ওপৰত প্ৰস্তুত কৰা মানচিত্ৰ। বৰ্তমান আধুনিক প্ৰযুক্তি, ভৌগোলিক তথ্য পদ্ধতি চমুকৈ GIS ৰ দ্বাৰা বিভিন্ন তথ্যৰ অধিগ্ৰহণ, বা নথি প্ৰদৰ্শন সম্ভৱপৰ হয়। এই প্ৰযুক্তিৰ প্ৰয়োগেৰে মানচিত্ৰৰ পৰা নিৰ্গত তথ্য আৰু মানুহ, ভূমি, জলবায়ু, খেতিপথাৰ, আৱাসগৃহ, ব্যৱসায় আদি বহুতো বিষয়কে একেলগে প্ৰকাশ কৰিব পৰা হৈছে। ভালেমান ঔদ্যোগীক মহল আৰু চৰকাৰী দপ্তৰ আদিয়ে বিভিন্ন গঠনমূলক সংৰচনা, প্ৰক্ৰিয়াকৰণ আৰু সিদ্ধান্ত গ্ৰহণ কৰোঁতে, এই প্ৰযুক্তিক ব্যৱহাৰ কৰি আছে।

## মানচিত্ৰৰ ইতিহাস ঃ

অতীতৰ পৰা বৰ্তমানলৈ, মানচিত্ৰবোৰক, সময় সাপেক্ষে বিভিন্ন ৰূপত দেখবিলৈ পোৱা গৈছে। পুৰণি পৃথিৱীত মাটিতে আঁকবাক কৰি চাৰিওকাষৰ অঞ্চলবোৰৰ সূচনা দিছিল। পৃথিৱীৰ আটাইতকৈ পুৰণি মানচিত্ৰখন এডোখৰ ঘূৰণীয়া শিলাত লিপিবদ্ধ কৰা আছিল। স্পেইনত দেখিবলৈ পোৱা এই শিলা খণ্ডৰ মানচিত্ৰক, চৈধ্য হাজাৰ বছৰৰ আগতে শিলত কাটি উলিয়াইছিল। ভূগোল বিজ্ঞানৰ পিতা হিচাবে প্ৰসিদ্ধ ইৰাটোস্থেনিছে খ্ৰীষ্টপূৰ্ব 276 আৰু 194 ৰ মাজৰ সময়ছোৱাতে সূৰ্য্যৰ প্ৰতি ধ্যান ৰাখি আৰু গণিতৰ সহায়েৰে পৃথিৱীৰ আকাৰৰ গণনা কৰি উলিয়াইছিল। একেৰাহে জ্যোতিৰ্বিদ পণ্ডিত, গণিতজ্ঞ তথা ভূগোলবিদ টোলেমিয়ে এখন সঠিক মানচিত্ৰৰ প্ৰস্তুত কৰিছিল আৰু পোন্ধৰ শতিকালৈকে যথেষ্ট সমাদৰো লাভ কৰিছিল। নিজৰ সমস্ত জ্ঞানৰ ভাণ্ডাৰ একত্ৰিত কৰি 'ভূগোল' (Geographie) নামৰ এখনি গ্ৰন্থও লিখি উলিয়াইছিল।




**চিত্ৰ ৫.৬ ঃ প্ৰাচীন চুমেৰীয় মানচিত্ৰ**

মধ্য যুগৰ মানচিত্ৰকৰ সকলে কেৱল ধৰ্মীয় বিশ্বাসক প্ৰতিফলিত কৰিবলৈহে মানচিত্ৰ প্ৰস্তুত কৰিছিল। এনেবোৰ মানচিত্ৰ অতি সৰল আৰু কিছুক্ষেত্ৰত আমোদজনক ভাৱে অঙ্কিত হৈছিল। মধ্যযুগীয় ইউৰোপীঅ' মানচিত্ৰসমূহ জেৰুজালেমক কেন্দ্ৰ ৰাখি প্ৰস্তুত কৰিছিল। স্থলাংশ ভাগৰ্ক ঘূৰণীয়া এটা চকাৰ দৰে ৰাখি, চাৰিওকাযে এখনি সমুদ্ৰ আৱৰি থকাৰ দৰে নিৰ্মাণ কৰিছিল। এনে মানচিত্ৰ 'T' in 'O' হিচাবে নামাকৰণ কৰি লৈছিল। স্থলভাগক আৱৰি থকা মহাসমুদ্ৰক, 'T' অক্ষৰে, তিনিখন মহাদেশত বিভক্ত কৰা দেখুৱাইছে। আটাইতকৈ ডাঙৰ বুলি অভিহিত (চিত্ৰ ঃ 5.7) কৰি এছিয়া মহাদেশক 'T' ৰ উৰ্দ্ধতন অংশত অৱস্থান কৰোৱাৰ বিপৰীতে, নিম্নাংশত 'ইউৰোপ' আৰু 'আফ্ৰিকা' মহাদেশৰ অৱস্থান নিৰ্ণয় কৰে। কেন্দ্ৰাংশত 'জেৰুজালেমক' প্ৰতিষ্ঠা কৰাই, 'ইউৰোপ' আৰু আফ্ৰিকাৰ মধ্যৱৰ্তী অংশত ভূমধ্যসাগৰক স্থান দিছিল। আফ্ৰিকা আৰু এছিয়াৰ মধ্যাংশত নীল নদীৰ স্থান নিৰূপণ কৰে আৰু ইউৰোপ আৰু এছিয়াৰ মাজত ডন নদীক স্থান দিছিল। 'T' শীৰ্ষাংশক নীল আৰু ডন নদীৰ অৱস্থান দেখুৱাইছিল। এনে অন্ধকাৰ যুগৰ মাজতো কিন্তু আৰব দেশৰ বিদ্বৎ সমাজৰ, বৈজ্ঞানিক পদ্ধতিৰ মানচিত্ৰ প্ৰস্তুতকৰণ প্ৰক্ৰিয়া লেখত ল'বলগীয়া। তেওঁলোকে টোলেমিৰ সমস্ত কৰ্মৰাজিক সংৰক্ষণ কৰি লৈ, আৰৱিক ভাষালৈ অনুবাদ কৰিছিল আৰু পোন প্ৰথমবাৰৰ বাবে আস্থা ৰাখিব পৰা বিধৰ গোলক প্ৰস্তুত কৰি দেখুৱাইছিল।




**চিত্ৰ ৫.৭ ঃ 'T' in 'O' মানচিত্ৰ**

ইছলামীয় সোণোৱালী যুগত, অৰ্থাৎ পৰৱৰ্তী কালত আৰৱীয়ান মানচিত্ৰ সকলোৱে বহুগুণে জটিল গণিত আৰু জ্যোতিৰ্বিজ্ঞানৰ আলম লৈ বিভিন্ন সূত্ৰৰ প্ৰয়োগেৰে, মানচিত্ৰৰ অভিক্ষেপ অঙ্কন কৰিব পাৰিছিল। সেই সময়ছোৱাত, অৰ্থাৎ 1154 চনত বিখ্যাত বৈজ্ঞানিক তথা মানচিত্ৰকৰ 'আল ইদ্রিছিয়ে' (Al Idrisi) ইউৰোপীয় সকলতকৈ বহুগুণে বিশিষ্ট তথা উৎকৃষ্ট ভূ-মানচিত্ৰ প্ৰস্তুত কৰিব পাৰিছিল। তেওঁৰ মানচিত্ৰত সমগ্ৰ মহাদেশ যেনে ইউৰেছিয়া, য'ত স্কেণ্ডিনেভিয়া, আৰবীয়ান উপদ্বীপিয় অংশ, শ্ৰীলংকা দ্বীপ, কৃষ্ণসাগৰ আৰু কাস্পিয়ান সাগৰ আদি সকলোবোৰ সন্নিৱিষ্ট হৈছিল।

19 শতিকাৰ আদিভাগতে, 'লিথোগ্ৰাফি' (Lithography) নামৰ ছপাকৰণ প্ৰক্ৰিয়াৰ উদ্ভাৱন ঘটে আৰু খুউব কম পৰিশ্ৰম আৰু খৰচৰ দ্বাৰা মানচিত্ৰকৰ সকলে একেবাৰে শুদ্ধকৈ অঙ্কন কৰি উলিয়াব পৰা হ'ল। তাৰোপৰি নতুন ফটোগ্ৰাফী, ৰঙীন ছবিৰ ছপাযন্ত্ৰ আৰু কম্পিউটাৰে উৎকৃষ্টতা বৃদ্ধি কৰাত সহায় কৰে। কেৱল কিছু দশকৰ আগৰ পৰা মানৱ আৰু মানচিত্ৰৰ মাজত যি এক ক্ষীপ্ৰতৰ পৰিৱৰ্তন আহিবলৈ ল'লে। কাগজত অকা মেপৰ পৰিৱৰ্তে ঠাই পালে উপগ্ৰহৰ মাধ্যমেৰে অহা সংবাদসমূহে। যাৰ ফলত একেবাৰে সঠিকভাৱে ভূ-পৃষ্ঠত, যিকোনো স্থানৰে বাৰ্তা আৰু স্থানাংক নিৰ্ণয়ত আমূল পৰিৱৰ্তন আহিবলৈ ল'লে। ফলত বৰ্তমানৰ প্ৰজন্মই অতি সহজতে গুগুলৰ মানচিত্ৰবোৰক উদ্‌ঘাটন কৰিব পৰা হ'ল। অতীজৰ পৰিবহন মানচিত্ৰৰ পৰিবৰ্তে গুগুল মেপৰ মাধ্যমেৰে বিভিন্ন ঠাইৰ স্থানাংক নিৰ্ণয় কৰিব পৰা হ'ল। 'ডিজিটেল' ভাষাৰে প্ৰস্তুত হোৱা মানচিত্ৰক, তিনিওটা দিশেৰে চাব পৰা হৈ উঠিল। ফলত অতীজৰ, সমান পৃষ্ঠত অঙ্কিত মানচিত্ৰৰ

চাহিদাত সীমাৱদ্ধতা আহি পৰিল। সমগ্ৰ পৃথিৱীৰ তথ্যপাতি অতি ক্ষিপ্ৰতাৰে অথচ নিখুঁটভাৱে, ইণ্টাৰনেটৰ মাধ্যমেৰে, মানচিত্ৰক আধুনিকতম প্ৰযুক্তিৰ শাৰীলৈ আগুৱাই নিয়ে।

## অভিক্ষেপ ঃ

গোলকীয় পৃষ্ঠত থকা অক্ষৰেখা আৰু দ্ৰাঘিমাৰেখাক এখন মিহি সমলতলত পদ্ধতিমূলকভাৱে ৰূপান্তৰ কৰাকে অভিক্ষেপ বুলি কোৱা হয়। পৃথিৱীৰ আকৃতি যিহেতুকে গোলাকাৰ, গতিকে সকলো জ্যামিতিক সম্বন্ধবোৰক ঠিকঠাককৈ ৰাখি, যেনে আপেক্ষিক দূৰত্ব, কৌণিক অৱস্থান, মাটিকালিক একে ৰাখি, গোলক এটাৰ দ্বাৰা প্ৰকাশ কৰা হয়। কেৱল বৃহত্তম পৃথিৱীৰ আকাৰক গোলকৰ দ্বাৰা চমুকৈ প্ৰকাশ কৰা হয়। দৰাচলতে অভিক্ষেপক গোলকীয় পৃষ্ঠৰ পৰা ৰূপান্তৰ কৰি প্ৰস্তুত কৰা অক্ষৰেখা আৰু দ্ৰাঘিমা ৰেখাৰ এখন জালী বুলিও ক'ব পাৰি।


মানচিত্ৰ প্ৰস্তুত কৰিবলৈ তিনি প্ৰকাৰৰ অভিক্ষেপ ব্যৱহৃত হয় যেনে—


(১) **বেলন অভিক্ষেপ** (Cylindrical projection),

(২) **শাঙ্কৱ অভিক্ষেপ** (Conical Projection) আৰু

(৩) **শীৰ্ষকেন্দ্ৰিক অভিক্ষেপ** (Zenithal Projection)।

**(১) বেলন অভিক্ষেপ ঃ** এই অভিক্ষেপত গোটেই পৃথিৱীখনকে দেখুৱাব পৰা যায়। ইয়াত অনুভূমিকভাৱে থকা সৰল সমতূল্য অক্ষৰেখাৰ সৈতে দ্ৰাঘিমা ৰেখাবোৰে সমকোণৰ সৃষ্টি কৰি কটাকটি কৰি থাকে। দ্ৰাঘিমাবোৰ সমদূৰৱৰ্তী আৰু অক্ষৰেখাই প্ৰতি মাপনী একে থাকে। যদিও বেলন অভিক্ষেপ দেখিবলৈ আয়তৰ নিচিনা, ইয়াক বেলন বুলিয়েই অভিহিত কৰা হয়; কিয়নো, যদিহে এই জালীখনক মেৰিয়াই লৈ দুয়োকাষ লগ লগোৱা যায়, দেখিবলৈ তেতিয়া চুঙা বা বেলনৰ দৰেই হ'ব।






**চিত্ৰ ৫.৮ ঃ বেলন অভিক্ষেপ**

এই অভিক্ষেপৰ দুৰ্বল অংশটো মেৰুদেশীয় অঞ্চলৰ সৈতে জড়িত, য'ত পৃথিৱীৰ আকৃতি বিকৃতভাৱে ৰয়। আনহাতে বিষুব অঞ্চল আৰু আশে পাশে, মানচিত্ৰত ভূ-আকৃতি, প্ৰকৃত আকৃতিৰ দৰেই শুদ্ধভাৱে থাকে। আটাইতকৈ জনপ্ৰিয় বেলন অভিক্ষেপ ঃ মাৰ্কেটৰ অভিক্ষেপ (Mercator Projection), কেছিনী (Cassini), গাউছ ক্ৰুগাৰ (Gauss-krugar), মিলাৰ (Miller) অভিক্ষেপ ইত্যাদি।

**(২) শাঙ্কৱ অভিক্ষেপ ঃ** এক প্ৰামাণিক অক্ষৰেখাযুক্ত সমদূৰৱৰ্তী, শাঙ্কৱ অভিক্ষেপ। এই অভিক্ষেপত দ্ৰাঘিমাৰেখাবোৰ সমদূৰৱৰ্তী সৰল ৰেখা আৰু মেৰু হওঁক বা নহওঁক, একে স্থানলৈকে পোনাই থাকে। বেলন অভিক্ষেপৰ লেখিয়াকৈ শাঙ্কৱ অভিক্ষেপতো অক্ষৰেখাবোৰে দ্ৰাঘিমাৰেখাবোৰৰ সৈতে সমকোণীয়ভাৱে কটাকটি কৰি জালী সৃষ্টি কৰে আৰু বিকৃতি ধ্ৰুৱক হিচাবে থাকে। যিকোনো এটা সৰু




**চিত্ৰ ৫.৯ ঃ শাঙ্কৱ অভিক্ষেপ**

অঞ্চল অথবা উত্তৰ গোলাৰ্ধ, দক্ষিণ গোলাৰ্ধৰ সৰু ঠাইৰ বাবেহে এই অভিক্ষেপৰ উপযোগিতা থাকে। আনহাতে গোটেই পৃথিৱীখনৰ মানচিত্ৰক, কোনো কাৰণতে ইয়াত দেখুৱাব পৰা নেযায়। যেনে— এক প্ৰামাণিক অক্ষৰেখা বিশিষ্ট শাঙ্কৱ অভিক্ষেপ (Conical Projection with one standard parallel)। $40^0$ উত্তৰ আৰু $60^0$ উত্তৰ অক্ষাংশ আৰু $15^0$ পশ্চিম আৰু $5^0$ পূব দ্ৰাঘিমাৰ মাজতে থকা অঞ্চল এটাৰ অভিক্ষেপ, এক প্ৰামাণিক অক্ষৰেখাক লৈ অঙ্কন কৰিব পৰা যায়।


**(৩) শীৰ্ষকেন্দ্ৰিক অভিক্ষেপ ঃ** গোলকৰ কেন্দ্ৰত যদি পোহৰ ৰাখি, মেৰু অংশত বা বিষুৱত স্পৰ্শক হিচাবে থকা সমান পৃষ্ঠাত অক্ষৰেখা আৰু দ্ৰাঘিমা ৰেখাৰ ছাঁ পেলোৱা হয় তাকে শীৰ্ষকেন্দ্ৰিক অভিক্ষেপ বুলিব পাৰি। স্পৰ্শকৰ স্থানৰ ওপৰত নিৰ্ভৰ কৰি তিনিপ্ৰকাৰৰ শীৰ্ষকেন্দ্ৰিক অভিক্ষেপক জানিব পৰা যায়।

(ক) মেৰুদেশীয় অভিক্ষেপ, য'ত সমান পৃষ্ঠা, উত্তৰ বা দক্ষিণ মেৰুত স্পৰ্শক হিচাবে থাকে (Polar Zenith Projection)।

(খ) মেৰুদেশীয় বিষুৱীয় অভিক্ষেপ, য'ত সমতল পৃষ্ঠা বিষুবীয় অংশত স্পৰ্শক হিচাবে থাকে (Polar Equatorial Projection)।

(গ) মেৰুদেশীয় হেলনীয়া অভিক্ষেপ, য'ত সমান পৃষ্ঠা, যিকোনো এটা বিন্দুত স্পৰ্শক হিচাবে থাকে। মেৰু বা বিষুবৰ বাহিৰে যিকোনো এটা ঠাইত স্পৰ্শক হিচাপে ৰাখি ছাঁ পেলালে তাকে মেৰুদেশীয় হেলনীয়া অভিক্ষেপ বোলে (Polar oblique Projection)।

এই অভিক্ষেপত কেন্দ্ৰৰ পৰা প্ৰকৃত সম্বন্ধ থাকে, সেয়েহে এজিমুথেল (Azimuthal) অভিক্ষেপ বুলিয়ে কোৱা হয়।




**চিত্ৰ ৫.১০ ঃ ষ্টেৰিওগ্ৰাফিক মেৰুদেশীয় শীৰ্ষকেন্দ্ৰিক অভিক্ষেপ**

পোহৰৰ স্থানৰ ভিত্তিতো আকৌ, শীৰ্ষকেন্দ্ৰিক অভিক্ষেপক কেইবাটাও প্ৰকাৰে জানিব পাৰি। যেনে — পোহৰ গোলকৰ কেন্দ্ৰভাগত ৰাখি পোৱা অভিক্ষেপক, মেৰুদেশীয় শীৰ্ষকেন্দ্ৰিক (Gnomonic Zenithal Projection), পোহৰক যদি ইমূৰৰ পৰা সিমূৰলৈ যাব পৰাকৈ ৰখা হয়, তেতিয়া ষ্টেৰিওগ্ৰাফিক অভিক্ষেপ আৰু পোহৰক যদি বহু দূৰৰ ফালে ৰখা হয়, তেতিয়া অৰ্থোগ্ৰাফিক অভিক্ষেপ বুলিও ক'ব পৰা যায়।

এই অভিক্ষেপত অক্ষৰেখাবোৰক ঐক্যকেন্দ্ৰিক বৃত্ত হিচাবে থকা দেখা যায়, কিন্তু সমান সমান ব্যৱধানত নাথাকে। কেন্দ্ৰৰ পৰা এই ব্যৱধান ক্ৰমাৎ বাঢ়ি যোৱা দেখা যায়। যিবোৰ অঞ্চলক এই অভিক্ষেপত দেখুওৱা হয় সেইবোৰত মানচিত্ৰৰ আকাৰৰ বিকৃতি বেছি পৰিমাণে নাথাকে। কেন্দ্ৰবিন্দুৰ প্ৰাসঙ্গিকতা ৰাখি পৃথিৱীৰ যিকোনো ঠাইৰ দিশ নিৰ্দ্ধাৰণ কৰাৰ বাবে এনে মানচিত্ৰৰ প্ৰয়োজনীয়তা থাকে।

ওপৰোক্ত আটাইকেইটা অভিক্ষেপতে অবিকল দৃশ্য দেখুৱাব পৰা যায়। অক্ষৰেখা, দ্ৰাঘিমা ৰেখাৰ জালী প্ৰস্তুত নকৰাকৈ কোনো মানচিত্ৰকে ভালদৰে চিত্ৰিত কৰিব নোৱাৰি। সেয়েহে অভিক্ষেপক, পদ্ধতিমূলকভাৱে অক্ষৰেখা আৰু দ্ৰাঘিমাৰেখাৰ গ্ৰীড বা ঘৰ বুলিও ক'ব পাৰি, য'ত গোলকৰ মানচিত্ৰ শুদ্ধৰূপে প্ৰকাশ পায়।

## জৰীপ (Surveying)

কোনো ভূক্ষেত্ৰক ভালদৰে অধ্যয়ন কৰি লৈ, মানচিত্ৰ প্ৰস্তুত কৰাকে জৰীপ বোলে। আমি কোনো ওখ ঠাইত থিয় হৈ থাকি, নামনিৰ ঠাইৰ জৰীপ কৰিব পাৰো। নতুবা যিকোনো অৱয়বকে সাৱধানতাৰে অৱলোকন কৰিব পৰাটোও জৰীপ বুলিব পাৰি। অৰ্থাৎ ভূক্ষেত্ৰৰ জোখ মাখ, উচ্চতা, কৌণিক অৱস্থান, সীমা ইত্যাদিবোৰক গণিত, জ্যামিতি অথবা অন্যান্য বৈজ্ঞানিক সম্বন্ধীয় উপায়েৰে ভালদৰে অধ্যয়ন কৰিলেও জৰীপ কৰা বুলি ক'ব পৰা যাব।

জৰীপৰ প্ৰকাৰ—

(ক) ভূক্ষেত্ৰৰ জৰীপ, য'ত বিভিন্ন ওখ-চাপৰ অৱয়বৰ জোখ-মাখ লৈ সীমা নিৰ্দ্ধাৰণ কৰা হয় (Land surveying)।

(খ) খনি সমূহত কৰা জৰীপ (Mining surveying)।

(গ) জলাশয় ভিত্তিক জৰীপ (Hydrographic surveying)।

(ঘ) জিঅ'ডেটিক জৰীপ (Geoditic surveying)।

(ঙ) ফটোগ্ৰামেট্ৰি আৰু দূৰসংবেদন (Photogrammentry and Remote Sensing)।


নিম্নোক্ত পদ্ধতি দুটা অৱলম্বন কৰি জৰীপ কৰা হয়—

১। ত্ৰিকোণীয় পদ্ধতি (Triangulation)।

২। অথালি পথালিকৈ থকা পদ্ধতি (Traversing)।

**১। ত্ৰিকোণীয় ঃ** কোনো এটা অঞ্চলত, আপেক্ষিকভাৱে অৱস্থান লৈ থকা বিন্দুবোৰৰ দূৰত্ব নিৰ্ধাৰণ কৰিবলৈ যাওঁতে, শাৰীবদ্ধভাৱে থকা ত্ৰিভুজৰ, মোটামুটি নক্সা বনাই লৈ জৰীপ কৰা হয়। এনে পদ্ধতি অৱলম্বন কৰোঁতে, প্ৰতিটো ত্ৰিভুজৰে একোটা ফালৰ দৈৰ্ঘ্যৰ জোখ-মাখ লৈ, ভূমিৰেখাৰ পৰা বাকী দুটা বাহুৰ আনুমানিক কোণ আৰু দীঘৰ জোখ লোৱা হয়। এই প্ৰক্ৰিয়াৰে কোনো ঠাইৰ স্থানাংক নিৰ্ণয় কৰা সহজ সাধ্য হয়।

**২। অথালি পথালি কৈ থকা পদ্ধতি (Traversing) ঃ** এই পদ্ধতি যাত্ৰা পথ, পথাৰ আদিবোৰৰ জৰীপ কাৰ্যত ব্যৱহাৰ হয়। ত্ৰিকোণীয় পদ্ধতিৰ লেখিয়া, অথালি-পথালিকৈ জোখ-মাখ লোৱা প্ৰক্ৰিয়া সিমান নিখুঁট নহয়। কিছুমান সংযুক্ত ৰেখাৰ মাধ্যমেৰে, ৰৈখিক জোখ আৰু কৌণিক দূৰত্বৰো জোখ লোৱা হয়।




**চিত্ৰ ৫.১১ ঃ শিকলি জৰীপ**

জৰীপ কৰা আন আন পদ্ধতিৰ ভিতৰত 'শিকলি জৰীপ' আটাইতকৈ সৰল আৰু কেৱল পথাৰৰ জোখমাখ ল'বলৈ ব্যৱহৃত হোৱা এটা সাধাৰণ পদ্ধতি। নিৰ্দিষ্ট স্থানৰ জোখ-মাখ লৈ, বাকী কামবোৰ অৰ্থাৎ গণনা, অঙ্ক আদিক অন্য ঠাইলৈ গৈও কৰিব পৰা যায়। বৰ বেছি খলা-বমা নথকা সৰু সমতল অঞ্চলৰ বাবে এই পদ্ধতিৰ ব্যৱহাৰৰ যুক্তি থাকে।

জৰীপ কাৰ্যত ভালেমান সংখ্যক 'শিকলি' ব্যৱহাৰ হয় যদিও, প্ৰধানকৈ 'ইঞ্জিনিয়াৰ্চ চেইন' আৰু

'গান্টাৰছ চেইন'ৰ বেছি ব্যৱহাৰ হয়। ইঞ্জিনিয়াৰ্চ চেইনৰ দৈৰ্ঘ 100 lt আৰু 100টা জোৰা আছে আৰু প্ৰতি 10টা জোৰাৰ মূৰে মূৰে একোটা খাজ কটা মাৰি থাকে, যাৰ দ্বাৰা জোখ-মাখৰ অধ্যয়ন কৰা সূচল হয়। গান্টাৰচ চেইনৰ দৈৰ্ঘ 66 lt.

**জৰীপ কৰ্ত্তাসকলে কি কি সঁজুলি ব্যৱহাৰ কৰে ঃ** জৰীপকৰণত ব্যৱহৃত হৈ অহা মূল সঁজুলিবোৰ এনেধৰণৰ— থিয়ড'লাইট (Theodolite), জোখ-মাখ লোৱা ফিটা (Measuring tape), 3D স্কেনাৰ, GPS/ GNSS স্তৰ, আৰু লোহাৰ দণ্ড। বেছি দূৰত্বৰ জোখ ল'ব লগা নহ'লে, সাধাৰণতে ফিটাৰে সৰু সুৰা জোখ-মাখ লোৱা হয়।

## ভূগোল অধ্যয়নত ব্যৱহাৰ হোৱা এবিধ প্ৰযুক্তি ঃ দূৰ সংবেদন (Remote Sensing)

ই এক বিশেষ প্ৰযুক্তি, য'ত প্ৰত্যক্ষ সংস্পৰ্শত নহাকৈ, সংবেদনৰ জৰিয়তে কোনো ঠাই বা বস্তুৰ বিষয়ে দূৰৰ পৰাই তথ্যপাতি আদি সংগ্ৰহ কৰা হয়। এই প্ৰযুক্তি মুখ্যভাৱে জড়িত হৈ থাকে, সংবেদনযুক্ত কৃত্ৰিম উপগ্ৰহ বা উচ্চতাৰে উৰা বিমান। কৃত্ৰিম উপগ্ৰহই বা অধিক উচ্চতাৰে উৰা আকাশীযানবোৰে পৃথিৱীখনক সূক্ষ্মাতিসূক্ষ্মৰূপে পৰীক্ষা কৰিব বা তথ্য সংগ্ৰহ কৰিব পাৰে।

সংবেদনশীল উৎকৃষ্ট কেমেৰাৰে ভূচিত্ৰ গ্ৰহণ কৰি থাকে আৰু গৱেষকসকলে 'সংবেদন'ক অধ্যয়ন কৰি লৈ নিজৰ প্ৰয়োজন অনুসৰি সেইবোৰ বিশ্লেষণ আৰু ব্যৱহাৰৰ উপযোগী কৰি তুলিব পৰা হ'ল।

পদ্ধতিমূলকভাৱে চন'গ্ৰাফি থকা জাহাজৰ দ্বাৰা মহাসমুদ্ৰ তলিৰ হুবহু তথ্য এনেভাৱে পাব পৰা হ'ল, যিটো ডুবাৰু সকলৰ পক্ষে অসাধ্যকৰ।


উপগ্ৰহৰ পৰা দূৰ সংবেদনশীল কেমেৰা ব্যৱহাৰ কৰি, মহাসমুদ্ৰৰ তাপমানৰ সালসলনিৰ হুবহু তথ্যও পাবলৈ সহজসাধ্য হ'ল।

দূৰসংবেনদৰ আন কেতবোৰ বৈশিষ্ট্যপূৰ্ণ ব্যৱহাৰ এনেধৰণৰ —

যদি কোনো বৃহৎ বনাঞ্চল বনাগ্নিত পতিত হয়, মহাকাশৰ পৰা তাৰ চিত্ৰ তৎকালীনভাৱে বনৰক্ষকক যোগান ধৰিব পাৰে।

আকাশত, মেঘৰ চালচলনলৈ লক্ষ্য ৰাখি দৈনিক বতৰৰ বাতৰিৰ যোগান সহজতে দিয়াৰ লগতে, ডাঙৰ ধুমুহা যেনে— ফাইলিন, চিনুক, বৰদৈচিলা, কালবৈশাখী, টৰ্নেড', ফণি আদিৰ গতিবিধি আৰু বেগৰ হুবহু তথ্য দিয়ে। আগ্নেয়গিৰিৰ উদ্‌গীৰণ হৈ থকা সময়ৰ ছবি, নতুনা, পৃথিৱী পৃষ্ঠত বলি থকা ধূলিৰ ধুমুহাৰ ছবিবোৰো তৎকালীনভাৱে যোগান ধৰে।

মহাসমুদ্ৰৰ তলিখনৰ সঠিক মানচিত্ৰ আৰু লগতে নতুন অৱয়ব আৱিষ্কাৰ কৰাৰ ক্ষেত্ৰতো দূৰ সংবেদনৰ প্ৰয়োগ থাকে। মহাসমুদ্ৰ তলিৰ খলা-বমাবোৰ যেনে— বৃহৎ পৰ্বতৰ লানি, দ' খাত নতুবা চুম্বকীয় ধুহি নিয়া কাৰ্যকো চিত্ৰ সহকাৰে দেখুৱাব পাৰে।




**চিত্ৰ ৫.১২ ঃ কৃত্ৰিম উপগ্ৰহৰ প্ৰয়োগেৰে দূৰ-সংবেদন**

## ভৌগোলিক তথ্য ব্যৱস্থা (GIS) ঃ

ভৌগোলিক তথ্য ব্যৱস্থা (Geographical Information System) চমুকৈ GIS হ'ল এটি পদ্ধতি, অৰ্থাৎ এক কম্পিউটাৰ ভিত্তিক পদ্ধতি, য'ত পৃথিৱীৰ বিভিন্ন অঞ্চলৰ তথ্যপাতি সংগ্ৰহ, অধিগ্ৰহণ, সংৰক্ষণ কৰি ল'ব পাৰি। পিছলৈ সেই আটাইখিনি তথ্যকে কাৰ্যনিৰ্বাহ আৰু বিশ্লেষণৰ দ্বাৰা সামৰি সুতৰি লৈ নথিৰ চামিল কৰি থ'ব পাৰে। এটি সুসম্বলিত ব্যৱস্থা য'ত, হাৰ্ডৱেৰ, ছফটৱেৰ, জনসাধাৰণ, বিভিন্ন সংগঠন আদিবোৰক পৰীক্ষণ, নিৰীক্ষণ কৰি প্ৰচাৰৰ প্ৰসাৰতা ৰখা হয়। GIS প্ৰযুক্তি এবিধ সঁজুলি, যিয়ে পৃথিৱীৰ বিভিন্ন তথ্য পাতিবোৰৰ বিষয়ে চিন্তা-চৰ্চা কৰোঁতে আন্তঃপ্ৰক্ৰিয়া আৰু বিশ্লেষণ কৰাৰ সুবিধা দিয়ে। মানচিত্ৰ এখনৰ যিকোনো তথ্যকে সম্পাদনাৰ দ্বাৰা ফলাফল কাৰ্যকৰী কৰাত সহায় কৰে।

GIS ছফটওৱেৰে বহুতো কাৰ্যকে সামৰি লয়। যেনে— ডিজিটেল মেপক একগোট কৰা কাৰ্যবোৰ। এই পদ্ধতিটো আকৌ কেইবা প্ৰকাৰে বৰ্গীকৰণ কৰা হৈছে আৰু তাৰ মুখ্য চাৰিটা উপাদান হ'ল ক্ৰমে—


**(i) সংগ্ৰহ (Input) ঃ** মানচিত্ৰ, পৰিক্ৰমিত মানচিত্ৰ, আকাশৰ পৰা তোলা ছবি (Aerial Photos), উপগ্ৰহৰ পৰা লোৱা চিত্ৰ, জৰীপ (Survey) আদিৰে বিভিন্ন ভৌগোলিক তথ্য সংগ্ৰহ কৰা হয়।

**(ii) সংৰক্ষণ (Conservation) ঃ** তথ্য সংগ্ৰহ কৰাৰ পিছত উপযুক্তভাৱে সেইবোৰক তথ্য ভাণ্ডাৰ হিচাবে সংৰক্ষণ কৰে। প্ৰয়োজন সাপেক্ষে সম্পাদনা, অনুসন্ধান, পুনৰুদ্ধাৰ বা বৰ্তমানৰ তাৰিখলৈ অৰ্থাৎ Update কৰি ল'ব পাৰে।

(iii) **বিশ্লেষণ (Analysis) ঃ** বিশ্লেষণৰ মাধ্যমেৰে নতুন তথ্য সম্বলিত কৰা হয় বা উদ্‌ঘাটনো কৰিব পাৰে।

(iv) **উৎপাদন (Production) ঃ** বিশ্লেষণৰ মাধ্যমেৰে নিঃসৰণ কৰি উলিওৱা ফলাফলক বিভিন্ন উপাদানেৰে যেনে— গ্ৰাফ বা লেখনিচিত্ৰ, দণ্ডচিত্ৰ, জ্যামিতিক চিত্ৰ, মানচিত্ৰ তালিকা, ৰেখা চিত্ৰ, বিৱৰণী, প্ৰতিবেদন আদিক প্ৰস্তুত কৰি উলিওৱাকে উৎপাদন (Output) বোলে। এনেদৰে পোৱা সঠিক তথ্যৰ দ্বাৰা বিভিন্ন বিষয়ক সিদ্ধান্ত গ্ৰহণ কৰিবলৈ সহজসাধ্য হৈ পৰে।

'ৰ'জাৰ টমলিনচন'ক, Geographical Information System ৰ পিতৃ বুলি আখ্যা দিয়া হৈছে। আনহাতে এইখিনিতে আন এটা কথা জানি থোৱা ভাল যে 1992 চনত মাইকেল ফ্ৰ্যাঙ্ক গুডচাইল্ড এ পোন প্ৰথমতে "GI Science নামক পৰিভাষাটিক পৰিচয় কৰাই দিছিল।




চিত্ৰ ৫.১৩ ঃ ভৌগোলিক তথ্য ব্যৱস্থা (GIS)

# প্ৰশ্নাৱলী

1. একোটা শব্দেৰে উত্তৰ দিয়া ঃ
   (i) ভূগোল বিজ্ঞানত ব্যৱহাৰ হৈ থকা প্ৰধান আহিলাক ——— বোলে।
   (ii) ————, সহায় লৈ মানচিত্ৰ অঙ্কন কৰা হয়।
   (iii) ———— পোন প্ৰথমতে পৃথিৱীৰ আকাৰৰ জ্ঞান দিছিল।
   (iv) ইছলামীয় সোণোৱালী যুগৰ বিখ্যাত মানচিত্ৰকৰ ——— য়ে, ১১৫৪ চনত উৎকৃষ্ট মানচিত্ৰ প্ৰস্তুত কৰিছিল।
   (v) অক্ষৰেখা আৰু দ্ৰাঘিমাৰেখাই কটাকটি কৰি ——— গঠন কৰে।
   (vi) পথাৰ জৰীপ কৰোতে, অতি সৰল পদ্ধতি ——— ব্যৱহাৰ কৰা হয়।
2. চমুত উত্তৰ দিয়া ঃ
   (i) মাপনী কাক বোলে? ই কেইপ্ৰকাৰৰ আৰু কি কি?
   (ii) ২ মাইল = ৬৩৩৬০ ক নিৰূপক ভগ্নাংশলৈ প্ৰকাশ কৰা।
   (iii) ৰৈখিক মাপনী আৰু কৰ্ণ মাপনীৰ মাজত পাৰ্থক্য কি?
   (iv) দূৰ সংবেদন কাক কয়?
   (v) মানচিত্ৰৰ সৈতে কি কি উপাদান জড়িত হৈ আছে?
   (vi) মানচিত্ৰ কেই প্ৰকাৰৰ আৰু কি কি?
   (vii) জৰীপ কাৰ্য বুলিলে কি বুজায়?
3. নিম্নলিখিত সমূহক চমুকৈ বুজাই লিখা ঃ
   (i) অভিক্ষেপ কাক বোলে? ই কেই প্ৰকাৰৰ আৰু কি কি?
   (ii) 'GIS ছফ্‌ট্‌ৱেৰৰ' দ্বাৰা কি কি কাৰ্য সাধন হয়?
   (iii) দূৰ সংবেদনৰ চমু আভাস দিয়া।
4. নিম্নলিখিত প্ৰশ্ন কেইটাক বহলাই লিখা ঃ
   (i) ভূগোল বিজ্ঞানত ব্যৱহাৰ হোৱা মানচিত্ৰৰ ইতিহাসৰ বিষয়ে বৰ্ণনা কৰা।
   (ii) 'শিকলি' জৰীপত কি কি ব্যৱহাৰ হয় বৰ্ণনা কৰা।
   (iii) 'বেলন' অভিক্ষেপ কাক বোলে আৰু কেনে অৰ্থত ব্যৱহাৰ হয় লিখা।

**ব্যৱহাৰিক কাৰ্য ঃ**

তোমালোকৰ বিদ্যালয়ত থকা খেলপথাৰখনত কেনেদৰে জৰীপ কাৰ্য সাধন কৰিবা শিক্ষক বা সমল ব্যক্তিৰ সহায় লৈ কৰা। 'শিকলিৰে' জৰীপ কাৰ্য কেনেভাৱে কৰিব পাৰি, সমল ব্যক্তিৰ পৰা আহৰণ কৰা আৰু দৈৰ্ঘ্য, প্ৰস্থ আদিবোৰ শ্ৰেণীকোঠাত বহি হিচাব নিকাচ কৰি ল'ব পাৰিবা। এই বিষয়ে এটি প্ৰকল্পও প্ৰস্তুত কৰিব পৰা যায়।

# দ্বিতীয় ভাগ

## বুৰঞ্জী

ষষ্ঠ অধ্যায়

# অসমৰ ৰাজনৈতিক বিকাশ (১৮২৬-১৯৮৫)

**প্ৰয়োজনীয় তথ্য**

- ইয়াণ্ডাবু সন্ধিৰ পিছত অসমত ব্ৰিটিছ শাসনৰ আৰম্ভণি। ব্ৰিটিছ শাসনত ৰাজ্যখনৰ প্ৰশাসনিক, ৰাজহ আৰু ন্যায়িক ব্যৱস্থাৰ সংস্কাৰ সাধন। ইংৰাজৰ শাসনৰ বিৰুদ্ধে উজনি অসমত আহোম ডা-ডাঙৰীয়া এচামে বিদ্ৰোহ গঢ়ি তুলিছিল।
- ব্ৰিটিছৰ বৰ্দ্ধিত ভূমি ৰাজহৰ বিৰুদ্ধে অসমত কেবাটাও কৃষক বিদ্ৰোহৰ সৃষ্টি হৈছিল।
- চিপাহী বিদ্ৰোহৰ সময়ত মণিৰাম দেৱানৰ নেতৃত্বত অসমৰ পৰা ইংৰাজক খেদি পঠিওৱাৰ বাবে কৰা পৰিকল্পনা ব্যৰ্থ হৈছিল।
- ইংৰাজ আমোলত ৰাজনৈতিক-সামাজিক সচেতনতা বৃদ্ধিৰ বাবে ৰাজ্যখনত কেবাটাও অনুষ্ঠান-প্ৰতিষ্ঠানে আত্মপ্ৰকাশ কৰিছিল।
- স্বাধীনতা সংগ্ৰামৰ কালছোৱাত অসমতো সাম্ৰাজ্যবাদ বিৰোধী মুক্তি চেতনাৰ উন্মেষ ঘটিছিল।
- স্বাধীনতা লাভৰ পিছত গোপীনাথ বৰদলৈৰ নেতৃত্বত অসমত ৰাজ্য চৰকাৰ এখন গঠন হয়। স্বাধীন দেশত ৰাজ্যখনত আৰ্থ-সামাজিক উন্নয়ন, উদ্যোগ, ৰে'লপথ আৰু যাতায়ত-যোগাযোগৰ উন্নতি সাধন হোৱা দেখা যায়।
- চীন-ভাৰতৰ যুদ্ধ, ভৈয়ামৰ জনজাতীয় ৰাজনীতি, ভাৰত-পাক যুদ্ধই অসমৰ ওপৰত বাৰুকৈয়ে প্ৰভাৱ পেলাইছিল।
- অবৈধ অনুপ্ৰৱেশক কেন্দ্ৰ কৰি গঢ়ি উঠা বিদেশী বিতাড়ন আন্দোলনটো অসম চুক্তি সম্পাদনৰ জৰিয়তে সামৰণি পৰে। ১৯৮৫ চনত প্ৰথমবাৰৰ বাবে আঞ্চলিক দল অসম গণ পৰিষদৰ নেতৃত্বত অসমত ৰাজ্য চৰকাৰ এখন গঠন হয়।

# ইয়াণ্ডাবু সন্ধি ; পৰিক্ৰমা, চৰ্তাৱলী আৰু ফলাফল
## ঐতিহাসিক পৰিক্ৰমা ঃ আহোম শাসনৰ অৱনতি

**ইয়াণ্ডাবু সন্ধিৰ পটভূমি ঃ** ঊনৈশ শতিকাৰ আৰম্ভণিতে ইংৰাজে অসম দখল কৰাৰ আগে আহোমসকলে প্ৰায় ছয়শ বছৰকাল অসমত ৰাজত্ব চলাইছিল। আহোম ৰাজ্যখন পূবে পাটকাই পৰ্বতৰ পৰা পশ্চিমে মানাহ নদীলৈকে প্ৰায় আঠশ কিলোমিটাৰ পৰ্যন্ত বিস্তৃত আছিল। ব্ৰহ্মপুত্ৰ নদীৰ উত্তৰে ভূটীয়া, অকা, দফলা, মিচিং, মিচিমি আৰু চিংফৌসকলৰ বসতি অঞ্চল চুইছিল। দক্ষিণে আহোম ৰাজ্যখনে নগাভূমিলৈ বিস্তাৰ লাভ কৰাৰ লগতে মণিপুৰ আৰু ব্ৰহ্মদেশৰ সীমা স্পৰ্শ কৰিছিল। আহোমসকলে মূলতঃ ব্ৰহ্মপুত্ৰ উপত্যকাত শাসন কৰিলেও, উত্তৰ-পূব ভাৰতত আহোম ৰাজশক্তিক দাঁতি-কাষৰীয়া সৰু-বৰ ৰাজ্যই মান্যতা প্ৰদান কৰিছিল।

অসম ৰাজ্যখন ভৌগোলিক অৱস্থানৰ বাবে দীৰ্ঘদিন ধৰি ভাৰত ভূমিৰ মূল ভূ-খণ্ডৰ পৰা বিচ্ছিন্ন হৈ আছিল। আনহাতে, পাহাৰ-পৰ্বত, নৈ-বিলেৰে ভৰা অসমৰ শাসনকৰ্তা আহোমসকলেও একাষৰীয়াকৈ থকা নীতিকে অৱলম্বন কৰিছিল।

আহোম শাসনলৈ চালে দেখা যায়, ৰুদ্ৰসিংহৰ পিছৰকালৰ আহোম ৰাজসকল দুৰ্বল আছিল। আহোম ৰাজ্য শাসনৰ বাবে সিংহাসনৰ দাবীদাৰ সকলৰ মাজত অৰিয়া-অৰিৰো সৃষ্টি হৈছিল। আহোম শাসনৰ দুৰ্বলতা, ডা-ডাঙৰীয়াৰ মইমতালি আৰু শাক্তপন্থা-বৈষ্ণৱপন্থাৰ সংঘাতৰ ফলত অসমত তিনিটাকৈ মোৱামৰীয়া বিদ্ৰোহৰ সূচনা হৈছিল। আহোম ৰাজশক্তিৰ বিৰুদ্ধে সৃষ্টি হোৱা মোৱামৰীয়া বিদ্ৰোহে আহোম শাসনৰ ভেটি দুৰ্বল কৰি তুলিছিল। বিদ্ৰোহী মোৱামৰীয়াসকলে আহোমৰ ৰাজধানী দখল কৰাৰ চেষ্টা চলোৱাত, গৌৰীনাথ সিংহই ৰাজধানী এৰি গুৱাহাটীত আশ্ৰয় ল'বলগীয়া হৈছিল। গৌৰীনাথে মোৱামৰীয়া বিদ্ৰোহ দমন কৰাৰ বাবে সামৰিক সাহায্য বিচাৰি লৰ্ড কৰ্ণৱালিচলৈ আবেদন জনাইছিল।

১৭৮৪ চনত ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ঘোষণা কৰা নীতি অনুসৰি গৱৰ্ণৰ-জেনেৰেল লৰ্ড কৰ্ণৱালিচে দেশীয় ৰাজ্যৰ আভ্যন্তৰীন ক্ষেত্ৰত হস্তক্ষেপ কৰিব বিচৰা নাছিল। কিন্তু ৰংপুৰৰ কালেক্টৰ আৰু কোচ বিহাৰৰ কমিচনাৰ দুগৰাকীয়ে আহোম ৰাজ্যৰ ৰাজনৈতিক অস্থিৰতাই অসম আৰু বঙ্গদেশৰ ব্যৱসায়-বাণিজ্যৰ পৰিৱেশ বিনষ্ট কৰিব পাৰে বুলি গৱৰ্ণৰ-জেনেৰেলক সতৰ্ক কৰি দিছিল। আনহাতে গৌৰীনাথ সিংহই কোম্পানীৰ সেনা বাহিনীৰ খা-খৰচ দিবলৈ সন্মতি প্ৰকাশ কৰাত কৰ্ণৱালিচে, 'অসমৰ আভ্যন্তৰীণ পৰিস্থিতিটো ভালদৰে জনাৰ বাবে' আৰু 'ব্যৱসায়-বাণিজ্যৰ খা-খবৰ' সংগ্ৰহ কৰাৰ অৰ্থে কেপ্তেইন থমাছ ৱেলচক অসমলৈ প্ৰেৰণ কৰাৰ অনুমতি প্ৰদান কৰিছিল।

১৭৯২ চনৰ চেপ্তেম্বৰ মাহত ৱেলচক অসমলৈ প্ৰেৰণ কৰা হৈছিল। ৱেলচে অসমৰ ব্যৱসায়-বাণিজ্য, বিশেষকৈ নিমখৰ বিশাল বাণিজ্যৰ সম্ভাৱনাৰ বিষয়ে কৰ্ণৱালিচক অৱগত কৰিছিল। কেপ্তেইন ৱেলচে গৌৰীনাথ সিংহক আহোমৰ সিংহাসনত পুনৰ প্ৰতিষ্ঠা কৰে, কামৰূপৰ পৰা বৰকান্দাজসকলক বঙ্গদেশলৈ ঘূৰাই পঠিয়ায় আৰু উজনি অসমত মোৱামৰীয়া বিদ্ৰোহীসকলক পৰাভূত কৰাত সাফল্য অৰ্জন কৰে। কিন্তু কৰ্ণৱালিচৰ পৰিৱৰ্তী গৱৰ্ণৰ জেনেৰেল, চাৰ জনচোৰে, দেশীয় ৰাজ্যৰ ক্ষেত্ৰত গ্ৰহণ কৰা অনা-হস্তক্ষেপ নীতিৰ বাবে

ৰেলচক অসমৰ পৰা উভটি যাবলৈ নিৰ্দেশ জাৰি কৰিছিল। ইয়াৰ সুযোগ লৈ, বৰকান্দাজসকলে কামৰূপ আৰু দৰং অঞ্চলত পুনৰ প্ৰৱেশ কৰি উপদ্ৰৱ আৰম্ভ কৰিছিল। মোৱামৰীয়া, খামতি আৰু চিংফৌসকলেও আহোম শাসনৰ বিৰুদ্ধে বিদ্ৰোহ গঢ়ি তুলিছিল।

**মানৰ আক্ৰমণ ঃ** গৌৰীনাথ সিংহৰ অকাল বিয়োগৰ পিছত আহোম ৰাজবংশটো সিংহাসনৰ উত্তৰাধিকাৰীক কেন্দ্ৰ কৰি বিভক্ত হৈ পৰিছিল। কমলেশ্বৰ সিংহ আৰু চন্দ্ৰকান্ত সিংহ পূৰ্ণানন্দ বুঢ়াগোহাইৰ হাতৰ পুতলাত পৰিণত হৈছিল। নামনি অসম শাসনৰ দায়িত্বত থকা বদন বৰফুকনে পূৰ্ণানন্দৰ ৰাজনৈতিক হস্তক্ষেপৰ বিৰোধিতা কৰিছিল আৰু এই কথাত ক্ষুদ্ধ হৈ বুঢ়াগোহাইয়ে বদন বৰফুকনক গুৱাহাটীৰ পৰা ধৰি আনিবলৈ সেনা প্ৰেৰণ কৰিছিল। বদনে এই কথা আগতীয়াকৈ গম পাই কলিকতালৈ পলাই যায়। কলিকতাত পূৰ্ণানন্দৰ বিৰুদ্ধে ইংৰাজৰ সহায় লাভ কৰাত বিফল হৈ অমৰপুৰত থকা ব্ৰহ্মদেশৰ প্ৰতিনিধিৰ ওচৰত পূৰ্ণানন্দৰ বিৰুদ্ধে সহায় বিচাৰে। ব্ৰহ্মদেশৰ শাসনকৰ্তাই পূৰ্বৰে পৰা নিজ দেশৰ সীমা পশ্চিমফালে সম্প্ৰসাৰণ কৰাৰ বাবে সুযোগ বিচাৰি আছিল। বদন বৰফুকনৰ প্ৰস্তাৱলৈ সহঁাৰি জনাই ১৮১৭ চনত মান সেনাবাহিনী এটা আহি অসমত উপস্থিত হৈছিল আৰু মানে চন্দ্ৰকান্ত সিংহক আহোম সিংহাসনত প্ৰতিষ্ঠা কৰি নিজ দেশলৈ উভটি গৈছিল। মান উভটি যোৱাৰ পিছতে চন্দ্ৰকান্তক পুনৰবাৰ ক্ষমতাচ্যুৎ কৰি তেওঁৰ ঠাইত পুৰন্দৰ সিংহক আহোম ৰাজ্য শাসনৰ দায়িত্বভাৰ অৰ্পণ কৰে। চন্দ্ৰকান্তৰ অনুৰোধমৰ্মে ১৮১৯ চনত পুনৰ মান সেনা অসমত প্ৰৱেশ কৰে। মান সেনাপতি আলা মিঙ্গিক প্ৰতিৰোধ কৰিব নোৱাৰি পুৰন্দৰে গুৱাহাটীত আশ্ৰয় লয় আৰু পৰৱৰ্তী কালত বঙ্গদেশৰ শিলমাৰীত বাহৰ পাতে। মানে চন্দ্ৰকান্ত সিংহক পুনৰ আহোম ৰজাৰূপে ঘোষণা কৰে।

কিন্তু স্বৰ্গদেউৰ দায়িত্ব লোৱাৰ কিছুদিন পিছতেই চন্দ্ৰকান্তই মানৰ আগ্ৰাসনমূলক নীতিৰ উমান পায়। কিয়নো মানে দ্বিতীবাৰ অসমলৈ অহাৰ সময়ত অসম ভূখণ্ড দখল কৰাৰ পৰিকল্পনা কৰি আহিছিল। মান ৰজা বা-গী দাৱ'ৱে অসমক ব্ৰহ্মদেশৰ লগত চামিল কৰাৰ আঁচনি লৈছিল। মান ৰজাৰ এনে দৃষ্টিভংগীৰ বাবে চন্দ্ৰকান্ত সিংহ মানৰ হাতৰ পুতলাত পৰিণত হৈছিল। নিৰুপায় হৈ চন্দ্ৰকান্তই নিজ ৰাজ্য এৰি বঙ্গদেশত আশ্ৰয় ল'বলৈ বাধ্য হৈছিল আৰু মানৰ হাতৰ পৰা আহোম ৰাজ্য পুনৰ উদ্ধাৰ কৰাৰ চেষ্টা চলাইছিল। মান ৰজাই অসমৰ ৰাজনৈতিক ঘটনাৱলীক গভীৰভাৱে লৈছিল আৰু ১৮২২ চনত ৩০,০০০ মান সেনাৰে সৈতে সেনাপতি মিঙ্গিমাহা বন্দুলাক অসমলৈ প্ৰেৰণ কৰে। মিঙ্গিমাহাৰ আগমনে অসমত আহোম শাসনৰ অন্ত পেলায়। মিঙ্গিমাহাই আহোম ৰাজবংশৰ যোগেশ্বৰ সিংহক আহোম সিংহাসনত বহুৱালেও প্ৰকৃতাৰ্থত শাসনৰ বাঘজৰী নিজে নিয়ন্ত্ৰণ কৰিবলৈ লয় আৰু অসমত অত্যাচাৰৰ এক অবৰ্ণনীয় অধ্যায়ৰ সূচনা কৰে।

অসমৰ ৰাজনৈতিক ঘটনা প্ৰবাহৰ বিষয়ে ৰংপুৰৰ চিভিল কমিছনাৰ ডেভিড স্কটে ইষ্ট ইণ্ডিয়া কোম্পানীৰ উৰ্দ্ধতন কৰ্তৃপক্ষক জনাই আছিল। ১৮২২ চনৰ জুলাই মাহত উৰ্দ্ধতন কৰ্তৃপক্ষলৈ লিখা প্ৰতিবেদনত এই বুলি জনাইছিল যে মানসকলে অসমৰ ওপৰত সম্পূৰ্ণ কৰ্তৃত্ব স্থাপন কৰে আৰু তেওঁলোকৰ প্ৰতিনিধি এজনক ৰাজ্যখনৰ সৰ্বোচ্চ ক্ষমতাৰ গৰাকী ৰূপে নিয়োগ কৰা ঘটনাই আহোম ৰাজ্যখন ব্ৰহ্মদেশৰ সম্ৰাটৰ অধীনলৈ যোৱা বুলি বিবেচনা কৰিব পাৰি।

এই সময়ছোৱাত ব্ৰহ্মদেশ আৰু ইষ্ট ইণ্ডিয়া কোম্পানীৰ মাজৰ সম্পৰ্ক বিঘ্নিত হৈ পৰিছিল। মানসকলে

ৰংপুৰ এলেকাৰ হাব্ৰাঘাট অঞ্চলত লুটপাত চলোৱাৰ উপৰি ব্ৰিটিছ অধীকৃত গোৱালপাৰাত অনুপ্ৰৱেশ কৰিছিল। মিঙ্গিমাহা বন্দুলাই বিশাল আয়োজনেৰে গোৱালপাৰা আক্ৰমণ কৰাৰ প্ৰস্তুতি চলোৱা বুলি উৰা বাতৰি বিয়পি পৰিছিল। ১৮২৩ চনত মানসকলে চিটাগং সীমান্তৰ চাহপুৰী দ্বীপটো দখল কৰে। একে সময়তে মানে মণিপুৰৰ ৰজা গম্ভীৰ সিংহৰ ওচৰত কাছাৰৰ ৰজা গোবিন্দ চন্দ্ৰক মণিপুৰৰ পৰা বহিষ্কাৰ কৰাৰ দাবী উত্থাপন কৰে। বংগদেশক তিনিওফালৰ পৰা আক্ৰমণ কৰাৰ বাবে মানে লোৱা সামৰিক প্ৰস্তুতিয়ে ইষ্ট ইণ্ডিয়া কোম্পানীৰ প্ৰশাসনক সতৰ্ক কৰি তোলে।

ব্ৰহ্মদেশে ইষ্ট ইণ্ডিয়া কোম্পানীৰ অধীকৃত অঞ্চলত নিৰাপত্তাৰ প্ৰতি ভাবুকি সৃষ্টি কৰাৰ লগতে উত্তৰ-পূৰ্বাঞ্চলত ইংৰাজৰ বাণিজ্যিক স্বাৰ্থকো বিঘ্নিত কৰিছিল। এনে পৰিস্থিতিত ইষ্ট-ইণ্ডিয়া কোম্পানীৰ চৰকাৰে দেশীয় ৰাজ্যৰ প্ৰতি গ্ৰহণ কৰা অনা-হস্তক্ষেপ নীতিক পুনৰ বিবেচনা কৰিবলৈ বাধ্য হৈছিল।

**প্ৰথম ইংগ-বাৰ্মা যুদ্ধ ঃ** ১৮২৩ চনৰ নৱেম্বৰ মাহত ৰংপুৰৰ কমিছনাৰৰ দায়িত্বৰ লগতে ডেভিদ স্কটক উত্তৰ-পূব সীমান্তৰ গৱৰ্ণৰ জেনেৰেলৰ এজেণ্ট হিচাপে নিযুক্তি প্ৰদান কৰে। ডেভিদ স্কটে পঠোৱা কেইবাখনো প্ৰতিবেদন চালি জাৰি চাই, ইষ্ট-ইণ্ডিয়া কোম্পানীৰ গভৰ্ণৰ জেনেৰেল পৰিষদে মানক কঠোৰ শাস্তি প্ৰদান কৰা আৰু অসমৰ পৰা খেদি পঠিওৱাৰ বাবে নীতি-নিৰ্ধাৰণ কৰে। আৰাকান, অসম আৰু কাছাৰত মানে কৰা অনুপ্ৰৱেশৰ ঘটনাক ইষ্ট-ইণ্ডিয়া কোম্পানী আৰু ব্ৰহ্মদেশৰ মাজৰ যুদ্ধ সদৃশ বাতাবৰণ বুলি বিবেচনা কৰা হয় আৰু ১৮২৪ চনত ব্ৰহ্মদেশৰ বিৰুদ্ধে ইষ্ট ইণ্ডিয়া কোম্পানীয়ে যুদ্ধ ঘোষণা কৰে।

লেফটেনেণ্ট ক'ল'নেল ৰিচাৰ্ডচৰ নেতৃত্বত এটা ব্ৰিটিছ সেনা বাহিনী ব্ৰহ্মপুত্ৰ উপত্যকালৈ অগ্ৰসৰ হয় আৰু ৰংপুৰ অধিকাৰ কৰে। কাছাৰ আৰু মণিপুৰৰ পৰাও মানসকলক খেদি পঠিওৱা হয়। একে সময়তে আৰাকান, টেনাচেৰিম, পেগু আৰু উজনি ব্ৰহ্মদেশত ইংৰাজ সেনাই মানৰ বিৰুদ্ধে সামৰিক অভিযান চলায় আৰু ইয়াৰ ফলত ব্ৰহ্মদেশৰ বৃহৎ ক্ষতি হয়। ইতিমধ্যে ১৮২৫ চনৰ এপ্ৰিল মাহত মিঙ্গিমাহা বন্দুলাৰ মৃত্যু হয় আৰু ১৮২৬ চনত মানে ব্ৰিটিছ সেনাৰ বিৰুদ্ধে প্ৰয়োজনীয় প্ৰতিৰোধ গঢ়ি তোলাত বিফল হয়। জেনেৰেল আৰ্চিবল কেম্বেলৰ নেতৃত্বত মূল ব্ৰিটিছ সেনাবাহিনীয়ে ব্ৰহ্মদেশৰ ৰাজধানী আভাৰ ওচৰত অৱস্থিত ইয়াণ্ডাবু নামৰ গাঁও এখনত উপস্থিত হয়। এনে পৰিস্থিতিত বাধ্য হৈ মান ৰজা বা-গী-দাও য়ে ইংৰাজক সন্ধিৰ প্ৰস্তাৱ আগবঢ়ায়। মানৰজা বা-গী-দাও আৰু জেনেৰেল আৰ্চিবল কেম্বেলৰ মাজত ১৮২৬ চনৰ ২৪ ফেব্ৰুৱাৰী তাৰিখে ঐতিহাসিক ইয়াণ্ডাবু সন্ধি স্বাক্ষৰিত হয়।

**ইয়াণ্ডাবু সন্ধিৰ চৰ্তাৱলী ঃ** ইয়াণ্ডাবু সন্ধিত ভালেমান গুৰুত্বপূৰ্ণ চৰ্ত সন্নিৱিষ্ট কৰা হয় আৰু অসম তথা দাঁতিকাষৰীয়া ৰাজ্যসমূহৰ ওপৰত ইয়াৰ প্ৰভাৱ পৰাতো বাৰুকৈয়ে পৰিলক্ষিত হয়।

ইংগ-বাৰ্মা যুদ্ধৰ আৰম্ভণিতে ইষ্ট ইণ্ডিয়া কোম্পানীয়ে অসম ভূমিক মানৰ কবলৰ পৰা উদ্ধাৰ কৰি উভটি যোৱাৰ ইচ্ছা ব্যক্ত কৰিছিল যদিও দক্ষিণ-পূব এছিয়াত ব্ৰিটিছ সাম্ৰাজ্যবাদী আকাংক্ষা পূৰণৰ লক্ষ্য, আহোম ৰাজবংশৰ প্ৰতিনিধি সকলৰ মাজত সিংহাসনক লৈ হোৱা প্ৰতিযোগিতা আৰু অসমৰ প্ৰাকৃতিক সম্পদৰাজিক উপনিবেশিক শোষণৰ আওতালৈ অনাৰ বাবে ইষ্ট-ইণ্ডিয়া কোম্পানীয়ে আহোম ৰাজবংশৰ প্ৰতিনিধিৰ সৈতে কোনো আলাপ আলোচনা নকৰাকৈ ব্ৰহ্মদেশৰ ৰজাৰ সৈতে সন্ধিত মিলিত হৈ, অসমৰ ভৱিষ্যত নিৰ্ণয় কৰিছিল। এই সন্ধিৰ চৰ্তাৱলী তলত উল্লেখ কৰা হ'ল —

(১) ব্ৰহ্মদেশ আৰু ইষ্ট ইণ্ডিয়া কোম্পানীৰ মাজত স্থায়ী শান্তি আৰু বন্ধুত্বপূৰ্ণ সম্পৰ্ক ৰক্ষা কৰা হ'ব।

(২) অসম, মণিপুৰ আৰু আৰাকান অঞ্চলবোৰ ইষ্ট ইণ্ডিয়া কোম্পানীৰ শাসনৰ অধীনলৈ যায়; লগতে আভাৰ ৰজাই কছাৰী ৰাজ্য আৰু জয়ন্তীয়া ৰাজ্যৰ বিৰুদ্ধে কৰা আচৰণ বন্ধ কৰিবলৈ সন্মতি প্ৰদান কৰে।

(৩) যুদ্ধৰ ক্ষতিপূৰণ হিচাপে মান ৰজাই ইষ্ট ইণ্ডিয়া কোম্পানীক এক নিযুত পাউণ্ড আদায় দিবলৈ মান্তি হয়।

(৪) ব্ৰহ্মদেশৰ ৰাজধানী আভাত ইষ্ট ইণ্ডিয়া কোম্পানীৰ কূটনৈতিক প্ৰতিনিধি ৰখাৰ অনুমতি প্ৰদান কৰা হয়।

এই সন্ধিৰ দুই নম্বৰ চৰ্ত অনুসৰি অসমখন ইষ্ট-ইণ্ডিয়া কোম্পানীক এৰি দিয়া বুলি উল্লেখ কৰিলেও বিষয়টো সন্দৰ্ভত ইয়াণ্ডাবু সন্ধিত সুস্পষ্টভাৱে উল্লেখ কৰা নাই। সন্ধিৰ দুই নম্বৰ দফাটোত এইদৰে উল্লেখ আছে— 'আভাৰ ৰজাই অসম ৰাজ্যৰ ওপৰত থকা তেওঁৰ দাবী উঠাই লয় আৰু এই ৰাজ্য তথা ইয়াৰ তলতীয়া ৰাজ্যসমূহৰ লগতে চুবুৰীয়া ক্ষুদ্ৰ ৰাজ্য কাছাৰ আৰু জয়ন্তীয়াৰ ক্ষেত্ৰত ভৱিষ্যতে হস্তক্ষেপ নকৰে'।

সন্ধিত উল্লেখ কৰে যে মণিপুৰৰ ৰজা গম্ভীৰ সিঙে নিজ ৰাজ্যলৈ উভতি যোৱাৰ ইচ্ছা প্ৰকাশ কৰিলে, ব্ৰহ্মদেশৰ ৰজাই তেওঁক মণিপুৰৰ ৰজা হিচাপে স্বীকৃতি দিব লাগিব। এই কথাখিনিৰ বাদে অসম, কাছাৰ, জয়ন্তীয়া আৰু মণিপুৰৰ বিষয়ে চুক্তিৰ আন কোনো চৰ্তত একো কথা উল্লেখ কৰা নাই। সন্ধিৰ দুই নম্বৰ দফাটোৰে অসম, কাছাৰ আৰু জয়ন্তীয়াক সমান মৰ্যাদা প্ৰদান কৰিছে আৰু অসমৰ ক্ষেত্ৰত কোনো ধৰণৰ কথা বিশেষভাৱে সন্নিবিষ্ট কৰা হোৱা নাই।

**ইয়াণ্ডাবু সন্ধিৰ ফলাফল ঃ** এই সন্ধিৰ ফলস্বৰূপে ইষ্ট-ইণ্ডিয়া কোম্পানীয়ে কাছাৰ, জয়ন্তীয়া, মণিপুৰ আৰু অসমৰ ক্ষেত্ৰত গ্ৰহণ কৰা ৰাজনৈতিক সিদ্ধান্তবোৰ লক্ষ্য কৰিবলগীয়া। কোম্পানীয়ে ৰজা গোবিন্দ চন্দ্ৰ আৰু ৰজা ৰামসিংহক কাছাৰ আৰু জয়ন্তীয়া ৰাজ্য দুখন শাসন কৰাৰ কৰ্তৃত্ব প্ৰদান কৰে যদিও আহোম ৰাজ প্ৰতিনিধিসকলৰ ক্ষেত্ৰত এনে অধিকাৰ প্ৰদান কৰাৰ পৰা বিৰত থাকে।

**কাছাৰ ঃ** কাছাৰৰ ৰজা গোবিন্দ চন্দ্ৰই কোম্পানীক ১০,০০০ টকা বছৰেকীয়া বৰঙণি দিয়াৰ লগতে কাছাৰৰ আভ্যন্তৰীণ প্ৰশাসনত ব্ৰিটিছৰ হস্তক্ষেপ মানি লৈছিল।

**জয়ন্তীয়া ঃ** জয়ন্তীয়া ৰজা ৰাম সিংহই কাছাৰৰ দৰে বছৰেকীয়া বৰঙণি দিবলগীয়া নহ'লেও তেওঁ ব্ৰিটিছ চৰকাৰৰ সামৰিক অভিযানবোৰত সহায় কৰিব বুলি প্ৰতিশ্ৰুতি দিছিল আৰু ৰাজ্যখনৰ আভ্যন্তৰীণ প্ৰশাসন পৰিচালনাৰ ক্ষেত্ৰত গৱৰ্ণৰ জেনেৰেল কাউন্সিলৰ পৰামৰ্শ মানি চলিবলগীয়া হৈছিল।

**মণিপুৰ ঃ** মণিপুৰৰ বেলিকা ব্ৰিটিছৰ নীতি কিছু সুকীয়া আছিল। ইংগ-বাৰ্মা যুদ্ধকালত ব্ৰিটিছে মণিপুৰৰ ৰজা গম্ভীৰ সিংৰ আনুগত্যক লৈ সন্দেহ প্ৰকাশ কৰিছিল যদিও মানক কাছাৰ আৰু মণিপুৰৰ পৰা বিতাড়ণ কৰাৰ ক্ষেত্ৰত তেওঁ লোৱা ভূমিকা আছিল প্ৰশংসনীয়। এইবাবেই হয়তো ইংৰাজে ইয়াণ্ডাবু সন্ধিৰ দ্বাৰা গম্ভীৰ সিংহক মণিপুৰৰ ৰজাৰূপে স্বীকৃতি প্ৰদান কৰিলেও, এই সন্ধিয়ে গম্ভীৰ সিংৰ সৈতে ব্ৰহ্মদেশৰ সম্পৰ্ক ভৱিষ্যতে কি ধৰণৰ হ'ব, তাক স্পষ্ট কৰা নাছিল। আভাত থকা ব্ৰিটিছ প্ৰতিনিধি মেজৰ বাৰ্ণিয়ে প্ৰেৰণ কৰা

প্ৰতিবেদনত উল্লেখ কৰা মতে, ভৱিষ্যতে ব্ৰহ্মদেশে মণিপুৰৰ ওপৰত অধিকাৰ সাব্যস্ত কৰাৰ দাবী উত্থাপন নকৰে। যদিও যুদ্ধৰ সময়ত ব্ৰহ্মদেশৰ পৰা গম্ভীৰ সিঙে দখল কৰা কাব' উপত্যকা ঘূৰাই বিচাৰে। এই কথাত ব্ৰিটিছ্ সন্মত হয়, কিয়নো ব্ৰিটিছ্ চৰকাৰে বিষয়টো নিষ্পত্তি কৰাৰ ক্ষেত্ৰত গম্ভীৰ সিঙক সৈমান কৰিব পাৰিব বুলি ভাবিছিল।

**অসম ঃ** অসমৰ ক্ষেত্ৰত ইয়াণ্ডাবু সন্ধিৰ প্ৰভাৱ আছিল সম্পূৰ্ণ সুকীয়া। অসমক কাছাৰ আৰু জয়ন্তীয়াৰ সৈতে সন্ধিৰ দুই নম্বৰ দফাত অন্তৰ্ভুক্ত কৰিলেও, ব্ৰিটিছে অসমৰ প্ৰতিনিধিক সন্ধিৰ সৈতে যুক্ত কৰা নাছিল। সেয়েহে, ব্ৰহ্মদেশে অসম এৰি যোৱাৰ পিছত ব্ৰিটিছে অসম অধিকাৰ কৰাত কোনো বাধাৰ সন্মুখীন হোৱা নাছিল। ১৮২৩ চনতে ডেভিদ স্কটে আহোম ৰাজ পৰিয়ালৰ উপযুক্ত প্ৰতিনিধি এগৰাকীক অসম শাসনৰ দায়িত্ব দিয়াৰ প্ৰস্তাৱ আগবঢ়াইছিল। তেওঁ এই কথাটোও ভাবিছিল যে অসমখন যদি পুনৰ আহোম ৰাজপ্ৰতিনিধিক শাসন কৰিবলৈ দিয়া হয়, তেতিয়াও ব্ৰিটিছ্ চৰকাৰে অসমৰ আভ্যন্তৰীণ প্ৰশাসনত হস্তক্ষেপ কৰাৰ অধিকাৰ নিজ হাতত ৰাখিব লাগে। কিন্তু ইষ্ট-ইণ্ডিয়া কোম্পানীয়ে ডেভিদ স্কটৰ পৰামৰ্শক নামানি ওলোটাই তেওঁক জনালে যে ইংৰাজ চৰকাৰে পৰৱৰ্তী পৰ্যায়ত আহোম প্ৰতিনিধিক অসম শাসনৰ দায়িত্ব অৰ্পণ কৰাৰ কথাটোহে বিবেচনা কৰিব। ইংগ-বাৰ্মা যুদ্ধৰ প্ৰাকমুহূৰ্তত অসম অধিগ্ৰহণ নকৰে বুলি কৰা ঘোষণা, ইয়াণ্ডাবু সন্ধিৰ পিছত ইষ্ট-ইণ্ডিয়া কোম্পানীয়ে দুটা যুক্তিৰ বিনিময়ত সলনি কৰা বুলি নিজৰ গোপন সাম্ৰাজ্যবাদী আকাংক্ষা প্ৰতিপন্ন কৰিবলৈ বিচাৰিছিল। যুক্তি দুটা হ'ল— ভৱিষ্যতে ব্ৰহ্মদেশৰ পৰা হ'ব পৰা আক্ৰমণ প্ৰতিহত কৰা আৰু অসমৰ অৰাজক অৱস্থাই ব্ৰিটিছ ৰাজ্যৰ সীমামূৰীয়া অঞ্চলত অস্থিৰতা সৃষ্টিৰ সুযোগ নাইকিয়া কৰা। দ্বিতীয়তে, অঞ্চলটোত নতুনকৈ আৱিষ্কাৰ হোৱা অৰ্থনৈতিক সম্পদ লুণ্ঠনৰ সম্ভাৱনাই ইষ্ট ইণ্ডিয়া কোম্পানীক অসমখন নিগাজিকৈ দখল কৰাৰ বাবে উৎসাহিত কৰিছিল। কিয়নো, ইষ্ট-ইণ্ডিয়া কোম্পানী মুখ্যত আছিল এটা ব্যৱসায়িক প্ৰতিষ্ঠান আৰু কোম্পানীটোৱে অৰ্থনৈতিক স্বাৰ্থৰ দ্বাৰা পৰিচালিত হৈছিল। এইবোৰ কাৰণতে সাম্ৰাজ্যবাদী ইষ্ট-ইণ্ডিয়া কোম্পানীয়ে অসমৰ ৰাজনৈতিক কৰ্তৃত্ব নিজৰ অধীনলৈ নিছিল।


## ব্ৰিটিছ্ শাসন, ভাৰতৰ স্বাধীনতা সংগ্ৰাম আৰু অসম ঃ

মানক অসমৰ পৰা বিতাড়ন কৰাৰ সময়ত ব্ৰহ্মপুত্ৰ উপত্যকাৰ অৱস্থা শোচনীয় হৈ পৰিছিল। মানে অসমৰ পৰা হাজাৰ হাজাৰ মানুহক দাসৰূপে ব্ৰহ্মদেশলৈ বলপূৰ্বকভাৱে লৈ গৈছিল। অসমত থকা বাকী লোকসকলৰ অৱস্থা মানৰ লুণ্ঠন, উপদ্ৰৱে ভয়াৱহ কৰি তুলিছিল। মানৰ দ্বাৰা নিষ্পেষিত এই মানুহখিনি আভ্যন্তৰীণ অৰিয়া-অৰি আৰু অৰাজকতাৰ মাজত দিন কটাইছিল। এঠাইত নিগাজিকৈ থকাৰ সলনি হাবিয়ে-বননিয়ে আশ্ৰয় ল'বলগীয়া হোৱাৰ বাবে তেওঁলোকে দুৰ্ভিক্ষ আৰু মহামাৰীৰ কবলত পৰিছিল। এনে পৰিৱেশত ব্ৰিটিছক অসমৰ প্ৰজাই ত্ৰাণকৰ্তা ৰূপত বিবেচনা কৰিছিল। আনকি মণিৰাম দেৱানৰদৰে স্বাধীনচিতীয়া লোকেও ব্ৰিটিছ শাসনৰ প্ৰতি আনুগত্য প্ৰকাশ কৰিছিল। অসমৰ সাধাৰণ মানুহে সকাহ পোৱা দেখি ব্ৰিটিছে কিছুদিনৰ কাৰণে সামৰিক কৰ্তৃপক্ষৰ দ্বাৰা অসমখন শাসন কৰাৰ সিদ্ধান্ত লয় আৰু ডেভিদ স্কটৰ হাতত সামগ্ৰিকভাৱে প্ৰশাসনিক দায়িত্ব অৰ্পণ কৰে।

**ডেভিদ স্কটৰ শাসন ঃ** উত্তৰ-পূবৰ গৱৰ্ণৰ জেনেৰেলৰ এজেণ্ট হিচাপে নিয়োজিত ডেভিদ স্কটে অসমৰ

প্ৰশাসনিক ব্যৱস্থাটোক পুনৰ গঠন কৰিব পাৰিব বুলি কোম্পানীৰ চৰকাৰে বিশ্বাস কৰিছিল।

ডেভিদ স্কটৰ বাবে প্ৰয়োজনীয় বিষয়টো আছিল মান আঁতৰি যোৱাৰ পিছত খালী হৈ পৰা অসমৰ সিংহাসনত এগৰাকী আহোম ৰাজবংশৰ প্ৰতিনিধিক মনোনীত কৰা। অসমৰ পৰা পলাই গৈ যোগীঘোপাত আশ্ৰয় লৈ থকা আহোম ৰজা যোগেশ্বৰ সিংহৰ ১৮২৫ চনত মৃত্যু হয়। কোম্পানী প্ৰশাসনে চন্দ্ৰকান্ত সিংহক




**চিত্ৰ-৬.১ ঃ ব্ৰিটিছৰ শাসন কালৰ অসমৰ ৰাজনৈতিক মানচিত্ৰ**

কলিয়াবৰলৈ নিৰ্বাসিত কৰি পুৰন্দৰ সিংহক গুৱাহাটীলৈ উভতি অহাৰ বাবে অনুমতি প্ৰদান কৰে। কোম্পানী চৰকাৰে কোনো এগৰাকী প্ৰতিনিধিকে আহোম সিংহাসনত সংস্থাপন কৰাৰ বাবে দায়বদ্ধ নাছিল। ১৮২৪ চনৰ ফেব্ৰুৱাৰীলৈকে কোম্পানীৰ গৱৰ্ণৰ জেনেৰেল কাউন্সিলে অসমখন স্থায়ীভাৱে ব্ৰিটিছ শাসনৰ অধীন কৰিবলৈও বিচৰা নাছিল। ডেভিদ স্কটে অসমৰ ৰাজনৈতিক সংকট সমাধানৰ বাবে দুটা পৰামৰ্শ আগবঢ়াইছিল। এক ঃ কোম্পানী চৰকাৰৰ সুৰক্ষাৰ মাজত ৰাখি আহোম ৰাজতন্ত্ৰৰ প্ৰতিনিধিক কৰতলীয়া ৰজা হিচাপে পুনৰ সংস্থাপন কৰিব লাগে। এনে পদক্ষেপৰ ফলত যিকোনো মুহূৰ্ততে আহোম শাসনত কোম্পানী চৰকাৰে হস্তক্ষেপ কৰাৰ সুযোগ পাব। দুই ঃ প্ৰথমটোৰ বিকল্প হিচাপে ব্ৰিটিছে বিশ্বনাথলৈকে নামনি অসমখন নিজৰ হাতত ৰাখিব লাগে আৰু মোৱামৰীয়া, খামতি তথা চিংফৌ সকলৰ অধিকৃত অঞ্চলবোৰ বাদ দি, উজনি অসমত আহোম প্ৰতিনিধি এজনক শাসনৰ দায়িত্বভাৰ অৰ্পণ কৰিব পাৰে। কিন্তু কোম্পানীৰ চৰকাৰে ডেভিদ স্কটৰ প্ৰস্তাৱ গ্ৰহণ নকৰি পুনৰ বিবেচনাৰ বাবে নিৰ্দেশ দিয়ে। প্ৰশাসনিক সুবিধাৰ বাবে ব্ৰিটিছে অসমখনক দুভাগত বিভক্ত কৰে — পশ্চিম বা নামনি অসম আৰু পূব বা উজনি অসম। বিশ্বনাথ নামৰ ঠাই টুকুৰাক দুয়োটা অঞ্চলৰ মাজৰ ঠাইৰূপে ৰখা কৰা হয়। ডেভিদ স্কটক নামনি অসমৰ জ্যেষ্ঠ কমিছনাৰ পাতি গুৱাহাটীত মুখ্য কাৰ্যালয় স্থাপন কৰে আৰু উজনি অসম শাসনৰ বাবে ৰংপুৰক মুখ্য কাৰ্যালয় কৰি ক'ল'নৈল ৰিছাৰ্ডচক কনিষ্ঠ কমিছনাৰ হিচাপে নিযুক্তি দিয়ে।

**ডেভিদ স্কটৰ সংস্কাৰ ঃ** ডেভিদ স্কটে অসমৰ ৰাজহ ব্যৱস্থাটোক আহোমে পূৰ্বতে প্ৰতিষ্ঠা কৰা খেল প্ৰথাৰ ওপৰত ভিত্তি কৰি গঢ়ি তুলিছিল। তেওঁ অসমত নতুন ৰাজহ নীতি নিৰ্ধাৰণ কৰাৰ ক্ষেত্ৰত বিস্তৰ পৰিৱৰ্তন সাধন কৰিবলৈ বিচৰা নাছিল। ডেভিদ স্কটৰ ৰাজহ সংস্কাৰৰ বিধি মতে উজনি অসমত আহোমৰ খেল ব্যৱস্থাটো বাহাল ৰখা হয় যদিও ব্যক্তিগত সেৱাৰ সলনি প্ৰতিগৰাকী পাইকে বছৰি তিনিটকাকৈ নগদ কৰ (Poll Tax) দিবলগীয়া হয়। আহোম অভিজাত শ্ৰেণীৰ পূৰ্বৰ বিষয়া জনাৰ্দন বৰবৰুৱাক ৰাজহ বিভাগৰ তত্বাৱধানৰ দায়িত্ব দিয়া হৈছিল। তেওঁক ৰাজহ সংগ্ৰহত সহায় কৰাৰ বাবে কেইগৰাকীমান খেলদাৰক নিযুক্তি দিয়া হৈছিল। বংগদেশৰ আৰ্হিত ডেভিদ স্কটে নামনি অসমৰ ৰাজহ ব্যৱস্থাটো গঢ়ি তোলে। ৰাজহ বিভাগটো বৰফুকনৰ পৰিৱৰ্তে চিৰস্তাদাৰ এগৰাকীক পৰিচালনাৰ দায়িত্ব অৰ্পণ কৰা হয়। এই দায়িত্ব দুৱৰীয়া পৰিয়ালৰ এগৰাকী সদস্য হলিৰাম ঢেকিয়াল ফুকনৰ হাতত ন্যস্ত কৰা হৈছিল। ৰুবেকাৰ, নৰিচ, পেচকাৰ আদি তলতীয়া বিষয়াসকলে ৰাজহ বিভাগটোত চিৰস্তাদাৰক সহায় কৰিছিল। বংগদেশৰ ভূমি বন্দৱস্তী ব্যৱস্থাৰ চৌধুৰীসকলৰ দৰে কামৰূপৰ ২৪টা পৰগনাত বংশানুক্ৰমিকভাৱে চৌধুৰীসকলৰ সৈতে ভূমি বন্দোৱস্ত কৰা হৈছিল। তেওঁলোকক মান, মাটি দান কৰাৰ লগতে নিৰ্দ্দিষ্ট সংখ্যক পাইকৰ সেৱাও আগবঢ়োৱা হয়। পাটোৱাৰী আৰু ঠাকুৰীয়াসকলে ৰাজহ সংগ্ৰহৰ ক্ষেত্ৰত চৌধুৰী সকলক সহায় কৰিছিল। দৰং, ৰহা আৰু নগাঁওৰ ক্ষুদ্ৰ ৰজাসকলৰ সৈতেও ডেভিড স্কটে সুকীয়া সুকীয়াকৈ ৰাজহ বন্দোৱস্ত কৰিছিল।

ডেভিড স্কটে প্ৰতিজন পাইকক তিনি পুৰাকৈ মাটি দিয়াৰ বাবদ দুটকাকৈ গা-ধন ন্যস্ত কৰে। খৰিকটনা নামৰ আন এবিধ কৰ বিভিন্ন ঠাইত বহুৱায়। দৰঙত এই কৰ বিধক চৰুকৰ নামেৰে জনা গৈছিল। কামৰূপত প্ৰতিখন হালৰ বাবদ এটকাকৈ কৰ লগোৱা হৈছিল। লাখেৰাজ ভূমি, পাট-মুগা বোৱনী, জুহাল, সোণধোৱা, মাছমৰীয়া, কমাৰ সকলৰ ওপৰত কৰ বহুৱাৰ লগতে হাট, ঘাট আৰু ফেৰীৰ ওপৰতো কৰ নিৰূপণ কৰিছিল।

**ন্যায়িক ব্যৱস্থা ঃ** ডেভিদ স্কটে জনসাধাৰণৰ বাবে সহজলভ্য ন্যায়িক ব্যৱস্থা এটা স্থাপন কৰিবলৈ বিচাৰিছিল। এই ব্যৱস্থাটোৰ এক উল্লেখযোগ্য দিশ আছিল— কাছাৰীত একোটাকৈ বৃহৎ বাকচ ৰখা হৈছিল আৰু সেই বাকচত গোচৰ দিওঁতাসকলে ন্যায়ৰ বাবে আবেদন জনাব পাৰিছিল। উজনি অসমত চন্দ্ৰকান্ত সিংহৰ সম্পৰ্কীয় লম্বোধৰ বৰফুকন আৰু জনাৰ্দন বৰবৰুৱাক (চিভিল) গোচৰসমূহ বিচাৰৰ দায়িত্ব দিছিল। অপৰাধমূলক গোচৰসমূহ কনিষ্ঠ কমিছনাৰে নিষ্পতি কৰিছিল।

নামনি অসমত জ্যেষ্ঠ কমিছনাৰে মৃত্যুদণ্ডৰ বাদে সকলো ধৰণৰ গোচৰৰ ৰায়দান কৰিছিল। গুৰুত্বপূৰ্ণ গোচৰসমূহৰ ন্যায়িক বিচাৰৰ বাবে ক'ল'নীয়েল ৰিচাৰ্ডচৰ নেতৃত্বত এখন ট্ৰাইবুনেল গঠন কৰা হৈছিল। বিচাৰ ব্যৱস্থাটোক অধিক সূচল কৰাৰ বাবে নগাঁও, কলিয়াবৰ আৰু চাৰি দুৱাৰত ডেভিদ স্কটে মফছল পঞ্চায়ত গঠন কৰে। অসমৰ বিশেষ পৰিস্থিতিৰ বাবে কলিকতাত থকা ইংৰাজ চৰকাৰৰ ঊৰ্দ্ধতন কৰ্তৃপক্ষই নামনি অসমত নিজামত আদালত প্ৰৱৰ্তন কৰিব বিচৰা নাছিল।

এনেকৈয়ে ডেভিদ স্কটে অসম মুলুকত ৰাজহ, কৰ-কাটল আৰু ন্যায়িক ব্যৱস্থাৰ প্ৰৱৰ্তনৰ যোগেদি ব্ৰিটিছ শাসনৰ পাতনি মেলিছিল।

**ব্ৰিটিছ-বিৰোধী অভ্যুত্থান ঃ** ব্ৰিটিছে নামনি অসম অধিগ্ৰহণ কৰাৰ পিছত উজনি অসমখনো ব্ৰিটিছৰ শাসনাধীন কৰিব বুলি ভয় খাইছিল। সেয়েহে শ শ বছৰ ধৰি আহোম ৰাজত্বত ডা-ডাঙৰীয়াৰ খিতাপ পোৱা অভিজাত শ্ৰেণীটোৱে বিদেশী ব্ৰিটিছ শাসনক সহজে গ্ৰহণ কৰিব পৰা নাছিল। ন্যায়িক আৰু প্ৰশাসনিক ব্যৱস্থাত পূৰ্বৰ ডা-ডাঙৰীয়া সকলক গুৰুত্ব নিদি নতুন আমোলাতান্ত্ৰিক ব্যৱস্থা এটা গঢ়ি তোলাত তেওঁলোক ক্ষুন্ন হৈ পৰিছিল আৰু কোৰ্ট-কাছাৰীত বঙালী ভাষা প্ৰয়োগ কৰা কাৰ্যত অসন্তুষ্ট হৈছিল। নকৈ স্থাপন কৰা ব্ৰিটিছ ব্যৱস্থাই ব্যাপক দুৰ্নীতি আৰু লুণ্ঠনৰ পথ প্ৰশস্ত কৰিছিল। এনেবোৰ কাৰণতে আহোম অভিজাত শ্ৰেণীটোৰ মাজত ব্ৰিটিছ শাসনৰ বিৰুদ্ধে ক্ষোভ ঘণীভূত হৈছিল। এই ক্ষোভে এলানি অভ্যুত্থানৰ ৰূপ ধাৰণ কৰি অসমৰ মাটিৰ পৰা ব্ৰিটিছ শাসন ওফৰাই পেলাবলৈ তৎপৰ হৈছিল।

**প্ৰথম ব্ৰিটিছ বিৰোধী অভ্যুত্থান ঃ** ১৮২৮ চনত পূৰ্বৰ বৰগোহাঁই পদবী খোৱা ধনঞ্জয় ডাঙৰীয়াৰ নেতৃত্বত আহোম ৰাজ পৰিয়ালৰ সন্তান গোমধৰ কোঁৱৰক ৰজা পতাৰ বাবে প্ৰথম ব্ৰিটিছ বিৰোধী বিদ্ৰোহৰ উত্থান ঘটে। এচাম আহোম অভিজাত, পুৰোহিত আৰু সত্ৰাধিকাৰৰ সমৰ্থন লাভ কৰি গোমধৰ কোঁৱৰক ৰজা পতাৰ দিহা কৰা হয়। সেই সময়ত উজনি অসমৰ বেছিভাগ ঠাইৰ পৰাই ব্ৰিটিছ সেনাবাহিনী আঁতৰাই নিয়া হৈছিল আৰু চিংফৌ তথা ভূটীয়া সকলে উত্তৰফালে লুটপাত আৰম্ভ কৰিছিল। যোৰহাটৰ দক্ষিণ পশ্চিম কোণত অৱস্থিত বচা নামৰ ঠাইত গোমধৰ কোঁৱৰক আনুষ্ঠানিকভাৱে ৰজা হিচাপে ঘোষণা কৰে। ধনঞ্জয় বৰগোহাঁয়ে সশস্ত্ৰ বাহিনী এটা গঠন কৰে; বিদ্ৰোহৰ বাবে টকা-পইচা সংগ্ৰহ কৰে আৰু ৰংপুৰ দখলৰ বাবে গোপন পৰিকল্পনা কৰে। বিদ্ৰোহীসকলে যোৰহাট অভিমুখে ৰাওনা হয়। ব্ৰিটিছ প্ৰশাসনে বিদ্ৰোহৰ উমান পাই লেফটেনেণ্ট ৰাডাৰ ফোৰ্ডক বিদ্ৰোহ দমনৰ বাবে প্ৰেৰণ কৰে। ব্ৰিটিছ সেনা বাহিনী এটা লৈ ৰাডাৰ ফ'ৰ্ডে বিদ্ৰোহী সকলক মৰিয়নীত আগচি ধৰে। ব্ৰিটিছ বাহিনীৰ সৈতে মোকামিলা কৰিব নোৱাৰি বিদ্ৰোহীসকলে পলাই যোৱাত গোমধৰ কোঁৱৰে আত্মসমৰ্পণ কৰিবলৈ বাধ্য হয়। ধনঞ্জয় বৰগোহাঁই আৰু তেওঁৰ দুই পুত্ৰকো ব্ৰিটিছে গ্ৰেপ্তাৰ কৰে। যোৰহাটৰ বৰ পঞ্চায়তত গোমধৰৰ বিচাৰ হয় আৰু ব্ৰিটিছৰ বিৰুদ্ধে বিদ্ৰোহ কৰাৰ

অপৰাধত তেওঁক মৃত্যুদণ্ড দিয়ে। অৱশ্যে, পৰৱৰ্তী কালত কেপ্টেইন নিউভিলে পুনৰ বিবেচনা কৰি মৃত্যুদণ্ডৰ সলনি তেওঁক সাতবছৰ কাৰাদণ্ড বিহে। ধনঞ্জয়ক মৃত্যুদণ্ড দিয়ে যদিও তেওঁ পলাই গৈ নগা পাহাৰত আশ্ৰয় লয়।

কেপ্টেইন নিউভিলে এই অভ্যুত্থানক অধিক গুৰুত্ব দিয়া নাছিল যদিও ডেভিদ স্কটে অনুমান কৰিছিল যে আহোম অভিজাত শ্ৰেণীৰ অসন্তুষ্টিৰ মনোভাৱ দূৰ কৰাৰ বাবে পদক্ষেপ গ্ৰহণ নকৰিলে ভৱিষ্যতে এনেধৰণৰ বিদ্ৰোহ সংঘটিত হোৱাৰ সম্ভাৱনাক নুই কৰিব নোৱাৰি।

**দ্বিতীয় ব্ৰিটিছ বিৰোধী অভ্যুত্থান ঃ** ১৮২৯ চনত ইয়াং বুমেনদাও বা গদাধৰ সিংহৰ নেতৃত্বত দ্বিতীয়টো ব্ৰিটিছ বিৰোধী অভ্যুত্থানৰ সূচনা হয়। গদাধৰ সিংহই এনে অভ্যুত্থানৰ বাবে শদিয়াত থকা চিপাহীসকলৰ সমৰ্থন লাভ কৰাৰ চেষ্টা চলাইছিল। কিন্তু চুৰেদাৰ জালিম খাঁই তেওঁৰ পৰিকল্পনাক ব্যৰ্থ কৰে আৰু গদাধৰ সিংহক কৰায়ত্ত কৰি গুৱাহাটীলৈ প্ৰেৰণ কৰে। পৰৱৰ্তীকালত ব্ৰিটিছে গদাধৰ সিংহৰ অভ্যুত্থানৰ অন্তৰালত ব্ৰহ্মদেশৰ ৰজাৰ সম্পৰ্ক থকা কথাটোৰ উমান পাইছিল।

**তৃতীয় ব্ৰিটিছ বিৰোধী অভিযান ঃ** তৃতীয় ব্ৰিটিছ বিৰোধী অভিযানটোৰো নেতৃত্ব দিছিল ধনঞ্জয় বৰগোহাঁয়ে। ১৮২৯ চনৰ শেষৰ ফালে ধনঞ্জয়ে পুলিচৰ চকুত ধূলি দি লেগী নামৰ এখন মোৱামৰীয়া গাঁৱত প্ৰৱেশ কৰে। দুই পুত্ৰ হৰকান্ত আৰু হৰনাথৰ লগতে জোঁৱায়েক জীউৰাম দুলীয়া বৰুৱাই ব্ৰিটিছৰ বিৰুদ্ধে বৃহৎ আকাৰত ব্ৰিটিছ বিৰোধী বিদ্ৰোহ গঢ়ি তোলাৰ বাবে ধনঞ্জয়ক সহায় সমৰ্থন আগবঢ়াইছিল। ধনঞ্জয়ে পিয়লি ফুকন, দেউৰাম দিহিঙীয়া বৰুৱা আৰু কৃষ্ণনাথ আদি প্ৰভাৱশালী আহোম ডা-ডাঙৰীয়াক বিদ্ৰোহৰ বাবে একত্ৰিত কৰিছিল। আনকি তেওঁ চিংফৌ, খাচি, গাৰো, নগা আৰু মোৱামৰীয়া সকলৰ পৰাও ব্ৰিটিছক অসমৰ পৰা বহিষ্কাৰ কৰাৰ বাবে সহায় বিচাৰিছিল। ৰূপচান্দ কোঁৱৰক অসমৰ ভৱিষ্যত ৰজা হিচাপে ঘোষণা কৰি জামাদাৰ এজনৰ নেতৃত্বত ক্ষুদ্ৰ সেনা বাহিনী এটাই পহৰা দি থকা ৰংপুৰ নগৰ অভিমুখে বিদ্ৰোহী সকলে অগ্ৰসৰ হৈছিল। ধনঞ্জয়ৰ বিদ্ৰোহী বাহিনীত প্ৰায় চাৰিশগৰাকী সদস্য আছিল। কিন্তু এইবাৰো বিদ্ৰোহীসকলৰ ৰংপুৰ দখলৰ প্ৰচেষ্টা ব্যৰ্থ হয়। ধনঞ্জয় আৰু হৰকান্তই পলাই যাবলৈ সক্ষম হয়।

কেপ্তেইন নিউভিলে সেনাবাহিনী এটা লৈ যোৰহাটত উপস্থিত হয় আৰু ১৮৩০ চনৰ মাজভাগত এই বিদ্ৰোহ দমন কৰে। ৰূপছান্দ কোঁৱৰ, জীউৰাম দুলীয়া বৰুৱা, হৰনাথ, পিয়লি ফুকন, দিহিঙীয়া বৰুৱা আৰু বুম চিংফৌৰ বিৰুদ্ধে যোৰহাটৰ বৰ পঞ্চায়তত বিচাৰ হয় আৰু ৰাজদ্ৰোহৰ অপৰাধৰ বাবে মৃত্যুদণ্ডৰে দণ্ডিত কৰে। বিচাৰৰ ৰায় ডেভিদ স্কটলৈ প্ৰেৰণ কৰা হয় আৰু তেওঁ পিয়লি ফুকন আৰু জীউৰামৰ মৃত্যুদণ্ড বাহাল ৰাখি আনসকলৰ ক্ষেত্ৰত যাৱজ্জীৱন কাৰাবাসৰ শাস্তি প্ৰদান কৰি ঢাকা জেললৈ প্ৰেৰণ কৰে।

**উজনি অসমত আহোম ৰাজতন্ত্ৰ ঃ** প্ৰায় সাত বছৰকাল ইংৰাজে উজনি অসম শাসনৰ ক্ষেত্ৰত কোনো ধৰণৰ সিদ্ধান্ত লোৱা নাছিল। ব্ৰিটিছে উজনি অসমখন নিজে অধিগ্ৰহণ কৰা নাছিল আৰু আহোম প্ৰতিনিধিকো শাসনৰ দায়িত্ব প্ৰদান কৰা নাছিল। ডেভিদ স্কটে উজনি অসমত এগৰাকী আহোম ৰাজবংশৰ প্ৰতিনিধিক শাসনৰ দায়িত্ব দিয়াৰ বাবে উৰ্দ্ধতন কৰ্তৃপক্ষলৈ প্ৰেৰণ কৰা প্ৰতিবেদনৰ প্ৰতি শেষত লৰ্ড উইলিয়াম বেণ্টিংকে সন্মতি প্ৰদান কৰে। বেণ্টিংকে ভাবিছিল, ছয়শ বছৰ ধৰি অসম শাসন কৰা আহোম প্ৰশাসনত নিশ্চয়কৈ কিবা ভাল দিশ আছিল আৰু এনে দিশসমূহ বিবেচনা কৰি ১৮৩২ চনত পুৰন্দৰ সিংহক উজনি অসমৰ ৰজা পতাৰ

সিদ্ধান্ত লয়। চন্দ্ৰকান্ত সিংহই আহোম শাসনৰ দাবীদাৰৰূপে ইংৰাজ চৰকাৰক আবেদন-নিবেদন কৰিলেও, তেওঁৰ দাবীক ইংৰাজে গুৰুত্ব আৰোপ নকৰিলে। ১৮৩৩ চনৰ ২ মাৰ্চৰ দিনা ব্ৰিটিছৰ ৰাজনৈতিক এজেণ্ট ৰবাৰ্টচনৰ লগত পুৰন্দৰ সিংহৰ গুৱাহাটীত এখন চুক্তি স্বাক্ষৰিত হয়। এই চুক্তিৰ প্ৰধান চৰ্তসমূহ হ'ল —

১। ব্ৰহ্মপুত্ৰ নদীৰ দক্ষিণ-পূবফালে অৱস্থিত ধনশিৰি নদীৰ পৰা বিশ্বনাথলৈকে সমগ্ৰ অঞ্চলটো শাসনৰ দায়িত্ব পুৰন্দৰ সিংহক অৰ্পণ কৰে।

২। উজনি অসমত কমেও ১২০,০০০ টকা ৰাজহ সংগ্ৰহ হ'ব বুলি ধৰি লৈ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে পুৰন্দৰ সিংহৰ পৰা বছৰেকীয়া বৰঙণিৰূপে ৫০,০০০ টকা দাবী কৰে।

৩। নতুন ৰজা পুৰন্দৰে ব্ৰিটিছৰ আইন কানুন আৰু ন্যায় ব্যৱস্থাক কঠোৰভাৱে মানি চলিব লাগিব আৰু পূৰ্বৰ আহোম ৰজাসকলৰ নিচিনাকৈ অপৰাধীক শাৰীৰিকভাৱে শাস্তি বিহিব নোৱাৰিব।

৪। পুৰন্দৰ সিংহই উজনি অসমৰ ব্ৰিটিছৰ ৰাজনৈতিক এজেণ্ট আৰু উত্তৰ-পূব সীমান্তৰ গৱৰ্ণৰ জেনেৰেলৰ এজেণ্টৰ পৰামৰ্শ মানি চলিব লাগিব।

৫। ব্ৰিটিছ বিষয়াই দাবী কৰিলে পুৰন্দৰৰ ৰাজ্যত আশ্ৰয় লোৱা অপৰাধীক কোম্পানীৰ হাতত গতাই দিব লাগিব।

৬। বৰসেনাপতিৰ অধীন মোৱামৰীয়া অঞ্চল আৰু শদিয়া খোৱা গোহাঁইৰ এলেকা দুটা পুৰন্দৰ সিংহৰ শাসনাধীন এলেকাৰ বাহিৰত ৰখা হ'ব।

৭। ইংৰাজৰ প্ৰতি আনুগত্যশীল হৈ থকালৈকে, পুৰন্দৰে কোম্পানীৰ পৰা নিৰাপত্তা লাভ কৰিব। কিন্তু তেওঁ যদি বিশ্বাস ভংগ কৰে বা প্ৰজাৰ ওপৰত নিৰ্যাতন চলায়, কোম্পানীৰ চৰকাৰে আন এগৰাকী আহোম প্ৰতিনিধিৰ হাতত উজনি অসমখন শাসন কৰাৰ কৰ্তৃত্ব হস্তান্তৰ কৰিব অথবা ব্ৰিটিছ শাসনৰ অধীন কৰাৰ বাবে উজনি অসমখন অধিগ্ৰহণ কৰিব।

৮। কানিৰ খেতি আৰু ক্ৰয় বিক্ৰয়ৰ ক্ষেত্ৰত পুৰন্দৰ সিংহই ব্ৰিটিছক সহযোগ কৰিব

আৰু ৯। নিজ ৰাজ্যত সতীপ্ৰথা নিষিদ্ধ কৰিবলৈ সন্মতি প্ৰকাশ কৰিব লাগিব।

১৮৩৩ চনৰ এপ্ৰিল মাহত পুৰন্দৰ সিংহই আনুষ্ঠানিকভাৱে সিংহাসন আৰোহণ কৰে। যোৰহাটত ৰাজধানী স্থাপন কৰা পুৰন্দৰে শ্ৰীশ্ৰীমহাৰজা পুৰন্দৰ সিংহ নৰেন্দ্ৰ উপাধি গ্ৰহণ কৰে।

চুক্তি সম্পাদনৰ কিছুদিন পিছতেই ব্ৰিটিছে উজনি অসমত আহোম ৰাজতন্ত্ৰক সংস্থাপন কৰা বিষয়টোক লৈ চিন্তা-চৰ্চা কৰিবলৈ আৰম্ভ কৰে। পেম্বাৰটন আৰু জেনকিন্সে কৰা পিয়লৰ প্ৰতিবেদনতো উজনি অসমখনৰ অৰ্থনৈতিক সম্ভাৱনাৰ কথা স্পষ্টকৈ উল্লেখ কৰে। এইবাবে আৰ্থিক লাভালাভৰ বাবে কোম্পানীয়ে পুৰন্দৰ সিংহৰ সৈতে হোৱা চুক্তিখনক পুনৰ নিৰ্ধাৰণ কৰি তেওঁৰ ওপৰত বাধা নিষেধ আৰোপ কৰিবলৈ বিচাৰে। এইমৰ্মে ১৮৩৩ চনৰ জুন মাহত কোম্পানীৰ চৰকাৰে পুৰন্দৰ সিংহৰ ক্ষমতা কৰ্তন কৰি তেওঁক কেৱল যোৰহাট এলেকাটোৰ শাসনকৰ্তা বুলিহে ঘোষণা কৰে। আহোম ৰজাক পুনৰ সংস্থাপন কৰা বিষয়টোক লৈ ব'ৰ্ড অব ডাইৰেক্টৰেও পুৰন্দৰ সিংহৰ ওপৰত আৰোপ কৰা বছৰেকীয়া বৰঙণি সময়মতে দিব পাৰিবনে নাই আৰু ৰাজ্যখনত অপশাসন চলিলে কোম্পানী কৰ্তৃপক্ষই যিকোনো মুহূৰ্ততে হস্তক্ষেপ কৰিব পাৰিব নে নাই, এই দুটা বিষয়ত প্ৰশ্ন উত্থাপন কৰিছিল।

আনহাতে, পুৰন্দৰৰ প্ৰশাসনত আহোম ডা-ডাঙৰীয়াসকলে পূৰ্বৰ দৰে সা-সুবিধাসমূহ ভোগ কৰাৰ সুযোগ নোপোৱাত, তেওঁলোকৰ মাজতো ক্ষোভৰ সৃষ্টি হয়। আকৌ, দীৰ্ঘদিন ধৰি বংগদেশত কটোৱাৰ বাবে আৰু প্ৰশাসনত বঙালী আমোলাক নিয়োগ কৰাৰ বাবে আহোম অভিজাতসকলে তেওঁক অসমীয়া বুলি ভবাতকৈ বঙালী বুলিহে গণ্য কৰিছিল। এইফালে ব্ৰিটিছে তেওঁৰ ওপৰত ধাৰ্য্য কৰা ৫০,০০০ বছেৰেকীয়া বৰঙণি সময়মতে আদায় দিব নোৱৰাত, ১৮৩৩ চনৰ নৱেম্বৰ মাহত উজনি অসমৰ আন অঞ্চলসমূহ তেওঁৰ ৰাজ্যৰ অন্তৰ্ভুক্ত কৰাৰ বাবে পুৰন্দৰে আবেদন জনাইছিল। ডোম আৰু মৰীয়া সম্প্ৰদায়ৰ লোকসকলে খাজনা ৰেহাই পোৱাৰ বাবে পুৰন্দৰ সিংহৰ শাসনাধীন অঞ্চলৰ পৰা দাঁতিকাষৰীয়া নগাঁও আৰু দৰং জিলালৈ প্ৰব্ৰজন কৰিছিল। এনে প্ৰব্ৰজনে পুৰন্দৰ সিংহক বছৰেকীয়া বৰঙণি আদায় দিয়াৰ ক্ষেত্ৰত সমস্যাৰ সৃষ্টি কৰিছিল। মুদ্ৰাৰ নাটনিয়ে সেই সময়ত উজনি অসমত আন এক সংকটৰ সৃষ্টি কৰিছিল আৰু পুৰন্দৰ সিংহই এই বিষয়টো নিষ্পত্তিৰ বাবে কৰা অনুৰোধক ব্ৰিটিছে আওকাণ কৰিছিল। তথাপিও দুবছৰ কাল পুৰন্দৰ সিংহই বছৰেকীয়া বৰঙণি সম্পূৰ্ণৰূপে আদায় দিছিল। পৰৱৰ্তী কালত তেওঁৰ ৰাজ্যত দেখা দিয়া কলেৰা আৰু দুৰ্ভিক্ষই ৰাজহ সংগ্ৰহত বাৰুকৈয়ে প্ৰভাৱ পেলাইছিল। এনে পৰিস্থিতিয়ে পুৰন্দৰ সিংহক উজনি অসম শাসনৰ দায়িত্বৰ পৰা অব্যাহতি দিয়াৰ বাবে ব্ৰিটিছক সুযোগ দিছিল। ১৮৩৮ চনৰ ১৬ অক্টোবৰ তাৰিখে ইষ্ট ইণ্ডিয়া কোম্পানীৰ কৰ্তৃপক্ষই পুৰন্দৰ সিংহক শাসনৰ পৰা আঁতৰাই উজনি অসমখন কোম্পানীৰ শাসনাধীন কৰাৰ কথা ঘোষণা কৰে। পুৰন্দৰ সিংহই এনে ঘোষণাৰ প্ৰতিবাদ কৰিলেও কোম্পানীয়ে ইয়াক গ্ৰাহ্য নকৰি তেওঁক মাহিলি ১০০০ টকা ভাট্টা দি শাসনৰ দায়িত্বৰ পৰা অব্যাহতি দিয়ে। ইয়াতেই চিৰদিনলৈ আহোম শাসনৰ বেলি মাৰ যায়।

**ব্ৰিটিছ শাসনৰ সংহত ৰূপ ঃ** উজনি অসম অধিগ্ৰহণ কৰাৰ পিছত কমিছনাৰ আৰু অসমৰ গৱৰ্ণৰ জেনেৰেলৰ এজেণ্ট ফ্ৰান্সিচ্ জেনকিন্সৰ সন্মুখত কেইবাটাও সমস্যাই দেখা দিছিল। প্ৰশাসনত সৃষ্টি হোৱা অৰাজক অৱস্থা, দুৰ্নীতি আৰু দুৰ্বল যাতায়ত ব্যৱস্থা আদিয়ে অসমৰ প্ৰশাসন পৰিচালনাৰ ক্ষেত্ৰত বাধা-বিপত্তিৰ সৃষ্টি কৰিছিল। জেনকিন্সে প্ৰশাসনৰ আঁসোৱাহ সমূহ দূৰ কৰাৰ বাবে ন্যায়িক ব্যৱস্থা, পুলিচ প্ৰশাসন, ৰাজহ নীতি আৰু শিক্ষা ব্যৱস্থাৰ ভালেমান সংস্কাৰ সাধন কৰে।

**মিলচ্‌ৰ প্ৰতিবেদন ঃ** ১৮৫৩ চনত বংগদেশৰ লেফটেনেণ্ট গৱৰ্ণৰে অসম ভ্ৰমণৰ ইচ্ছা প্ৰকাশ কৰে আৰু এইবাবে অঞ্চলটোৰ বিষয়ে অনুসন্ধান চলাই এখন প্ৰতিবেদন দাখিল কৰাৰ বাবে নিৰ্দেশ দিয়ে। সদৰ দেৱানী আদালতৰ বিচাৰপতি এ, জে, ম'ফট্ মিলচ্‌ক এই দায়িত্ব দিয়া হয়। মিলচে সেই বছৰতে আহি শিৱসাগৰত উপস্থিত হয় আৰু অঞ্চলটো ভ্ৰমণ কৰি বিভিন্ন জিলাত সমীক্ষা চলাই যুগুত কৰা প্ৰতিবেদনখন ১৮৫৩ চনৰ শেষৰ পিনে দাখিল কৰে। গুৰুত্বপূৰ্ণ এই প্ৰতিবেদনখনক মিলচ্‌ৰ প্ৰতিবেদন নামেৰে জনা যায়। এই প্ৰতিবেদনত গোৱালপাৰা, কামৰূপ, দৰং, নগাঁও, শিৱসাগৰ আৰু লক্ষীমপুৰৰ ভূমি বন্দোৱস্ত, ৰাজহ ব্যৱস্থা, কৰ নিৰ্ধাৰণৰ মাপকাঠি, ন্যায়িক ব্যৱস্থা, জনসংখ্যাৰ আৰ্হি, যোগাযোগৰ উপায়, শিক্ষাৰ সা-সুবিধা, কল-কাৰখানাত উৎপাদিত সামগ্ৰী আদিৰ তথ্য সম্বলিত বিতং বিৱৰণ দাঙি ধৰা হয়। মিলচ্‌ক ভালেমান লোকে বিভিন্ন ধৰণৰ ওজৰ-আপত্তি দৰ্শাই আবেদন দিছিল আৰু এইসকলৰ ভিতৰত বেছিসংখ্যকেই আছিল আহোম ডা-ডাঙৰীয়া। আনন্দৰাম ঢেকিয়াল ফুকনে ব্যক্তিগত জ্ঞান আৰু অভিজ্ঞতাৰে সেই সময়ৰ ব্ৰিটিছ শাসনৰ সংস্কাৰৰ উদ্দেশ্যে মিলচ্‌ক কেইটামান পৰামৰ্শ আগবঢ়াইছিল। এই পৰামৰ্শসমূহ হ'ল — কৰ-কাটল

হ্রাস কৰা, মফচল বিচৰালয়ৰ সংখ্যা বৃদ্ধি কৰি তাত স্থানীয় লোকক বিচাৰক হিচাপে নিযুক্তি দিয়া; কৃষিৰ বিকাশ সাধন কৰা; অসমত কাৰিকৰী আৰু ইংৰাজী মাধ্যমৰ বিদ্যালয় স্থাপন কৰা; ধৰ্মীয় আৰু স্বেচ্ছামূলক অনুষ্ঠানসমূহ পৰিদৰ্শন কৰা আৰু অসমত অসমীয়া ভাষা পুনৰ প্ৰৱৰ্তন কৰা।

মণিৰাম দেৱানেও মিলচ্‌ৰ ওচৰত দুখন আবেদন দাখিল কৰিছিল। প্ৰথম আবেদনখনত তেওঁ ব্যক্তিগত সুযোগ সুবিধা লাভৰ বিষয়ে উল্লেখ কৰিছিল আৰু দ্বিতীয়খন আবেদনত অসমত ইংৰাজ শাসনৰ বিষয়ে ভালেমান তথ্য দাঙি ধৰিছিল। এই আবেদনখনত মণিৰামে অসমত কানিৰ আবকাৰী ব্যৱসায়ে সাধন কৰা অন্যায়ৰ বিষয়ে উল্লেখ কৰি স্থানীয় শিল্পৰ ধ্বংস সাধন, সত্ৰৰ প্ৰতি অৱহেলা আৰু বঙালী তথা মাৰোৱাৰী লোকক মৌজাদাৰ হিচাপে নিয়োগ কৰা কাৰ্যৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰিছিল। শেষত, চন্দ্ৰকান্ত সিংহৰ পুত্ৰ ঘনকান্ত সিংহ নতুবা পুৰন্দৰ সিংহৰ নাতিয়েক কন্দৰ্পেশ্বৰ সিংহক অসমৰ ৰজা ঘোষণা কৰি, আহোম ৰাজতন্ত্ৰ পুনৰ প্ৰতিষ্ঠাৰ দাবী জনাইছিল। কিন্তু মিলচে মণিৰামৰ আবেদনৰ প্ৰতি সহানুভূতিশীল হোৱাৰ বিপৰীতে বিৰূপ মন্তব্যহে কৰিছিল।

**অসমত চিপাহী বিদ্ৰোহ ঃ** ১৮২৮ চনত ইষ্ট ইণ্ডিয়া কোম্পানীৰ নিয়মীয়া সেনাবাহিনী আঁতৰাই নিয়াৰ পিছত ১৮৫৭ চনত অসমৰ ডিব্ৰুগড়ত আচাম লাইট ইন্‌ফেন্‌ট্ৰি বেটেলিয়ন আৰু গুৱাহাটীত আন এটা বেটেলিয়ন ৰখা হৈছিল। ইয়াৰোপৰি কেইটামান সৰু সৰু সৈনিক দল সদৰ কেন্দ্ৰ আৰু সামৰিক দিশৰ পৰা গুৰুত্বপূৰ্ণ কিছু এলেকাত স্থাপন কৰা হৈছিল। ১৮৫৭ চনত ভাৰতবৰ্ষৰ আন ঠাইত সংঘটিত হোৱা চিপাহী বিদ্ৰোহৰ খবৰ পোৱাৰ পিছতো, ব্ৰহ্মপুত্ৰ উপত্যকাৰ বেটেলিয়ন দুটা আৰু আন সৈনিক দল ইষ্ট ইণ্ডিয়া কোম্পানীৰ আনুগত্যশীল হৈ আছিল। ব্ৰিটিছসকলে অসমৰ প্ৰতিকূল জলবায়ু আৰু ভৌগোলিক পৰিবেশৰ বাবে স্থানীয়ভাৱে মকৰল কৰা সৈনিকসকলৰ ওপৰত অধিক ভৰসা কৰিবলগীয়া হৈছিল। সেনাবাহিনীত ভাৰতৰ আন ঠাইৰ সৈনিক তেনেই কমসংখ্যক আছিল আৰু গোৰ্খা, মণিপুৰী, চিংফৌ আদি নানা গোষ্ঠী সম্প্ৰদায়ৰ সৈনিক থকাৰ বাবে চিপাহী বিদ্ৰোহৰ সময়ত অসমৰ পৰিস্থিতি শান্তিপূৰ্ণ হৈ আছিল।

**মণিৰাম দেৱান ঃ** বিদ্ৰোহ আৰম্ভ হোৱাৰ পৰৱৰ্তী সময়ত অসমৰ পৰিস্থিতি সলনি হৈছিল। ব্ৰহ্মপুত্ৰ উপত্যকাত থকা চিপাহীসকলৰ মাজতো ব্ৰিটিছ শাসনৰ অন্ত পৰিব তথা বাহাদুৰ চাহ জাফৰক ভাৰতবৰ্ষৰ সম্ৰাট হিচাপে পুনৰ প্ৰতিষ্ঠা কৰা হ'ব বুলি দেশৰ চৌদিশে বিয়পি পৰা উৰা বাতৰিয়ে প্ৰভাৱ পেলাইছিল। এনে পৰিৱেশৰ সুযোগ লৈ মণিৰাম দেৱানে কন্দৰ্পেশ্বৰ সিংহক আহোমৰ ৰাজপাটত বহুৱাবৰ বাবে এটা বিদ্ৰোহৰ পৰিকল্পনা কৰিছিল। মণিৰাম দেৱানে ব্ৰিটিছ শাসনৰ প্ৰাৰম্ভিক কালছোৱাত বৰভাণ্ডাৰ বৰুৱাৰ পদবী খাইছিল আৰু পিছত ব্ৰিটিছ শাসনৰ প্ৰতি বিৰাগভাজন হৈ চেনীমৰা আৰু চিংলৌ নামৰ চাহ বাগিচা দুখন আৰম্ভ কৰিছিল। মণিৰাম দেৱান আছিল আহোম অভিজাত শ্ৰেণীৰ এগৰাকী আঢ্যৱন্ত আৰু প্ৰভাৱশালী লোক। নিৰ্মল হাজাৰী আৰু পিয়লি বৰুৱাক কন্দৰ্পেশ্বৰ সিংহই গোলাঘাট, শিৱসাগৰ, ডিব্ৰুগড় আৰু ছৈখোৱাত থকা চিপাহীৰ চাউনীলৈ পঠিয়াইঠিল। এই দুগৰাকী নেতাই সেনা চাউনীলৈ গৈ সৈনিকসকলক চিপাহী বিদ্ৰোহত অংশ গ্ৰহণ কৰাৰ বাবে পতিয়ন নিয়াবলৈ চেষ্টা কৰিছিল। মণিৰাম দেৱানে বংগদেশৰ মধুমল্লিক আৰু পিয়লি বৰুৱা, নাওবৈচা ফুকন আদিৰ সহযোগত বিদ্ৰোহৰ ভেটি গঢ়ি তুলিছিল। সেই সময়ত অসমত এজনো ইউৰোপীয় সৈনিক নাছিল। বিদ্ৰোহ সংঘটিত হোৱাৰ পিছত কলিকতাৰ ব্ৰিটিছ কৰ্তৃপক্ষই সেনাবাহিনী

পঠিয়ালেও অসমত আহি উপস্থিত হোৱাটো সহজ নাছিল। সেয়েহে অসমত থকা চিপাহীসকলে মণিৰামৰ পৰিকল্পনাৰ প্ৰতি সমৰ্থন আগবঢ়ালে অসমৰ পৰা ব্ৰিটিছক খেদি পঠিয়াবলৈ তেনেই সহজ হ'ব বুলি ভাবিছিল। ১৮৫৭ চনৰ অক্টোবৰ মাহত দুৰ্গাপূজাৰ সময়ত মণিৰামে ব্ৰিটিছ বিৰোধী বিদ্ৰোহ এটাৰ নেতৃত্ব দিয়াৰ চিন্তা কৰিছিল। পৰিকল্পনা মতে বিদ্ৰোহ সফল হ'লে ৰজা কন্দৰ্পেশ্বৰৰ ৰাজদৰবাৰত মণিৰাম হ'ব প্ৰধানমন্ত্ৰী।

কিন্তু, ব্ৰিটিছৰ বিৰুদ্ধে বিদ্ৰোহ এটা গঢ়ি তোলাটো সহজ কথা নাছিল। বিদ্ৰোহৰ পৰিকল্পনাৰ খবৰ ফাদিল হোৱাত চাহ বাগানৰ ইউৰোপীয় আৰু মিছনাৰীসকলে গুৱাহাটীত আহি আশ্ৰয় লৈছিল। অতি তৎপৰতাৰে মেজৰ হান্নয়ে কেপ্তেইন লোথাৰৰ সহযোগত সামৰিক দিশত গুৰুত্বপূৰ্ণ ঠাইবোৰত ছাউনী পতাৰ ব্যৱস্থা কৰিলে। বিদ্ৰোহীসকলে যাতে যোৰহাটলৈ আহিব নোৱাৰে, তাৰ ব্যৱস্থা হিচাপে নগাঁও জিলাৰ মুখ্য সহকাৰী বিষয়া মৰ্টনে মিছা আৰু দিজু নদীৰ দলং দুখন ভাঙি দিছিল। মেজৰ জেনকিন্সে ঊৰ্দ্ধতন কৰ্তৃপক্ষক ইউৰোপীয় সৈন্যবাহিনী অসমলৈ পঠোৱাৰ বাবে আৰ্জি পঠিয়ায়। ১০৪ জনীয়া ইউৰোপীয় সেনা বাহিনী এটা ডিব্ৰুগড়লৈ পঠিওৱা হয়। ১৮৫৭ চনৰ ছেপ্টেম্বৰ মাহত মণিৰাম দেৱানে কন্দৰ্পেশ্বৰলৈ পঠিওৱা কেইখনো চিঠি যোৰহাটৰ কমিছনাৰ হলৰয়ডৰ হাতলৈ আহে আৰু এই চিঠিবোৰত বিদ্ৰোহৰ উমান পায়। জেনকিন্সৰ নিৰ্দেশত হলৰয়ডে কন্দৰ্পেশ্বৰ আৰু মধুমল্লিকক যোৰহাটৰ ওচৰত গ্ৰেপ্তাৰ কৰে আৰু কন্দৰ্পেশ্বৰক আলীপুৰৰ কেন্দ্ৰীয় জেললৈ প্ৰেৰণ কৰা হয়। ১৮৫৭ চনৰ শেষৰফালে যোৰহাটৰ আদালতত মণিৰাম আৰু পিয়লি বৰুৱাৰ বিচাৰ আৰম্ভ হয় আৰু ৰাজদ্ৰোহৰ অপৰাধত দুয়োগৰাকী বিদ্ৰোহীক মৃত্যুদণ্ড দিয়ে। মধুমল্লিক, দুতিৰাম বৰুৱা, ফৰ্মুদ আলী, বাহাদুৰ গাঁওবুঢ়া আৰু আন কেইজনমানক আন্দামানলৈ নিৰ্বাসন দিয়ে। কন্দৰ্পেশ্বৰ সিংহই নিজকে মুকলি কৰি দিয়াৰ বাবে কলিকতাত ব্ৰিটিছ চৰকাৰৰ আগত আবেদন জনায় আৰু ব্ৰিটিছে তেওঁক বিদ্ৰোহীসকলে আহিলা হিচাপে ব্যৱহাৰ কৰা বুলি জেলৰ পৰা মুকলি কৰি দি বঙ্গদেশৰ বৰ্ধমানত থকাৰ অনুমতি দিয়ে। ১৮৫৮ চনত মহাৰাণীৰ ঘোষণা পত্ৰযোগে চিপাহী বিদ্ৰোহৰ নিৰ্বাসিত অপৰাধীসকলক ক্ষমাদান কৰাত কন্দৰ্পেশ্বৰ সিংহই ব্ৰিটিছ চৰকাৰক যোৰহাটলৈ উভটি অহাৰ বাবে অনুমতি বিচাৰে। কিন্তু ব্ৰিটিছে তেওঁক গুৱাহাটীত থকাৰহে অনুমতি দিয়ে। ১৮৮০ চনত গুৱাহাটীত তেওঁৰ মৃত্যু হয়।

এনেকৈয়ে অসমত পৰিকল্পনা কৰা চিপাহী বিদ্ৰোহ বিফল হয় যদিও মণিৰাম দেৱানক ব্ৰিটিছ বিৰোধী স্বাধীনতা সংগ্ৰামৰ প্ৰথমগৰাকী স্বাধীনতা সংগ্ৰামী ৰূপে গণ্য কৰা হয়।

**অসমত কৃষক বিদ্ৰোহ ঃ** ব্ৰিটিছ শাসনত মাটিৰ খাজনা বৃদ্ধিৰ লগতে অন্যান্য কৰৰ বোজাই কৃষক সমাজক অতিষ্ঠ কৰি তুলিছিল। ব্ৰিটিছ চৰকাৰৰ অৰ্থনৈতিক নীতিৰ বিৰূপ প্ৰভাৱৰ বাবেই কৃষকসকলে চৰম দ্ৰাৰিদ্ৰৰ কবলত দিন কটাবলগীয়াত পৰিছিল। গাঁও অঞ্চলৰ দৰিদ্ৰতা দিনে দিনে ভয়াৱহ হৈ উঠিছিল আৰু কৃষক সমাজে বাৰে বাৰে খাজনা বৃদ্ধিৰ বিৰুদ্ধে প্ৰতিবাদ জনাইছিল। চৰকাৰৰ খাজনা বৃদ্ধি নীতিৰ বিৰুদ্ধে কৃষকসকলে তৃণমূল পৰ্যায়ত সামূহিক প্ৰতিবাদ জনোৱাৰ চেষ্টা চলাইছিল। ৰায়তসকলে মেল বা ৰাইজমেলৰ সহায়ত সমূহীয়াকৈ খাজনা নীতিৰ বিৰুদ্ধে অসন্তুষ্টি প্ৰকাশ কৰিছিল। গোসাঁই, দলৈ আৰু গাঁৱৰ প্ৰভাৱশালী লোকৰ নেতৃত্বত গঞা ৰাইজে পূৰ্বৰে পৰা বিভিন্ন সামাজিক আৰু ধৰ্মীয় বিষয়সমূহৰ মীমাংসা কৰিছিল। পৰৱৰ্তী সময়ছোৱাত এনে মেলবোৰে বহল ভিত্তি লাভ কৰি ৰাইজমেল বা জনপ্ৰিয় সভালৈ সলনি হৈছিল। ৰাইজ মেলত বিভিন্ন ওজৰ আপত্তিৰ নিষ্পত্তি কৰা দেখা গৈছিল। ৰায়তসকলে ৰাইজমেলৰ জৰিয়তে বৰ্ধিত

অৰ্থনৈতিক বোজা লাঘৱ কৰাৰ বাবে আলাপ-আলোচনা কৰিছিল। কৃষকসকলে খাজনা বাবদ আয়ৰ বৃহৎ অংশ এটা চৰকাৰক দিবলগীয়া হোৱাৰ উপৰি চৰকাৰে একচেতীয়াভাৱে চলোৱা কানিৰ ব্যৱসায়ৰ বাবেও কৃষকৰ হাতৰ ধন লাঘৱ হৈছিল। এনে পৰিস্থিতিত কৃষকসকলে উচ্চ হাৰত সূতখোৰ মহাজনৰ পৰা ঋণ ল'বগীয়া হৈছিল আৰু এনে ঋণৰ পাকচক্ৰত পৰি কৃষকসকলে হাৰাশাস্তি ভোগ কৰিবলগীয়া হৈছিল।

**ফুলগুৰি কৃষক বিদ্ৰোহ ঃ** ১৮৬১ চনত নগাঁও জিলাৰ ফুলগুৰি অঞ্চলৰ কৃষক ৰাইজে ব্ৰিটিছৰ খাজনা নীতিৰ বিৰুদ্ধে ৰাইজ মেল পাতি বিদ্ৰোহৰ সূচনা কৰিছিল। ১৮৬০ চনত ব্ৰিটিছ চৰকাৰে কানিৰ খেতি নিষিদ্ধ কৰে আৰু চৰকাৰৰ এনে সিদ্ধান্তই অসমৰ আন ঠাইৰ লগতে ফুলগুৰি অঞ্চলৰ বিশেষকৈ জনগোষ্ঠীয় লোকসকলৰ ঘৰুৱা অৰ্থনীতি ভাঙি পেলায়। এই অঞ্চলটোত প্ৰদেশখনৰ ভিতৰতে কানি খোৱা লোকৰ সংখ্যা আছিল অধিক। কানি খেতি নিষিদ্ধ কৰা কথাটোক কৃষকসকলে জনসাধাৰণৰ সামাজিক ৰীতি আৰু অভ্যাসৰ ওপৰত ব্ৰিটিছৰ অহেতুক হস্তক্ষেপ বুলি ক্ষোভ প্ৰকাশ কৰিছিল। এই সময়তে ব্ৰিটিছ চৰকাৰে অনুজ্ঞাপত্ৰৰ ওপৰত কৰ লগোৱাৰ বাবে প্ৰস্তুতি চলোৱাৰ সংবাদে কৃষকসকলক সতৰ্ক কৰি তোলে। ফুলগুৰি অঞ্চলৰ তিৱা আৰু কছাৰী জনগোষ্ঠীৰ কৃষকসকলে ঘৰ-বাৰী আৰু তামোল-পাণৰ ওপৰত ব্ৰিটিছে সুকীয়া কৰ আৰোপ কৰিব বুলি ওলোৱা উৰা বাতৰিত পতিয়ন গৈ বিদ্ৰোহৰ পথ লয়। ১৮৬১ চনৰ ১৭ ছেপ্টেম্বৰত নগাঁৱৰ সদৰত প্ৰায় এহেজাৰ কৃষকে ব্ৰিটিছৰ কৰ নীতিৰ বিৰুদ্ধে প্ৰতিবাদ জনায়। ডেপুটি কমিছনাৰ স্কন্'চে কৃষকসকলক শান্ত কৰাত ব্যৰ্থ হয় আৰু এদল ৰায়তে বলপূৰ্বকভাৱে তেওঁৰ কাৰ্যালয়ত প্ৰৱেশ কৰে। এনে তথাকথিত আইন বিৰোধী কাৰ্যৰ বাবে ডেপুটি কমিছনাৰে তেওঁৰ কাৰ্যালয়ত প্ৰৱেশ কৰা কৃষকসকলক গ্ৰেপ্তাৰ কৰে আৰু জৰিমনা বিহে। এই ঘটনাৰ চাৰি সপ্তাহ পিছত কৃষকসকলে কানি খেতি নিষিদ্ধ কৰা আৰু অন্যান্য কৰৰ বিৰুদ্ধে আন এটি প্ৰতিবাদী কাৰ্যসূচী লয়। চৰকাৰৰ পৰা কোনো ধৰণৰ সদুত্তৰ লাভ নকৰাত কৃষকসকলে কৰ নিদিয়াৰ সিদ্ধান্ত লয় আৰু ভৱিষ্যত কাৰ্যপন্থা নিৰ্ধাৰণৰ বাবে এখন ৰাইজমেলৰ আহ্বান কৰে। দূৰ-দূৰণিৰ কৃষকসকলে যাতে ৰাইজমেলত অংশ ল'ব পাৰে, সেয়েহে পাঁচদিনীয়াকৈ ৰাইজমেল পতাৰ সিদ্ধান্ত লোৱা হৈছিল। ৰাইজমেলৰ প্ৰথম দিনা ডেপুটি কমিছনাৰে এটা পুলিচ বাহিনী পঠিয়াই কৃষক নেতাসকলক গ্ৰেপ্তাৰ কৰে আৰু সমবেত ১০০০ কৃষকক খেদি পঠিওৱাৰ ব্যৱস্থা হাতত লয়। ৰায়তসকলে চৰকাৰী নিৰ্দেশক অগ্ৰাহ্য কৰে আৰু দাৰোগাই পুলিচ বাহিনীক উভটাই নিবলৈ বাধ্য হয়। যাৰ ফলত পৰিবেশ উত্তেজনাময় হৈ পৰে আৰু ডেপুটি কমিছনাৰে লেফটেনেন্ট চিংগাৰক পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে পুলিচ বাহিনীৰে সৈতে ফুলগুৰিলৈ পঠিয়ায়। ইতিমধ্যে যাঠি-জোং লৈ ৩০০০ তকৈ অধিক কৃষকে ফুলগুৰিত সমবেত হৈছিল। চিংগাৰে কৃষকসকলক আঁতৰি যাবলৈ নিৰ্দেশ জাৰি কৰে। উত্তেজিত কৃষসকলে চিংগাৰক হত্যা কৰি কলং নদীত উটুৱাই দিয়ে। শেষত ডেপুটি কমিছনাৰে নিজে আহি পৰিস্থিতি নিয়ন্ত্ৰণ কৰে।

ফুলগুৰিৰ কৃষক বিদ্ৰোহ পূৰ্ব পৰিকল্পিত নাছিল। এই বিদ্ৰোহত তিৱা আৰু কছাৰী কৃষকসকলৰ লগতে আন সম্প্ৰদায়ৰ কৃষকসকলেও অংশগ্ৰহণ কৰিছিল। ডেপুটি কমিছনাৰৰ অনাহক হস্তক্ষেপমূলক কাৰ্য্যই কৃষক সকলৰ মাজত দকৈ শিপাই থকা ক্ষোভৰহে উদ্‌গীৰণ ঘটাইছিল। ফুলগুৰিৰ কৃষক বিদ্ৰোহে অসমত এলানি কৃষক বিদ্ৰোহৰ বাট মোকলাই দিছিল।

**পথাৰুঘাটৰ কৃষক বিদ্ৰোহ ঃ** ইংৰাজ শাসনত কৰ বৃদ্ধিক কেন্দ্ৰ কৰি কৃষকসকলৰ মাজত ব্যাপক

অসন্তোষৰ সৃষ্টি হৈছিল। দৰং আৰু কামৰূপ জিলাৰ কৃষকসকলে ব্ৰিটিছৰ কৰনীতিৰ বিৰুদ্ধে ৰাইজমেল পাতি প্ৰতিবাদ সাব্যস্ত কৰিছিল। ১৮৯৩ চনত অসমৰ চীফ কমিছনাৰ ছাৰ উইলিয়াম ৱাৰ্ডে ৭০/৮০ শতাংশ কৰ বৃদ্ধি কৰাত কৃষকসকলে ঐক্যবদ্ধভাৱে এনে নীতিৰ বিৰোধিতা কৰাৰ বাবে সাজু হৈছিল। দৰং জিলাৰ পথৰুঘাট অঞ্চলৰ কৃষকসকলে ৰাইজমেল পতাৰ বাবে যো-জা কৰিছিল। এই কথাৰ উমান পাই ১৮৯৪ চনৰ ২৮ জানুৱাৰী নিশা উপায়ুক্ত জে. ডি. এণ্ডাৰচন আৰু পুলিচ চুপাৰিটেণ্ডেণ্ট বেৰিংটনে সশস্ত্ৰ বাহিনী এটা লৈ পথৰুঘাটত উপস্থিত হৈছিল। ২৮ জানুৱাৰীৰ দিনা উপায়ুক্ত অহাৰ খবৰ পাই ৰাইজমেললৈ অহা কৃষকৰ সংখ্যা বৃদ্ধি পাইছিল। ৰাইজে আশা কৰিছিল যে জিলা উপায়ুক্তই খাজনা কিছু লাঘৱ কৰি কৃষকসকলক সকাহ দিব। কিন্তু উপায়ুক্তই সমবেত ৰাইজক ঘৰাঘৰি যোৱাৰ বাবে আদেশ দিয়াত কৃষকসকল ক্ষুব্ধ হৈ পৰে আৰু উপায়ুক্তৰ নিৰ্দেশ মানিবলৈ অস্বীকাৰ কৰাত পুলিচ বাহিনীয়ে কৃষকসকলক বেয়নেটেৰে আক্ৰমণ কৰিবলৈ উদ্যত হয়। ৰাইজ উত্তেজিত হৈ পৰে। উত্তেজিত কৃষকসকলে পুলিচৰ গালৈ মাটিৰ চপৰা দলিয়াবলৈ ধৰে আৰু কিছুমানে লাঠিৰে পুলিচৰ আক্ৰমণক বাধা দিয়াৰ চেষ্টা কৰে। পুলিচৰ গুলী চালনাত ভালেসংখ্যক কৃষকৰ মৃত্যু হয়। 'দলি পুৰাণ' নামৰ পুথিখনত পথৰুঘাটৰ কৃষক বিদ্ৰোহৰ বিষয়ে নানা তথ্য পোৱা যায়।

**ৰঙিয়াৰ কৃষক বিদ্ৰোহ ঃ** পথৰুঘাটৰ কৃষকসকলৰ দৰে ৰঙিয়া অঞ্চলৰ কৃষকসমাজেও ব্ৰিটিছৰ কৰ নীতিৰ বিৰুদ্ধে বিদ্ৰোহৰ সূচনা কৰিছিল। ১৮৯৩ চনৰ ডিচেম্বৰ আৰু ১৮৯৪ চনৰ জানুৱাৰী মাহত ৰঙিয়াত বৃহৎ আকাৰত কৃষক বিদ্ৰোহে গা কৰি উঠিছিল। চৰকাৰী খাজনা সংগ্ৰহকাৰী বিষয়াই পুলিচৰ সহায়ত খাজনা দিব নোৱাৰা দৰিদ্ৰ খেতিয়কৰ ঘৰ কুৰুকি কৰিছিল। আনকি হালৰ গৰু পৰ্যন্ত লৈ গৈছিল। কৃষক বিদ্ৰোহৰ ব্যাপক ৰূপ দেখি সহকাৰী পুলিচ চুপাৰিনটেণ্ডেণ্টে পুলিচ-মিলিটাৰী লগত থকাৰ পিছতো কৃষকসকলৰ বিৰুদ্ধে ব্যৱস্থা ল'বলৈ ভয় কৰিছিল। গুৱাহাটীৰ পৰা কামৰূপ জিলাৰ উপায়ুক্তই নিজে ফৌজ লৈ গৈও বিপুলসংখ্যাক কৃষক দেখি থমকি ৰৈছিল। ৰঙিয়াৰ কৃষক বিদ্ৰোহে পাতিদৰং, নলবাৰী, বৰমা, বজালী, বৰভাগ আদি অঞ্চলতো বিৰাট প্ৰভাৱ পেলাইছিল। ব্ৰিটিছ বিষয়াই কৰ আদায় নিদিয়াৰ অপৰাধত সম্পত্তি বাজেয়াপ্ত কৰিবলৈ আহিলে তেওঁলোকক বাধা দিয়াৰ বাবে কৃষকসকল সাজু হৈছিল। ১৮৯৪ চনৰ ১০ জানুৱাৰীৰ দিনা ৰঙিয়া থানাৰ সন্মুখত হাজাৰ হাজাৰ কৃষকৰ সমাবেশ ঘটিছিল। কৃষকসকলে বৰ্দ্ধিত খাজনা দিয়া নহ'ব বুলি শ্লোগান দিছিল। উপায়ুক্ত মেককেবিয়ে কৃষকসকলক আঁতৰি যাবলৈ নিৰ্দেশ দিছিল। কিন্তু কৃষকসকলে খাজনা বৃদ্ধিৰ বিৰুদ্ধে কঠোৰ হৈ পৰাত উপায়ুক্তই গুলী চালনাৰ আদেশ দিয়ে। মেককেবিৰ এনে প্ৰৰোচনামূলক মইমতালিৰ বাবে পুলিচৰ গুলীত কেবাজনো কৃষক হতাহত হৈছিল।

**লচিমাৰ কৃষক বিদ্ৰোহ ঃ** ৰঙিয়াৰ কৃষকবিদ্ৰোহৰ ৰূপ দেখি ব্ৰিটিছে শ্বিলঙৰ পৰা গোৰ্খা ৰাইফলছৰ সৈনিক নামনি অসমত মোতায়েন কৰিছিল। আনকি সমাজৰ ভালেমান ভব্য-গব্য লোকক কনিষ্টবল হিচাবে নিযুক্তি দিছিল। কিন্তু এইবোৰ ব্যৱস্থা কৰিও ইংৰাজ চৰকাৰে ৰাইজমেল সমূহৰ কৰ বিৰোধী কাম-কাজ বন্ধ কৰিব পৰা নাছিল। ১৮৯৪ চনৰ ২১ জানুৱাৰী তাৰিখে লচিমাৰ আল্‌থা জানৰ পাৰৰ পানাগাঁও টুপ নামৰ আই থানৰ পথাৰত সমবেত কৃষকে কৰ সংগ্ৰহ কৰিবলৈ অহা মৌজাদাৰ আৰু মণ্ডলক মাৰধৰ কৰিছিল। বৰপেটাৰ মহকুমাধিপতিয়ে এই অপৰাধত ৭৫ গৰাকী কৃষকক গ্ৰেপ্তাৰ কৰাত ৮০০০ ৰো অধিক খেতিয়কে মহকুমাধিপতিৰ শিবিৰ ঘেৰাও কৰিছিল। মহকুমাধিপতিয়ে শিবিৰৰ পৰা নিশা পলাই গৈ উৰ্দ্ধতন কৰ্ত্তৃপক্ষক

অধিক পুলিচ পঠিয়াবলৈ অনুৰোধ জনাইছিল। ২৫ জানুৱাৰীত ৫৯ গৰাকী ৰাইজমেলৰ দলপতিক গ্রেপ্তাৰ কৰি তেওঁলোকক এটা কাৰাগাৰ নিৰ্মাণ কৰা কামত লগাইছিল। এনে কাৰ্যৰ বিৰোধিতা কৰি ৬০০০ খেতিয়কে চহী কৰা আবেদন এখন মেককেবি চাহাবক দিয়া হৈছিল। গোটখোৱা ৰাইজে পুলিচৰ শিবিৰ আক্ৰমণ কৰিব বুলি ভয় খাই মেককেবিয়ে ৰাইজক ছত্ৰভংগ দিয়াবলৈ পুলিচ বাহিনীক নিৰ্দেশ দিছিল। ৰাইজমেলৰ দলপতি গোঁসাই, দলৈ আৰু গাওঁবুঢ়াক ধৰি নি ব্ৰিটিছ বিষয়াই তেওঁলোকক যুৱলি টানিবলৈ বাধ্য কৰাইছিল। ব্ৰিটিছৰ এনে ঘৃণনীয় কাৰ্যইও লচিমাৰ কৃষক বিদ্ৰোহ দমন কৰিব পৰা নাছিল। সৰ্থেবাৰী অঞ্চলৰ এই কৃষক বিদ্ৰোহক লচিমাৰ কৃষক বিদ্ৰোহ নামেৰে জনা যায়।

ধাৰাবাহিকভাৱে গঢ়ি উঠা কৃষক বিদ্ৰোহক ব্ৰিটিছ চৰকাৰে কঠোৰ হাতেৰে দমন কৰে যদিও কৃষক বিদ্ৰোহে উপনিবেশিক শাসনৰ বিৰুদ্ধে জনসাধাৰণৰ মাজত ৰাজনৈতিক সচেতনতা সৃষ্টিত বৰঙণি যোগায়। আনকি ৰাষ্ট্ৰীয় সংবাদ মাধ্যমতো কৃষক বিদ্ৰোহৰ বাতৰি ছপা হোৱাত বৃটিছ চৰকাৰৰ আসোঁৱাহপূৰ্ণ ভূমি নীতি সকলোৰে দৃষ্টিগোচৰ হৈছিল আৰু ৰামবিহাৰী বসুৱে কেন্দ্ৰীয় বিধান মণ্ডলত অসমৰ কৃষক বিদ্ৰোহৰ ছবি দাঙি ধৰিছিল।

**প্ৰাক-স্বাধীনতা কালৰ সামাজিক-ৰাজনৈতিক অনুষ্ঠান ঃ** কৃষক বিদ্ৰোহৰ সময়ত নিৰ্ণায়ক ভূমিকা পালন কৰা ৰাইজমেল নামৰ সামাজিক অনুষ্ঠানসমূহ প্ৰাক্-স্বাধীনতা সংগ্ৰাম কালত ৰায়ত সভালৈ সলনি হৈছিল আৰু ৰায়ত সভাবোৰত অসমৰ শিক্ষিত সমাজৰ লোকেও অংশ গ্ৰহণ কৰা দেখা গৈছিল। ১৮৯৩ চনত চৰকাৰে খাজনা বৃদ্ধি কৰাৰ বিৰুদ্ধে এনে অনুষ্ঠান এটাই অসমৰ চীফ কমিছনাৰ আৰু ভাইচৰয়লৈ স্মাৰকপত্ৰ প্ৰেৰণ কৰিছিল। অৱশ্যে অসমৰ শিক্ষিত সমাজে ৰাইজমেলৰ দৰে চৰকাৰ বিৰোধী দৃষ্টিভংগী গ্ৰহণ কৰা নাছিল। তেওঁলোকে প্ৰাৰ্থনা, আবেদন আৰু স্মাৰক-পত্ৰৰ যোগেদি ব্ৰিটিছ চৰকাৰৰ খাজনা নীতিৰ বিৰুদ্ধে সাংবিধানিক বাধ্যবাধকতা মানি প্ৰতিবাদ জনাইছিল। ৰায়ত সভাবোৰ আছিল মুখ্যতঃ নেতাকেন্দ্ৰিক। ৰাজহুৱা অনুষ্ঠানসমূহৰ বেছিভাগেই সাহিত্য আৰু সংস্কৃতি চৰ্চামূলক হ'লেও, এনে অনুষ্ঠানবোৰে অসমীয়া মানুহৰ আশা-আকাংক্ষাক প্ৰকাশ কৰাৰ মাজেদি জাতিটোৰ মাজত ঐক্য চেতনাৰ জন্ম দিছিল।

**যোৰহাট সাৰ্বজনিক সভা ঃ** যোৰহাট নগৰখন সামাজিক-ৰাজনৈতিক কৰ্মকাণ্ডৰ কেন্দ্ৰবিন্দু হৈ পৰিছিল। জগন্নাথ বৰুৱাৰ তৎপৰতাত ১৮৮৪ চনত যোৰহাট সাৰ্বজনিক সভাই প্ৰতিষ্ঠা লাভ কৰে। জগন্নাথ বৰুৱা আছিল চাহ খেতিয়কৰ সন্তান আৰু কলিকতাৰ প্ৰেচিডেন্সি কলেজত তেওঁ উচ্চ শিক্ষা গ্ৰহণ কৰিছিল। কলিকতাত সক্ৰিয় হৈ থকা আত্মীয় সভা, বেংগল ব্ৰিটিছ ইণ্ডিয়ান ছোচাইটি, প্ৰেট্ৰিয়টচ্ এছ'চিয়েচন, ইণ্ডিয়ান এছ'চিয়েচন আদি অনুষ্ঠানৰ দ্বাৰা তেওঁ অনুপ্ৰাণিত হৈছিল। তেওঁ অসমৰ জনসাধাৰণৰ আশা-আকাংক্ষা আৰু ক্ষোভ প্ৰকাশ কৰাৰ লগতে চৰকাৰৰ আৰ্থ-সামাজিক নীতি-নিৰ্ধাৰণৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰিছিল। যোৰহাট সাৰ্বজনিক সভাৰ মুখ্য উদ্দেশ্য তিনিটা আছিল—

১। মানুহৰ ইচ্ছা আকাংক্ষাবোৰক চৰকাৰৰ ওচৰত প্ৰতিনিধিত্ব কৰা।

২। চৰকাৰী নীতিসমূহ জনসাধাৰণৰ মাজত ব্যাখ্যা কৰা।

৩। জনসাধাৰণৰ সামাজিক অৱস্থাৰ উন্নতি সাধন কৰা।

এই সভাৰ প্ৰতিষ্ঠাপক সভাপতিগৰাকী হ'ল ৰাজা নৰনাৰায়ণ সিং আৰু সম্পাদক জগন্নাথ বৰুৱা। ১৮৮৬ চনত ব্ৰিটিছে প্ৰৱৰ্তন কৰা অসম ভূমি আৰু ৰাজহ নীতিৰ সাৰ্বজনিক সভাই বিৰোধিতা কৰিছিল।

১৮৯২-৯৩ চনত কৃষকসকলে গঢ়ি তোলা বিদ্রোহৰ প্ৰতি এই সভাই সহমত প্ৰকাশ কৰি চৰকাৰৰ আৰ্থিক নীতিক গৰিহণা দিছিল। সভাই দীৰ্ঘস্থায়ী ভূমি বন্দোবস্তৰ দাবী জনোৱাৰ লগতে ৰাজহ বৃদ্ধি নকৰাকৈ আধিয়াৰক নিজ ভূমি প্ৰদান কৰাৰ অধিকাৰ বিচাৰিছিল। ১৮৯৩ চনত সাৰ্বজনিক সভাই ৰয়েল কমিছন অন অপিয়ামৰ ওচৰত এখন স্মাৰকপত্ৰ প্ৰদান কৰে। শিক্ষানীতিৰ সংস্কাৰ সাধন আৰু পৰ্যাপ্ত নিয়োগৰ সুযোগ সৃষ্টি কৰাৰ বাবেও সভাই চৰকাৰৰ ওচৰত আবেদন জনাইছিল।

যোৰহাট সাৰ্বজনিক সভাই প্ৰকৃতাৰ্থত অসমত ভাৰতীয় জাতীয় কংগ্ৰেছ গঠনত প্ৰধান ভূমিকা লৈছিল আৰু ১৯০৫ চনৰ বংগ বিভাজনৰ তীব্ৰ বিৰোধিতা কৰিছিল। ব্ৰিটিছ চৰকাৰে অসমক পূৰ্ববংগৰ সৈতে একত্ৰিত কৰাৰ পৰিকল্পনাক বিৰোধিতা কৰি জগন্নাথ বৰুৱাই অসমীয়া মানুহৰ স্বাৰ্থ সুৰক্ষা কৰা আৰু থলুৱা লোকক কৰ্মসংস্থাপন দিয়াৰ বাবে দাবী জনাইছিল। এনেকৈয়ে অসমত সামাজিক আৰু ৰাজনৈতিক সজাগতা বৃদ্ধিৰ বাবে যোৰহাট সাৰ্বজনিক সভাই বিশেষ পদক্ষেপ লৈছিল। এই সভাৰ সদস্য দেৱীচৰণ বৰুৱা আৰু লক্ষ্মীনাথ বেজবৰুৱাই ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰতিনিধি ৰূপে বাৰ্ষিক অধিৱেশনত অংশগ্ৰহণ কৰিছিল। ১৯০৭ চনত জগন্নাথ বৰুৱাৰ মৃত্যুৰ পিছত সভাৰ সদস্যসকলৰ মাজত বিভিন্ন বিষয়ত মতৰ অমিল ঘটে আৰু তেওঁৰ মৃত্যুৰ পিছত সভাৰ কাম-কাজ বন্ধ হৈ যায়।

**অসম এছ'ছিয়েশ্বন ঃ** অসমীয়া জনসাধাৰণৰ আশা আকাংক্ষা পূৰণৰ বাবে অসমৰ শিক্ষিত সমাজৰ নেতৃস্থানীয় ব্যক্তি মাণিক চন্দ্ৰ বৰুৱাই এটা প্ৰাদেশিক সংগঠনৰ প্ৰয়োজনীয়তাৰ কথা অনুভৱ কৰিছিল। ১৯০৩ চনত অসমৰ ৪০ গৰাকী আগশাৰীৰ লোকে গুৱাহাটীত মিলিত হৈ ভাইচৰয়ৰ কাৰ্যবাহী পৰিষদৰ সদস্য ডেনজিল্ ইবাৰ্টচন্‌ক সাক্ষাৎ কৰিবলৈ বিচাৰিছিল। এনেকৈয়ে কলিকতাৰ ইণ্ডিয়ান এছ'ছিয়েশ্বনৰ আৰ্হিত অসম এছ'ছিয়েশ্বন নামৰ সংগঠন এটাৰ জন্ম দিয়াৰ প্ৰক্ৰিয়া আৰম্ভ হয় আৰু এখন অস্থায়ী কাৰ্যবাহী সমিতি গঠন কৰি প্ৰভাত চন্দ্ৰ বৰুৱাক সভাপতি, জগন্নাথ বৰুৱাক উপ-সভাপতি আৰু মাণিক চন্দ্ৰ বৰুৱাক সাধাৰণ সম্পাদকৰ দায়িত্ব প্ৰদান কৰে। ১৯০৫ চনত ডিব্ৰুগড়ত বহা অসম এছ'ছিয়েশ্বনৰ প্ৰথম অধিৱেশনত উল্লেখ কৰা পদসমূহত এওঁলোকক স্থায়ীভাৱে মনোনীত কৰা হয়। গুৱাহাটীত মুখ্য কাৰ্যালয় স্থাপন কৰি জিলা আৰু মহকুমা পৰ্যায়ত ব্ৰহ্মপুত্ৰ উপত্যকাৰ বিভিন্ন ঠাইত অসম এছ'ছিয়েশ্বনৰ শাখা স্থাপন কৰে।

কুৰি শতিকাৰ প্ৰথম দশক দুটাত অসম এছ'ছিয়েশ্বনে ব্ৰহ্মপুত্ৰ উপত্যকাৰ আগশাৰীৰ অনুষ্ঠান হিচাপে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। যোৰহাট সাৰ্বজনিক সভাৰ লেখীয়াকৈ অসম এছ'ছিয়েশ্বনেও বংগ বিভাজনৰ চৰকাৰী সিদ্ধান্তৰ বিৰোধিতা কৰিছিল। এছ'ছিয়েশ্বনে ভয় কৰিছিল যে বংগ বিভাজনৰ ফলত ঐতিহাসিক অসম নামটো নাইকিয়া হৈ যাব আৰু অসমীয়া ভাষাৰ প্ৰতি ভাবুকিৰ সৃষ্টি হ'ব। ব্ৰিটিছ চৰকাৰৰ পৰা অসমৰ প্ৰতি পূৰ্বতে পোৱা যত সামান্য মনোযোগ চৰকাৰখন ঢাকালৈ স্থানান্তৰ কৰাৰ পৰিকল্পনাই মষিমূৰ কৰিব। এছ'ছিয়েশ্বনৰ কেইগৰাকীমান সদস্য বিধান পৰিষদৰো সদস্য আছিল বাবে এই সন্দৰ্ভত তেওঁলোকে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল।

**অসম এছ'ছিয়েশ্বনৰ গুৰুত্বপূৰ্ণ পদক্ষেপ সমূহ হ'ল ঃ** অসম এছ'ছিয়েশ্বনে পৌৰ সমিতিসমূহত চৰকাৰী বিষয়া আৰু স্থানীয় প্ৰশাসনিক নিকায়বোৰত চাহ বাগিচাৰ ইউৰোপীয় কৰ্তৃপক্ষৰ প্ৰভুত্বৰ বিৰোধিতা কৰি স্বায়ত্ত শাসিত এনেবোৰ প্ৰশাসনিক গোটৰ গণতান্ত্ৰিকীকৰণ বিচাৰিছিল। অসম এছ'চিয়েচনে চৰকাৰৰ আবকাৰী

নীতিৰ গৰিহণা দিছিল। কৰ বৃদ্ধিৰ বিৰোধিতা কৰিছিল আৰু কানিৰ সম্পূৰ্ণ নিষিদ্ধকৰণ দাবী কৰিছিল। অসম এছ'ছিয়েশ্বনে প্ৰদেশখনত শিক্ষাৰ বিকাশৰ প্ৰতি আগ্ৰহী আছিল। কলিকতা বিশ্ববিদ্যালয়ৰ চিণ্ডিকেটৰ সভাত অসমৰ প্ৰতিনিধিত্ব, কটন মহাবিদ্যালয়ত অসমীয়া শিক্ষক নিযুক্তি আৰু কাৰিকৰী শিক্ষাৰ বিকাশৰ বাবে কাৰিকৰী শিক্ষা প্ৰতিষ্ঠান স্থাপন কৰি 'উইলিয়ামচন পুঁজি'ৰ সদ্ব্যৱহাৰ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল।

অসম এছ'ছিয়েশ্বনে আৰম্ভণিতে প্ৰাদেশিক বিষয়ৰ ওপৰত গুৰুত্ব প্ৰদান কৰিলেও লাহে লাহে এই অনুষ্ঠানটিয়ে ভাৰতবৰ্ষৰ মূল সুঁতিৰ ৰাজনীতিৰ লগত মিলি যায়। এই অনুষ্ঠানৰ সদস্য নবীন চন্দ্ৰ বৰদলৈ, চন্দ্ৰনাথ শৰ্মা, প্ৰসন্ন কুমাৰ বৰুৱা আৰু তৰুণৰাম ফুকনে জাতীয় কংগ্ৰেছৰ বাৰ্ষিক অধিৱেশনত যোগদান কৰিছিল আৰু জাতীয় কংগ্ৰেছৰ লক্ষ্য আৰু উদ্দেশ্যৰ সৈতে ঐক্যমত পোষণ কৰিছিল। ১৯২১ চনত অসম এছ'ছিয়েশ্বনে অসম প্ৰাদেশিক কংগ্ৰেছৰ সৈতে একত্ৰিত হয়।

**অসমৰ সুৰমা উপত্যকাত ৰাজনৈতিক সজাগতা ঃ** অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ নিচিনাকৈ সুৰমা উপত্যকাৰ কাছাৰ আৰু ছিলেট জিলাটো ৰাজনৈতিক সজাগতাৰ উন্মেষ ঘটিছিল। বংগদেশৰ সৈতে জিলা দুখনৰ ভাষিক আৰু সাংস্কৃতিক সম্পৰ্ক থকাৰ ফলত বংগদেশৰ জাতীয় আদৰ্শ আৰু আৱেগে জিলা দুখনত কেইবাটাও ৰাজহুৱা অনুষ্ঠান সৃষ্টি হোৱাত সহায় কৰিছিল। সুহৃদ সমিতি, অনুশীলন সমিতি, সুহৃদ সেৱক সমিতি আদি অনুষ্ঠানবোৰে চৰমপন্থাৰ পোষকতা কৰিছিল আৰু সন্ত্ৰাসমূলক কাৰ্যকলাপতো লিপ্ত হৈছিল। লৰ্ড কাৰ্জনৰ বংগ বিভাজনৰ প্ৰস্তাৱে সুৰমা উপত্যকাত বৃহৎ আকাৰত প্ৰতিবাদৰ সূচনা কৰিছিল। ৰাজহুৱা সভা তথা সংবাদপত্ৰত লেখা-মেলাৰ যোগেদি কাৰ্জনৰ বংগ বিভাজন নীতিৰ বিৰোধিতা কৰিছিল। সুৰমা উপত্যকাত স্বদেশী আন্দোলন প্ৰবল ৰূপত গঢ়ি তোলাৰ বাবে কাছাৰ স্বদেশী সভা আৰু শ্ৰীহট্ট স্বদেশী সেৱক সমিতি গঠন হয় আৰু বিদেশী সামগ্ৰী বৰ্জনৰ বাবে ১৯০৬ চনৰ আগষ্ট মাহত সুৰমা উপত্যকাত ৰাজনৈতিক সন্মিলন এখন অনুষ্ঠিত হয়। দুদিন ধৰি চলা এই সন্মিলনখনত সভাপতিত্ব কৰিছিল কামিনী কুমাৰ চন্দই আৰু হাজাৰ হাজাৰ লোক সমবেত হোৱা ৰাজহুৱা সভাত বিপিন চন্দ্ৰ পালে ভাষণ দিছিল।

ঊনৈশ শতিকাৰ শেষৰফালে আৰু কুৰি শতিকাৰ সূচনা কালত ব্ৰহ্মপুত্ৰ আৰু সুৰমা উপত্যকাত ৰাজনৈতিক সচেতনতা বৃদ্ধি পোৱা দেখা যায়। ব্ৰিটিছ শাসনে প্ৰদেশখনৰ মানুহৰ মাজত কৰা শোষণ বঞ্চনাৰ বিৰুদ্ধে একতাৰ মনোভাৱ জগাই তোলে আৰু একে ধৰণৰ প্ৰশাসনিক শাসন ব্যৱস্থা, উন্নত মানৰ যাতায়াত ব্যৱস্থা আৰু পশ্চিমীয়া চিন্তাদৰ্শৰ প্ৰভাৱে অঞ্চলটোৰ মানুহৰ মাজত ব্ৰিটিছ শাসনৰ বিৰুদ্ধে সজাগতাৰ সৃষ্টি কৰে। এনে সজাগতাই ভাৰতৰ মূল সুঁতিৰ ৰাজনীতিৰ সৈতে অসমকো যুক্ত কৰে।

**অসমত ব্ৰিটিছ বিৰোধী স্বাধীনতা সংগ্ৰাম (১৯০৫-১৯৪৭) ঃ** ১৯০৫ চনৰ ১৬ অক্টোবৰ তাৰিখে প্ৰবল প্ৰতিবাদকো নেওচা দি বংগ বিভাজন ঘোষণা কৰা হয়। পূৰ্ব বংগ আৰু অসমক সামৰি ১০৬,৫৪০ বৰ্গ কিঃ মিঃ এলেকাক নতুন প্ৰদেশ হিচাপে ঘোষণা কৰি ঢাকাৰ লেফটেনেন্ট গৱৰ্ণৰ জে বি ফুলাৰক অসমৰ মুখ্য কমিছনাৰ হিচাপে নিযুক্তি দিয়ে। অসমৰ জনসাধাৰণৰ মাজত প্ৰত্যয় গঢ়ি তোলাৰ বাবে কমিছনাৰৰ দায়িত্ব লৈয়েই ফুলাৰে অসম ভ্ৰমণ কৰে। ফুলাৰে ছাত্ৰ বৃত্তিকে ধৰি কেইবাটাও কল্যাণমূলক আঁচনিৰ ঘোষণাৰে অসমৰ জনমতক প্ৰভাৱিত কৰাৰ চেষ্টা চলায়। এনে প্ৰতিশ্ৰুতিয়ে অসমৰ জনসাধাৰণক সন্তুষ্ট কৰিব পৰা নাছিল আৰু চাহ বাগিচাৰ মালিক তথা পূৰ্ববংগ আৰু সুৰমা উপত্যকাৰ এচাম মুছলিম লোকৰ বাহিৰে অসমে

বংগ বিভাজনৰ বিৰুদ্ধে গঢ়ি উঠা আন্দোলনৰ প্ৰতি সমৰ্থন আগবঢ়াইছিল। তেজপুৰ, বৰপেটা, ধুবুৰী, গৌৰীপুৰ, গুৱাহাটী, ডিব্ৰুগড়, শিলচৰ, কৰিমগঞ্জ আদি ঠাইত বংগ বিভাজনৰ বিৰুদ্ধে প্ৰতিবাদ সভা অনুষ্ঠিত হৈছিল। সকলো গোষ্ঠী সম্প্ৰদায়ৰ লোকে এই সভাবোৰত সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰাৰ লগতে গণ প্ৰাৰ্থনা আৰু ৰাখী বন্ধন অনুষ্ঠিত কৰি ঐক্য-সংহতিৰ বাৰ্তা বিলাইছিল। বংগ বিভাজনৰ বিৰুদ্ধে প্ৰতিবাদকাৰীসকলে 'বন্দে মাতৰম' ধ্বনিৰে ব্ৰিটিছৰ বিভাজন নীতিৰ বিৰোধিতা কৰাৰ লগতে বিদেশী সামগ্ৰী আৰু স্কুল-কাছাৰী আদিৰ বৰ্জনৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাইছিল। ঠায়ে ঠায়ে জাতীয় চেতনালব্ধ বিদ্যালয় গঢ়ি তোলাৰ তৎপৰতাও দেখা গৈছিল।

**স্বদেশী আন্দোলন ঃ** ব্ৰহ্মপুত্ৰ উপত্যকাত বংগ বিভাজনক কেন্দ্ৰ কৰি গঢ়ি উঠা আন্দোলনটো মূলতঃ নগৰ আৰু মফছল অঞ্চলতহে সীমাবদ্ধ আছিল। আন্দোলনকাৰীসকলে বিদেশী সামগ্ৰী বৰ্জন কৰি স্বদেশী সামগ্ৰী গ্ৰহণ কৰাৰ বাবে আহ্বান জনাইছিল। অসমৰ নগৰবোৰত মানুহে ইংলেণ্ডৰ লিভাৰপুলত তৈয়াৰী নিমখ বৰ্জন কৰি খাৰ ব্যৱহাৰ কৰিবলৈ লৈছিল; বিদেশত তৈয়াৰী চেনীৰ সলনি বাৰাণসীত উৎপাদিত চেনীহে ব্যৱহাৰ কৰিছিল; ইউৰোপৰ বস্ত্ৰশিল্পত তৈয়াৰী কাপোৰৰ সলনি ঘৰতে বোৱা-কটা কৰা কাপোৰ ব্যৱহাৰ কৰিব লৈছিল। কামাখ্যা মন্দিৰৰ প্ৰধান পুৰোহিতে পাণ্ডা আৰু দোকানবোৰত বিদেশী সা-সামগ্ৰী ব্যৱহাৰ নকৰিবলৈ পৰামৰ্শ আগবঢ়াইছিল। এনে পৰিৱেশত ৰাজ্যখনত খিলঞ্জীয়া লোকৰ দোকান-পোহাৰ গঢ়ি উঠিছিল আৰু স্বদেশী বয়বস্তু কিনা-বেচা কৰাৰ প্ৰক্ৰিয়া আৰম্ভ হৈছিল। অম্বিকাগিৰি ৰায়চৌধুৰীয়ে গোবিন্দ লাহিড়ীৰ সৈতে লগ লাগি ছাত্ৰ সমাজৰ  মাজত স্বদেশী ধাৰণাটো জনপ্ৰিয় কৰিবলৈ চেষ্টা চলাইছিল। বংগদেশৰ বিখ্যাত নাট্যকাৰ মুকুন্দ দাসে ১৯০৫ চনত দেশ প্ৰেমমূলক গীত-মাত আৰু নাটক পৰিৱেশন কৰি গুৱাহাটীৰ দৰ্শক শ্ৰোতাৰ মাজত স্বদেশী আন্দোলনৰ বাৰ্তা বিলাবলৈ সক্ষম হৈছিল।

ব্ৰিটিছ চৰকাৰে স্বদেশী আন্দোলন দমন কৰাৰ বাবে কঠোৰ নীতি অৱলম্বন কৰিছিল। কাৰ্লাইল আৰু ৰিছলে চাৰ্কুলাৰৰ জৰিয়তে শিক্ষানুষ্ঠানত পাঠৰত ছাত্ৰ-ছাত্ৰীসকলে যাতে স্বদেশী আন্দোলনৰ প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ নকৰে, স্কুল কৰ্তৃপক্ষই তাৰ নিশ্চয়তা প্ৰদান কৰিব লাগিছিল। স্বদেশী আন্দোলনত অংশ লোৱা শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকলৰ বিৰুদ্ধে অনুশাসনমূলক ব্যৱস্থা গ্ৰহণ কৰা হৈছিল। সভা আৰু সমদল নিষিদ্ধ ঘোষণা কৰি ৰাজনৈতিক নেতাবোৰক জেললৈ প্ৰেৰণ কৰিছিল। সংবাদ মাধ্যমৰ ওপৰত কঠোৰ নিষেধাজ্ঞা আৰোপ কৰা হৈছিল। আন্দোলনকাৰীৰ বিৰুদ্ধে জৰিমনা বিহাৰ উপৰি কাৰাবাসত আৱদ্ধ কৰাৰ লগতে নিৰ্বাসনো দিয়া হৈছিল।

স্বদেশী আন্দোলনৰ ওপৰত ব্ৰিটিছে জাপি দিয়া কঠোৰ নিৰ্যাতনমূলক নীতিৰ বিৰুদ্ধে বংগদেশত সশস্ত্ৰ কৰ্মকাণ্ড গঢ়ি তোলাৰ বাবে গোপন সমিতি স্থাপন হৈছিল। অম্বিকাগিৰি ৰায় চৌধুৰীয়ে বংগৰ অনুশীলন সমিতিৰ আৰ্হিত সেৱা সংঘ নামৰ সংগঠন এটাৰ জন্ম দিয়ে। কিন্তু এনে ক্ষুদ্ৰ ক্ষুদ্ৰ সমিতি সমূহে ঔপনিৱেশিক নিৰ্যাতনক প্ৰতিহত কৰিবলৈ বিশেষ সাফল্য অৰ্জন কৰা নাছিল।

ব্ৰিটিছৰ বংগ বিভাজন নীতিৰ বিৰুদ্ধে প্ৰতিবাদ কৰাৰ বাবে আচাম এছ'ছিয়েশ্বনৰ সভাপতি ৰাজা প্ৰভাত চন্দ্ৰ বৰুৱাই ১৯০৭ চনত ব্ৰিটিছ ৰাষ্ট্ৰসচিবক স্মাৰকপত্ৰ  এখন প্ৰদান কৰে। এই স্মাৰকপত্ৰখনে ব্ৰিটিছে বিকাশৰ নীতি লোৱাৰ পৰিৱৰ্তে বিভাজনৰ নীতি গ্ৰহণ কৰাৰ কাৰ্যক সমালোচনা কৰিছিল।

ইতিমধ্যে ইংলেণ্ডৰ শাসন ব্যৱস্থাত উদাৰপন্থীসকলৰ আগমন ঘটে। লৰ্ড কাৰ্জনৰ পৰৱৰ্তী গভৰ্ণৰ জেনেৰেল লৰ্ড মিণ্টোৱে ভাৰতত কেৱল নিৰ্যাতনমূলক নীতিৰে সমস্যাৰ সমাধান কৰিব নোৱাৰি বুলি অনুভৱ কৰিছিল। তেওঁ ব্ৰিটিছ বিৰোধী আন্দোলনত অংশ লোৱা প্ৰতিবাদকাৰী সকলৰ মাজত সুকৌশলে বিভাজন সৃষ্টি কৰি আন্দোলনটোক দুৰ্বল কৰি তোলা নীতিত বিশ্বাস কৰিছিল। এইবাবে তেওঁ ভাৰতীয় জাতীয়তাবাদী উত্থানক দুৰ্বল কৰাৰ বাবে মুছলমান সম্প্ৰদায়ক তোষামোদ কৰা নীতি গ্ৰহণ কৰিছিল। ১৯০৯ চনৰ ভাৰত চৰকাৰ আইন বা মৰ্লে-মিন্টো সংস্কাৰে মুছলমানসকলক পৃথক প্ৰতিনিধিত্ব আগবঢ়োৱাৰ উপৰি সংখ্যালঘু মুছলমানক বিধানমণ্ডলত অতিৰিক্ত সদস্য পদ লাভৰ সুযোগ দিছিল। কিন্তু এই আইনখনে দেশৰ ৰাজনৈতিক সমস্যাসমূহ সমাধান কৰাত ব্যৰ্থ হৈছিল। চৰমপন্থীসকলে এই আইনখনৰ বিৰোধিতা কৰিছিল আৰু নৰমপন্থীসকলে চৰকাৰৰ 'পৃথক কৰি শাসন কৰা' (Divide and Rule) নীতিৰ বিপদজনক পৰিণতিক লৈ চিন্তিত হৈ পৰিছিল। ভাইচৰয় লৰ্ড হাৰ্দিঞ্জে ব্ৰিটিছ ৰাষ্ট্ৰ সচিবক বংগ বিভাজনে সৃষ্টি কৰা ৰাজনৈতিক অস্থিৰতাৰ কথা অৱগত কৰে আৰু ১৯১১ চনৰ ডিচেম্বৰত অনুষ্ঠিত দিল্লী দৰবাৰত বংগ বিভাজন বাতিল কৰা হয়। ইয়াৰ ফলত অসমে পূৰ্বৰ স্থিতিলৈ উভটি যোৱাৰ সুযোগ পায়। প্ৰদেশখনত এজন মুখ্য কমিছনাৰ নিযুক্তি দিয়াৰ লগতে শ্বিলঙত নতুন বিধানসভাৰ স্থান নিৰ্ধাৰণ কৰা হয়।

**মন্টেগু চেমচ্‌ফোৰ্ড সংস্কাৰ আৰু অসম ঃ** প্ৰথম বিশ্বযুদ্ধ আৰম্ভ হোৱাৰ ফলত সাংবিধানিক সংস্কাৰ প্ৰক্ৰিয়াটো ব্যাহত হয়। খাদ্য সামগ্ৰীৰ নাটনি, মূল্যবৃদ্ধি, মহামাৰী আদিয়ে প্ৰদেশখনৰ অৱস্থা ভয়াৱহ কৰি তোলে। ভাৰতবৰ্ষত সাংবিধানিক অধিকাৰৰ দাবী পূৰ্বতকৈ শক্তিশালী ৰূপত উত্থাপিত হয়। এনে পৰিস্থিতিত ব্ৰিটিছ ৰাষ্ট্ৰ সচিব ই. এচ. মন্টেগুৱে দেশৰ ৰাজনৈতিক পৰিস্থিতি ব্যক্তিগতভাৱে চালি-জাৰি চোৱাৰ বাবে ভাৰত ভ্ৰমণৰ সিদ্ধান্ত লয়। ভাইচৰয় লৰ্ড চেমচ্‌ফোৰ্ডৰ সৈতে মণ্টেগুৱে ভাৰত ভ্ৰমণ কৰাৰ সময়ত সমাজৰ বিভিন্ন প্ৰতিনিধিক সাক্ষাৎ কৰে। মণ্টেগু-চেমচ্‌ফোৰ্ড সংস্কাৰে মূলতঃ ভাৰতত স্বশাসিত অনুষ্ঠানসমূহ পৰ্যায়ক্ৰমে প্ৰৱৰ্তন কৰাৰ প্ৰতি আগ্ৰহ প্ৰকাশ কৰে। কংগ্ৰেছ দলৰ এচামে এই সংস্কাৰক আদৰণি জনালেও, আন এচামে শীঘ্ৰে স্বশাসনৰ বিষয়টো প্ৰৱৰ্তন কৰাৰ প্ৰতি গুৰুত্ব আৰোপ কৰিছিল।

মন্টেগু চেমচ্‌ফোৰ্ড সংস্কাৰ আঁচনিত অসমক অন্তৰ্ভুক্ত কৰা হ'বনে নাই, এই কথাটো স্পষ্টকৈ কোৱা হোৱা নাছিল। এই বিষয়টোক কেন্দ্ৰ কৰি চীফ্ কমিছনাৰ বিটচন বেল, অসমত থকা ইউৰোপীয় সম্প্ৰদায় আৰু অন্যান্য সামাজিক ৰাজনৈতিক সংগঠনবোৰৰ মাজত তীব্ৰ মতবিৰোধৰ সৃষ্টি হৈছিল। অসম এছ'ছিয়েশ্বনে অসমক সংস্কাৰ আঁচনিত অন্তৰ্ভুক্ত কৰাৰ বাবে নবীন চন্দ্ৰ বৰদলৈক কলিকতাস্থিত সংসদীয় কমিটীক অৱগত কৰিবলৈ দায়িত্ব অৰ্পণ কৰে। ১৯১৯ চনৰ মে' মাহত প্ৰস্তাৱিত মন্টেগু-চেমচ্‌ফোৰ্ড সংস্কাৰ বিলখন ব্ৰিটিছ সংসদত উত্থাপন কৰাৰ সময়ত ভাৰতীয় প্ৰতিনিধি দলত নবীন চন্দ্ৰ বৰদলৈ আৰু প্ৰসন্ন কুমাৰ বৰুৱাই অসমক প্ৰতিনিধিত্ব কৰিছিল। ভাৰতীয় প্ৰতিনিধি দলৰ স্বায়ত্ত শাসনৰ দাবীক ব্ৰিটিছ সংসদে অনুমোদন নজনালেও অসম এছ'ছিয়েশ্বনে প্ৰেৰণ কৰা প্ৰতিনিধি দুজনৰ তৎপৰতাৰ বাবে শেষত সংস্কাৰ আঁচনিত অসমক অন্তৰ্ভুক্ত কৰা হৈছিল।

দেশত গঢ়ি উঠা স্বদেশী আৰু হোমৰুল আন্দোলন, বিপ্লৱী কৰ্মকাণ্ড, সমসাময়িক বিশ্বৰ ঘটনাপ্ৰৱাহ আৰু গোখলে, তিলক, বিপিন চন্দ্ৰ পাল আদিৰ তেজোদীপ্ত ভাষণে তৰুণ চামৰ মাজত ৰাজনৈতিক চেতনাৰ

উন্মেষ ঘটায়। এনে সচেতনতাৰ ফলস্বৰূপে ১৯১৬ চনত আসাম ষ্টুডেণ্টচ্ কনফাৰেন্স নামৰ ছাত্ৰ সংগঠন এটিয়ে প্ৰতিষ্ঠা লাভ কৰে। পৰৱৰ্তী কালত এই সংগঠনটোৰ নাম ৰখা হয় অসম ছাত্ৰ সন্মিলন। নতুনকৈ প্ৰতিষ্ঠা লাভ কৰা ছাত্ৰ সংগঠনটো অৰাজনৈতিক হ'লেও এই সংগঠনটোৰ পৰাই চন্দ্ৰনাথ শৰ্মা, অমিয় কুমাৰ দাস, হেমচন্দ্ৰ বৰুৱা, পদ্মধৰ চলিহা আদি নেতাৰ জন্ম হয় আৰু পৰৱৰ্তী কালত এওঁলোকে ব্ৰিটিছ বিৰোধী সংগ্ৰামৰ নেতৃত্ব প্ৰদান কৰে।

**অসহযোগ আন্দোলন ঃ** কুৰি শতিকাৰ দ্বিতীয় দশকৰ শেষৰফালে ভাৰতবৰ্ষৰ ৰাজনৈতিক অৱস্থা জটিল হৈ পৰিছিল। প্ৰথম মহাযুদ্ধৰ ফলত সৃষ্টি হোৱা অৰ্থনৈতিক সংকট আৰু জনসাধাৰণে ইয়াৰ বাবে দিবলৈ বাধ্য হোৱা গধূৰ কৰ-কাটলে দেশৰ মানুহৰ মনত ক্ষোভৰ জন্ম দিছিল আৰু এনে পৰিৱেশতে ভাৰতবৰ্ষত অসহযোগ আন্দোলনৰ পটভূমি ৰচনা হৈছিল। অসহযোগ আন্দোলনৰ কাৰণসমূহ তলত উল্লেখ কৰা হ'ল—

১। মন্টেগু-ছেমচ্‌ফোৰ্ড সংস্কাৰে দেশৰ জনসাধাৰণক সন্তুষ্ট কৰিব পৰা নাছিল; কিয়নো এই সংস্কাৰে ভাৰতীয় লোকৰ স্বশাসনৰ অধিকাৰ মানি লোৱা নাছিল।

২। ভাৰতীয় মুছলমাসকলে প্ৰথম বিশ্বযুদ্ধৰ অন্তত তুৰস্কৰ সাম্ৰাজ্যখন বিভাজন কৰাৰ পৰিকল্পনাৰ প্ৰতি অসন্তুষ্টি প্ৰকাশ কৰিছিল। তুৰস্কৰ অট'মান সাম্ৰাজ্যৰ সুৰক্ষাৰ বাবে ব্ৰিটিছৰ পৰা নিশ্চয়তা লাভ কৰিবলৈ ভাৰতীয় মুছলমান সকলে খিলাফৎ আন্দোলন আৰম্ভ কৰিছিল।

৩। ১৯১৯ চনৰ ৰাওলাট্ আইনখনে সন্ত্ৰাসবাদী কাৰ্যত জড়িত থকা বুলি সন্দেহ কৰি যিকোনো লোককে বিচাৰবিহীনভাৱে দুবছৰ কাৰাদণ্ড বিহাৰ কথাটোক ভাৰতীয়সকলে সহজভাৱে লোৱা নাছিল। এই আইনখনৰ বিৰুদ্ধে দেশত ব্যাপক প্ৰতিবাদ সংগঠিত হৈছিল আৰু মহাত্মাগান্ধীকে ধৰি কংগ্ৰেছৰ নেতৃত্বই এই আইনখনৰ বিৰোধিতা কৰিছিল।

৪। অমৃতসৰৰ জালিৱানালাবাগত আইনখনৰ প্ৰতিবাদ কৰাৰ বাবে সমবেত হোৱা লোকৰ ওপৰত জেনেৰেল ডায়াৰে নিৰ্মমভাৱে কৰা গুলীবৰ্ষণৰ ফলত বহুলোকৰ মৃত্যু হৈছিল আৰু এই নিষ্ঠুৰ ঘটনাক জালিয়ানালাবাগৰ হাত্যাকাণ্ড বুলি জনা যায়।

এনেবোৰ ঘটনাই ভাৰতীয় লোকৰ মনত ব্ৰিটিছ শাসনৰ প্ৰতি বিদ্বেষৰ জন্ম দিছিল। সাংবিধানিক উপায়েৰে দাবীসমূহ ব্ৰিটিছ চৰকাৰে পূৰণ নকৰাৰ বাবে ১৯২০ চনত কলিকতাত অনুষ্ঠিত জাতীয় কংগ্ৰেছৰ অধিৱেশনে মহাত্মা গান্ধীৰ নেতৃত্বত অসহযোগ আন্দোলন গঢ়ি তোলাৰ সিদ্ধান্ত লৈছিল।

**অসমত অসহযোগ আন্দোলন ঃ** মহাত্মা গান্ধীৰ নেতৃত্বত অসহযোগ আন্দোলনৰ আহ্বান দিয়াৰ পিছত গংগা গোবিন্দ বৰুৱা, তাৰাপ্ৰসাদ চলিহা, ঘনশ্যাম বৰুৱা আৰু চন্দ্ৰধৰ বৰুৱাই স্থানীয় সমস্যাসমূহ ব্ৰিটিছৰ সৈতে আলাপ-আলোচনা কৰি সমাধান কৰাৰ বাবে অসম এছ'ছিয়েশ্বনে অসহযোগ আন্দোলনৰ পৰা আঁতৰি থকাটো বিচাৰিছিল, কিন্তু এছ'ছিয়েশ্বনৰ গৰিষ্ঠসংখ্যক সদস্যই অসহযোগ আন্দোলনত যোগদান কৰাৰ পক্ষত থিয় হৈছিল। ১৯২০ চনৰ ডিচেম্বৰ মাহত তেজপুৰত অনুষ্ঠিত অসম এছ'ছিয়েশ্বনৰ সপ্তদশ সন্মিলনত স্বৰাজৰ সপক্ষে অসহযোগ আন্দোলনত জাতীয় কংগ্ৰেছে প্ৰদান কৰা নিৰ্দেশাৱলী মানি চলাৰ বাবে সিদ্ধান্ত লৈছিল। এনেকৈয়ে মূল সুঁতিৰ ব্ৰিটিছ বিৰোধী ৰাজনৈতিক আন্দোলনত অংশগ্ৰহণ কৰাৰ মাজেদি অসম এছ'ছিয়েশ্বনে নিজৰ সুকীয়া পৰিচয় ত্যাগ কৰিবলগীয়া হয়। ১৯২১ চনৰ জুন মাহত অসম প্ৰাদেশিক

কংগ্ৰেছ কমিটি গঠন হয় আৰু এই কমিটিৰ কৰ্মক্ষেত্ৰৰ পৰিসৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ জিলাবোৰৰ মাজতহে সীমাৱদ্ধ আছিল। অসম প্ৰাদেশিক কংগ্ৰেছ কমিটিৰ সভাপতি ৰূপে কুলধৰ চলিহা আৰু সম্পাদকৰ দায়িত্ব নবীন চন্দ্ৰ বৰদলৈৰ ওপৰত ন্যস্ত কৰা হৈছিল।

**অসমত অসহযোগ আন্দোলনৰ প্ৰভাৱ ঃ** অসম মূলুকত অসহযোগ আন্দোলনৰ ব্যাপক প্ৰভাৱ পৰা পৰিলক্ষিত হয়। জনসাধাৰণৰ মাজত ব্ৰিটিছ বিৰোধী ৰাজনৈতিক সচেতনতা বৃদ্ধি কৰাৰ বাবে ১৯২১ চনৰ আগষ্ট মাহত গান্ধীজীয়ে অসম ভ্ৰমণ কৰে। চৰকাৰীভাৱে গান্ধীজীৰ ভ্ৰমণৰ বিৰোধিতা কৰা সত্বেও, অসমৰ মুখ্য নগৰবোৰত অনুষ্ঠিত হোৱা তেওঁৰ সভাবোৰত বিপুল সংখ্যক জনসাধাৰণে অংশগ্ৰহণ কৰিছিল। বিদেশী সামগ্ৰী বৰ্জন কৰি বিভিন্ন ঠাইত জুইত দাহ কৰা হৈছিল। চন্দ্ৰধৰ শৰ্মা, হেমচন্দ্ৰ বৰুৱা, অমিয় কুমাৰ দাস, মুহিবুদ্দিন আহমেদ আদিৰ দৰে আগশাৰীৰ নেতাসকলে ডেকাচামক সংগঠিত কৰি চৰকাৰী শিক্ষানুষ্ঠান সফলভাৱে বৰ্জন কৰিছিল। গুৱাহাটী, নলবাৰী, যোৰহাট, তেজপুৰ, শিৱসাগৰ, নগাঁও আদি ঠাইত জাতীয় শিক্ষানুষ্ঠান প্ৰতিষ্ঠা কৰা হৈছিল। এই শিক্ষানুষ্ঠানসমূহ অধ্যয়ন কেন্দ্ৰ হোৱাৰ উপৰিও, কংগ্ৰেছ স্বেচ্ছাসেৱকসকলৰ প্ৰচাৰ আৰু প্ৰশিক্ষণ কেন্দ্ৰত পৰিণত হৈছিল। নবীন চন্দ্ৰ বৰদলৈ, কুলধৰ চলিহা, তৰুণৰাম ফুকন আদিয়ে ওকালতি বৃত্তি ত্যাগ কৰি সক্ৰিয় ৰাজনীতিত অংশগ্ৰহণ কৰিছিল। বহু উকীল, শিক্ষক আৰু চাকৰিয়ালে নিজ নিজ কৰ্মক্ষেত্ৰ এৰি বিভিন্ন পৰ্যায়ত কংগ্ৰেছ দলৰ সাংগঠনিক কাম-কাজত জড়িত হৈ পৰিছিল। অসহযোগ আন্দোলনে জনসাধাৰণৰ মাজত ব্যাপকতা লাভ কৰাৰ লগে লগে গাঁৱে গাঁৱে পঞ্চায়তসমূহ গঢ়ি উঠে আৰু স্থানীয় বাদ-বিবাদবোৰ নিষ্পত্তি কৰিবলৈ লয়। অসমত অসহযোগ আন্দোলনৰ ফলত খাদী বস্ত্ৰৰ প্ৰতি মানুহৰ আগ্ৰহ বৃদ্ধি পায়। আনহাতে আন্দোলনৰ ফলত নিমখৰ ব্যৱসায় সম্পূৰ্ণৰূপে বন্ধ হৈ যোৱা বুলি চৰকাৰী নথিত উল্লেখ আছে। মহাত্মা গান্ধীয়ে কংগ্ৰেছ কৰ্মীসকলক কানিৰ বিৰুদ্ধে সজাগতা বৃদ্ধিৰ বাবে দিয়া আহ্বানৰ পিছত, কংগ্ৰেছ কৰ্মীসকলে কানিৰ বিৰুদ্ধে ভালেমান পদক্ষেপ গ্ৰহণ কৰে আৰু ইয়াৰ পৰিণতিস্বৰূপে কানিৰ ব্যৱসায় হ্ৰাস পায় আৰু মানুহৰ মাজত কানিৰ বিৰুদ্ধে সচেতনতা বৃদ্ধি পায়। কংগ্ৰেছ স্বেচ্ছাসেৱকসকলে স্বদেশী আৰু অসহযোগৰ বাণী প্ৰচাৰ কৰাৰ বাবে চাহ বাগান সমূহতো প্ৰৱেশ কৰে। ১৯২১ চনৰ মে মাহত কংগ্ৰেছে কৰিমগঞ্জৰ চাৰ্গোলা আৰু লংগাই বাগিচাৰ ৮০০০ চাহ শ্ৰমিকক লৈ হৰতাল আৰম্ভ কৰে। এই হৰতালৰ মুখ্য দাবী আছিল চাহ শ্ৰমিকৰ মজুৰী বৃদ্ধি কৰা। চাৰ্গোলাৰ চাহ শ্ৰমিকসকলে বাগান এৰি ৰে'লষ্টেচনত সমবেত হৈছিল। বাগানৰ ইউৰোপীয় মালিকসকলে শ্ৰমিকসকলক পুনৰ বাগিছালৈ ওভটাই নিয়াৰ বাবে জিলা প্ৰশাসনৰ সহায়ত শ্ৰমিকসকলৰ ওপৰত গুলীবৰ্ষণ কৰাইছিল। এই ঘটনাৰ প্ৰতিবাদকল্পে ৰে'ল আৰু ষ্টিমাৰ বনুৱাসকলে ছয় সপ্তাহ কামৰ পৰা বিৰত আছিল।

**অসহযোগ আন্দোলনত অসমীয়া মহিলাৰ ভূমিকা ঃ** মহাত্মা গান্ধীয়ে অসম ভ্ৰমণকালত মহিলাসকলক অসহযোগ আন্দোলনত অংশ লোৱাৰ বাবে দিয়া আহ্বানৰ প্ৰতি সঁহাৰি জনাই হাজাৰ-বিজাৰ অসমীয়া মহিলাই 'গান্ধী মহাৰাজৰ জয়', 'বন্দে মাতৰম' আদি ধ্বনিৰে আকাশ বতাহ মুখৰিত কৰিছিল। গান্ধীয়ে নাৰী সমাজক সাহস, বুদ্ধিমত্তা আৰু অদম্য শক্তিৰ প্ৰতীক ৰূপে বিবেচনা কৰিছিল। মহিলাসকলে পুৰুষ সমাজৰ লগত সমানে সমানে প্ৰতিবাদ কাৰ্যসূচীত অংশগ্ৰহণ কৰি স্বাধীনতা সংগ্ৰামৰ সেনানীত পৰিণত হৈছিল। অৱশ্যে, আৰম্ভণিতে সামাজিক ৰক্ষণশীলতাৰ বাবে কমসংখ্যক মহিলাই অসহযোগ আন্দোলনত অংশ লৈছিল। এই

সকলৰ ভিতৰত অন্যতম আছিল বিদ্যুৎপ্ৰভা দেৱী, গিৰিজা দেৱী, হেমন্ত কুমাৰী দেৱী, নলিনীবালা দেৱী, পুষ্পলতা দাস, গুণেশ্বৰী নাথ, চন্দ্ৰপ্ৰভা শইকীয়ানী আদি। এই মহিলা নেত্ৰীসকলে গাঁৱে-ভূঁঞে গৈ সাধাৰণ মহিলাক ব্ৰিটিছ বিৰোধী আন্দোলনত যোগদান কৰা বাবে সংগঠিত কৰিছিল। গান্ধীৰ আহ্বানে আঢ্যৱন্ত মহিলাসকলৰ উপৰিও সমাজৰ সাধাৰণ শ্ৰেণীৰ মহিলাকো চুই গৈছিল। দৃষ্টান্ত স্বৰূপে দৰঙৰ লালমাটি চাহ বাগিচাৰ মহিলা শ্ৰমিক মাংৰী মেম বা মালতীৰ কথা উল্লেখ কৰিব পাৰি। এই সাধাৰণ মহিলা শ্ৰমিকগৰাকীয়ে চাহ বাগানত সুৰা নিষিদ্ধ কৰাৰ বাবে পিকেটিং কৰাৰ অপৰাধত চাহ মালিকৰ হাতত মৃত্যুবৰণ কৰিবলগীয়া হয়। মাংৰী মেমেয়েই আছিল অসহযোগ আন্দোলনৰ প্ৰথম অস্বীকৃত ছহিদ। কামৰূপ জিলাৰ গৰৈমাৰী গাঁৱৰ ভানুমতী তালুকদাৰে নিজৰ ঘৰ-বাৰী এৰি কংগ্ৰেছ দলৰ সৰ্বক্ষণ কৰ্মীৰ দায়িত্ব লোৱাৰ বাবে, 'ভলুন্টিয়াৰণী বাই' নামেৰে জনাজাত হৈ পৰিছিল আৰু মহাত্মা গান্ধীয়ে তেওঁক 'অসমৰ সৰোজনী' আখ্যা দিছিল। প্ৰমিলা মেদক নামৰ গোলাঘাটৰ মিচিং মহিলা এগৰাকীয়ে স্বাধীনতা আন্দোলনত অংশগ্ৰহণ কৰাৰ বাবে মিচিং সমাজে এঘৰীয়া কৰাৰ পিছতো অসহযোগ আন্দোলনৰ পৰা আঁতৰি যোৱা নাছিল।

অসহযোগ আন্দোলনৰ সময়ছোৱাত প্ৰিন্স অব্ ৱেলছৰ ভাৰত ভ্ৰমণৰ বিৰুদ্ধে দেশৰ লগতে অসমতো ১৯২১ চনৰ ১৭ নৱেম্বৰ তাৰিখে হৰতাল কাৰ্যসূচী পালন কৰা হয়। ব্ৰিটিছ চৰকাৰে এই হৰতালক বাধা দিয়াৰ বাবে তিনিটা পন্থা অৱলম্বন কৰিছিল —

১। প্ৰভাৱশালী নেতা কিছুমানক বিশেষ সা-সুবিধা তথা সন্মান প্ৰদান কৰিছিল।

২। দমনমূলক ব্যৱস্থাৰে আন্দোলনটোক প্ৰতিহত কৰিবলৈ চেষ্টা কৰিছিল।

৩। দেশবাসীৰ মাজত সাম্প্ৰদায়িকতাৰ বিষবাষ্প বিয়পাই হিন্দু-মুছলমানৰ মাজত বিভাজন সৃষ্টি কৰিছিল।

**অসমত স্বৰাজ পাৰ্টি ঃ** মহাত্মা গান্ধীয়ে আকস্মিকভাৱে অসহযোগ আন্দোলন বন্ধ কৰি দিয়াৰ পিছত দেশৰ বিভিন্ন মহলত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল। গান্ধীক গ্ৰেপ্তাৰ কৰি ছবছৰ জেললৈ প্ৰেৰণ কৰা হৈছিল আৰু এই ঘটনাক কেন্দ্ৰ কৰি জাতীয় নেতৃত্বৰ মাজত মতবিৰোধে গা কৰি উঠিছিল। দেশত গঢ়ি উঠা ব্ৰিটিছ বিৰোধী ৰাজনৈতিক স্পৃহাক সজীৱ কৰি ৰখাৰ বাবে চিত্তৰঞ্জন দাস আৰু মতিলাল নেহৰুৱে বিধান পৰিষদ বহিষ্কাৰ কৰাৰ সলনি তাত অংশগ্ৰহণ কৰি ব্ৰিটিছৰ ভাৰত বিৰোধী কাম-কাজক বাধা প্ৰদান কৰা উচিত বুলি যুক্তি প্ৰদৰ্শন কৰিছিল। এই দুগৰাকী প্ৰভাৱশালী নেতাৰ নেতৃত্বত ১৯২৩ চনৰ ১ জানুৱাৰী তাৰিখে স্বৰাজ পাৰ্টি গঠন হৈছিল।

অসমতো তৰুণৰাম ফুকনক সভাপতি, ৰোহিণী কুমাৰ চৌধুৰীক সম্পাদক আৰু গোপীনাথ বৰদলৈক সহকাৰী সম্পাদক হিচাপে লৈ স্বৰাজ পাৰ্টি প্ৰতিষ্ঠা হয়। স্বৰাজ পাৰ্টি গঠনৰ ফলত কংগ্ৰেছ দলৰ মাজত বিভাজনৰ সম্ভাৱনা প্ৰকট হৈ উঠে। কিন্তু জাতীয় নেতৃত্বই ঐক্যবদ্ধ ব্ৰিটিছ বিৰোধী সংগ্ৰামৰ স্বাৰ্থত ১৯২৩ চনত বহা দিল্লী কংগ্ৰেছত স্বৰাজ পাৰ্টিক কংগ্ৰেছৰ লগত চামিল কৰে।

**আইন অমান্য আন্দোলন ঃ** তৃণমূল পৰ্যায়ত কংগ্ৰেছ কৰ্মীসকলে কাম-কাজ অব্যাহত ৰাখিলেও ব্ৰিটিছ বিৰোধী সংগ্ৰামৰ পৰিৱেশ কিছু পৰিমাণে স্তিমিত হৈ পৰিছিল। কিন্তু ১৯২৭ চনত চাইমন আয়োগ নিয়োগ কৰা কাৰ্যই কংগ্ৰেছক পুনৰ সক্ৰিয় হৈ উঠাৰ সুযোগ দিয়ে। চাইমন আয়োগ গঠনৰ ঘোষণাৰ পিছতে, ভাৰতত

তীব্ৰ অসন্তুষ্টি আৰু ঘৃণাৰ সূচনা হয়। কিয়নো এজনো ভাৰতীয়ক আয়োগৰ সদস্য হিচাপে নিযুক্তি নিদিয়াত দেশবাসীয়ে অপমানিত বোধ কৰে আৰু চাইমন আয়োগক বৰ্জন কৰাৰ বাবে দল মত নিৰ্বিশেষে ঐক্যবদ্ধ হয়। আয়োগৰ বিৰুদ্ধে আহ্বান দিয়া বৰ্জনৰ কাৰ্যসূচীয়ে জনপ্ৰিয় আন্দোলনলৈ ৰূপান্তৰিত হয়। অসমৰ ছিলেটত ১৯২৭ চনৰ নৱেম্বৰ মাহত ৰাজহুৱা সভা অনুষ্ঠিত কৰি চাইমন আয়োগৰ বিৰুদ্ধে প্ৰতিবাদ জনোৱা হয়। একেধৰণৰ সভা যোৰহাটতো অনুষ্ঠিত হয়। অসম ছাত্ৰ সন্মিলনে ১৯২৮ চনত আয়োগৰ বিৰুদ্ধে প্ৰথমবাৰৰ বাবে ৰাজনৈতিক সিদ্ধান্ত গ্ৰহণ কৰে। চৰকাৰে এই সিদ্ধান্তত ক্ষুন্ন হৈ পৰে আৰু ৰাজনৈতিক কৰ্মকাণ্ডত ছাত্ৰ সংগঠনটো জড়িত হৈ পৰিলে শিক্ষানুষ্ঠানলৈ চৰকাৰী সহায়-সাহায্য বন্ধ কৰি দিয়াৰ ভাবুকি প্ৰদান কৰে। তথাপিও ছাত্ৰ সমাজে চাইমন আয়োগ বিৰোধী আন্দোলনত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। পূৰ্ণ স্বৰাজৰ দাবীত ১৯২৯ চনৰ ডিচেম্বৰ মাহত লাহোৰত কংগ্ৰেছৰ অধিৱেশন আৰম্ভ হয়। এই অধিৱেশনতে ৩০ ডিচেম্বৰৰ মাজনিশা পূৰ্ণ স্বৰাজ প্ৰাপ্তিৰ বাবে প্ৰথম বাৰৰ বাবে ত্ৰিৰংগা পতাকা উত্তোলন কৰা হৈছিল। পূৰ্ণ স্বৰাজৰ দাবীত ২৬ জানুৱাৰীৰ দিনটোক স্বাধীনতা দিৱস হিচাপে ঘোষণা কৰা হয়।


মহাত্মা গান্ধীয়ে ১৯৩০ চনৰ ৩১ জানুৱাৰীত লৰ্ড আৰউইনক প্ৰদান কৰা ১১ দফীয়া দাবী মানি নোলোৱাৰ বাবে আইন অমান্য আন্দোলনৰ পথ প্ৰশস্ত হৈ পৰে। কংগ্ৰেছে গান্ধীজীক আইন অমান্য আন্দোলনটোৰ নেতৃত্ব দিয়াৰ বাবে সম্পূৰ্ণ কৰ্তৃত্ব প্ৰদান কৰে। গান্ধীজীয়ে ১৯৩০ চনৰ ১২ মাৰ্চৰ পৰা ৬ এপ্ৰিললৈ সৰৰমতী আশ্ৰমৰ পৰা আহমেদাবাদৰ দাণ্ডীলৈকে এটা পদযাত্ৰাৰে আইন অমান্য আন্দোলন আৰম্ভ কৰিছিল। লোণ আইন ভংগ কৰাকে ধৰি, বিদেশী বস্ত্ৰ আৰু সুৰা বৰ্জন কৰাৰ কাৰ্য্যসূচী লোৱা হৈছিল। সত্য আৰু অহিংসা নীতিৰ ভেঁটিত আইন অমান্য আন্দোলনত অংশগ্ৰহণ কৰাৰ বাবে গান্ধীজীয়ে দেশবাসীক আহ্বান জনাইছিল।

**অসমত আইন অমান্য আন্দোলন ঃ** অসমৰ জনসাধাৰণে গান্ধীজীৰ আহ্বানৰ প্ৰতি পূৰ্ণ সঁহাৰি জনালেও অসম প্ৰাদেশিক কংগ্ৰেছ নেতৃত্বই আইন অমান্য আন্দোলন গঢ়ি তোলাৰ বাবে অসম সাজু নহয় বুলি মত আগবঢ়াইছিল। তৰুণৰাম ফুকনে আইন অমান্য আন্দোলনৰ বিৰোধিতা কৰাৰ লগতে ৰোহিণীকুমাৰ চৌধুৰী আৰু নবীন চন্দ্ৰ বৰদলৈয়ে আন্দোলনটোৰ প্ৰতি উৎসাহ প্ৰদান কৰা নাছিল। কিন্তু বিষ্ণুৰাম মেধি, হেমচন্দ্ৰ বৰুৱা, সিদ্ধিনাথ শৰ্মা, অম্বিকাগিৰি ৰায়চৌধুৰী আদিয়ে আন্দোলনটোৰ প্ৰতি সমৰ্থন ব্যক্ত কৰিছিল যদিও আৰ্থিক অভাৱৰ বাবেই তেওঁলোকে কংগ্ৰেছ স্বেচ্ছাসেৱক সকলক আইন অমান্য আন্দোলনৰ বাবে সাজু কৰি তোলাত অসুবিধাৰ সন্মুখীন হৈছিল। অসমত লোণৰ খনি নথকাৰ বাবে ৰাজ্যখনত লোণ আইন ভংগ কৰাটোও সম্ভৱ হোৱা নাছিল।

দেশত আৰম্ভ হোৱা আইন অমান্য আন্দোলন অসমতো গঢ়ি তোলাৰ বাবে কংগ্ৰেছ দলটোক পুনৰ গঠন কৰাৰ প্ৰয়োজন হৈছিল। এই উদ্দেশ্যে বিষ্ণুৰাম মেধিক সভাপতি পাতি নতুনকৈ কংগ্ৰেছ কমিটী গঠন কৰা হয়। কংগ্ৰেছ দলটোক সক্ৰিয় কৰি তোলাৰ বাবে বিভিন্ন সমিতি আৰু উপ-সমিতি গঠন কৰা হয়। গুৱাহাটী, ছয়গাঁও, নলবাৰী, টিহু আৰু ৰঙিয়াত পাঁচখন কংগ্ৰেছ মণ্ডল গঠন কৰা হয়। নিৰ্যাতনমূলক আইন আৰু অধ্যাদেশৰ বিৰোধিতা কৰা আৰু কানি তথা সুৰাকে ধৰি বিদেশী বস্তু বৰ্জন কৰাৰ বাবে অসমবাসীক আহ্বান জনাই বিষ্ণুৰাম মেধি আৰু হেমচন্দ্ৰ বৰুৱাই ৰাজ্যখন ভ্ৰমণ কৰি বিভিন্ন ঠাইত ৰাজহুৱা সভা অনুষ্ঠিত

কৰে। কামৰূপ, নগাঁও আৰু দৰং জিলাত ৰায়ত সভাবোৰক পুনৰ সক্ৰিয় কৰি তোলা হয়।

ছাত্ৰসমাজৰ ওপৰত আইন অমান্য আন্দোলনে বিশেষভাৱে প্ৰভাৱ বিস্তাৰ কৰা নাছিল। কিন্তু ১৯৩০ চনৰ মে' মাহত শিক্ষা সঞ্চালক জে. আৰ. কানিংহামে ঘোষণা কৰা চাৰ্কুলাৰখনে ছাত্ৰ সমাজক সচকিত কৰি তোলে। কানিংহাম চাৰ্কুলাৰ মৰ্মে, পাঠৰত ছাত্ৰসকলে শিক্ষানুষ্ঠানত কোনো ধৰণৰ ৰাজনৈতিক কৰ্মকাণ্ডত অংশগ্ৰহণ নকৰে বুলি তেওঁলোকৰ পিতৃ-মাতৃ তথা অভিভাৱকে চৰকাৰক লিখিতভাৱে জনাব লাগিব। কোনোবা ছাত্ৰই ধৰ্ণা, হৰতাল আৰু আন ৰাজনৈতিক কাৰ্যসূচীত অংশগ্ৰহণ কৰিলে অথবা স্কুল কৰ্তৃপক্ষক অমান্য কৰিলে তেনে ছাত্ৰৰ ওপৰত জৰিমনা বিহাৰ লগতে জলপানি আৰু ছাত্ৰনিবাসৰ আসন বাতিল কৰি দিয়া হ'ব। ইয়াতকৈও অধিক অপৰাধত লিপ্ত ছাত্ৰ-ছাত্ৰীক স্কুলৰ পৰা বহিষ্কাৰ কৰা হ'ব। কানিংহাম ছাৰ্কুলাৰখনে ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে। ছাত্ৰ সমাজে এনে অপমানজনক ছাৰ্কুলাৰৰ বিৰুদ্ধে ৰাজপথত নামিবলৈ সাজু হয়। ছাৰ্কুলাৰখনৰ বিৰুদ্ধে আন্দোলনৰ কাৰ্যসূচী লোৱাৰ বাবে গুৱাহাটীত অসম ছাত্ৰ সন্মিলনৰ বিশেষ অধিৱেশন অনুষ্ঠিত হয়। ছাত্ৰ সন্মিলনে চৰকাৰী শিক্ষানুষ্ঠান অৱৰোধ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। চৰকাৰী তথ্যমতে ১৯৩০ চনৰ জুলাইৰ পৰা আগষ্ট মাহছোৱাত ১৫,১৮৬ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে স্কুল ত্যাগ কৰিছিল। ছাত্ৰসকলে সুৰা-বিপণি আৰু কানিৰ দোকানো অৱৰোধ কৰিছিল। ছাত্ৰ সমাজৰ আন্দোলনৰ প্ৰতি সঁহাৰি জনাই কৃষকসকলেও মাটিৰ খাজনা ৫০% হ্ৰাস কৰাৰ দাবী উত্থাপন কৰে। বিভিন্ন ঠাইত বনাঞ্চল আইন ভংগ কৰা হয়। চৰকাৰী স্কুল জ্বলাই দিয়ে আৰু চৌকীদাৰী কৰ নিদিয়াৰ বাবে আহ্বান জনায়।



**চিত্ৰ-৬.২ ঃ মহাত্মা গান্ধীৰ অসম ভ্ৰমণৰ ছবি**

আইন অমান্য আন্দোলনত পুষ্পলতা দাস, পুণ্যপ্ৰভা বৰুৱা, জ্যোৎস্না মজুমদাৰ আদি নেত্ৰীসকলে নাৰী সমাজক সংগঠিত কৰা বাবে 'মুক্তি সংঘ' গঠন কৰে আৰু পূৰ্ণ স্বৰাজৰ দাবীক জনপ্ৰিয় কৰাৰ ক্ষেত্ৰত বিশেষ বৰঙণি যোগায়। ক্ষিপ্ৰ গতিত মুক্তি সংঘৰ সদস্যা বৃদ্ধি পোৱাত চৰকাৰী পক্ষ শঙ্কিত হৈ পৰে আৰু পাণবজাৰ ছোৱালী হাইস্কুলৰ সাধাৰণ সম্পাদিকা পুষ্পলতা দাসক স্কুলৰ পৰা বহিষ্কাৰ কৰে। আইন অমান্য আন্দোলনৰ আৰম্ভণিতে ব্ৰিটিছ প্ৰশাসনে ভাবিছিল যে গান্ধীজীৰ নেতৃত্বত আন্দোলনটোৱে জনসাধাৰণক আকৰ্ষণ কৰিবলৈ সক্ষম নহ'ব। কিন্তু গান্ধীজীক গ্ৰেপ্তাৰ কৰাৰ পিছত দেশৰ জনতাই বিপুলভাৱে আইন অমান্য আন্দোলনত অংশগ্ৰহণ কৰাত ব্ৰিটিছ চৰকাৰে দমনমূলক ব্যৱস্থা হাতত লয়। জনসাধাৰণৰ অসামৰিক অধিকাৰসমূহ কৰ্তন কৰাৰ উপৰি আইন অমান্যকাৰী সংগঠনবোৰ নিষিদ্ধ কৰাৰ বাবে প্ৰাদেশিক চৰকাৰবোৰক কৰ্তৃত্ব প্ৰদান কৰে। অসম প্ৰদেশ কংগ্ৰেছ কমিটিক নিষিদ্ধ ঘোষণা কৰাৰ লগতে কামৰূপত সক্ৰিয় হৈ থকা 'অসম ইয়ুথ লীগ' নামৰ সংগঠনটো স্কুলীয়া ছাত্ৰ-ছাত্ৰীক আইন অমান্য কৰাৰ বাবে প্ৰৰোচিত কৰা বুলি নিষিদ্ধ কৰে। অপৰাধমূলক আইনৰ অধীনত অহিংস সত্যাগ্ৰহীৰ ওপৰত নিৰ্মম অত্যাচাৰ চলায় আৰু শ শ সংগ্ৰামীক জেললৈ প্ৰেৰণ কৰে। ব্ৰিটিছৰ এনে কঠোৰ মনোভাৱৰ ফলত ভালেসংখ্যক কংগ্ৰেছী নেতাই আত্মগোপন কৰিবলগীয়াত পৰিছিল।

**ঘূৰণীয়া মেজমেল ঃ** ১৯৩০ চনত চাইমন আয়োগৰ প্ৰতিবেদন প্ৰকাশ হয়। এই প্ৰতিবেদনত ভাৰতক পূৰ্ণ স্বৰাজ দিয়াৰ কথা উল্লেখ নথকাত পৰিস্থিতি উত্তপ্ত হৈ পৰে। ভাইছৰয় আৰউইনে পূৰ্ণ স্বৰাজৰ প্ৰসঙ্গটো আলোচনা কৰাৰ বাবে এখন ঘূৰণীয়া মেজমেলৰ পোষকতা কৰে। ১৯৩০ চনৰ নৱেম্বৰ মাহত লণ্ডনত প্ৰথম ঘূৰণীয়া মেজমেল অনুষ্ঠিত হয় আৰু কম সংখ্যক ভাৰতীয় প্ৰতিনিধিয়ে ইয়াত অংশগ্ৰহণ কৰে। এইটো কথা স্পষ্ট হৈ পৰিছিল যে কংগ্ৰেছক বাদ দি ইংৰাজে ভাৰতক সাংবিধানিক অধিকাৰ দিয়াৰ বিষয়ে কথা পতাতো তেনেই অৰ্থহীন। এইবাবেই গান্ধীজী আৰু আন আন কংগ্ৰেছ নেতাসকলক জেলৰ পৰা মুকলি কৰি দিবলৈ ভাইছৰয়ে নিৰ্দেশ দিছিল।

১৯৩১ চনৰ মে'ত গান্ধী আৰউইন চুক্তি সম্পাদিত হৈছিল আৰু এই চুক্তিৰ প্ৰতি দেশৰ জনতাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছিল। কিয়নো, মহাত্মা গান্ধীয়ে ভগৎ সিং, ৰাজগুৰু আৰু সুখদেৱৰ মৃত্যুদণ্ডৰ আদেশ বাতিল কৰাত বিফল হৈছিল।

এই চুক্তিৰ ফলত আইন অমান্য আন্দোলন উঠাই লোৱা হৈছিল আৰু কংগ্ৰেছে পৰৱৰ্তী ঘূৰণীয়া মেজমেলত অংশ ল'ব বুলি প্ৰতিশ্ৰুতি দিছিল। আইন অমান্য আন্দোলনৰ সময়ত হিংসাত্মক কাৰ্যত লিপ্ত নথকা জেলবন্দীসকলক মুক্তি দিয়া হৈছিল। বিক্ৰী নোহোৱা বাজেয়াপ্ত ভূমি ঘূৰাই দিয়াৰ ব্যৱস্থা কৰাৰ লগতে সংগ্ৰহ নকৰা জৰিমনাৰ পৰাও স্বাধীনতা সংগ্ৰামীসকলক ৰেহাই দিয়া হৈছিল।

অসমত গান্ধী আৰউইন চুক্তিয়ে বিশেষ প্ৰভাৱ পেলোৱা নাছিল।

ব্ৰিটিছ চৰকাৰে ১৯৩২ চনত ভাৰতীয় লোকক পৃথক পৃথককৈ ভাগ কৰাৰ অভিপ্ৰায়েৰে কেন্দ্ৰ আৰু প্ৰদেশৰ বিধানমণ্ডলীত সাম্প্ৰদায়িক প্ৰতিনিধিত্বৰ কথা ঘোষণা কৰে। হিন্দু সমাজৰ দলিত শ্ৰেণীক সুকীয়া প্ৰতিনিধিত্বৰ সুযোগ দিয়াৰ দাবীত গান্ধীজীয়ে জেলৰ ভিতৰতে অনশনত বহে। ইয়াৰ পৰিণতি স্বৰূপে সেই বছৰতে গান্ধী আৰু আম্বেদকাৰৰ মাজত পুণা চুক্তি স্বাক্ষৰিত হয়। এই চুক্তিৰ পৰৱৰ্তী দুবছৰ কাল বাপুজীয়ে

দেশৰ পৰা অস্পৃশ্যতা দূৰ কৰাৰ বাবে জীৱনপাত কৰিছিল আৰু একেটা উদ্দেশ্য লৈ ১৯৩৪ চনত তেওঁ অসমলৈ আহিছিল।

## ভাৰত ত্যাগ আন্দোলনৰ পটভূমি ঃ

১৯৩৫ চনত ব্ৰিটিছ সংসদত ভাৰত চৰকাৰ আইনখন গৃহীত কৰা হয়। এই আইনখনৰ গুৰুত্বপূৰ্ণ বৈশিষ্টবোৰ হ'ল —

১। ব্ৰিটিছ শাসনাধীন আৰু ৰাজন্যবৰ্গই শাসন কৰা ৰাজ্যবোৰক লৈ দেশত সৰ্ব ভাৰতীয় যুক্তৰাষ্ট্ৰীয় ব্যৱস্থা এটা গঠন কৰা হ'ব।

২। ভাৰতৰ $^{১}/_{৬}$% প্ৰাপ্তবয়স্ক লোককহে ভোটাধিকাৰ প্ৰদান কৰা হ'ব।

৩। ব্ৰিটিছৰ অধীন প্ৰদেশবোৰৰ নিৰ্বাচনৰ যোগেদি নিৰ্বাচিত হৈ যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাত প্ৰতিনিধিত্ব কৰিব আৰু ৰাজন্য শাসিত অঞ্চলৰ পৰা ৰজাই প্ৰতিনিধি মনোনীত কৰি পঠিয়াব।

৪। যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাত প্ৰতিৰক্ষা আৰু বৈদেশিক মন্ত্ৰালয় দুটা ভাইছৰয়ৰ নিয়ন্ত্ৰণাধীন হৈ থাকিব আৰু নিৰ্বাচিত মন্ত্ৰীসকলৰ ক্ষমতা হ'ব সীমিত।

৫। আপাততঃ প্ৰদেশবোৰক স্বায়ত্তশাসন দিয়া যেন লাগিলেও, প্ৰকৃতাৰ্থত আইনখনত প্ৰদেশবোৰৰ ব্ৰিটিছ গৱৰ্ণৰসকলে প্ৰভূত কৰ্তৃত্ব খটুওৱাৰ সুযোগ ৰখা হৈছিল।

১৯৩৫ চনৰ আইনখনেও দেশৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক ক্ষমতা ব্ৰিটিছৰ হাততে অৰ্পণ কৰিছিল। কংগ্ৰেছ দলে সম্পূৰ্ণ ৰূপে এই আইনখনৰ বিৰোধিতা কৰিছিল। ইয়াৰ সলনি কংগ্ৰেছে প্ৰাপ্তবয়স্ক ভোটাধিকাৰৰ ভিত্তিত দেশত সাংবিধানিক বিধানমণ্ডল আৰু স্বাধীন ভাৰতৰ বাবে এখন সংবিধান প্ৰস্তুত কৰাৰ দাবী জনাইছিল। এনে দাবীক অগ্ৰাহ্য কৰি ১৯৩৭ চনত ব্ৰিটিছ চৰকাৰে প্ৰদেশৰ বিধানসভাবোৰৰ নিৰ্বাচন অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰে। ১৯৩৬ চনত লক্ষ্ণৌত অনুষ্ঠিত অধিৱেশনত কংগ্ৰেছে নিৰ্বাচনত অংশ লোৱাৰ বাবে সিদ্ধান্ত লয়।

## ভাৰত চৰকাৰ আইন আৰু অসম ঃ

১৯৩৫ চনৰ ভাৰত চৰকাৰ আইনে অসমক দুখলপীয়া বিধানমণ্ডলী প্ৰদান কৰে। উচ্চ সদন-বিধান পৰিষদ আৰু নিম্ন সদন-বিধানসভা। বিধান পৰিষদৰ ২২ গৰাকী সদস্যৰ ১৮ গৰাকীক নিৰ্বাচিত কৰা হ'ব আৰু ৪ গৰাকী প্ৰতিনিধিক মনোনীত কৰা হ'ব। বিধানসভাৰ মুঠ সদস্য সংখ্যা হ'ব ১০৮ গৰাকী আৰু সদস্যসকলে নানা সম্প্ৰদায়ক প্ৰতিনিধিত্ব কৰিব লাগিব। ১৯৩৬ চনৰ নিৰ্বাচনত ৩৩ খন আসনত জয়লাভ কৰি কংগ্ৰেছে সংখ্যা গৰিষ্ঠ দলত পৰিণত হয় আৰু গোপীনাথ বৰদলৈ বিধান সভাত কংগ্ৰেছ দলৰ নেতাৰূপে নিৰ্বাচিত হয়। কংগ্ৰেছে মিত্ৰজোঁটৰ চৰকাৰ এখন গঠন কৰিবলৈ সক্ষম হ'লেও বৰদলৈয়ে বিৰোধী পক্ষৰ ভূমিকা লোৱাটোহে যুগুত হ'ব বুলি বিবেচনা কৰাত, মুছলিম গ্ৰুপৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ নেতা চৈয়দ মহম্মদ ছাদুল্লাই ইউৰোপীয় আৰু আন প্ৰতিনিধিৰ সহায়ত মন্ত্ৰীসভা গঠন কৰে।

**ছাদুল্লাৰ চৰকাৰ ঃ** ১৯৩৭ চনৰ ১ এপ্ৰিলৰ পৰা ১৯৩৮ চনৰ ১৮ ছেপ্টেম্বৰলৈকে অসমত ছাদুল্লাৰ মুখ্যমন্ত্ৰিত্বত চৰকাৰ পৰিচালিত হয়। ছাদুল্লা চৰকাৰৰ বিধানসভাৰ অধ্যক্ষগৰাকী আছিল কংগ্ৰেছ দলৰ মনোনীত সদস্য বসন্ত কুমাৰ দাস। কংগ্ৰেছে বিধানসভাত লাইন ব্যৱস্থা, কানি নিবাৰণ, মাটিৰ খাজনা হ্ৰাস আৰু বিধান

পৰিষদ বাতিলকৰণ আদি বিষয়ত সফল বিৰোধীৰ ভূমিকা পালন কৰিছিল। ছাদুল্লা চৰকাৰে ক্ষমতা ৰক্ষাৰ খাতিৰত সুৰমা উপত্যকাৰ মুছলমান সদস্যসকলৰ সমৰ্থন লাভৰ আশাত ১৯৩৭ চনত মুছলিম লীগত যোগদান কৰে আৰু মন্ত্ৰীসভাৰ সাল-সলনি ঘটাই মুনোৱাৰ আলি, আব্দুল মতীন চৌধুৰী আৰু অক্ষয় কুমাৰ দাসক মন্ত্ৰিত্ব প্ৰদান কৰে। এনে সাল-সলনিয়েও ছাদুল্লা মন্ত্ৰীসভাক ৰক্ষা কৰিব নোৱাৰিলে।১৯৩৮ চনৰ ২১ ফেব্ৰুৱাৰীৰ দিনা ছাদুল্লা মন্ত্ৰীসভাৰ বিৰুদ্ধে অনাস্থাৰ প্ৰস্তাৱ উত্থাপিত হয় আৰু মাত্ৰ এটা ভোটৰ ব্যৱধানৰ বাবে চৰকাৰখন ৰক্ষা পৰে। কিন্তু আৰু এবাৰ অনাস্থা ভোটৰ সন্মুখীন নহৈ ছাদুল্লাই ১৯৩৮ চনৰ ১৮ ছেপ্টেম্বৰ তাৰিখে পদত্যাগ কৰে আৰু গোপীনাথ বৰদলৈক নতুন চৰকাৰ গঠন কৰাৰ বাবে ৰাজ্যপালে অনুমতি দিয়ে।

**গোপীনাথ বৰদলৈ মিত্ৰজোঁট চৰকাৰ ঃ** মিত্ৰজোঁটৰ চৰকাৰ এখন গঠন কৰাৰ বাবে বৰদলৈয়ে ট্ৰাইবেল লীগ, নিৰ্দলীয় সদস্য আৰু মুছলিম লীগৰ বাহিৰৰ ২২ গৰাকী সদস্যৰ সমৰ্থন ল'বলগীয়াত পৰিছিল। কংগ্ৰেছ দলৰ মাজতে মন্ত্ৰিত্বক লৈ মতানৈক্য আছিল। কিন্তু কংগ্ৰেছৰ সভাপতি সুভাষ চন্দ্ৰ বসু, আবুল কালাম আজাদ আৰু তৰুণ ৰাম ফুকনৰ তৎপৰতাত বৰদলৈ মন্ত্ৰীসভা গঠনৰ বাট মুকলি হয়। ১৯৩৮ চনৰ ১৯ ছেপ্টেম্বৰৰ দিনা গোপীনাথ বৰদলৈক মুখ্যমন্ত্ৰীৰূপে লৈ কংগ্ৰেছৰ চৰকাৰ গঠন হৈছিল। বৰদলৈ মন্ত্ৰীসভাই কৰা উল্লেখযোগ্য কামবোৰ আছিল— কানি নিবাৰণ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ, মাটিৰ খাজনা হ্ৰাস আৰু খাজনা দিব নোৱাৰাৰ বাবে অধিগ্ৰহণ কৰা মাটিত গৰীব লোকক পুনৰ সংস্থাপন; খিলঞ্জীয়া লোকৰ অধিকাৰক সুৰক্ষা প্ৰদান কৰা তথা অসমলৈ হৈ থকা প্ৰব্ৰজনত বাধা প্ৰদান; প্ৰাথমিক, কাৰিকৰী আৰু উচ্চ শিক্ষাৰ বিকাশ আৰু জনস্বাস্থ্যৰ উন্নতি সাধন।

১৯৩৯ চনত দ্বিতীয় মহাযুদ্ধ আৰম্ভ হয় আৰু কংগ্ৰেছ দলে ব্ৰিটিছ চৰকাৰক যুদ্ধত সহযোগিতা নকৰাৰ সিদ্ধান্ত লয়। ফলস্বৰূপে ১৯৩৯ চনৰ ১৭ নৱেম্বৰত বৰদলৈ মন্ত্ৰীসভাই পদত্যাগ কৰে।

**ছাদুল্লাৰ দ্বিতীয় মন্ত্ৰীসভা ঃ** ১৭ নৱেম্বৰ, ১৯৩৯ চনত ব্ৰিটিছক যুদ্ধৰ সময়ত সহযোগ কৰাৰ প্ৰতিশ্ৰুতি দি ছাদুল্লাই অসমত দ্বিতীয়বাৰৰ বাবে চৰকাৰ গঠন কৰে। ছাদুল্লাই ব্ৰিটিছক সহায় কৰাৰ বাবে 'যুদ্ধ পুঁজি'লৈ একলাখ টকা বৰঙণি দিয়াৰ লগতে 'আছাম ৰেজিমেণ্ট' নামৰ সশস্ত্ৰ বাহিনী এটাও গঠন কৰে। কংগ্ৰেছে মহাযুদ্ধত ছাদুল্লাই ব্ৰিটিছক সহায় কৰা নীতিৰ বিৰোধিতা কৰিছিল আৰু নিৰ্বাচিত সদস্যসকলে গোপীনাথ বৰদলৈ মন্ত্ৰীসভাই পদত্যাগ কৰাৰ পিছত বিধানসভাৰ অধিৱেশনবোৰলৈ যোৱাৰ পৰা বিৰত আছিল। ইয়াৰ সুযোগ লৈ ছাদুল্লা মন্ত্ৰী সভাই কিছুমান বিশেষ এলেকাত খিলঞ্জীয়া দৰিদ্ৰ লোক আৰু ১৯৩৮ চনৰ আগতে অহা প্ৰব্ৰজনকাৰী লোকক ভূমি সংস্থাপন দিয়াৰ বাবে ভূমি বিকাশ আঁচনি এখন ঘোষণা কৰে। অসমত এই আঁচনিখনৰ তীব্ৰ বিৰোধিতা কৰা হৈছিল আৰু কংগ্ৰেছ প্ৰতিনিধিয়ে বিধানসভাৰ অধিৱেশনত অংশ লৈ এই আঁচনিখনক বাধা দিয়াৰ প্ৰসঙ্গও উত্থাপন হৈছিল। কংগ্ৰেছে বিধানসভাত পুনৰ প্ৰৱেশৰ সিদ্ধান্ত ল'লে আৰু ছাদুল্লা মন্ত্ৰীসভাৰ বিপক্ষে অনাস্থাৰ প্ৰস্তাৱ অনাৰ কথা চিন্তা কৰিলে।

সেই সময়ত ছাত্ৰসকলে কটন মহাবিদ্যালয়ত যুদ্ধৰ বাবে পুঁজি সংগ্ৰহ কৰিবলৈ অনুষ্ঠিত হোৱা বিজ্ঞানমূলক প্ৰদৰ্শনী এখনৰ বিৰোধিতা কৰে আৰু প্ৰদৰ্শনী পৰিচালনা সমিতিৰ সদস্য এগৰাকীয়ে ছাত্ৰ এজনক প্ৰহাৰ কৰাত পৰিস্থিতি উত্তপ্ত হৈ পৰে। চৰকাৰৰ কাম-কাজত অসন্তুষ্টি প্ৰকাশ কৰি শিক্ষামন্ত্ৰী ৰোহিণী কুমাৰ চৌধুৰীয়ে ছাদুল্লা মন্ত্ৰীসভাৰ পৰা ইস্তাফা দিয়াত অনাস্থা প্ৰস্তাৱৰ ভয়ত ১৯৪১ চনৰ ১২ ডিচেম্বৰত ছাদুল্লাই পদত্যাগ কৰে।

**অসমত ভাৰত ত্যাগ আন্দোলন ঃ** ১৯৪২ চনৰ ৭ আৰু ৮ আগষ্টত বোম্বাই চহৰত ভাৰতীয় জাতীয় কংগ্ৰেছৰ অধিৱেশন বহিছিল আৰু এই অধিৱেশনতে গান্ধীজীৰ নেতৃত্বত অনিৰ্দিষ্টকালীন অহিংস স্বাধীনতা আন্দোলনৰ প্ৰস্তাৱ গৃহীত হৈছিল। ব্ৰিটিছ বিৰোধী স্বাধীনতা সংগ্ৰামৰ পৰ্যায়টোক ভাৰত ত্যাগ আন্দোলন নামেৰে জনা যায়। মহাত্মাই দেশৰ স্বাধীনতা অৰ্জনৰ বাবে দেশবাসীক 'কৰা কিম্বা মৰা' (Do or die) ৰ আহ্বান জনাইছিল। ৯ আগষ্টৰ ৰাতিপুৱা ব্ৰিটিছে গান্ধীজীকে ধৰি অধিৱেশনথলীত সমবেত কংগ্ৰেছৰ কেন্দ্ৰীয় নেতৃত্বক গ্ৰেপ্তাৰ কৰিছিল।

অসমতো ব্ৰিটিছ চৰকাৰে কংগ্ৰেছৰ আগশাৰীৰ নেতাসকলক জেললৈ পঠিয়ায় আৰু অসম প্ৰদেশ কংগ্ৰেছ কমিটি, জিলা সমিতি, শান্তিসেনাকে ধৰি কংগ্ৰেছৰ অধীন সংগঠনবোৰক আইন বিৰোধী বুলি ঘোষণা কৰে। সভা-সমিতি, সমাবেশ, সমদল, হৰতাল আদি নিষিদ্ধ কৰা হয়। এনে পৰিস্থিতিত ছাদুল্লাই পুনৰ ক্ষমতালৈ অহাৰ সম্ভাৱনা প্ৰকট হৈ পৰে। ১৯৪২ চনৰ ২৫ আগষ্টত ছাদুল্লাক মন্ত্ৰীসভা গঠনৰ বাবে আহ্বান জনায় আৰু ইংৰাজৰ প্ৰতি আনুগত্য প্ৰকাশ কৰি অসম মন্ত্ৰীসভাৰ দায়িত্ব লয়।

পাতনিতে অসমতো গান্ধীৰ অহিংস আদৰ্শেৰে ভাৰত ত্যাগ আন্দোলন আৰম্ভ হৈছিল যদিও পুলিচৰ অত্যাচাৰে সংগ্ৰামীসকলৰ মনত বিদ্ৰোহৰ ভাৱ জগাই তোলে। সংগ্ৰামী জনতাই চৰকাৰী অফিচ-কাছাৰীত আক্ৰমণ সংগঠিত কৰে। ৰে'ল লাইনৰ ক্ষতিসাধন কৰাৰ লগতে সামৰিক বাহিনীৰ যোগান ব্যৱস্থা ব্যাহত কৰাৰ বাবে কূটাঘাতমূলক কাৰ্যত লিপ্ত হয়। নগাঁও আৰু দৰং জিলা দুখনত সংগ্ৰামী জনসাধাৰণে চৰকাৰী বিষয়াক আক্ৰমণ কৰা, দোকান-পোহাৰত অগ্নিসংযোগ কৰাকে ধৰি ৰাস্তা-দলঙ আৰু চৰকাৰী কাৰ্যালয়ৰ বিস্তৰ ক্ষতি সাধন কৰে। হবিগঞ্জৰ চাহাবীবাজাৰ, গোলাঘাটৰ বৰপথাৰ, কামৰূপৰ পানবাৰী আৰু ৰঙিয়াত ৰে'ললাইন উঠাই দিয়া হয়। বৰপথাৰত ৰে'ল বাগৰাৰ ঘটনাত জড়িত কৰি কুশল কোঁৱৰক ব্ৰিটিছে ফাঁচী দিয়ে। সমগ্ৰ ভাৰত ত্যাগ আন্দোলনত একমাত্ৰ কুশল কোঁৱৰেই আছিল ফাঁচীকাঠত মৃত্যুবৰণ কৰা শ্বহীদ। বজালী অঞ্চলৰ পাটাছাৰকুছি, গোৱালপাৰাৰ ফকিৰাগ্ৰাম আৰু দৰং জিলাৰ গহপুৰ তথা ঢেকীয়াজুলিত ব্ৰিটিছৰ পুলিচ বাহিনীয়ে সমদলকাৰী সংগ্ৰামীৰ ওপৰত নিৰ্বিচাৰে গুলীবৰ্ষণ কৰাৰ ফলত গহপুৰত ১৫ বছৰীয়া কনকলতাই শ্বহীদৰ মৃত্যুবৰণ কৰিছিল; শ্বহীদ হৈছিল মুকুন্দ কাকতি। ঢেকীয়াজুলিত মনবৰ নাথ, মণিৰাম বড়ো, ৰতন কছাৰীকে ধৰি কেইবাজনো স্বাধীনতা সংগ্ৰামীয়ে ব্ৰিটিছৰ গুলী বুকু পাতি লৈছিল। ঢেকীয়াজুলিৰ নিৰ্মম হত্যাকাণ্ডক জালিৱানালাবাগৰ হত্যাকাণ্ডৰ লগত তুলনা কৰা হয়।

চৰকাৰী নিৰ্যাতনে ভাৰত ত্যাগ আন্দোলনৰ গণমুখী প্ৰতিবাদক প্ৰতিহত কৰিব পৰা নাছিল। ব্ৰিটিছৰ নিৰ্মম অত্যাচাৰক প্ৰতিৰোধ কৰিবলৈ জেলৰ বাহিৰত থকা শঙ্কৰ চন্দ্ৰ বৰুৱা, মহেন্দ্ৰ হাজৰিকা, জ্যোতিপ্ৰসাদ আগৰৱালা, গহন চন্দ্ৰ গোস্বামী আৰু লক্ষ্মী গোস্বামী আদি নেতাই আত্মগোপন কৰিবলৈ বাধ্য হৈছিল। এওঁলোকে দেশৰ আন ঠাইত গঢ়ি উঠা ব্ৰিটিছ বিৰোধী বিপ্লৱী কৰ্মকাণ্ডৰ দ্বাৰা প্ৰভাৱিত হৈছিল। আত্মগোপনকাৰী সংগ্ৰামীসকলে যাতায়াত ব্যৱস্থা ব্যাহত কৰাৰ বাবে দলং ভঙা, ৰে'ললাইনৰ ক্ষতিসাধন কৰা, টেলিফোন, টেলিগ্ৰাফৰ সংযোগ বিচ্ছিন্ন কৰা আদি কাৰ্যত লিপ্ত হৈছিল। বৰপেটা জিলাৰ বিপ্লৱী ব্ৰজনাথ শৰ্মাই বৰনগৰ অঞ্চলত ব্ৰিটিছে স্থাপন কৰা এয়াৰ'ড্ৰম উৰুৱাই দিয়াৰ চেষ্টা কৰিছিল।

কংগ্ৰেছ নেতৃত্বই গাঁও এলেকাত সমান্তৰাল চৰকাৰ স্থাপনৰ চেষ্টা কৰিছিল। বজালী, হাতীচোং,

ঢকুৱাখানা, ৰহা, জামুগুৰি, বাঁহজানী অঞ্চলত স্বাধীনতা সংগ্ৰামীসকলে গাঁও পঞ্চায়ত পাতি পঞ্চায়তী প্ৰশাসনৰ পৰিকল্পনা প্ৰস্তুত কৰিছিল। গাঁৱে গাঁৱে খাজনা দিয়া বন্ধ কৰাৰ বাবে প্ৰচাৰ চলাইছিল। ভালেমান ঠাইত ব্যৱসায়ীসকলে সেনাবাহিনী, পুলিচ আৰু প্ৰশাসনক খাদ্য-সামগ্ৰী যোগান দিয়াতো বন্ধ কৰি দিছিল; চৰকাৰী বজাৰ বৰ্জন কৰি নানা ঠাইত কংগ্ৰেছে হাট-বজাৰ স্থাপন কৰিছিল।

ভাৰত ত্যাগ আন্দোলনত ছাত্ৰ সমাজে বিশেষ ভূমিকা পালন কৰিছিল। প্ৰতিবাদ সভা, সমদল, ধৰ্ণা কাৰ্যসূচী সকলোতে ছাত্ৰ-ছাত্ৰীসকলে অগ্ৰণী ভূমিকা লৈছিল। শান্তি সেনা গঠনৰ ক্ষেত্ৰত আগভাগ লোৱা তৰুণ প্ৰজন্মই গ্ৰামাঞ্চলৰ সাধাৰণ লোকক ভাৰত ত্যাগ আন্দোলনত ভাগ লোৱাৰ বাবে উদ্বুদ্ধ কৰাত সফল হৈছিল।

ভাৰত ত্যাগ আন্দোলনত নাৰী সমাজে ব্যাপক হাৰত অংশ লৈছিল যদিও সাংগঠনিক কাম-কাজৰ পৰা নাৰীশক্তিক কিছুপৰিমাণে আঁতৰাই ৰখাটো পৰিলক্ষিত হৈছিল। মহিলা নেত্ৰীসকলে কংগ্ৰেছ দলৰ স্বাধীনতা সংগ্ৰামৰ প্ৰচাৰ চলোৱাৰ বাবে পৃথক মহিলা শাখা গঠনৰ দাবী জনাইছিল। ১৯৪০ চনত ৰাষ্ট্ৰীয় আৰু প্ৰাদেশিক পৰ্যায়ত কংগ্ৰেছ দলৰ মাজত মহিলা শাখা গঠন হয়। একেটা বছৰতে ছেপ্টেম্বৰ মাহত অসমত মহিলা শাখাই প্ৰতিষ্ঠা লাভ কৰে। পুষ্পলতা দাস আৰু অমলপ্ৰভা দাসক মহিলা শাখাৰ যুটীয়া সম্পাদিকাৰ দায়িত্ব দিয়া হয়। পিছৰ বছৰত শ্বিলঙত সদৌ অসম ছাত্ৰী সমিতিয়ে প্ৰতিষ্ঠা লাভ কৰে।

পুৰুষ নেতৃত্বৰ বেছিভাগেই জেলত থকাৰ বাবে মহিলা নেত্ৰীসকলে ভাৰত ত্যাগ আন্দোলনত গৌৰৱোজ্জল ভূমিকা লৈছিল। মহিলাসকলৰ মাজত চন্দ্ৰপ্ৰভা শইকীয়ানী আছিল এগৰাকী মূল নেত্ৰী। মহিলাসকলে 'শান্তি সেনা'ৰ সদস্য পদ গ্ৰহণ কৰাৰ লগতে ১৯৪২ চনত সুশৃংখলিতভাৱে চৰকাৰ বিৰোধী কাম-কাজ পৰিচালনা কৰাৰ বাবে গঠন হোৱা 'মৃত্যু বাহিনী'তো যোগদান কৰিছিল। শ্বহীদ কনকলতা, ৰত্নবালা ফুকন, বুদ্ধেশ্বৰী হাজৰিকা, কাঙুলী নাথ আৰু দময়ন্তী বৰা আছিল 'মৃত্যু বাহিনী'ৰ সদস্যা।

**বৰদলৈ মন্ত্ৰীসভাৰ দ্বিতীয় কাল ঃ** ১৯৪৫ চনত দ্বিতীয় মহাযুদ্ধৰ সামৰণি পৰাত সকলোৱে স্বস্তিৰ নিঃশ্বাস পেলায়। ইংলেণ্ডত লেবাৰ পাৰ্টিৰ চৰকাৰ গঠন হয় আৰু এটলি মন্ত্ৰীসভাই ভাৰতবৰ্ষৰ সমস্যা সমাধানৰ বাবে আগ্ৰহী হৈ উঠে। এটলিয়ে কংগ্ৰেছৰ ওপৰত থকা নিষেধাজ্ঞা উঠাই লয় আৰু নিৰ্বাচন ঘোষণা কৰে। অসমত অনুষ্ঠিত হোৱা নিৰ্বাচনত কংগ্ৰেছ দলে ৫৮ খন আসন লাভ কৰে আৰু কেইগৰাকীমান নিৰ্দলীয় সদস্যৰ সমৰ্থন লৈ গোপীনাথ বৰদলৈয়ে ১৯৪৬ চনৰ ১০ ফেব্ৰুৱাৰীত অসমত চৰকাৰ গঠন কৰে। যুদ্ধই সূচনা কৰা নানা সমস্যাৱলীৰ লগতে বৰদলৈ মন্ত্ৰীসভাই প্ৰব্ৰজনৰ সমস্যাটোত অধিক মনোনিৱেশ কৰিবলগীয়া হৈছিল। ছাদুল্লাই ৰাজ্যপালে ৰদ কৰা ভূমি বিকাশ আঁচনিখন পুনৰবাৰ প্ৰচলন কৰি পূৰ্ব বংগৰ পৰা অহা প্ৰব্ৰজনকাৰীক অসমৰ চৰণীয়া পথাৰ আৰু বনাঞ্চলৰ মাটিত সংস্থাপন দিছিল। এনে সংস্থাপনক স্থানীয় খিলঞ্জীয়াই বিৰোধিতা কৰিছিল। আনকি বহু ঠাইত প্ৰব্ৰজনকাৰী আৰু খিলঞ্জীয়াৰ মাজত সংঘৰ্ষৰো সৃষ্টি হৈছিল। কংগ্ৰেছ মন্ত্ৰীসভাই সংস্থাপিত প্ৰব্ৰজনকাৰীসকলক উচ্ছেদ কৰাৰ বাবে লোৱা সিদ্ধান্তক মুছলিম লীগে বিৰোধিতা কৰিছিল। সেই সময়ছোৱাত মুছলিম লীগৰ ৰাজনীতি পাকিস্তানক কেন্দ্ৰ কৰি পৰিচালিত হৈছিল আৰু ১৯৪৬ চনত জিন্নাই অসমলৈ আহি অসমক পূব পাকিস্তানৰ লগত চামিল কৰাৰ বাবে দাবী জনাইছিল।

## কেবিনেট মিছন আৰু অসম ঃ

ভাৰতৰ পৰা আঁতৰি যোৱাৰ মানসেৰে ব্ৰিটিছে ভাৰতবৰ্ষত এখন দেশীয় চৰকাৰ গঠন আৰু সংবিধান প্ৰণয়ন কৰাৰ পৰিকল্পনা লৈ ১৯৪৬ চনৰ মাৰ্চ মাহত ভাৰতলৈ কেবিনেট মিছন প্ৰেৰণ কৰে। এই মিছনৰ সদস্য তিনিগৰাকী আছিল— স্বৰাষ্ট্ৰ সচিব পেথিক লৰেন্স, বোৰ্ড অব্ ট্ৰেডৰ সভাপতি ষ্টাফোৰ্ড ক্ৰিপছ আৰু ফ্ৰাষ্ট লৰ্ড অব এড্‌মিৰেলিটি, এ. ভি. আলেকজেণ্ডাৰ। কেবিনেট মিছনে পৃথক পাকিস্তানৰ দাবীক অগ্ৰাহ্য কৰি ঐক্যবদ্ধ ভাৰতবৰ্ষৰ বাবে তিনিটা গ্ৰুপিংৰ (Grouping)ৰ প্ৰস্তাৱ আগবঢ়ায়। গ্ৰুপিং তিনিটা হ'ল —

১। মাদ্ৰাজ, বোম্বাই, উত্তৰপ্ৰদেশ, বিহাৰ, কেন্দ্ৰীয় প্ৰদেশ আৰু উৰিষ্যা।

২। পঞ্জাৱ, উত্তৰ-পশ্চিম সীমান্ত প্ৰদেশ আৰু সিন্ধু প্ৰদেশ।

৩। বঙ্গদেশ আৰু অসম।

প্ৰতিটো গ্ৰুপিঙে সুকীয়া সুকীয়া সংবিধান প্ৰণয়নৰ বাবে পৃথক পৃথককৈ মিলিত হ'ব। তিনিওটা গ্ৰুপিংৰ বাবে প্ৰতিৰক্ষা, বৈদেশিক আৰু সংযোগ দপ্তৰ সমন্বিতে এটা উমৈহতীয়া কেন্দ্ৰ থাকিব। প্ৰথম সাধাৰণ নিৰ্বাচনৰ পিছত ইচ্ছা কৰিলে প্ৰদেশ এখনে নিজক অৰ্ন্তভূক্ত কৰা গ্ৰুপিংৰ পৰা ওলাই আহিব পাৰিব আৰু দহ বছৰৰ অন্তত প্ৰতিটো ক্ষেত্ৰ আৰু কেন্দ্ৰীয় সংবিধানৰ পৰিৱৰ্তনৰ বাবে দাবী উত্থাপন কৰিব পাৰিব। গ্ৰুপ বা গ্ৰুপিঙক কেন্দ্ৰ কৰি কংগ্ৰেছ আৰু লীগৰ মাজত মতানৈক্যৰ সৃষ্টি হৈছিল। কংগ্ৰেছ আৰু লীগে নিজ নিজ স্থিতিত থাকি কেবিনেট মিছনৰ ব্যাখ্যা আগবঢ়াইছিল। আনহাতে কেবিনেট মিছনৰ প্ৰস্তাৱত গ্ৰুপিং ব্যৱস্থাটো বাধ্যতামূলক নে বাধ্যতামূলক নহয়, এই বিষয়টো স্পষ্ট কৰি দিয়া হোৱা নাছিল।

অসম প্ৰদেশ কংগ্ৰেছে কেবিনেট মিছনৰ গ্ৰুপিং ব্যৱস্থাৰ প্ৰতিবাদ কৰিছিল। অসমক বঙ্গদেশৰ লগত সাঙুৰি দিলে, ৰাজ্যখনৰ স্বকীয় পৰিচয় বিলুপ্ত হ'ব আৰু মুছলিম লীগৰ ৰাজনৈতিক ডবাখেলৰ গুটিত পৰিণত হ'বগৈ। সমগ্ৰ বিষয়টো অৱগত কৰাৰ বাবে গোপীনাথ বৰদলৈয়ে তেওঁৰ দুই সতীৰ্থ বিজয় চন্দ্ৰ ভাগৱতী আৰু মহেন্দ্ৰ মোহন চৌধুৰীক গান্ধীজীক সাক্ষাৎ কৰিবলৈ শ্ৰীৰামপুৰলৈ পঠিয়ায়। অসমক বঙ্গদেশৰ লগত চামিল কৰিব খোজা গ্ৰুপিং ব্যৱস্থাৰ বিৰুদ্ধে হৰেশ্বৰ গোস্বামী, দেৱকান্ত বৰুৱা, হৰেশ্বৰ নাথ বৰুৱা, পুষ্পলতা দাস আদি আন কেইগৰাকীমান কংগ্ৰেছ নেতা-নেত্ৰীয়ে নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ নেতৃত্বক লগ কৰাৰ বাবে পাটনা, কলিকতা আৰু দিল্লীলৈ যাবলগীয়া হৈছিল। গোপীনাথ বৰদলৈয়ে অসম বিধানসভাত কেবিনেট মিছনৰ গ্ৰুপিং ব্যৱস্থাৰ বিৰোধিতা কৰি এটা প্ৰস্তাৱ গ্ৰহণ কৰিছিল।

ইফালে ব্ৰিটিছে ১৯৪৬ চনৰ ২ ছেপ্টেম্বৰত নেহেৰুৰ নেতৃত্বত এখন অন্তৰ্বৰ্তীকালীন চৰকাৰ গঠনৰ আহ্বান জনালে। মহম্মদ আলী জিন্নাই এনে প্ৰস্তাৱৰ বিৰুদ্ধাচৰণ কৰাৰ বাবে প্ৰত্যক্ষ সংগ্ৰামৰ হুংকাৰ দি 'লড়কে লেংগে পাকিস্তান' শ্লোগান দিবলৈ আৰম্ভ কৰিলে। জিন্নাৰ এনে উচটনিমূলক আহ্বানে দেশত সাম্প্ৰদায়িক উত্তেজনাৰ সৃষ্টি কৰিলে। কলিকতা, পাঞ্জাব, নোৱাখালি আদিত সংঘটিত হ'ল ব্যাপক সাম্প্ৰদায়িক সংঘৰ্ষ। লীগে অন্তৰ্বৰ্তীকালীন চৰকাৰত অংশলৈ প্ৰত্যক্ষ সংগ্ৰামৰ কাৰ্যসূচী অব্যাহত ৰাখিলে। কংগ্ৰেছে দাবী জনালে যে মুছলিম লীগে প্ৰত্যক্ষ সংগ্ৰামৰ কাৰ্যসূচী বন্ধ কৰক, নহ'লে অন্তৰ্বৰ্তী চৰকাৰৰ পৰা আঁতৰি যাওক। লীগে ওলোটাই বিধানসভা ভংগ কৰাৰ দাবী জনালে। এনে সময়তে এটলিয়ে ঘোষণা কৰিলে যে ১৯৪৮


চনৰ ৩০ জুনৰ দিনা ব্ৰিটিছে ভাৰতক ক্ষমতা হস্তান্তৰ কৰিব আৰু এই উদ্দেশ্যে লৰ্ড ৱাভেলৰ সলনি লৰ্ড মাউণ্টবেটেনক ভাইছৰয়ৰূপে নিযুক্তি দিয়া হয়।

মাউন্টবেটেন ভাৰতলৈ অহাৰ সময়ত ক্ষমতা হস্তান্তৰৰ বাবে পৰিবেশ অনুকূল হৈ থকা নাছিল। মুছলিম লীগে পাকিস্তানৰ দাবীত অটল স্থিতি গ্ৰহণ কৰিছিল। মাউন্টবেটেনে আগবঢ়োৱা প্ৰস্তাৱমৰ্মে ভাৰতক দ্বিখণ্ডিত কৰা হৈছিল আৰু এই কাম কংগ্ৰেছ তথা লীগক সন্তুষ্ট কৰাৰ বাবে পঞ্জাৱ আৰু বংগ দেশক ভাগ কৰাৰ আঁচনি লৈছিল আৰু ছিলেটে অসমৰ সৈতে থকা নথকা কথাটো গণভোটৰ দ্বাৰা নিৰ্ধাৰণ কৰাৰ সিদ্ধান্ত লোৱা হৈছিল। এনেকৈয়ে মাউন্টবেটেনৰ প্ৰস্তাৱে পাকিস্তান সৃষ্টিৰ সম্ভাৱনাক প্ৰকট কৰি তোলে। ৩ জুনত প্ৰস্তুত কৰা মাউন্টবেটেনৰ ভাৰত বিভাজনৰ প্ৰস্তাৱমৰ্মে ১৯৪৭ চনৰ ১৫ আগষ্ট তাৰিখে ভাৰতবৰ্ষক স্বাধীনতা প্ৰদান কৰা হ'ব বুলি উল্লেখ কৰা হয়। ১৯৪৭ চনৰ ১৮ জুলাই তাৰিখে মহাৰাণীয়ে স্বাধীন ভাৰত বিলখনত স্বাক্ষৰ প্ৰদান কৰে। মাউন্টবেটেনৰ প্ৰস্তাৱৰ ফলস্বৰূপে অসমত গ্ৰুপিং বিৰোধী আন্দোলনৰো সমাপ্তি ঘটে। ১৯৪৭ চনৰ ৬ আৰু ৭ জুলাই তাৰিখে ছিলেটত গণভোটৰ আয়োজন কৰা হয় আৰু ফলাফল ঘোষণা কৰাৰ পিছত ৫৬% লোকে পাকিস্তানৰ লগত আৰু ৪৩.৪% লোকে অবিভক্ত অসমৰ সৈতে ভাৰতবৰ্ষত চামিল হোৱাৰ বাবে ভোটদান কৰে। এনেকৈয়ে ছিলেট জিলাখনে পূব পাকিস্তানৰ অন্তৰ্ভুক্ত হয়। চিৰিল ৰেডক্লিফক পূব পাকিস্তান আৰু অসমৰ সীমা নিৰ্ধাৰণ কৰাৰ দায়িত্ব অৰ্পণ কৰা হয়।

১৯৪৭ চনৰ ১৫ আগষ্ট তাৰিখে ভাৰতবৰ্ষই পূৰ্ণ স্বৰাজ অৰ্জন কৰাৰ মাজেদি সুদীৰ্ঘ স্বাধীনতা সংগ্ৰামৰ সামৰণি পৰে। অসম ভাৰতীয় যুক্তৰাষ্ট্ৰ কাঠামোৰ অন্তৰ্ভুক্ত হয়। স্বাধীন ভাৰতত অসমৰ প্ৰথম গৰাকী মুখ্যমন্ত্ৰী ৰূপে গোপীনাথ বৰদলৈয়ে দায়িত্ব গ্ৰহণ কৰে।

## স্বৰাজোত্তৰ ভাৰতীয় ৰাজনীতি আৰু অসম ঃ

স্বাধীনতা লাভৰ সময়ত ছিলেটক বাদ দি সকলো অঞ্চল সামৰি অসম প্ৰদেশ গঠন হয়। কিন্তু ছিলেটৰ তিনিখন থানা পাথাৰকান্দি, ৰাটাবাৰী আৰু বদৰপুৰৰ লগতে কৰিমগঞ্জ থানাৰ আধা এলেকা অসমৰ লগত চামিল কৰা হয়। ১৯৫০ চনৰ আগষ্ট মাহত গোপীনাথ বৰদলৈৰ মৃত্যু হোৱাত বিষ্ণুৰাম মেধিয়ে মুখ্যমন্ত্ৰীৰ দায়িত্বভাৰ গ্ৰহণ কৰে। ১৯৫৮ চনত মেধি ডাঙৰীয়াই মাদ্ৰাজৰ ৰাজ্যপাল ৰূপে নিযুক্তি পোৱাত বিমলাপ্ৰসাদ চলিহাই মুখ্য মন্ত্ৰী ৰূপে ১৯৭০ চনলৈ কাৰ্যনিৰ্বাহ কৰে। ১৯৬৯ চনত ভাৰতীয় জাতীয় কংগ্ৰেছ বিভক্ত হোৱাৰ সময়ত অসম প্ৰদেশ কংগ্ৰেছও দুভাগত বিভক্ত হয়। বিমলাপ্ৰসাদ চলিহাৰ মৃত্যুৰ পিছত ২ বছৰ কাল মহেন্দ্ৰমোহন চৌধুৰীয়ে মুখ্যমন্ত্ৰী হোৱাৰ সুযোগ পায়। ১৯৭২ চনৰ নিৰ্বাচনত জয়লাভ কৰি শৰৎ সিংহই ১৯৭৮ চনলৈকে মুখ্যমন্ত্ৰীৰূপে ৰাজ্য চৰকাৰ পৰিচালনা কৰে। জৰুৰীকালীন অৱস্থাৰ পিছত ১৯৭৮ চনত অনুষ্ঠিত হোৱা অসম বিধানসভাৰ নিৰ্বাচনত জনতা দলে সংখ্যাগৰিষ্ঠতা লাভ কৰে আৰু গোলাপ চন্দ্ৰ বৰবৰাই মুখ্যমন্ত্ৰীৰূপে শপত গ্ৰহণ কৰে। কিন্তু জনতা দলৰ চৰকাৰে ৫ বছৰ কাল অতিবাহিত কৰিব নোৱাৰিলে। ১৯৮০ চনত বিদেশী বিতাড়ণ আন্দোলন চলি থকাৰ সময়ত যোগেন্দ্ৰ নাথ হাজৰিকাই কেইমাহমানৰ কাৰণে মুখ্যমন্ত্ৰী হৈছিল আৰু অসম মন্ত্ৰীসভা ভংগ হোৱাৰ পিছত অসমত ৰাষ্ট্ৰপতি শাসন প্ৰৱৰ্তন হৈছিল। বিধানসভাৰ কাৰ্যকাল স্থগিত ৰখাৰ সময়ত কংগ্ৰেছ দলৰ আনোৱাৰা টাইমূৰ আৰু কেশৱ চন্দ্ৰ মহন্তই মুখ্যমন্ত্ৰীৰ দায়িত্ব




**চিত্ৰ-৬.৩ ঃ ১৯৮২ চনৰ অসমৰ ৰাজনৈতিক মানচিত্ৰ**

লৈছিল। ১৯৮০ চনৰ পৰা ১৯৮২ চনলৈকে অসমত তিনিবাৰকৈ ৰাষ্ট্ৰপতি শাসন প্ৰৱৰ্তন হৈছিল।

**অসমত অনুপ্ৰৱেশৰ সমস্যা ঃ** ভাৰত বিভাজন হোৱাৰ পিছত হাজাৰ হাজাৰ শৰণাৰ্থীয়ে পূব পাকিস্তানৰ পৰা প্ৰব্ৰজন কৰি আহি অসমত থিতাপি লৈছিল। ১৯৫০ চনৰ ১৩ ফেব্ৰুৱাৰী তাৰিখে ভাৰত চৰকাৰে অনুপ্ৰৱেশকাৰী আইন সংসদত গৃহীত কৰে আৰু এই আইন অনুসৰি অসম চৰকাৰে নিজ ৰাজ্যত বসতি কৰা অবৈধ শৰণাৰ্থীক বহিষ্কাৰ কৰাৰ ক্ষমতা লাভ কৰে। কিন্তু এই আইনখন থকা সত্বেও অসমলৈ অবৈধ

অনুপ্ৰৱেশকাৰীৰ প্ৰব্ৰজন অব্যাহত থাকে। আনহাতে ১৯৫০ চনৰ ৮ মে'ত সম্পাদিত ভাৰত পাকিস্তান চুক্তিত শৰণাৰ্থীসকলক পুনৰ সংস্থাপন দিয়াটো ভাৰত চৰকাৰৰ দায়িত্ব বুলি উল্লেখ কৰা হয়। স্বাভাৱিকতে অসমৰ শৰণাৰ্থীসকলকো ৰাজ্য চৰকাৰে পুনৰ সংস্থাপন দিয়া প্ৰসংগটো উত্থাপন হয়। চৰকাৰী তথ্য মতে ১৯৫৪ চনৰ ছেপ্টেম্বৰ মাহলৈকে অসমত ডেৰ লাখ বিঘা মাটিত দুই লাখ তেসত্তৰ হাজাৰ শৰণাৰ্থীয়ে সংস্থাপিত হৈছিল। এই সময়ছোৱাত দহ হাজাৰতকৈও অধিক খিলঞ্জীয়া লোকে ভূমিহীন হোৱাৰ তথ্যও পোৱা যায়। প্ৰকৃতাৰ্থত অসমত অবৈধ অনুপ্ৰৱেশকাৰীৰ সংখ্যা অধিক বুলি ভবাৰ থল আছে। কিয়নো ১৯৪১ চনত ছিলেটৰ সৈতে মিলি অসমৰ জনসংখ্যা আছিল ৬৬,৪৪,০০০; কিন্তু ১৯৫১ চনত অসমৰ জনসংখ্যা ৮০,২৯,০০০ লৈ বৃদ্ধি পায়। অথচ ১৯৫১ চনত ছিলেট অসমৰ পৰা পৃথক হৈ গৈছিল। নতুনকৈ প্ৰব্ৰজন হোৱা পূব পাকিস্তানৰ লোকসকলৰ বেছি সংখ্যকেই আছিল বঙালীভাষী হিন্দু। এওঁলোকে অসমৰ গাঁও আৰু নগৰ দুয়োটা অঞ্চলতে বসবাস কৰিবলৈ লৈছিল। প্ৰব্ৰজিত হিন্দু সকলৰ মাজৰ শিক্ষিত চামটোৱে চৰকাৰী চাকৰি লাভ কৰাৰো সুযোগ পাইছিল।

**অসমৰ আৰ্থ-ৰাজনৈতিক অৱস্থা ঃ** স্বাধীনতাৰ ঠিক পিছতেই অসমে সংযোগ ব্যৱস্থাৰ ক্ষেত্ৰত বাধা বিপত্তিৰ সন্মুখীন হয়। উদ্যোগ ক্ষেত্ৰত বনুৱাৰ ধৰ্মঘট আৰু কৃষক আন্দোলনে অসমৰ ৰাজনৈতিক জীৱন অস্থিৰ কৰি তোলে। ১৯৫০ চনৰ ভূমিকম্পৰ ফলত অসমৰ অৰ্থনীতিৰ বিস্তৰ ক্ষতিসাধন হয়। ১৯৫০ চনৰ ২৬ জানুৱাৰীৰ দিনা কেন্দ্ৰীয় চৰকাৰে ভাৰতক এখন যুক্তৰাষ্ট্ৰীয় গণৰাজ্য বুলি ঘোষণা কৰাৰ লগতে নতুন সংবিধান প্ৰৱৰ্তন কৰি জনসাধাৰণক মৌলিক অধিকাৰ প্ৰদান কৰে। প্ৰাপ্তবয়স্ক ভোটাধিকাৰ লাভ কৰাৰ ফলত ভাৰতীয় নাগৰিকে নিৰ্বাচনত অংশগ্ৰহণ কৰাৰ সুযোগ পায়। ১৯৫০ চনৰ মাৰ্চ মাহত পৰিকল্পনা আয়োগ গঠন হয় আৰু দেশৰ সম্পদসমূহ সঠিকভাৱে ব্যৱহাৰ কৰি জীৱন ধাৰণৰ মান তথা জাতীয় আয় বৃদ্ধিৰ লক্ষ্য স্থিৰ কৰে। ইয়াৰ পূৰ্বে ১৯৪৮ চনৰ ১ এপ্ৰিলত কানি নিবাৰণ আইন এখন প্ৰৱৰ্তন কৰা হয় আৰু ৫০০ গৰাকী অবৈতনিক কানি নিবাৰক বিষয়াক নিযুক্তি দিয়া হয়। ১৯৪৮ চনৰ পৰাই পঞ্চায়ত আৰু সমবায় সমিতিসমূহে গ্ৰাম্য উন্নয়নৰ আঁচনিসমূহ বলবৎ কৰাৰ প্ৰয়াস কৰিছিল। অসমত ন ন উদ্যোগ গঢ়াৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত প্ৰস্তাৱ প্ৰেৰণ কৰা হৈছিল। মটৰ পৰিবহণ ব্যৱস্থাক ৰাষ্ট্ৰীয়কৰণ কৰা হৈছিল আৰু ভূমিৰ ওপৰত ৰায়তৰ অধিকাৰ সাব্যস্ত কৰি ১৯৪৮ চনত অসম আধিয়াৰ সুৰক্ষা নিয়ামক আইন গৃহীত হৈছিল। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ লগতে গুৱাহাটী বিশ্ববিদ্যালয়, গুৱাহাটীৰ খানাপাৰাত পশু চিকিৎসা মহাবিদ্যালয়, যোৰহাটত কৃষি মহাবিদ্যালয় আৰু ডিব্ৰুগড়ত এখন চিকিৎসা মহাবিদ্যালয় স্থাপন কৰা হৈছিল। চাহ বনুৱাৰ কল্যাণৰ অৰ্থে ১৯৫১ চনত চাহ বনুৱা আইন গৃহীত হয়।

পাহাৰৰ জনগোষ্ঠীয় লোকসকলৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ বাবে গোপীনাথ বৰদলৈক সভাপতি ৰূপে লৈ ১৯৪৮ চনত 'পাহাৰ উপ-সমিতি' এখন গঠন কৰা হৈছিল। এই সমিতিখনে পাহাৰীয়া লোকসকলৰ সামাজিক পৰম্পৰা অনুসৰি নিজ নিজ বিষয়বোৰ নিজে সমাধান কৰাৰ অধিকাৰ প্ৰদানৰ কথাটোত গুৰুত্ব আৰোপ কৰিছিল। পাহাৰীয়া জনগোষ্ঠীসমূহৰ আশা-আকাংক্ষাক ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীয়ে সন্মান প্ৰদৰ্শন কৰিছে আৰু ষষ্ঠ অনুসূচী অনুসৰি পাহাৰত বসবাস কৰা লোকসকলক বিশেষ ধৰণৰ স্বায়ত্ত শাসন দিয়াৰ কথা উল্লেখ কৰিছে। নগালেণ্ডৰ বাহিৰে অসম ৰাজ্যৰ সমূহ পাহাৰীয়া অঞ্চল সংবিধানৰ আওতালৈ আহিছিল।

কেৱল নগা নেচনেল কাউন্সিলে ফিজোৰ নেতৃত্বত ১৯৪৭ চনৰ ১৪ আগষ্টৰ দিনা ৰাতি স্বাধীন নগালেণ্ড ঘোষণা কৰিছিল। ১৯৫৩ চনত নগা নেচনেল কাউন্সিলে ভাৰত চৰকাৰৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰি এখন সমান্তৰাল চৰকাৰ গঠন কৰে। ফিজো বাহিনীয়ে নগালেণ্ডত বিদ্ৰোহাত্মক আচৰণ চলাই থাকিলেও ১৯৬৩ চনৰ ১ ডিচেম্বৰত নগালেণ্ডক সুকীয়া ৰাজ্য হিচাপে ঘোষণা কৰা হয়। একেদৰে ১৯৭০ চনৰ ২ এপ্ৰিলত মেঘালয় নামাকৰণেৰে খাচী, জয়ন্তীয়া আৰু গাৰো পাহাৰক সামৰি এখন নতুন ৰাজ্যৰ জন্ম হয়। ১৯৭২ চনৰ ২০ জানুৱাৰীত অৰুণাচল প্ৰদেশ নামকৰণ কৰাৰ লগতে কেন্দ্ৰীয় শাসিত অঞ্চলৰূপে ঘোষণা কৰা হয়। ১৯৮৭ চনৰ ২০ ফেব্ৰুৱাৰীত অৰুণাচল প্ৰদেশখনে পূৰ্ণ ৰাজ্যৰ স্বীকৃতি পায়। পৰৱৰ্তী সময়ত মিজোৰামে ৰাজ্য হিচাপে স্বীকৃতি লাভ কৰে। (উৎস ঃ শৰাইঘাট ইয়াৰবুক, ২০১৯)। কেন্দ্ৰীয় শাসিত মণিপুৰেও সুকীয়া ৰাজ্যৰ মৰ্যাদা লাভ কৰিবলৈ সক্ষম হয়। ইয়াৰ ফলত পাহাৰীয়া অঞ্চল হিচাপে কেৱল উত্তৰ কাছাৰ আৰু কাৰ্বি আংলং জিলাহে অসমৰ অন্তৰ্ভুক্ত হৈ থাকে।

১৯৫০ চনত নতুন ৰে'লপথ নিৰ্মাণৰ জৰিয়তে অসমক ভাৰতবৰ্ষৰ আন আন ঠাইৰ সৈতে সংযোগ সাধন কৰা হয়। প্ৰথম পঞ্চবাৰ্ষিক পৰিকল্পনাত নতুন বাট-পথ আৰু ভালেমান দলং নিৰ্মাণ কৰা হয়। ১৯৫৩-৫৪ চনত কাছাৰ আৰু গোৱালপাৰা জিলাৰ পৰা জমিদাৰী ব্যৱস্থা আনুষ্ঠানিকভাৱে বিলোপ কৰা হয়। দ্বিতীয় পঞ্চবাৰ্ষিক পৰিকল্পনাত বুনিয়াদী আৰু গুৰু উদ্যোগ প্ৰতিষ্ঠাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ১৯৫৭ চনত গুৱাহাটী শোধনাগাৰে প্ৰতিষ্ঠা লাভ কৰে। এই সময়ছোৱাতেই ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত শৰাইঘাট দলং নিৰ্মাণৰ কাম আৰম্ভ হয় আৰু ১৯৬০ চনত দলংখন মুকলি কৰি দিয়ে।

১৯৫৬ চনৰ অসম ভূমি অধিগ্ৰহণ আইনখন ১৯৫৮ চনত কাৰ্যকৰী কৰা হয় আৰু এই আইন অনুসৰি এগৰাকী ব্যক্তিয়ে বিশেষ কাৰণ নাথাকিলে ১৫০ বিঘাতকৈ অধিক ভূমি অধিগ্ৰহণ কৰিব নোৱাৰাৰ ব্যৱস্থা কৰা হয়। এইছোৱা সময়তে মৃতপ্ৰায় অৱস্থাত থকা সমবায় সমিতিসমূহ পুনৰ সক্ৰিয় কৰি ২৩৬১ খন সমবায় সমিতি আৰু ৩১ খন সমবায় সঞ্চয় সমিতি গঠন কৰা হয়। উমিয়াম উমত্ৰু বিদ্যুৎ প্ৰকল্পৰ কাম ১৯৫৮ চনত স্থাপন হোৱা অসম বিদ্যুৎ বোৰ্ডৰ দ্বাৰা ১৯৬০ চনত সম্পূৰ্ণ কৰা হয়।

**ভাষা আন্দোলন ঃ** অসমত অসমীয়া ভাষাৰ অস্তিত্বক কেন্দ্ৰ কৰি ১৯৬০ চনত পৰিস্থিতি উত্তেজনাপূৰ্ণ হৈ পৰে। ১৯৫১ চনৰ লোকপিয়ল অনুসৰি অসমীয়া ভাষী লোকৰ সংখ্যা ৭৫% হ'লেও অসম সাহিত্য সভা আৰু অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ লোকে ভাষাগত পৰিচয়ৰ প্ৰতি অনাঅসমীয়াৰ পৰা প্ৰত্যাহ্বান আহিব পাৰে বুলি সংশয় প্ৰকাশ কৰাৰ ফলত জাতিগত সংঘাতৰ বাতাবৰণৰ সৃষ্টি হয়। ভাষাক কেন্দ্ৰ কৰি সৃষ্টি হোৱা আন্দোলনত ছাত্ৰ সমাজে সক্ৰিয় ভূমিকা লৈছিল। শেষত ব্ৰহ্মপুত্ৰ উপত্যকাৰ ৬ খন জিলাত অসমীয়া ভাষাক মাধ্যম হিচাপে স্বীকৃতি প্ৰদান কৰাৰ পিছতহে মাধ্যম আন্দোলনটোৰ শাম কাটে। ১৯৭২ চনত অসমীয়া ভাষাটো প্ৰাক্-স্নাতক আৰু স্নাতক পৰ্যায়ত মাধ্যম হিচাপে প্ৰয়োগ কৰা বিষয়টোক লৈ পুনৰ বৃহৎ আন্দোলন এটা আৰম্ভ হয়।

**ভাৰত-চীন যুদ্ধ ঃ** ১৯৬২ চনত চীন আৰু ভাৰতৰ মাজত সীমান্তক কেন্দ্ৰ কৰি সৃষ্টি হোৱা যুদ্ধত অসম প্ৰত্যক্ষভাৱে সাঙোৰ খাই পৰে। চীনা সৈন্যই বোমডিলা দখল কৰি পুৰণি দৰং জিলাত প্ৰৱেশ কৰাৰ সময়ত জিলা প্ৰশাসনৰ উচ্চ বিষয়াসকলে যুদ্ধ সন্ত্ৰস্ত সাধাৰণ মানুহক এৰি থৈ নগাঁও, গুৱাহাটী আদিলৈ পলাই

আহিছিল। প্ৰশাসনৰ এনে অবাঞ্চিত আচৰণক জনসাধাৰণে সমালোচনা কৰিছিল। চীন-ভাৰত যুদ্ধৰ পিছত খাদ্য সামগ্ৰীৰ অভূতপূৰ্ব মূল্য বৃদ্ধিয়ে ছাত্ৰ সমাজক সজাগ কৰি তোলে আৰু ১৯৬৪ চনত মূল্য বৃদ্ধিৰ বিৰুদ্ধে ছাত্ৰ-ছাত্ৰীসকলে এটা বৃহৎ আন্দোলন গঢ়ি তুলিছিল। চীন-ভাৰত যুদ্ধই কেন্দ্ৰীয় চৰকাৰক উত্তৰ-পূৰ্বাঞ্চলৰ সামৰিক গুৰুত্বৰ বিষয়ে চিন্তা কৰিবলৈ তৎপৰ কৰি তুলিছিল। এই বাবেই তৃতীয় পঞ্চবাৰ্ষিক পৰিকল্পনাত উত্তৰ-পূৰ্বাঞ্চলত যাতায়াত আৰু যোগাযোগ ব্যৱস্থাৰ বিকাশৰ ওপৰত মনোযোগ দিয়া হৈছিল। ভালেমান নতুন বাট-পথ আৰু দলং নিৰ্মাণ কৰাৰ উপৰি ৰে'ল বিভাগে নেফাৰ মুৰ্কংচেলেঙলৈকে নতুনকৈ ৰে'লপথ নিৰ্মাণ কৰিছিল। চীনা ভাৰতৰ এদিনীয়া যুদ্ধ কৰাৰ অন্তত চীনা সৈন্য উভটি যোৱাৰ লগে লগে চীন-ভাৰতৰ যুদ্ধৰো অন্ত পৰে।

**ভৈয়ামৰ জনজাতীয় ৰাজনীতি ঃ** কুৰি শতিকাৰ ষাঠিৰ দশকৰ পৰাই ভৈয়ামৰ জনজাতি, বিশেষকৈ বড়ো জনগোষ্ঠীৰ মাজত আন্দোলনমুখী প্ৰৱণতাই গা কৰি উঠিছিল। ১৯৪৬ চনতেই গঠন হৈছিল 'সদৌ অসম ভৈয়াম ট্ৰাইবেল লীগ'। স্বাধীনতা প্ৰাপ্তিৰ পিছত ভৈয়ামৰ জনগোষ্ঠীসকলেও তেওঁলোকৰ আশা-আকাংক্ষা পূৰণৰ বাবে সংগঠিত হ'বলৈ যত্ন কৰিছিল। ভৈয়ামৰ জনজাতি সকলেও সংবিধানে প্ৰদান কৰা গণতান্ত্ৰিক অধিকাৰ আৰু ষষ্ঠ অনুসূচীৰ সুযোগ-সুবিধা সমূহ লাভ কৰাৰ বাবে আগ্ৰহী হৈ উঠিছিল কিন্তু চৰকাৰে তেওঁলোকৰ আশা-আকাংক্ষা পূৰণৰ ক্ষেত্ৰত অৱহেলাৰ মনোভাৱ লোৱা বুলি তেওঁলোকে ভাবিছিল। স্বাধীনতাৰ পিছত অনুষ্ঠিত হোৱা তিনিটা বিধানসভাৰ নিৰ্বাচনৰ পিছত উচ্চবৰ্ণৰ প্ৰতিনিধিয়ে মন্ত্ৰীসভাত প্ৰভাৱশালী ভূমিকা লোৱা কথাটোৱে ভৈয়ামৰ জনগোষ্ঠীসমূহৰ মাজত এনে ভাৱৰ জন্ম দিছিল। প্ৰকৃততে চৰকাৰে শিক্ষাৰ প্ৰসাৰৰ বাবে কাম কৰিলেও, জনগোষ্ঠীসমূহৰ মূল জীৱিকা কৃষি বা গ্ৰাম্য অৰ্থনীতিৰ বিকাশত অধিক গুৰুত্ব আৰোপ কৰা নাছিল। তেওঁলোকৰ মতে, ভৈয়ামৰ জনজাতিসকলে বসবাস কৰা এলেকাসমূহত নিৰ্বাচনৰ সময়ত ভোট লাভৰ বাবেহে ৰাজনৈতিক দলবোৰে অধিক তৎপৰ আছিল। কিন্তু জনগোষ্ঠীসমূহৰ জন কল্যাণমূলক আঁচনিৰ বিকাশৰ প্ৰতি চৰকাৰ নিষ্ক্ৰিয় আছিল। দ্বিতীয় পঞ্চবাৰ্ষিক পৰিকল্পনাত মৃতপ্ৰায় সমবায় সমূহক পুনৰ উজ্জীৱিত কৰিলেও, এই সমবায় সমূহৰ পৰিচালনা আৰু কাম-কাজে ভৈয়ামৰ জনগোষ্ঠীৰ জীৱন ধাৰণৰ মান উন্নয়নত বিশেষ প্ৰভাৱ পেলাব পৰা নাছিল। জলসিঞ্চন ব্যৱস্থাৰ অভাৱ আৰু সংৰক্ষিত ভূমিত শৰণাৰ্থীসকলৰ সংস্থাপন তথা খাদ্য সামগ্ৰীৰ মূল্যবৃদ্ধিয়ে ভৈয়ামৰ জনজাতিসকলকো চুই গৈছিল। ভৈয়ামৰ জনগোষ্ঠীসমূহৰ ওজৰ-আপত্তিসমূহ চৰকাৰৰ দৃষ্টিগোচৰ কৰাৰ বাবে এই সময়ছোৱাত কেইবাটাও সংগঠনৰ জন্ম হৈছিল। শিক্ষানুষ্ঠানসমূহত অসমীয়া ভাষাক মাধ্যম হিচাপে স্বীকৃতি দিয়াৰ প্ৰশ্নটোৱেও ৰাজনৈতিক দৃশ্যপটত নতুন সংকটৰ সৃষ্টি কৰিছিল। ট্ৰাইবেল লীগে উত্থাপন কৰা পৃথক ৰাজ্য উদয়াচলৰ দাবীক বিচাৰ বিবেচনা কৰাৰ বাবে চৰকাৰে এখন ভাষিক সংখ্যালঘু সমিতি গঠন কৰি দিছিল আৰু এই সমিতিখনে ভৈয়াম জনজাতি পৰিষদৰ সৈতে মিলিত হৈ বিষয়টোৰ মীমাংসা সূত্ৰ উদ্ভাৱনৰ চেষ্টা চলাইছিল।

**ভাৰত-পাকিস্তান যুদ্ধ ঃ** ১৯৭১-৭২ চনত পূব পাকিস্তানৰ সৈতে পাকিস্তানৰ যুদ্ধ আৰম্ভ হৈছিল। বাংলাদেশৰ মুক্তিযুদ্ধ নামেৰে জনাজাত এই সংঘৰ্ষই অসমৰ অৰ্থনীতি আৰু ইতিহাসৰ ওপৰত বাৰুকৈয়ে প্ৰভাৱ পেলাইছিল। পাকিস্তানৰ পৰা ফালৰি কাটি আহি বাংলাদেশ জন্ম হোৱাৰ পিছত দুই দেশৰ মুৰব্বী ইন্দিৰা গান্ধী আৰু শ্বেখ মজিবুৰ ৰহমানে ১৯৭২ চনৰ ১৯ মাৰ্চ তাৰিখে বন্ধুত্ব, সহযোগিতা আৰু শান্তিৰ হকে

ঢাকাত ২৫ বছৰৰ বাবে এটা ঐতিহাসিক চুক্তি স্বাক্ষৰ কৰে। একেটা বছৰৰে ৩০ ডিচেম্বৰ তাৰিখে দুয়োখন দেশৰ মাজত সাংস্কৃতিক ভাব-বিনিময়ৰ বাবেও আন এখন চুক্তি সম্পাদিত হয়। যুদ্ধৰ সময়ত লাখ লাখ বঙালী প্ৰব্ৰজনকাৰীৰে অসম ভৰি পৰে আৰু এই প্ৰব্ৰজনকাৰীসকলৰ ক্ষুদ্ৰ অংশ এটাহে বাংলাদেশলৈ প্ৰত্যাবৰ্তন কৰে। ১৯৭৪ চনত প্ৰথম বাৰৰ বাবে বিদেশী নাগৰিকৰ প্ৰসংগটো সদৌ অসম ছাত্ৰ সংস্থাই উত্থাপন কৰিছিল। উদ্যোগৰ লেহেমীয়া বিকাশ, ভূমিৰ নাটনি, নিবনুৱা সমস্যা আদিয়ে অসমৰ আৰ্থ-সামাজিক জীৱন জটিল কৰি তুলিছিল। অথচ এই সময়ছোৱাত চৰকাৰী চাকৰি-বাকৰিত অনা-অসমীয়া লোকৰ সংখ্যা বৃদ্ধি পাইছিল। ভূমি অধিগ্ৰহণ আইন বলবৎ হৈ থকাৰ পিছতো প্ৰায় ৮০,৯৩৮ হেক্টৰ ভূমি অবৈধভাৱে দখল কৰি থকাৰ তথ্য ১৯৭৫-৭৬ চনত সদৰী কৰা হয়।

**বিদেশী বিতাড়ন আন্দোলন ঃ** সদৌ অসম ছাত্ৰ সংস্থাই বিদেশী বহিষ্কাৰৰ দাবীত ১৯৭৮ চনৰ জুলাইত ১৬ দফীয়া দাবী চনদৰ ভিত্তিত আন্দোলন আৰম্ভ কৰে। বিদেশী বহিষ্কাৰ আন্দোলনৰ সময়ছোৱাত পিকেটিং, সত্যাগ্ৰহ, অনশন, অসম বন্ধ আদি কাৰ্যসূচীয়ে জনজীৱন স্তব্ধ কৰি পেলাইছিল। ১৯৭৭ আৰু ১৯৭৮ চনত ক্ৰমে পূৰ্বাঞ্চলীয় লোক পৰিষদ আৰু অসম জাতীয়তাবাদী দলে প্ৰতিষ্ঠা লাভ কৰে। এই দুয়োটা দলে বিদেশী বহিষ্কাৰ আন্দোলনৰ অংশীদাৰ হয়। বিদেশী নাগৰিকৰ প্ৰব্ৰজনৰ প্ৰসংগটোক ১৯৭৮ চনৰ ২৪ অক্টোবৰ তাৰিখে মুখ্য নিৰ্বাচনী আয়ুক্তই উল্লেখ কৰাৰ লগে লগে বিষয়টোৱে বৈধতা লাভ কৰে। ১৯৭৯ চনৰ ১৬ মাৰ্চ তাৰিখে অসমৰ মুখ্যমন্ত্ৰী গৰাকীয়েও বিদেশী নাগৰিকৰ প্ৰব্ৰজনৰ প্ৰসংগ উল্লেখ কৰে। ১৯৭৯ চনৰ এপ্ৰিল মাহৰ পৰাহে প্ৰকৃতাৰ্থত অসম আন্দোলনটো আৰম্ভ হৈছিল। মঙলদৈ লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ সময়ত ভোটাৰ তালিকাত বৃহৎ সংখ্যক বিদেশী নাগৰিকৰ নাম সন্নিৱিষ্ট হোৱা কথাটো প্ৰকাশ হোৱাত ছাত্ৰ সংস্থাই আৰম্ভ কৰা বিদেশী বহিষ্কাৰ আন্দোলনটোৱে ব্যাপকতা লাভ কৰে। একেটা বছৰৰে ৭ জুন তাৰিখে জনতা দলৰ গোলাপ বৰবৰাৰ মন্ত্ৰীসভাৰ পতন ঘটে। ১৯৮৫ চনত প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধী আৰু আন্দোলনকাৰী পক্ষ সদৌ অসম ছাত্ৰ সংস্থা তথা সদৌ অসম গণ সংগ্ৰাম পৰিষদৰ প্ৰতিনিধিৰ মাজত ঐতিহাসিক 'অসম চুক্তি' স্বাক্ষৰিত হয়। এই চুক্তিৰ অন্যতম চৰ্ত হ'ল ১৯৭১ চনৰ ২৫ এপ্ৰিলৰ পিছত অহা অবৈধ অনুপ্ৰৱেশকাৰীক অসমৰ পৰা বহিষ্কাৰ কৰা হ'ব। ১৯৮৫ চনত স্বাক্ষৰকাৰী ছাত্ৰ সংস্থাৰ নেতৃত্বই বিধানসভাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ বাবে গোলাঘাট নগৰত অসম গণ পৰিষদ নামৰ নতুন আঞ্চলিক দল এটাৰ জন্ম দিয়ে।

১৯৮৫ চনত প্ৰথমবাৰৰ বাবে ৰাজ্যখনত অসম গণ পৰিষদ নামৰ আঞ্চলিক দল এটাৰ নেতৃত্বত ৰাজ্য চৰকাৰ গঠন হয়।

## জানিবলগীয়া কথা

(১) ১৮২৬ চনৰ ২৪ ফেব্ৰুৱাৰী তাৰিখে ব্ৰহ্মদেশ আৰু ইষ্ট ইণ্ডিয়া কোম্পানীৰ প্ৰতিনিধিৰ মাজত ইয়াণ্ডাবু সন্ধি স্বাক্ষৰিত হৈছিল।

(২) ডেভিড স্কটে অসমৰ প্ৰশাসন, ৰাজহ আৰু ন্যায়িক ব্যৱস্থা পুনৰ গঠন কৰে।

(৩) ১৮২৮ চনৰ পৰা ১৮২৯ চনৰ কালছোৱাত তিনিটা ব্ৰিটিছ বিৰোধী অভ্যুত্থান সংগঠিত হয়।

(৪) অসমৰ প্ৰশাসনিক স্বৰূপটোৰ অনুসন্ধান কৰাৰ বাবে ১৮৫৩ চনত এ,জে মফট মিল্‌চে এখন প্ৰতিবেদন দাখিল কৰে।

(৫) ভূমি ৰাজহ বৃদ্ধিৰ বিৰুদ্ধে ১৮৬৯ চনৰ পৰা ১৮৯৩ চনলৈ ফুলগুৰি, পথৰুঘাট, ৰঙিয়া আৰু লচিমাত কেইবাটাও কৃষক বিদ্ৰোহ আৰম্ভ হৈছিল।

(৬) ভাৰতবৰ্ষৰ অন্য প্ৰান্তৰৰ লেখীয়াকৈ অসমতো মণিৰাম দেৱানৰ নেতৃত্বত চিপাহী বিদ্ৰোহ গঢ়ি তোলাৰ চেষ্টা চলোৱা হয়।

(৭) যোৰহাট সাৰ্বজনিক সভা, অসম এছ'ছিয়েশ্বন আদি অনুষ্ঠানে অসমত ৰাজনৈতিক সজাগতা বিকাশৰক্ষেত্ৰত বিশেষ বৰঙণি যোগায়।

(৮) লৰ্ড কাৰ্জনৰ বংগ-ভংগ প্ৰস্তাৱনাৰ বিৰুদ্ধে অসমতো স্বদেশী আন্দোলনে প্ৰভাৱ পেলাইছিল।

(৯) ১৯২১ চনৰ মহাত্মা গান্ধীৰ অসম ভ্ৰমণৰ পিছত ৰাজ্যখনত অসহযোগ আন্দোলনে ব্যাপকতা লাভ কৰে।

(১০) তৰুণৰাম ফুকন আৰু ৰোহিণীকুমাৰ চৌধুৰীৰ নেতৃত্বত অসমতো স্বৰাজ পাৰ্টি গঠন হৈছিল।

(১১) আইন অমান্য আন্দোলনত অসমৰ মহিলা সমাজৰ অৱদান আছিল উল্লেখযোগ্য।

(১২) সাম্ৰাজ্যবাদী বিৰোধী সংগ্ৰামক দুৰ্বল কৰাৰ বাবে ব্ৰিটিছে অসমতো ভাগ কৰি শাসন কৰাৰ নীতি প্ৰৱৰ্তন কৰিছিল।

(১৩) ১৯৩৭ চনৰ ১ এপ্ৰিলৰ দিনা ছাদুল্লাৰ নেতৃত্বত অসমত চৰকাৰ গঠন হয়।

(১৪) ১৯৩৮ চনৰ ১৯ চেপ্তেম্বৰৰ দিনা গোপীনাথ বৰদলৈৰ নেতৃত্বত ৰাজ্যত কংগ্ৰেছ চৰকাৰ গঠিত হৈছিল।

(১৫) ছাদুল্লাৰ দ্বিতীয় মন্ত্ৰীসভাই ১৯৩৮ চনৰ আগতে অহা প্ৰব্ৰজনকাৰী সকলক ভূমি সংস্থাপন দিয়াৰ বাবে ভূমি বিকাশ আঁচনি ঘোষণা কৰিছিল।

(১৬) ১৯৪২ চনৰ ৮ আগষ্ট তাৰিখে মোম্বাইত বহা কংগ্ৰেছ অধিৱেশনত ভাৰত ত্যাগ আন্দোলনৰ প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

(১৭) ভাৰত ত্যাগ আন্দোলনত কনকলতা, কুশল কোঁৱৰকে ধৰি ভালেমান স্বাধীনতা সংগ্ৰামীয়ে শ্বহীদৰ মৃত্যুবৰণ কৰে।

(১৮) ১৯৪৬ চনৰ ১০ ফেব্ৰুৱাৰীত দ্বিতীয় বাৰৰ কাৰণে বৰদলৈ মন্ত্ৰীসভা গঠন হয়।

(১৯) কেবিনেট মিচনৰ প্ৰস্তাৱমৰ্মে অসমক বংগদেশৰ সৈতে গ্ৰুপিঙত চামিল কৰাৰ বিৰুদ্ধে গোপীনাথ বৰদলৈয়ে অসম বিধান সভাত প্ৰস্তাৱ গ্ৰহণ কৰে।

(২০) ১৯৪৭ চনৰ স্বাধীন ভাৰত বিলখন সেইবছৰৰ ১৮ জুলাইত মহাৰাণীয়ে স্বাক্ষৰ প্ৰদান কৰে।

(২১) ১৯৪৭ চনৰ ১৬ আগষ্ট তাৰিখে ভাৰতবৰ্ষই পূৰ্ণ স্বৰাজ লাভ কৰে।

(২২) ১৯৫০ চনৰ ১৩ ফেব্ৰুৱাৰী তাৰিখে ভাৰত চৰকাৰে অনুপ্ৰৱেশকাৰী আইনখন সংসদত গৃহীত কৰে।

(২৩) ১৯৬০ চনত অসমত ভাষা আন্দোলন আৰম্ভ হয়।
(২৪) ১৯৬২ চনত চীন আৰু ভাৰতৰ মাজত এদিনীয়া যুদ্ধৰ সৃষ্টি হৈছিল।
(২৫) ১৯৪৬ চনত গঠন হৈছিল সদৌ অসম ভৈয়াম ট্ৰাইবেল লীগ।
(২৬) ১৯৭১-৭২ চনত ভাৰত-পাক যুদ্ধৰ ফলস্বৰূপে বাংলাদেশৰ জন্ম হয়।
(২৭) ১৯৮৫ চনৰ ১৫ আগষ্টৰ দিনা অসম আন্দোলনৰ নেতৃবৃন্দ আৰু ৰাজীৱ গান্ধীৰ মাজত অসম চুক্তি স্বাক্ষৰিত হয়।
(২৮) ১৯৮৫ চনত প্ৰথমবাৰৰ বাবে অসমত আঞ্চলিকতাবাদী অ.গ.প.ৰ নেতৃত্বত ৰাজ্য চৰকাৰ গঠন হয়।

## অনুশীলনী

তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া।

১। (ক) ইয়াণ্ডাবু সন্ধি কিমান চনত স্বাক্ষৰিত হৈছিল?
(খ) ইয়াণ্ডাবু সন্ধিৰ যিকোনো এটা চৰ্ত লিখা।
(গ) প্ৰথম ইংগ-বাৰ্মা যুদ্ধ কিমান চনত সংঘটিত হৈছিল?
(ঘ) গোমধৰ কোঁৱৰ কোন আছিল?
(ঙ) মিলচৰ প্ৰতিবেদন কিমান চনত দাখিল কৰা হৈছিল?

২। চমুটোকা লিখা ঃ
(ক) ইয়াণ্ডাবু সন্ধি
(খ) ডেভিড স্কট
(গ) মিলচ্‌ৰ প্ৰতিবেদন
(ঘ) যোৰহাট সাৰ্বজনিন সভা
(ঙ) স্বদেশী আন্দোলন
(চ) অসহযোগ আন্দোলন
(ছ) লোণ আইন ভংগ
(জ) ঘূৰণীয়া মেজমেল
(ঝ) গোপীনাথ বৰদলৈ
(ঞ) ভৈয়ামৰ জনজাতীয় ৰাজনীতি
(ট) ভাষা আন্দোলন
(ঠ) অসম আন্দোলন।
(ড) পথৰুঘাটৰ ৰণ।

তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা—

৩। ইয়াণ্ডাবু সন্ধিৰ চৰ্তাৱলী আৰু ফলাফল আলোচনা কৰা।
৪। ইংগ-বাৰ্মা যুদ্ধৰ কাৰণবোৰ চমুকৈ লিখা।
৫। পুৰন্দৰ সিংহ কোন? পুৰন্দৰ সিংহৰ শাসনৰ বিষয়ে টোকা প্ৰস্তুত কৰা।
৬। ফুলগুৰি কৃষক বিদ্ৰোহৰ কাৰণবোৰ ফঁহিয়াই লিখা।

৭। বংগ ভংগ পৰিকল্পনা আৰু ইয়াৰ ফলাফল আলোচনা কৰা।

৮। অসমত মণ্টেগু-চেমচফোৰ্ড সংস্কাৰৰ প্ৰভাৱ কিদৰে পৰিছিল?

৯। জালিৱানৱালা বংগ হত্যাকাণ্ড বুলিলে কি বুজা?

১০। আইন অমান্য আন্দোলনত ছাত্ৰ-ছাত্ৰীৰ ভুমিকা সম্পৰ্কে লিখা।

১১। অসমৰ স্বাধীনতা আন্দোলনত নাৰীৰ অৱদান ব্যাখ্যা কৰা।

১২। অসমত কেবিনেট মিচনৰ প্ৰভাৱৰ বিষয়ে আলোচনা কৰা।

১৩। ভাৰত-চীন যুদ্ধৰ পটভূমি বৰ্ণনা কৰা।

সপ্তম অধ্যায়

# অসমৰ জনসংখ্যা বিস্ফোৰণ আৰু বিদেশী নাগৰিক প্ৰসঙ্গ

মধ্যযুগৰ ইতিহাসত অসম তথা উত্তৰ-পূৰ্বাঞ্চলত কোনো ধৰণৰ জনবিস্ফোৰণ জাতীয় ঘটনাৰ তথ্য পোৱা নাযায় যদিও আধুনিক অসমৰ ইতিহাস ৰাজ্যখনৰ অভূতপূৰ্ব জনবিস্ফোৰণৰ তথ্যৰে পূৰ্ণ। প্ৰাচীন কালত বিশ্বৰ জনপ্ৰব্ৰজনৰ স্বাভাৱিক প্ৰক্ৰিয়াৰ জৰিয়তে যি ধৰণে ইয়াৰ জনবসতি আৰম্ভ হৈছিল, আধুনিক জনসংখ্যা বৃদ্ধিৰ ইতিহাস অৱশ্যে এনে নহয়। ভাৰতৰ সমসাময়িক ৰাজনৈতিক পৰিক্ৰমা, উনবিংশ শতিকাৰ পৰা সন্মুখীন হোৱা অসমৰ ৰাজনৈতিক ঘটনাসমূহ আৰু জীৱন ধাৰণৰ স্বাভাৱিক অৰ্থনৈতিক তাড়নাৰ ফলত অতীতৰ পূৰ্ব বঙ্গ আৰু পৰৱৰ্তী কালৰ চুবুৰীয়া ৰাষ্ট্ৰ পাকিস্তান তথা সাম্প্ৰতিক বাংলাদেশৰ পৰা হোৱা বিস্তৰ জনপ্ৰব্ৰজনৰ ফলত আধুনিক অসমত জনবিস্ফোৰণ ঘটিছে। সেয়েহে অসমৰ জনসংখ্যা বিস্ফোৰণৰ সৈতে অসমত বিদেশী নাগৰিকৰ প্ৰব্ৰজনৰ সমস্যা এৰাবনোৱাৰাকৈ জড়িত হৈ আছে।

প্ৰব্ৰজন মানে হ'ল খাদ্য, বস্ত্ৰ, বাসস্থান আৰু নিৰাপত্তাৰ সন্ধানত অথবা বানপানী, দুৰ্ভিক্ষ, মাৰি-মৰক, ভূমিকম্প আদিৰ দৰে প্ৰাকৃতিক দুৰ্য্যোগৰ পৰা পৰিত্ৰাণ পাবলৈ নাইবা যুদ্ধ-বিগ্ৰহ, সাম্প্ৰদায়িক-ধৰ্মীয় সংঘৰ্ষৰ পৰা নিৰাপত্তা বিচাৰি তথা উন্নত জীৱন ধাৰণৰ সুবিধা বিচাৰি এখন ঠাইৰ পৰা আন এখন ঠাইলৈ হোৱা মানুহৰ আগমণ বা নিৰ্গমন। মানৱ সভ্যতাৰ বিকাশৰ লগত জন-প্ৰব্ৰজনৰ এৰাব নোৱাৰা সম্পৰ্ক আছে। আন কথাত মানৱ সভ্যতাৰ বিকাশ আৰু জন প্ৰব্ৰজন যেন একেটা মুদ্ৰাৰে ইপিঠি-সিপিঠি। প্ৰব্ৰজন দুই ধৰণৰ ঃ আন্তৰাজ্যিক প্ৰব্ৰজন আৰু আন্তৰাষ্ট্ৰীয় প্ৰব্ৰজন। একেখন দেশৰ কোনো অঞ্চলৰ পৰা আন এক অঞ্চললৈ আহি বসবাস কৰিব লোৱা সকল আন্তৰাজ্যিক বা আভ্যন্তৰীণ প্ৰব্ৰজক। আনহাতে কোনো এখন ৰাষ্ট্ৰৰ পৰা আন এখন ৰাষ্ট্ৰলৈ হোৱা প্ৰব্ৰজনক আন্তৰাষ্ট্ৰীয় প্ৰব্ৰজন বোলা হয়। আন্তৰাষ্ট্ৰীয় প্ৰব্ৰজন আকৌ দুই ধৰণে হ'ব পাৰে- বৈধ আৰু অবৈধ। যিসকল প্ৰব্ৰজনকাৰীয়ে প্ৰয়োজনীয় নথি-পত্ৰ লৈ এখন দেশৰ পৰা আহি আন এখন দেশত থিতাপি লয়, তেনে লোকক বৈধ প্ৰব্ৰজনকাৰী বোলা হয়। আনহাতে নিজ দেশৰ তীব্ৰ অৰ্থনৈতিক সংকট, যুদ্ধ-বিগ্ৰহ , সামাজিক, ধৰ্মীয়, সাম্প্ৰদায়িক সংঘাত-সংঘৰ্ষৰ পৰা হাত সাৰিবলৈ বহুলোকে চুবুৰীয়া বা আন দেশলৈ প্ৰয়োজনীয় নথি-পত্ৰ নোহোৱাকৈয়ে বিভিন্ন চোৰাং পন্থা অৱলম্বন কৰি প্ৰব্ৰজন কৰে। এনে লোকক অনুপ্ৰৱেশকাৰী বোলা হয়। থুলমুলকৈ প্ৰব্ৰজন আৰু অনুপ্ৰৱেশৰ সংজ্ঞা এনেদৰেই নিৰ্ণয় কৰিব পাৰি। অসমলৈ প্ৰব্ৰজনকাৰী আৰু অনুপ্ৰৱেশকাৰীৰ কথা আলোচনা কৰিবলৈ যাওঁতে আমি মনত ৰাখিব লাগিব যে ভাৰতৰ স্বাধীনতাৰ আগলৈ অৰ্থাৎ ১৯৪৭ চনৰ ১৫ আগষ্টলৈ যিসকল লোক পূৰ্ববঙ্গ বা সেই সময়ৰ অখণ্ড ভাৰতৰ অন্য প্ৰান্ত আৰু নেপালৰ পৰা আহিছিল তেওঁলোক প্ৰব্ৰজনকাৰী। আনহাতে তাৰ

পিছত যিসকল লোক আহিছিল আৰু আহি আছে তেওঁলোক অনুপ্ৰৱেশকাৰী। অৱশ্যে পাকিস্তান মুছলমান ধৰ্মী ৰাষ্ট্ৰ হোৱা বাবে সেই দেশৰ পৰা স্বেচ্ছাই অথবা ধৰ্মীয় অসহনশীলতাৰ বলি হৈ যিসকল অমুছলমান লোক ভাৰতলৈ আহিছিল তেওঁলোকক শৰণাৰ্থীৰ মৰ্য্যাদা দিবলৈ ভাৰত ৰাষ্ট্ৰই ব্যৱস্থা কৰিছে। ইয়াৰ উপৰি ভাৰতীয় নাগৰিকত্ব আইন ১৯৫৫ অনুসৰি হিন্দু মুছলমানকে ধৰি যিকোনো ধৰ্মৰ প্ৰব্ৰজনকাৰীয়ে ভাৰতীয় সংবিধানৰ নিৰ্দ্দিষ্ট স্বৰ্ত্ত পূৰণ কৰিব পাৰিলে আইনসংগত প্ৰক্ৰিয়াৰে ভাৰতীয় নাগৰিকত্ব লাভ কৰিব পাৰে।

**অসমলৈ বহিৰাগত আগমণৰ ৰূপৰেখা ঃ** আহোম শাসন ব্যৱস্থাৰ পতনৰ লগে লগে অসমৰ অৰ্থনীতি ভাঙি পৰিছিল, জনসংখ্যা কমি গৈছিল আৰু নতুন ইংৰাজ শাসনৰ গতি-গোত্ৰ বুজি নোপোৱাৰ বাবে অৱশিষ্ট জনগণে ভয়-শংকা আৰু সন্দেহৰ আবৰ্ত্তত বাস কৰিব লগা হৈছিল। আহোম প্ৰশাসনত (১২২৮-১৮২৬) পূৰ্ব-বঙ্গকে ধৰি ভাৰতবৰ্ষৰ আন আন প্ৰান্তৰ পৰা অসমলৈ আৰু অসমৰ পৰা সেইবোৰ অঞ্চললৈ জন প্ৰব্ৰজনত কঠোৰ নিষেধাজ্ঞা আছিল। বঙ্গ আৰু অসমৰ মাজত হাদীৰাচকীয়েই আছিল এনে প্ৰব্ৰজনৰ ওপৰত চকু ৰখাৰ প্ৰধান কেন্দ্ৰ। তথাপিও ৰাজনৈতিক আৰু অৰ্থনৈতিক কাৰণত অসমৰ আহোম প্ৰশাসনে বচা বচা শিল্পী, কাৰিকৰ, ধৰ্মগুৰু আদি কিছু সংখ্যক লোকক আনি এই দেশত প্ৰতিষ্ঠা কৰাৰ উদাহৰণ আছে। অসমৰ পৰা জগন্নাথ, বাৰাণসী, কুৰুক্ষেত্ৰ আদি বিভিন্ন তীৰ্থস্থানলৈ আৰু ভাৰতবৰ্ষৰ বিভিন্ন ঠাইৰ পৰা অসমৰ পৰশুৰাম কুণ্ড, কামাখ্যা, হয়গ্ৰীৱ-মাধৱ আদি বিভিন্ন তীৰ্থস্থানলৈ তীৰ্থযাত্ৰী সকলৰ আহ-যাহৰ অনুমতি দিয়া হৈছিল। স্বৰ্গদেউ চুহুংমুঙে (খ্ৰীঃ১৪৯৭-১৫৩৯) জগন্নাথ ক্ষেত্ৰলৈ এদল তীৰ্থযাত্ৰী পঠিয়াই জগন্নাথ মন্দিৰৰ ব্যৱহাৰৰ বাবে এটা পুখুৰী খন্দাই দিছিল আৰু ৪০টা সোণৰ মোহৰেৰে পূজা আগবঢ়াইছিল বুলি একাংশ অসম বুৰঞ্জীত উল্লেখ আছে। একেদৰে শ্ৰীমন্ত শংকৰদেৱেও তেওঁৰ অনুগামী সকলৰ সৈতে দুবাৰকৈ ভাৰতবৰ্ষৰ বিভিন্ন তীৰ্থক্ষেত্ৰ ভ্ৰমণ কৰি অহাৰ ঐতিহাসিক তথ্য আছে। স্বৰ্গদেউ ৰুদ্ৰসিংহৰ দিনত নদীয়া অঞ্চলৰ পৰা কৃষ্ণৰাম ন্যায়বাগীশক আনি কামাখ্যা মন্দিৰৰ দায়িত্ব দি পৰ্বতীয়া গোঁসাইৰ পদত অধিস্থিত কৰাটোও ঐতিহাসিক সত্য। ইয়াৰ আগেয়ে কামৰূপ-কমতাৰ ৰজা দুৰ্লভ নাৰায়ণ আৰু গৌড়দেশ(বৰ্ত্তমানৰ বাংলাদেশৰ অন্তৰ্গত ছিলেট )ৰ ৰজা ধৰ্মনাৰায়ণৰ এক চুক্তি অনুসৰি শংকৰদেৱৰ পূৰ্বপুৰুষ সকলকো অসম মুলুকত ভূমি বৃত্তি দি প্ৰতিষ্ঠা কৰা হৈছিল বুলি কোৱা হয়। মহাৰাজ নৰনাৰায়ণ আৰু তেওঁৰ ভাতৃ চিলাৰায়ে বাৰাণসীত শিক্ষা গ্ৰহণ কৰিছিল। আহোম প্ৰশাসনৰ বৰাগী খেলৰ লোকসকলে ভাৰতৰ বিভিন্ন ঠাইলৈ সাধু-সন্ন্যাসীৰ বেশেৰে গৈ সেই সেই দেশৰ আচাৰ-বিচাৰ, শিক্ষা-সভ্যতা, সংস্কৃতি, বেহা-বেপাৰ, ৰাজনীতি আদিৰ খা-খবৰ সংগ্ৰহ কৰি আনিছিল। এইবোৰৰ পৰা বুজা যায় যে বহুতে ভবাৰ দৰে ১৮২৬ চনত ব্ৰিটিছে অসম দখল কৰাৰ আগলৈকে অসমখন একেবাৰে বন্ধপ্ৰদেশ (locked territory) হৈ থকা নাছিল। অৱশ্যে অসমৰ পৰা আৰু অসমলৈ অবাধ জনপ্ৰব্ৰজনৰ অনুমতি দিয়া নহৈছিল। আহোম প্ৰশাসনে সোতৰ বাৰকৈ মোগলৰ বিৰুদ্ধে যুঁজ দিয়াৰ ইও এক অন্যতম কাৰণ আছিল। আক্ৰমণকাৰী মোগল সকলৰ লগত আহি বন্দী হোৱা কিছু সংখ্যক সৈনিকক অসমতে মাটি-বৃত্তি দি স্থাপন কৰা হৈছিল। সুদূৰ পাৰস্যৰ পৰা অহা বুলি বিশ্বাস কৰা শ্বাহ মিলন বা আজান পীৰৰ দৰে ধৰ্ম গুৰুকো ইছলাম ধৰ্ম প্ৰচাৰ কৰাত বাধা দিয়া হোৱা নাছিল। সেই সময়ত অৱশ্যে আজিকালি বুজাৰ দৰে 'নাগৰিক', 'থলুৱা', 'খিলঞ্জীয়া', 'বহিৰাগত', 'অবৈধ বিদেশী অনুপ্ৰৱেশকাৰী' আদি শব্দবোৰৰ

প্ৰচলনৰ বাবে বিশেষ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক পৰিৱেশ গঢ়ি উঠা নাছিল। মৰাণ, বৰাহী, চুটীয়া আদি জনগোষ্ঠীয় সকলক স্বৰ্গদেউ চ্যুকাফাই 'থলগিৰি' বুলি সম্বোধন কৰাৰ বিপৰীতে সেই সকল জনগোষ্ঠীয়ে আহোম সকলক বিদেশী বুলি গণ্য কৰা নাছিল। বৰং তেওঁলোকক অ-সম বুলি সন্মানহে প্ৰদৰ্শন কৰিছিল। ইয়াৰ কাৰণ আছিল সেই সময়ত অসমলৈ আহি বসবাস কৰিবলৈ লোৱা সকলো বহিৰাগতই অসমৰ থলগিৰি সকলৰ সমাজ-সংস্কৃতি ভাষা, আচাৰ-বিচাৰ আদিৰ লগত কোনো বিৰোধ নোহোৱাকৈ গ্ৰহণ-বৰ্জনৰ জৰিয়তে এটা উমৈহতীয়া অসমীয়া জাতি গঠনত বৰঙণি আগবঢ়াইছিল। তেওঁলোকৰ প্ৰত্যেকেই নিজকে অসম মাতৃৰ সন্তান বুলি গৌৰৱ বোধ কৰিছিল আৰু অসমৰ লগতে জীৱন-মৰণৰ সম্পৰ্ক স্থাপন কৰিছিল। এই কথাৰ উৎকৃষ্ট উদাহৰণ হ'ল ১৬৭১ খৃষ্টাব্দত সংঘটিত আহোম-মোগলৰ বিখ্যাত শৰাইঘাটৰ ৰণ। এই ৰণত অসমৰ স্বাধীনতা ৰক্ষাৰ বাবে সকলোবোৰ জাতি জনগোষ্ঠীৰ লগতে পূৰ্বে মোগল সেনাৰ লগত আহি পিছলৈ অসমীয়া হোৱা যুদ্ধ বন্দীৰ বংশধৰ সকলৰ অনেকে প্ৰাণপণে যুঁজিছিল। ইয়াৰ পূৰ্বেও মোগল সেনাপতি মীৰজুমলাৰ লগত অহা ছিহাবুদ্দিন তালিছে 'তাৰিখ-ই-আচাম' গ্ৰন্থত উল্লেখ কৰিছিল যে অসমৰ মুছলমান সকলক কেৱল নামটোৰ বাহিৰে আন একোতে অসমীয়া (অৰ্থাৎ অসমৰ থলুৱা বাসিন্দাৰ) সকলৰ পৰা পৃথক কৰিব নোৱাৰি। আক্ৰমণকাৰীৰ ৰূপত আহি পিছলৈ অসমৰ মাটি-পানী-বায়ুৰ সৈতে তেওঁলোক এনেকৈয়ে মিলি গৈছিল। অসমৰ 'চামুৱাই' অসমীয়া শিখ সকলৰ ক্ষেত্ৰতো এই কথা প্ৰযোজ্য।

দেখা গ'ল আহোম শাসন কালত বিভিন্ন কাৰণ আৰু পৰিস্থিতিত অসমলৈ আহি বসবাস কৰিবলৈ লোৱা জাতি-ধৰ্ম-বৰ্ণ-ভাষা নিৰ্বিশেষে সকলো লোকেই অসমকেই মাতৃভূমি জ্ঞান কৰি সমিল মিলেৰে আৰু 'কিছু দিয়া কিছু লোৱা'ৰ নীতি মানি বৃহত্তৰ অসমীয়া জাতি গঠন কৰিছিল। পিছে সাম্ৰাজ্যবাদী ইংৰাজ শক্তিৰ আগমণৰ লগে লগে এই প্ৰক্ৰিয়াত ঘূণে ধৰিবলৈ আৰম্ভ কৰিলে।

অসমতকৈ ৬৯ বছৰ আগেয়ে ১৭৫৭ চনত পলাশী যুদ্ধত জয়লাভ কৰি ব্ৰিটিছে বঙ্গদেশ দখল কৰিছিল। সেয়ে বঙ্গদেশৰ লোকসকলে ভাৰতৰ অন্যান্য প্ৰদেশৰ তুলনাত আগেয়ে ইংৰাজী শিক্ষা, শাসন-ব্যৱস্থা, আচাৰ-বিচাৰ আদি আয়ত্ত্ব কৰিব পাৰিছিল। ব্ৰিটিছ সকলে এই সুযোগ গ্ৰহণ কৰি অসমৰ শাসন ব্যৱস্থাত সহায় কৰিবলৈ ইতিমধ্যে ইংৰাজী শিক্ষাৰে শিক্ষিত বঙ্গদেশৰ এচাম লোকক আনি অসমত সংস্থাপন দি সকলো সুবিধা প্ৰদান কৰিছিল। এইসকল বঙালী কেৰাণী মহৰীৰ লগতে এচাম ইংৰাজ বিষয়াই অসমীয়া ভাষা আৰু অসমৰ মানুহৰ বিষয়ে থাকিব লগীয়া জ্ঞানৰ অভাৱত ভুলকৈ বুজি অসমৰ স্কুল আৰু আদালতত বঙালী ভাষা প্ৰচলন কৰিছিল। ফলত আইন আদালত আৰু শিক্ষানুষ্ঠান সমূহত প্ৰয়োজন হোৱা শিক্ষক, কেৰাণী-মহৰী আদি কাম কৰিবলৈ অসমলৈ দলে দলে বঙালী লোকৰ আগমণ ঘটিছিল। পিছলৈ নিজৰ ভুল বুজিব পাৰি ইংৰাজ চৰকাৰে অসমীয়া ভাষা ১৮৭২ চনত পুনৰ প্ৰচলন কৰে যদিও বঙ্গদেশৰ পৰা কেৰাণী-মহৰীৰ অসম আগমণৰ সোঁত বন্ধ নহ'ল। তেওঁলোকৰ পিছে পিছে বিহাৰ, ৰাজস্থান, উত্তৰ প্ৰদেশ আদি ৰাজ্যৰ পৰা এচাম ব্যৱসায়ী আহি খোপনি পুতিছিল। ইয়াৰ উপৰি ইংৰাজ সৈন্য বাহিনীত মকৰল হৈ বহু সংখ্যক নেপালী লোক অসমলৈ আহিছিল। আন এচাম নেপালী মানুহ থলুৱা লোক সকলৰ পৰা কিছু আঁতৰত পাহাৰ-পৰ্বতৰ এঢলীয়া ঠাই আৰু নৈৰ চাপৰি সমূহত গৰু-ম'হৰ খুটি স্থাপন কৰি বহিছিল।

এইদৰে বহিৰাগত সকলৰ অসম আগমণ চলি থকাৰ সময়তে ৰবাৰ্ট ব্ৰুচে অসমত চাহ-গছৰ আবিষ্কাৰ কৰে আৰু চি.এ. ব্ৰুচে পৰিকল্পিতভাবে চাহ খেতি প্ৰথমবাৰৰ বাবে আৰম্ভ কৰে। ইংৰাজ চৰকাৰে চাহ খেতিয়ক সকলৰ বাবে নাম মাত্ৰ খাজানাৰ বিনিময়ত হেজাৰ হেজাৰ বিঘা মাটি আবন্টন দিবলৈ ধৰিলে। অতি কম সময়ৰ ভিতৰতে বহুতো চাহ বাগিচা গঢ়ি উঠিল। এই চাহ বাগিচা বিলাকৰ বনুৱাৰ প্ৰয়োজন পূৰাব পৰাকৈ অসমৰ থলুৱা জনসংখ্যা সৰহ নাছিল। তদুপৰি পূৰ্বৰ মোৱামৰীয়া বিদ্ৰোহ, মানৰ আক্ৰমণ, ইংৰাজ আৰু ব্ৰহ্মদেশৰ মাজত হোৱা যুদ্ধ বিগ্ৰহ ,কলেৰা-মহামাৰী আদি বিভিন্ন বেমাৰ-আজাৰত পৰি প্ৰায় উচন হোৱা অসমত যি কম সংখ্যক জনসংখ্যা আছিল তেওঁলোকেও চাহ বাগিচা বিলাকত কাম কৰিবলৈ ইচ্ছুক নাছিল।

আনফালে বিহাৰ, উৰিষ্যা, উত্তৰ প্ৰদেশ, হিমাচল প্ৰদেশ আৰু দক্ষিণ ভাৰতৰ অন্যান্য ৰাজ্যবোৰত কৃষি উপযোগী মাটি বৃদ্ধি কৰি ৰাজহ বঢ়োৱাৰ উদ্দেশ্যে সেই সেই ৰাজ্যবোৰৰ বনাঞ্চল সমূহত বাস কৰা জনজাতি সকলৰ পৰম্পৰাগত অধিকাৰ সমূহ কাঢ়ি লবলৈ ইংৰাজ চৰকাৰে বহুতো ব্যৱস্থা গ্ৰহণ কৰিছিল। সেয়ে উক্ত অঞ্চল সমূহৰ বাসিন্দা চাওতাল, কোল, মুণ্ডা, কুৰ্মী, ভূমিজ আদি জনগোষ্ঠী সমূহে ইংৰাজ প্ৰশাসনৰ বিৰুদ্ধে বিদ্ৰোহ কৰিছিল। চতুৰ ইংৰাজ সকলে এই জনগোষ্ঠী সমূহৰ লোকসকলক উন্নত সংস্থাপন, আৰ্থিক লাভৰ লোভ দেখুৱাই অসমৰ চাহ বাগিচা বোৰত কাম কৰিবলৈ দলে দলে অনাৰ ব্যৱস্থা কৰিলে। ইংৰাজ চৰকাৰে ইয়াৰ দ্বাৰা এহাতে উক্ত জনজাতি সমূহৰ বিদ্ৰোহ দমন কৰাৰ ব্যৱস্থা কৰিলে , আনহাতে অসমৰ চাহ বাগিচাৰ বনুৱাৰ প্ৰয়োজন পূৰণ কৰিলে। বহু সময়ত এই বৃহৎ সংখ্যক বনুৱা অসমলৈ আনিবলৈ নানা ধৰণৰ ফাঁকি দিছিল আৰু অত্যাচাৰো কৰিছিল। এনেদৰে লাঞ্চিত, শোষিত আৰু অত্যাৰৰ বলি হৈ অহা বনুৱা চামে ঝুমুৰ গীতৰ মাজেৰে আজিও তেওঁলোকৰ দুখ নিগৰায় এইদৰে- "চৰ্দাৰ বলে কাম কাম , বাবু বলে ধৰে আন, চাহেব বলে লিব পিঠেৰ চাল, অ' বিদেশী শ্যাম , ফাঁকি দিয়া আনিল' আছাম " ।

চি.এ. ব্ৰুচ চাহাবে অসমত উৎপাদিত চাহৰ প্ৰথম বাৰটা বাকচ ১৮৩৭ চনত লণ্ডনলৈ পঠিয়াইছিল। তাত কৰা পৰীক্ষাত দেখা গৈছিল যে অসমৰ চাহ চীনৰ চাহৰ সৈতে একে মানৰ। অসমত চাহ খেতিৰ উজ্জ্বল ভৱিষ্যতৰ উমান পাই এচাম ভাৰতীয় আৰু ইউৰোপীয় ব্যৱসায়ীয়ে লগ হৈ পাঁচ লাখ পাউণ্ড আৰম্ভণি মূলধনেৰে 'আসাম টি কোম্পানী' গঠন কৰে। এই কোম্পানীৰ দৰে গঠিত আন আন কোম্পানীবোৰকো অসমৰ পতিত মাটি সমূহ আবন্টন দিয়াবলৈ ১৮৩৮ চনৰ অনাবাদী মাটি আবন্টন নিৰ্দেশনা অনুসৰি (Waste Land Grant Rule, 1838) ভাৰত চৰকাৰে স্থানীয় প্ৰশাসনক নিৰ্দ্দেশ দিয়ে। আবন্টন দিয়াৰ অন্যতম স্বৰ্ত্ত আছিল যে কোম্পানী সমূহে অনাবাদী মাটি সমূহ কৃষি উপযোগী কৰি তুলিব লাগিব ; যাতে তাৰ পৰা পিছলৈ চৰকাৰে ৰাজহ সংগ্ৰহ কৰিব পাৰে। ১৮৫৮-৫৯ চনত এইদৰে চাহ কোম্পানী বোৰে আবন্টন পোৱা মাটিৰ পৰিমাণ আছিল ৫৯৮৬০ একৰ। ইয়াৰ বিপৰীতে চাহ খেতি কৰা মাটিৰ পৰিমাণ আছিল মাত্ৰ ৭৫৯৯ একৰহে। অৰ্থাৎ চৰকাৰে ভবা মতে ভূমি ৰাজহ বৃদ্ধি নাপালে। তথাপিও অগ্ৰাধিকাৰ ভিত্তিত চাহ বাগিচা সমূহক মাটিৰ আবন্টন দিয়াৰ প্ৰক্ৰিয়া চলি থাকিল। ১৯০০ চনত এনে মাটিৰ পৰিমাণ হ'লগৈ ৩,৩৭,৩২৭একৰ। তাৰ পিছতো অসমত যথেষ্ট পৰিমাণৰ অনাবাদী মাটি অব্যৱহৃত হৈ ৰ'ল। ১৮৬৬ চনত অসমৰ চীফ কমিচনাৰ হেনৰী কটনে আক্ষেপ কৰিছিল যে অসমৰ লাখ লাখ বিঘা মাটি অব্যৱহৃত হৈ থকা মানে লাখ লাখ টকা

মাটিত পুতি থোৱাৰ নিচিনা। সেয়ে এইবোৰ মাটি ব্যৱহাৰ কৰি খাজানা বৃদ্ধিৰ ব্যৱস্থা কৰিব লাগে বুলি তেখেতে উৰ্দ্ধতন কৰ্ত্তৃপক্ষলৈ প্ৰতিৱেদন পঠিয়াইছিল। এটা সমীক্ষা মতে ১৮৯৭-৯৮ চনত সেই সময়ৰ অসমৰ মুঠ কৃষিযোগ্য মাটিৰ ৮০ শতাংশ মাটিহে ব্যৱহৃত হৈছিল।

হৰিণাৰ মাংসই বৈৰী হোৱাৰ দৰে অসমৰো বিস্তৃত সাৰুৱা অব্যৱহৃত মাটিয়েই পিছলৈ অসম আৰু থলুৱা জনগোষ্ঠী সমূহৰ বাবে বিপদ কঢ়িয়াই আনিলে। সাম্ৰাজ্যবাদী ইংৰাজ চৰকাৰে এফালে চাহ-বাগিচাৰ বনুৱা সকলকে ধৰি নানা চৰকাৰী বেচৰকাৰী কামৰ বাবে অহা বিপুল সংখ্যক বহিৰাগত সকলৰ খাদ্যৰ যোগান ধৰিবলৈ আৰু আনহাতে ভূমি ৰাজহ বৃদ্ধি কৰিবলৈ পতিত মাটি সমূহত কৃষি কাৰ্য্যৰ ওপৰত গুৰুত্ব দিলে। ইয়াৰ বিপৰীতে অসমৰ থলুৱা জনগণে মাটিৰ ফচল বা পোহনীয়া জীৱ-জন্তুৰ সংখ্যা বৃদ্ধিৰ বাবে কোনো ধৰণৰ উৎসাহ প্ৰদৰ্শন কৰা নাছিল। এনে পৰিস্থিতিৰ সুযোগ লৈ ব্ৰিটিছ চৰকাৰে তেতিয়াৰ পূৰ্ব-বঙ্গ (আজিকালিৰ বাংলাদেশ)ৰ পৰা পৰিশ্ৰমী মুছলমান ধৰ্মী কৃষক সকলক অসমলৈ অহাৰ বাট মুকলি কৰি দিছিল। ১৮৩২ চনতে কাছাৰ জিলাৰ প্ৰশাসনে ঢাকা, টিপ্পেৰা, মৈমণসিংহ আদি জিলাৰ উপায়ুক্তলৈ চিঠি লেখি অনুৰোধ কৰিছিল যে যদি সেই সেই ঠাই বোৰৰ পৰা উৎসাহী আৰু পৰিশ্ৰমী খেতিয়ক সকলে অসমলৈ বসবাসৰ অৰ্থে আহে তেনেহ'লে তেনে খেতিয়কক এটা নিৰ্দ্দিষ্ট সময়লৈ বিনা খাজানাই মাটি ভোগ কৰিবলৈ দিয়া হ'ব আৰু পিছলৈ নিৰ্দ্ধাৰিত ৰাজহ আদায় দিয়াৰ বন্দোবস্তিৰে তালুকদাৰ বা জমিদাৰ হিচাবে মাটিৰ পট্টা ল'ব পাৰিব।

কোনো কোনো গৱেষকে এইদৰেও দাবী কৰে যে এখন বিশেষ চুক্তি যোগে ১৮৩৩ চনত পুৰন্দৰ সিংহক উজনি অসমৰ শাসনৰ দায়িত্ব দিয়াৰ পিছতো নিৰ্দ্দিষ্টকৈ ধাৰ্য্য কৰা কৰ আদায় দিব নোৱাৰাৰ অজুহাতত ১৮৩৮ চনত ইংৰাজে পুৰন্দৰ সিংহক পদচ্যুত কৰাৰ আঁৰত ইংৰাজৰ চাহ খেতিৰ স্বাৰ্থ লুকাই আছিল। পুৰন্দৰৰ অধীনত থাকিলে ক্ৰমে বাঢ়ি অহা চাহ-বাগিচা বোৰৰ বাবে প্ৰয়োজনীয় মাটি আবণ্টন দিয়াত অসুবিধা হোৱাৰ আশংকাত ইংৰাজে উজনি অসমো দখল কৰি লৈছিল আৰু পূৰ্বে উল্লেখ কৰা নিৰ্দ্দেশনা অনুসৰি হেজাৰ হেজাৰ বিঘা মাটি চাহ-বাগিচা বোৰক আবণ্টন দিছিল। অৱশ্যে ইংৰাজ চৰকাৰৰ অধীনত ১৮২৭ চনত ডেভিদ স্কটে স্থানীয় বাসিন্দা সকলকো মাটি আবণ্টন দিয়াৰ বিভিন্ন আঁচনি গ্ৰহণ কৰিছিল, যাতে ভূমি ৰাজহ বৃদ্ধি পায়। কিন্তু স্থানীয় বাসিন্দাসকলৰ স্বাভাৱিক উদাসীনতা, আলস্য আৰু ধন সংগ্ৰহৰ প্ৰতি অনীহাই চৰকাৰৰ এই আঁচনিবোৰ সফল হ'বলৈ নিদিলে। ইংৰাজ চৰকাৰৰ ৰাজহ আদায়ৰ এই আঁচনিবোৰৰ সফল ৰূপায়ণ কৰিবলৈ চাহ-বাগিচাৰ বনুৱা, চৰকাৰী সৈন্য বাহিনী, অফিচৰ চকীদাৰ-পিয়নৰ চাকৰিয়াল, গৰু-ম'হৰ খুটি পাতিবলৈ অহা নেপালী লোক তথা চৰকাৰৰ লোভনীয় সুবিধা গ্ৰহণ কৰি পূৰ্ববঙ্গৰ পৰা পৰিশ্ৰমী মুছলমান খেতিয়ক আহিবলৈ ল'লে। ইয়াতেই শতিকা জুৰি অসমৰ ৰাজনীতি, অৰ্থনীতি আৰু সমাজ গাঁথনিত আমূল পৰিবৰ্ত্তন ঘটোৱা বহিৰাগত প্ৰব্ৰজনৰ সমস্যাৰ গুৰি নিহিত হৈ আছে।

**চাহ বনুৱাৰ আগমণ ঃ** পূৰ্বে উনুকিওৱা হৈছে যে অসমত চাহ খেতিৰ বিস্তাৰ কৰি তাৰ পৰা আৰ্জিত কৰেৰে ৰাজকোষ টনকিয়াল কৰিবলৈ ইংৰাজ চৰকাৰে সকলো ব্যৱস্থা হাতত লৈছিল। The Waste Land Grant Rule, 1838 ; The Old Assam Rules 1838 ; The Waste Land Grant Rule 1854; আৰু The

Fee Simple Grant, 1861 আদি ভূমি আইন প্ৰণয়ন কৰি চাহ কোম্পানী সমূহক সাৰুৱা ওখ ভূমি সমূহ আবণ্টন দিছিল।

কোনো এটা উদ্যোগ গঢ়ি উঠিবলৈ হ'লে কমেও চাৰিটা স্বৰ্ত্ত পূৰণ হ'বই লাগিব;— (১) ভূমি (২) মূলধন (৩) শ্ৰমিক আৰু (৪) সংগঠন। ভাৰতীয় আৰু ইউৰোপীয় চাহ খেতিয়ক সকলৰ মূলধনৰ অভাৱ নাছিল। ভূমিৰ সমস্যাও ঔপনিবেশিক চৰকাৰে সমাধান কৰাৰ বাবে ওপৰোক্ত ভূমি আইন সমূহ প্ৰণয়ন কৰিলে। ইউৰোপীয় আৰু ভাৰতীয় চাহ খেতিয়ক সকলে আছাম টি কোম্পানীৰ দৰে সংগঠন সমূহ গঢ়ি তুলি চাহ খেতিৰ বাবে আগবাঢ়ি আহিছিল। এতিয়া সমস্যা হ'ল মাথোন চাহ বাগিচা সমূহৰ প্ৰতিকূল প্ৰাকৃতিক পৰিবেশত থাকি দিনে নিশাই শ্ৰম কৰিব পৰা শ্ৰমিকৰ অভাৱ। এই অভাৱ পূৰণ কৰিবৰ বাবে চাহ খেতিয়ক সকলে ঔপনিবেশিক চৰকাৰৰ সহায় লৈছিল। পূৰ্ব-বঙ্গৰ চিতাগং, ঝাৰখণ্ড, উৰিষ্যা, বিহাৰ, উত্তৰ প্ৰদেশৰ বিভিন্ন অঞ্চলৰ পৰা মূলতঃ চাওতাল, কোল, মুণ্ডা, ভূমিজ, কুৰ্মি আদি সম্প্ৰদায়ৰ দুখীয়া লোকসকলক চাহ শ্ৰমিক ৰূপে একাংশ দালালৰ সহায়ত অসমলৈ অনা হৈছিল। জিলা গেজেটিয়াৰৰ তথ্য মতে ১৯০৩ চনত চাহ খেতিৰ বাবে চাহ-বাগিচা সমূহক যোগান ধৰা মাটি আৰু চাহ-বাগিচা সমূহলৈ প্ৰব্ৰজন ঘটা চাহ বনুৱাৰ সংখ্যা মন কৰিব লগীয়াকৈ বাঢ়ি গৈছিল। এই মতে সেই সময়লৈ কামৰূপ জিলাত মুঠতে ২৩খন চাহ-বাগিচা গঢ়ি উঠিছিল। এই বাগিচা সমূহলৈ ১৮৬৪২ একৰ মাটি আবণ্টন দিয়া হৈছিল আৰু ৩৪৭২ গৰাকী বহিৰাগত চাহ শ্ৰমিকক নিয়োগ কৰা হৈছিল। সেইদৰে দৰং জিলাত গঢ়ি উঠা ৯৭ খন চাহ বাগিচালৈ ১,৩৭,৮২৯ একৰ মাটি আবণ্টন দিয়া হৈছিল আৰু তাত মুঠতে ৫৩, ৫৬৩ গৰাকী চাহ শ্ৰমিক আছিল। নগাঁও জিলাত ৪৯ খন চাহ-বাগিচাই ৪৮,৭৭৫ একৰ ভূমি দখল কৰিছিল আৰু তালৈ ১৪,৪৩৫ গৰাকী শ্ৰমিক অনা হৈছিল। সেইদৰে শিৱসাগৰ আৰু লক্ষিমপুৰত ক্ৰমে ১৬৪ খন আৰু ১৫২ খন চাহ-বাগিচা প্ৰতিষ্ঠা হৈছিল। শিৱসাগৰৰ চাহ-বাগিচা কেইখনে মুঠতে ২,৪৪,৬৫৩ একৰ মাটি আৰু লক্ষিমপুৰৰ বাগিচা কেইখনে ১,৯২,৪১৯ একৰ ভূমি সামৰি লৈছিল। শিৱসাগৰলৈ মুঠতে ৯৫,৯৫৪ গৰাকী আৰু লক্ষিমপুৰলৈ ১,৩৯,৯৯৬ গৰাকী চাহ শ্ৰমিক অসমৰ বাহিৰৰ পৰা আনি নিয়োগ কৰা হৈছিল। ১৯২১ চনলৈ চাহ-বাগিচা বিলাকৰ সম্প্ৰসাৰণ ঘটাত মুঠ চাহ বাগিচাৰ বনুৱাৰ সংখ্যা হৈছিলগৈ ১.৫ নিযুত; অৰ্থাৎ সেই সময়ৰ অসমৰ মুঠ জনসংখ্যাৰ ৩০ শতাংশ। প্ৰখ্যাত ঐতিহাসবিদ হেৰম্ব কান্ত বৰপূজাৰীয়ে তথ্য সহকাৰে প্ৰমাণ কৰি দেখুৱাইছে যে এই কালছোৱাত চাহখেতিয়ক আৰু চাহ কোম্পানী সমূহে অধিক লাভৰ আশাত পাৰস্পৰিক প্ৰতিযোগিতাত নামিছিল। বিশেষ চুক্তিৰ অধীনত পূৰ্বে উল্লেখিত অঞ্চলবোৰৰ উপৰিও তামিলনাডু, কেৰালা আদি ৰাজ্যৰ পৰাও চাহ শ্ৰমিক অনা হৈছিল। চুক্তিৰ ম্যাদ শেষ হ'লে শ্ৰমিক সকল পুনৰ গৃহভূমিলৈ উভতি যোৱাৰ বন্দবস্ত আছিল। বিশেষ চুক্তি বা 'এগ্ৰিমেন্ট'(Agreement)ৰ অনুসৰি অহা এই শ্ৰমিক সকলক সাধাৰণতে 'গিৰমিটিয়া'(এগ্ৰিমেন্টৰ পৰা উদ্ভুত স্থানীয় ৰূপ 'গিৰমিটিয়া')বুলি জনা গৈছিল। গিৰমিটিয়া সকলে চুক্তিৰ ম্যাদৰ শেষত নিজ গৃহভূমিলৈ যাব নোৱাৰি বা নগৈ চাহ-বাগিচা বিলাকৰ কাষৰে-পাজৰে থকা অনাবাদী মাটি সমূহত খেতি-বাতি কৰি বসতি কৰিবলৈ ল'লে। ইয়াৰ উপৰি চাহ-বাগিচা বোৰত পাত তোলাৰ সময়ত স্থায়ী বনুৱাৰ উপৰিও অধিক বনুৱাৰ প্ৰয়োজন হয়। এই সময়ত বাগিচাবোৰত এই সকল নকৈ খেতি বাতি কৰি বহা বহিৰাগতই সাময়িক

নিযুক্তি লৈ আৰ্থিকভাৱে লাভবান হৈছিল। এনেদৰে দুয়োফালে নিয়োজিত হোৱা পমুৱাৰ সংখ্যা ১৮৯১ চনত আছিল ৪,২৩,১৯৯ চন। ১৯০১ চনত ইয়াৰ সংখ্যা বাঢ়ি হৈছিলগৈ ৬,৫৪,০০০ জন। চাহ জনগোষ্ঠীৰ প্ৰব্ৰজন ক্ৰমে বাঢ়ি আহিবলৈ ল'লে আৰু ১৯৩১ চনত এওঁলোকৰ সংখ্যা ১৪ লাখ হোৱাৰ বিপৰীতে ১৯৭১ চনত হৈছিল ১৯ লাখ।

স্মৰণযোগ্য যে অসমত চি.এ. ব্ৰুচে জয়পুৰ আৰু শদিয়াত প্ৰথম চাহ বাগিচা দুখন স্থাপন কৰিছিল আৰু ইয়াৰ বাবে বৰ্হিপ্ৰদেশৰ পৰা মাত্ৰ ৪০০ জন শ্ৰমিক অনা হৈছিল। পিছলৈ ক্ৰমে চাহ বাগিচাৰ সংখ্যা বৃদ্ধিৰ বাবে চাহ শ্ৰমিকৰ সংখ্যাও বাঢ়িবলৈ ধৰে। ২০১১ চনৰ লোক পিয়লৰ তথ্য মতে ৮০০ ৰো অধিক চাহ বাগিচাত কৰ্মৰত শ্ৰমিকৰ লগত প্ৰাক্তন চাহ বনুৱাৰ সংখ্যা লগ লাগি সদ্যহতে এওঁলোকৰ সংখ্যা ৬৫ লাখলৈ বৃদ্ধি পাইছে। বৰ্ত্তমানৰ অসমৰ ৰাজনীতি, অৰ্থনীতি, সমাজ-সংস্কৃতিত এওঁলোকে স্থানীয় আৰু খিলঞ্জীয়া সকলৰ লগত মিলি গৈছে আৰু অসমীয়া জাতি সত্তাক অধিক গতিশীল আৰু শক্তিশালী কৰি গঢ়ি তুলিছে।

**পূৰ্ববঙ্গীয় কৃষিভূমিঅন্বেষী সকলৰ আগমণ ঃ** ডেভিড স্কটৰ নেতৃত্বত ইংৰাজ প্ৰশাসনে ১৮২৭ চনত কেবাখনো আঁচনিৰ জৰিয়তে অসমৰ থলুৱা লোক সকলক মাটিৰ আবন্টন দি কৰ সংগ্ৰহ বৃদ্ধিৰ চেষ্টা চলাইছিল। কিন্তু চৰকাৰৰ এই আঁচনি সফল নহ'ল। ইফালে সেই সময়ত অনবাদী হৈ পৰি থকা লাখ লাখ বিঘা মাটিৰ পৰা কৰ আদায় কৰাৰ উপায় বিচাৰি ব্ৰিটিছ চৰকাৰ বিবুধিত পৰিছিল। সেয়ে ইংৰাজ চৰকাৰে চুবুৰীয়া জনবহুল বঙ্গদেশৰ পৰিশ্ৰমী খেতিয়ক সকললৈ নানা ধৰণৰ সুবিধা প্ৰদান কৰি অসমলৈ অহাৰ বাবে উৎসাহিত কৰে। এগৰাকী ব্ৰিটিছ বিষয়াই এই সম্পৰ্কে উৰ্দ্ধতন কৰ্ত্তপক্ষলৈ লিখিছিল যে যদিহে ভবামতে বঙ্গদেশৰ পৰিশ্ৰমী মুছলমান খেতিয়ক সকলক অসমলৈ আনি সংস্থাপিত কৰিব পৰা যায়, তেনেহ'লে অসমৰ থলগিৰি সকলেও তেওঁলোকৰ ক্ষতি হোৱাৰ ভয়ত বহিৰাগত সকলৰ সৈতে প্ৰতিযোগিতাত নামিব। ইয়াৰ ফলত চৰকাৰ নিশ্চয়কৈ লাভবান হ'ব।

ইংৰাজ শাসনৰ আৰম্ভণিতে নকৈ আত্মপ্ৰকাশ কৰা মধ্যবিত্তৰ চৰিত্ৰ অৰ্জনকাৰী কেইগৰাকীমান অসমীয়া লোকেও ইংৰাজ সাম্ৰাজ্যৰ স্বাৰ্থতে অসমলৈ বহিৰাগতৰ আগমণক সমৰ্থন জনাইছিল। আনন্দৰাম ঢেকিয়াল ফুকনে ইংৰাজ চৰকাৰলৈ দিয়া এখন স্মাৰক পত্ৰত অনুৰোধ জনাইছিল যাতে খেতিবাতিৰ উৎকৃষ্ট জ্ঞান থকা ইউৰোপ মহাদেশৰ আৰু উত্তৰ ভাৰতৰ খেতিয়ক সকলক আনি অসমত প্ৰতিষ্ঠা কৰাৰ ব্যৱস্থা গ্ৰহণ কৰে। ইয়াৰ বাবে চৰকাৰে বঙ্গদেশৰ খেতিয়ক সকলকো উৎসাহিত কৰিবলৈ তেখেতে পৰামৰ্শ আগবঢ়াইছিল। ১৮৭৪ চনত গৰ্ৱণৰ জেনেৰেল নৰ্থ ব্ৰুকক গুৱাহাটীত আদৰণি জনাই এচাম শিক্ষিত লোকে প্ৰদান কৰা স্মাৰক পত্ৰতো উৰিষ্যা আৰু উত্তৰ বিহাৰৰ পৰা সবল আৰু সংস্কৃতিবান মানুহক আনি অসমত বহুওৱাৰ বাবে অনুৰোধ জনোৱা হৈছিল। গুণাভিৰাম বৰুৱা আছিল অসমলৈ বৰ্হিৰাজ্যৰ মানুহক আনি বহুওৱাৰ এগৰাকী উৎসাহী সমৰ্থক। সেই সময়ত অসমত গঢ়ি উঠিব ধৰা চাহ-বাগিচা, ৰেলপথ নিৰ্মাণ আদিৰ বাবে লগা কাৰিকৰী জ্ঞান সম্পন্ন শ্ৰমিক আদিৰ প্ৰয়োজন পূৰাব পৰাকৈ অসমীয়া মানুহৰ অভাৱ আছিল বাবে বাহিৰৰ পৰা মানুহ আনি অসমৰ উন্নতি সাধন কৰাৰ পক্ষে তেখেতে যুক্তি আগবঢ়াইছিল। শিক্ষা-দীক্ষাত আগবঢ়া বঙালী সকলক আনি অসমত প্ৰতিষ্ঠা কৰাৰ হকে বলি নাৰায়ণ বৰায়ো মাত মাতিছিল।

সিফালে পশ্চিম অসমৰ গোৱালপাৰা, বিলাসীপাৰা আদিৰ জমিদাৰ সকলে নিজৰ জমিদাৰীৰ ৰাজহ বৃদ্ধিৰ উদ্দেশ্যে পূৰ্ববঙ্গীয় মুছলমান কৃষক সকলক আনি সংস্থাপন কৰাৰ সকলো দিহা কৰিছিল। ইয়াৰ উপৰি ১৯২৯-৩০ চনত প্ৰকাশিত 'আছাম বেঙ্কিং এণ্ড কোৱেৰি' (Assam Banking and Quary) কমিটিৰ প্ৰতিবেদনৰ পৰা জনা যায় যে বৰপেটা অঞ্চলৰ থলুৱা মহাজন সকলে আৰু সেই ঠাইত ইতিমধ্যে বসতি স্থাপন কৰি গজগজীয়া হৈ উঠা মাৰোৱাৰী ব্যৱসায়ী সকলে পূৰ্ববঙ্গৰ পৰা অহা বহিৰাগত সকলক পতিত মাটি সমূহত খেতি কৰিবলৈ আৰু সম্ভৱ হ'লে তেনে মাটি কিনি ল'বলৈ প্ৰয়োজনীয় ধন সূদৰ বিনিময়ত ঋণ দি এক ৰমৰমীয়া ব্যৱসায় চলাইছিল। অসমৰ দ আৰু বিস্তৃত সাৰুৱা ভূমি বিভিন্ন শাক-পাঁচলি, মাহ, আহুধান, আদিৰ উপৰি বিশেষকৈ মৰাপাটৰ খেতিৰ বাবে উপযোগী। অসমত যিমানে পূৰ্ববঙ্গীয় মুছলমান খেতিয়ক সকলে বসতি কৰিবলৈ ধৰিলে সিমানেই পশ্চিম বঙ্গত মৰাপাটৰ কলৰ সংখ্যা বাঢ়িবলৈ ধৰিলে। প্ৰখ্যাত অৰ্থনীতিবিদ ড° পি. চি. গোস্বামীয়ে তেখেতৰ 'দ্য ইকনমিক ডেভেলপমেন্ট অব আছাম' (১৯৬৩) নামৰ গৱেষণা গ্ৰন্থত উল্লেখ কৰা মতে ১৯০১-০২ চনত অসমত মুঠতে ৫০০০ একৰ মাটিত মৰাপাটৰ খেতি কৰা হৈছিল। ১৯৪১-৪২ চনত এনে মাটিৰ পৰিমাণ ২৭৭ হেজাৰ একৰলৈ বৃদ্ধি পাইছিল। ড° ৰমেশ চন্দ্ৰ কলিতাই তেখেতৰ 'প্ৰব্ৰজনকাৰীৰ সমস্যা আৰু অসম' শীৰ্ষক গৱেষণা পত্ৰত কলিকতাত মৰাপাট উদ্যোগৰ সংখ্যা বৃদ্ধিৰ সমান্তৰালকৈ অসমত পূৰ্ববঙ্গীয় কৃষকৰ প্ৰব্ৰজনৰ সংখ্যা বৃদ্ধিৰ লগত ওতঃপ্ৰোত সম্পৰ্ক লক্ষ্য কৰিছে। কলিকতাৰ আশে-পাশে গঢ়ি উঠা মৰাপাট কলসমূহৰ বাবে প্ৰয়োজনীয় কেঁচামাল সমূহৰ বুজন অংশ অসমৰ পৰা যোগান ধৰা হৈছিল। ড০ কলিতাই সেয়েহে মন্তব্য কৰিছে, 'এই কলসমূহৰ চাহিদা পূৰণৰ উপৰি অবিভক্ত বঙ্গদেশৰ পৰা বিদেশলৈও মৰাপাট ৰপ্তানী কৰা হৈছিল। ফলত মৰাপাট উৎপাদন কৰিবলৈ পূৰ্ববঙ্গৰ পৰা অসমলৈ মুছলমান খেতিয়ক প্ৰব্ৰজন ঘটোৱাটো মৰাপাট ব্যৱসায়ৰ সমৃদ্ধিৰ বাবে অপৰিহাৰ্য্য হৈ পৰিছিল।' এনে পৰিৱেশত অধিক লাভৰ আশাত বৰপেটা অঞ্চলৰ এচাম ব্যৱসায়ীয়ে বহু সময়ত নিজৰ একচনা পট্টাৰ মাটি বিলাক ইতিমধ্যে আহি বসতি কৰা আৰু নতুনকৈ আহি থকা পূৰ্ববঙ্গীয় বহিৰাগত সকলক অধিক দামত বিক্ৰী কৰিবলৈ ধৰিলে। আনকি কোনো কোনো ক্ষেত্ৰত এইসকল সুবিধাবাদীয়ে কিছুমান চৰকাৰী আৰু সংৰক্ষিত বনাঞ্চলৰ মাটিও নিজৰ বুলি দেখুৱাই নানা ফন্দীৰে বিক্ৰী কৰি এই সকল বহিৰাগতক বসতি কৰাৰ সুযোগ উলিয়াই দিছিল। ইতিমধ্যে উনুকিওৱা হৈছে যে ইংৰাজ চৰকাৰে ১৯০৫ চনত ৰাজনৈতিক আৰু অৰ্থনৈতিক কাৰণত পূৰ্ববঙ্গ আৰু অসমক লগ লগাই 'পূৰ্ববঙ্গ আৰু অসম' নামেৰে এখন প্ৰদেশ গঠন কৰিছিল। ফলত পূৰ্ববঙ্গীয় কৃষকৰ অসমলৈ অহাৰ পথত বিশেষ বাধা নাথাকিল। ইতিমধ্যে ১৮৯১-৯২ চনত অসম আৰু বঙ্গদেশৰ মাজত ৰে'ল পৰিবহন ব্যৱস্থা গঢ়ি উঠিছিল। পৰিবহনৰ এই সুবিধা লৈ অসমত থকা ৰেল ষ্টেচনবোৰক কেন্দ্ৰ কৰিও পূৰ্ববঙ্গীয় সকলৰ বসতি বাঢ়ি আহিছিল।

পূৰ্ববঙ্গত তেতিয়া চিৰস্থায়ী বন্দবস্তৰ অধীনত জমিদাৰী প্ৰথা চলি আছিল আৰু নব্বৈ শতাংশৰো অধিক কৃষকৰ নিজৰ মাটি নাছিল। জমিদাৰ সকলে কৃষকসকলৰ পৰা খাজানা আদায়ৰ বাবে নানা ধৰণৰ অত্যাচাৰ কৰিছিল। তাৰ বিপৰীতে অসমত ৰায়তৱাৰী ব্যৱস্থা প্ৰচলিত আছিল বাবে খেতিৰ মাটিত কৃষকসকলে পোনপটীয়াকৈ চৰকাৰক খাজানা আদায় দিব পাৰিছিল। সেয়ে ইয়াত কৃষকসকলৰ ওপৰত অত্যাচাৰৰ সুযোগ

নাছিল। পূৰ্ববঙ্গৰ জমিদাৰসকলৰ অত্যাচাৰৰ পৰা হাত সাৰিবলৈও কৃষক সকলে অসমলৈ প্ৰব্ৰজন কৰিবলৈ আগ্ৰহান্বিত হৈছিল। পূৰ্ববঙ্গৰ দাঁতি কাষৰীয়া গোৱালপাৰা আৰু কামৰূপ জিলালৈ অহা প্ৰব্ৰজনকাৰী সকলে ঘাইকৈ নদী পথৰ ব্যৱহাৰ কৰিছিল। এইদৰে অসমলৈ আহি বসতি স্থাপন কৰা প্ৰথম চাম প্ৰব্ৰজনকাৰীৰ সহায়ত দ্বিতীয় চাম প্ৰব্ৰজনকাৰী আহি তেওঁলোকৰ লগ লাগিব ধৰিলে। প্ৰব্ৰজনকাৰীৰ সংখ্যা ভয়াবহ ৰূপত বাঢ়ি অহা দেখি ১৯৩১ চনৰ লোকপিয়লত এ.চি. মূলানে শংকা প্ৰকাশ কৰিছিল যে যদি এই গতিত প্ৰব্ৰজন চলি থাকে তেনেহ'লে সমগ্ৰ অসম প্ৰব্ৰজনকাৰীৰে ভৰি পৰিব আৰু কেৱল শিৱসাগৰ জিলাতহে অসমীয়াৰ অৱস্থিতি থাকিব। অসমলৈ প্ৰব্ৰজনত অৰিহণা যোগোৱা কাৰকবোৰৰ ভিতৰত পূৰ্ববঙ্গত হোৱা ১৮৯৩, ১৮৯৭ আৰু ১৮৯৮ চনৰ উপৰ্যুপৰি দুৰ্ভিক্ষ কেইটাও অন্যতম আছিল। ইয়াৰোপৰি ইংৰাজ চৰকাৰে অসমক খাদ্য শস্যৰ ক্ষেত্ৰত স্বনিৰ্ভৰশীল কৰাৰ উদ্দেশ্যেৰে সকলো ধৰণৰ ৰাগীয়াল বস্তুৰ পৰা আঁতৰত থকা কঠোৰ পৰিশ্ৰমী খেতিয়ক এচামক বসতি স্থাপনৰ সকলো সুবিধা দিবলৈ এখন বিশেষ আঁচনি গ্ৰহণ কৰিছিল। এই আঁচনিখনক ক'ল'নাইজেচন স্কীম বা নিৱেশ আঁচনি নামে জনা যায়। এই আঁচনিখন ৰূপায়ণ কৰিবলৈ বৰপেটা, নগাঁও আৰু মঙলদৈত বিশেষ বিষয়া নিয়োগ কৰা হৈছিল। এই আঁচনিৰ সুযোগ লৈ মুখ্যতঃ পূৰ্ববঙ্গৰ মৈমনসিংহ আৰু পাবনা জিলাৰ পৰাই দলে দলে মানুহ আহিবলৈ ধৰিলে।

অসমলৈ অহা পূৰ্ববঙ্গীয় এই প্ৰব্ৰজনকাৰী সকলৰ ৮৫ শতাংশ লোকেই আছিল মুছলমান ধৰ্মী। এওঁলোকৰ সংখ্যা ক্ৰমাৎ বাঢ়ি অহা দেখি থলুৱা জনজাতি আৰু হিন্দুধৰ্মীয় লোকসকলে নিজৰ ভাষা-সংস্কৃতি আদিৰ প্ৰতি বিপদৰ আগজাননী দেখিবলৈ পালে। অসম চৰকাৰে নিজৰ অৰ্থনৈতিক লাভৰ বাবে প্ৰব্ৰজন বৃদ্ধি পোৱাতো বিচাৰিছিল আৰু একে সময়তে খিলঞ্জীয়া থলুৱা অধিবাসী সকল যাতে বিতুষ্ট নহয় তাৰ বাবে এক মধ্যবৰ্ত্তী পন্থা গ্ৰহণ কৰিলে। এইমতে ১৯২০ চনত 'লাইন প্ৰথা'ৰ প্ৰবৰ্ত্তন কৰি আবাস যোগ্য ভূমি ভাগক তিনিটা শ্ৰেণীত ভাগ কৰে ; (ক) পমুৱা সকলৰ বাবে সুকীয়া বাসযোগ্য ভূমি (খ) পমুৱা সকলে বাস কৰিব নোৱাৰা ভূমি আৰু (গ) একেটা অঞ্চলৰ এফালে পমুৱাসকলে আৰু আনফালে থলুৱাসকলে বাস কৰিব পৰা ভূমি। পূৰ্ববঙ্গীয় মুছলমান পমুৱা সকলক এটা নিৰ্দ্দিষ্ট অঞ্চলত বসবাসৰ সুবিধা দিয়া আৰু থলুৱা সকলৰ ভূমিৰ অধিকাৰ ৰক্ষা কৰাৰ এই দুইমুখীয়া ব্যৱস্থাটো পিছে সফল নহ'ল। থলুৱা সকলে অধিক দাম পাই নিজৰ মাটি পমুৱা সকলক বিকিবলৈ ল'লে। তদুপৰি দুৰ্নীতি পৰায়ণ ৰাজহ বিষয়া সকলেও ক'লা ধনৰ লোভত উৎকোচ লৈ লাইন প্ৰথা উলংঘা কৰি পমুৱা মুছলমান সকলক মাটি নামজাৰী কৰি দিয়াত আগভাগ ল'লে। এইবোৰ দেখি শুনি অম্বিকাগিৰি ৰায়চৌধুৰী, মহাদেৱ শৰ্মা, বসন্ত কুমাৰ দাস আদিৰ দৰে এচাম সচেতন লোকে এনে বিপদৰ প্ৰতি এহাতে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ আৰু আনহাতে স্থানীয় লোকৰ মাজত সচেতনতা বৃদ্ধিৰ অৰ্থে চেষ্টা কৰিছিল। ইয়াৰ বাবে ১৯২৪ চনত অম্বিকাগিৰি ৰায় চৌধুৰীয়ে 'অসম সংৰক্ষিণী সভা' গঠন কৰিছিল। ১৯২৬ চনৰ পাণ্ডু কংগ্ৰেছৰ পূৰ্বে অসম ভ্ৰমণলৈ আহি কংগ্ৰেছ নেতা ড° ৰাজেন্দ্ৰ প্ৰসাদে অসমত মুছলমান প্ৰব্ৰজনৰ ভয়াবহতা দেখি অধিক জনবসতিৰে পূৰ্ণ বিহাৰৰ চাপ্ৰা জিলাৰ পৰা হিন্দু ধৰ্মী লোক আনি অসমত প্ৰতিষ্ঠা কৰাৰ প্ৰস্তাৱ দাঙি ধৰিছিল। মহাদেৱ শৰ্মাই ১৯২৭ চনৰ জুলাই মাহত অসম বিধান পৰিষদত প্ৰব্ৰজনৰ বিৰুদ্ধে প্ৰস্তাৱ উত্থাপন কৰিছিল। বসন্ত কুমাৰ দাস আৰু নবীন চন্দ্ৰ

বৰদলৈয়ে এই প্ৰস্তাৱৰ বিতৰ্কত ভাগ লৈ থলুৱাৰ স্বাৰ্থ ৰক্ষা কৰিব পৰা উপায় উদ্ভাৱনৰ ক্ষেত্ৰত গুৰুত্ব দিছিল। ১৯২৮ চনত এই সমস্যাৰ সমাধান উলিয়াবৰ বাবে চৰকাৰে এ. ডব্লিউ.ব'থামৰ নেতৃত্বত পাঁচজনীয়া সৰ্বদলীয় সমিতি গঠন কৰি দিছিল। তাত নবীন চন্দ্ৰ বৰদলৈ আৰু মহম্মদ ছাদুল্লাও সদস্য আছিল। বৰদলৈয়ে সমিতিৰ সদস্য হিচাপে দৃঢ় মত প্ৰকাশ কৰিছিল যাতে লাইন প্ৰথা অনুসৰি নিৰ্দ্দিষ্ট কৰা এলেকাৰ পৰা কোনো নতুন ঠাইলৈ পমুৱাৰ বসতি বিস্তাৰিত হ'ব নোৱাৰে। লাইন প্ৰথাৰ অধীনত পমুৱা সকলক পুনৰবাসন দিয়াৰ বাবে ১৯৩০ ৰ পৰা ১৯৩৬ চনলৈ এই ছয় বছৰ কালত কেৱল নগাঁও জিলাতে ৫৯ খন গো-চৰণীয়া পথাৰ পমুৱা সকলৰ বাবে চৰকাৰে মুকলি কৰি দিছিল। এই আঁচনি দৰং জিলাৰ মঙলদৈ আৰু কামৰূপ জিলাৰ বৰপেটা মহকুমাতো একেদৰে প্ৰয়োগ কৰা হৈছিল। এটা সমীক্ষা মতে ১৯২০-২১ চনত হিন্দু পমুৱাৰ বাবে ৩,২৯৯ হেজাৰ মাটি আবন্টন দিয়াৰ বিপৰীতে মুছলমান পমুৱাৰ বাবে ৩০,১০৬ হেজাৰ বিঘা মাটি আবন্টন দিয়া হৈছিল। ইয়াৰ পৰিমাণ বাঢ়ি ১৯২৯-৩০ চনত হৈছিলগৈ হিন্দু পমুৱাৰ বাবে ১৩,২৮৫ হেজাৰ বিঘা আৰু মুছলমান পমুৱাৰ বাবে ৮৯,০৭৮ হেজাৰ বিঘা মাটি। ১৯৩৫ চনৰ 'ভাৰত শাসন আইন' মতে গঠিতঅসমৰ বৰদলৈ মন্ত্ৰীসভাই পমুৱা সকলৰ এই অবাধ আগমণত বাধা দিবৰ চেষ্টা কৰিছিল যদিও তিনিবাৰকৈ চৰকাৰ গঠন কৰা ছাদুল্লাই বঙ্গদেশীয় মুছলমান পমুৱা সকলক সকলো প্ৰকাৰে সুবিধা আৰু উৎসাহ প্ৰদান কৰিছিল। তাৰবাবে ছাদুল্লাই Regularization Settlement নীতিৰে থলুৱা কৃষক সকলক বলেৰে খেদি পঠিয়াই বঙালী মুছলমান পমুৱা সকলে মাটি বেদখল কৰা কাৰ্যক বৈধতা প্ৰদান কৰাৰ ব্যৱস্থা কৰে। ইতিমধ্যে ১৯৩৯ চনত দ্বিতীয় বিশ্ব যুদ্ধ আৰম্ভ হ'ল। এই যুদ্ধত নিয়োজিত মিত্ৰ শক্তিৰ সৈন্য বাহিনীৰ প্ৰয়োজনীয় খাদ্য আৰু অত্যাৱশ্যকীয় সামগ্ৰী সমূহ জোৰ জুলুমকৈ হ'লেও সংগ্ৰহ কৰাৰ ব্যৱস্থা ইংৰাজ চৰকাৰে হাতত ল'লে। এই কথাত ক্ষুব্ধ হৈ গোপীনাথ বৰদলৈৰ নেতৃত্বত গঠিত কোৱালিচন মন্ত্ৰীসভাই পদত্যাগ কৰিছিল। অসমৰ গৱৰ্ণৰে তেতিয়াৰ বিধায়িনী কাউন্সিল নিলম্বিত কৰি ৰাখি সৈন্য বাহিনীৰ প্ৰয়োজন পূৰ কৰিবলৈ অধিক খাদ্য উৎপাদন কৰাৰ উদ্দেশ্যে 'অধিক শস্য উৎপাদন নীতি' (Grow more food) গ্ৰহণ কৰে । ইফালে ১৯৪৩ চনত বঙ্গদেশত প্ৰৱল আকালে দেখা দিছিল। অসমৰ তেতিয়াৰ গৱৰ্ণৰ ৰাভেলে এই পৰিস্থিতিৰ সুযোগ লৈ বঙ্গদেশৰ পৰা খেতিয়ক সকলক আনি অসমৰ মাটিত বহুওৱাৰ সকলো ব্যৱস্থা হাতত লৈছিল আৰু বিধায়িনী কাউন্সিলত আৱশ্যকীয় বহুমত নথকাকৈয়ে চৈয়দ ছাদুল্লাক মন্ত্ৰীসভা গঠন কৰিবলৈ আমন্ত্ৰণ জনাইছিল। ছাদুল্লাৰ বাবে এই পৰিৱেশ গাখীৰতে ম'হৰ খুটি যেন হ'ল। ছাদুল্লাই হাতে-কামে ৰূপায়ণ কৰিবলৈ জোৰ দিয়া 'গ্ৰ' ম'ৰ ফুড'ৰ ফল আন একো নহ'লেও 'গ্ৰ' ম'ৰ মুছলমান'হে হৈছিল বুলি তেতিয়াৰ গৱৰ্ণৰ ৰাভেলেই পিছলৈ কিন্তু মন্তব্য কৰিছিল।

১৯৪২ চনত ভাৰতৰ স্বাধীনতাৰ দাবী তুংগত উঠা ভাৰতীয় গণ বিপ্লৱৰ সময়ত প্ৰায়ভাগ কংগ্ৰেছী নেতাক জেলত ভৰাই থোৱা হৈছিল। ১৯৪৫ চনত এওঁলোকৰ সৰহভাগ জেলৰ পৰা মুক্ত হয় আৰু ১৯৪৬ চনৰ সাধাৰণ নিৰ্বাচনত কংগ্ৰেছে একক সংখ্যা গৰিষ্ঠতা লাভ কৰি গোপীনাথ বৰদলৈৰ নেতৃত্বত চৰকাৰ গঠন কৰে। এই চৰকাৰে অসমৰ খিলঞ্জীয়া জনজাতি সকলৰ স্বাৰ্থ সুৰক্ষাৰ অৰ্থে 'অসম ভূমি ৰাজহ নিয়ামক ১৮৮৬ চন' সংশোধন কৰি ২৭৯৫খন গাঁৱৰ ১৫০০ বৰ্গকিলোমিটাৰ এলেকা সামৰি ৩৮ টা জনজাতীয়

বেল্ট আৰু ব্লক গঠন কৰিছিল। আনফালে ইংৰাজ চৰকাৰে ভাৰতক হিন্দু আৰু মুছলমান এই দুই ধৰ্মৰ ভিত্তিত ভাগ কৰি হিন্দুস্থান আৰু পাকিস্তান নামেৰে দুখন সুকীয়া ৰাষ্ট্ৰ সৃষ্টি কৰি স্বাধীনতা প্ৰদান কৰাৰ প্ৰস্তাৱৰ ওপৰত গুণা-গঁথা কৰি আছিল। এই প্ৰস্তাৱতে ভাৰতৰ প্ৰদেশ সমূহক এ, বি, চি এই তিনিটা সংহতিত বিভক্ত কৰিবলৈ ব্যৱস্থা কৰে। এই মতে অসমক বঙ্গদেশৰ সৈতে একেটা সংহতি বা গ্ৰুপত অন্তৰ্ভূক্ত কৰাৰ প্ৰস্তাৱ কৰা হৈছিল। গোপীনাথ বৰদলৈ, ৰূপনাথ ব্ৰহ্ম, ভীমবৰ দেউৰীৰ দৰে অসমৰ থলুৱা জাতি-জনজাতিৰ নেতা সকলে একমুখে এই প্ৰস্তাৱৰ বিৰোধিতা কৰি অসমক পাকিস্তানৰ অন্তৰ্ভূক্ত কৰাৰ ষড়যন্ত্ৰৰ পৰা ৰক্ষা কৰিলে।

ইফালে ১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰতবৰ্ষ স্বাধীন হয়। ফলত স্বৰাজোত্তৰ ভাৰতৰ অঙ্গৰাজ্য হিচাপে ইতিমধ্যে বঙ্গদেশৰ পৰা আহি অসমত বসবাস কৰিবলৈ লোৱা লাখ লাখ পমুৱা মুছলমান আপোনাআপুনি ভাৰতীয় নাগৰিক হৈ পৰিল। দেশ বিভাজনৰ সময়ত অৱশ্যে হিন্দ-মুছলমান উভয় ধৰ্মৰে লোক সকলক নিজৰ ইচ্ছামতে কোনো এখন দেশলৈ উভতি যাবলৈ সুবিধা দিয়া হৈছিল। এই সুবিধা লৈ কিছু সংখ্যক বঙালী মুছলমান পূৱ পাকিস্তানলৈ উভতি গৈছিল। সেইদৰে পূৱ পাকিস্তানৰ পৰাও বহু হিন্দু মানুহআহিছিল। পিছে ইয়াৰ পৰা যোৱাৰ তুলনাত ইয়ালৈ অহা লোকৰ লোকৰ সংখ্যা আছিল কেবা গুণো অধিক। ইয়ালৈ অহাসকলৰ ভিতৰত কেৱল হিন্দুৱেই নাছিল ; বহুসংখ্যক মুছলমানো আছিল। ফলত ভূমিৰ অধিকাৰক লৈ থলুৱা কৃষক আৰু প্ৰব্ৰজনকাৰী সকলৰ মাজত সংঘাত সৃষ্টি হ'ব ধৰিলে। ইয়ে অসমৰ ভূমি সমস্যাক জটিলৰ পৰা জটিলতৰ কৰি তুলিলে।

**পূৱ-পাকিস্তানৰ পৰা হোৱা প্ৰব্ৰজন ঃ** ১৯৪৭ চনত ইংৰাজ সকলে ভাৰতীয় সকলৰ গণ আন্দোলনৰ সমুখত নতি স্বীকাৰ কৰি ভাৰত ত্যাগ কৰে। কিন্তু দুষ্ট বুদ্ধিৰ ভঁৰাল ইংৰাজ চৰকাৰে সেই সময়ৰ অখণ্ড ভাৰত বৰ্ষক ধৰ্মৰ ভিত্তিত হিন্দুস্থান আৰু পাকিস্তান নামেৰে দুখন দেশত ভাগ কৰিহে স্বাধীনতা প্ৰদান কৰে। ভাৰতৰ পশ্চিম দিশৰ পঞ্জাৱৰ পৰা আৰম্ভ কৰি সিন্ধু আৰু বেলুচিস্তান প্ৰদেশক সামৰি পশ্চিম পাকিস্তান আৰু পূৰ্ব বঙ্গক সামৰি পূৱ পাকিস্তান এই দুয়োখণ্ডকে লৈ মুছলমান ধৰ্মী পাকিস্তান দেশ গঠন কৰা হয়। ধৰ্মৰ ভিত্তিত দুখন দেশ হোৱাৰ বাবে পূৱ পাকিস্তানলৈ অসমৰ পৰা বহুতো মুছলমান উভতি গ'ল আৰু পূৰ্ব বঙ্গৰ পৰা হিন্দু ধৰ্মী লোক অসমলৈ আহিল। কিন্তু যোৱাৰ তুলনাত নতুনকৈ অহা হিন্দুৰ সংখ্যা বহুত বেছি। ভাৰতৰ কেন্দ্ৰীয় চৰকাৰৰ সিদ্ধান্ত অনুসৰি পূৱ-পাকিস্তানৰ পৰা অহা সকলো ভগনীয়া বা ৰিফিউজীক অসমৰ বিভিন্ন জিলাত মাটি ভেটি দি সংস্থাপন কৰে। ইয়াকে লৈ দুয়োখন দেশৰে কেবা ঠাইতে বহু সাম্প্ৰদায়িক সংঘৰ্ষও সৃষ্টি হৈছিল। অসমলৈ পিছে পূৱ পাকিস্তানৰ লোকৰ প্ৰব্ৰজন অহৰহ চলিয়েই থাকিল। ১৯৬২ চনত চীনে ভাৰত আক্ৰমণ কৰাৰ সময়ত তেজপুৰ চহৰৰ বাসিন্দাসকলে যেনিয়ে তেনিয়ে পলাই অহাৰ সময়ত তেজপুৰৰ পৰা কেইকিলোমিটাৰ মান নিলগত অৱস্থিত কেইখন মান গাঁৱৰ বাসিন্দা সকলে জোন আৰু তৰা অঁকা সেউজীয়া পতাকা উৰুৱাই চীনা সৈন্যক আদৰণি জনাইছিল। তেতিয়াই অসমত পাকিস্তানী প্ৰব্ৰজনে কিমান ভয়াবহ ৰূপ ধাৰণ কৰিছে আৰু ইয়াৰ পৰা সম্ভাব্য কিমান বিপদ ঘটিব পাৰে তাৰ উমান পোৱা গৈছিল। কেন্দ্ৰীয় চৰকাৰে চি বি আইৰ দ্বাৰা তদন্ত কৰি এই কথাৰ সত্যতাৰ বুজ লয়। কিন্তু সেই তদন্তৰ তথ্য অনুসৰি তেতিয়ালৈ মুঠতে ২,২৩,০০০ পাকিস্তানী অনুপ্ৰৱেশকাৰী চিনাক্ত কৰা হৈছিল আৰু ১৯৪৬ চনত ভোটাৰ তালিকাৰ

পৰা সেই সকলৰ নাম কৰ্ত্তন কৰাৰ উপৰি প্ৰায় ১,৯৭,০০০ ক বহিষ্কাৰ কৰা হৈছিল। ইয়াতেই এচাম নেতাই সংখ্যালঘুৰ ওপৰত জোৰ-জুলুম কৰা বুলি হৈ চৈ আৰম্ভ কৰিছিল আৰু বহিষ্কৃত সকলৰ অধিকাংশই অসমত পুনৰ অনুপ্ৰৱেশ কৰিছিল।

**বাংলাদেশী বিদেশী প্ৰব্ৰজন ঃ** একে ধৰ্মাৱলম্বী হ'লেও পূৱ পাকিস্তান আৰু পশ্চিম পাকিস্তানৰ বাসিন্দা সকলৰ ভাষিক আৰু সাংস্কৃতিক পাৰ্থক্য বহুত আছিল। পশ্চিম পাকিস্তানৰ উৰ্দ্দু ভাষাকেই সমগ্ৰ পাকিস্তানৰ ৰাষ্ট্ৰীয় ভাষাৰ মৰ্যাদা দিয়া হৈছিল। কিন্তু পূৰ্ব পাকিস্তানৰ মানুহৰ ভাষা হ'ল বাংলা। দেশখনৰ ৰাজধানী পশ্চিম পাকিস্তানত অৱস্থিত হোৱাৰ সুযোগ লৈ পশ্চিম পাকিস্তানে পূৱ পাকিস্তানক উপনিবেশ ৰূপেহে গণ্য কৰিছিল। অৰ্থনৈতিক শোষণৰ মাত্ৰা চৰি যোৱাত শ্বেখ মজিবুৰ ৰহমানৰ নেতৃত্বত পূৱ পাকিস্থানে পশ্চিম পাকিস্তানৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে আৰু ঘাইকৈ বাংলা ভাষাক পূৱ পাকিস্তানৰ ৰাষ্ট্ৰীয় ভাষা বুলি ঘোষণা কৰে। ভাৰতবৰ্ষই পূৱ পাকিস্তানৰ মুক্তি যুদ্ধত সামৰিক সহায় আগবঢ়ায়। পশ্চিম পাকিস্তানৰ সৈন্য বাহিনী ভাৰত আৰু পূৱ পাকিস্তানৰ যুটীয়া সামৰিক বাহিনীৰ হাতত পৰাজিত হয় আৰু ১৯৭১চনৰ ২৪ মাৰ্চত পূৱ পাকিস্থানে সম্পূৰ্ণ স্বাধীনতা লাভ কৰে। লগে লগে বাংলাদেশ নামেৰে বিশ্বত এখন নতুন সাৰ্বভৌম স্বাধীন ৰাষ্ট্ৰ গঠন হ'ল। শ্বেখ মজিবুৰৰ নেতৃত্বত গঠন কৰা স্বাধীন বাংলাদেশৰ প্ৰথম চৰকাৰে বাংলাদেশক ধৰ্ম নিৰপেক্ষ দেশ হিচাপে ঘোষণা কৰিছিল।

বাংলাদেশৰ মুক্তি যুদ্ধৰ সময়ত যুদ্ধ আক্ৰান্ত অঞ্চলৰ পৰা লাখ লাখ ভগনীয়া আহি ভাৰতবৰ্ষত প্ৰৱেশ কৰে। ভাৰত চৰকাৰেও এই সকলক শৰণাৰ্থী হিচাপে মৰ্যাদা দি বিভিন্ন ঠাইত শিৱিৰ পাতি আশ্ৰয় প্ৰদান কৰি সকলো মানৱীয় সা-সুবিধা আৰু নিৰাপত্তা প্ৰদান কৰে। তদুপৰি বাংলাদেশ গঠন হোৱাৰ পিছতো ভাৰত আৰু বাংলাদেশৰ সীমান্ত উন্মুক্ত হৈ আছিল। ভাৰত চৰকাৰে শেহতীয়াকৈ তাত কাইটীয়া তাঁৰৰ বেৰ দিয়াৰ প্ৰকল্প হাতত লৈছে। তথাপিও ভাৰতলৈ বাংলাদেশীৰ অনুপ্ৰৱেশ ঘটিয়েই আছে।এনে বাংলাদেশী বিদেশীৰ সংখ্যা সঠিককৈ নিৰ্দ্ধাৰণ কৰা টান যদিও ইয়াৰ সংখ্যা যে কেবা লক্ষাধিক হয় সেই বিষয়ে সন্দেহ নাই।

ঔপনিবেশিক যুগত পূৰ্ববঙ্গৰ পৰা অহা প্ৰব্ৰজনকাৰী সকলক বিদেশী বা অনুপ্ৰৱেশকাৰী বুলিব নোৱাৰি। কিয়নো সেই সময়ত পূৰ্ব বঙ্গ আৰু অসম একেখন ভাৰতবৰ্ষৰে ভিতৰুৱা আছিল। ১৯৪৭ চনৰ স্বাধীনতাৰ পিছৰ পৰৱৰ্ত্তী পাঁচ বছৰ কাল দেশ বিভাজনৰ ফলত সৃষ্ট ৰাজনৈতিক আৰু সামাজিক বিশৃঙ্খলতা সমূহ আঁতৰ কৰাৰ প্ৰয়োজন হৈছিল। সেয়ে এই সময় খিনিত যি সকলে পূৱ পাকিস্তানৰ পৰা অসমত প্ৰৱেশ কৰিছিল, তেওঁলোকক শৰণাৰ্থী বুলি কোৱা হৈছিল। ১৯৫৩চনৰ ২৬ জানুৱাৰীৰ পিছত যিসকলে অসমত প্ৰৱেশ কৰিছিল তেওঁলোক নিসন্দেহে অনুপ্ৰৱেশকাৰী। দেখা গ'ল- ১৮৮০ চনৰ পৰা আজিলৈ পূৰ্ববঙ্গই বোলক বা পূব-পাকিস্তানেই বোলক বা বাংলাদেশেই বোলক, নাম সলনি হ'লেও দেখা যায়, একেখিনি ঠাইৰ পৰাই বঙালী হিন্দু আৰু মুছলমান মানুহৰ প্ৰব্ৰজন চলিয়েই থাকিল। ১৮৮০ চনত আৰম্ভ হোৱা হিন্দু-মুছলমান উভয় ধৰ্মৰে বঙালী সকলৰ প্ৰব্ৰজন বা পিছলৈ অনুপ্ৰৱেশ বিংশ শতিকাত ভয়াবহভাৱে বৃদ্ধি পাইছিল আৰু নামনি অসমৰ চাৰিখন জিলাৰ জনসংখ্যাৰ গাঁথনিত গভীৰ প্ৰভাৱ পেলাইছিল। ১৯১১-১২ চনৰ সমীক্ষা

মতে গোৱালপাৰা জিলাৰ মুঠ জনসংখ্যাৰ ২০ শতাংশলৈ আৰু নগাঁও জিলাৰ মুঠ জনসংখাৰ ১৪ শতাংশলৈ অনুপ্ৰৱেশকাৰীৰ উপস্থিতি বৃদ্ধি পাইছিল। ড০ ৰমেশ চন্দ্ৰ কলিতা, ড০ অমলেন্দু গুহ, ড০ হেৰম্ব কান্ত বৰপূজাৰীৰ দৰে ইতিহাসবিদসকলে অনুপ্ৰৱেশকাৰীৰ বৃদ্ধিৰ বাৰংবাৰতা সমূহ বিশ্লেষণ কৰিছিল। এই বাৰংবাৰতাসমূহৰ ভিত্তিত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ আইন গৱেষণালয়ৰ প্ৰতিষ্ঠানৰ সঞ্চালক জে. এন. দাসে, 'বঙ্গত জন্ম লৈ অসমত বসবাস কৰা' লোকৰ সংখ্যাৰ এখন তালিকা দাঙি ধৰিছিল এনেদৰে-

| জিলা | ১৯১১ চন | ১৯২১ চন | ১৯৩১ চন |
|---|---|---|---|
| (ক) গোৱালপাৰা | ৭৭,০০০ | ১,৫১০০০ | ১,৭০,০০০ |
| (খ) কামৰূপ | ৪,০০০ | ৪৪,০০০ | ১,০৪০০০ |
| (গ) দৰং | ৭,০০০ | ২০,০০০ | ৪১,০০০ |
| (ঘ) নগাঁও | ৪,০০০ | ৫৮,০০০ | ১,২০,০০০ |
| (ঙ) শিৱসাগৰ | ১৪,০০০ | ১৪,০০০ | ১২,০০০ |
| (চ) লক্ষীমপুৰ | ১৪,০০০ | ১৪,০০০ | ১৯,০০০ |
| মুঠ | ১,২০,০০০ | ৩,০১০০০ | ৪,৯৬০০০ |
| | | | সৰ্বমুঠ -৯,৭০,০০০ |

'দৈনিক অসম' নামৰ বাতৰি কাকতখন (১৯৭১ চৰ ১৬ এপ্ৰিলৰ সংখ্যা)ৰ এক হিচাপ মতে ১৯০১ চনৰ পৰা ১৯৭১ চনৰ সময়ছোৱাত অসমৰ জনসংখ্যা ৩২.৯ লাখৰ পৰা ১৪৬.৩ লাখলৈ বৃদ্ধি পাইছিল বুলি বুজিব পাৰি। সেই একে খিনি সময়ত সমগ্ৰ ভাৰতবৰ্ষৰ জনসংখ্যা ২৩.৮ কোটিৰ পৰা ৫৪.৮ কোটিলৈ বাঢ়িছিল। অৰ্থাৎ আলোচ্য ৭০ বছৰৰ ভিতৰত সৰ্বভাৰতীয় জনসংখ্যা বৃদ্ধিৰ হাৰ ১৩৫ শতাংশৰ বিপৰীতে অসমত এই বৃদ্ধিৰ হাৰ আছিল ৩১৫ শতাংশ। অসমৰ জনসংখ্যাৰ এই অস্বাভাৱিক বৃদ্ধি স্বাভাৱিক জন্ম হাৰৰ দ্বাৰা সম্ভৱ নহয়। এতেকে নিসন্দেহে অসমত অনুপ্ৰৱেশকাৰীৰ সংখ্যা ভয়াবহ গতিত বৃদ্ধি পাইছিল।এওঁলোকৰ সমাজত প্ৰচলিত বহুবিবাহ প্ৰথা, বাল্য বিবাহ, শিক্ষা-দীক্ষাৰ অভাৱ আদিৰ বাবেও জন্মৰ হাৰ থলুৱা বা খিলঞ্জীয়া সকলৰ তুলনাত যথেষ্ট বেছি। এওঁলোকৰ জনসংখ্য ভয়াবহ গতিত বাঢ়ি যোৱাৰ এইবোৰো অন্যতম কাৰণ। ১৯৮০ চনৰ ১৮ জানুৱাৰীত সদৌ অসম ছাত্ৰ সন্থাই প্ৰধান মন্ত্ৰীলৈ পঠিওৱা পত্ৰ এখনত শংকা প্ৰকাশ কৰিছিল যে ১৯৮১ চনত অসমত অবৈধ বিদেশীৰ সংখ্যা ৫০ লাখ হ'বগৈ। সাংবাদিক আৰু লেখক সঞ্জয় হাজৰিকাই বাংলাদেশৰ লোকপিয়লৰ তথ্য আৰু বহু কেইগৰাকী বাংলাদেশী পণ্ডিতৰ গৱেষণা মূলক তথ্য চালি জাৰি চাই বাংলাদেশৰ হিন্দু আৰু মুছলমান জনসংখ্যা হ্ৰাস-বৃদ্ধিৰ পৰিসংখ্যা দাঙি ধৰিছে। সেইমতে ১৯৭১ চনৰ পৰা ১৯৯১ চনৰ ভিতৰত হিন্দুৰ জনসংখ্যা বৃদ্ধি পাইছিল ১.৫ নিযুত। তাৰ বিপৰীতে দেশখনত মুছলমানৰ জনসংখ্যা বাঢ়িছিল ৬১ নিযুত। বাংলাদেশত হিন্দু জনসংখ্যাৰ বৃদ্ধিৰ এই লেহেমীয়া গতিৰ অন্যতম কাৰণ হ'ল- সেই দেশৰ পৰা ভাৰতলৈ ৰাজনৈতিক, অৰ্থনৈতিক বা ধৰ্মীয় কাৰণত হোৱা অবাধ প্ৰব্ৰজন। ইমতিয়াজ আহমেদ নামৰ বাংলাদেশৰ এগৰাকী প্ৰখ্যাত পণ্ডিতে এই কথাৰ সত্যতা স্বীকাৰ কৰি কৈছে যে ১৯৬১-৭১ চনৰ ভিতৰত ১.৭২ নিযুত আৰু ১৯৮১-৯১ চনৰ ভিতৰত ৬ লাখ বাংলাদেশীয়ে অসমত অনুপ্ৰৱেশ

কৰিছে। অসম ৰাজ্যিক লোক পিয়ল সঞ্চালকালয়ৰ প্ৰাক্তন সঞ্চালক যোগেশ চন্দ্ৰ ভূঞাই দাঙি ধৰা তথ্য মতে ১৯৭১ চনৰ ৩.৫৯ নিযুত মুছলমান জনসংখ্যাক আধাৰ কৰি লৈ তেওঁলোকৰ জন্মমৃত্যুৰ হাৰৰ দ্বাৰা হিচাপ কৰি চালে ১৯৯১ চনত প্ৰাপ্ত ৬.৩ নিযুতৰ সলনি মুছলমান সকলৰ জনসংখ্যা ৫.২ নিযুতহে হব লাগিছিল। অৰ্থাৎ এই কুৰি বছৰৰ ভিতৰত ১.১ নিযুত মুছলমান জনসংখ্যা অসমত অতিৰিক্তভাৱে বাঢ়িছিল। বাংলাদেশী পণ্ডিত ইমতিয়াজ আহমেদৰ গৱেষণাৰ তথ্যৰ লগত যোগেশ চন্দ্ৰ ভূঞাৰ তথ্যৰ মিল আছে। ১৯৯৮ চনৰ ৮ নৱেম্বৰত তেতিয়াৰ অসমৰ ৰাজ্যপাল শ্ৰীনিবাস কুমাৰ সিন্‌হাই ৰাষ্ট্ৰপতিলৈ পঠিওৱা এখন প্ৰতিবেদনত বাংলাদেশৰ পৰা অসমলৈ হৈ থকা অনু প্ৰৱেশৰ ভয়াবহতাৰ কথা উল্লেখ কৰিছিল। এই প্ৰতিবেদনত উল্লেখ কৰা মতে ১৯৭১ চনৰ তুলনাত ১৯৯১ চনত অসমত মুছলমান জনসংখ্যা বৃদ্ধিৰ হাৰ ৭৭.৪ শতাংশ হোৱাৰ বিপৰীতে হিন্দু জনসংখ্যা বৃদ্ধিৰ হাৰ আছিল মাত্ৰ ৪১.৮৯ শতাংশ। ১৯৫১ চনত অসমৰ মুঠ জনসংখ্যাৰ ২৪.৬৮ শতাংশ আছিল মুছলমান। ১৯৯১ চনত এওঁলোকৰ জনসংখ্যা ২৮.৪ শতাংশলৈ বৃদ্ধি পায়। ১৯৯১ চনৰ লোকপিয়ল মতে তেতিয়ালৈ ধুবুৰী, গোৱালপাৰা, বৰপেটা আৰু হাইলাকান্দি জিলা মুছলমান প্ৰধান হৈ পৰিছিল। এওঁলোকৰ জনসংখ্যা বৃদ্ধিৰ এই হাৰ অব্যাহত থাকিলে ১৯৯৮ চনৰ ভিতৰত নগাঁও আৰু কৰিমগঞ্জ জিলাও মুছলমান সংখ্যাগুৰু হৈ পৰিব বুলি ৰাজ্যপাল গৰাকীয়ে শংকা প্ৰকাশ কৰিছিল। শেহতীয়া তথ্য মতে তেখেতৰ এই আশংকা সঁচা প্ৰমাণিত হৈছে। ৰাজ্যপাল গৰাকীৰ মতে বাংলাদেশৰ পৰা হৈ থকা অহৰহ অনুপ্ৰৱেশৰ ফলত অসমৰ জনসংখ্যা বৃদ্ধি পোৱাৰ লগে লগে জন গাথনিৰো ব্যাপক পৰিবৰ্ত্তন হৈছে।

শেহতীয়াকৈ সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ পৰিষদৰ নেতৃত্বত ১৯৭৯চনৰ পৰা ১৯৮৫ চনলৈ চলা বিদেশী বহিস্কাৰ আন্দোলনৰ পৰিসমাপ্তি ঘটাবলৈ ভাৰত চৰকাৰৰ সৈতে আন্দোলনকাৰী সকলৰ এখন চুক্তি সম্পাদিত হয় (১৫ আগষ্ট, ১৯৮৫চন)। এই চুক্তিখনক ইংৰাজীতে 'মেম'ৰেণ্ডাম অফ চেটল্‌মেন্ট' বুলি কোৱা হৈছে। এইখন চুক্তি অনুসৰি ১৯৭১ চনৰ ২৫ মাৰ্চৰ আগেয়ে অহা সকলো প্ৰব্ৰজনকাৰী অথবা অনুপ্ৰৱেশকাৰীক ভাৰতীয় নাগৰিকত্ব প্ৰদানৰ ব্যৱস্থা কৰি তাৰ পিছত অহা সকলক অবৈধ অনুপ্ৰৱেশকাৰী বুলি গণ্য কৰিবলৈ প্ৰস্তাৱ কৰা হয়।

**অসমৰ জনজীৱন আৰু সংস্কৃতিত অনুপ্ৰৱেশকাৰীৰ প্ৰভাৱ ঃ** দেশীয় আৰু আন্তৰ্দেশীয় বহিৰাগতৰ সংখ্য কিমান ভয়াবহ ৰূপত বাঢ়ি গৈছিল তাক ওপৰত আলোচনা কৰা হৈছে। প্ৰথম অৱস্থাত অৰ্থনৈতিক উন্নয়নৰ স্বাৰ্থত চৰকাৰী পৃষ্ঠপোষকতাত, দ্বিতীয় পৰ্য্যায়ত বিভিন্ন ৰাজনৈতিক আৰু প্ৰাকৃতিক কাৰণত অসমলৈ হৈ থকা এই জনপ্ৰব্ৰজনৰ বহুমুখী প্ৰভাৱ অসমৰ সামগ্ৰিক জনজীৱন, অৰ্থনীতি আৰু সাংস্কৃতিক দিশত পৰিছে। সেইবোৰ সংক্ষেপে তলত দিয়া ধৰণে আলোচনা কৰা হ'ল।

**(ক) অসমৰ জনসংখ্যা বৃদ্ধি ঃ** অসমলৈ অবাধে হৈ থকা আন্তঃৰাজ্যিক আৰু আভ্যন্তৰীণ প্ৰব্ৰজন আৰু পূব-পাকিস্তান তথা সম্প্ৰতিক বাংলাদেশ, নেপাল আদিৰ পৰা হৈ থকা অবাধ আন্তঃৰাষ্ট্ৰীয় জনপ্ৰব্ৰজনৰ ফলত অসমৰ জনসংখ্যা বৃদ্ধি পাই সদ্যহতে এই সংখ্যা তিনিকোটিৰো অধিক হৈছেগৈ। এই ভয়াবহ জনবিষ্ফোৰণৰ ফলত খাদ্য-বস্ত্ৰ-বাসস্থানৰ সমস্যাই দেখা দিছে। শিক্ষা-দীক্ষা আৰু নিয়োগৰ ক্ষেত্ৰত অসম ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যৰ তুলনাত পিছ পৰি আছে।

**(খ) প্ৰাকৃতিক ভাৰসাম্য ধ্বংস ঃ** বৰ্দ্ধিত জনসংখ্যাৰ বাবে বাসোপযোগী ভূমি কমি আহিছে। সেয়ে

মানুহে বিশেষকৈ বিদেশী অনুপ্ৰৱেশকাৰী সকলে সংৰক্ষিত বনাঞ্চল, অভয়াৰণ্য, নৈৰ চৰ-চাপৰি আদিত বেদখল কৰি অৰণ্য ভূমিৰ আৰু প্ৰাকৃতিক জলাশয়ৰ পৰিসৰ হ্ৰাস কৰি আনিছে। ফলত বনৰীয়া জীৱ-জন্তুৰ বাবে খাদ্য আৰু বাসস্থানৰ সংকটে দেখা দিছে। বহু বন্য প্ৰাণী ইতিমধ্যে লোপ পালে আৰু বহুবোৰ দুস্প্ৰাপ্য হৈ পৰিছে। সদ্যহতে জনবসতি অঞ্চলত সঘনাই সংঘটিত বাঘ-মানুহ আৰু হাতী-মানুহৰ সংঘাতৰ খবৰ বাতৰি-কাকত, দূৰদৰ্শন আদি সংবাদ মাধ্যমত সঘনাই প্ৰচাৰ হ'ব ধৰিছে। জলাশয়বোৰ পুতি জনবসতি স্থাপন কৰা হেতুকে সৰহ সংখ্যক জলজ উদ্ভিদ আৰু প্ৰাণী বিপদগ্ৰস্ত হৈছে। ইয়াৰোপৰি বিশেষকৈ বাৰিষা কালত অতিৰিক্ত পানীভাগ ধৰি ৰখাৰ ব্যৱস্থা কমি যোৱা হেতুকে বানপানী আৰু গৰা-খহনীয়াই বিভীষিকাৰ সৃষ্টি কৰি আহিছে। এই ক্ষেত্ৰত ১৯৫৪ চনৰ পৰা ১৯৬০ চনৰ ভিতৰত পলাশবাৰী চহৰ আৰু যোৱা শতিকাৰ নব্বৈৰ দশকত মৰিয়াহোলা অঞ্চল গৰাখহনীয়াত সম্পূৰ্ণ জাহ যোৱাৰ কথা উনুকিয়াব পাৰি। পৃথিৱী বিখ্যাত এশিঙীয়া গড়ৰ বাসস্থান কাজিৰঙা অভয়ৰণ্যও গৰাখহনীয়াত পৰিছে। বৈষ্ণৱ সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ নদীদ্বীপ মাজুলীৰো আধাতকৈ বেছি অংশ গৰাখহনীয়াত পৰি ইতিমধ্যে জাহ গৈছে। উত্তৰ লক্ষীমপুৰ, ধেমাজি, গোৱালপাৰা, ধুবুৰী আদি অঞ্চলত প্ৰায় প্ৰতিবছৰে হেজাৰ হেজাৰ বিঘা মাটিৰ খেতি বানপানীত নষ্ট হয় আৰু বহুতো পশুধন তথা মানুহৰ মৃত্যু হয়।

**(গ) গোষ্ঠীগত আৰু সাম্প্ৰদায়িক সংঘাত ঃ** ইংৰাজ চৰকাৰৰ দিনৰে পৰা হোৱা জনপ্ৰব্ৰজন আৰু অনুপ্ৰৱেশৰ সমস্যাই যাতে সামাজিক আৰু সাংস্কৃতিক দিশত অসমৰ থলুৱা জনগণৰ স্বাৰ্থত অনিষ্টকৰ প্ৰভাৱ পেলাব নোৱাৰে তাৰবাবে নানা ব্যৱস্থা হাতত লোৱা হৈছিল। ১৯২০ চনত প্ৰবৰ্তন হোৱা লাইন প্ৰথাৰ প্ৰচলন, ১৯৪৬ চনত জনজাতীয় বেল্ট আৰু ব্লক গঠন, ১৯৬২ চনত প্ৰৱৰ্তন কৰা পাকিস্তানী অনুপ্ৰৱেশৰ বন্ধকৰণ নীতি (Prevention of Infiltration From Pakistan, PIP) আদি এনে ধৰণৰ ব্যৱস্থাৰ কেইটামান উদাহৰণ। কিন্তু প্ৰশাসনিক দুৰ্বলতা, কৃষিভূমি অন্বেষী, পূৰ্ববঙ্গীয় খেতিয়কৰ আগ্ৰাসী ৰূপ, এচাম থলুৱা লোকৰ বিনা পৰিশ্ৰমে অৰ্থ ঘটাৰ হাবিয়াস আৰু অসমীয়া মানুহৰ অদূৰদৰ্শিতাৰ ফলত এইবোৰ ব্যৱস্থা বহুপৰিমাণে অকাৰ্যকৰী হৈছিল। তদুপৰি ১৯৭৯চনৰ পৰা ১৯৮৫ চনলৈকে চলা বিদেশী বহিষ্কাৰ আন্দোলনৰ পৰিসমাপ্তি ঘটাবলৈ ভাৰত চৰকাৰ আৰু আন্দোলনকাৰী সদৌ অসম ছাত্ৰসন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদৰ মাজত যিখন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হৈছিল সেইখনো আশা কৰা মতে কাৰ্য্যকৰী হোৱা নাই। এনেবোৰ কাৰণৰ বাবে অসমৰ বিভিন্ন থলুৱা জনগোষ্ঠীৰ লোকসকলে তেওঁলোকৰ ভাষা-সংস্কৃতি আৰু অৰ্থনীতি ভেটিটো নিৰাপত্তাৰ সংকটত পতিত হ'ব পাৰে বুলি সন্দেহ কৰে। ফলত ৰাভা, তিৱা, বড়ো, সোণোৱাল, মিচিং, কাৰ্বি আদি প্ৰায়বোৰ জনগোষ্ঠীয়ে তেওঁলোকৰ বাবে সংৰক্ষিত মাটি আৰু অৰ্থনৈতিক সা-সুবিধা বিচাৰি পৃথকে পৃথকে দাবী উত্থাপন কৰিছে। আৰু তাৰেই ফলত সামগ্ৰিক ভাৱে অসম আৰু অসমীয়া (অৰ্থাৎ অসমত বাস কৰা সকলোবোৰ থলুৱা জনগোষ্ঠী)ৰ স্বাৰ্থও বিঘ্নিত হৈছে। কাৰণ, এনে দাবীৰ পৰিপ্ৰেক্ষিতত কেতিয়াবা কেতিয়াবা কোনো কোনো জনগোষ্ঠী বা সম্প্ৰদায়ৰ মাজত সংঘৰ্ষৰ সৃষ্টি হোৱাও দেখা গৈছে।

**(ঘ) পাৰস্পৰিক সন্দেহ আৰু শংকাৰ সৃষ্টি ঃ** পুৰণি আৰু নতুন আবাসী সকলৰ ভাষা-সাহিত্য-সংস্কৃতিৰ উমৈহতীয়া উপাদানেৰে শক্তিশালী হোৱা অসমীয়া জাতি গঠনৰ প্ৰক্ৰিয়া অসমৰ বৈধ-অবৈধ প্ৰব্ৰজনকাৰী সকলৰ একাংশৰ বাবে বাধাগ্ৰস্ত হৈছে। ১৯৫১ চনৰ লোকপিয়লত পূৰ্ববঙ্গীয় মূলৰ প্ৰব্ৰজনকাৰী

সকলেও নিজৰ মাতৃভাষা অসমীয়া বুলি লিখাইছিল। ফলত অসমীয়া ভাষীৰ সংখ্যা ৭৩ শতাংশতকৈও অধিক হৈছিল। কিন্তু পিছৰ ফালে হোৱা বিশেষকৈ ১৯৭৯ চনৰ পিছত একাংশ ভাষিক অনুপ্ৰৱেশকাৰীৰ প্ৰভাৱৰ ফলত আৰু একাংশ উগ্ৰ জাতীয়তাবাদীৰ যুক্তিহীন আস্ফালনৰ বাবে বিশেষকৈ বাংলাদেশৰ প্ৰব্ৰজনকাৰী সকলৰ পৰিচয়ৰ ক্ষেত্ৰত বহুতো ভুল ধাৰণা গঢ়ি উঠে। ফলত প্ৰাক স্বাধীনতা কালৰ পৰা ইন্দিৰা-মুজিব চুক্তি (১৯ মাৰ্চ, ১৯৭২চন) অনুসৰি ১৯৭১ চনৰ ২৫ মাৰ্চৰ আগলৈ অহা প্ৰব্ৰজনকাৰী সকলে বিভিন্ন ন্যায়িক প্ৰক্ৰিয়াৰে ভাৰতীয় নাগৰিকত্ব পোৱাৰ পিছতো এচাম লোকে এওঁলোকক সন্দেহৰ চকুৰে চাবলৈ ধৰিলে। ১৯৮৫ চনৰ বুজা-বুজিৰ চুক্তিৰ আধাৰত বিদেশী বুলি গণ্য কৰা ১৯৭১ চনৰ পিছত অহা বাংলাদেশী সকলৰ সৈতে আগৰখিনিৰ পৰিচয়কো এচাম ন্যস্ত স্বাৰ্থৰ মানুহে সনা-পোটকা কৰিবলৈ চেষ্টা কৰি অবৈধ প্ৰব্ৰজনকাৰী তথা বিদেশী প্ৰব্ৰজনকাৰীৰ সমস্যাটো ধুৰলী-কুঁৰলী কৰি তুলিবৰ যত্ন কৰি আছে। এনে পৰিপ্ৰেক্ষিতত ১৯৫১ চনতে অসমীয়া ভাষাক মাতৃভাষা বুলি মানি লোৱা সকলৰ এচামে ভয়, শংকা আৰু অভিমানত পুনৰ বাংলাভাষী বুলি পৰিচয় দিবলৈ মন মেলিছে। কিছুসংখ্যক দুস্কৃতিকাৰীয়ে এই সকলৰ এনে দোদুল্যমান মানসিকতাৰ সুযোগ লৈ ভাৰতৰ অখণ্ডতা আৰু ৰাষ্ট্ৰীয় নিৰাপত্তাৰ প্ৰতিও ভাবুকি দিবলৈ চেষ্টা কৰা পৰিলক্ষিত হৈছে।

ইয়াৰোপৰি মনকৰিবলগীয়া যে সুদীৰ্ঘ কাল অসমলৈ হৈ থকা অবাধ প্ৰব্ৰজন আৰু অনুপ্ৰৱেশৰ ফলত ইতিমধ্যে কেবাখনো জিলাত থলুৱা জাতি-জনগোষ্ঠীবোৰ সংখ্যা লঘুত পৰিণত হোৱাৰ উপক্ৰম হৈছে। পোনতে অনুপ্ৰৱেশকাৰী আৰু পিছলৈ আইনী প্ৰক্ৰিয়াৰে ভাৰতীয় হোৱা সকলৰ বহুতে এতিয়াও তেওঁলোকৰ নাগৰিকত্বৰ প্ৰশ্নত সন্দেহ, শংকা আৰু মানসিক চাপৰ পৰা সম্পূৰ্ণ মুক্ত হ'ব পৰা নাই।

(ঙ) বৈধই হওক বা অবৈধই হওক অসমত থকা বৰ্ত্তমানৰ বৃহৎ সংখ্যক প্ৰব্ৰজনকাৰীৰ সৰহ সংখ্যকেই দৰিদ্ৰতাৰ সীমাৰ তলত বৰ অস্বাস্থ্যকৰ পৰিৱেশত বাস কৰে। এওঁলোক শিক্ষাৰ ক্ষেত্ৰতো অতিশয় পিছপৰা। বাল্যবিবাহ আৰু বহুবিবাহ আজিও তেওঁলোকৰ মাজত প্ৰচলিত। এনে নেতিবাচক পৰিবেশৰ সুযোগ লৈ এচাম ধৰ্মান্ধ কুবুদ্ধিৰ লোকে এওঁলোকৰ মাজত বহুবোৰ অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ পৃষ্ঠপোষকতা কৰি আধুনিক জীৱন আৰু সভ্যতাৰ পৰা এওঁলোকক আঁতৰাই ৰাখিছে। এইবোৰৰ বাবে সেই সমাজত জন্মৰ হাৰ বহুত বেছি। অসমৰ জনসংখ্যা বিষ্ফোৰণৰ ই এক অন্যতম কাৰণ। জনসংখ্যা বৃদ্ধি মানেই পৰিৱেশ ধ্বংস। পৰিৱেশ ধ্বংস মানেই মানৱ সভ্যতাৰ প্ৰতি তীব্ৰ প্ৰত্যাহ্বান।

এই অধ্যায়ৰ ওপৰোক্ত আলোচনাৰ পৰা এতিয়া বুজিব পৰা গ'ল যে - অসমত জনসংখ্যা বিস্ফোৰণ ঘটি ইতিমধ্যে ৩ কোটিৰো অধিক হৈছে আৰু জনসংখ্যা নিয়ন্ত্ৰণ কৰাটো অপৰিহাৰ্য হৈ উঠিছে। এতিয়া জোৰ পুৰি হাত পাইছে- ৰ'বলৈ বা ভাবিবলৈ সময় নাই। ইয়াতকৈ অধিক জনসংখ্যা বৃদ্ধি পালে অসমত বহনক্ষম বিকাশৰ প্ৰক্ৰিয়া বাধাগ্ৰস্ত হ'ব। সেয়েহে বৈধ ভাৱেই হওক বা অবৈধ ভাৱেই হওক, আভ্যন্তৰীণেই হওক বা আন্তঃৰাষ্ট্ৰীয়ই হওক অসমলৈ সকলো ধৰণৰ প্ৰব্ৰজন অনতিপলমে বন্ধ হব লাগিব। ইয়াৰ বাবে চৰকাৰে কাৰ্য্যকৰী ব্যৱস্থা লোৱাৰ লগে লগে জনসাধাৰণৰ মাজতো সচেতনতা বৃদ্ধি পাব লাগিব। তেতিয়াহে কবিয়ে কোৱাৰ দৰে প্ৰকৃতাৰ্থত সুজলা-সুফলা, শস্য শ্যামলা ৰাজ্যখন 'অসমা-সুযমা-নিৰূপমা' হৈ উঠিব।

# অনুশীলনী

তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া।

১। (ক) আভ্যন্তৰীণ প্ৰব্ৰজন আৰু আন্তৰাষ্ট্ৰীয় প্ৰব্ৰজনৰ মাজত কি পাৰ্থক্য আছে?
(খ) শৰণাৰ্থী আৰু অনুপ্ৰৱেশকাৰী কাক বোলে?
(গ) কোনখন আইনৰ যোগেদি কোনো বিদেশীয়ে ভাৰতীয় নাগৰিকত্ব লাভ কৰিব পাৰে?
(ঘ) অসমৰ কোনজন ৰজাই উৰিষ্যাৰ কোন মন্দিৰৰ ব্যৱহাৰৰ বাবে পুখুৰী খন্দাই দিছিল?
(ঙ) অসমত চাহ গছৰ আবিষ্কাৰ কোন চনত, কোনে কৰিছিল?

২। চাহ গছৰ আবিষ্কাৰ আৰু চাহ বাগিচা স্থাপনৰ লগত অসমলৈ হোৱা জনপ্ৰব্ৰজনৰ এক চমু আলোচনা কৰা।

৩। অসমলৈ পূৰ্ববঙ্গীয় কৃষকৰ প্ৰব্ৰজনৰ ঐতিহাসিক পটভূমি আলোচনা কৰা।

৪। অসমলৈ হোৱা জন প্ৰব্ৰজনৰ বিৰুদ্ধে কোনে কেতিয়া কেনেকৈ প্ৰথমে দাবী উত্থাপন কৰিছিল?

৫। চমুটোকা লিখা ঃ
(ক) অধিক শস্য উৎপাদন নীতি।
(খ) লাইন প্ৰথা।
(গ) জনজাতীয় বেল্ট আৰু ব্লক।
(ঘ) অসমৰ সমাজ-সংস্কৃতি আৰু অৰ্থনীতিত প্ৰব্ৰজনৰ প্ৰভাৱ।
(ঙ) অসমলৈ হোৱা জন প্ৰব্ৰজনৰ লগত মৰাপাট কলৰ সম্পৰ্ক।

## প্ৰকল্পৰ বাবে নমুনা ঃ

১। তোমাৰ গাঁওখনৰ জনগাঁথনিৰ পৰিবৰ্তনৰ কাৰকবোৰ ঐতিহাসিক তথ্যৰ ভিত্তিত বিচাৰ কৰা।

২। অসমৰ বৰ্তমানৰ জনবিস্ফোৰণৰ কাৰকসমূহ চিনাক্ত আৰু ইয়াৰ ফলত প্ৰাকৃতিক ভাৰসাম্যৰ কেনেদৰে অৱনতি ঘটিছে, তাৰ এটি ক্ষেত্ৰভিত্তিক প্ৰতিবেদন প্ৰস্তুত কৰা।

৩। অসমলৈ হোৱা অবাধ জনপ্ৰব্ৰজনে থলুৱা জনগোষ্ঠীসমূহৰ খাদ্যাভাসকে ধৰি জীৱন প্ৰণালীৰ ওপৰত কেনেদৰে প্ৰভাৱ পেলাইছে, তাৰ এটি ক্ষেত্ৰভিত্তিক অধ্যয়ন কৰা।

৪। অসমৰ অৰ্থনৈতিক সমস্যা আৰু সম্ভাৱনাৰ লগত জনবিস্ফোৰণৰ সম্বন্ধ আৰু সম্পৰ্কৰ নিৰ্বাচিত ক্ষেত্ৰ সমীক্ষাৰ ভিত্তিত বিচাৰ কৰা।

৫। জনবিস্ফোৰণ নিয়ন্ত্ৰণৰ উপায় কেইটামান আঙুলিয়াই দি এইবোৰ কাৰ্যকৰী কৰিবলৈ কেনেদৰে আগবঢ়া উচিত, সেই বিষয়ে ক্ষেত্ৰভিত্তিক অধ্যয়নৰ আধাৰত পৰামৰ্শ আগবঢ়োৱা।

অষ্টম অধ্যায়

# (ক) প্ৰাক্-ব্ৰিটিছ যুগৰ অসমৰ শিল্প-উদ্যোগ

**প্ৰয়োজনীয় টোকা**

অসমৰ ক্ষেত্ৰত প্ৰাক্ -ব্ৰিটিছ যুগ বুলিলে ১৮২৬ খ্ৰীঃৰ ইয়াণ্ডাবু সন্ধিৰ আগৰ সময়ছোৱাক বুজোৱা হয়। সহজভাৱে এই সময়ছোৱাক প্ৰাক্-ঐতিহাসিক যুগৰ পৰা ১২২৮ খ্ৰীঃত আহোমসকলৰ আগমনলৈকে প্ৰাচীন যুগ আৰু ১২২৮ খ্ৰীঃৰ পৰা ১৮২৬ খ্ৰীঃলৈকে মধ্যযুগ বুলিও সামৰি ল'ব পাৰি।

উৎপাদনৰ সৈতে জড়িত কৰ্মৰাজি বা প্ৰতিষ্ঠানসমূহেই হ'ল সহজ ভাষাত শিল্প-উদ্যোগ। প্ৰাক্-ব্ৰিটিছ যুগৰ অসমৰ শিল্প-উদ্যোগসমূহ আছিল মূলতঃ কুটীৰ শিল্প (cottage industry)। এই যুগত আধুনিক ধৰণৰ শিল্প-উদ্যোগ অসমত গঢ় লৈ উঠাটো অকল্পনীয় আছিল। কাৰণ, এনেধৰণৰ শিল্প-উদ্যোগ গঢ় লবলৈ প্ৰয়োজনীয় মূলধন আৰু আধুনিক বিজ্ঞান, প্ৰযুক্তিবিদ্যা আদি সেইযুগৰ অসমত আছিল শূন্যপ্ৰায়। গতিকে দেশৰ জনসাধাৰণৰ লাগতিয়াল সামগ্ৰীসমূহ আনৰ ওচৰত হাত নপতাকৈ নিজৰ দেশতে পৰম্পৰাগত কৌশল আৰু আহিলা-পাতিৰ জৰিয়তে উৎপাদন কৰি ল'বৰ বাবে এই কুটীৰ শিল্পসমূহ ঘৰে ঘৰে গঢ় লৈ উঠিছিল। পৰৱৰ্তী সময়ত ইংৰাজে ১৮২৬ খ্ৰীঃৰ ইয়াণ্ডাবু সন্ধিৰ জৰিয়তে অসম দেশ পৰ্য্যায়ক্ৰমে নিজৰ দখললৈ নি শাসন ক্ষমতা সুদৃঢ় কৰাৰ পাছতহে নিজ দেশৰ শিল্প বিপ্লৱ প্ৰসূত উন্নত বিজ্ঞান-প্ৰযুক্তিবিদ্যা প্ৰয়োগৰ দ্বাৰা অসমত তেল, কয়লা, চাহ আদিৰ উৎপাদনৰ বাবে আধুনিক শিল্প-উদ্যোগ প্ৰতিষ্ঠা কৰিবলৈ লয়।

এই অধ্যায়ত প্ৰাক্-ব্ৰিটিছ যুগৰ অসমত গঢ়ি উঠা শিল্প-উদ্যোগসমূহৰ বিষয়ে এটি চমু আলোচনা কৰা হ'ল।

## পলু পোহা আৰু বোৱা-কটা শিল্প ঃ

পলু পোহা আৰু বোৱা-কটা শিল্পৰ বাবে অসম ৰামায়ণ - মহাভাৰতৰ যুগৰ পৰাই বিখ্যাত। মহাকাব্য ৰামায়ণত অসমক ‘পলু পোহাৰ দেশ’ বুলি কৈছে। কামৰূপৰ বৰ্মণ বংশৰ ৰজা ভাস্কৰ বৰ্মণে কৰ্ণৌজৰ সম্ৰাট হৰ্যবৰ্দ্ধনলৈ বন্ধু হিচাপে পঠোৱা উপহাৰসমূহৰ ভিতৰত পাট কাপোৰো আছিল। বিদেশী পৰ্যটকসকলেও অসমৰ পাট শিল্পক ভূয়সী প্ৰশংসা কৰি গৈছে। উদাহৰণস্বৰূপে ইংৰাজ ভ্ৰমণকাৰী ৰাল্ফ ফিট্‌চে কোচ ৰাজ্যত পাট, কপাহী আদি কাপোৰ উৎপাদন হোৱাৰ কথা লিখি থৈ গৈছে। পাট, মুগা আৰু এৰী আদি পলু পোহা শিল্প বা পাট শিল্প আৰু বোৱা-কটা বা বয়ন শিল্প অসমৰ বিভিন্ন ৰাজ্যত প্ৰাচীন কালৰে পৰাই আছিল যদিও আহোম স্বৰ্গদেউসকলৰ পৃষ্ঠপোষকতাত এই দুই শিল্পই জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হৈছিল; কাৰণ,

স্বৰ্গদেউসকলেই পাট-মেজাংকৰী, কিংখাপ, সোণালী-ৰূপালী গুণাৰ বনকৰা কাপোৰৰ ব্যৱহাৰ অসমত জনপ্ৰিয় কৰি তোলে।

বস্ত্ৰ বা কাপোৰ তৈয়াৰ কৰিবৰ বাবে সূতা প্ৰস্তুত কৰিবলৈ অসমত কপাহৰ খেতি কৰা হৈছিল অথবা সমীপৰ পাহাৰীয়া অঞ্চলৰ পৰা কপাহ সংগ্ৰহ কৰা হৈছিল। নেওঠনী (cotton-gin) নামৰ আহিলাৰ সহায়ত কপাহৰ গুটি গুচাই সেই কপাহৰ জোলাবোৰৰ পৰা সূতা কাটি তাঁতশালত সূতাবোৰ বৈ কাপোৰ তৈয়াৰ কৰা হৈছিল।

অসমত অতীজৰে পৰা প্ৰধানকৈ তিনিপ্ৰকাৰৰ পলু পোহা হৈ আহিছে - পাট পলু, মুগা, পলু আৰু এৰী পলু। পাটপলু পুহি পাট-সূতাৰ ব্যৱসায় কৰা লোকসকলক 'যুগী' বা 'কাটনি' বোলা হৈছিল। পাট পলুৱে নুনি গছৰ; মুগাই চোম, সোঁৱালু গছৰ; এৰী পলুৱে এৰা, কেচেৰু আদি গছৰ পাত খাইছিল। মেজাংকৰী গছৰ পাত খোৱা মুগাৰ পৰা উৎপন্ন হোৱা সূতাক মেজাংকৰী সূতা বুলিছিল। সেইদৰে কুটকুৰা গছৰ কুটকুৰা মুগা, ফুটুকা গছৰ দেওমুগা, আদি মুগাৰ পৰাও সূতা উৎপন্ন হৈছিল যদিও এইবোৰ সূতাৰ গুণাগুণ উত্তম নাছিল। এই মুগা পোহা শিল্পটো অতি আৰ্কষণীয় আছিল। এই শিল্পত পুৰুষ-মহিলা উভয়ে জড়িত আছিল যদিও ঘৰৰ বাহিৰৰ চোমনিবোৰত প্ৰধানকৈ পুৰুষসকল আৰু ঘৰৰ ভিতৰত পলু আদি পোহা কামত মহিলাসকল জড়িত আছিল। বছৰৰ বিভিন্ন ঋতুৰ উপযোগীকৈ বিভিন্ন জাতৰ মুগাৰ পখিলা বা চকৰা-চকৰী সংগ্ৰহ কৰি উঘাৰ ওপৰত চকৰা-চকৰীবোৰ বান্ধি যোৰা পাতি কণী পাৰিবলৈ সুবিধা কৰি দি পলু ফুটিলে সেই পলুবোৰক জাত অনুযায়ী আৰু বয়স অনুপাতে কেচেৰু, নুনি, এৰা আদি গছৰ কোমল বা পূৰঠ পাত খোৱাই ডাঙৰ কৰি শুকান গছৰ ঠাল বা বাঁহৰ জালী সাজি পকা মুগাই বাহ লৈ লেটা কুন্দাৰ সুবিধা কৰি দিয়ালৈকে প্ৰায় সমস্ত কামত প্ৰধানকৈ মহিলাসকল নিয়োজিত আছিল। মুগাৰ লেটাবোৰ জালীৰ পৰা আঁতৰাই তপত পানীত উতলাই খোলাৰ পৰা টাকুৰি, উঘা, লেটাই, চেৰেকী আদি সঁজুলিৰ সহায়ত সূতা প্ৰস্তুত কৰা কামখিনিও কৰিছিল অসমীয়া মহিলাসকলেই। এইবোৰ কাম কম-বেছি পৰিমাণে আজিও এওঁলোকেই কৰে। পাটপলুৰ ব্যতিৰেকে আন আন পলুৰ খেতি সকলো শ্ৰেণীৰ বা জাতিৰ মানুহৰ মাজতে প্ৰচলন থাকিব পাৰিছিল।

## তাঁতশালত বোৱা-কটা ঃ

সূতা বৈ কাপোৰ তৈয়াৰ কৰিবৰ বাবে সাজি উলিওৱা তাঁতশালখন অসমীয়া শিপিনীৰ এক অসাধাৰণ শিল্প কৰ্ম। অসমীয়া তাঁতশালখনৰ লগত জড়িত বাঁহ বা কাঠেৰে তৈয়াৰ কৰা বিভিন্ন সঁজুলিবোৰৰ নামবোৰো আকৰ্ষণীয় - তাঁতৰ খুঁটা, টোলোঠা, ৰাঁচ, দোৰ্পতি, চালি-মাৰি, বান্দৰী, নাচনী, গৰকা, মাকো, মহুৰা, চিৰি, শলি, চিপকাঠী, গেৰেলী-কাঠী আদি অনেক সঁজুলিৰে অসমীয়া তাঁতশাল সাজি উলিওৱা হয়। তাঁত বোৱা আৰু সূতা কটা কাম দুটাক একেলগে বোৱা-কটা বুলি কোৱা হয়। সকলো অসমীয়া নাৰীৰ বাবে বোৱা-কটা কামটো প্ৰতিভা প্ৰদৰ্শনৰ কাম আছিল। ছোৱালীজনীক নিজৰ ঘৰতে মাক, বুঢ়ীমাক বা আন কাজী তিৰোতাই পৰ্য্যায়ক্ৰমে বোৱা-কটা কাম শিকাইছিল। বৰ ৰজা ফুলেশ্বৰী কুঁৱৰী, সৰ্বেশ্বৰী কুঁৱৰী আদি ৰাণীয়ে ৰংপুৰৰ ৰাজধানীত ছোৱালীহঁতক বোৱা-কটা শিকোৱাৰ কথা বুৰঞ্জীত পোৱা যায়। বোৱা-কটা নজনা ছোৱালীক 'থুপৰী' বুলি সমাজে হাঁহিছিল। যদিও ৰোৱা-কটা কামটো সকলো অসমীয়া তিৰোতাই কৰিছিল তথাপি তাঁত

বৈ জীৱিকা অৰ্জন কৰা ‘তাঁতী’ আৰু ‘জোলা’ নামৰ দুটা বৃত্তিজীৱী খেলও (professional guild) আছিল।

কপাহৰ পৰা কপাহী কাপোৰৰ উপৰিও এৰী, মুগা আৰু পাট এই তিনিবিধ কাপোৰ অসমৰ মহিলাসকলে বৈছিল। ইয়াৰ ভিতৰত পাট-মেজাংকৰী কাপোৰ মিহি, পাতল, শুৱনি আৰু দীৰ্ঘস্থায়ী। এৰী কাপোৰ খহটা, উমাল আৰু দীৰ্ঘস্থায়ী। পাট-মেজাংকৰী কাপোৰৰ চোলা, চুৰিয়া, মেখেলা, ৰিহা, চাদৰ, গামোচা আদি সমাজৰ উচ্চ শ্ৰেণীৰ লোকে আৰু কপাহী, এৰী আদি কাপোৰ আন সকলো লোকেই ব্যৱহাৰ কৰিছিল। ব'হাগৰ বিহুৰ দিনা প্ৰতিগৰাকী অসমীয়া তিৰোতাই ঘৰৰ লগতে আনকো একোখনকৈ ফুলাম গামোচা বা ‘বিহুৱান’ উপহাৰ দিব পৰাটো গৌৰৱৰ কথা আছিল। সেইদৰে অসমীয়া তিৰোতাই স্বামীক যুদ্ধলৈ যাবলৈ ৰাতিটোৰ ভিতৰতে কপাহ নেওঠী, সূতা কাটি, তাঁত লগাই মন্ত্ৰপূত ‘কৱচ কাপোৰ’ বৈ দিয়াৰ কথা বুৰঞ্জীত আছে। আহোম ৰমণী মূলা গাভৰুৱে স্বামী ফ্ৰাচেংমুঙ বৰগোঁহাইক ‘কৱচ কাপোৰ’ বৈ দিব নোৱৰাৰ বাবে তুৰ্বক খানৰ বিৰুদ্ধে হোৱা যুদ্ধত স্বামীৰ মৃত্যু হোৱাত তাৰ প্ৰতিশোধ লবলৈ নিজে যুদ্ধলৈ গৈ যুদ্ধ ক্ষেত্ৰত প্ৰাণ আহুতি দিয়া কাহিনী বুৰঞ্জীত আছে।

আহোম স্বৰ্গদেউসকলে বোৱা-কটা শিল্পৰ ওপৰত তীক্ষ্ণ নজৰ ৰাখিছিল। মোমাই তামুলী বৰবৰুৱাই প্ৰতিগৰাকী তিৰোতাৰ বাবে বোৱা-কটা কাম দৈনিক কৰাটো বাধ্যতামূলক কৰিছিল। মুঠতে বস্ত্ৰৰ উৎপাদনত পুৰণি অসম স্বাৱলম্বী আছিল আৰু এই ক্ষেত্ৰত সৰ্বাধিক অৰিহণা আগবঢ়াইছিল অসমৰ নাৰী শক্তিয়ে।

## বাঁহ-বেতৰ শিল্প ঃ

প্ৰাচীন কালৰ পৰা প্ৰায়ে সকলো অসমীয়া লোকেই কম-বেছি পৰিমাণে বাঁহ-বেতৰ কাম কৰিছিল। বিচনী এখন বব নজনা, জেওৰা এখন বব নজনা অসমীয়া পুৰুষক সমাজে হাঁহিছিল। অসমৰ অৰণ্যসমূহ জাতি, ভলুকা, মকাল, কোটোহা, বিজুলী, আদি বিভিন্ন প্ৰজাতিৰ বাঁহেৰে ভৰি আছিল। এইবোৰৰ সহায়ত অসমীয়া মানুহে ঘৰ-দুৱাৰ, জেওৰা-জপনা, নঙলা, ভঁৰাল, দলঙ, সাঁকো আদি সজাকে ধৰি নিত্য-ব্যৱহাৰ্য প্ৰায় সকলো সামগ্ৰী যেনে— শোৱা চাং, পানী চাং, আখল চাং, ঢৰা, জপা, বিচনা, খাং, পেটাৰি; ঢেঁকীশালৰ বিভিন্ন সঁজুলি যেনে— ডলা, কুলা, চালনী, পাচি, খৰাহি, বাখৰু; মাছ ধৰা বিভিন্ন সঁজুলি যেনে - জাকৈ, চেপা, খোকা, ঠুহা, হুকুমা, দলঙা, পাউৰি, উভতি, বান; খেতি-বাতিৰ সঁজুলি যেনে - মৈ, যুঁৱলি, ডিলামাৰি, শ'লমাৰি, বিৰীয়া, বাঁওকা, এচাৰি, তোম; যুদ্ধৰ অস্ত্ৰ-শস্ত্ৰ যেনে - যাঁঠি, জোং, ধনু-কাঁড়, টোকোন, কোঠৰ প্ৰাচীৰ; ভাওনাৰ বিভিন্ন সঁজুলি যেনে - মুখা, ছোঁ আদি সাজিছিল। সেইদৰে জাতি, ৰাইদাং আদি বেতেৰে মৰণা মৰা গৰুৰ মোখোৰা, তেলপেৰা বেতেৰি, খালৈ, বিচনী, হাতীৰ আগ ঠেং জুঁটি বন্ধা ‘খাটাং’ নামৰ শকত বেতৰ বাণ্ডা আদি সাজি লৈছিল। বাঁহ-বেতৰ এই সঁজুলিবোৰ সাজোতে বিভিন্ন মোৰ (manner of braiding or weaving) যেনে— কছাৰি-মোৰ, অজলা-মোৰ, জালি-মোৰ আৰু মতা-গাঁঠি, মাইকী-গাঁঠি, শামুকীয়া-গাঁঠি, অজলা-গাঁঠি আদি বিভিন্ন প্ৰকাৰৰ গাঁঠি (knot) ব্যৱহাৰ কৰা হৈছিল। পুৰুষানুক্ৰমে বাঁহ-বেতৰ শিল্পজ্ঞান সৰুৱে ডাঙৰৰ পৰা ঘৰখনতেই লাভ কৰিছিল। এই শিল্পই অসমীয়া মানুহক স্বাৱলম্বী হোৱাত সহায় কৰিছিল। এই শিল্পৰ চৰ্চা বহুতো অসমীয়া পৰিয়ালত প্ৰধানকৈ কৃষক পৰিয়ালত আজিও পূৰ্ণোদ্যমে চলি আছে। বাঁহ-বেতৰ শিল্পৰ আদৰ আৰু জনপ্ৰিয়তা আজিও প্ৰায় অটুট আছে বুলি ক'ব পাৰি।

## সোণ কমোৰা শিল্প ঃ

সোণ কমোৰা বা নৈৰ বালিৰ পৰা সোণ উৎপাদন কৰা শিল্পটো এক প্ৰাচীন শিল্প। প্ৰাচীন গ্ৰন্থ, বুৰঞ্জী, বিদেশী লেখকৰ লেখা আদিত অসমত সোণ আৰু ৰূপ নৈৰ বালি ধুই সংগ্ৰহ কৰাৰ কথা পোৱা যায়।

## সোণ কমোৰা পদ্ধতি ঃ

সোণ কমোৰাৰ বিষয়ে বিভিন্ন বুৰঞ্জী, বিদেশী লেখকৰ লেখনি আদিত সুন্দৰকৈ বৰ্ণনা কৰা আছে। সেই বৰ্ণনাকে চমুকৈ তলত দিয়া হ'ল।

নদ-নদীৰ কোৱাল সোঁতে নৈৰ গৰা খহাই যেতিয়া সিটো পাৰে বালিৰ চট পেলায়, সোণ উৎপাদনত সুদক্ষ সোণোৱালসকলে গৈ সেই বালিৰ চট পৰীক্ষা কৰি বালিত সোণৰ চেঁকুৰা থকা গম পালে সেই ঠাইডোখৰতে সোণ কমোৰা বা সোণ খপাৰ বাবে বাহৰ পাতিবলৈ স্থিৰ কৰে। সোণ কমাব খোজা চাৰিজন সোণোৱাল পাইক একগোট হৈ মুঠ বান্ধে। এই পাইক চাৰিজনক 'পালি' আৰু তেওঁলোকৰ পৰামৰ্শদাতাজনক 'পতি' বোলা হৈছিল। প্ৰতিটো গোটে এখন দুৰুণীত সোণ কমাইছিল। এই পালি চাৰিজনৰ ভিতৰত এজনে বালি খান্দে, দুজনে লেহেতীৰে বালি কঢ়িয়াই দুৰুণীলৈ আনে আৰু এজনে সোণ ধোৱে। সোণ কমাবৰ বাবে নিৰ্বাচন কৰি লোৱা বালি চটটোত এডাল বাঁহৰ জোঙা মাৰিৰে তললৈ খুঁচি চায় আৰু তলত পোৱা টান বালিৰ চপৰা এচলা বাঁহত তুলি ওপৰলৈ আনি বালিচপৰাত সোণৰ চেঁকুৰা থকা যেন দেখিলে চটৰ কাষত বাহৰ সাজি পলম নকৰাকৈ সোণ কমাবলৈ আৰম্ভ কৰে। প্ৰথমে সোণোৱালসকলে সুঁতিৰ দ ঠাইডোখৰত ভেটা মাৰে। সৰু সুঁতি হ'লে বালিৰে আৰু ডাঙৰ সুঁতি হ'লে জেং-জাবৰেৰে ভেটে। এইদৰে ভেটা মাৰিলে সোণ কমাব খোজা বালিৰ চটৰ ওপৰেদি পানীৰ সোঁতে পাক্ লৈ ওপৰৰ তৰপটো ধুই সোণ চেঁকুৰা মিহলি হৈ থকা বালিৰ তৰপটো উলিয়াই দিয়ে। ইয়াৰ পিছত সোণোৱালসকলে ভেটাটো ভাঙি সেই সোণ চেঁকুৰা মিহলি বালিবোৰ কাঠৰ লেহেতী এখনেৰে কঢ়িয়াই আনি এটা পাচিত ভৰাইহি। এই পাচিৰ বালিবোৰ এইবাৰ কাঠৰ দুৰুণীখনৰ ওপৰত থোৱা বান এখনত বাকি দিয়েহি। ইয়াৰ পাছত এজনে এখন হাতেৰে ফুটা কলহৰ জলাৰে পানী বাকি আনখন হাতেৰে বালিবোৰ লৰাই তাত থকা খেৰ-কুটাবোৰ চাফা কৰে। এইদৰে বালিবোৰ ধুই থাকোতে তলত থকা দুৰুণীখন বালি আৰু পানীৰে ভৰি পৰে। তেতিয়া সেইখন অলপ একতীয়া কৰি দিলে তাৰ পৰা বাকী থকা খেৰ-কুটা খিনি সুৰুঙাইদি সৰকি ওলাই যায় আৰু সোণৰ চেঁকুৰা মিহলি বালিবোৰ নিগৰি দুৰুণীৰ তলত পৰি ৰয়। এইদৰে পঞ্চাছ পাচি মান বালি ধোৱা সম্পূৰ্ণ হ'লে সোণোৱালসকলে তাক 'শিয়া' বোলে।

দুৰুণীখনৰ সুৰুঙাটোৰ মুখতে কৌপাত এখন ৰাখি সোণ মিহলি বালিৰ ওপৰত আকৌ কলহৰ জলাৰে পানী চটিয়াই দিয়া হয়। এইদৰে পানী চটিয়াই থাকিলে বালিবোৰ আঁতৰি যায় কিন্তু সোণৰ গুড়িবোৰ কৌপাতত লাগি ধৰে। এই কৌপাতত লাগি ধৰা সোণ গুড়িবোৰ লাহে লাহে এৰুৱাই চুঙাত ভৰাই সোপা দি থৈ দিয়া হয়। চুঙাত ভৰোৱা এই সোণ গুড়িবোৰকে আকৌ দুৰুণীত ঢালি তাৰ সৈতে পাৰদ (পাৰা) মিহলাই পানী বাকি দিয়া হয়। পানী পালেই পাৰদৰ লগ লাগি সোণগুড়িখিনি লদা বান্ধে। তেতিয়া সেই লদাটো তুলি আনি শামুকৰ খোলাত ভৰাই নাহৰ কাঠৰ জুইত তপতোৱা হয়। জুইৰ তাপ পোৱাৰ লগে লগে পাৰদ বা পাৰাখিনি ভাপ হৈ উৰি যায়, শামুকৰ খোলাটো চুণ হয় আৰু সোণখিনিও সোণ ভাগে ৰৈ যায়।

মাঘ, ফাগুণ, চ'ত —বছৰৰ এই খৰালি তিনিমাহেই সাধাৰণতে সোণ কমোৱা হৈছিল। অৱশ্যে কোনো কোনো ঠাইত আহিন, কাতি বা আন মাহতো সোণ কমোৱা হৈছিল। আঁউসী, একাদশী, পূৰ্ণিমা, সংক্ৰান্তি আদি তিথিত সোণোৱালসকলে সোণ কমোৱা নাছিল।

সোণ কমোৱা বেলেগ পদ্ধতিও আছিল। যেনে, উদ (Otter) ৰ ছাল পানীত পাতি সোণ কমোৱা পদ্ধতি। এই পদ্ধতিত পাহাৰৰ পৰা বৈ অহা নদীৰ পানী পৰি কুণ্ডৰ দৰে হোৱা ঠাইৰ পৰা পুনৰ পানীৰ সোঁত বৈ যোৱাৰ ফালে একাঁঠুৰা পানীত চাৰিটা খুঁটি পুতি উদৰ ছালখন পানীত পাতি থোৱা হয়। তাৰ পাছত প্ৰতি বেলাৰ মূৰে মূৰে ছালখন আনি মিহি ডলা এখনত শুকুৱাই পাছত ডলাৰ ওপৰতে ছালখন জোকাৰি দিয়ে। তেতিয়া বালিবোৰ ডলাৰ ওপৰত পৰে আৰু সোণৰ চেঁকুৰাবোৰ উদৰ ছালৰ নোমত লাগি ধৰে। নোমত লাগি ধৰা সোণৰ চেঁকুৰাবোৰ জোঙা লেপেৰে (tongs) গোটাই গলাই পেলোৱা হয় আৰু এনেকৈয়ে সোণ সংগ্ৰহ কৰা হয়। চুতীয়া, কছাৰী, কোচ আদি ৰাজ্যতো বহু পৰিমাণে সোণ কমোৱা হৈছিল।

কোচ ৰজা নৰনাৰায়ণে সোণৰ 'নাৰায়ণী মুদ্ৰা' প্ৰচলন কৰিছিল। আহোম স্বৰ্গদেউসকলেও সোণৰ মুদ্ৰা উলিয়াইছিল। সেইদৰে পাহাৰীয়া জনজাতিসকলেও সোণ উৎপাদন কৰিছিল। এওঁলোকৰ লগতে নৰা ৰাজ্যৰ পৰাও সোণ অসমলৈ আমদানি হৈছিল।

পুৰণি অসমত ব্ৰহ্মপুত্ৰ, সোৱণশিৰি, দিক্ৰং, দিহিং, দিবাং, দিগাৰু, দিচাং, ডিবুৰু, জাঁজী, বৰগাং, ভৰলী, বুঢ়ীগাং, দিচৈ, জগলু, মানাহ আদি নৈৰ বালিত সোণ কমোৱা হৈছিল।

সোণোৱালসকলে আহোম স্বৰ্গদেউৰ ৰাজভঁৰাললৈ দুই হাজাৰৰ পৰা ছয়-সাত হাজাৰ তোলা পৰ্যন্ত সোণ বছৰি যোগান ধৰা কথা বুৰঞ্জীত পোৱা যায়।

## স্বৰ্ণশিল্প ঃ

সোণ, ৰূপৰ গহনা-গাঁথৰি বা অন্যান্য সামগ্ৰী তৈয়াৰ কৰা শিল্পটোৱে হ'ল স্বৰ্ণশিল্প।

প্ৰাক্-আহোম যুগৰ অসমত বিভিন্ন স্বৰ্ণ-অলংকাৰৰ বিষয়ে সাহিত্যিক সমলসমূহত পোৱা যায় যদিও এই শিল্পটোৰ বিষয়ে বিশেষভাৱে পোৱা নাযায়। অৱশ্যে আহোম যুগৰ স্বৰ্ণশিল্পৰ বিষয়ে বুৰঞ্জী অথবা বিদেশী লেখকৰ টোকাত অনেক কথা পোৱা যায়।

প্ৰাচীন অসমত 'সোণাৰি' নামৰ বৃত্তিজীৱী খেলটো স্বৰ্ণশিল্পৰ সৈতে জড়িত আছিল। সোণাৰিসকলে ঘৰতে পাতি লোৱা সোণাৰি শালত কেৰু, দুগদুগি, বানা, খাৰু, লোকাপাৰ, গেজেৰা, মাদলি, গলপতা, গামখাৰু, আঙুঠি, কাণফুলি, জোনবিৰি আদি বিভিন্ন অলংকাৰ তৈয়াৰ কৰিছিল। সোণাৰি শালৰ বাবে সোণাৰিসকলে মাঠনী, নৰণী, মুহি, ভাতী (ছাগলীৰ ছালৰ ভাতী), সঁৰাহ, ৰেতি, শাণ, পচৰঙী (গাহৰি নোমৰ বুৰুজ) আদি সঁজুলি ব্যৱহাৰ কৰিছিল। মুহিত সোণ গলাই, জাংফাই কেৰুৰ মুখখন সোণেৰে বন্ধাই, বাখৰ পতাই প্ৰাচীন অসমৰ সোণাৰিয়ে কাণৰ থুৰীয়া সাজিছিল। অলংকাৰত বাখৰ পতাবলৈ বাখৰবোৰ ঠিকমতে খাঁজিবলৈ পাতসোণ ব্যৱহাৰ কৰিছিল। সোণাৰি শাললৈ সোণ, ৰূপ, বাখৰ, মণি-মুকুতা, পোৱাল, জাংফাই, গন্ধক, লা আদি বিভিন্ন সামগ্ৰী থলুৱাভাৱে পোৱাৰ উপৰিও সমীপৱৰ্তী পাহাৰীয়া অঞ্চল আৰু অন্য ৰাজ্যৰ পৰাও আমদানি কৰা হৈছিল।

অসমীয়া সোণাৰিসকল ভাৰতৰ ভিতৰতে বিখ্যাত আছিল। এওঁলোকে সোণৰ উল্লিখিত অলংকাৰসমূহৰ উপৰিও সোণৰ ছাতি, জাপি, মূৰ্ত্তি, ভোগজৰা, মাইহাং, ধোঁৱাখোৱা, শৰাই, সঁফুৰা, বটা, কাঁহী-বাটি, সোণৰ চৰিয়া, সোণ-খটোৱা বৰতোপ, হেংদাঙ, তৰোৱাল, চাকি, গছা, টেমি, সোণৰ মলমা কৰা কটাৰী আদি গঢ়িছিল। সেইদৰে পিন্ধা কাপোৰত সোণৰ ফুল, গুণা, পটি আদিৰ বন কৰিছিল। সোণালী জামা, পাগ, ওৰণি, পটুকা আদিত সোণৰ বন কৰিছিল। আনকি আহোম ৰজা-ৰাণীসকলৰ মৈদামতো সোণৰ বৰৈ দিয়া চন্দ্ৰতাপ, সোণৰ দাপোণ মৰা চালপীৰা, ৰূপৰ পাটী, সোণৰ আৰু বাখৰৰ বনকৰা গাৰু, সোণৰ বটা, পাণ থোৱা সোণৰ টেমা, সোণৰ ডাবেৰে কটাৰী, সোণৰ ধোঁৱাখোৱা, ভোগজৰা, আ-অলংকাৰ, চুলিৰ চেং আদি দিয়াৰ কথা বুৰঞ্জীত পোৱা যায়। আহোম স্বৰ্গদেউসকলে দিল্লী, বংগদেশ আদিৰ পৰাও সোণাৰিৰ লগতে কাপোৰত গুণাৰ ফুলবচা কাম জনা দক্ষ লোকক আনি অসমত সংস্থাপিত কৰিছিল আৰু এওঁলোকক লৈ 'গুণাকটীয়া' নামৰ খেলৰ সৃষ্টি কৰিছিল।

## ৰূপ কমোৱা শিল্প ঃ

অসম দেশ ৰূপ শিল্পতো চহকী আছিল। প্ৰাচীন কামৰূপ ৰাজ্যৰ তামৰ ফলি, সংস্কৃত আৰু পুৰণি অসমীয়া সাহিত্য, বুৰঞ্জী, চৰিত পুথি আদিত ৰূপৰ ব্যৱহাৰৰ উল্লেখ পোৱা যায়।

পুৰণি অসমত ধনশিৰি, দৈগ্ৰোং, দৈয়াং, দিচৈ আদি নৈসমূহ 'ৰূপ খপা' বা 'ৰূপ কমোৱা'ৰ বাবে প্ৰখ্যাত আছিল। এই নদীসমূহৰ বালিৰ পৰা ৰূপৰ চেঁকুৰা সংগ্ৰহ কৰি বা ৰূপ কমাই ৰূপ উৎপাদন কাৰ্যত ৰূপোৱাল বা ঠেঙাল খেলৰ লোকসকল নিয়োজিত আছিল।

'ৰূপ কমোৱা' বা 'ৰূপ খপা' পদ্ধতিটো সোণ কমোৱা পদ্ধতিৰ সৈতে প্ৰায় একে আছিল। ৰূপোৱাল পাইকসকল পাঁচ-ছজনীয়া দলৰ একোটা গোট হৈ নৈৰ বালি পৰীক্ষা কৰি ৰূপৰ চেঁকুৰা পালে সেই ঠাইতে ৰূপ খপিবলৈ আয়োজন কৰিছিল। এওঁলোকৰ দলৰ নেতাজনক 'দলৈ' আৰু বাকীসকলক 'পালি' বোলা হৈছিল। সোণ কমোৱাৰ দৰে ৰূপ কমাবলৈও কাঠৰ দুৰুণী, লেহেতী, কাঠৰ চৰিয়া আদি সঁজুলিৰ প্ৰয়োজন হৈছিল। পালিসকলে বালি খান্দি, লেহেতীৰে বালি কঢ়িয়াই, কাঠৰ দুৰুণীত বালি ধুই ৰূপৰ চেঁকুৰা পৃথক কৰি ৰূপ উৎপাদন কৰিছিল।

এনেকৈ নিজ দেশত ৰূপ উৎপাদন হোৱাৰ উপৰিও বৰখামতি অঞ্চলৰ পৰাও ৰূপ আমাৰ দেশলৈ আহিছিল আৰু চিংফৌসকলৰ জৰিয়তে চীন দেশৰ পৰাও ৰূপ আহিছিল। মিচিমি, নিচি আদি অন্যান্য পাহাৰীয়া জনজাতিসকলেও বিভিন্ন সময়ত ৰূপৰ যোগান ধৰিছিল।

অসমীয়া শিল্পীয়ে ৰূপৰ পৰা নানা অলংকাৰ, বাচন- বৰ্তন, মূৰ্ত্তি আৰু অন্যান্য সামগ্ৰী তৈয়াৰ কৰিছিল। আহোম স্বৰ্গদেউসকলে টকাশালত নানা নিৰিখৰ ৰূপৰ মোহৰ মৰাইছিল। কোঁচ ৰাজ্যতো ৰূপৰ নাৰায়ণী মোহৰ মৰোৱা হৈছিল। তদুপৰি সোণৰ দৰে ৰূপোৱালী পানী চৰাই আৰু পাট সলাই বিভিন্ন সামগ্ৰী তৈয়াৰ কৰা হৈছিল। কাপোৰ-কানিতো ৰূপৰ গুণা লগাইছিল। ৰূপৰ নানা কাৰুকাৰ্য খচিত ভোগজৰা, শৰাই, সঁফুৰা, গামখাৰু আদি বিভিন্ন আ-অলংকাৰ তৈয়াৰ কৰিছিল। পিতল, তাম আদি ধাতুৰ পাত্ৰত ৰূপৰ ফুল-জালি খোদাই কৰিছিল।

ৰূপৰ কামকৰা কমাৰ বা শিল্পীসকলৰ শালখন সোণাৰিসকলৰ শালখনৰ দৰেই আছিল। মাত্ৰ বাগী, কুন্দশাল আদি কেইপদমান সঁজুলি বেছিকৈ আছিল।

## 'লো' উৎপাদন শিল্প ঃ

'লো' বা লোহা উৎপাদন শিল্পটো প্ৰাচীন অসমৰ অন্যতম প্ৰধান শিল্প আছিল। প্ৰাচীন অসমৰ 'লো' উৎপাদনৰ সৈতে তিৰোৱাল বা লো-শলীয়া খেলৰ লোকসকল জড়িত হৈ আছিল। উজনি অসমৰ জয়পুৰৰ পৰা তিৰুপাহাৰ, বচা-দৈয়াঙলৈকে নগাপাহাৰৰ নামনিত অবিভক্ত শিৱসাগৰ জিলা অৰ্থাৎ আহোম যুগৰ ৰংপুৰ নগৰৰ দক্ষিণে লো- শালবোৰ আছিল।

'লো' উৎপাদন কৰা পদ্ধতিটোৰ বিষয়ে বিভিন্ন বুৰঞ্জী আৰু বিদেশী লেখকৰ টোকাত পোৱা যায়। পদ্ধতিটো থূলমূলকৈ এনে ধৰণৰ— লো বা লোহা উৎপাদনৰ সৈতে জড়িত আছিল 'লো-শলীয়া' বা 'তিৰোৱাল' খেলৰ লোকসকল। বাৰিষা নৈত ঢল উঠিলে পানীৰ সোঁতে পৰ্বতৰ পৰা 'লোৱা মাটি' বা লোৰ আকৰ মিহলি মাটি আনি নৈৰ ঠায়ে ঠায়ে চট পেলায়হি। এই চটৰ ওপৰতে পলসো পৰি খৰালিমহীয়া লোৱা মাটি বা লোৰ আকৰ মিহলি মাটিবোৰ টান হয়। লো-শলীয়া পাইকে গম লৈ সেই লোৱা-মাটিবোৰ খান্দি উলিয়াই গাঁতত দম কৰি থয়। লো-শলীয়া পাইকৰ এটা গোটত পাঁচজন পালি আৰু এজন ওজা থাকে। এওঁলোকে খৰালি মহীয়া বিভিন্ন সঁজুলি লৈ এটা ডাঙৰ আৰু দ গাঁতত দমাই থোৱা মাটিবোৰত পানী ঢালি ভৰিৰে খচকি লোৰ আকৰ থকা খচখচীয়া মাটিবোৰ পৃথক কৰে। ইয়াৰ পাছত লোৰ আকৰবোৰ আহল-বহল কোঠাৰ চালিৰ তলত থকা জালীগাঁতত ৰাখি ইকৰা খৰিৰে জুই জ্বলাই জাল দিয়ে আৰু ভাতী মাৰি জুইৰ তাপ বঢ়ায়। এনেকৈ জাল দি থাকোতে এটা সময়ত লোৰ আকৰবোৰ গলিবলৈ ধৰে। গলা লোৰ ওপৰত ফেনৰ সৈতে উঠা ভেবেৰবোৰ (Scum) পেলাই দিয়া হয় আৰু লোৰ আকৰবোৰ লেতুসেতু হৈ লদা বান্ধে। ইয়াৰ পাছত লৰণীৰে লৰাই, কাঢ়নীৰে কাঢ়ি লো ডোখৰ ধুৰমুছ্ এডালেৰে খুন্দি নাইবা সাঁচত পেলাই গোটা বা চেপেটা কৰি একোডোখৰ গোটা লো বা চিৰি লো গঢ়া হয়। ঘনাই খুন্দি থাকোতে লোডোখৰৰ পৰা অলাগতিয়াল অংশবোৰ এৰাই নিকা লো ডোখৰ ওলাই পৰে।

সেইদৰে কেঁচা লো পুনৰ জুইত পুৰি তীখা তৈয়াৰ কৰা হৈছিল। এনে কৰোতে লোৰ সৈতে নাহৰ, কৰৈ আদি টান কাঠৰ এঙাৰৰ গুড়ি মিহলি কৰা হৈছিল। পোৱা কামটো শেষ হলে তীখা ডোখৰ অভিজ্ঞ ওজা এজনে পানীত বুৰাই পাগ্ ধৰিছিল। পাগ্ ধৰোতে দা-কটাৰীৰ তপত ৰঙা ধাৰটো পানীত জুবুৰিয়াই তৎক্ষণাৎ উলিয়াই আনিছিল প্ৰয়োজনীয় ৰং নুঠালৈকে। কেৱল পানীতে নহয়; লোহা কটা 'চেনী' বা লোহা ফুটা কৰা 'বেনা' আদি সঁজুলি তেলতো পাগ্ ধৰা হৈছিল। অতি দক্ষ আৰু অভিজ্ঞ কমাৰেহে সঠিকভাৱে পাগ্ ধৰিব পাৰিছিল।

## কাঁহ শিল্প ঃ

পুৰণি অসমৰ কাঁহ শিল্পৰ সম্পৰ্কে জানিবলৈ বৰ বেছি সমল পোৱা নাযায়। অৱশ্য কাঁহৰ বহুবিধ সামগ্ৰীৰ ব্যৱহাৰৰ কথা পোৱা যায়। প্ৰাক্-আহোম যুগৰ সংগীতৰ বাদ্যযন্ত্ৰ যেনে - বৰকাঁহ, কাঁহ, নানা বিধৰ তাল, ঘন্টা, নূপুৰ, কিংকিনী আদিৰ নাম পোৱা যায়। প্ৰাচীন চৰ্য্যাপদসমূহৰ লগতে প্ৰাচীন গ্ৰন্থ কালিকা

পুৰাণ, যোগিনীতন্ত্ৰ, মাধৱ কন্দলিৰ ‘ৰামায়ণ’ আদি গ্ৰন্থত বিভিন্ন কাঁহৰ সামগ্ৰীৰ উল্লেখ পোৱা যায়। চৰিত পুথিসমূহতো কাঁহৰ বিভিন্ন সামগ্ৰীৰ উল্লেখ আছে।

মধ্যযুগৰ অসমত কাঁহ শিল্পই প্ৰসাৰতা লাভ কৰিছিল আৰু বিভিন্ন অঞ্চলত কাঁহ শিল্পৰ সৈতে জড়িত কঁহাৰসকল আছিল। অসমৰ কঁহাৰসকলে কাঁহ তৈয়াৰ কৰিবলৈ তাম আৰু ৰাং মিহলাইছিল। কেতিয়াবা ৰূপও মিহলাইছিল। খোৱা-বোৱা কৰা পাত্ৰ হিচাপে এই যুগৰ অসমত কাঁহৰ পাত্ৰই প্ৰধানকৈ ব্যৱহৃত হৈছিল। কাঁহৰ বাচন-বৰ্তন তৈয়াৰ কৰাৰ বাবে হাজো, সৰ্থেবাৰী, যোৰহাট জিলাৰ কৰঙা, তিতাবৰ আদি অঞ্চল বিখ্যাত হৈ উঠিছিল।

কাঁহ শিল্পৰ বাবে জুইশাল, কুন্দশাল, মাঠনী, হাতুৰি, নিয়াৰি, সঁৰাহ, চাঁচনি, চেনী, চেপেনা, ভাতী আদি আহিলা-পাতিৰ প্ৰয়োজন হৈছিল।

কাঁহৰ সামগ্ৰী নিৰ্মাণ কৰিবলৈ কঁহাৰ এজনে প্ৰথমে ভঙা কাঁহৰ টুকুৰাবোৰ জুইশালত গলাই লপথপীয়া কৰি লয়। তাৰ পাছত সেইবোৰ লোৰ সঁৰাহেৰে উলিয়াই আনি নিয়াৰিত থৈ বিভিন্ন আকাৰৰ হাতুৰি, মাঠনী আদিৰে খুন্দি প্ৰয়োজনীয় আকাৰ দিয়ে। আকাৰটো সম্পূৰ্ণ হৈ মনঃপুত হলে তাক কুন্দশালৰ ধুৰাত লাৰে লগাই লৈ চাঁচনিৰে চাঁচি মিহি কৰে। শেষত ছেনি আদি যতনেৰে সামগ্ৰীটোত ফুল-জালি কাটি পৰিষ্কাৰকৈ ধুই পেলায়। প্ৰাক্-ব্ৰিটিছ যুগত অসমৰ কঁহাৰসকলে তৈয়াৰ কৰা সামগ্ৰীসমূহ আছিল - কাঁহী, বান কাঁহী, বৰকাঁহী, বেৰাকাঁহী, পানধোৱা, সৰুকাঁহী, মাইহাং, বৰবাটি, সৰুবাটি, বানবাটি, টৌ, থালি, চৰিয়া, লোটা, কলহ, ভোগজৰা, বটা ইত্যাদি।

অসমৰ ঢলুৱা কঁহাৰসকলে মৌ-সিটাৰ সাঁচত তপত জুলীয়া ধাতু ঢালি মনোমত আকাৰৰ বিভিন্ন কাঁহৰ সামগ্ৰী তৈয়াৰ কৰিছিল। আহোম স্বৰ্গদেউসকলে ভূটানৰ পৰা “কাঁহ-মাটি” অনাই “অসমীয়া-কাঁহ” তৈয়াৰ কৰাইছিল বুলিও শুনা যায়। “উজীৰ বৰুৱা” নামৰ বিষয়াজনে এই বাণিজ্যৰ তত্ত্বাৱধান কৰিছিল।

## পিতল শিল্প ঃ

প্ৰাচীন কালৰে পৰা অসমত পিতল ধাতুৰ ব্যৱহাৰ আছিল বুলি অনুমান কৰা হয়। পিতল শিল্পটো আহোম যুগত এটা গুৰুত্বপূৰ্ণ শিল্প আছিল। এই যুগত প্ৰায় সকলোতে পিতলৰ সা-সঁজুলিৰ ব্যৱহাৰ আছিল। চৰিয়া, কলহ, শৰাই, টৌ, খৰাহি, কলহ, সঁফুৰা, হেতা, তলীয়া আনকি নামঘৰ, দ’ল-দেৱালয় আদিৰ ডবা পৰ্যন্ত পিতলৰ আছিল। আহোম ৰাজত্বত এই গুৰুত্বপূৰ্ণ পিতল শিল্পটো মৰীয়া খেলৰ পিতল শিল্পীসকলৰ দ্বাৰা বিকশিত হোৱাৰ কথা বুৰঞ্জীত পোৱা যায়।

তামৰ সৈতে দস্তা মিহলি কৰি মিশ্ৰ ধাতু পিতল তৈয়াৰ কৰা হৈছিল। পিতল-শিল্পীসকলে পিতল কাটি, জোৰা লগাই, ভাতীত গলাই, নিয়াৰিত পিটি-খুন্দি বিভিন্ন সামগ্ৰী তৈয়াৰ কৰিছিল। মাটিৰ নিৰ্দিষ্ট সাঁচ তৈয়াৰ কৰি সেই সাঁচত গলিত পিতল ঢালিও বিভিন্ন সামগ্ৰী তৈয়াৰ কৰা হৈছিল। কমাৰ শালত ব্যৱহৃত প্ৰায়বোৰ সঁজুলিয়েই পিতলৰ শালতো ব্যৱহৃত হৈছিল।

## তাম শিল্প ঃ

তাম শিল্পও অসমৰ প্ৰাচীন শিল্পসমূহৰ অন্যতম। প্ৰাচীন কামৰূপৰ ৰজাসকলৰ তামৰ ফলিকে ধৰি

বিভিন্ন সমাগ্ৰীসমূহৰ বিষয়ে বিভিন্ন গ্ৰন্থত উল্লখ পোৱা যায়। প্ৰাচীন শদিয়াৰ তাম্ৰেশ্বৰী মন্দিৰৰ চালখন তামেৰে নিৰ্মিত আছিল বুলি পোৱা যায়। প্ৰাক্-ব্ৰিটিছ যুগৰ অসমত তামৰ কলহ, ভোগজৰা, শৰাই, সঁফুৰা, টেমা, মন্দিৰৰ বিভিন্ন পূজাৰ সঁজুলি আদি বহু পৰিমাণে ব্যৱহৃত হৈছিল। বিশুদ্ধ তামৰ আচ্‌বাবৰ উপৰিও তামৰ কলচী, শৰাই-সঁফুৰা বা অন্যান্য সামগ্ৰীৰ ওপৰত সোণ-ৰূপৰ পাট বিশেষ উপায়েৰে মেৰিয়াই শিল্পীসকলে সামগ্ৰীসমূহক নতুন ৰূপ দিছিল। সেইদৰে তামৰ বিভিন্ন সামগ্ৰীত সোণ-ৰূপ খটোৱা কামও এই শিল্পীসকলে কৰিছিল।

মধ্যযুগৰ অসমত তাম প্ৰধানকৈ সমীপৱৰ্তী পাহাৰীয়া জনজাতিসকলৰ পৰা সংগ্ৰহ কৰা হৈছিল। চীনদেশৰ পৰাও আনিছিল বুলি কোৱা হয়। কঁহাৰ, কমাৰ, মৰীয়া আদি বৃত্তিমূলক খেলসমূহৰ দক্ষ লোকসকল তাম শিল্পৰ সৈতে জড়িত আছিল।

## প্ৰাচীন অসমৰ মৃৎ শিল্প ঃ

মৃৎ শিল্প অসমৰ অতি প্ৰাচীন শিল্প। গুৱাহাটী, নগাওঁ, তেজপুৰ, গোলাঘাট আদি অসমৰ বিভিন্ন ঠাইত খনন কাৰ্যৰ জৰিয়তে আৱিষ্কৃত অনেক বাচন-বৰ্তন আৰু অন্যান্য সামগ্ৰীৰে প্ৰাক্-আহোম যুগৰে পৰা অসমৰ মৃৎ শিল্প যে চহকী আছিল সেই কথা প্ৰতিপন্ন কৰে। পুৰণি অসমত 'কুম্ভকাৰ' নামৰ বৃত্তিজীৱীসকল মৃৎ শিল্পৰ সৈতে জড়িত আছিল।

আহোম ৰাজত্বত স্বৰ্গদেউসকলৰ পৃষ্ঠপোষকতাত মৃৎ শিল্পই বিকাশ লাভ কৰিছিল। সেইদৰে কোচ,কছাৰী, চুতীয়া আদি ৰাজ্যতো ৰাজ-পৃষ্ঠপোষকতাত মৃৎ শিল্পই গা কৰি উঠিছিল। কুমাৰ, হীৰা, খনিকৰ আদি খেলৰ লোকসকল মৃৎ শিল্পৰ সৈতে জড়িত আছিল।

কুমাৰসকলে মৃৎ শিল্পৰ বাবে ব্যৱহাৰ কৰা মাটিক 'কুমাৰ মাটি' বোলা হৈছিল। এইবিধ মাটি সাধাৰণতে নৈৰ মোহনাৰ কাষৰ পলসুৱা মাটি খান্দি তলৰ পৰা সংগ্ৰহ কৰা হৈছিল। ক'লা চানেকীয়া আলতীয়া এইবিধ মাটি যথেষ্ট পৰিমাণে সংগ্ৰহ কৰাৰ পাছত মাটিখিনি ভালকৈ খচি লৈ বিভিন্ন আকৃতিৰ সাঁচত বা জুমুঠিৰ ওপৰত লিপি মনোমত পাত্ৰৰ ৰূপ দিয়া হৈছিল। ইয়াৰ পাছত জুমুঠি আৰু সাঁচৰ পৰা উলিয়াই পাত্ৰবোৰ ৰ'দত শুকাবলৈ দি 'পাগ্‌শালি' বা 'পেঘালিৰ' ওপৰত জাপি পাগ্‌শালিৰ জুইত পুৰি পাগ্ দিয়া হৈছিল। শেষত পাত্ৰবোৰ দেখনিয়াৰ কৰিবৰ কাৰণে 'ৰাংগন মাটি' নামৰ এবিধ মাটিৰে পাত্ৰটোৰ ওপৰত ফুল-জালি আঁকিছিল। মহিলাসকলে সুন্দৰকৈ এই কাম কৰিছিল। হীৰাসকলে পাগ্‌শালি আৰু চাক ব্যৱহাৰ নকৰিছিল। কুমাৰসকলে বাঁহ বা কাঠৰ ঘূৰণীয়া আকৃতিৰ জঁকা সাজি তাত মাটি ভৰাই চাক তৈয়াৰ কৰাৰ উপৰিও পোৱা মাটিৰে 'আফৰি' বা কাঠেৰে 'আঠালি' নামৰ সাঁচ তৈয়াৰ কৰিও বিভিন্ন চৰু, কলহ আদি সাজিছিল। চাক, আঠালি, আফুৰি বা আফৰি, চাকি বা মাজনি, বলিয়া, পিটনী, পাগ্‌শাল বা পেঘালি আদি আহিলা কুমাৰসকলে মৃৎ শিল্পত ব্যৱহাৰ কৰিছিল। কুমাৰ, হীৰা আদি মৃৎ শিল্পীসকলৰ উপৰিও মৃন্ময় মূৰ্ত্তি, পুতলা আদি তৈয়াৰ কৰা 'খনিকৰ' নামৰ একশ্ৰেণীৰ বৃত্তিমূলক খেলও মধ্যযুগৰ অসমত আছিল।

মাটিৰ সামগ্ৰীবোৰৰ ভিতৰত ঘট, টেকেলি, কলহ, মলা, চৰু, মঠীয়া, ধূনাদানি, বাচন-বৰ্তন ইত্যাদি প্ৰধান আছিল। পোৰামাটিৰ ফলকত বিভিন্ন মূৰ্ত্তি খোদাই কৰি দৌল-দেৱালয় আদিত খাজি দিয়া 'টেৰাকোটা' (terracotta) শিল্প মধ্যযুগৰ অসমৰ মৃৎশিল্পৰে অন্তৰ্গত এক শিল্প আছিল। মাটি খচি লোৱাৰ পাছত কেঁচা হৈ

থকা অৱস্থাতে বিভিন্ন মূৰ্ত্তি, ফুল আদি তৈয়াৰ কৰি লোৱা হৈছিল। কুমাৰ-খনিকৰ সকলেই এই শিল্পটো জীয়াই ৰাখিছিল।

প্ৰাচীন অসমৰ অন্যতম মৃৎ শিল্প আছিল 'ইটা নিৰ্মাণ' (brick making)। আহোম ৰাজত্বত 'ইটাসজীয়া' নামৰ ইটা নিৰ্মাণ কৰা পাইকৰ খেল এটাৰ নাম বুৰঞ্জীত পোৱা যায়।

ইটা তৈয়াৰ কৰা পদ্ধতি আকৰ্ষণীয় আছিল। ইটা সাজিবৰ বাবে সংগ্ৰহ কৰা মাটি ইটাশালত ধুৰমুছেৰে খুন্দি গুড়ি কৰি চালনিৰে চালি সেই মাটিৰ সৈতে মা-মচলা মিহলাই পানী ঢালি তাৰ পাচত মিশ্ৰণটো পকী খোলাত ঢালি দিয়া হৈছিল আৰু প্ৰয়োজন অনুসৰি জোখমতে কটা হৈছিল। আন এটা পদ্ধতিত মাটিমাহৰ গুড়ি আৰু লালী গুৰ খচা - মাটিৰ সৈতে মিহলাই সাঁচত দি ইটা সজা হৈছিল। ইটাবোৰ এফলীয়া, তিনিকোণীয়া, কৰ্দৈসিৰীয়া, ঘূৰণীয়া আদি বিভিন্ন আকৃতিৰ আৰু জোখৰ আছিল। ইটাবোৰ ইটাভাতীত পুৰি টান কৰাৰ পাছত সেইবোৰৰ ওপৰত চেলাপেটী জোকৰ তেজেৰে ৰং বোলোৱাৰ কথা শুনা যায়। বৰ্ণনা মতে আহোমৰ ৰাজধানী ৰংপুৰৰ ওচৰত থকা জোকতলী নামৰ পথাৰত ম'হবোৰ দলঘাঁহ খোৱাবলৈ নমাই দিয়া হৈছিল। সেই পথাৰত থকা চেলাপেটী জোকবোৰে ম'হবোৰৰ তেজ শুহি খাই গাৰ পৰা সৰি পৰাৰ পাছত জোকবোৰ সংগ্ৰহ কৰি সেইবোৰ ক্ষুৰেৰে কাটি গোটখোৱা তেজবোৰত ইটাবোৰ জুবুৰিয়াই ৰং দিয়া হৈছিল। এই ৰং দীৰ্ঘস্থায়ী আছিল।

ইটাবোৰ দৌল-দেৱালয়, কাৰেং, নলা, নাদৰ পাট, সাঁকো আদি নিৰ্মাণত ব্যৱহাৰ কৰা হৈছিল। ইটাবোৰ গাঁথিবৰ বাবে থলুৱাভাৱে প্ৰস্তুত কৰা 'কৰাল' (cement) নামৰ এবিধ সামগ্ৰী ব্যৱহাৰ কৰা হৈছিল। এই 'কৰাল' নামৰ সামগ্ৰী বিধ গুৰ, মাটিমাহ, শণ, শিলচূণ, মিঠা তেল, বৰালিমাছ, শামুক চূণ, চকাচূণ, ধূনা আদি মিশ্ৰণ কৰি তৈয়াৰ কৰা হৈছিল। কৰালক চূণ-চুৰ্কি নামেৰেও জনা গৈছিল। ইয়াৰোপৰি অধিক মসৃণ কামত ব্যৱহাৰৰ বাবে জন্তুৰ চৰ্বি, পোক - পৰুৱাৰ মল, ধাতুৰ গুড়ি, উদ্ভিদ আদিৰ মিশ্ৰণ কৰিও কৰাল প্ৰস্তুত কৰা হৈছিল। কৰাল প্ৰস্তুত কৰিবৰ বাবে কৰালৰ বৰুৱাৰ অধীনত নিৰ্দিষ্ট খেল (prrofessional guild) আছিল।

## কাঠৰ শিল্প ঃ

অসম মূল্যবান কাঠৰ বাবে প্ৰাচীন কালৰে পৰা বিখ্যাত আছিল। অসমৰ হাবিবোৰত শাল, জামুক, আজাৰ, চাম, বন বগৰি, কৰৈ, তিতাচঁপা, বনচোম, বোলা, সোণাৰু, মাইফাক, গন্ধসৰৈ আদি মূল্যবান সুকাঠী গছ পৰ্য্যাপ্ত পৰিমাণে পোৱা গৈছিল। এই সুকাঠী গছবোৰৰ পৰা অসমৰ বাঢ়ৈ-খনিকৰে প্ৰাচীন কালৰে পৰা ঘৰ-দুৱাৰ নিৰ্মাণ কৰাৰ উপৰিও চালপীৰা, তামুলী পীৰা আদি বিভিন্ন প্ৰকাৰৰ পীৰা, খাট, পেৰা, ঢেঁকী, শৰাই, নামঘৰৰ আসন, কাঠৰ মূৰ্ত্তি, উৰাল, তাঁতশালৰ বিভিন্ন সঁজুলি আদি নিৰ্মাণ কৰিছিল।

ঘৰ-দুৱাৰৰ ক্ষেত্ৰত ৰজাৰ কাৰেং, হোলোংঘৰ, পাটঘৰ, শিঙৰি ঘৰ আদিত ইটাৰ ব্যৱহাৰৰ আগতে কাঠেৰে নিৰ্মাণ কৰা হৈছিল। সেইদৰে আহোমৰ ৰাজধানী গড়গাঁৱৰ ৰাজপ্ৰাসাদ হোলোং ঘৰটোও সুন্দৰকৈ কাঠেৰে নিৰ্মাণ কৰা আছিল বুলি মিৰজুমলাৰ সৈতে অসমলৈ অহা লেখক ছিহাবুদ্দিন তালিছে বৰ্ণনা কৰি থৈ গৈছে। কাঠত খোদাই কৰা বিভিন্ন ফুল-পাত, দেৱ-দেৱতা, জীৱ-জন্তুৰ মূৰ্ত্তি আদিয়ে অসমৰ বাঢ়ৈ-খনিকৰ সকলৰ শিল্প-নৈপুণ্যৰ পৰিচয় দিয়ে। আহোমৰ ৰাজত্ব কালত কাঠ শিল্পত হাবিয়াল পাইকসকলো জড়িত আছিল। তেওঁলোকৰ তত্বাৱধায়ক আছিল হাবিয়াল বৰুৱা, কাঠবৰুৱা বা কাঠকটীয়া বৰুৱা আদি বিষয়া।

সেইদৰে বাঢ়ৈ-খনিকৰ আদি বৃত্তিজীৱী সকলৰ ওপৰত তত্বাৱধায়ক হিচাপে থকা বিষয়াজন আছিল খনিকৰ বৰুৱা।

## সাঁচিপাত আৰু মহী প্ৰস্তুত শিল্প ঃ

সাঁচিপাত আৰু 'মহী' বা চিয়াহী তৈয়াৰ কৰা শিল্প প্ৰাচীন অসমৰ এক গুৰুত্বপূৰ্ণ শিল্প আছিল। সাঁচিপাত তৈয়াৰ কৰিবলৈ প্ৰথমে পূৰঠ সাঁচি গছৰ পৰা নিৰ্দিষ্ট জোখত বাকলি কাটি আনি বাকলিবোৰৰ ভিতৰফালটো ওপৰলৈ কৰি মেৰিয়াই কেইবাদিনো ৰ'দত শুকুৱাই ৰখা হৈছিল। এই শুকান বাকলিবোৰ কঠিন বস্তুৰ ওপৰত ৰাখি বাহিৰৰ ফালটো ঘঁহি যিমান পৰা যায় নিমজ কৰি লৈ এৰাতি নিয়ৰত তিয়াই ৰখা হৈছিল। পিছদিনা পুৱা বাকলিবোৰৰ বাহিৰৰ ফালৰ নিকৰিবোৰ গুচাই বাকলিবোৰ আকৌ প্ৰয়োজন অনুসৰি জোখ মতে কাটি কটা টুকুৰাবোৰৰ পৰা খাৰুৱা পদাৰ্থবোৰ আঁতৰি যাবলৈ এঘন্টামান চেঁচা পানীত বুৰাই ৰখা হৈছিল। পানীৰ পৰা তুলি আনি বাকলিবোৰ চুৰি কটাৰীৰে সাৱধানে ঘঁহি ঘঁহি মিহি কৰা হৈছিল। মিহি বাকলিবোৰত মাটি মাহৰ পৰা প্ৰস্তুত কৰা আঠা (gum) ভালকৈ সানি ঘঁহি- পিহি পুনৰ হাইতাল (yellow orpiment) ৰং সানি শুকুওৱা হৈছিল। ৰ'দত ভালকৈ শুকুৱাৰ পিছত বাকলিকেইডোখৰ পুনৰ ঘঁহি-পিহি মসৃণ কৰি লিখাৰ উপযোগী কৰি তোলা হৈছিল।

লিখিবৰ বাবে থলুৱাভাৱে প্ৰস্তুত কৰি লোৱা হৈছিল উন্নত মানৰ 'মহী' বা চিয়াহী। শিলিখা, আমলখি, এলান্ধু, কেহ্ৰাজ, বৰ জামুকৰ ছাল আৰু ফলৰ ৰস আদিৰে এই 'মহী' তৈয়াৰ কৰা হৈছিল। সেই মহী বা চিয়াহীৰে লেখকে ৰাজহাঁহৰ পাখিৰ কলমেৰে (পাখি কলম) সাঁচিপাতৰ ওপৰত আখৰ লিখিছিল। এনে আখৰৰ পুথিক 'সাঁচিপতীয়া পুথি' বোলা হৈছিল। এনে পুথি শ শ বছৰ ধৰি বিশেষ নষ্ট নোহোৱাকৈ আজিকোপতি, সত্ৰ, যাদুঘৰ, নামঘৰ, বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আনকি ব্যক্তিগত সংৰক্ষণতো দেখিবলৈ পোৱা যায়। চিয়াহী বা মহীৰ সৈতে কেতিয়াবা 'লা' মিহলায়ো লিখা হৈছিল। সেইদৰে সাঁচিপাতৰ উপৰিও ভূজপত্ৰ, জন্তুৰ ছাল, তাল পাত, হাতীদাঁতৰ পাত, মুগা কাপোৰ, শিমলু তুলাৰে প্ৰস্তুত কৰা তুলাপাত আদিতো লিখা হৈছিল। ইয়াৰোপৰি শিল, তাম, পিতল, কঁাহ আদি ধাতুৰ ফলিত, লোহাৰ বৰতোপৰ গাতো লিখা হৈছিল।

লেখাৰু, আখৰকটীয়া আদি খেল প্ৰধানকৈ এই লেখা কামৰ সৈতে জড়িত আছিল।

## নাও তৈয়াৰ শিল্প ঃ

মূল্যবান কাঠেৰে পৰিপূৰ্ণ অৰণ্যৰ দেশ অসমত নাও তৈয়াৰ শিল্পও আছিল এটা অতি গুৰুত্বপূৰ্ণ শিল্প। প্ৰাচীন কালৰে পৰা অসমত যাতায়াতৰ বাবে প্ৰধানকৈ ব্যৱহৃত হৈছিল জলপথসমূহ। যাতায়াত, বেহা-বেপাৰ, নৌ - যুদ্ধ, মাছধৰা, আদি কামৰ বাবে প্ৰাচীন কালৰে পৰা অসমত প্ৰায় ২৫ বিধমান নাও নিৰ্মাণ কৰা হৈছিল। টুলুঙা নাও, মাৰ নাও, বজৰা নাও, জাপ নাও, যুৰীয়া নাও, হয়কলি নাও, পানচৈ, মগৰ চৰা নাও, হিলৈচৰা নাও আদি নাৱৰ নাম বুৰঞ্জীকে ধৰি বিভিন্ন গ্ৰন্থত পোৱা যায়। বৰ নাওবোৰত থকা-শোৱাৰ সুবিধা আছিল আৰু সেইদৰে হিলৈচৰা নাৱত সৈন্য-সামন্তৰ লগতে হিলৈ, বৰতোপৰ দৰে অস্ত্ৰ-শস্ত্ৰ নিয়াৰ ব্যৱস্থা আছিল। অসমৰ খনিকৰ-বাঢ়ৈ আদিয়ে গছ এডাল কাটি লৈ মাজডোখৰ খুলি দুমোৰ জোঙা কৰি সৰু-সুৰা কাম বা কম

দূৰত্বৰ যাতায়ত আদি কামৰ বাবে উপযোগীকৈ নাও নিৰ্মাণ কৰিছিল। আকৌ বেহা-বেপাৰ, যুদ্ধ-বিগ্ৰহ, দূৰ-দূৰণিৰ যাত্ৰা আদি কামৰ বাবে সুকাঠী গছ ফালি চটীয়া কাঠ বা তক্তা তৈয়াৰ কৰি সেই তক্তাবোৰ বিভিন্ন উপায়েৰে জোৰা দি বৃহৎ আকাৰৰ নাও নিৰ্মাণ কৰিছিল। প্ৰয়োজন অনুসৰি এনে দুখন নাও সমান্তৰালভাৱে জোৰা দি মজবুত যুৰীয়া নাও তৈয়াৰ কৰিছিল। চটীয়া কাঠবোৰ পানী নসৰকাকৈ জোৰা দিবলৈ লা, ধূনা, মৌ-সিটা আদিৰ মিশ্ৰণেৰে এবিধ আঠা তৈয়াৰ কৰি লৈছিল। তদুপৰি 'আহোম এঠা' নামৰ এবিধ অতি উন্নত মানৰ আঠাৰে আৰু কেন্দুগছৰ গুটিৰ আঠাৰে লেপি পানী সৰকিব নোৱৰা কৰা হৈছিল।

আহোমৰ ৰাজত্বকালত 'নাওশলীয়া' নামৰ খেলৰ লোকসকল নাও নিৰ্মাণ শিল্পৰ সৈতে প্ৰধানকৈ জড়িত আছিল। নাওশলীয়া ফুকন আৰু নাওশলীয়া বৰুৱা বিষয়া দুজনে নাওশাল, নাওশলীয়া খেল আৰু নাও নিৰ্মাণ কাৰ্যৰ ওপৰত চকু ৰাখিছিল। গড়গাঁও, ৰংপুৰৰ ওচৰৰ শাকবাৰী, লতাশিল, পাণ্ডু, গুৱাহাটী, কলিয়াবৰ, বিশ্বনাথ আদি ঠাইত নাও নিৰ্মাণৰ কাৰখানা আছিল। এইবোৰ কাৰখানাতে নিৰ্মাণ কৰা যুঁজাৰু নাৱেৰে ১৬৭১ খ্ৰীঃৰ শৰাইঘাটৰ বিখ্যাত নৌযুদ্ধত বৰসেনাপতি লাচিত বৰফুকনৰ নেতৃত্বত অসমীয়া সেনাই ৰাজপুত সেনাপতি ৰামসিংহৰ নেতৃত্বৰ অসম আক্ৰমণকাৰী মোগল সেনাক পৰাস্ত কৰিছিল।

## ৰঞ্জন শিল্প ঃ

ৰঞ্জন শিল্প বা ৰং কৰা শিল্পতো প্ৰাচীন অসম আগবঢ়া আছিল। প্ৰাক্ -আহোম যুগত অসমৰ জন-জাতিসকল কাপোৰত বিভিন্ন ৰঙ দিয়া, ৰঙীন ফুল বচা আদি কাৰ্যত পাকৈত আছিল। উজনি অসমৰ বৰাহীসকলৰ চুৰীয়াত ৰঙা, ক'লা আঁচু থকাৰ কথা বুৰঞ্জীত পোৱা যায়। আহোম ৰাজত্বৰ ডা-ডাঙৰীয়াসকলে মূৰত কুসুম গছৰ হালধীয়া ফুলেৰে বোলোৱা "কুহুম বুলীয়া পাগ" মৰাৰ কথাও পোৱা যায়। এই কুহুম বা কুসুম ফুলৰ খেতি কৰি ৰজাৰ ঘৰত যোগান ধৰিবলৈ "কুসুম যোগনীয়া" বোলা খেল এটা থকাৰ কথাও বুৰঞ্জীত পোৱা যায়। সেইদৰে মজাঠি গছৰ ৰসেৰে কাপোৰত হালধীয়া আৰু ৰঙচুৱা ৰং দিয়া অথবা আঁচু গছৰ শিপা আৰু কাঠৰ হালধীয়া বৰণেৰে কাপোৰ বোলোৱাৰ কথাও পোৱা যায়। প্ৰাচীন অসমত কেন্দু, জামুক, আমলখি, জৰথ, টেপৰ টেঙা, তেঁতেলী, থেকেৰা, শিলিখা, হালধি আদি বিভিন্ন গছ আৰু শিপাৰ পৰা ৰং প্ৰস্তুত কৰাৰ কথা পোৱা যায়। বাঢ়ৈ-খনিকৰসকলে নামঘৰৰ কাঠৰ চতি, মণিকূটৰ আসন আদিত 'হেঙুল-হাইতাল'ৰ ৰং বোলোৱা কাম অতি সুন্দৰকৈ কৰিছিল। মহাপুৰুষ দুজনাৰ হাতত ভাওনাৰ মুখা, ছো আদি নিৰ্মাণ শিল্পৰ লগতে অসমৰ ৰঞ্জন শিল্পয়ো নতুন ৰূপত প্ৰাণ পাই উঠিছিল। সত্ৰসমূহ এই শিল্প চৰ্চাৰ অন্যতম প্ৰাণকেন্দ্ৰ আছিল। সাঁচিপতীয়া পুথি, ভাওনাৰ মুখা, ছো আদি বিভিন্ন সামগ্ৰীত ফুল-জালি অঁকা আৰু ৰং বোলোৱা হৈছিল। আহোম ৰাজত্বত চিত্ৰকৰ, খনিকৰ, ৰহন কৰা আদি খেলসমূহ ৰঞ্জন শিল্পৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত আছিল।

## লোণ শিল্প ঃ

অসমৰ সমীপৱৰ্তী পাহাৰসমূহত প্ৰধানকৈ লোণৰ পুংবোৰ আছিল। আহোমৰ ৰাজত্ব কালত 'লোণপুৰীয়া' নামৰ খেলৰ লোকসকলে খৰালি মহীয়া লোণপুঙৰ কাষত বাহৰ পাতি বাঁহৰ চুঙাত লোণপুঙৰ পৰা লুণীয়া পানী ভৰাই আনি পগাই লোণ প্ৰস্তুত কৰিছিল। মহঙ্গ নামৰ ঠাইত থকা লোণপুং জনাজাত

আছিল। সমীপৰৱৰ্তী বৰহাট, নামচাং, জয়পুৰ, শদিয়া আদি ঠাইতো লোণপুং আছিল। মহঙ্গৰ লোণপুং দখলক লৈ নগা আৰু আহোমৰ মাজত যুদ্ধও হৈছিল। আহোম ৰাজত্বত লোণপুঙৰ তত্বাৱধায়ক হিচাপে ‘লোণপুৰীয়া বৰুৱা’ নামৰ বিষয়াজন আছিল। নগা, মিচিমি, খামতি আদি পৰ্বতীয়া জনজাতিসকলে অসমলৈ আহি লোণৰ বেপাৰ কৰিছিল। পৰৱৰ্তীকালত ইংৰাজসকলে অসমত লোণৰ ব্যৱসায় কৰি বহুতো লাভ কৰিছিল। উৎপাদন সীমিত আৰু লোণ সহজলভ্য নাছিল বাবে সেইসময়ত অসমীয়া মানুহৰ মাজত “লোণ দানে সোণ দানে সমান” বোলা কথাষাৰ সৃষ্টি হৈছিল। সেইসময়ত অসমীয়া মানুহে লোণৰ দৰে খাৰযুক্ত সামগ্ৰী তৈয়াৰ কৰি লৈ লোণৰ বিকল্প হিচাপে ব্যৱহাৰ কৰিছিল। কল বাকলি, কল গছৰ মধুনা, পুণী, ডিমৰু গছ আদিৰ পৰা খাৰ তৈয়াৰ কৰি সেই খাৰেৰে অসমীয়া মানুহে কাপোৰ-কানি ধুইছিল আৰু খোৱাতো ব্যৱহাৰ কৰিছিল।

## খাৰ তৈয়াৰ শিল্প ঃ

হিলৈ-বৰতোপৰ গুলি নিৰ্মাণ কৰিবলৈ হিলৈ খাৰ, যৱক্ষাৰ আদি খাৰ তৈয়াৰ কৰা কাম আহোমৰ ৰাজত্বকালত প্ৰধানকৈ ‘খাৰঘৰীয়া’, ‘জখৰীয়া’ আদি খেলৰ মানুহে কৰিছিল। এওঁলোকে ক্ৰমে খাৰঘৰীয়া ফুকন আৰু জখৰীয়া বৰুৱাৰ তত্বাৱধানত খাৰ তৈয়াৰ কৰা কাম কৰিছিল। গোহালিৰ গৰুৰ মূত্ৰৰ পৰাই বিশেষ উপায়েৰে খাৰ তৈয়াৰ কৰা হৈছিল বুলি বুৰঞ্জীত পোৱা যায়। সেইদৰে ভীমকলৰ গছ ছিৰি পটুৱাবোৰ শুকুৱাই, পুৰি তাৰ পৰা উৎপন্ন হোৱা খাৰেৰেও হিলৈৰ খাৰ তৈয়াৰ কৰা হৈছিল বুলি বুৰঞ্জীত আছে।

## হাতী দাঁতৰ শিল্প ঃ

হাতী দাঁতৰ শিল্প অসমৰ এক প্ৰাচীন শিল্প। হাতী দাঁতৰ পৰা বিভিন্ন সামগ্ৰী যেনে, অলংকাৰ, বাচন-বৰ্তন, পীৰা, ফণি, বাকচ, দা- কটাৰীৰ নাল, কাঁকৈ, পাশা খেলৰ পাশতি আদি তৈয়াৰ কৰা হৈছিল। হাতী দাঁতৰ ওপৰত মাটিৰে ডাঠ প্ৰলেপ দি তপতাই কোমল কৰি সেই দাঁত তঙালৰ দৰে তোলাই তাৰ পৰা ঢাৰি, পাটী আদি তৈয়াৰ কৰিছিল। হাতী দাঁতৰ পাতত লিখা পুথি থকাৰ কথাও শুনা যায়। হাতীৰ হাঁড়ৰ পৰাও বিভিন্ন সামগ্ৰী তৈয়াৰ কৰা হৈছিল। হাতী দাঁতৰ সামগ্ৰী তৈয়াৰ কৰা খনিকৰসকলক ‘বক্তাৰ খনিকৰ” বোলা হৈছিল। এওঁলোক মুছলমান সম্প্ৰদায়ৰ লোক আছিল বুলি বুৰঞ্জীত পোৱা যায়। আহোম ৰজাসকলে এওঁলোকক এই শিল্পটো জীয়াই ৰখাৰ বাবে নিষ্কৰ ভূমি আৰু বৃত্তি দি সংস্থাপন কৰিছিল। বক্তাৰ খনিকৰসকলে পহুৰ শিঙৰ পৰাও বিভিন্ন সামগ্ৰী তৈয়াৰ কৰিছিল।

## চূণ তৈয়াৰ কৰা শিল্প ঃ

পৰ্বতৰ চূণশিল সংগ্ৰহ কৰি তাৰপৰা চূণ তৈয়াৰ কৰাটো প্ৰাচীন অসমৰ এক গুৰুত্বপূৰ্ণ শিল্প আছিল। বিশেষকৈ আহোম ৰাজত্বকালত কৰাল তৈয়াৰ কৰোঁতে চূণ অতীৱ প্ৰয়োজনীয় উপাদান আছিল। চূণ তৈয়াৰ কৰা পাইকে খৰালি মহীয়া পৰ্বতৰ পৰা চূণ শিল সংগ্ৰহ কৰি নামনিত থকা চূণ চালিত ভটা পাতি কেইবা মাহলৈকে কাম কৰি বিপুল পৰিমাণে চূণ উৎপাদন কৰিছিল। সেইদৰে নৈবোৰত পোৱা শামুকৰ খোলা পুৰি শামুক চূণও তৈয়াৰ কৰা হৈছিল। আহোম ৰাজ্যত ‘চূণ যোগনীয়া’, ‘চূণৰ ভটা কৰা’ আদি খেলসমূহ চূণ উৎপাদনৰ সৈতে জড়িত আছিল।

## লা তৈয়াৰ শিল্প ঃ

লা তৈয়াৰ কৰা শিল্পও প্ৰাচীন অসমৰ এক গুৰুত্বপূৰ্ণ শিল্প আছিল। কাষৰীয়া পাহাৰীয়া লোকসকলৰ পৰা লা সংগ্ৰহ কৰাৰ উপৰিও আহোমৰ ৰাজত্ব কালত লা গছত 'লা পৰুৱা' পুহিও লাৰ খেতি কৰা হৈছিল। বিভিন্ন প্ৰকাৰৰ ৰং দীৰ্ঘস্থায়ী কৰিবৰ বাবে লা ব্যৱহাৰ কৰাৰ উপৰি মোহৰ, চাব আদি ৰাজকীয় ঘোষণা পত্ৰত মাৰিবৰ বাবেও লা ব্যৱহাৰ কৰা হৈছিল। সেইদৰে বিভিন্ন ধাতুৰ বাচন-বৰ্তনৰ সাঁচ আদি তৈয়াৰ কৰিবৰ বাবেও লাৰ প্ৰয়োজন হৈছিল। লা উৎপাদনৰ বাবে আহোম ৰাজ্যত 'লাশুঙ্গি' নামৰ এটা খেল বুৰঞ্জীত পোৱা যায়।

## ৰহ তৈয়াৰ কৰা শিল্প ঃ

আহোমৰ ৰাজত্ব কালত সৰু - বৰ পুখুৰীবোৰৰ পানী ফটফটীয়া কৰি ৰাখিবৰ বাবে 'ৰহ' (পাৰদ বা পাৰা) নামৰ এবিধ পদাৰ্থ তৈয়াৰ কৰা হৈছিল। সাধাৰণতে বেল গছৰ আঠাৰ পৰা বিশেষ পদ্ধতিৰে এই 'ৰহ' তৈয়াৰ কৰা হৈছিল বুলি পোৱা যায়। 'ৰহ' তৈয়াৰ কৰা লোকসকল আহোম ৰাজত্বত 'ৰসেন্দ্ৰ বৰুৱা' নামৰ বিষয়াজনৰ তত্বাৱধানত আছিল।

## অনান্য শিল্প ঃ

ওপৰত উল্লিখিত শিল্প-উদ্যোগ সমূহৰ উপৰি প্ৰাক্-ব্ৰিটিছ যুগৰ অসমত ধূনা গছৰ পৰা সুগন্ধি ধূনা, কস্তুৰী মৃগৰ (musk-deer) পৰা গান্ধ কলাই, সাঁচি গছৰ পৰা সুগন্ধি অগৰু আতৰ, বিভিন্ন গছ, ফুলৰ পৰা বিভিন্ন সুগন্ধি দ্ৰব্য তৈয়াৰ কৰা হৈছিল। আঠা উৎপাদক বিভিন্ন গছৰ পৰা আঠা; মিচিমি পাহাৰ, ভূটান, তিৰ্ব্বত, আদিৰ পৰা বিভিন্ন প্ৰকাৰৰ 'বিহ' যেনে - বৰ বিহ, কণী বিহ ইত্যাদি সংগ্ৰহ কৰা হৈছিল। সেইদৰে ফেটী সাপৰ গাত কেতেকী ফুলৰ পাত বান্ধি 'বিহ' বা 'বিষ' সংগ্ৰহ কৰাৰ কথাও শুনা যায়। এনেবোৰ বিহ ঔষধ তৈয়াৰ কৰা বা অস্ত্ৰ-শস্ত্ৰত প্ৰয়োগ কৰা আদি কামত ব্যৱহৃত হৈছিল। 'বিহিয়া' নামৰ খেলৰ লোকসকল বিহ উৎপাদন আৰু সংগ্ৰহৰ সৈতে জড়িত আছিল।

সেইদৰে বিভিন্ন আঁহযুক্ত গছ-বনৰ পৰা আঁহৰ সামগ্ৰী; গড়ৰ ছালেৰে বাৰ্হ (Shield) আৰু যুদ্ধৰ বৰ্ম আৰু জন্তুৰ চৰ্বীৰপৰা তেল আদি তৈয়াৰ; জীৱ-জন্তুৰ ছালৰ পৰা চামৰা তৈয়াৰ; কুহিলা, মাদুৰি বন, পাটীদৈ আদিৰ পৰা ঢাৰি - পাটী; খেৰ, টকৌ পাত, জেঙুপাত আদিৰ পৰা ঘৰৰ ছাল, বিভিন্ন প্ৰকাৰৰ জাপি, আৰোৱাণ, বিচনী, নাও আৰু গৰু গাড়ীৰ ছৈ, বিভিন্ন ধৰণৰ চালি আদি তৈয়াৰ কৰা হৈছিল।

তদুপৰি সৰিয়হ পেৰি মিঠাতেল উৎপাদন কৰিবৰ বাবে বেতৰ বেতেৰিযুক্ত তেলীশাল; কুঁহিয়াৰ ৰস উলিয়াই গুৰ আদি উৎপাদন কৰিবৰ বাবে লোহাৰ ভীমযুক্ত কুহিয়াৰ শাল; তাঁতশালৰ বিভিন্ন আহিলা-পাতি; কৃষিৰ সঁজুলি তৈয়াৰ কৰা; জুই ধৰিবৰ বাবে জুই উৎপাদক 'টিঙিৰি' নামৰ সঁজুলি; নোমালৰ বৰুৱা নামৰ বিষয়াজনৰ অধীনত জন্তুৰ নোমৰ পৰা বিভিন্ন সামগ্ৰী তৈয়াৰ— আদি বিভিন্ন সামগ্ৰী উৎপাদন কৰা শিল্প-উদ্যোগ প্ৰাক্-ব্ৰিটিছ যুগৰ অসমত আছিল। ইয়াৰে কিছু সংখ্যক শিল্প অদ্যপৰিমিত জীয়াই আছে যদিও সৰহভাগেই পাহৰণিৰ গৰ্ভত বিলীন হৈ গৈছে।

## (খ) ব্ৰিটিছ যুগৰ অসমৰ শিল্প-উদ্যোগ

**প্ৰয়োজনীয় তথ্য**

- আধুনিক অৰ্থত অসমৰ ঔদ্যোগীকৰণ আৰম্ভ হৈছিল উপনিৱেশিক শালন কালত। সমগ্ৰ প্ৰক্ৰিয়াটো অসমৰ সম্পদসমূহৰ প্ৰশালীবদ্ধ জৰীপ আৰু ব্যৱসায়িক স্বাৰ্থত সম্পদ ব্যৱহাৰৰ সৈতে জড়িত হৈ আছিল। ঔদ্যেগীকৰণে অসমৰ আৰ্থ-সামাজিক ক্ষেত্ৰলৈ অনা পৰিৱৰ্তনসমূহ অতি তাৎপৰ্যপূৰ্ণ। মধ্যযুগীয় আৰ্থিক আৰু সামাজিক ব্যৱস্থাৰ ৰূপান্তৰ হৈছিল। পুঁজিবাদী উৎপাদন ব্যৱস্থাৰ সৈতে অসমৰ সংযোগ মন কৰিবলগীয়া বিষয়। অসমৰ জনগাঁথনিৰ পৰিৱৰ্তন আৰু লাহে লাহে আধুনিক সমাজ এখনৰ উত্থান সমান্তৰালভাৱে হৈছিল। ঔদ্যোগীকৰণ এই ক্ষেত্ৰত এটা কাৰক বুলিব পাৰি।
- অষ্টাদশ শতিকাত ইংলেণ্ডত সূচনা হোৱা উদ্যোগ বিপ্লৱে সেইখন দেশৰ অৰ্থনীতিৰ ভিত্তি কৃষিৰ পৰা উদ্যোগলৈ সলনি কৰিছিল। উদ্যোগ বিপ্লৱৰ জৰিয়তে সমগ্ৰ ইউৰোপৰ বৃহৎ পুঁজিবাদী উদ্যোগ প্ৰতিষ্ঠাৰ এটা ধাৰা আৰম্ভ হৈছিল। এই ধাৰাটোৱে বিশ্বত সাম্ৰাজ্যবাদ সুদৃঢ় কৰাৰ এটা কাৰক হিচাবে পৰিগণিত হৈছিল। এনেধৰণৰ উদ্যোগসমূহত ভূমি, শ্ৰম, পুঁজি আৰু সংগঠন উপাদান হিচাবে ব্যৱহাৰ কৰা হয়। অসমত ইষ্ট ইণ্ডিয়া কোম্পানীৰ শাসন কালত প্ৰতিষ্ঠিত চাহ, কয়লা, খনিজ তেল ভিত্তিক উদ্যোগবোৰ আধুনিক উদ্যোগ বুলিব পাৰি। এই ক্ষেত্ৰত ৰে'ল ব্যৱস্থাটোকো (Railway system) উদ্যোগ বুলিব পাৰি। এনেধৰণৰ প্ৰক্ৰিয়াৰ মাজেৰেই অসম বিশ্ব অৰ্থনীতিৰ লগত যুক্ত হৈছিল উপনিৱেশিক কালত।
- প্ৰাচীন কালৰে পৰা অসমত বাঁহ-বেত, বস্ত্ৰৰ শিল্প আদি কুটিৰ উদ্যোগৰ প্ৰচলন আছিল। আহোম ৰাজত্বকালত সোণ, লো, নিমখ আদি আহৰণ কৰা হৈছিল যদিও পদ্ধতিসমূহ আধুনিক নাছিল। আহোম শাসনকৰ্তাসকলে ইয়াৰ পৰা ৰাজহ সংগ্ৰহ কৰিছিল। দিক্রং, সোৱণশিৰি, ধনশিৰি নৈৰ বালি ধুই সোণোৱাল সকলে সোণ আহৰণ কৰিছিল।

অসমত আধুনিক যুগৰ আঁচনি আৰম্ভ হয় ঔপনিৱেশিক কালছোৱাত। আহোমৰ শাসন কালছোৱাত নানান ধৰণৰ গ্ৰাম্য-শিল্পৰ কৰ্ম চলিছিল যদিও সেইবোৰ চলিছিল কেৱল ৰাজ্যখনৰ লোসকলৰ চাহিদা পূৰণৰ অৰ্থেহে; তাত ব্যৱসায় আৰু বাণিজ্যিক লাভালাভৰ দিশটোৱে মুঠেও স্থান পোৱা নাছিল। কিন্তু ব্ৰিটিছৰ শাসন কালত ইয়াত কিছুমান বৃহৎ উদ্যোগ গঢ় লৈ উঠে আৰু সেইবোৰে ব্ৰিটিছৰ অৰ্থনৈতিক লাভালাভত বিশেষ বৰঙণি আগবঢ়োৱাৰ উপৰি পৰিৱৰ্তী কালৰ অসমৰ অৰ্থনৈতিক জীৱনলৈও গুৰুত্বপূৰ্ণ অৱদান আগবঢ়ায়। ব্ৰিটিছ শাসনত গঢ়ি উঠা অসমৰ প্ৰধান প্ৰধান উদ্যোগসমূহ তলত উল্লেখ কৰা হ'ল।

**চাহ উদ্যোগ ঃ** চাহগছ আৱিষ্কাৰ হোৱাৰ পাছত অসমৰ অৰ্থনীতিত অতি গুৰুত্বপূৰ্ণ চাহ উদ্যোগৰ

বিষয়ে চিন্তা-চৰ্চা আৰম্ভ হৈছিল ১৮৩৪ চনত। তদানীন্তন গৱৰ্ণৰ জেনেৰেল (লৰ্ড উইলিয়াম বেন্টিংক) পৰিষদে চাহ খেতিৰ পৰিকল্পনা যুগুত কৰিবলৈ এখন চাহ কমিটি (Tea Committee) নিয়োগ কৰিছিল ১৮৩৪ চনত। সেই সময়ত চাহ ব্যৱসায় নিয়ন্ত্ৰণ কৰিছিল চীনাসকলে। ব্ৰিটিছসকলৰ চীন চৰকাৰৰ সৈতে সম্পৰ্ক সিমান সৌহাদ্যপূৰ্ণ নাছিল। তেনে পৰিস্থিতিত কোম্পানী চৰকাৰে চাহৰ বিকল্প উৎসৰ সন্ধান কৰিছিল যাতে চাহপাতৰ যোগান নিয়মীয়া কৰিব পৰা যায়। ইতিমধ্যে চাহ বৃটিছসকলৰ প্ৰিয় পানীয় হৈ পৰিছিল। লৰ্ড আৰ্মহাৰ্ষ্টৰ সময়তে হিমালয় অঞ্চলত চাহ খেতিৰ সম্ভাৱনা পৰীক্ষা কৰিবলৈ কেবাটাও মিছন প্ৰেৰণ কৰা হৈছিল। বিষয়টোৱে অধিক গুৰুত্ব লাভ কৰে বেণ্টিংকৰ দিনত। চাহখেতিৰ বিশদ পৰিকল্পনা প্ৰস্তুতকৰণৰ বাবে জি. আই গৰ্ডনক সচিব হিচাবে লৈ চাহ কমিটি গঠন কৰা হৈছিল। এই কমিটিয়ে অতি সোনকালে উত্তৰ-পূৱ সীমান্ত, নীলগিৰি আৰু হিমালয়ৰ পাদদেশত অনুসন্ধান আৰম্ভ কৰে। তাৰোপৰি চীনদেশৰ পৰা চাহ গছৰ কাটিং আৰু লগতে শ্ৰমিক আনি চাহ খেতি কৰিবলৈ পদক্ষেপ লোৱা হৈছিল। প্ৰথম অৱস্থাত চাহ কমিটিয়ে পূৰ্বোল্লেখিত অঞ্চলসমূহৰ পৰা প্ৰয়োজনীয় তথ্য সংগ্ৰহ কৰিছিল। চাহ কমিটিৰ সচিব গৰ্ডন চাহপুলি আৰু শ্ৰমিক সংগ্ৰহৰ বাবে চীনদেশলৈ গৈছিল। অসমৰ কমিছনাৰ জেনকিন্সেও লেফটেনেন্ট চাৰ্লটনৰ সৈতে শদিয়াত চাহ গছৰ অনুসন্ধান কৰিছিল। তেওঁলোকে শদিয়া আৰু বিচাত বনৰীয়া চাহ গছ প্ৰত্যক্ষ কৰি উৎসাহী হৈ পৰিছিল আৰু লগে লগে এটা বিৱৰণ প্ৰস্তুত কৰি চাহ কমিটিক জনাইছিল। শদিয়াত চাহ গছৰ আৱিষ্কাৰে স্বাভাৱিকতে কোম্পানী চৰকাৰক উজনি অসমৰ প্ৰতি আকৰ্ষিত কৰিছিল।

চাহ কমিটিয়ে অতি ক্ষিপ্ৰতাৰে বিষয়টো সন্দৰ্ভত অধিক প্ৰয়োজনীয় তথ্য সংগ্ৰহৰ অৰ্থে এটা বৈজ্ঞানিক মিছন শদিয়ালৈ প্ৰেৰণ কৰিব লাগে বুলি গৱৰ্ণৰ জেনেৰেললৈ পত্ৰ লিখিছিল। কলিকতাৰ বোটানিকেল গাৰ্ডেনৰ অধীক্ষক এন্ ওৱালিছৰ নেতৃত্বত উদ্ভিদবিদ আৰু ভূতত্ত্ববিদৰ মিছন এটা ১৮৩৫ চনত শদিয়াত উপস্থিত হয়। চীনদেশৰ পৰা অনা চাহপুলিসমূহ ৰাখিবলৈ জেনকিন্সে শদিয়াত চি.এ. ব্ৰুচৰ সহায়ত এখন নাৰ্চাৰি প্ৰস্তুত কৰিছিল। (চি. এ. ব্ৰুচ আছিল ৰবাৰ্ট ব্ৰুচৰ ভাতৃ। অসমত ১৮২৩ চনতে চাহগছ আৱিষ্কাৰৰ কৃতিত্ব দিয়া হয় ৰবাৰ্ট ব্ৰুচক) কলিকতাৰ পৰা অহা বিশেষজ্ঞসকলে উজনি অসমত কেবাপ্ৰকাৰৰ চাহ গছ দেখিবলৈ পাইছিল। ব্যৱসায়িকভাৱে চাহ খেতি কৰাৰ সম্ভাৱনীয়তা সম্বন্ধে জানিবলৈ তেওঁলোকে চাহ গছৰ গুণাগুণ পৰীক্ষা কৰিব লাগে বুলি সিদ্ধান্তলৈ আহিছিল। ওৱালিছে কোম্পানী চৰকাৰক পৰামৰ্শ দিছিল উজনি অসমত চাহ গছ থকা সকলো ভূমি কিনি পেলাবলৈ চাহ কমিটিয়ে বিশেষজ্ঞসকলৰ সকলো পৰামৰ্শ গ্ৰহণ কৰিলে। ভাৰত চৰকাৰে সেই সময়ত ব্যয়বহুল এটা পৰীক্ষা চলোৱাৰ পক্ষাপাতী নাছিল। উজনি অসমৰ চিংফৌ, মটক আৰু গাভৰু পাহাৰৰ চাহ গছৰ হাবিসমূহ কোম্পানী চৰকাৰৰ হাতলৈ আহিছিল। জেনকিন্সৰ যুক্তিত পতিয়ন গৈ ভাৰত চৰকাৰে ১৮৩৬ চনত চাহ খেতিৰ আঁচনিখন অনুমোদন কৰিছিল। চি. এ. ব্ৰুচৰ নেতৃত্বত প্ৰয়োজনীয় জৰীপ সম্পূৰ্ণ কৰি পৰীক্ষামূলক চাহ খেতি আৰম্ভ কৰা হৈছিল। ইতিমধ্যে চীনদেশৰ পৰা শ্ৰমিক আৰু কাৰিকৰসকল আহি পাইছিল। প্ৰথম বছৰৰ উৎপাদনৰ বাৰ বাকচ চাহপাত ১৮৩৭ চনত ইংলেণ্ডলৈ প্ৰেৰণ কৰা হৈছিল গুণাগুণ পৰীক্ষা কৰাৰ অৰ্থে। পৰীক্ষাৰ অন্তত অসমৰ চাহপাত চীনদেশৰ চহপাতৰ সমানেই গুণসম্পন্ন (possessed 'great strength, pungence and astringency') হিচাবে পৰিগণিত হৈছিল। চাহ উৎপাদন ব্যয় বিষয়টোও চালিজাৰি চোৱাৰ অন্তত দেখা গৈছিল যে ব্যৱসায়িভিত্তিক

চাহ উৎপাদনৰ খৰছ খুব বেছি নহয়। চাহ কমিটিয়ে সেই সময়ত গৰ্বেৰে ঘোষণা কৰিছিল যে অচিৰেই অসমে চাহৰ ক্ষেত্ৰত চীনৰ প্ৰতিদ্বন্দ্বিতা কৰিব।

ভাৰত চৰকাৰে চাহ কমিটিৰ পৰামৰ্শত উৎসাহিত হৈ ব্যৱসায়ভিত্তিক চাহ খেতি কৰিবলৈ আৰম্ভ কৰিলে। প্ৰথম অৱস্থাত চাহ উৎপাদনৰ বাবে চীনা শ্ৰমিক আৰু বিশেষজ্ঞ সকলৰ সহায় লোৱা হৈছিল। লাম কুৱা (Lum Qua) আছিল তেনে এজন দোভাষী চীনা তথা বিশেষজ্ঞ। এনেধৰণেই অসমত কৃষিভিত্তিক এটা বৃহৎ উদ্যোগৰ আৰম্ভণি হৈছিল। উনবিংশ শতিকাৰ চতুৰ্থ দশকত বিষয়টোৱে ব্যৱসায় জগতত খলকনি তুলিছিল। ১৮৩৮ চনৰ ফেব্ৰুৱাৰী মাহত ভাৰতীয় আৰু ব্ৰিটিছ পুঁজিপতি কেইজনমান লগ হৈ কলিকতাত বেংগল টি এছ'ছিয়েছন গঢ়ি তুলিছিল। ব্যক্তিগত এই প্ৰতিষ্ঠানৰ উদ্দেশ্য আছিল অসমৰ চাহ উদ্যোগৰ অংশীদাৰ হোৱা। তেওঁলোকে দহ লাখ টকাৰ পুঁজি বিনিয়োগ কৰিছিল। ব্ৰিটিছ চৰকাৰে চাহ উদ্যোগৰ প্ৰচুৰ সম্ভাৱনা দেখি উজনি অসমত বিস্তৃত ভূমিত চাহ খেতি কৰিবলৈ উদ্যোগ লৈছিল। ইতিমধ্যে ব্যক্তিগত ব্যৱসায়িক কোম্পানী, ক্ৰমে মেচাৰ্চ ককটেল এণ্ড কোম্পানী, মেচাৰ্চ বয়ড্ এণ্ড কোম্পানী আৰু বেংগল এছ'ছিয়েশ্বনে গোট খাই ইংলেণ্ডত আসাম টি কোম্পানী গঠন কৰিছিল। সৰ্বমুঠ পাঁচ লাখ পাউণ্ড ষ্টাৰ্লিং বিনিয়োগ কৰি আসাম টি কোম্পানীয়ে চাহ ব্যৱসায়ত যোগ দিছিল। আসাম টি কোম্পানীত মণিৰাম বৰভাণ্ডাৰ বৰুৱাই দেৱান হিচাবে কাম কৰিছিল। পৰৱৰ্তী কালত নিজাববীয়াকৈ তেওঁ দুখন বাগান খুলিছিল। চৰকাৰৰ অধীনৰ পৰীক্ষামূলক বাগানসমূহো কোম্পানীক হস্তান্তৰ কৰা হৈছিল।

১৮৫২ চনত মেচাৰ্চ ওৱাৰেণ জেনকিঞ্চৰ অধীনত মাইজান টি কোম্পানী খোলা হৈছিল। কোম্পানীৰ বাগান আৰু কলঘৰসমূহ অবিভক্ত লখিমপুৰ জিলাত খোলা হৈছিল। ১৮৫৮ চনত উইলিয়ামছনৰ যোৰহাট টি কোম্পানী খোলা হৈচিল। ১৮৫৮-৫৯ চনত ৭৫৯৯ একৰ ভূমিত চাহ খেতি কৰা হৈছিল। প্ৰচুৰ লাভৰ সম্ভাৱনাই বৃহৎ পুঁজিপতিসকলক চাহ উদ্যোগৰ প্ৰতি আকৰ্ষিত কৰিছিল।

প্ৰথম অৱস্থাত চাহ উদ্যোগৰ বাবে ডাঙৰ সমস্যা হৈ দেখা দিছিল যাতায়াত আৰু শ্ৰমিকৰ যোগান। কালক্ৰমত সমস্যাসমূহ দূৰ হৈছিল। চীনা শ্ৰমিকৰ আমদানি ব্যয়বহুল হোৱা বাবে পিছলৈ চাহ উদ্যোগীসকলে ভাৰতৰ অন্য প্ৰান্ত বিশেষকৈ অন্ধ্ৰপ্ৰদেশ, উৰিষ্যা, মধ্যপ্ৰদেশ, বংগ আদিৰ পৰা শ্ৰমিক সৰবৰাহ কৰিছিল। তেওঁলোকৰ আগমনে অসমৰ সমাজ সংস্কৃতিলৈ ভিন্ন উপাদানেৰে অৱদান যোগাইছিল। বৰ্তমান অসমৰ জনসংখ্যাৰ এক গুৰুত্বপূৰ্ণ অংশ হৈছে চাহ সম্প্ৰদায়।

বৰ্তমান অসমত ৭৬৫ খন চাহ বাগিচা আছে। বিশ্বৰ আটাইতকৈ বৃহৎ চাহ উৎপাদনকাৰী অঞ্চল হিচাবে অসম জনাজাত। এই বাগানসমূহ প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপূৰ। ইয়াৰ উপৰিও অসমত এক লাখ ক্ষুদ্ৰ চাহ বাগিচাও আছে। বছৰি প্ৰায় ৫৭০ মিলিয়ন চাহ পাত অসমে উৎপাদন কৰে। স্বাজোত্তৰ কালত ক্ষুদ্ৰ চাহ খেতিয়সকলে চাহখেতিৰ জৰিয়তে লাভৱান হৈছে। তেওঁলোকে ডাঙৰ বাগানসমূহত চাহপাত বিক্ৰী কৰে। (অসমৰ চাহগছৰ বৈজ্ঞানিক নাম Camellia Sinesis var. assamica)

**খনিজ তেল উদ্যোগ ঃ** অসমৰ অৰ্থনীতিত তেল উদ্যোগৰো বিশেষ ভূমিকা আছে। ১৮২৬ চনতে কেপ্তেইন উইলকক্সে শিৱসাগৰ জিলাৰ দক্ষিণ-পশ্চিমে খনিজ তেল আৰু কয়লাক্ষেত্ৰ প্ৰত্যক্ষ কৰিছিল। কোম্পানীৰ শাসনকালত তেল উদ্যোগৰ সূচনা হৈছিল। আহৰণ কৰা খনিজ তেল শোধন কৰিবলৈ বৰ্তমান

অসমত ডিগবৈ, নুনমাটি, বঙাইগাঁও আৰু নুমলীগড়ত চাৰিটা শোধনাগাৰ আছে। ইয়াৰ ভিতৰত একমাত্ৰ ডিগবৈ শোধনাগাৰ (এচিয়াৰ প্ৰথম শোধনাগাৰ) স্বাধীনতাৰ পূৰ্বে স্থাপন কৰা হৈছিল।



চিত্ৰ-৮.১ ঃ ডিগবৈ শোধানাগাৰ

কমিছনাৰ জেনকিঞ্চে উজনি অসম ভ্ৰমণ কালত ১৮৩৮ চনত বৰহাটৰ ওচৰত কেবাটাও তেলৰ ফোঁৰাৰা (Oil spring) প্ৰত্যক্ষ কৰিছিল। ইয়াৰ উপৰিও নামচিক, নাহৰপুঙ, মাকুম আদি ঠাইত কয়লাক্ষেত্ৰসমূহৰ ওচৰত খনিজ তেল দেখিবলৈ পোৱা কথা কেপ্টেইন হানয়, কেপ্তেইন ডেল্টন আদি কোম্পানীৰ বিষয়াসকলে উল্লেখ কৰিছে। এইক্ষেত্ৰত কেপ্টেইন ডেল্টনে উল্লেখ কৰা কথাখিনি মনকৰিলগীয়া ("I am told by the Singphos that at times there is an internal noise as that of a distant thunder, when bursts forth suddenly with a loud report and then for a time subsides." Journal of Asiatic Society, Bengal XIV 817). তেল আৰু প্ৰাকৃতিক গেছৰ অৱস্থিতি শিৱসাগৰ জিলাৰ জয়পুৰৰ আশে-পাশেও দেখা পোৱা গৈছিল। ইয়াৰ উপৰি বাপু বৰপুঙতো (বৰ্তমান ডিগবৈ) তেলৰ সন্ধান পোৱা গৈছিল। ১৮৫৪ চনত ওৱাগেনট্ৰাইবাৰ নামে এজন ব্যৱসায়ীয়ে লখিমপুৰ জিলাত অৱস্থিত তেলৰ পুঙসমূহৰ লীজ বিচাৰি বংগ চৰকাৰৰ ওচৰত আবেদন কৰে। তেলৰ গুণাগুণ আৰু বাণিজ্যিক মূল্য নিৰ্দ্ধাৰণ কৰিবলৈ তেওঁ লিজ বিচাৰিছিল। অসমৰ তদানীন্তন কমিছনাৰে মাকুম, বাপু আৰু নামচিকত থকা তেলপুঙসমূহৰ বিষয়ে ৰাজহ ব'ৰ্ডক সকলো তথ্য জনাইছিল। ইয়াৰ ভিতৰত মাকুমত থকা তেলপুঙ লিজত দিবলৈ চৰকাৰে সিদ্ধান্ত কৰে। কোম্পানীৰ বিষয়া ডেল্টনে মাকুমৰ পৰা বছৰি ২০ ৰ পৰা ৩০ সেৰতকৈ (সেৰ সেই সময়ৰ জুলীয়া সামগ্ৰীৰ জোখৰ একক, লিটাৰতকৈ অলপ কম) বেছি তেল আহৰণ কৰিব পৰা নাযাব বুলি অনুমান কৰিছিল। ওৱাগেনট্ৰাইবাৰৰ পৰীক্ষামূলক তেল আহৰণৰ বিষয়ে কোনোধৰণৰ উল্লেখ পোৱা নাযায়। ১৮৬৫ চনত গুডএনাফ নামৰ অন্য এজনে তেলপুঙৰ লিজ বিচাৰিছিল। জয়পুৰ আৰু মাকুমত তেওঁ ২০ বছৰৰ লিজ লাভ কৰিছিল। তেতিয়ালৈকে চৰকাৰী উদ্যোগত তেল আহৰণৰ কোনো ব্যৱস্থা কৰা হোৱা নাছিল।

খনিজ তেলৰ প্ৰথম প্ৰণালীবদ্ধ ব'ৰিং অৰ্থাৎ খনন আৰম্ভ হয় ১৮৬৬ চনৰ নৱেম্বৰ মাহত। প্ৰথম পৰ্যায়ৰ এই অভিযান সফল হোৱা নাছিল। আনহাতে সফল পেট্ৰ'লিয়াম উদ্যোগ এটা গুডএনাফেও প্ৰতিষ্ঠা কৰিব পৰা নাছিল। এইক্ষেত্ৰত প্ৰধান অসুবিধা আছিল যাতায়াত। পৰীক্ষামূলক তেল আহৰণত এটা কথা

পৰিষ্কাৰ হৈছিল যে মাকুমৰ তৈলক্ষেত্ৰত পৰ্যাপ্ত পৰিমাণৰ তেল আহৰণ কৰিব পৰা হ'ব। তেল উদ্যোগে বাণিজ্যিক সফলতা লাভ কৰিব নোৱাৰাৰ মূলতে আছিল উপযুক্ত যাতায়াত ব্যৱস্থাৰ অভাৱ।

আসাম ৰেইলওৱে এণ্ড ট্ৰেডিং কোম্পানীক ১৮৮২ চনৰ শেষৰফালে লখিমপুৰ জিলাত (অবিভক্ত) তেল আহৰণৰ সুবিধা দিয়া হৈছিল। ১৮৮৪ চনত এ.আৰ.টি.চিয়ে কাম আৰম্ভ কৰে। ২৫ বছৰৰ লিজ লাভ কৰি কোম্পানীয়ে দুবছৰৰ ভিতৰত ১০,৪০০ বেৰেল তেল আহৰণ কৰাৰ অনুমতি পাইছিল। কোম্পানীৰ প্ৰচেষ্টা প্ৰথম অৱস্থাত যথেষ্ট ব্যয়বহুল হৈ পৰিছিল। তৎস্বত্বেও কোম্পানীৰ ব'ৰ্ড অব ডাইৰেক্টৰে ডিগবৈৰ আশে-পাশে ছয় বৰ্গমাইল এটা এলেকাত পুনৰ লিজত বিচাৰিছিল। ১৮৯২ চনত কোম্পানীয়ে চাৰি বৰ্গমাইলৰ এখন ক্ষেত্ৰ ২০ বছৰৰ বাবে লিজত লাভ কৰে। প্ৰতি এশ গেলন তেলৰ বিনিময়ত কোম্পানীয়ে আঠ অনা ৰয়েল্টি দিব লগা হৈছিল। ইতিমধ্যে বামেৰ লৰি (Balmer Lowrie) কোম্পানীয়ে আসাম অইল চিণ্ডিকেটৰ এজেণ্ট হৈ ডিগবৈত একেই চৰ্তত আন এটা ক্ষেত্ৰ লিজত লৈছিল।

১৮৮৮ চনত আৰ. এইছ. টাউনচেণ্ডে (R.H. Townsend) (বেলুচিস্তান পেট্ৰ'লিয়াম ওৱৰ্কছৰ অধীক্ষক) ভাৰত চৰকাৰৰ নিৰ্দেশমৰ্মে মাকুম তৈল ক্ষেত্ৰত এটা জৰীপ কৰিছিল। তেওঁ তেল উদ্যোগৰ প্ৰচুৰ সম্ভাৱনা দেখি ৰাজহ বিভাগলৈ এটা বিৱৰণ দিছিল। ১৮৮৮ চনৰ প্ৰথম ভাগত ডিগবৈত প্ৰথম সফল বৰিঙৰ বাবে টাউনচেণ্ডক কৃতিত্ব দিয়া হয়। তেওঁ সমগ্ৰ বিশ্বৰ ভিতৰতে অসম এখন গুৰুত্বপূৰ্ণ তৈলক্ষেত্ৰ হ'ব বুলি ভৱিষ্যৎবাণী কৰিছিল। অসমৰ তদানীন্তন চীফ কমিছনাৰ চাৰ্লছ এলিয়টলৈ এখন পত্ৰযোগে (২০ চেপ্তেম্বৰ ১৮৯০) জনাইছিল যে ডিগবৈত এটা ডাঙৰ কুৱা এ.আৰ.টি চিয়ে আৱিষ্কাৰ কৰিছে। ১৮৯৮ চনলৈকে এ.আৰ.টি.চিয়ে বিভিন্ন গভীৰতাৰ দহটা তৈল খাদত কাম কৰি আছিল যদিও তেল আহৰণৰ পৰিমাণ যথেষ্ট কম আছিল। বিশেষজ্ঞসকল ডিগবৈত পৰ্যাপ্ত পৰিমাণে তেল পোৱা যাব বুলি এক প্ৰকাৰ নিশ্চিত আছিল। এ.আৰ.টি.চিয়ে মাৰ্ঘেৰিটাত এটা সৰু ৰিফাইনেৰী খুলি লৈছিল। কমিছনাৰ হেনৰি কটনে এনেধৰণৰ সম্ভাৱনাপূৰ্ণ এটা উদ্যোগৰ ভৱিষ্যত চিন্তা কৰি ভাৰত চৰকাৰক এটা কোম্পানী খুলিবলৈ যুক্তিপূৰ্ণ পৰামৰ্শ দিছিল। ইতিমধ্যে লণ্ডনত ৩১০,০০ পাউণ্ড ষ্টাৰ্লিঙৰ এটা পুঁজিৰ বিনিয়োগত আসাম অইল কোম্পানী খোলা হৈছিল। নতুনকৈ গঠন কৰা এ.ও.চিয়ে এ.আৰ.টি.চি আৰু তেল চিণ্ডিকেটৰ পৰা সমূহ তৈলক্ষেত্ৰৰ দায়িত্ব লৈ উৎপাদন কাৰ্য আৰম্ভ কৰিবলৈ আগবাঢ়িছিল। ভাৰত চৰকাৰে নৱপ্ৰতিষ্ঠিত কোম্পানীটোলৈ একেই চৰ্তত সা-সুবিধা প্ৰদান কৰি অনুমোদন কৰিছিল। মাকুম আৰু ডিগবৈৰ তৈলক্ষেত্ৰসমূহ এইদৰে আসাম অইল কোম্পানীলৈ হস্তান্তৰ লৈছিল। এ.ও.চি অসমৰ প্ৰথমটো পেট্ৰ'লিয়াম কোম্পানী হিচাবে অৰ্থনৈতিক ক্ষেত্ৰত যথেষ্ট গুৰুত্ব লাভ কৰিছিল। এ.আৰ.টি.চিৰ চেয়াৰমেন লৰ্ড ৰিবলছডেল আসাম অইল কোম্পানীৰ চেয়াৰমেন নিযুক্ত হৈছিল। ডিগবৈত সদৰ কাৰ্যালয় আৰু এটা ডাঙৰ শোধনাগৰ স্থাপন কৰাৰ পিছত কেৰাচিন তেল, মম, লুব্ৰিকেণ্টছ আদি পেট্ৰ'লজাত সামগ্ৰীৰ উৎপাদন আৰম্ভ হৈছিল। ১৯১১ চনত কোম্পানীয়ে ৩,৫৬৫,১৬৩ গেলন পেট্ৰ'ল উৎপাদন কৰিছিল। এ.আৰ.টি.চি আৰু এ.ও.চিৰ পৰিচালনা ব'ৰ্ডে সন্মিলিতভাৱে কাম কৰিছিল ১৯২১ চনলৈকে। ১৯২১ চনতে এ.আৰ.টি.চিৰ কোম্পানীত থকা অংশ বাৰ্মা অইল কোম্পানীক বিক্ৰী কৰা হৈছিল। বাৰ্মা অইল কোম্পানী আসাম অইল কোম্পানীৰ কাৰিকৰী আৰু বাণিজ্যিক পৰিচালক হিচাবে কাম কৰিছিল। এ.ও.ছি আৰু বি.ও.চিয়ে চৰকাৰক ৰয়েল্টি হিচাবে দিব লগা হৈছিল প্ৰতি এশ গেলনত যথাক্ৰমে আঠ অনা আৰু দহ অনাকৈ।

প্ৰথম পৰ্যায়ত পেট্ৰ'লিয়াম উদ্যোগে বাণিজ্যিক সফলতা লাভ কৰিব নোৱাৰিলেও উনৈশ শতিকাৰ শেষৰ ফালে পৰিস্থিতি সলনি হৈছিল। পেট্ৰ'লিয়াম উদ্যোগে অসমৰ পিছপৰা অৰ্থনীতিত অতি গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। বৰ্তমান সময়ত অসমৰ পেট্ৰ'লিয়াম উদ্যোগক্ষেত্ৰখনত তেল আৰু প্ৰাকৃতিক গেছ আয়োগ, ইণ্ডিয়ান অইল কোম্পানী, বঙাইগাঁও ৰিফাইনেৰী এণ্ড পেট্ৰ'কেমিকেলছ লিমিটেড, নুমলীগড় ৰিফাইনেৰী লিমিটেড আদিয়ে কাম কৰি আছে। ইয়াৰ উপৰিও টেঙাখাটত গ্ৰেছ ক্ৰেকাৰ প্ৰকল্প স্থাপনৰ জৰিয়তে এই ক্ষেত্ৰখন আৰু অধিক বিকশিত কৰিবলৈ চৰকাৰী উদ্যোগত প্ৰচেষ্টা হাতত লোৱা হৈছে।

বিশেষজ্ঞ সকলৰ মতে, আধুনিক মানৱ সমাজৰ বাবে অপৰিহাৰ্য পেট্ৰ'লজাত সামগ্ৰীৰ পৰ্যাপ্ত ভাণ্ডাৰ এটা অসমত আছে। সেয়েহে এতিয়াও নতুন নতুন তৈলক্ষেত্ৰৰ সন্ধান অসমত অব্যাহত আছে। পেট্ৰ'লিয়াম উদ্যোগৰ চালুকীয়া আৰম্ভণি হৈছিল ঔপনিবেশিক কালত আৰু স্বাধীনোত্তৰ কালত সেই ক্ষেত্ৰখনত যথেষ্ট বিকাশ পৰিলক্ষিত হৈছে। অসমৰ এনে এবিধ মূল্যবান প্ৰাকৃতিক সম্পদৰ বাণিজ্যিক গুৰুত্ব উপলব্ধি কৰি নতুন নতুন উৎসৰ সন্ধান চলিছে। মনকৰিবলগীয়া যে এনে সম্পদৰ ব্যৱহাৰৰ ক্ষেত্ৰত বহনক্ষম উন্নতিৰ ধাৰণা প্ৰয়োগ কৰি কাম কৰিবলগীয়া হয়।

**ৰে'ল যাতায়াত ঃ** ভাৰতবৰ্ষত ৰাজনৈতিক ক্ষমতা অধিকাৰ আৰু আধিভৌমিক সম্প্ৰসাৰণৰ লগে লগে ব্ৰিটিছ প্ৰশাসনে যাতায়াত ব্যৱস্থা উন্নীতকৰণৰ প্ৰয়োজনীয়তা উপলব্ধি কৰিছিল। ইয়াৰ ভিতৰত ৰে'ল যাতায়াত ব্যৱস্থাই সৰ্বাধিক গুৰুত্ব লাভ কৰিছিল। ১৮৩১-৩২ চন মানৰ পৰাই দক্ষিণ ভাৰতত ৰে'ল যাতায়াত ব্যৱস্থা প্ৰৱৰ্তনৰ প্ৰস্তাৱ বিবেচনা কৰা হৈছিল। এইক্ষেত্ৰত আটাইতকৈ গুৰুত্বপূৰ্ণ সিদ্ধান্তটো লৈছিল গৱৰ্ণৰ জেনেৰেল ডেলহাউছিয়ে ১৮৫৩ চনৰ লিখিত কাৰ্য-বিৱৰণী (Minute)ৰ জৰিয়তে। সেই বিখ্যাত কাৰ্য-বিৱৰণীৰ দ্বাৰা তেওঁ ৰে'ল যাতায়াতৰ ৰাজনৈতিক, সামাজিক আৰু বাণিজ্যিক গুৰুত্বৰ কথা প্ৰকাশ কৰিছিল। ডেলহাউছিৰ দিনত ৰে'ল যাতায়াত প্ৰৱৰ্তন আৰু পৰিচালনাৰ বাবে আঠটা ব্যক্তিগত কোম্পানীক দায়িত্ব দিয়া হৈছিল। ১৮৫৩ চনৰ ১৬ এপ্ৰিলৰ দিনা ভাৰতবৰ্ষত প্ৰথমবাৰৰ বাবে ৰে'ল লাইন মুকলি কৰা হৈছিল বম্বে (মুম্বাই) আৰু থানেৰ মাজত।



১৮২৬ চনত অসম কোম্পানী শাসনাধীন হোৱাৰ পিছত ৰাজনৈতিক আৰু আৰ্থ-সামাজিক ক্ষেত্ৰত পৰিৱৰ্তনৰ এটা ধাৰা আৰম্ভ হৈছিল। ইষ্ট-ইণ্ডিয়া কোম্পানীয়ে ব্যৱসায়িক স্বাৰ্থত অসমৰ সম্পদসমূহ ব্যৱহাৰৰ বাবে বিভিন্ন পদক্ষেপ লৈছিল। এনেধৰণৰ পদক্ষেপসমহৰ ভিতৰত অন্যতম আছিল ৰে'ল যাতায়াতৰ আৰম্ভণি। উত্তৰ-পূব সীমান্ত ৰে'লৰ ইতিহাস সূচনা হৈছিল পূৰ্বৰ আসাম ৰে'লৱে এণ্ড ট্ৰেডিং কোম্পানী, আসাম

বেংগল ৰে'লৱে আৰু ইষ্টাৰ্ণ বেংগল ৰে'লৱেৰ জৰিয়তে। অসমত ৰে'লপথ মুকলি কৰাৰ প্ৰধান উদ্দেশ্য আছিল চাহপাত আৰু কয়লা সৰবৰাহ কৰা।

১৮৮২ চনত এ আৰ টি চি য়ে অসমত প্ৰথম ৰে'লপথ মুকলি কৰিছিল আমোলাপট্টি (ডিব্ৰুগড়) আৰু দিনজানৰ মাজত। ১৫ মাইল দৈৰ্ঘ্যৰ এই লাইনটো মুকলি কৰা হৈছিল চাহপাত সৰবৰাহ কৰিবলৈ। ১৮৮৪ চনত একেটা লাইন মাৰ্ঘেৰিটাৰ মাকুম কয়লাক্ষেত্ৰলৈ সম্প্ৰসাৰণ কৰা হৈছিল। যাত্ৰী পৰিবহণৰ বাবে কোম্পানীয়ে প্ৰথম আৰম্ভ কৰিছিল ডিব্ৰু-শদিয়া ৰে'লৱে। ইষ্টাৰ্ণ বেংগল ৰে'লৱে কোম্পানীয়ে হালদীবাৰী-শিলিগুড়ি-বাৰচোই-কিষানগঞ্জ, মনিহাৰী আদি চেকচনসমূহ ১৯০০ চনৰ আগে আগে নিৰ্মাণ কৰিছিল। পৰৱৰ্তী সময়ত কোম্পানীয়ে ৰে'ল যাতায়াত সম্প্ৰসাৰণ কৰি হাচিমাৰা-আলিপুৰদুৱাৰ, গীতালদাহা, বামনহাট-গোলোকগঞ্জ-আমিনগাঁও, ৰঙিয়া-ৰাংগাপাৰা আৰু ধুবৰী (ধুবুৰী) চেকচন নিৰ্মাণ কৰিছিল ১৯০০-১৯১১ চনৰ ভিতৰত। ফলস্বৰূপে ৰে'ল যাতায়াত ব্যৱস্থাই পূৰ্বতকৈ অধিক অঞ্চল সামৰি লৈছিল। এ আৰ টি চি, ইষ্টাৰ্ণ বেংগল ৰে'লৱে আৰু আসাম বেংগল ৰে'লৱে কোম্পানীয়ে বৰাক উপত্যকাতো ৰে'ল যাতায়াত ব্যৱস্থা প্ৰৱৰ্তন কৰিছিল। আটাইকেইটা কোম্পানী দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত লগ লাগি বেংগল আসাম ৰে'লৱে নামে জনাজাত হৈছিল। পৰৱৰ্তী কালত ব্যক্তিগত কোম্পানীৰ অধীনৰ কিছুমান ৰে'লৱে লাইন যেনে — বেংগল দুৱাৰ ৰে'লৱে, যোৰহাট প্ৰভিঞ্চিয়েল ৰে'লৱে, চাপুৰমুখ শিলঘাট ৰে'লৱে, কটাখাল-লালাবাজাৰ ৰে'লৱে ইত্যাদি আসাম-বেংগল ৰে'লৱেৰ অধীনত পৰিচালিত হৈছিল।

১৯৪৭ চনত দেশ বিভাজনৰ ফলত আসাম বেংগল ৰে'লৱে ৰাজনৈতিক সীমা অনুসৰি দুভাগ হৈছিল। অসমত তেতিয়া আসাম ৰে'লৱে গঠন হৈছিল আৰু ইয়াৰ সদৰ আছিল পাণ্ডুত। ১৯৪৮ চনত দাৰ্জিলিং হিমালয়ান ৰে'লৱে ভাৰত চৰকাৰে অধিগ্ৰহণ কৰি আসাম ৰে'লৱেৰ লগত সংলগ্ন কৰি দিছিল। পূব পাকিস্তান গঠন হোৱাৰ পিছত ভাৰতৰ বাকী অংশৰ লগত অসমৰ ৰে'ল সংযোগ সম্পূৰ্ণ বিচ্ছিন্ন হৈছিল। ১৯৫০ চনত আসাম ৰে'ল লিংক প্ৰজেক্টৰ জৰিয়তেহে পুনৰ সংযোগ স্থাপন হৈছিল।

বৰ্তমান উত্তৰ-পূৰ্বাঞ্চলত উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ জৰিয়তে ৰে'ল যাতায়াত পৰিচালিত হয়। ১৯৫৮ চনৰ ১৫ জানুৱাৰীত নৰ্থ-ইষ্টাৰ্ণ ৰে'লৱেৰ পৰা কাটি আনি নৰ্থ-ইষ্টাৰ্ণ ফ্ৰন্টিয়াৰ ৰে'লৱে নামে সুকীয়া মণ্ডল গঠন কৰা হয় আৰু মালিগাঁও এন এফ ৰে'লৱেৰ সদৰ হিচাবে ঘোষণা কৰা হয়।

**কয়লা উদ্যোগ ঃ** অসমৰ প্ৰাথমিক পৰ্যায়ৰ উদ্যোগৰ ভিতৰত কয়লা উদ্যোগ অন্যতম। প্ৰাচীন কালৰ পৰাই অসমৰ বিভিন্ন স্থানত কয়লাৰ সন্ধান পোৱা গৈছিল। লেফটেনেন্ট উইলকক্সে ১৮২৫ চনতেই দিচাং নৈৰে উজাই যাওঁতে বৰহী আৰু আশে-পাশে থকা পাহাৰত কয়লাৰ পাতল স্তৰ এটা লক্ষ্য কৰিছিল। ইয়াৰ উপৰিও চুপকং আৰু ডিমাপুৰৰ দক্ষিণ পশ্চিমে তেওঁ কয়লা দেখিবলৈ পাইছিল। ১৮২৮ চনত ডেভিদ



স্কটৰ নিৰ্দেশত চি এ ব্ৰুচে দিখৌ নৈৰ উপনদী চফ্ৰাইত ৫০০০ মোন কয়লা আহৰণ কৰা বুলি তথ্য পোৱা যায়। অসমৰ কয়লাৰ গুণাগুণ সম্বন্ধে কোৱা হয় যে ইংলেণ্ডত পোৱা কয়লাৰ সমানেই ই উচ্চ গুণ সম্পন্ন আৰু ভাৰতৰ ভিতৰত শ্ৰেষ্ঠ। ১৮৩৭ চনত কেপ্টেইন ব্ৰডিয়ে নামবৰত কয়লাৰ অৱস্থিতিৰ বিষয়ে উল্লেখ কৰিছে।




ঔপনিবেশিক শাসকসকলে ইয়াণ্ডাবু সন্ধিৰ চৰ্ত্ত অনুসৰি অসমৰ শাসনভাৰ লোৱাৰ পিছত প্ৰশাসনীয় ব্যৱস্থাৰ লগতে অসমৰ সম্পদসমূহ ব্যৱসায়িক স্বাৰ্থত অনুসন্ধান আৰু জৰীপ কৰিছিল। ১৮৩৮ চনত কমিছনাৰ জেনকিন্সে উজনি অসম ভ্ৰমণ কৰা সময়ত উইলকক্সে উল্লেখ কৰা ঠাইসমূহ চিনাক্ত কৰাৰ লগতে দিচাং নৈৰে কয়লাৰ সৰবৰাহ সহজ হ'ব বুলিও মত প্ৰকাশ কৰে। একে বছৰতে কেপ্টেইন হানয়ে গৱৰ্ণৰ জেনেৰেল পৰিষদৰ নিৰ্দেশত জয়পুৰত (জিলা-শিৱসাগৰ) এহেজাৰ মোনতকৈ অধিক কয়লা আহৰণ কৰে আৰু তাৰে কিছু অংশ গুণাগুণ পৰীক্ষাৰ বাবে কলিকতালৈ প্ৰেৰণ কৰে। কেপ্টেইন হানয় শদিয়ালৈ বদলি হোৱাৰ পিছত কয়লা আহৰণৰ পৰীক্ষা-নীৰিক্ষা কিছুদিনলৈ তল পৰে।

১৮৪২ চনৰ ২৬ মাৰ্চ তাৰিখে কয়লা উদ্যোগৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱা হয়। কয়লা আহৰণৰ বাবে আগৰ কমিছনাৰে প্ৰস্তুত কৰা এখন আঁচনি গৱৰ্ণৰ জেনেৰেল পৰিষদে অনুমোদন জনায়। ইয়াৰ পিছতো এই বিষয়ত বিশেষ কোনো পদক্ষেপ লোৱা দেখা নগ'ল। কোল (Coal) কমিটিয়ে যাতায়াতৰ অসুবিধাৰ বাবে অসমৰ কয়লা কলিকতালৈ প্ৰেৰণ কৰাটো যথেষ্ট ব্যয়বহুল হ'ব বুলি মত প্ৰকাশ কৰে। ১৮৩৫ চনত এ. জে মফট মিলছে প্ৰস্তুত কৰা প্ৰতিবেদনত সেয়েহে জয়পুৰৰ কয়লা ক্ষেত্ৰত এজন মাত্ৰ ব্যৱসায়ীয়ে কাম কৰি থকাৰ উল্লেখ আছে।

১৮৬০ চনৰ আগভাগত চাহ-খেতিৰ সম্প্ৰসাৰণ আৰু ব্ৰহ্মপুত্ৰ নদীত বাণিজ্যিকভিত্তিত জাহাজ চলাচল আৰম্ভ হোৱা বাবে কয়লাৰ চাহিদা দ্ৰুত গতিত বৃদ্ধি পাবলৈ ধৰে। ১৮৬১ চনৰ জানুৱাৰী মাহত এজন ব্যৱসায়ীয়ে চৰকাৰৰ সৈতে চুক্তিবদ্ধ হৈ দিখৌমুখৰ তিৰাপ ক্ষেত্ৰত কাম আৰম্ভ কৰে। চুক্তি অনুসৰি তেওঁ দিখৌমুখ, তেজপুৰ আৰু গুৱাহাটীত এহেজাৰ মোনকৈ কয়লা মজুত ৰাখিব লাগিছিল। ১৮৬৪ চনত লিজ সম্পূৰ্ণ হোৱাৰ পিছত বংগৰ লেফটেনেন্ট গৱৰ্ণৰ চেচিল বিডনে তিৰাপ কয়লা ক্ষেত্ৰ ৯৯ বছৰৰ লিজত দিবলৈ বিচাৰিছিল। তাৰ বিনিময়ত প্ৰতি একৰ ভূমিত ছঅনা খাজনা আৰু প্ৰতি এশ মোন কয়লাৰ ৰয়েল্টি এটকাকৈ ধাৰ্য কৰা হৈছিল। নৱ নিযুক্ত কমিছনাৰ হেনৰি হপকিনছনে এনে ধৰণে কয়লা ক্ষেত্ৰ লিজত দিয়াৰ বিৰোধিতা কৰিছিল। তেওঁৰ ধাৰণা মতে এনে ধৰণৰ লিজে লেছিজনক (যাক লিজত দিয়া হয়) একচেটীয়া অধিকাৰ দিব। সেয়েহে প্ৰচলিত ব্যৱস্থাকে বাহাল ৰখা হ'ল যাতে চৰকাৰে বিনা ৰাজহত কয়লাৰ যোগান পাই থাকে। উজনি অসমৰ কয়লা ক্ষেত্ৰসমূহত জৰীপ কৰিবলৈ জিঅ'লজিকেল চাৰ্ভে অব ইণ্ডিয়াক দায়িত্ব দিয়া হয়। সেইমতে জি এছ আইৰ অধ্যক্ষ এইছ বি মেডলিকট আৰু লখিমপুৰ জিলাৰ ডেপুটি কমিছনাৰে উজনি অসমৰ

কয়লা ক্ষেত্ৰসমূহ জৰীপ কৰিছিল। জৰীপৰ অন্তত মেডলিকটে উজনিৰ কয়লা ক্ষেত্ৰসমূহ দুভাগ কৰিছিল। শিৱসাগৰ জিলাৰ জয়পুৰ আৰু মাকুমৰ ওচৰত তিৰাপ। ইয়াৰ ভিতৰত জয়পুৰ কয়লা আহৰণৰ বাবে বেছি সুবিধাজনক বুলি তেওঁ উল্লেখ কৰিছিল। জয়পুৰৰ নামচিক চেকছুনৰ কয়লা অতি উচ্চমানৰ বুলি তেওঁ মত প্ৰকাশ কৰিছিল। ব্ৰহ্মপুত্ৰ নৈৰে জাহাজ চলাচলৰ বাবে প্ৰয়োজনীয় কয়লা তিৰাপ ক্ষেত্ৰৰ পৰা আহৰণ কৰা হৈছিল। মেডলিকটে জৰীপ কৰি কয়লাৰ প্ৰকৃতি, ক্ষেত্ৰসমূহৰ বিস্তৃতি আৰু ইয়াৰ বাণিজ্যিক ব্যৱহাৰৰ উপৰিও কয়লাক্ষেত্ৰ লিজত দিয়া চৰ্ত্তবিলাক কেনেধৰণৰ হ'ব লাগে সেই সম্পৰ্কে পৰামৰ্শ দাঙি ধৰিছিল। পূৰ্বনিৰ্ধাৰিত নিয়ম অনুসৰি প্ৰতি একৰ কয়লা ক্ষেত্ৰৰ বাবে ছয় অনা আৰু প্ৰতি এশমোন কয়লাৰ বাবে এটকাকৈ নিৰিখ বান্ধি দিয়া হৈছিল।

ইতিমধ্যে ৰাজহ ব'ৰ্ডে কয়লাক্ষেত্ৰসমূহৰ মঞ্জুৰি দিয়া বিষয়টো বিবেচনা কৰিছিল। কমিছনাৰ হপকিনছে বিজ্ঞানসন্মত ভূতাত্বিক জৰীপ নোহোৱাকৈ কয়লা ক্ষেত্ৰসমূহ জধে-মধে মুকলি কৰি নিদিয়াৰ পৰামৰ্শ দিছিল। আনহাতে লেফটেনেন্ট গৱৰ্ণৰ বিডনে সময় নষ্ট নকৰি কয়লাক্ষেত্ৰসমূহ ব্যক্তিগত প্ৰতিষ্ঠানৰ বাবে মুকলি কৰি দিব লাগে বুলি কৈছিল। তেওঁৰ মতে ব্যক্তিগত পুঁজি বিনিয়োগৰ জৰিয়তে সস্তা দামত উচ্চমানৰ কয়লা উৎপাদন কৰাটোহে চৰকাৰৰ লক্ষ্য হ'ব লাগে।

মেডলিকটৰ পৰামৰ্শ অনুসৰি লেফটেনেন্ট গৱৰ্ণৰে উজনিৰ কয়লাক্ষেত্ৰসমূহৰ বাবে বিজ্ঞাপন দিবলৈ নিৰ্দেশ দিলে। কয়লাক্ষেত্ৰ মঞ্জুৰি দিয়াৰ ক্ষেত্ৰত একোটা গ্ৰাণ্ট এক বৰ্গমাইল বা ৬৪০ একৰতকৈ অধিক হ'ব নালাগিব বুলি ঠিক কৰি লোৱা হ'ল। ১৮৬৬ চনৰ ১৪ ফেব্ৰুৱাৰীত কলকাতা গেজেটত (Calcutta Gazette) অসমৰ কয়লা ক্ষেত্ৰ মঞ্জুৰিৰ বাবে বিজ্ঞাপন ওলাল। এই বিজ্ঞাপনৰ প্ৰতি উৎসাহজনক সঁহাৰি দেখা গৈছিল আৰু মে' মাহৰ ১৮ তাৰিখে মেচাৰ্চ কিলপ ষ্টিৱাৰ্ট এণ্ড কোম্পানীৰ এফ. এ. গুড্এনাফ্কে তিৰাপ ক্ষেত্ৰত কেইবাটাও গ্ৰাণ্ট ক্ৰয় কৰিলে। তাৰ পিছতেই আৰ চি নোবল নামৰ আন এজনে নামডাঙত এটা গ্ৰাণ্ট কিনিলে। দুয়োজনৰেই ব্যৱসায়িক প্ৰচেষ্টা বিফল হোৱা বাবে গ্ৰাণ্ট ওভোটাই লোৱা হ'ল। ডিব্ৰুগড়ৰ লেপেটকটাত মাত্ৰ দুটা গ্ৰাণ্ট জে. হেলিক হস্তান্তৰ কৰা হ'ল। যাতায়াতৰ অসুবিধাৰ হেলিয়ে অৱশেষত আসাম ৰে'লৱে আৰু ট্ৰেডিং কোম্পানীলৈ তেওঁৰ গ্ৰাণ্ট হস্তান্তৰ কৰি দিলে। আন্তঃগাঁথনিৰ অভাৱৰ উপৰিও কয়লাৰ একচেটিয়া ব্যৱসায় ৰোধ কৰিবলৈ অসমৰ চীফ কমিছনাৰ কৰ্ণেল কিটিঙে কয়লা ক্ষেত্ৰৰ গ্ৰাণ্ট ৫০ একৰলৈ সীমিত কৰিলে আৰু সময়সীমা নিৰ্দ্ধাৰণ কৰিলে তিনি বছৰ। তাৰ উপৰি এজন উদ্যোগীয়ে এটাতকৈ অধিক গ্ৰাণ্ট লাভ কৰাটো নিষিদ্ধ কৰা হ'ল। পৰৱৰ্তী চীফ কমিছনাৰ এলিয়টে নীতি নিয়মসমূহ কিছু শিথিল কৰি ১৮৮০ চনত আবেদনসমূহ তুলনামূলকভাৱে পৰীক্ষা কৰাৰ অন্তত লিজ দিবলৈ সিদ্ধান্ত কৰিলে। আসাম ৰে'লৱে আৰু ট্ৰেডিং কোম্পানীৰ প্ৰতিনিধি মেচাৰ্ছ ফিনলেচনে জয়পুৰ আৰু মাকুমৰ ৩০ বৰ্গমাইল জোখৰ কয়লাক্ষেত্ৰ এখন ২০ বছৰৰ বাবে লাভ কৰিলে। লিজৰ চৰ্তসমূহ আছিল যথেষ্ট শিথিল, প্ৰতি বৰ্গমাইলৰ বাবে ৫০ টকা খাজনা আৰু প্ৰতি এক টন উৎপাদিত কয়লাৰ ৰয়েল্টি ৩ টকা।

কয়লা উদ্যোগীসকলে যথেষ্ট অসুবিধাৰ মাজেৰে কাম কৰিব লগা হৈছিল। প্ৰধানতঃ কয়লাক্ষেত্ৰসমূহলৈ যাতায়াতৰ ভীষণ অসুবিধা হৈছিল। আন এক গুৰুতৰ সমস্যা আছিল দক্ষ শ্ৰমিকৰ অভাৱ। স্থানীয় শ্ৰমিকৰ অভাৱত বাহিৰৰ শ্ৰমিক আনি প্ৰশিক্ষণ দিব লগা হৈছিল। ইয়াৰ উপৰিও ডিব্ৰুগড়ৰ পৰা কয়লাক্ষেত্ৰলৈ ৰে'ল

সংযোগ সম্প্ৰসাৰণ কৰিব লগা হৈছিল।

"আছাম ৰে'লৱে আৰু ট্ৰেডিং কোম্পানী"য়ে আৰম্ভণিৰ অসুবিধাসমূহ দূৰ কৰিবলৈ সমৰ্থ হৈছিল। ১৮৮২ চনৰ আগভাগত লিডু কয়লাখনিত উৎপাদন কাৰ্য আৰম্ভ হয় আৰু ১৮৮৪ চনত প্ৰথমখন কয়লা ভৰ্তি ৰে'লগাড়ীয়ে যাত্ৰা আৰম্ভ কৰে। ইয়াৰ পিছত নামডাং, তিৰাপ, নিউ ওৱেষ্ট লিডু, নিউ ইষ্ট লিডু, বৰগোলাই আদি নতুন নতুন কয়লাখনিত উৎপাদন আৰম্ভ হয়। ১৮৮৭ চনত ককিলামুখত অতি উচ্চমানৰ কয়লা প্ৰতিমোনত মাত্ৰ সাত অনা খৰচত উৎপাদন হৈছিল। স্থানীয় চাহিদা পূৰণ কৰাৰ উপৰিও অসমৰ কয়লা কলিকতালৈ ৰপ্তানি কৰা হৈছিল।

লখিমপুৰ আৰু শিৱসাগৰ জিলাৰ কয়লাক্ষেত্ৰসমূহত ১৮৭৪-৭৫ আৰু ১৮৭৫-৭৬ চনত টি আৰ মালেটে এটা জৰীপ চলাইছিল। তেওঁ প্ৰতিবেদনত উল্লেখ কৰিছিল যে নগা পাহাৰৰ নামনিৰ ১১০ মাইল বিস্তৃত অঞ্চলত ছয়টা কয়লাক্ষেত্ৰ আছে, ইয়াৰ ভিতৰত মাকুমৰ পৰা ৯ লাখ টন উচ্চমান সম্পন্ন কয়লা আহৰণ কৰিব পৰা যায়। তাৰ উপৰিও তেওঁ নাজিৰা কয়লা ক্ষেত্ৰৰ কথাও উল্লেখ কৰিছিল।

তেওঁ উল্লেখ কৰা আটাইকেইটা কয়লাক্ষেত্ৰ (নাজিৰাৰ বাহিৰে) ইনাৰ লাইনৰ দক্ষিণ ফালে অৱস্থিত। মেলকম নামৰ এজন ব্যৱসায়ীয়ে আসাম কোল এণ্ড টিম্বাৰ কোম্পানী খুলি নগাৰ অনুমতি লৈ নাজিৰাত ব্যৱসায় কৰিবলৈ থিৰ কৰিছিল। পৰৱৰ্তী সময়ত তেওঁ সেই অধিকাৰ আসাম কোম্পানীলৈ হস্তান্তৰ কৰিছিল। ১৮৭৩ চনৰ ইনাৰ লাইন ব্যৱস্থা অনুসৰি চৰকাৰী অনুমোদন নোহোৱাকৈ এই স্থানসমূহত ব্যৱসায় কৰিবলৈ অসুবিধা হৈছিল। চৰকাৰে সেই কথালৈ লক্ষ্য ৰাখি ব্যৱসায়িক স্বাৰ্থত ইনাৰ লাইন ব্যৱস্থা কিছু শিথিল কৰি দিছিল। চৰকাৰে প্ৰতিটন কয়লাৰ বাবে চাৰি অনাকৈ ৰয়েল্টি ধাৰ্য কৰিছিল। এইদৰে নাজিৰা ক্ষেত্ৰৰ এটা অংশত আসাম কোম্পানীয়ে লিজ লাভ কৰিছিল কিন্তু কোম্পানীৰ ব্যৱসায় লাভজনক নোহোৱা বাবে ক্ষেত্ৰসমূহ পৰিত্যক্ত হৈছিল।

গাৰো-খাছী-জয়ন্তীয়া পাহাৰতো ব্ৰিটিছ চৰকাৰে কয়লাৰ ব্যৱসায় কৰিছিল। বিশেষকৈ গাৰো পাহাৰৰ দৰংগিৰি, খাছী পাহাৰৰ চেৰাপুঞ্জি আৰু জয়ন্তীয়া পাহাৰৰ লাকাডং অঞ্চলত। কিন্তু যাতায়াতৰ অসুবিধাৰ বাবে এই অঞ্চলসমূহত উৎপাদন ব্যয় অধিক হৈছিল।

অসমৰ আৰ্থিক ক্ষেত্ৰখনৰ অতি গুৰুত্বপূৰ্ণ প্ৰাথমিক উদ্যোগ হিচাপে কয়লা উদ্যোগৰ আৰম্ভণি এনেধৰণেই হৈছিল।

**ইনাৰ লাইন ঃ** ব্ৰিটিছ শাসনকালত সীমান্তৱৰ্তী পাহাৰীয়া অঞ্চলসমূহৰ লগত ৰাজনৈতিক সম্পৰ্ক ৰক্ষা কৰাৰ বাবে গ্ৰহণ কৰা ব্যৱস্থা। এই ব্যৱস্থা অনুসৰি ইনাৰ লাইন নামে এক সীমা নিৰ্দ্ধাৰণ কৰা হয় পাহাৰ আৰু ভৈয়ামৰ মাজত। ভৈয়ামৰ মানুহে সেই সীমা অতিক্ৰম কৰি পাহাৰীয়া অঞ্চলসমূহত প্ৰৱেশ কৰিবলৈ চৰকাৰী অনুমতি ল'ব লাগিছিল।

## জীৱন আৰু সংস্কৃতিত ঔদ্যোগিক বিকাশৰ প্ৰভাৱ

১৮২৬ চনত কোম্পানী শাসন আৰম্ভ হোৱাৰ লগে লগে অসমত ইতিহাসৰ এক নতুন পৰ্যায় আৰম্ভ হৈছিল। ব্ৰিটিছ প্ৰশাসনে অসমলৈ কঢ়িয়াই আনিছিল ৰাজনীতিক, আৰ্থ-সামাজিক আৰু সাংস্কৃতিক পৰিৱৰ্তনৰ

এটা ধাৰা। মানৰ আক্ৰমণৰ পিছত অসমৰ মানুহ কোম্পানীৰ ৰাজনৈতিক ব্যৱস্থাৰ অধীন হৈছিল আৰু দীঘলীয়া যুদ্ধৰ পিছত শান্তি স্থাপন হৈছিল। ১৮২৬ ৰ ঐতিহাসিক পৰিঘটনাৰ পিছত অসমলৈ অহা পৰিৱৰ্তনসমূহ সঠিকভাৱে পৰ্যালোচনা কৰিবলগীয়া বিষয়। পৰিৱৰ্তনৰ ক্ষেত্ৰত ৰাজহ ব্যৱস্থাৰ সাল-সলনি, চাহ, তেল, কয়লা আদি উদ্যোগৰ আৰম্ভণি, যাতায়াত ব্যৱস্থাৰ উন্নীতকৰণ আদিৰ ফলত অসমৰ জনসংখ্যা যথেষ্ট বৃদ্ধি পাইছিল। শান্তি-শৃংখলা স্থাপন হোৱাৰ পিছত কোম্পানীয়ে মানৰ আক্ৰমণৰ সময়ত চিংফৌসকলে বন্দী কৰা অসমীয়া লোকসকলক মুক্ত কৰিছিল (Captain Neufville, thanks to his exertions, had succeeded in emancipating sevaral thousands of Assamese from the clutches of the Singphos'. (H. K. Barpuzari, Assam in the Days of the company p 292)। ১৮৫৩ চনত এ কে মফট মিলছক জিলা বিষয়াসকলে দিয়া প্ৰতিবেদন অনুসৰি অসমৰ জনসংখ্যা আছিল ১২ লাখ আৰু এই সংখ্যা ১৮৭২ চনত ১৫ লাখলৈ বৃদ্ধি পাইছিল।

জনসংখ্যা বৃদ্ধিৰ কাৰণ আছিল শান্তিপূৰ্ণ অৱস্থা আৰু বহিৰাগতৰ আগমন। ১৯০১ চনৰ পিয়লত তেওঁলোকৰ ৬৫ শতাংশ বংগ, ১৪ শতাংশ যুক্ত প্ৰদেশ আৰু ১০.৮ শতাংশ কেন্দ্ৰীয় প্ৰদেশৰ পৰা আহিছিল। বহিৰাগতসকলৰ বৃহৎ সংখ্যকেই আছিল খেতিয়ক, চাহ শ্ৰমিক আৰু ব্যৱসায়ী। ইয়াৰ উপৰিও শিখ, অসমত থাকি যোৱা মানসৈন্য, চীনা, নেপালী, হিন্দুস্তানী সৈন্য, ইউৰোপীয় ইত্যাদি বহু সম্প্ৰদায় অসমত বাস কৰিছিল। উনবিংশ শতিকাত বংগৰ পৰা অহা লোকসকলে অসমৰ সামাজিক, আৰ্থিক আৰু সাংস্কৃতিক জীৱনত তাৎপৰ্যপূৰ্ণ প্ৰভাৱ পেলাইছিল। উত্তৰ-পূব বংগৰ এটা অংশ প্ৰাচীন কামৰূপ আৰু পিছত কমতাপুৰৰ অংশ হোৱা বাবে স্বাভাৱিকতেই সাংস্কৃতিক তথা ভাষিক ক্ষেত্ৰত মিল দেখা গৈছিল। কোম্পানীৰ আগমনৰ লগে লগে বংগৰ আমোলাসকলে পূৰ্বৰ আভিজাতসকলক বিষয়বাবৰ পৰা বিতাড়িত কৰিলে। ১৮৩১ চনত কোম্পানীয়ে পাৰ্চীৰ ঠাইত বাংলা ভাষাক আদালতত স্থান দিলে। ৰাজহ আৰু ন্যায় বিভাগত বহিৰাগত সকলেই স্থান লাভ কৰিলে। বিদ্যালয়সমূহতো এওঁলোকেই শিক্ষকতা কৰিবলৈ ল'লে স্থানীয় শিক্ষকৰ অভাৱত। ১৮৩৬ চনত অসমত বাংলা ভাষা শিক্ষাৰ মাধ্যম হিচাপে ঘোষণা কৰা হ'ল। এক কথাত ক'বলৈ গ'লে প্ৰশানীয় ক্ষেত্ৰত বংগৰ এই লোকসকল অপৰিহাৰ্য হৈ পৰিল।

ধৰ্মীয় ক্ষেত্ৰত দুৰ্গা, কালি, চণ্ডী, অন্নপূৰ্ণা দেৱীৰ পূজা ৰাজহুৱা আৰু ব্যক্তিগতভাৱে কৰা প্ৰথা আৰম্ভ হ'ল। বংগৰ যাত্ৰা দল, ঢাক (বাদ্যযন্ত্ৰ) আৰু নৃত্যই অসমীয়া মানুহক যথেষ্ট আকৰ্ষণ কৰিছিল। পোছাক পৰিচ্ছদৰ ক্ষেত্ৰত পাঞ্জাৱী, শান্তিপুৰী ধূতী আদিৰ প্ৰচলন আৰম্ভ হ'ল। ইয়াৰ উপৰি বাংলা ভাষাৰ সংবাদ পত্ৰ যেনে — সমাচাৰ দৰ্পন, সমাচাৰ চন্দ্ৰিকা আদি অসমীয়া লোকসকলে পঢ়িবলৈ ল'লে।

ঔপনিবেশিক শাসনকালত মিছনেৰীসকলৰ আগমন অন্যতম গুৰুত্বপূৰ্ণ বিষয়। অসমৰ বৌদ্ধিক জাগৰণ, শিক্ষাৰ প্ৰসাৰ, খৃষ্টধৰ্মৰ প্ৰচাৰ ইত্যাদি বিষয়বোৰো ইয়াৰ লগত জড়িত হৈ আছে। ১৮২৯ চনতে ডেভিদস্কটৰ আবেদনমৰ্মে শ্ৰীৰামপুৰ মিছনৰ শাখা এটা গুৱাহাটীত খোলা হৈছিল। পৰৱৰ্তী সময়ত উইলিয়াম ৰবিনছনে এই মিছনত যোগ দিয়ে। উত্তৰ-পূবৰ চিংফৌ আৰু খামটিসকলক ধৰ্মৰ দ্বাৰা বশ কৰিবলৈ জেনকিন্সে আমেৰিকান ব্যাপিষ্ট ফৰেইন মিছন ছোছাইটিক আমন্ত্ৰণ জনায়। সেইমৰ্মে ৰেভাৰেণ্ড নাথান ব্ৰাউন আৰু অলিভাৰ কট্টাৰ ১৮৩৬ চনত শদিয়াত উপস্থিত হয়। ১৮৩৭ চনত মাইলছ ব্ৰনছন আহি প্ৰথমে জয়পুৰত আৰু পিছত নামচাঙত

এখন স্কুল খুলি নগাসকলৰ লগত কাম কৰিবলৈ লয়। পৰৱৰ্তী কালত ব্ৰনছনে নগাৰত কাম কৰিবলৈ লয়। তেৰেঁই প্ৰথমজন অসমীয়া নিধিৰামক খ্ৰীষ্টান ধৰ্মত দীক্ষিত কৰে। ধৰ্মান্তৰকৰণৰ পিছত তেওঁ নিধি লেভি ফাৰৱেল নামে জনাজাত হয়। ১৮৪৫ চনৰ ডিচেম্বৰ মাহত গুৱাহাটীত প্ৰথম ব্যাপিষ্ট চাৰ্চ প্ৰতিষ্ঠা কৰা হয়। একে বছৰতে নগাঁও আৰু শিৱসাগৰতো শাখা খোলা হয়। প্ৰথম অৱস্থাত মিছনেৰীসকল ধৰ্মান্তৰকৰণত সফল হোৱা নাছিল যদিও তেওঁলোকে বিদ্যালয়, চিকিৎসালয়, অনাথ আশ্ৰম ইত্যাদিৰ জৰিয়তে স্থানীয় সমাজখনত প্ৰৱেশ কৰিছিল। অসমত বাংলাৰ ঠাইত অসমীয়া ভাষাক শিক্ষাৰ মাধ্যম হিচাপে পুনৰ প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত তেওঁলোকৰ অসামান্য অৱদান আছে। ব্ৰাউন, ব্ৰনছন আৰু ফাৰৱেলে খ্ৰীষ্টিয়ান অসমীয়া সাহিত্যৰ ধাৰা এটা সৃষ্টি কৰিলে। ইয়াৰ উপৰি ব্ৰনছনৰ অভিধান (Dictionary in Assamese and English) ব্ৰাউনৰ নিউ ষ্টেটমেন্টৰ অনুবাদ আৰু গ্ৰামাটিকেল নোটছ অন দি আসামিজ লেংগুৱেজ ইত্যাদি গ্ৰন্থই অসমীয়া ভাষা পুনৰ প্ৰতিষ্ঠাত সহায় কৰিছিল। মিছনেৰীসকলে বহু পুৰণি পুথিৰ পাণ্ডুলিপিও সংগ্ৰহ কৰিছিল। ব্ৰাউনে অসমীয়া ছাত্ৰৰ বাবে ইতিহাস, গণিত আৰু ভূগোল পুথিও ৰচিছিল। ১৮৪৬ চনত মিছনেৰীসকলৰ শিৱসাগৰ প্ৰেছৰ পৰা প্ৰকাশ কৰা প্ৰথমখন মাহেকীয়া আলোচনী, 'অৰুণোদই' অসমীয়া সাহিত্য জগতত মাইলৰ খুটি হিচাবে পৰিগণিত হৈছে। 'অৰুণোদই' ৰ প্ৰকাশক আছিল অলিভাৰ থমাছ কট্টাৰ। আলোচনীখনৰ বিষয়বস্তু সম্বন্ধে কোৱা হৈছে— 'Devoted to religion, Science and General intellegence'. 'অৰুণোদই'ৰ জৰিয়তে পাশ্চাত্যৰ চিন্তা আৰু জ্ঞান শিক্ষিত অসমীয়াসকলৰ মাজত প্ৰসাৰ হৈছিল আৰু পৰৱৰ্তীকালৰ বৌদ্ধিক জাগৰণৰ পথ মুকলি কৰিছিল।

নতুন ধ্যান-ধাৰণাৰ প্ৰসাৰ, অৰ্থনৈতিক ক্ষেত্ৰসমূহৰ সম্প্ৰসাৰণে লাহে লাহে অসমৰ সামাজিক ব্যৱধান কিছু হ'লেও শিথিল কৰিছিল। পুৰণি পৰম্পৰা, অন্ধবিশ্বাসৰ কুঁৱলীবোৰ লাহে লাহে আঁতৰ হৈছিল।

১৮৩৫ চনৰ ঐতিহাসিক সিদ্ধান্তই (ভাৰত চৰকাৰে ইংৰাজী শিক্ষাৰ বাবে এক লাখ টকা ধাৰ্য কৰিছিল) শিক্ষাৰ ক্ষেত্ৰত যথেষ্ট পৰিৱৰ্তন আনিলে। ইংৰাজী শিক্ষাৰ প্ৰসাৰে ভাৰতবৰ্ষৰ অন্যান্য প্ৰান্তৰ লগতে অসমতো প্ৰভাৱ পেলাইছিল। লাহে লাহে নগৰীকৰণ আৰু শিক্ষিত মধ্যবিত্ত শ্ৰেণী এটাৰ উত্থান হৈছিল।

কলিকতালৈ (কোলকতা) উচ্চ শিক্ষাৰ বাবে যোৱা অসমীয়া ছাত্ৰসকলে ভাষা সাহিত্যৰ উন্নতিৰ বাবে 'অসমীয়া ভাষা উন্নতি সাধিনী সভা' গঠন কৰিছিল ১৮৮৮ চনত। অ. ভা. উ. সা. স. ই ১৮৮৯ চনত 'জোনাকী' নামে মাহেকীয়া আলোচনী প্ৰকাশ কৰি অসমীয়া ভাষা সাহিত্য-চৰ্চাৰ বাট মুকলি কৰিলে। লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা, হেমচন্দ্ৰ গোস্বামী, সত্যনাথ বৰা আদিয়ে এই ক্ষেত্ৰত অগ্ৰণী ভূমিকা লৈছিল। ইয়াৰ পূৰ্বে আনন্দৰাম ঢেকীয়াল ফুকন, গুণাভিৰাম বৰুৱাৰ দৰে উচ্চ শিক্ষিত লোকসকলে অসমৰ বৌদ্ধিক আৰু সামাজিক ক্ষেত্ৰত নেতৃস্থানীয় ভূমিকা লৈছিল। ইতিমধ্যে ১৮৮৪ চনত 'যোৰহাট সাৰ্বজনিক সভা' গঠন হৈছিল। এই সংগঠনৰ জৰিয়তে অসমৰ নৱজাগ্ৰত চেতনা প্ৰতিফলিত হৈছিল।

পাশ্চাত্য সভ্যতা-সংস্কৃতিৰ লগত পৰিচিত নব্য শিক্ষিত শ্ৰেণীটোৱে অসমত উচ্চ শিক্ষাৰ অনুষ্ঠান হ'ব লাগে বুলি চৰকাৰৰ ওচৰত দাবী উত্থাপন কৰিছিল। মাণিক চন্দ্ৰ বৰুৱা আছিল এই ক্ষেত্ৰত আগৰণুৱা ব্যক্তি। সামূহিক প্ৰচেষ্টা আৰু চৰকাৰী উদ্যোগত গুৱাহাটীত ঐতিহাসিক কটন কলেজ প্ৰতিষ্ঠা হৈছিল ১৯০১ চনত। অসমৰ চীফ কমিছনাৰ হেনৰী জন ষ্টেডমেন কটনৰ নামত প্ৰতিষ্ঠা হোৱা উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমখন উচ্চ শিক্ষানুষ্ঠানৰ প্ৰথম অধ্যক্ষ আছিল এফ ডব্লিউ চুডমাৰ্চন।

সামাজিক-সাংস্কৃতিক ক্ষেত্ৰলৈ ঔপনিবেশিক শাসনে অনা পৰিৱৰ্তনে মধ্যবিত্ত শ্ৰেণীটোৰ সমাজ চেতনা বৃদ্ধি কৰাৰ লগতে পৰৱৰ্তী কালত এক সামূহিক জাতীয় চেতনালৈ ক্ৰমাগতভাৱে পৰিৱৰ্তিত হৈছিল। নৱজাগ্ৰত সামূহিক চেতনাই অসমত জাতীয়তাবাদী চিন্তাৰ উন্মেষ ঘটালে। ১৯০৩ চনত অসমৰ প্ৰথমটো ৰাজনৈতিক সংগঠন 'আসাম এছোছিয়েশ্বন' গঠিত হৈছিল মাণিক চন্দ্ৰ বৰুৱাৰ দৰে উৎসাহী ব্যক্তিৰ প্ৰচেষ্টাত। ৰাজা প্ৰভাত চন্দ্ৰ বৰুৱা, জগন্নাথ বৰুৱা আৰু মাণিক চন্দ্ৰ বৰুৱা এই সংগঠনৰ ক্ৰমে সভাপতি, উপ-সভাপতি আৰু সম্পাদক আছিল। ১৯১৬ চনত অসম ছাত্ৰ সন্মিলন আৰু ১৯২১ চনত অসম প্ৰদেশ কংগ্ৰেছ কমিটী গঠনে ব্ৰিটিছ বিৰোধী প্ৰতিৰোধ সংগ্ৰামৰ সূচনা কৰিলে। ভাৰতীয় জাতীয় কংগ্ৰেছৰ নাগপুৰ অধিবেশন (১৯২০)ৰ প্ৰস্তাৱমৰ্মে অসহযোগ আন্দোলনত যোগদান কৰি অসম বৃহৎ ভাৰতীয় জাতীয়তাবাদৰ লগত সংপৃক্ত হৈ পৰিল।

এনেদৰে অসম সাম্ৰাজ্যবাদ বিৰোধী সংগ্ৰামত জড়িত হৈ সমগ্ৰ ভাৰতৰ সংগ্ৰামী ধাৰাটোত মিলি গৈছিল।

**জানিবলগীয়া তথ্য**

- প্ৰাক্-ব্ৰিটিছ যুগৰ শিল্প-উদ্যোগবোৰ দৰাচলতে কুটীৰ শিল্পহে আছিল।
- ইংৰাজে শাসন কৰিবলৈ লৈ অসমত তেল, কয়লা, চাহ আদি সামগ্ৰী উৎপাদনৰ বাবে আধুনিক শিল্প-উদ্যোগ স্থাপন কৰে।
- মহাকাব্য ৰামায়ণত অসমক 'পলু পোহাৰ দেশ' বুলি কৈছে।
- বোৱা-কটা নজনা ছোৱালীক অসমীয়া সমাজত 'থুপৰী' বুলি কোৱা হৈছিল।
- অসমীয়া তিৰোতাই ৰাতিটোৰ ভিতৰতে সূতা কাটি, তাঁত লগাই স্বামীক যুঁজলৈ যাবলৈ মন্ত্ৰপূত 'কৱচ কাপোৰ' বৈ দিছিল।
- নৈৰ বালিৰ পৰা সোণ-ৰূপ উৎপাদন কৰা পদ্ধতিটো 'সোণ কমোৱা' বা 'সোণ-খপা' আৰু 'ৰূপ কমোৱা' বা 'ৰূপ খপা' বোলা হৈছিল।
- আহোমৰ ৰাজত্বকালত তিৰোৱাল বা লো-শলীয়া খেল লো উৎপাদন, সোণোৱাল আৰু ৰূপোৱাল খেল ক্ৰমে সোণ আৰু ৰূপ উৎপাদন, লোণপুৰীয়া খেল লোণ বা নিমখ উৎপাদন, ইটাসজীয়া খেল ইটা উৎপাদন, বিহিয়া খেল বিহ উৎপাদন আদি উৎপাদন কাৰ্যৰ সৈতে জড়িত আছিল।
- কুমাৰসকলে ব্যৱহাৰ কৰা মাটিক 'কুমাৰ মাটি' আৰু হীৰাসকলে ব্যৱহাৰ কৰা মাটিক 'হীৰা মাটি' বোলা হৈছিল।
- অসম প্ৰাকৃতিক সম্পদেৰে ভৰপূৰ এখন ৰাজ্য। অবিভক্ত অসমৰ পাহাৰসমূহত লৌহ আকৰ বিস্তৃত হৈ আছিল। খাছীয়া-জয়ন্তীয়া পাহাৰৰ দক্ষিণফালে থকা চূণশিলৰ কোৰেৰীসমূহৰ পৰা চূণ

আহৰণ কৰা হৈছিল। সোণোৱালসকলে উজনি অসমৰ দিক্রুং, সোৱণশিৰি, ধনশিৰি নৈৰ বালি ধুই সোণ সংগ্ৰহ কৰিছিল। অসমৰ চাহ উদ্যোগৰ সম্ভাৱনা আৰু পৰিকল্পনা যুগুত কৰিবলৈ ১৮৩৪ চনত গৱৰ্ণৰ জেনেৰেল লৰ্ড উইলিয়াম বেণ্টিংকৰ দিনত টি কমিটি (Tea Committee) গঠন কৰা হয়।

- ১৮৩৮ চনত কোলকাতাত বেংগল টি এছোছিয়েশ্বন গঠন কৰা হয়।
- আসাম টি কোম্পানী অসমৰ প্ৰথম চাহ কোম্পানী।
- অসমৰ চাহ গছৰ বৈজ্ঞানিক নাম (Camellia Sinesis Var assamica)
- ১৮২৬ চনত ইষ্ট ইণ্ডিয়া কোম্পানীৰ বিষয়া কেপ্তেইন উইলকক্সে উজনি অসমৰ শিৱসাগৰত খনিজ তেল আৰু কয়লা প্ৰত্যক্ষ কৰিছিল।
- ১৮৬৬ চনত প্ৰথমবাৰৰ বাবে অসমৰ খনিজ তেলৰ প্ৰণালীবদ্ধ ব'ৰিং (খনন) আৰম্ভ হয়।
- ১৮৮৪ চনত আসম ৰেইলওৱে এণ্ড ট্ৰেডিং কোম্পানীয়ে লখিমপুৰ জিলাত তেল আহৰণৰ বাবে ২৫ বছৰৰ লিজ লাভ কৰে।
- ১৮৮৮ চনত ডিগবৈত খনিজ তেলৰ সফল ব'ৰিং কৰা হয়।
- আসাম অইল কোম্পানী অসমৰ প্ৰথম তেল কোম্পানী।
- ডিগবৈ এচিয়া মহাদেশৰ প্ৰথম শোধনাগাৰ।
- ১৮৬৬ চনৰ পৰা অসমৰ কয়লা ক্ষেত্ৰসমূহ বিভিন্ন কোম্পানীক লিজত দিয়া হৈছিল।
- তেনে এটা কোম্বানী আছিল আসাম ৰেইলওৱে এণ্ড ট্ৰেডিং কোম্পানী।
- নামডাং, টিৰাপ, নিউ ইষ্ট লিডো, নিউ ওৱেষ্ট লিডো, বলাগোলাই ইত্যাদি কয়লাক্ষেত্ৰত উৎকৃষ্ট মানৰ কয়লা উৎপাদন কৰা হৈছিল (১৮৮২)।
- ১৮৭৪-৭৫, ১৮৭৫-৭৬ চনত লখিমপুৰ আৰু শিৱসাগৰ জিলাৰ কয়লাক্ষেত্ৰ সমূহৰ এটা বিজ্ঞানসন্মত জৰীপ হৈছিল।
- ১৮২৬ চনত ইষ্ট ইণ্ডিয়া কোম্পানী আৰু ব্ৰহ্মদেশৰ ৰজাৰ মাজত ইয়াণ্ডাবু সন্ধি স্বাক্ষৰিত হয়। ইয়াণ্ডাবু সন্ধি অনুসৰি অসম ইষ্ট ইণ্ডিয়া কোম্পানীৰ হাতলৈ যায়।
- অসমৰ সামগ্ৰিক পৰিস্থিতি সম্পৰ্কে এ.জে. মফট্ মিলছে ১৮৫৩ চনত এক প্ৰতিবেদন প্ৰস্তুত কৰিছিল। এই প্ৰতিবেদনক মিলছ্ ৰিপোৰ্ট (১৮৫৩) নামে জনা যায়।
- ১৮৩৬ চনত অসমত বাংলা ভাষা শিক্ষাৰ মাধ্যম হিচাপে ঘোষণা কৰা হয়।
- ১৮৪৬ চনৰ জানুৱাৰী মাহত আমেৰিকান ব্যাপ্তিষ্ট মিছনাৰীসকলে প্ৰথম মাহেকীয়া আলোচনী 'অৰুণোদই' প্ৰকাশ কৰিছিল শিৱসাগৰ প্ৰেছৰ পৰা।
- ১৮২৯ চনত ডেভিদ স্কটৰ নিৰ্দেশ মৰ্মে গুৱাহাটীত শ্ৰীৰামপুৰ মিছনৰ এটা শাখা খোলা হৈছিল। নিধি লেভি ফাৰৱেল অসমৰ প্ৰথমজন খ্ৰীষ্টান ধৰ্মত দীক্ষিত লোক।

- ১৮৮৮ চনত কলিকতাত (কোলকাতা) অধ্যয়ন কৰি থকা অসমীয়া ছাত্ৰসকলে অসমীয়া ভাষা উন্নতি সাধিনী সভা গঠন কৰে।
- অ.ভা.উ.সা.ই ১৮৮৯ চনত 'জোনাকী' নামে মাহেকীয়া আলোচনী প্ৰকাশ কৰে।
- ১৮৮৪ চনত যোৰহাট সাৰ্বজনিক সভা গঠন কৰা হয়।
- ১৯০১ চনত কটন কলেজ প্ৰতিষ্ঠা কৰা হয়।
- ১৯০৩ চনত অসমৰ প্ৰথম ৰাজনৈতিক সংগঠন আসাম এছ'ছিয়েশ্বন গঠন কৰা হয়।
- ১৯১৬ চনত অসম ছাত্ৰ সন্মিলন গঠন কৰা হয়।
- ১৯২১ চনত অসম প্ৰদেশ কংগ্ৰেছ কমিটি গঠন কৰা হয়।

## অনুশীলনী

১। তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা ঃ

ক) অসমক "পলু পোহাৰ দেশ" বুলি কোন গ্ৰন্থত কোৱা হৈছে?

খ) 'থুপৰী' মানে কি?

গ) "জোলা" নামৰ খেলটো আহোমৰ ৰাজত্বকালত কোনটো বৃত্তিৰ সৈতে জড়িত আছিল?

ঘ) আহোমৰ ৰাজত্ব কালত পত্নীয়ে যুদ্ধলৈ যাবৰ বাবে ৰাতিটোৰ ভিতৰতে সূতা কাটি বৈ দিয়া কাপোৰ খনৰ নাম কি?

ঙ) 'সোণ খপা' মানে কি?

চ) 'গুণাকটীয়া' কি?

ছ) 'লোৱা মাটি' কি?

জ) 'ঢেকৰ' কি?

ঝ) 'খাটাং' কি?

২। চমুটোকা লিখা ঃ

ক) কাঁহ শিল্প

খ) তাম শিল্প

গ) পিতল শিল্প

ঘ) লা তৈয়াৰ কৰা শিল্প

ঙ) ৰহ তৈয়াৰ কৰা শিল্প

৩। বোৱা-কটা শিল্পৰ বিষয়ে এটি আলোচনা কৰা।

৪। প্ৰাচীন অসমত সোণ কমোৱা পদ্ধতিৰ বিষয়ে এটি আলোচনা কৰা।

৫। প্ৰাচীন অসমৰ ৰূপ শিল্পৰ বিষয়ে এটি আলোচনা কৰা।

৬। প্ৰাচীন অসমৰ লো শিল্পৰ বিষয়ে এটি আলোচনা কৰা।

৭। প্ৰাচীন অসমৰ মৃৎশিল্পৰ বিষয়ে কি জানা লিখা।

৮। প্ৰাচীন অসমৰ অন্যান্য শিল্পসমূহৰ বিষয়ে পাঠ্যপুথিৰ সহায়ত এটি আলোচনা কৰা।

৯। 'জিওগ্ৰাফিকেল স্কেটছ্ অব আসাম'ৰ লেখক কোন?

১০। অসমত কেতিয়াৰ পৰা ব্ৰিটিছ শাসন আৰম্ভ হয়?

১১। অসমৰ প্ৰথম চাহ কোম্পানীটোৰ নাম কি?

১২। টি কমিটি কোনজন গৱৰ্ণৰ জেনেৰেলৰ দিনত গঠিত হৈছিল?

১৩। অসমত কেতিয়াৰ পৰা খনিজ তেলৰ প্ৰণালীবদ্ধ ব'ৰিং আৰম্ভ হয়?

১৪। অসমৰ চাহ গছৰ বৈজ্ঞানিক নাম কি?

১৫। অসমৰ প্ৰথম পেট্ৰ'লিয়াম কোম্পানীটোৰ নাম কি?

১৬। ১৮৫৩ চনত লৰ্ড ডেলহাউচিয়ে কি গুৰুত্বপূৰ্ণ সিদ্ধান্ত লৈছিল?

১৭। অসমত প্ৰথম ৰেলপথ কেতিয়া মুকলি কৰা হৈছিল?

১৮। 'অৰুণোদয়' ক'ৰ পৰা প্ৰকাশ হৈছিল?

১৯। চমুটোকা লিখা ঃ

(ক) চাহ উদ্যোগ

(খ) এ.আৰ.চি.চি.

(গ) পেট্ৰ'লিয়াম উদ্যোগ

(ঘ) এইচ. বি মেডলিকট

২০। অসমত পেট্ৰ'লিয়াম উদ্যোগৰ আৰম্ভণি সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰা

২১। অসমীয়া ভাষা সাহিত্যলৈ ব্যাপ্টিষ্ট মিছনাৰীসকলৰ অৱদানৰ বিষয়ে চমুকৈ লিখা।

২২। ব্ৰিটিছ শাসনে অসমলৈ কেনেধৰণৰ পৰিৱৰ্তন আনিছিল আলোচনা কৰা।

নৱম অধ্যায়

# ভাৰতৰ পাৰিপাৰ্শ্বিক আন্দোলন আৰু অসমৰ পাৰিপাৰ্শ্বিক পৰিৱৰ্তনসমূহ

## প্ৰাক উপনিবেশিক কালৰ অসমৰ পৰিৱেশ ঃ অহোম যুগৰ ভূমিনীতি, বন আৰু নদী সম্পৰ্কীয় আঁচনি।

**প্ৰয়োজনীয় তথ্য**

- অসমৰ প্ৰাচীন ভৌগোলিক মণ্ডলসমূহৰ নাম ঃ ৰত্নপীঠ, কামপীঠ, স্বৰ্ণপীঠ আৰু সৌমাৰপীঠ
- অসমৰ তিনিটা প্ৰাচীন ভৌগোলিক ভূখণ্ড ঃ উত্তৰকূল, দক্ষিণকূল আৰু মাজুলী
- অসমৰ দুটা প্ৰাচীন জনগোষ্ঠী বৰাহী আৰু মৰাণ সকল তেওঁলোকৰ বসতি এলেকাৰ বন আৰু বনজাত সম্পদসমূহৰ পৰম্পৰাগতভাৱে পৰিচালনা কৰাৰ ক্ষেত্ৰত পাৰদৰ্শী আছিল।
- আহোম শাসন কালৰ সাত প্ৰকাৰৰ মাটি-বাৰীৰ শ্ৰেণীসমূহ ঃ বাৰীমাটি, ৰূপিত, ফৰিঙতি, কঠিয়াতলি, জলাতক, দলনি আৰু হাবিয়নী
- চাহখেতি প্ৰথমে উজনি অসমত ১৮২৩ চনত আৱিস্কাৰ হৈছিল। ৰবাৰ্ট ব্ৰুচ নামৰ এজন স্কটিছ বিষয়াই ইয়াক প্ৰথমে আৱিস্কাৰ কৰিছিল।
- বনজ সম্পদকেন্দ্ৰিক প্ৰখ্যাত অসমৰ হাবিত উপলব্ধ মুগা, মেজেংকাৰী আৰু এৰি গছৰ পৰা পাট-মুগা উৎপন্ন হয়।
- উপনিবেশিক শাসনৰ সময়ত বনজসম্পদৰ ওপৰত প্ৰশাসনে ধাৰ্য কৰা তিনিবিধ কৰ— গড়খাটি (কাঠ), বাংকুৰ (ইকৰা-খাগৰি), খাচুৰি (চাৰণভূমি)
- অসমৰ প্ৰথম তিনিখন প্ৰধান অৰণ্য কাজিৰঙা, লাওখোৱা আৰু উত্তৰ কামৰূপ (মানস)ক প্ৰথমে 'গেম ফৰেষ্ট' ৰূপে ঘোষণা কৰি বিপন্ন হৈ উঠা এশিঙীয়া গড়ৰ সুৰক্ষিত আবাস ৰূপে গঢ়ি তোলা হৈছিল।
- ১৮৫৭ আৰু ১৯৫০ চনত ৮.৭ আৰু ৮.৬ প্ৰাবল্যৰ দুটাকৈ প্ৰবল ভূমিকম্পই অসমৰ ভূ-প্ৰাকৃতিক পৰিৱেশ আৰু পাৰিপাৰ্শ্বিকতাৰ ওপৰত ব্যাপক প্ৰভাৱ পেলাইছিল।
- কৌটিল্যৰ অৰ্থশাস্ত্ৰত 'কোপাধ্যক্ষ' নামেৰে ভাৰতৰ প্ৰথমগৰাকী বনসঞ্চালক নিযুক্ত হোৱাৰ বিষয়ে উল্লেখ আছে।
- ভাৰতৰ কেইটামান উল্লেখনীয় পৰিৱেশ সংক্ৰান্তীয় আন্দোলন— বিষ্ণয় আন্দোলন, চিপক', আন্দোলন, এপিক' আন্দোলন, নীৰৱ উপত্যকা আন্দোলন, জংঘল বাচাও আন্দোলন, নৰ্মদা বাচাও আন্দোলন আৰু টেহৰিবান্ধ সংঘাত আন্দোলন।

# প্ৰাক উপনিবেশিক কালৰ অসমৰ পৰিৱেশ

## অসম আৰু ইয়াৰ পৰিবেশ

বৰ্তমান অসম ৰাজ্যখন ভাৰতৰ উত্তৰ-পূব সীমান্তৰ ২৮° আৰু ২৪° উত্তৰ অক্ষাংশ, ৮৯°৮৬ আৰু ৯৬° পূব দ্ৰাঘিমাংশৰ মাজত অৱস্থিত। ইয়াৰ সীমান্তত লাগি আছে ভূটান পাহাৰ, অৰুণাচল, নাগালেণ্ড, মণিপুৰ, মিজুৰাম, ত্ৰিপুৰা আৰু মেঘালয়। সমীপবৰ্ত্তী বহিঃ ৰাষ্ট্ৰ কেইখন হৈছে উত্তৰে চীন আৰু তিব্বত, পূবে ম্যানমাৰ, দক্ষিণ-পশ্চিমে বাংলাদেশ। প্ৰকৃতিয়ে অতীজৰে পৰা অসমক হিয়া উজাৰি সৌন্দৰ্য প্ৰদান কৰিছে। সমগ্ৰ অসমৰ ভূখণ্ডক সম্প্ৰতি প্ৰধানকৈ বহ্মপুত্ৰ আৰু বৰাক এই দুই উপত্যকাত ভগোৱা হৈছে। ব্ৰহ্মপুত্ৰ নদী অসমৰ মূল ভূখণ্ডৰ সোমাজেৰে ২৮৯৭ কি.মি. বৈ গৈছে, ইয়াৰ প্ৰবাহিত হোৱা সৰ্বমুঠ নদীৰ পানী বিস্তৃত এলেকাৰ পৰিমাণ হৈছে ৯,৩৬,৫০৪ বৰ্গ কি.মি.।

প্ৰাচীন কালত অসমক প্ৰাগজ্যোতিষ আৰু কামৰূপ বুলি জনা গৈছিল। মহাভাৰতৰ সময়ৰ অসমৰ প্ৰাচীন ৰজা ভগদত্তক শৈলাল্য (পৰ্বতৰ বাসিন্দা) বুলি অভিহিত কৰিছে। এই নামকৰণে এই বিশাল ভূখণ্ডৰ অতীজৰ বিশেষ প্ৰাকৃতিক আৰু ভূতাত্বিক অৱস্থিতি সম্পৰ্কে স্পষ্ট ইংগিত দিয়ে। কোনো কোনো পণ্ডিত-গৱেষকে অসমৰ চাৰিসীমাৰ বিশালতাৰ বিষয়ে বৰ্ণনা কৰি সেই সীমাৰ একোটা দিশে বিহাৰৰ পূৰ্ণিয়া জিলা আৰু পূবে কাশী পৰ্যন্ত বিস্তাৰিত হৈছিল বুলিও উল্লেখ কৰিছে। অসমৰ প্ৰাচীন ধৰ্মশাস্ত্ৰ যোগিনী তন্ত্ৰত ইয়াৰ ভূ-প্ৰাকৃতিক ভাগ আৰু ঘাইকৈ নদী বেষ্টিত সীমান্তৰ বিষয়ে সুন্দৰকৈ বৰ্ণনা কৰিছে। সেইসমূহ ঃ

১. ৰত্নপীঠ (কৰতোৱা আৰু স্বৰ্ণকোষ নদীৰ মধ্যৱৰ্তী)
২. কামপীঠ ( স্বৰ্ণকোষ আৰু কপিলাৰ মধ্যৱৰ্তী)
৩. স্বৰ্ণপীঠ (পুষ্পিকা আৰু ভৈৰবীৰ মধ্যৱৰ্তী এলেকা)
৪. সৌমাৰপীঠ ( ভৈৰৱী আৰু দিক্ৰং নদীৰ মধ্যৱৰ্তী)




**চিত্ৰ-৯.১ ঃ প্ৰাচীন অসমৰ (কামৰূপ) মানচিত্ৰ**

এই তথ্য সমূহে পূৰ্বৰ অসম ৰাজ্যখনে সমগ্ৰ বহ্মপুত্ৰ নদী, ভুটান, ৰংপুৰ, কোচবিহাৰ আৰু ইয়াৰ সমীপৰৰ্তী পাহাৰীয়া অঞ্চল সমূহক সামৰি লৈছিল বুলি ক'ব খোজে। অৰ্থাৎ অধুনালুপ্ত প্ৰাগজ্যোতিষ-কামৰূপ ৰাজ্যই সামগ্ৰিকৰূপত উত্তৰ পূব ভাৰতৰ অধিকাংশ ভৌগলিক এলেকাকে সামৰি লৈছিল। প্ৰাচীন কালৰ পৰা প্ৰাকৃতিক ভাৱে গজি উঠি উদ্ভিদ কুলে সৌন্দৰ্য বৰ্ধন কৰাৰ লগে লগে অসমক ভিন্ন আৰু প্ৰাকৃতিক ৰূপত সমৃদ্ধ কৰি তুলিছে। অসম সেয়েহে প্ৰকৃতিৰ ৰাণী আৰু বিপুল প্ৰাকৃতিক সম্পদৰ লগতে জৈৱ বিচিত্ৰতাৰ এক বিশাল আকৰ ৰূপে চিহ্নিত হৈছে।

পাহাৰ-ভৈয়াম, নদ-নদীৰে ভৰা অসম পূৰ্বে এখন অত্যন্ত দুৰ্গম ঠাই আছিল বুলি প্ৰাচীন ভাৰতীয় সংস্কৃত সাহিত্যবোৰৰ পৰা জনা যায়। সুদীৰ্ঘ ৰাজ্যখনৰ ঠিক মাজেৰে অজস্ৰ উপনদীৰ জলৰাশি বুকুত সামৰি ব্ৰহ্মপুত্ৰ নদ বৈ গৈ বঙ্গোপ সাগৰত পৰিছে। এই বিশাল নদীৰ দুই পাৰে সুবিস্তীৰ্ণ সাৰুৱা কৃষিভূমি আৰু ক্ৰমে পাহাৰৰ এঢলীয়া ভূমি ভাগ। বৰ্ষাপুৰ্ণ হোৱা বাবে অসমখন গভীৰ অৰণ্যৰাজিৰেও ভৰা আৰু এইবোৰ নানান শ্ৰেণীৰ পশু-পক্ষীৰ বাসস্থল। সেইবোৰৰ ভিতৰত এশিঙীয়া গড় আৰু হাতী বিখ্যাত। কিন্তু জলমগ্ন আৰু অৰণ্যময় হোৱা বাবে অসমৰ জলবায়ু সেমেকা আৰু মেলেৰীয়া অসুখৰ বাবে এসময়ত বিখ্যাত আছিল।

**অসমৰ বন ঃ** অৰণ্য বা বন ইংৰাজী 'Forest' শব্দটো লেটিন ভাষাৰ শব্দ 'Forist' ৰ পৰা উদ্ভৱ হৈছে। ইয়াৰ অৰ্থ বাহিৰ, সাধাৰণতে গাঁও এলেকাৰ এমুৰীয়া ঠাইত (সীমামুৰীয়া) সকলো প্ৰকাৰৰ আবাদী (অব্যৱহৃত) আৰু অবসতিপূৰ্ণ ভূমি ভাগকেই বন শব্দটোৰে সামগ্ৰিকভাৱে সামৰি লৈছে।

অসমৰ বন আৰু বনাবৃত এলেকাৰ পৰিমাণ ১৬,৫১৪ বৰ্গ কি. মি. আৰু ইয়াৰ অৰণ্যত অতীজৰে পৰা উৎকৃষ্ট মানৰ গছ শাল (Shorea), খৈয়ৰ (Acacia), শিশু (Dalbergia), গমাৰি (Gmelina), সোণাৰু (Cassia), চাম (Artocarpus), বনচোম (Phoebe), মজ (Albizia), শিমলু (Bombax), হলক (Terminalia) ইত্যাদি গছৰ বিশাল অৰণ্য পোৱা গৈছে। লাল আৰু সুগন্ধি তেলৰ গছ অগৰুৰ লগতে বিভিন্ন প্ৰজাতিৰ টেঙা জাতীয় ফলমূলৰ ভিতৰত নেমু, ঔটেঙা (Dillenia), কমলা, লগতে বিভিন্ন প্ৰজাতিৰ তামোল জাতীয় গছো অসমৰ বন আৰু বনাবৃত এলেকাত পোৱা যায়। মেজেংকাৰী আৰু আদ্ৰাকুৰি নামৰ পাট মূগা উৎপাদনৰ বাবে প্ৰয়োজনীয় গছো অসমৰ অৰণ্যত পৰ্যাপ্ত পৰিমানে উপলব্ধ। প্ৰাক-ঔপনিবেশিক কালত অসমৰ বনাঞ্চল সম্পদ সমূহ সমূলি ব্যৱহাৰ হোৱা নাছিল বুলি ক'ব পৰা নাযায়; যিহেতু সেই সময়তো বনজ সম্পদ ভিত্তিক বেহা-বেপাৰ চলিথকাৰ সম্ভেদ পোৱা যায়। অৱশ্যে সেই সময়ত অসমৰ অৰণ্যৰ সম্পদৰাজী ৰাজহ সংগ্ৰহৰ উল্লেখযোগ্য উৎস আছিল বুলি ক'ব পৰা নাযায়। সেই সময়ত অসমৰ অৰণ্যত উপলব্ধ হাতী আৰু হাতীদাঁত, বিভিন্ন প্ৰজাতিৰ চৰাই আৰু আন আন বনৰীয়া জন্তু অসমৰ অন্যতম সম্পদ আছিল। কিন্তু সেয়ে হ'লেও ব্ৰিটিছৰ অসম আগমনৰ আগলৈকে অসমৰ বনাঞ্চলত উপলব্ধ বিভিন্ন প্ৰজাতিৰ বনজ সম্পদ সমূহৰ প্ৰয়োগ আৰু ব্যৱহাৰ অতি সীমিত আছিল।

**জলবায়ু ঃ** অসমৰ জলবায়ু সাধাৰণতে সেমেকা। বংগোপসাগৰৰ উপত্যকাৰ পৰা জলীয়বাষ্প মিশ্ৰিত বতাহে প্ৰতি বছৰে ৰাজ্যখনৰ জলবায়ু নিয়ন্ত্ৰণ কৰি আহিছে। গ্ৰীষ্ম আৰু শীত দুয়োটা ঋতুতে অসমত ভিন্ন পৰ্যায়ৰ তাপ মাত্ৰা উপলব্ধ হয় যদিও অতীজৰে পৰা শীত আৰু গ্ৰীষ্ম উভয় কালতে তাপমাত্ৰাৰ অধিক ভাৰসাম্য দেখা পোৱা নাযায়। গ্ৰীষ্মমণ্ডলীয় বৰ্ষাৰণ্যৰে সমৃদ্ধ অসমৰ সামগ্ৰিক তাপমাত্ৰা গ্ৰীষ্ম কালত সৰ্বাধিক

৩৫°-৩৭.৮° ছেলছিয়াছ আৰু শীত কালত কমপক্ষেও ৬.১°-৭.৭° ছেলছিয়াছ পৰ্যন্ত নামি আহে। বসন্ত কাল মাৰ্চ-এপ্ৰিল আৰু হেমন্ত কাল আৰম্ভ হোৱাৰ সময় ছেপ্তেম্বৰ অক্টোবৰ মাহ। সেই সময়তো অৱশ্যে অসমত সামান্যতম বৃষ্টিপাত হয়। মীৰজুমলাৰ সৈতে অসমলৈ অহা বিদেশী পৰিব্ৰাজক ছিহাবুদ্দিন তালিছে অসমৰ জলবায়ু সম্পৰ্কে কৈছে ,"বছৰটোৰ আঠমাহ পৰ্যন্ত ইয়াত বৰষুণ হয়। বাকী শীতকালৰ চাৰিমাহে বৰষুণ অহিয়েই থাকে। দক্ষিণ-পশ্চিম মৌচুমীবায়ুৰ প্ৰভাৱত দীঘলীয়া সময় জুৰি বৰষুণ হয় আৰু বাৰিষাকালত বহ্মপুত্ৰত প্ৰবল বানপানীৰ সৃষ্টি হয়। সেয়েহে বানপানীৰ প্ৰকোপ আকৌ বাৰমাহ পযন্ত থাকে। অৱশ্যে পৰিৱেশবিদ সকলৰ মতে, বহ্মপুত্ৰ উপত্যকাত জলবায়ু উৎকৃষ্ট আৰু ভাৰতবৰ্ষৰ ক'তো এনে জলবায়ু উপলব্ধ নহয়। গ্ৰীষ্মকালো সেয়েহে যথেষ্ট নমনীয় আৰু ৰাতিৰ সময়ছোৱা সমগ্ৰ বছৰ জুৰি প্ৰায়েই ঠাণ্ডা উপলব্ধ হয়।"

**মাজুলী ঃ** মধ্যযুগৰ বহুতো তথ্যত অসমখনক তিনিটা ভৌগোলিক ক্ষেত্ৰত ভাগত ভাগ কৰা দেখা যায়। ব্ৰহ্মপুত্ৰৰ উত্তৰে উত্তৰ কুল, দক্ষিণে দক্ষিণ কুল আৰু মাজত মাজুলী। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু মাধৱদেৱৰ কৰ্মভূমি মাজুলী সৃষ্টিৰ আদি কালৰে পৰা এখন একাষৰীয়া, জলপ্লাৱিত আৰু নানান শ্ৰেণীৰ গছ-গছনি আৰু জীৱ-জন্তুৰে ভৰা নিৰিবিলি ঠাই আছিল। ড° ডম্বৰুধৰ নাথৰ মতে, মাজুলীৰ এই নিৰিবিলি পৰিবেশ, পাৰিপাৰ্শ্বিকতাৰ কাৰণেহে আহোম স্বৰ্গদেউ সকলে ইয়াত বহুতো সত্ৰ প্ৰতিষ্ঠা কৰিছিল।

**আহোম যুগৰ অসমৰ প্ৰকৃতি ঃ** অসমৰ বনাঞ্চলৰ ভূমি-দৃশ্যপট (landscape) আহোম শাসনৰ প্ৰাৰম্ভিক কালৰ পৰাই বিভিন্ন কাৰণত পৰিৱৰ্তিত হৈ আহিছিল। আহোম যুগত অসমৰ বনাঞ্চলত অপৰ্যাপ্ত পৰিমাণে পোৱা বন্যপ্ৰাণী 'হাতীক' প্ৰায়েই মোগল শক্তিক যুদ্ধৰ চুক্তিৰ ক্ষতি পূৰণৰ পণ হিচাপে যোগান ধৰিব লগা হৈছিল। এনে ব্যৱস্থাৰ ফলত সেই সময়ত ব্যাপক হাৰত বনাঞ্চলসমূহ মুকলি কৰা হৈছিল বুলি ভাবিবৰো থল আছিল। অৱশ্যে সেই ব্যাখ্যা প্ৰকৃততে শুদ্ধ নহয় বুলি বহুতেই ক'ব খোজে। দৰাচলতে প্ৰাক উপনিবেশিক কালৰ অসমৰ বনাঞ্চলসমূহ কৃষিভিত্তিক ব্যৱস্থাৰ সম্প্ৰসাৰণৰ ফলশ্ৰুতিতহে মুকলি হৈছিল বুলি বিভিন্ন উৎসৰ পৰা জানিব পৰা যায়। আহোম ৰাজতন্ত্ৰ সামগ্ৰিকভাবে সমগ্ৰ বনাঞ্চল আৰু ইয়াৰ সম্পদৰ ওপৰত কৰ্তৃত্ব সৰ্বময় ৰূপত বাহাল আছিল। জনসংখ্যা বৃদ্ধিৰ লগে লগে নতুন নতুন অঞ্চল আহোম ৰাজ্যৰ অৰ্ন্তভুক্ত হোৱাৰ পৰিণতিত প্ৰশাসনে পাৰ্যমানে বনাঞ্চল মুকলি কৰি কৃষিভূমিলৈ পৰ্যবসিত কৰি তুলিবৰ বাবে প্ৰজা সকলক প্ৰায়েই উৎসাহিত কৰি আহিছিল। এনেদৰে নতুনকৈ মাটি ভাঙি পথাৰ পতা কৃষকে চৰকাৰে নিৰ্ধাৰিত কৰি দিয়া খাজনা আদায় দিব লাগিছিল। উল্লেখনীয়, এনেদৰে বন-জংঘল ভাঙি কৃষিভুমি মুকলি কৰা প্ৰক্ৰিয়াটো পাহাৰ ভৈয়াম উভয়তে সমান্তৰাল ৰূপত ধাৰাবাহিকভাৱে কেবা শতিকাজুৰি সংঘটিত হৈছিল।

যেতিয়া শ্ৰমজীৱীসকলে যুগে যুগে পৰম্পৰাগতভাৱে ভোগ কৰি অহা চৰ্ত আৰু নিৰলস অধিকাৰৰ পৰা বঞ্চিত হৈছিল, ৰাষ্ট্ৰযন্ত্ৰয়ো তেতিয়াই তেওঁলোকৰ পুৰুষাণুক্ৰমিকভাৱে ভোগ কৰি অহা কেতবোৰ অধিকাৰসমূহৰ পৰা বিনাদ্বিধাই বঞ্চিত কৰিছিল। ইয়াৰ মূখ্য কাৰণ আছিল কৃষক শ্ৰেণীটোৱে নগদ ফচল (Cash crop) উৎপাদন কৰিবলৈ অসমৰ্থ হোৱাতো। পৰৱৰ্ত্তী সময়তো কেইবা শতিকাজুৰি সূচনা হোৱা কৃষক বিক্ষোভ আৰু আন্দোলন সমূহৰ মূল কাৰণ আছিল কৃষিজীৱী সম্প্ৰদায় আৰু বনজ সম্পদৰ মাজত ক্ৰমাগত হাৰত বিনষ্ট হোৱা পূৰ্বৰ পৰম্পৰাগত সম্পৰ্ক। এই সম্পৰ্ক পুনঃপ্ৰতিষ্ঠাৰ বাবে পূৰ্বজসকলৰ দখলত

থকা অৰণ্যভূমিত প্ৰবেশৰ অধিকাৰ নিতান্তই প্ৰয়োজনীয় বুলি প্ৰায়েই অনুভৱ কৰা হৈছিল। প্ৰাকৃতিক পৰিবেশ ৰক্ষাৰ দীঘলীয়া ইতিহাসত ব্ৰিটিছ ৰাজশক্তিয়ে ভাৰতত সুস্থ বননীতি নিয়ন্ত্ৰণ কৰাৰ বাবে অতি অপৰিহাৰ্য বুলি বিবেচিত এই জটিল সম্পৰ্কটো প্ৰায়ই উপেক্ষা কৰি চলিছিল। পৰম্পৰাগত বনঅধিকৰ্ত্তা আৰু নতুন বিদেশী শাসক গোষ্ঠীৰ মাজত এনেদৰেই কাৰ্যতঃ দীঘলীয়া সংঘাত আৰু সংঘৰ্ষ বৃদ্ধি পাই আহিছিল।

**আহোম যুগৰ বন-বিষয়াসকল আৰু হাতী ঃ** মহাকাব্যিক যুগৰে পৰা অসমৰ ৰজাঘৰত যি কেইবিধ বন্য প্ৰাণীয়ে বিশেষ ৰূপত সমাদৰ লাভ কৰিছিল, হাতী সেইসমূহৰ ভিতৰত অন্যতম। জানিব পৰা মতে, আহোম ৰাজত্বকালত ৰজাঘৰৰ হাতীক চোৱা-চিতা কৰিববৈলে 'হাতীবৰুৱা' নামেৰে এটি বিশেষ পদৰ সৃষ্টি কৰা হৈছিল। প্ৰাচীন অসমৰ বৰ্মণ বংশৰ নৃপতি কুমাৰ ভাস্কৰ বৰ্মাৰ ৰাজত্বকালত অসম ভ্ৰমণলৈ অহা বিখ্যাত চীনা পৰিব্ৰাজক হিউৱেনচাঙে অসমৰ হাতীৰ গুণাগুণ, আকৃতি আৰু প্ৰকৃতি সম্পৰ্কে ভূয়সী প্ৰশংসা কৰি গৈছে। আন এগৰাকী বিদেশী পৰ্যটক ছিহাব্বুদ্দিন তালিছেও অসমৰ হাবিত পৰ্যাপ্ত পৰিমাণে সুগঠী, স্বাস্থ্যবান আৰু উচ্চ প্ৰজাতিৰ সৰু-ডাঙৰ হাতী পোৱাৰ কথা উল্লেখ কৰি গৈছে। আহোম স্বৰ্গদেউ শিৱসিংহ আৰু তেওঁৰ ৰাণী অম্বিকাৰ শাসনকালতে সুকুমাৰ বৰকাইথ নামৰ এজন লেখকে 'হস্তীবিদ্যাৰ্ণৱ' নামৰ গ্ৰন্থত অসমত উপলব্ধ বিভিন্ন প্ৰজাতিৰ হাতী সম্পৰ্কে বহুতো বিৰল আৰু আকৰ্ষণীয় তথ্য সন্নিবিষ্ট কৰিছে। অভিনৱৰূপত আৰু চিত্ৰত অংকন অসমৰ হাতী সম্পৰ্কত লিখা একমাত্ৰ গ্ৰন্থখনত প্ৰাণীবিধৰ গতি, প্ৰকৃতি, প্ৰকৰণ, খেদা অভিযান, হাতীশাল নিৰ্মাণ, হাতীৰ ৰোগ আৰু ৰোগ নিৰাময় সম্পৰ্কীয় বিভিন্ন তথ্য আৰু বিৱৰণী সন্নিবিষ্ট কৰিছে। সেইকালত হাতী আছিল ব্যৱসায় বাণিজ্যৰ ক্ষেত্ৰত এক অবিছেদ্য অংগ। ৰাজকোষলৈ হাতী বিক্ৰী জৰিয়তে বিপুল পৰিমাণৰ পূঁজিৰ আমদানি হৈছিল। জন,এম,ক'চ্ নামৰ এগৰাকী বিদেশী লেখকে কৈছে বছৰি গড়ে



**চিত্ৰ-৯.২ ঃ** হস্তী বিদ্যাৰ্ণৱত অসমৰ হাতীৰ ছবি

৩০০ টকা দৰত ৭০০ ৰ পৰা ১০০০ পৰ্যন্ত হাতী বহিঃৰাজ্যলৈ সৰবৰাহ কৰা হৈছিল। ৰপ্তানীকৃত প্ৰতিটো হাতীৰ বাবদ ধাৰ্য কৰা কৰৰ পৰিমাণ আছিল দহ টকা। অত্যন্ত মূল্যৱান বুলি বিবেচিত হাতী দাঁতৰ বাবে বহু সংখ্যক হাতী অবাধে হত্যা কৰা হৈছিল। এনেদৰে সংগৃহীত দাঁতবোৰ পদমৰ্যদা অনুসৰি উচ্চবৰ্গৰ ৰাজ বিষয়া সকলক উপহাৰ বা উপঢৌকন হিচাপে প্ৰদান কৰা হৈছিল। অসমত নিৰ্মাণ কৰা হস্তনিৰ্মিত সামগ্ৰীসমূহৰ ভিতৰত অন্যতম আছিল হাঁতী-দাঁত খোদিত বিভিন্ন আকৃতিৰ বাকচ, পাত্ৰ, হেন্দেল আদি। আহোম স্বৰ্গদেউ প্ৰতাপসিংহই এহেজাৰ হাতী নিজৰ তত্ত্বৱধানত ৰাখিবলৈ সক্ষম হোৱা বাবে তেওঁক 'গজপতি' উপাধি প্ৰদান কৰা হৈছিল। অসমৰ বনাঞ্চলৰ হাতীৰ দৰে আন এবিধ উপকাৰী জন্তু ঘোঁৰাইও বিশেষ সমাদৰ লাভ কৰিছিল। ৰজাৰ আস্তাবলত থকা বিভিন্ন প্ৰজাতিৰ ঘোঁৰাবোৰ চোৱা-চিতা কৰাৰ বাবে নিয়োজিত বিষয়াজনক 'ঘোঁৰাবৰুৱা' বোলা হৈছিল। এনে একোজন ঘোঁৰাবৰুৱাৰ অধীনত ৫০ টাকৈ ঘোঁৰা ৰখা হৈছিল। এই দুইবিধ প্ৰাণীৰ

উপৰিও বনৰীয়া শেন চৰাইক প্ৰশিক্ষণৰ জৰিয়তে সামৰিক আৰু ৰাজনৈতিক ক্ষেত্ৰতো বিভিন্ন সময়ত ব্যৱহাৰ কৰা হৈছিল। বাঘৰ উপদ্ৰৱৰ পৰা প্ৰজাক ৰক্ষা কৰিবলৈ আহোমৰ ৰাজত্বত এটা বিশেষ 'খেল' তৈয়াৰ কৰা হৈছিল। বাঘ চিকাৰৰ বাবে কিছু নিপুণ চিকাৰীক মকৰল কৰা হৈছিল। ৰাজপ্ৰাসাদকে ধৰি বিভিন্ন ধৰণৰ গৃহাদি নিৰ্মাণৰ বাবে উৎকৃষ্ট মানদণ্ডৰ বহু পৰিমাণৰ কাঠৰ প্ৰয়োজন হৈছিল। আহোম সচিবালয়ে এই বিষয়টো চোৰা-চিতা কৰিবৰ বাবে সেয়েহে 'কাঠবৰুৱা' নামেৰে এগৰাকী বিশেষ বিষয়াক নিযুক্ত কৰিছিল। ঘাইকৈ সামৰিক আৰু বাণিজ্যিক কামকাজৰ বাবে প্ৰয়োজন হোৱা বিভিন্ন জাতৰ কাঠ আৰু বনজ সম্পদ সংৰক্ষণৰ বাবে এক বিশেষ নীতিও নিৰ্ধাৰণ কৰা হৈছিল আৰু বিষয়টো সুচাৰুৰূপে পৰিচালনা কৰিবলৈ নিদিষ্ট এটা 'খেল' সৃষ্টি কৰা হৈছিল। বন আৰু বনজ সম্পদ চোৰা-চিতাৰ লগতে ইয়াৰ পৰা আহৰণ হ'বলগীয়া ৰাজহৰ তদাৰকৰ বাবে 'হাবিয়াল বৰুৱা' নামৰ এজন সুকীয়া বিষয়াক নিযুক্তি দিয়া হৈছিল। গৌৰীনাথ সিংহ আৰু ইংৰাজ বিষয়া কেপ্তেইন ৱেলচৰ মাজত স্বাক্ষৰিত এখন চুক্তিৰ পৰা (১৭৯৩) এযোৰ হাতীদাঁতৰ মূল্য ৫০ টকা বুলি জানিব পৰা গৈছে। বনজ সম্পদৰ বাবে নিৰ্ধাৰণ কৰা কৰ-কাটলৰ নিৰিখ আৰু ইয়াৰ প্ৰয়োগ অতি কঠোৰ আছিল। এনে কৰ-কাটল অৱজ্ঞা কৰা লোকৰ সম্পত্তি বাজেয়াপ্ত কৰাৰ লগতে তেনে লোকক ব্যৱসায়ৰ পৰা শাস্তিমূলক ভাৱে আঁতৰাই পঠিওৱা হৈছিল।

আহোম শাসনকালত কেতবোৰ ধৰ্মীয় নিয়মৰ দোহাই দি প্ৰকৃতি সংৰক্ষণ কৰাৰ নিদৰ্শনো পোৱা যায়। বন আৰু বনজ সম্পদকেন্দ্ৰিক সামগ্ৰীসমূহে তেওঁলোকৰ শাসনকালত সামাজিক আৰু ধৰ্মীয় দিশেৰে বিশেষ স্থান দখল কৰিছিল। আহোম ৰাজ অভিষেক 'শিঙৰীঘৰত উঠা' অনুষ্ঠানটোত ৰজা আৰু ৰাণী উভয়ে এটা মতা হাতীত আৰোহণ কৰি আহি প্ৰথমে এজোপা বটগছ ৰোপন কৰিছিল। এনে উৎসৱ আহোমসকলৰ প্ৰথম ৰাজধানী চৰাইদেউত উদ্‌যাপিত হৈছিল। এনেদৰে বটগছ ৰোপন কৰা কাৰ্যক ধৰ্মীয় সূচীসমূহৰ ভিতৰত অন্যতম আৰু মংগলময় বুলি বিবেচনা কৰা হৈছিল। নদী আৰু পুখুৰীৰ জলৰাশিক পৱিত্ৰ গণ্য কৰি ৰাজ-আদেশত ৰাজ্যখনৰ ঠায়ে ঠায়ে অনেক পুখুৰী, জলাশয়, নদীবান্ধ আদি নিৰ্মাণত অগ্ৰাধিকাৰ দিয়া হৈছিল। জয়ধ্বজ সিংহই (১৬৪৮-৬৩) ভাটিয়াপুৰ নামে ঠাইত এনে এটা পুখুৰী খন্দাওতে বিশেষৰূপত পূজা-অৰ্চনাৰ ব্যৱস্থা কৰিছিল। আহোম ৰাজত্বকালত ৰজা-ৰাণীৰ লগতে বহুতো ডা-ডাঙৰীয়াৰ স্মৃতিত বহু সংখ্যক এনে পুখুৰী, জলাশয় আদি খন্দোৱা হৈছিল। বৰবৰুৱা পৰ্যায়ৰ এগৰাকী ৰাজ বিষয়াক এনেবোৰ জলাশয় বা পুখুৰী খন্দোৱা কাৰ্যৰ সামূহিক তদাৰকৰ দায়িত্ব অৰ্পণ কৰা হৈছিল। আহোম শাসনকালত অসমৰ বনাঞ্চলত পৰ্যাপ্ত পৰিমাণে পোৱা বনজ-সম্পদে সেই সময়ৰ স্থাপত্যশৈলীৰ সামগ্ৰী নিৰ্মাণৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব লাভ কৰিছিল। ৰজাৰ ৰাজকাৰেং আহল-বহলকৈ সুন্দৰ শৈলীৰে চকুত লগাকৈ উৎকৃষ্ট প্ৰজাতিৰ কাঠ আৰু বাঁহেৰে নিৰ্মাণ কৰি উলিওৱা হৈছিল। ছিহাবুদ্দিন তালিছেও কাঠৰ কাৰুকাৰ্য খচিত গড়গাঁৱৰ সুবিশাল আহোম ৰাজকাৰেঙটো দেখি তবধ মানিছিল। কাৰেংঘৰটো চাৰি কিউবিক ঘেৰৰ ছয়ষষ্ঠিটাকৈ প্ৰকাণ্ড খুটাৰ ওপৰত অভিনৱ ৰূপত নিৰ্মাণ কৰা হৈছিল। খুটাবোৰ আছিল সুন্দৰ নক্সাখচিত আৰু বিভিন্ন ধৰণৰ ভাস্কৰ্য সম্বলিত। পৰিব্ৰাজকজনৰ ভাষাত, ইমান সুন্দৰকৈ পৃথিৱীৰ ক'তো কাঠৰ ঘৰ সজোৱা হোৱা নাছিল। একেদৰে কাঠৰ বহুল ব্যৱহাৰ হৈছিল নানা ধৰণৰ আকৃতি প্ৰকৃতিৰ নাও নিৰ্মাণ কৰা কাৰ্যতো। আহোমশৈলীৰ যুদ্ধৰ নাওবোৰ বৰটোপ আৰু বন্দুকেৰে সুসজ্জিত কৰি তোলা হৈছিল। অসমৰ হাবিত উপলব্ধ 'চম্বল' নামৰ বিশেষ প্ৰজাতিৰ কাঠৰ দ্বাৰা

সহজে পানীত বুৰ নোযোৱা অথচ তীব্ৰ গতি বেগেৰে চলাব পৰা নাও নিৰ্মাণ কৰিছিল আহোমৰ অভিজ্ঞ কিছুসংখ্যক নাওশলীয়াই।

**কাজিৰঙা ৰাষ্ট্ৰীয়উদ্যান ঃ** ব্ৰিটিছ ৰাজত্বকালত প্ৰতিষ্ঠা লাভ কৰা কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানে বৰ্ত্তমান গোলাঘাট জিলাৰ একাংশ আৰু নগাঁও জিলাৰ একাংশ সামৰি লৈছে। ইয়াৰ মাটি কালিৰ পৰিমাণ ৪৩০ বৰ্গ কি.মি.। অসমত সম্প্ৰতি ১৮ খন সংৰক্ষিত বনাঞ্চলৰ মাজেৰে ব্ৰিটিছ আমোলত প্ৰতিষ্ঠা কৰা পশ্চিম অসমৰ মানস অভয়াৰণ্য অন্যতম। উল্লেখযোগ্য, মানসক সম্প্ৰতি 'ইউনেস্ক হেৰিটেজ ক্ষেত্ৰ' বুলি স্বীকৃতি দিয়া হৈছে।

**মাটি ঃ** অসমৰ মাটিক তিনিটা প্ৰধান শ্ৰেণীত বিভক্ত কৰা হৈছে। ইয়াৰে প্ৰথম শ্ৰেণীটোৱে পাহাৰীয়া আৰু পাহাৰ এলেকা সামৰি লৈছে যাক আকৌ তিনিটা অতিৰিক্ত সুকীয়া ভাগত ভগোৱা হৈছে।

১. পৰ্বতমালা

২. একক পৰ্বতশ্ৰেণী

৩. পাহাৰ আৰু টিলা সমূহ

দ্বিতীয় ভাগটো বহ্মপুত্ৰ উপত্যকাৰ অন্তৰ্গত সমতলভূমি আৰু ইয়াৰ সংলগ্ন এলেকাত অৱস্থিত। তৃতীয় ভাগৰ ভূমিভাগক পলসুৱা ভূমি বুলি কোৱা হয়। এই শ্ৰেণীৰ মাটি সাধাৰণতে নদীৰ বানাক্ৰান্ত এলেকা বা জলাতক অৱস্থাৰ পৰা মুক্ত। সমগ্ৰ উপত্যকাৰে ভূমিভাগ অত্যন্ত সাৰুৱা আৰু একাধিক খেতিৰ বাবে কৃষকে ইয়াক ব্যৱহাৰ কৰি আহিছে।

## অহোম প্ৰশাসনৰ ভূমিনীতি, বন আৰু নদী সম্পৰ্কীয় আঁচনি

অসমত আহোম সকলৰ ভূমিনীতি আৰু ইয়াৰ পৰিচালনাৰ বিষয়ে তেনে কোনো ইতিহাস আৰু নিৰ্ভৰযোগ্য তথ্য বিৱৰণী পোৱা নাযায়। দৰাচলতে, আহোম সকলৰ ৰাজহ ব্যৱস্থাৰ সাংগঠনিক পৰিকাঠামোটো প্ৰথম অৱস্থাত অতি মন্থৰ গতিৰে আগবাঢ়িছিল। এই সম্পৰ্কে কিছু নিৰ্ভৰযোগ্য তথ্য ব্ৰিটিছ প্ৰশাসনিক বিষয়া কেপ্টেইন ৱেলচ্, জন পিটাৰ ৱেড, হেমিলন্টন বুকানন আৰু ফ্ৰান্সিচ জেনকিন্সে প্ৰণয়ন কৰা ৰাজহ সম্পৰ্কীয় নথিপত্ৰ আৰু টোকা বিৱৰণীত উল্লেখ আছে।

আহোম শাসন ব্যৱস্থাত ৰাজ্যখনৰ চাৰিসীমাৰ অন্তৰ্গত সকলো পৰ্যায়ৰ মাটিৰ সৰ্বময় অধিকৰ্তা আছিল ৰজা সকল। প্ৰথম অৱস্থাত দুগৰাকী মন্ত্ৰী যথাক্ৰমে বুঢ়াগোঁহাই আৰু বৰগোঁহায়ে মাটি-বাৰী আৰু ৰাজহ বিষয়টো তদাৰক কৰিছিল। পিছলৈ ৰাজ্যৰ পৰিসীমা ব্যাপক হাৰত বিস্তৃতি লাভ কৰাৰ পৰিপ্ৰেক্ষিতত চুহুংমুং ওৰফে দিহিঙ্গীয়া ৰজাৰ ৰাজত্ব কালত (১৪৯৭-১৫৩৯) বৰপাত্ৰ গোঁহাই নামৰ তৃতীয় গৰাকী ডাঙৰীয়াক নতুনকৈ নিযুক্তি দি সম্প্ৰসাৰিত এলেকাসমূহ আৰু ইয়াৰ অন্তৰ্গত মাটি-বাৰী, হাবি-বননি সমূহ তদাৰক কৰিবলৈ দায়িত্ব অৰ্পণ কৰা হৈছিল। সোতৰশ শতিকাত স্বৰ্গদেউ প্ৰতাপ সিংহই (১৬০৩-১৬৪১) প্ৰশাসনিক সুবিধাৰ বাবে সমগ্ৰ ৰাজ্যখনকে উত্তৰ কুল আৰু দক্ষিণ কুল নামেৰে দুটা প্ৰধান ভৌগলিক খণ্ডত বিভাজিত কৰিছিল। ভূমি সংক্ৰান্তীয় নীতি নিয়ম প্ৰস্তুতিৰ বাবে বৰবৰুৱা নামৰ প্ৰধান কাৰ্যকৰী বিষয়া গৰাকী নিযুক্তি দিয়াৰ পিছৰ পৰাহে আহোম প্ৰশাসনত ৰাজহ ব্যৱস্থাতো প্ৰণালীবদ্ধ হৈ উঠে। চুকাফাই অসমত প্ৰৱেশ কৰি পোন প্ৰথমতে

ৰাজ্যখনৰ উত্তৰ-পূৱ দিশত বসতিস্থাপন কৰা তিনিটা থলুৱা জনগোষ্ঠী মৰাণ, বৰাহী আৰু কছাৰীসকলৰ বিষয়ে জানিবলৈ উৎসুক হৈ পৰিছিল। দুই জনগোষ্ঠী ঘাইকৈ (মৰাণ আৰু বৰাহী) সকলে তেওঁলোকৰ বসতিস্থলৰ চাৰিওপাশে থকা সেউজ বনাঞ্চলৰ সুপৰিচালনা কৰি পৰম্পৰাগতভাৱে সম্পদসমূহৰ সঠিক ব্যৱহাৰ কৰাত পাৰদৰ্শিতা দেখুৱাইছিল। চুকাফাই এই জনগোষ্ঠীৰ মাজৰে পৰা হাতীধৰা আৰু চিকাৰ কাৰ্যৰ বাবে 'হাতীচুঙ্গী' নামৰ এটা 'খেল' পতাৰ লগতে মৰাণ জনগোষ্ঠীৰ লোকসকলক পানী আৰু খৰি যোগানৰ দায়িত্ব অৰ্পণ কৰিছিল।

ইতিপূৰ্বে উল্লেখ কৰা হৈছে— আহোম স্বৰ্গদেউ শিৱসিংহৰ (১৭১৩-১৭৪৪) ৰাজত্বকালত ৰাণী ফুলেশ্বৰীৰ বিশেষ তত্বাৱধানত অসমত প্ৰথমখন হাতী সম্পৰ্কীয় সচিত্ৰ পুথিখন ৰচনা কৰা হৈছিল। ৰাণী অম্বিকাই দিল্লীৰ বাদছাহৰ সৈতে যোগাযোগ কৰোৱাই দিলবৰ আৰু দোছাই নামৰ দুজন চিত্ৰ শিল্পীক অসমলৈ অনাই পুথিখনৰ বাবে ছবিসমূহ অঁকোৱাইছিল।

মোমাইতামুলী বৰবৰুৱাই প্ৰজা সংস্থাপন আৰু নতুনকৈ অধ্যুষিত এলেকাত গাঁও পতাৰ বাবে বচা আৰু দৈয়াং অঞ্চলৰ অৰণ্যৰ বাঁহ-বেত, জংঘল আদি কাটি পৰিস্কাৰ কৰাৰ কথা বুৰঞ্জীত উল্লেখ আছে। ছিহাবুদ্দিন তালিছে তেওঁৰ বিৱৰণীত ৰাজধানী গড়গাঁৱৰ পৰা কলিয়াবৰলৈকে ঘৰ-গৃহস্থী আৰু গাঁওবোৰ দুটা শাৰীত দীঘলীয়াকৈ বিস্তৃত হৈ থকাৰ কথা উল্লেখ কৰিছে। বিৰতিহীন আৰু সু-শৃংখলিত ৰূপত শাৰী শাৰীকৈ থকা ঘৰবোৰত থকা ফল-মুলৰ বাগিছা, বাঁহনিবোৰৰ জোপোহাবোৰে ওপৰলৈ মুৰ দাঙি থকাৰ কথাও তেওঁ উল্লেখ কৰিছে।

**মাটিৰ শ্ৰেণীসমূহ ঃ** আহোম ৰাজত্ব কালত অসমত প্ৰজাসকলৰ মাটি-বাৰী ক্ষেত্ৰত কোনো সুকীয়া অধিকাৰ বা স্বত্ব নাছিল। কিছু সংখ্যক নিৰ্ধাৰিত আইন আৰু নিয়মৰ মাজেৰে সেই সময়ত প্ৰজা সাধাৰণক মাটি-বাৰী ভোগ কৰিবলৈ দিয়া হৈছিল। ঘাইকৈ গুণাগুণৰ ওপৰত ভিত্তি কৰি আহোম প্ৰশাসনৰ ৰাজহ বিষয়াই ৰাজ্যখনৰ মাটি-বাৰী সমূহ কেইবাটাও শ্ৰেণীত বিভক্ত কৰিছিল। প্ৰাচীন অসমৰ ৰজাদিনীয়া ভূমি দানৰ কেইবাখনো তাম্ৰলিপিত সেই সময়ৰ মাটি-বাৰী, বন-জংঘল আদি বিভক্ত কৰি সুকীয়া সুকীয়াকৈ শ্ৰেণীভূক্ত কৰা কথা উল্লেখ আছে। সেই শ্ৰেণী সমূহ আছিল—

১. বাৰী মাটি (য'ত বসতিৰ বাবে গৃহ, বস্তি আৰু পুখুৰী আদি থাকে)
২. ৰূপিত (ধানখেতিৰ বাবে ৰখা মাটি)
৩. ফৰিঙতি (শুকান ধানখেতিৰ উপযোগী)
৪. কঠীয়া পৰাৰ বাবে নিৰ্দ্দিষ্টকৈ ৰখা মাটি (কঠীয়াতলি)
৫. জলাতক (পানী বৈ যোৱা দ-চানেকীয়া মাটি)
৬. দলনি (নিম্ন এলেকাৰ জলাতক মাটি)
৭. হাবিয়নী (অৰণ্যভূমি)

**পাইক প্ৰথা ঃ** আহোম শাসনত প্ৰতিজন পুৰুষকে *পাইক* নামে জনা গৈছিল। এই বিশেষ সামন্তীয় ব্যৱস্থাৰ মাজেৰে সকলো প্ৰজাকে 'পাইক প্ৰথাত' অন্তৰ্ভুক্ত কৰি ৰাজখোৱা, বৰা, শইকীয়া, হাজৰিকা আদি বিষয়াৰ জৰিয়তে প্ৰশাসনিক ব্যৱস্থাটো পৰিচালনা কৰা হৈছিল। ছশবছৰীয়া আহোম প্ৰশাসনৰ সু-পৰিচালনাৰ

প্ৰধান কাঠামো আছিল এই পাইক প্ৰথা নামৰ অভিনৱ প্ৰশাসনীয় ব্যৱস্থাটো। ইয়াৰ প্ৰথম স্বৰ্ত হিচাবে চাৰিজন পাইকক লৈ এটা গোট গঠন কৰা হয়। প্ৰত্যেকগৰাকী পূৰ্ণাংগ পাইককে ৰাজ্যখনৰ অন্তৰ্গত এটুকুৰা নিৰ্দিষ্ট ভূখণ্ড আৱন্তন কৰি খেতি কৰিবলৈ অনুমতি প্ৰদান কৰা হৈছিল। কৃষিৰ বাবে উৰ্বৰা উৎকৃষ্ট মানৰ আৱন্টিত কৰা সেই মাটিৰ পৰিমাণ আছিল ২ পুৰা। য'ত পাইকজনে ধান, মাহ বা অন্যান্য খাদ্য-শস্য উৎপন্ন কৰি পৰিয়াল পোহ পাল দিব পাৰিছিল। তদুপৰি যিকোনো এজন পাইকে বছৰি ৪ অনা হাৰত এপুৰামাটি (৫৮৭৭ ঘনফুট) সুকীয়াকৈ লৈয়ো খেতি কৰিব পাৰিছিল। গো-পালক সকলৰ বাবে থকা বনাঞ্চলৰ মাটিৰ বিনিময়ত কোনো ধৰণৰ কৰ-কাটল ধাৰ্য কৰা হোৱা নাছিল। অসমৰ ধৰ্ম্মীয় অনুষ্ঠানৰ বাবে ব্ৰহ্মোত্তৰ, দেবোত্তৰ, ধৰ্মোত্তৰ আৰু পীৰপাল নামৰ চাৰিশ্ৰেণীৰ মাটি আহোম শাসকসকলে আবন্টন দিছিল। এই মাটিসমূহ কৰবিহীন বা নিস্পেখেৰাজ মাটি ।

মফটলাল মিলছৰ প্ৰতিবেদনত (১৮৫১) অসমত ধৰ্ম্মীয় অনুষ্ঠান-প্ৰতিষ্ঠানৰ বাবে সুকীয়াকৈ ৰখা এনে কৰবিহীন নিস্পেখেৰাজ ৰূপে থকা মাটিৰ পৰিমাণ ৭৭,৫,৪৬৮ পূৰা বুলি উল্লেখ কৰিছে।

দেখা যায় যে, নিয়মীয়াকৈ প্ৰতাপ সিংহ স্বৰ্গদেউৰ সময়ৰ পৰাহে অসমৰ মাটি-বাৰীৰ জৰীপ কৰাৰ প্ৰক্ৰিয়াটো আৰম্ভ কৰা হয়। অসমৰ বনাঞ্চলসমূহ কাঠ, বাহ, বেত আদিৰে অপৰ্য্যাপ্ত পৰিমাণে সমৃদ্ধ আছিল। ছিহাবুদ্দিন তালিছে 'ফাতেহা-ই-ইব্ৰিয়া ' নামৰ গ্ৰন্থত অসমৰ হাবিৰ গছবোৰ কি দৰে অতি ওখ আৰু ঘন আছিল সেই কথা বিশেষভাৱে উল্লেখ কৰি থৈ গৈছে। প্ৰথম অৱস্থাৰ ব্ৰিটিছ শাসনৰ নথি -পত্ৰত অসমৰ হাবিত নৱৈ বিধ বিভিন্ন প্ৰজাতিৰ মূল্যবান কাঠৰ গছ উপলব্ধ হোৱাৰ কথা উল্লেখ আছে।

অসম ৰাজ্যখন অসংখ্য নদী-নিজৰাৰে সমৃদ্ধ হোৱা বাবেই আহোমৰ অধীনস্থ নৌবাহিনীটো বিশেষ ভাৱে শক্তিশালী আছিল বুলি ক'ব পাৰি। আহোম প্ৰশাসনৰ এটা সুকীয়া বিভাগক নদীপথৰ যাতায়ত ব্যৱস্থাটো চোৱাচিতা কৰিবৰ বাবে দায়িত্ব অৰ্পন কৰা হৈছিল। এবাৰ পানীৰ বিশেষ প্ৰয়োজন হোৱাত, লগতে নদীপথৰ অভাৱ অনুভৱ কৰি স্বৰ্গদেউ গৌৰীনাথ সিংহই (১৭৮১-১৭৯৫) ভোগদৈ নৈখন খন্দাই তাৰ উৎসৰ সৈতে ৰাজধানী যোৰহাটক সংযোগ কৰাইছিল বুলি বুৰঞ্জীৰ পাতত উল্লেখ পোৱা যায়। অতীজৰে পৰা ৰাজ্যখনৰ নদীপথৰূপে ঘাইকৈ ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ প্ৰধান উপনৈসমূহক ব্যৱহাৰ কৰি অহা হৈছিল। এই নদীপথবোৰে কেৱল প্ৰজাসাধাৰণৰ যাতায়ত ব্যৱস্থাই সুচল কৰি তোলা নাছিল, সেইবোৰ আছিল প্ৰাচীন অসমৰ ৰাজনৈতিক চাৰিসীমাও। কৰতোৱা নদীখন অসমৰ আটাইতকৈ পুৰণি ভৌগলিক পৰিসীমা বুলি যোগিনী তন্ত্ৰ আৰু কালিকা পুৰাণত উল্লেখ আছে। এই জলপথ সমূহেৰে অসমলৈ বিভিন্ন প্ৰান্তৰ পৰা বিভিন্ন জনগোষ্ঠীৰ প্ৰব্ৰজনকাৰী লোকসকল আহিছিল আৰু সময়ে সময়ে বিদেশী আক্ৰমণকাৰীসকলেও সেই নদীপথেৰেই অসমলৈ আহিবলৈ সুবিধা পাইছিল।

উল্লেখযোগ্য, এসময়ত ব্ৰহ্মপুত্ৰ আৰু দিহিং নদীয়ে ব্যাপক হাৰত গতি সলনি কৰাৰ পৰিণতিতে অসমৰ সৰ্ব্ববৃহৎ নদীদ্বীপ মাজুলীৰ সৃষ্টি হৈছিল। অসমৰ সামৰিক শক্তিটো অধিকতৰ শক্তিশালী হোৱাৰ ক্ষেত্ৰতো ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ দুয়োকুলৰ বৃহৎ সংখ্যক সৰু-বৰ নদী-উপনদী, বিশাল অৰণ্যানী, পাহাৰ-ভৈয়ামে যথেষ্ট সহায় কৰিছিল। সেই সময়ত ৰাজ্যখনৰ দক্ষিণ-পশ্চিম দিশে অৱস্থিত নামৰূপ অতি গভীৰ ঘন জংঘলেৰে আবৃত্ত আৰু সেমেকা জলবায়ু প্ৰধান এলেকা আছিল। সেয়েহে নামৰূপক আহোম ৰাজ্যৰ বিভিন্ন

অপৰাধীসকলক নিৰ্বাসন দিয়াৰ স্থানৰূপে বাছনি কৰা হৈছিল।

**চাহ খেতিৰ আদি কথা ঃ** ঐতিহাসিক দৃষ্টিকোণৰ পৰা চীনৰ দক্ষিণ অঞ্চলক বাদ দি অসমকে পৃথিৱীৰ ভিতৰতে দ্বিতীয় চাহ উৎপাদনকাৰী দেশ বুলি কোৱা হয়। অসমত চাহখেতিৰ আবিষ্কাৰৰ পিছত ১৮৩৩ চনৰ পৰা ইয়াৰ ব্যৱসায়িক উৎপাদন আৰম্ভ কৰা হৈছিল। স্কটলেণ্ডৰ এগৰাকী দুঃসাহসিক বিষয়া ৰবাৰ্ট ব্ৰুচে ১৮২৩ চনত উজনি অসমত প্ৰথমে চাহ গছৰ সন্ধান লাভ কৰিছিল। পৰৱৰ্তী সময়ত ব্ৰিটিছ অসম টি, সমিতিয়ে বিশ্বব্যাপী গুৰুত্ব লাভ কৰা এই বিশাল উদ্যোগটোৰ সৈতে সকলোকে পৰিচিত কৰাই দিয়াত আগভাগ লোৱা কেপ্তেইন জেনকিন্স, চি.এ. ব্ৰুচ, চাৰ্লটৰ প্ৰমুখ্যে ব্ৰিটিছ বিষয়া সকলৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰিছিল।

**পাট-মুগা ঃ** পাট বা চিল্ক আহোম যুগৰ অন্যতম প্ৰধান কুটীৰ উদ্যোগ আৰু অৰ্থনৈতিক বুনিয়াদ সৃষ্টিৰ ক্ষেত্ৰত প্ৰধান উৎস আছিল বুলি কোৱা হয়। মণ্টোগোমাৰী মাৰ্টিন নামৰ এগৰাকী লেখকে উল্লেখ কৰিছে কিদৰে আহোম ৰাজত্বকালত ৰাণী, ৰাজমাতাৰ পৰা আদিকৰি সমাজৰ নিম্নস্তৰৰ সকলো মহিলাই পাট, মুগা, মেজেংকৰি আৰু এৰি সুতাৰ উৎপাদনত নিজকে নিয়োজিত কৰিছিল।

১৮৩৩ চনত এনেচা এৰি-মুগা সূতাৰ মূল্য প্ৰতি সেৰে ১৬ টকাৰ পৰা ২৪ টকা পৰ্যন্ত আছিল। জেনকিঞ্চৰ এটা টোকাত পৰৱতী সময়ত মুগাপলু উৎপন্ন হোৱা গছৰোপনৰ ক্ষেত্ৰত প্ৰজাসকলে অনিহা দেখুওৱা বাবে এই অত্যন্ত মূল্যবান বনজাত সামগ্ৰীবিধ উৎপাদনত বাধাৰ সৃষ্টি হৈছিল বুলি উল্লেখ আছে।

অসমৰ হাবিত মেটমৰা ৰূপত উপলব্ধ বিভিন্ন প্ৰজাতিৰ কাঠ-বাঁহ আৰু বেতৰ সামগ্ৰী নিৰ্মাণৰ সৈতে জড়িত লোকসকলে সৰু-বৰ বিভিন্ন ধৰণৰ সামগ্ৰী তৈয়াৰ কৰিছিল। কাঠশিল্প জাতৰ হস্তনিৰ্মিত সামগ্ৰীসমূহ আছিল খেতি-খোলাৰ সামগ্ৰী, খুটা, মাৰলি, দুৱাৰ-খিৰীকী, ঘৰ-দুৱাৰ আদি। বৃহৎ আকৃতিৰ সত্ৰগৃহ, ৰাজকাৰেং আদিও অসমৰ হাবিত উপলব্ধ এনেবোৰ কাঠ-বাঁহৰ সামগ্ৰীৰে চালে চকুৰোৱাকৈ নিৰ্মাণ কৰা হৈছিল। কাঠশিল্পৰ সৈতে জড়িত এই থলুৱা অসমীয়া সুপ্ৰাচীন ভাস্কৰ শ্ৰেণীটোক খনিকৰ বোলা হৈছিল। অসমীয়া খনিকৰ আৰু দাৰু শিল্পী সকলে সাধাৰণতে দৈনিক উপাৰ্জনৰ অৰ্থে ৰজা ঘৰকে ধৰি বিভিন্ন প্ৰতিষ্ঠানত কাম কৰিছিল যদিও তেওঁলোকৰ এই বৃত্তিটো সম্পূৰ্ণ স্বতন্ত্ৰীয়া আছিল।

## ভূমি, বন আৰু নদী বিষয়ক ব্ৰিটিছৰ পাৰিপাৰ্শ্বিক আঁচনি আৰু ইয়াৰ প্ৰভাৱ

খ্ৰীঃ পূঃ ৩০০ ৰ পৰা ভাৰতবৰ্ষত পৰম্পৰাগত ৰূপত নানা ধৰণেৰে বন, বনজ সম্পদ আৰু পাৰিপাৰ্শ্বিকতা সংৰক্ষণ কৰি অহা হৈছিল। প্ৰাচীন ভাৰতীয় বৈদিক পৰম্পৰাগত বন-সংৰক্ষণ আৰু ইয়াৰ প্ৰতিপালন এক অবিচ্ছেদ্য অংগ বুলি বিবেচিত হৈছিল। প্ৰাচীন ভাৰতত মৌৰ্য্যসকলে বনজ সম্পদ সুৰক্ষা আৰু সংৰক্ষণত বিশেষ প্ৰাধান্য দিছিল। প্ৰথমবাৰৰ বাবে সম্ৰাট চন্দ্ৰগুপ্ত মৌৰ্য্যই বিশাল বনভূমি তদাৰকৰ বাবে প্ৰাচীন ভাৰতত বন বিষয়া বা অমাত্য এগৰাকীৰ নিযুক্তি দিছিল। কৌটিল্যৰ অৰ্থশাস্ত্ৰত 'কোপাধ্যক্ষ' নামেৰে এনে এগৰাকী (বন সঞ্চালক) নিযুক্তি দিয়াৰ কথা উল্লেখ আছে। মৌৰ্য্যৰজা সকলে তেওঁলোকৰ শাসন কালত বনজ সম্পদ (দ্ৰব্যবন), হাতীবন (হস্তীবন) ৰ লগতে দেশৰ জলসিঞ্চনৰ তদাৰক আৰু ইবিলাকৰ প্ৰতিৰক্ষা আৰু প্ৰতিপালন কৰিব লাগিছিল। মহামতি অশোকে বছৰটোৰ নিৰ্দিষ্ট কেতবোৰ দিনত চিকাৰ কাৰ্য বন্ধ কৰোৱাৰ লগতে নিজ সাম্ৰাজ্যৰ অন্তৰ্গত পথ বোৰত ছাঁ দিয়া, শোভাবৰ্ধন কৰা আৰু ঔষধি গছ-গছনি ৰোৱাতো বাধ্যতামূলক

কৰিছিল। পৰৱৰ্তী সময়ত ব্ৰিটিছ সাম্ৰাজ্যবাদী শাসকসকলৰ আগমনৰ লগে লগে বনজ সম্পদৰ ক্ষেত্ৰত অতীজৰে পৰা থকা নীতি-নিয়মৰ ব্যাপক পৰিৱৰ্তন সাধিত হয়। বিশেষকৈ জনজাতিসকলে বনজ সম্পদৰ ব্যৱহাৰৰ ক্ষেত্ৰত ভোগ কৰি অহা পৰম্পৰাগত অধিকাৰৰ ক্ষেত্ৰতো পৰিবৰ্তন পৰিলক্ষিত হয়। ভাৰতবৰ্ষৰ বিশাল বন্যভূমি আৰু বনজ সম্পদৰ পৰিচালন আৰু সংৰক্ষণৰ কালছোৱাক ঘাইকৈ দুটা ভাগত ভগাব পাৰি— উপনিৱেশিক আৰু পৰৱৰ্ত্তী উপনিৱেশিক কাল।

## উপনিৱেশিক কাল ঃ

উপনিৱেশিক কালছোৱাত ভাৰতত বনজ সম্পদসমূহৰ সংৰক্ষণৰ বাবে গুৰুত্ব দিয়াতকৈ সেই সম্পদৰাজিৰ শোষণ আৰু ধ্বংস কাৰ্যকহে অধিক পৰিমাণে অগ্ৰাধিকাৰ দিয়া হৈছিল। উন্নয়নৰ স্বাৰ্থত যথেমধে বৃহৎ পৰিমাণৰ প্ৰাকৃতিক সম্পদৰ ধ্বংস কাৰ্য সাধন কৰা হৈছিল। বিশেষকৈ উপনিৱেশিক শাসনৰ কালছোৱাত বিদেশী প্ৰশাসন যন্ত্ৰটোৱে যাতায়াত, গৃহ নিৰ্মাণৰ বাবে পৰ্য্যাপ্ত পৰিমাণে প্ৰয়োজন হোৱা কাঠৰ চাহিদা পূৰণ কৰিবলৈ যিকোনো ব্যৱস্থাই গ্ৰহণ কৰিছিল। কঠোৰৰ পৰা কঠোৰতম আইনৰ জৰিয়তে ব্ৰিটিছ প্ৰশাসনে সকলো পৰ্যায়ৰ ভাৰতীয় বনজ সম্পদ ব্যাপক হাৰত প্ৰয়োজনীয় ব্যৱহাৰৰ অজুহাতত ধ্বংস কৰাৰ পৰিপ্ৰেক্ষিতত বনজ সম্পদৰ দ্বাৰা উৎপাদিত সামগ্ৰীৰ ক্ষেত্ৰখনতো এক নতুন অধ্যায়ৰ সূচনা হয়। বিশেষকৈ ১৮৫৫ চনৰ পৰা ভাৰতত ব্যাপক হাৰত ৰেলৰে লাইন সংস্থাপন আৰু সম্প্ৰসাৰণৰ কাম আৰম্ভ হোৱাত ইয়াৰ বাবে প্ৰয়োজন হোৱা বিশাল পৰিমাণৰ কাঠৰ শ্লিপাৰ সংগ্ৰহৰ অৰ্থে যথেমধে শ শ বিঘা বিশাল অৰণ্যৰ পৰা কাঠ সংগ্ৰহ কৰা হৈছিল। প্ৰয়োজনীয় ইন্ধনৰ বাবেও বন ধ্বংস কৰা হৈছিল। সেয়েহে বিষয়টো যোগাত্মকভাৱে ই বনধ্বংসৰ সৈতে জড়িত হৈ পৰিছিল। সেই বছৰতে গৱৰ্ণৰ জেনেৰেল লৰ্ড ডেলহাউচিয়ে প্ৰণয়ন কৰা প্ৰথমখন বন বিষয়ক চাৰ্টাৰত পতিত মাটিৰ নিয়ন্ত্ৰণ আৰু ইয়াক চৰকাৰী সম্পত্তিলৈ পৰিৱৰ্ত্তন কৰাৰ ফলত হোৱা স্থিতি নিৰ্ধাৰণ কৰা হয়। '১৮৫৫ চনৰ বনচনদ' খনে প্ৰথমবাৰৰ বাবে ভাৰতীয় বনানিৰ বৈজ্ঞানিক ভিত্তি এটা প্ৰস্তুত কৰে আৰু লগতে পৰিৱেশ নিয়ন্ত্ৰণৰ বাবে সুকীয়াকৈ নতুন নতুন আইন প্ৰণয়নৰ প্ৰক্ৰিয়া এটাও আৰম্ভ হয়। সুকীয়াকৈ ভাৰতত বনবিভাগ এটা প্ৰতিষ্ঠা কৰা হয়। সাম্ৰাজ্যবাদী শাসনকালৰ বন বিভাগটোৱে বিভিন্ন ধৰণৰ বনআইনৰ প্ৰৱৰ্ত্তনৰ জৰিয়তে ভাৰতীয় বননীতি নিৰ্দ্ধাৰণ আৰু নিয়ন্ত্ৰণৰো ব্যৱস্থা আৰম্ভ কৰে। বিভাগটো সুপৰিচালনাৰ বাবে জাৰ্মানীৰ বন-বিষয়া ডায়েট্ৰিছ ব্ৰেণ্ডিছ (Dietrich Brandis)ক ভাৰতীয় বন সম্পদ পৰিচালনাৰ বাবে আমন্ত্ৰণ কৰি বিশেষ দায়িত্ব অৰ্পণ কৰা হয়।

মন কৰিবলগীয়া যে, ব্ৰিটিছ শাসন কালত প্ৰণয়ন কৰা ১৮৬৫ চনৰ ভাৰতীয় বন আইনখনৰ মূল উদ্দেশ্য আছিল— বনজ সম্পদৰ ওপৰত ৰাষ্ট্ৰৰ একক নিয়ন্ত্ৰণ সাব্যস্ত কৰা। এই ক্ষেত্ৰত জাৰ্মান বন-বিষয়া বেণ্ডিছে জলবায়ু, বৰষুণ, জলসিঞ্চনৰ ক্ষেত্ৰত পৰিৱেশে কিদৰে এক শক্তিশালী আহিলাৰূপে ব্যৱহৃত হৈ ৰাষ্ট্ৰৰ নিয়ন্ত্ৰণত ৰাখিব পাৰে, সেই বিষয়েও প্ৰৱল যুক্তি আগবঢ়ায়। এনেদৰেই ১৮৬৫ চনত প্ৰৱৰ্ত্তন কৰা ভাৰতীয় বন আইনৰ দ্বাৰা ভাৰতৰ বনাঞ্চলৰ ওপৰত ব্ৰিটিছ প্ৰশাসনৰ সাৰ্বভৌম অধিকাৰ সাব্যস্ত কৰা হয়।

১৮৭৮ চনৰ পৰৱৰ্তী বনআইনে সমগ্ৰ বনাঞ্চলৰ লগতে পতিত মাটিৰ ক্ষেত্ৰতো ব্ৰিটিছ প্ৰশাসনৰ সাৰ্বভৌম অধিকাৰ সাব্যস্ত কৰে। এই আইনে সংৰক্ষিত বনাঞ্চলক পৃথকীকৰণৰ অধিকাৰো প্ৰদান কৰে।

সংৰক্ষিত বনাঞ্চলৰ নীতিয়ে স্থানীয় লোকৰ পৰম্পৰাগত আৰু চিৰকলীয়া বহু সংখ্যক অধিকাৰ খৰ্ব কৰে যদিও কেতবোৰ অধিকাৰ নতুনকৈ প্ৰদানো কৰে। সেই অধিকাৰ সমূহ যিকোনো সময়তে খৰ্ব কৰিব পৰা যাব বুলি উল্লেখ কৰা থাকে। এই আইনখনে ভাৰতীয় বনাঞ্চলক মূলতঃ তিনিটা প্ৰধান শ্ৰেণীত তালিকাভুক্ত কৰে- **সংৰক্ষিত, প্ৰতিৰক্ষিত আৰু বনগাঁও বা গ্ৰাম্য বনাঞ্চল**। ইয়াৰ দ্বাৰা বনজ উৎপাদনসমূহক নিয়ন্ত্ৰণ কৰাৰ লগতে বননীতি উলংঘা কৰিলে উলংঘাকাৰীক জৰিমনা বিহাৰ জৰিয়তে ৰাষ্ট্ৰৰ নিয়ন্ত্ৰণলৈ পোনপটীয়াকৈ অনাৰ ব্যৱস্থাও প্ৰৱৰ্তন কৰা হয়। ১৮৯৪ চনৰ বননীতিয়ে ব্যৱসায়িক ভিত্তিত বনজ সম্পদৰ লুণ্ঠন, আৰু ইয়াক ৰাষ্ট্ৰীয় মালিকানাধীন কৰাৰ লগতে কৃষকসকলৰ স্থায়ীভাৱে কৃষিকাৰ্য সম্প্ৰসাৰণ কৰাৰো বাটো অধিক প্ৰশস্ত কৰি তোলে। এই আঁচনিৰ জৰিয়তে ব্ৰিটিছ প্ৰশাসনে ভাৰতীয় জমিদাৰসকলক মুক্ত বনাঞ্চলসমূহ ৰাজহ সংগ্ৰহ কৰিব পৰা কৃষিভূমিলৈ পৰ্যবসিত কৰি তুলিবলৈ অধিক উৎসাহিত কৰে। এই নতুন আঁচনিৰ জৰিয়তে অসমৰ বনাঞ্চলক পুনৰ চাৰিটা শ্ৰেণীভুক্ত কৰা হয়। প্ৰথম শ্ৰেণীটো পাহাৰীয়া এঢলীয়া ঠাইত অৱস্থিত বনভূমি, যিভূমি নামনিত থকা কৃষিভূমিক ভূমিস্খলনৰ পৰা ৰক্ষা কৰিবলৈ সংৰক্ষণ জৰুৰী বুলি বিবেচিত হৈছিল।

দ্বিতীয় শ্ৰেণীটো গঠিত হৈছিল অতি মূল্যৱান বুলি বিবেচিত কিছু সংখ্যক বছা-বছা প্ৰজাতিৰ গছ-গছনিক সামৰি। এই শ্ৰেণীটোত দেৱদাৰু (Cedrus deodara), শাল (Shorea robusta), টিক (Teclona grandis) আদি গছসমূহ অন্তৰ্ভুক্ত। ব্যৱসায়িক স্বাৰ্থৰক্ষাৰ বাবে প্ৰাকৃতিক উপায়েৰে ঘাইকৈ ব্যাপক হাৰত সেই সময়ত মূল্যবান দেৱদাৰু আৰু শাল গছৰ সংৰোপনৰ বাবে উৎসাহ যোগোৱা হৈছিল।

তৃতীয় শ্ৰেণীটোত সাধাৰণতে কম গুণ সম্বলিত শ্ৰেণীৰ গছখিনিক সামৰি লোৱা হৈছিল। এই শ্ৰেণীৰ কাঠ-বনৰ পৰা গুণগতভাৱে লাভ কৰিব পৰা নিম্নমানৰ কাঠ আৰু ইন্ধন সাধাৰণ লোকসকলৰ অভাৱ পূৰণৰ লক্ষ্যৰে সৃষ্টি কৰা হৈছিল।

একেদৰে চতুৰ্থ বৰ্গটো সামৰি লোৱা হৈছে গোপাচাৰ আৰু চৰণীয়া ভূমিৰ জৰিয়তে, যিখিনি স্থানীয় বাসিন্দাসকলে ব্যৱহাৰ কৰিবলৈ সুকীয়াকৈ ৰখা হৈছিল।

**ব্ৰিটিছ যুগৰ বননীতি আৰু অসম ঃ** ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ জৰিয়তে যেতিয়া ব্ৰিটিছে অসমখন সামগ্ৰিক ৰূপত নিজ সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত কৰি ল'লে, তেতিয়াই তেওঁলোকে অৰ্থকৰি শস্য ৰূপে প্ৰথমে উজনি অসমত চাহ গছ ৰোপনৰ আঁচনিখন হাতত লয়। ইয়াৰ বাবে সেই সময়ত ব্যাপক হাৰত পৰম্পৰাগত হাবি-বননি ধ্বংস কৰি বিশাল এলেকাত চাহ খেতিৰ সম্প্ৰসাৰণৰ কাৰ্যসূচীও আৰম্ভ কৰে। সমান্তৰালকৈ বিশাল ৰূপত অব্যৱহৃত হৈ থকা আবাদী মাটিৰ উন্নয়নৰ লগতে চাহবাগিছাৰ বাবেও সুকীয়াকৈ ভূমি উন্নয়নৰ এক পৰিচালনা পদ্ধতিও একেসময়তে আৰম্ভ কৰে। একে ধৰণৰ কৃষি সম্প্ৰসাৰণ প্ৰক্ৰিয়াটোৰ লগতে ব্ৰিটিছ শাসনৰ বৰ্দ্ধিত অৰ্থনৈতিক স্বাৰ্থপূৰণৰ বাবে বন সংৰক্ষণৰ সু-পৰিকল্পিত নীতি নিৰ্দ্ধাৰণৰ প্ৰয়োজনো আহি পৰে। এনে প্ৰক্ৰিয়াক অধিক সু-সংহত ৰূপত পৰিচলনাৰ অৰ্থে অসমৰ বিভিন্ন এলেকা বা বন সংমণ্ডলৰ অন্তৰ্গত বনাঞ্চলসমূহকো ইয়াৰ অৰ্ন্তভুক্ত কৰি লোৱা হয়।

উপনিবেশিক কালৰ ব্ৰিটিছ প্ৰশাসনে অসমৰ বনজ সম্পদৰ ওপৰত প্ৰধানকৈ তিনিধৰণৰ কৰ আৰোপ কৰে। কৰকেইবিধ হৈছে - কাঠৰ বাবে আৰোপ কৰা 'গড়খাটি', ইকৰা-খাগৰিৰ বাবে 'বাংকুৰ' আৰু চাৰণ

ভূমিৰ বাবে আৰোপ কৰা 'খাচুৰি'। বৃটিছ প্ৰশাসনে কাঠৰ জৰিযতে সৰ্বাধিক পৰিমাণৰ কৰ সংগ্ৰহ কৰিছিল। এনেধৰণে সংগৃহীত কৰৰ পৰিমাণ ১৮৪৭-৪৮ চনত ৩৪৪.০৪ টকা, ১৮৫১-৫২ চনত ১২২৭.০৮ টকা আৰু ১৮৫২-৫৩ চনত ১৬৩৮.০০ টকা আছিল । পশ্চিম অসমৰ গোৱালপাৰা জিলাৰ বনাঞ্চলসমূহ সেই অঞ্চলৰ জমিদাৰসকলে এক বিশেষ পদ্ধতিৰ দ্বাৰা পৰিচালনা কৰি আহিছিল। অসমৰ ব্ৰিটিছ আয়ুক্ত মেজৰ হপকিঞ্চন্ চাহাবে ১৮৫৯ চনত প্ৰথমবাৰৰ বাবে ব্ৰিটিছশাসিত এলেকাত বিস্তৃত হৈ থকা বিশাল অজৰীপকৃত বনাঞ্চলসমূহৰ বিষয়ে বিভিন্ন জিলাত নিয়োজিত হৈ থকা ৰাজহবিষয়াসকলক এক প্ৰতিবেদন যুগুত কৰিবলৈ আদেশ জাৰি কৰিছিল। সেই সময়ত বনপৰিচালনাৰ বাবে কোনো সুপৰিকল্পিত ব্যৱস্থা নথকা বাবে যিকোনো লোকেই অবাধে অসমৰ অৰণ্যত প্ৰৱেশ কৰি যধে-মধে গছ-গছনি কাটিব পৰা হোৱা বাবে অৰণ্যৰ ব্যাপক ক্ষতি হৈছিল।

অধ্যাপক শ্ৰুতিদেৱ গোস্বামীৰ মতে, শাসনৰ প্ৰাৰম্ভিক কালতেই ব্ৰিটিছশাসিত এলেকাত অসমত বন সংৰক্ষণ কৰাৰ বাবে কিছু পৰিকল্পিত নীতি নিৰ্দ্ধাৰণ কৰাটো জৰুৰী হৈ পৰিছিল আৰু সেই অনুৰূপে আইনসমূহ প্ৰযোজ্য কৰিছিল।

১৮৬৩ চনত অসমৰ তিনিখন জিলা যথাক্ৰমে দৰং, লক্ষীমপুৰ আৰু কামৰূপত পূৰ্বৰ কৃষিপদ্ধতি অনুসৰিয়েই কৃষিকাৰ্য চলাই যোৱাৰ লগতে বনাঞ্চলসমূহৰ আৰু অধিক হাৰত যাতে বন ধ্বংস নহয় সেই কথাটো কাৰ্যকৰী আৰু সুনিশ্চিত কৰিবলৈ সেই কালৰ মৌজাদাৰসকলক বিশেষৰূপত তৎপৰ হ'বলৈ আদেশ জাৰি কৰিছিল। সেই সময়ত ঘাইকৈ অসমত দুই প্ৰকাৰৰ বনাঞ্চল আছিল - সংৰক্ষিত আৰু মুক্ত। সংৰক্ষিত বনাঞ্চলসমূহ চৰকাৰে নিজাববীয়াকৈ পৰিচালনা কৰিছিল আৰু মুক্ত বনাঞ্চলসমূহৰ অন্তৰ্গত কিছুসংখ্যক সংৰক্ষিত গছৰ সুৰক্ষাৰ বাবে স্থানীয় প্ৰশাসনক চৰকাৰে কিছু নীতি-নিৰ্দ্দেশনা জাৰি কৰিছিল। এই অধিনিয়মসমূহ ১৮৬৫ চনৰ বন সুৰক্ষা আইনত সন্নিবিষ্ট আছিল। ব্যাপক হাৰত বন ধ্বংস কাৰ্য ৰোধ কৰিবলৈ তিনিবিধ বিশেষ গছ ৰোপনৰ বাবে ব্ৰিটিছ চৰকাৰে নীতি-নিৰ্দ্দেশনা জাৰি কৰি আঁচনি গ্ৰহণ কৰিছিল। সেই কেইবিধ হৈছে - 'টিক', 'ৰবৰ' আৰু 'ভাৰতীয় ৰবৰ গছ' (Caoutchouc)।

**হাতী ধৰা নীতি ঃ** অসমত পূৰ্বৰ পৰা পৰম্পৰাগতভাৱে চলি অহা 'হাতীখেদা' বা 'হাতী ধৰা' পদ্ধতিটো ৰাজ্যৰ অধীনস্থ বিষয় ৰূপে গণ্য কৰা হৈছিল। ক্ষতিৰ আশংকা কৰি হাতীধৰা ব্যৱস্থাটো বন্ধ কৰিবলৈ ব্ৰিটিছ প্ৰশাসন পাৰ্যমানে তৎপৰ হৈ উঠিছিল। এই সন্দৰ্ভত নতুন বিধি প্ৰণয়ন কৰা লগতে এটা নিৰ্দ্দিষ্ট সীমাৰ ভিতৰতহে নিৰ্দ্ধাৰিত কৰ আদায়কাৰী লোকক মহলদাৰক হাতীধৰাৰ বাবে অনুজ্ঞা পত্ৰ প্ৰদান কৰা হৈছিল। এনেদৰে হাতী ধৰাৰ নামত সংগৃহীত ৰাজহৰ পৰিমাণ ১৮৬৬ চনত কাছাৰ জিলাত ১৬২৩.০০ টকা, দৰং জিলাত ২২০.০০ টকা, গোৱালপাৰাত ৩৪০.০০ টকা, লক্ষীমপুৰত ৬০.০০ টকা, নগাৱঁত ৩৪০.০০ টকা, শিৱসাগৰত ১৫৫৮.০০ টকা আৰু কামৰূপ জিলাত ১৮০.০০ টকা হৈছিল । ১৮৭৪ চনত অসমতো ব্ৰিটিছ আৰ্হিত ভাৰতৰ অন্য ৰাজ্যৰ দৰে সুকীয়াকৈ বন-বিভাগ এটা প্ৰতিষ্ঠা কৰা হয়।

**ব্ৰিটিছ বন আইন ঃ** ব্ৰিটিছ প্ৰণিত অসম বন নিয়ন্ত্ৰণ বিধি (Assam Forest Regulation Act) খন অনুসৰি ৰাজ্য প্ৰশাসনৰ অধীনস্থ যিকোনো ভূমিয়েই চৰকাৰৰ নিয়ন্ত্ৰনাধীন কৰা হয়। পৰৱৰ্তী সময়ত ব্ৰিটিছপ্ৰশাসনে চৰণীয়া অৰণ্য ভূমিৰ বনজ সম্পদ আৰু বনধ্বংস কাৰ্য অব্যাহত ৰখাৰ ফলত অসমতো বৃহৎ

পৰিমাণৰ প্ৰাচীন সেউজ বনাঞ্চলসমূহ ধ্বংস হয়।

ভাৰতবৰ্ষৰ কিছুমান ৰাজ্যত ব্ৰিটিছ আমোলত সুকীয়াকৈ বনআইন প্ৰযোজ্য আছিল। সেই সমূহৰ ভিতৰত অসমৰাজ্য বন আইন (১৮৯১), তামিলনাডুৰাজ্য বন আইন (১৮৮২) উল্লেখযোগ্য। ১৮৭৪ চনত অসমত সুকীয়াকৈ বন বিভাগ এটাও স্থাপন কৰা হয়। অসম বন নিয়ন্ত্ৰন বিধি চমুকৈ 'AFRA' য়ে ৰাজ্যিক প্ৰশাসনক সমগ্ৰ সংৰক্ষিত বনাঞ্চলৰ লগতে চৰকাৰৰ নিয়ন্ত্ৰনাধীন প্ৰয়োজনীয় বৃহৎ পৰিমাণৰ কৃষিভূমি সৃষ্টি কৰিবলৈয়ো ক্ষমতা প্ৰদান কৰে। ব্ৰিটিছ প্ৰশাসনে চাৰণভূমি আৰু সংৰক্ষিত বনাঞ্চলসমূহ ধ্বংস আৰু বিলুপ্ত কৰিবলৈ আৰম্ভ কৰাত পাৰিপাৰ্শ্বিকতাৰ ওপৰত সামগ্ৰিকভাৱে বিশেষ প্ৰভাৱ পৰে। এনেদৰে প্ৰতি টুকুৰা ভূমিয়েই সাম্ৰাজ্যবাদী প্ৰশাসনৰ আওতালৈ অনা হয়। একেসময়তে, অসমব্যাপী থকা অপৰ্য্যাপ্ত আৰু অব্যৱহৃত হৈ থকা বনজসম্পদৰ বাণিজ্যিক সংগ্ৰহ আৰু ব্যৱহাৰো আৰম্ভ কৰা হয়। উপনিৱেশিক প্ৰশাসনৰ এনে নীতিয়ে চৰকাৰৰ আগ্ৰাসী দৃষ্টিভঙ্গীৰো উমান দিয়ে। একেদৰে প্ৰজা-সাধাৰণৰো অব্যৱহৃত বনজ সম্পদৰ ওপৰত থকা পূৰ্বৰ অধিকাৰ আৰু ব্যৱহাৰৰ ধাৰণাৰো পৰিবৰ্তন সাধন হয়।

অৰূপজ্যোতি শইকীয়াই চাহ বাগিচাৰ সম্প্ৰসাৰণত ব্ৰিটিছৰ আঁচনিয়ে অসমৰ পৰম্পৰাগত সেউজ-সমৃদ্ধ বনাঞ্চল সমূহৰ ভাগ্য নিৰূপন কৰাৰ লগতে উপনিৱেশিক চৰকাৰ যন্ত্ৰ আৰু স্থানীয় জনগোষ্ঠী সমুহৰ মাজৰ সংঘাতৰ পথো প্ৰশস্ত কৰি তোলে বুলি মন্তব্য কৰিছে। ব্ৰিটিছ শাসন কালত ভাৰতবৰ্ষত বহু সংখ্যক পৰম্পৰাগত অৰণ্য বা সংৰক্ষিত বনাঞ্চলক চিকাৰ আৰু খেলৰ বিশেষ এলেকা ৰূপে সংৰক্ষিত কৰি ৰখাৰ ব্যৱস্থা আছিল। ইয়াৰে অধিকাংশ সংৰক্ষিত অৰণ্যই পৰৱৰ্তী সময়ত ভাৰতৰ কেইবাখনো উল্লেখযোগ্য ৰাষ্ট্ৰীয় উদ্যান আৰু সংৰক্ষিত বনাঞ্চললৈ পৰ্যবসিত হৈছিল। এনেদৰে প্ৰথম পৰ্যায়ত পৰ্যবসিত হৈ উঠা অসমৰ তিনিখন প্ৰাচীন সংৰক্ষিত বনাঞ্চল হৈছে— কাজিৰঙা, লাওখোৱা আৰু মানস।

**গড় সুৰক্ষা আৰু সংৰক্ষিত অৰণ্য ঃ** সেই সময়তে অসমৰ হাবিত পৰ্যাপ্ত পৰিমাণে উপলব্ধ এশিঙীয়া গড়, বিভিন্ন প্ৰজাতিৰ পহুকে ধৰি বন্য জীৱ-জন্তুৰ অবাধ চিকাৰ কাৰ্য ভয়ানক হাৰত বৃদ্ধি পাইছিল। ব্ৰিটিছ বন বিষয়া সকলে কেৱল অসমত পোৱা দুষ্প্ৰাপ্য এশিঙীয়া গড়ৰ সংখ্যা দ্ৰুত গতিত হ্ৰাস পাই অহা বিষয়টোত গভীৰ উদ্বিগ্নতা প্ৰকাশ কৰি এনে কাৰ্য ৰোধ কৰিবলৈ যাৱতীয় ব্যৱস্থা হাতত লৈছিল। উল্লেখযোগ্য, ১৯০৫ চনত উত্তৰ লক্ষীমপুৰৰ বিস্তৃত অৰণ্যৰ পৰা গড় সম্পূৰ্ণৰূপে বিলুপ্ত হৈছিল। বিষয়টো ব্ৰিটিছৰ এগৰাকী আয়ুক্ত পৰ্যায়ৰ বিষয়াৰ অৱগত হোৱাত প্ৰথমবাৰৰ বাবে প্ৰাণীবিধৰ নিৰাপদ আবাস সৃষ্টিৰ বিষয়ে গুণা-গঁথা চলে। এই মৰ্মে অসমত কাজিৰঙা, লাওখোৱা আৰু উত্তৰ কামৰূপ 'গেম ৰিজাৰ্ভ' প্ৰতিস্থা কৰা হয়। এই ক্ষেত্ৰত ভাইচৰয় লৰ্ড কাৰ্জনে গ্ৰহণ কৰা পদক্ষেপ বিশেষভাৱে উল্লেখনীয়। কাৰ্জন আৰু তেওঁৰ পত্নীৰ বিশেষ তৎপৰতাত কাজিৰঙাই প্ৰথমে ১৯০৮ চনত 'গেম ৰিজাৰ্ভ'ৰ মৰ্যাদা লাভ কৰে। ব্ৰহ্মপুত্ৰৰ দক্ষিণে নগাঁও জিলাৰ উত্তৰে নদীতীৰৱৰ্তী এলেকাত প্ৰতিষ্ঠা হোৱা অসমৰ আনখন 'গেম ৰিজাৰ্ভ' লাওখোৱা। 'মানস গেম ৰিজাৰ্ভ' খনো ১৯০৭ চনতে ব্ৰিটিছ প্ৰশাসনৰ বিশেষ তৎপৰতাত গড় সংৰক্ষণৰ আবাস হিচাপে স্বীকৃত হয়।

**গছ-ৰোপনৰ আঁচনি ঃ** ৰাজহ সংগ্ৰহৰ লক্ষ্যৰে উচ্চ হাৰত ৰাজহ বিনিময় মাধ্যমৰে বিশাল বিশাল বনাবৃত এলেকাত পৰা মহলদাৰসকলে গছ-গছনিবোৰ যধে মধে কাটি নিয়াৰ বাবে বহু এলেকা আবাদী হৈ পৰি আছিল। পৰিৱেশৰ প্ৰতিও ক্ৰমাৎ ভাবুকি অহাত ব্ৰিটিছ প্ৰশাসনে ১৮৪০ চনৰ পৰা নতুনকৈ বিভিন্ন

প্ৰজাতিৰ পুলি সংৰোপণৰ আঁচনি এখন গ্ৰহণ কৰে। কলিকতাস্থ বটানিকেল গাৰ্ডেনৰ অধীক্ষক গৰাকীৰ পৰামৰ্শ মৰ্মে কেপ্তেইন জেনকিন্সে এক নিৰ্দেশ জাৰি কৰাত শদিয়া আৰু তেজপুৰত এই আঁচনি খনৰ শুভাৰম্ভ ঘটোৱা হয়।

পৰৱৰ্তী সময়ত আঁচনিখনে মাকুম, শিৱসাগৰৰ দিহিং নৈৰ পাৰ আৰু কামৰূপ জিলাৰো বিভিন্ন অংশলৈ সম্প্ৰসাৰিত হয়। গছপুলি সংৰোপণৰ এই আঁচনিখন ১৮৭২ চনৰ পৰা ১৮৮১ চনলৈকে চলাই ৰখা হৈছিল আৰু ইয়াৰ বাবে প্ৰয়োজনীয় মূল্যবান গছৰ পুলি-গুটি আদি ব্ৰহ্মদেশৰ পৰাও আমদানি কৰা হৈছিল। অগ্ৰাধিকাৰ দিয়া হৈছিল ভাৰতীয় ৰবৰ সংৰোপণৰ ক্ষেত্ৰতো। সেই মৰ্মে, ৰবৰৰ পুলি কামৰূপ, দৰং, লক্ষীমপুৰ, শিৱসাগৰ, নগাঁও, নগাপাহাৰ আৰু সংযুক্ত খাচিয়া জয়ন্তীয়া পাহাৰ জিলাতো প্ৰণালীবদ্ধ আৰু পৰিকল্পিতভাৱে ৰোপণ কৰা হৈছিল যদিও বিভিন্ন কাৰণত এই অভিলাসী আঁচনিখন সফল নহ'ল।

উজনিৰ চিৰসেউজীয়া অৰণ্যাণি ধ্বংসৰ মূলতে আছিল বিভিন্ন উন্নয়ন আঁচনিৰ নামত ন্যূনতম ৰাজহৰ বিনিময়ত মহলদাৰক মাটি মোকলাবলৈ দিয়া অনুমোদন অথবা চাহবাগানৰ সম্প্ৰসাৰণৰ বাবে প্ৰয়োজনীয় হোৱা ব্যাপক ভূমিৰ বাবে দিয়া তদনুৰূপ অনুজ্ঞা বা অনুমোদন। চৰকাৰৰ অধীনস্থ বনাঞ্চলসমূহৰ বনজ সম্পদ পৰিচালনাৰ বাবে কোনো পৰিশীলিত নীতি নথকাৰ বাবে বা বনাঞ্চলৰ ভিতৰুৱা বা কাষৰীয়া স্থানীয় গাঁওৰ বাসিন্দাসকলৰ সহযোগ নিবিচৰাৰ বাবেও উজনিৰ বনাঞ্চলসমূহ প্ৰায়েই বিধ্বস্ত হৈছিল। উন্নয়নৰ নামত বনজ সম্পদৰ ওপৰত বা বনাবৃত্ত এলেকাৰ ওপৰত চলা এনে আগ্ৰাসনে স্বাভাৱিকতেই সেই সময়ৰ পাৰিপাৰ্শ্বিক স্থিতি বিনষ্ট কৰিছিল।

## ১৯৪৭ চনৰ পৰৱৰ্তী কালৰ অসমৰ পাৰিপাৰ্শ্বিক পৰিৱৰ্তন ঃ কাৰণ, প্ৰকৃতি আৰু প্ৰভাৱ

ভৌগলিক অৱস্থিতি, দূৰ্বল আৰ্থসামাজিক পৰিৱেশ, পৰিৱেশ আৰু জলবায়ুৰ সঘন পৰিৱৰ্তনৰ ফলত অসম এখন অতিশয় বিপদসংকুল ৰাজ্য হিচাপে পৰিগণিত হৈছে। বছৰি বছৰি অহা বানপানী আৰু মাজে মাজে সৃষ্টি হোৱা অনাহুত খৰাং পৰিস্থিতিৰ বাবে ৰাজ্যখনৰ জলবায়ু আৰু সামগ্ৰিক ভাৱে বতৰৰো ব্যাপক পৰিবৰ্তন ঘটা দেখিবলৈ পোৱা যায়। ৰাজ্যিক পৰিৱেশ পৰিবৰ্তন ব্যৱস্থাপক সমিতিৰ এক প্ৰতিবেদনত অসমৰ তাপমাত্ৰাৰ বাৰ্ষিক গড় বৃদ্ধি ০.৫৯° ছেলছিয়াছ (১৯৫১-২০১০) পৰ্যন্ত বৃদ্ধি হৈছে। ২০৫০ চন পৰ্যন্ত তাপমাত্ৰাৰ এই বৃদ্ধি ১.৭-২.২ ডিগ্ৰী ছেলছিয়াছ পৰ্যন্ত হোৱাৰ আশংকা কৰা হৈছে।

লোক পিয়লৰ তথ্যমতে অসমে দেশৰ সৰ্বমুঠ ভৌগলিক এলেকাৰ ২.৩৯ শতাংশ এলেকা সামৰি আছে। ১৯৬৯ চনত ৰাজ্যখনৰ ভৌগলিক এলেকা ২৬.৫০ শতাংশৰ হোৱাৰ বিপৰীতে সম্প্ৰতি ই হ্ৰাস পাই ২০০৩ বৰ্ষত ২৪.৫৪ শতাংশ হৈছেহি।

সাধাৰণতে অসমৰ পাৰিপাৰ্শ্বিকতাৰ পৰিবৰ্ত্তনৰ অনেক কাৰণ আছে যদিও আটাইতকৈ গুৰুত্বপূৰ্ণ কাৰণসমূহৰ ভিতৰত কৃষিক্ষেত্ৰৰ ওপৰত উৎপাদনৰ বাবে তীব্ৰতা বৃদ্ধি, ব্যাপক উদ্যোগীকৰণ আৰু শক্তিৰ ক্ৰমবৰ্দ্ধমান ব্যৱহাৰেই প্ৰধান বুলি ক'ব পাৰি। স্বৰাজোত্তৰ কালৰ অসমৰ পাৰিপাৰ্শ্বিকতাৰ পৰিৱৰ্ত্তনৰ ভিতৰত ঘাইকৈ উজনি অসমত ঘটা সামগ্ৰিক ৰূপৰ পৰিৱৰ্ত্তনসমূহ বিশেষভাৱে মন কৰিবলগীয়া। দ্ৰুতগতিত বন-জংঘল ধ্বংস হোৱাৰ পৰিণতিত একালৰ জৈৱ-বৈচিত্ৰ্যৰে সমৃদ্ধ নাতিশীতোষ্ণ, সেমেকা পলসুৱা বনভূমি

আৰু ক্ৰান্তীয় সেউজীয়া নিম্নভূমিৰ অৰণ্যৰে আবৃত্ত অঞ্চলটোলৈ তীব্ৰ সংকট আহি পৰিছে। জলবায়ু পৰিৱৰ্ত্তনে বিভিন্ন প্ৰকাৰৰ প্ৰাকৃতিক দুৰ্যোগৰ সৃষ্টি কৰে। এই দুৰ্যোগ প্ৰধানতঃ বানপানী আৰু গৰাখহনীয়া— এই দুটা কাৰণত সংঘটিত হয়। বিভিন্ন কাৰণবশতঃ ধাৰাবাহিক ৰূপত পৰিৱেশ বিনষ্ট হোৱাৰ ফলত ঘটা দুৰ্য়োগৰ বাবে অসমত হাজাৰ-বিজাৰ লোকৰ জীৱন আৰু জীৱিকালৈ ক্ৰমাৎ শংকা নামি আহিছে। অতীজত বহুসংখ্যক লোকৰেই জীৱিকাৰ প্ৰধান উৎস আছিল কৃষি আৰু দৈহিক শ্ৰম। পিছে প্ৰাকৃতিক দুৰ্যোগৰ বাবে জীৱিকা নিৰ্বাহৰ অৰ্থে সেই লোকসকলে বেলেগ বেলেগ কষ্টকৰ পন্থা অৱলম্বন কৰিবলগীয়াত পৰিছিল। প্ৰাকৃতিক ভাৰসাম্যৰ ব্যাপক অৱনতি ঘটাত ক্ষতিগস্ত হোৱা লোকসকলে নিজকে কৃষিক্ষেত্ৰৰ পৰা আঁতৰাই আনি অন্যান্য ক্ষেত্ৰসমূহত নিয়োজিত হ'বলৈ বাধ্য হৈছে।

**ভূমিকম্প ঃ** সম্প্ৰতি পৰিৱৰ্ত্তিত জৈৱ-প্ৰাকৃতিক ভাৰসাম্যহীন পৰিৱেশৰ বাবে অসমকে ধৰি সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলেই সঘনে বান,খহনীয়া, ভূমিকম্প আদি প্ৰাকৃতিক দুৰ্য্যোগৰ দ্বাৰা ক্ষতিগ্ৰস্ত হৈ বিপদসংকুল অঞ্চলৰূপে চিহ্নিত হৈছে। পাৰ হৈ যোৱা দুটা শতিকাৰ প্ৰাকৃতিক দুৰ্যোগসমূহৰ খতিয়ান লক্ষ্য কৰিলে ক'ব পাৰি যে এক দীঘলীয়া সময়জুৰি অসম সঘনে বান, ভূমিকম্প, খহনীয়াৰ তাণ্ডৱৰ সমূখীন হৈ আহিছে। ইতিপূৰ্বে ১৮৯৭ আৰু ১৯৫০ চনত ৮.৭ আৰু ৮.৬ ৰিখটাৰস্কেল প্ৰাবল্যৰ দুটা প্ৰচণ্ড ভূমিকম্পৰ সন্মূখীন হোৱাত প্ৰকৃতি, জীৱকুল আৰু স্থাৱৰ-অস্থাৱৰ সা-সম্পত্তি হেৰুৱাব লগাত পৰিছিল। এক কথাত ক'বলৈ হ'লে সামগ্ৰিকভাৱে এনে প্ৰলয়ংকাৰী ভূঁইকপে অসমৰ ভূ-প্ৰাকৃতিক অবয়ৱৰ চিত্ৰখনৰে ব্যাপক সালসলনি ঘটাইছিল। প্ৰাচীন অসমতো ১৫৪৮, ১৫৯৭, ১৬০৭,১৬৪২, ১৬৬৩, ১৬৯৬, ১৮৬৯, ১৮৮২ আৰু ১৮৯৭ চনত একাধিকবাৰ সৰু বৰ ভূমিকম্প হৈছিল বুলি অসম বুৰঞ্জীৰ প্ৰণেতা ছাৰ এডোৱাৰ্ড গেইটে উল্লেখ কৰি গৈছে। স্বাধীনোত্তৰ কালত ১৯৪৭, ১৯৫০ আৰু ১৯৮৮ চনত হোৱা ব্যাপক হাৰৰ ভূমিকম্পকেইটাই ৰাজ্যখনৰ ভূ-প্ৰকৃতি আৰু জীৱকূলৰ বিস্তৰ ক্ষতিসাধন কৰিছিল।

**বানপানী ঃ** বানপানী সমগ্ৰ ভাৰতবৰ্ষই প্ৰতিবছৰে সন্মূখীন হোৱা এক ভয়ংকৰ প্ৰাকৃতিক দুৰ্য়োগ। ভাৰতবৰ্ষৰ মানচিত্ৰত অসম বানাক্ৰান্ত ৰাজ্য ৰূপে বিশেষভাৱে চিহ্নিত হৈছে। প্ৰতিবছৰে ৰাজ্যখনৰ দুখনকৈ প্ৰধান নদী ব্ৰহ্মপুত্ৰ আৰু বৰাকে বানপানী আৰু খহনীয়াৰ সৃষ্টি কৰি আহিছে। ইয়াৰ ফলত ৰাজ্যখনৰ ভূ-প্ৰাকৃতিক অৱয়বৰ লগতে পৰিৱেশ আৰু আৰ্থসামাজিক দিশটোও বিশেষভাৱে ক্ষতিগ্ৰস্ত হৈছে। কোৱাবাহুল্য ১৯৫০ চনৰ বৰভূঁইকপৰ পিছতে ব্ৰহ্মপুত্ৰ নদীৰ পৃষ্ঠভূমি ওপৰলৈ উঠি অহাৰ পিছৰে পৰা নদীপৃষ্ঠ তৰাং হোৱাত বানপানীৰ প্ৰকোপ বৃদ্ধি পাই আহিছে। ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনদীসমূহে বছৰি সৃষ্টি কৰা বানপানী আৰু খহনীয়াই স্বাধীনতাৰ পিছৰে পৰাই নিৰ্ধাৰিত চৰকাৰ আৰু ৰাজনৈতিক দলবোৰৰ লগতে জনসাধাৰণৰো চিন্তাৰ কাৰণ হৈ পৰিছে। চৰকাৰেও বছৰি বছৰি বান আৰু খহনীয়া নিয়ন্ত্ৰণৰ বাবে ৰাজকোষৰ পৰা বিপুল ধনৰাশি ব্যয় কৰিবলগীয়া হৈছে।

**মাজুলীৰ ওপৰত পৰা প্ৰভাৱ ঃ** দেশৰ ভিতৰতে সৰ্ব্ববৃহৎ নদীদ্বীপ মাজুলীৰ ওপৰত অসমৰ পৰিৱৰ্তিত জলবায়ুৰ বিৰূপ প্ৰভাপ পৰিছে। বানপানী আৰু খহনীয়াৰ দ্বাৰা আক্ৰান্ত হোৱাৰ ফলত নদীদ্বীপটো নিঃচিহ্ন হোৱাৰ উপক্ৰম হৈছে। ইয়াৰ ফলত দ্বীপটোৰ প্ৰধান বাসিন্দা ভৈয়াম জন-জাতীয় সম্প্ৰদায়ৰ মিচিং জনগোষ্ঠীয় লোকসকল সৰ্বস্বান্ত হ'বলগীয়াত পৰিছে। খহনীয়াৰ গৰাহত পৰি অসমৰ সত্ৰীয়া-সংস্কৃতিৰ পীঠ স্থান ৰূপে

প্ৰসিদ্ধ মাজুলীৰ পৰা বহুকেইখন সত্ৰ স্থানান্তৰ কৰিবলগীয়া হৈছে। ১৯৫০ চনৰ বৰভূমিকম্পৰ পিছৰে পৰা নদী দ্বীপটোত খহনীয়া আৰু ভূমিস্খলনৰ মাত্ৰা ভয়ানক হাৰত বৃদ্ধি পাই আহিছে। প্ৰাপ্ততথ্যমতে, ১৯১৪, ১৯৪৯ আৰু ১৯৬৩ চনত প্ৰথম অৱস্থাত নদীদ্বীপটো ৭৩৩.০৯, ৫৮৮.৭৯ আৰু ৫১৩.৮৯ বৰ্গ কি.মি. ভূমি ব্ৰহ্মপুত্ৰই গ্ৰাস কৰিছিল। এনে পৰিৱেশত মাজুলীকে ধৰি ৰাজ্যখনৰ আন আন এলেকাৰ লোকো সৰ্বশ্ৰান্ত হৈ বেলেগ অঞ্চললৈ প্ৰব্ৰজন কৰিবলগীয়া হৈছে। জলবায়ুৰ এনে ব্যাপক পৰিৱৰ্তন আৰু তাপমাত্ৰাৰ ভাৰাসাম্যৰ ফলত সৃষ্টি হোৱা প্ৰতিকূল পৰিৱেশৰ বাবে অসমৰ আন আন জিলাৰ পৰাও (মৰিগাঁও, ডিব্ৰুগড়, ধুবুৰী আদি) বহু সংখ্যক লোক খহনীয়া আৰু ভূমিস্খলনৰ বাৰে গৃহহাৰা আৰু ভূমিহীনহৈ বেলেগ বেলেগ অঞ্চললৈ জীৱিকাৰ সন্ধানত আঁতৰি যাবলৈ বাধ্য হৈছে।

**বন ধ্বংস ঃ** উজনি অসমৰ একালৰ বিশাল ক্ৰান্তীয় সেউজ বনাবৃত এলেকা আজি ক্ৰমাৎ পাৰিপাৰ্শ্বিকতাৰ পৰিৱৰ্ত্তনৰ ফলত সংকুচিত হৈ পৰিছে। অতীজতে বিশাল অৰণ্যভূমি অৱক্ষয়ৰ প্ৰধান কাৰণ ঝুম খেতি আৰু ইয়াৰ ক্ৰমাগত প্ৰসাৰতা বুলি গণ্য কৰা হৈছিল। পাহাৰীয়া অঞ্চল বিলাকত প্ৰাকৃতিক ভাৱে সৃষ্ট বিশাল বন-জংঘল কাটি ধ্বংস কৰি, জুইলগাই বাৰে বাৰে পৰিস্কাৰ কৰি এই কৃষিকাৰ্য কৰা হৈছিল। পূৰ্বতে এই খেতিৰ বাবে এটা দীঘলীয়া চক্ৰবৎ প্ৰক্ৰিয়া আছিল, য'ত একো একোটা অঞ্চলত দীঘলীয়া বিৰতিৰ পিছত মাটিডৰা 'ঝুম' খেতিৰ বাবে উপযোগী কৰি তোলা হৈছিল। অৱশ্যে জনসংখ্যা বৃদ্ধি হৈ অহাৰ লগে লগে পূৰ্বৰ নিৰ্ধাৰিত ২০/২৫ বছৰৰ ঝুম খেতিৰ চক্ৰবৎ প্ৰক্ৰিয়াটো হ্ৰাস পাই ৪/৫ বছৰ হোৱাত এই কৃষি কাৰ্যই বনাঞ্চলসমূহৰ ব্যাপক অনিষ্ট সাধন কৰিবলৈ আৰম্ভ কৰে। আহোমৰ শাসন কালত জনজাতীয় সম্প্ৰদায়ে পৰম্পৰাগতভাৱে কৰি অহা ঝুম খেতিৰ ওপৰত প্ৰশাসনে কোনো ধৰণৰ হস্তক্ষেপ কৰা নাছিল। জনজাতীয় পাহাৰীয়া জনগোষ্ঠীৰ দ্বাৰা নিয়ন্ত্ৰিত বিশাল এলেকাৰ বনাঞ্চলসমূহক আহোমসকলে কৰমুক্ত কৰি পাৰ্যমানে সকাহ দিছিল।

এনেদৰে অসমৰ সামগ্ৰিক আৱহাৱা আৰু পাৰিপাৰ্শ্বিকতাৰ ওপৰত ক্ৰমাৎ সংকুচিত হৈ অহা বনাঞ্চলে বিৰূপ প্ৰভাৱ পেলাইছিল। ইয়াৰ ফলত অনিয়মীয়া বৰষুণ, তাপমাত্ৰাৰ অস্বাভাৱিক বৃদ্ধি আৰু মৌচুমী বায়ুৰ অভাৱত বৃষ্টিছায়া এলেকাৰ সৃষ্টি হোৱাৰ লগতে বহু ঠাই আকৌ মৰুভূমিৰ দৰে আৰ্দ্ৰ আৰু শুষ্ক হৈ উঠিছে। নদীসমূহৰো জলধাৰা বহন কৰাৰ ক্ষমতা কমি অহাৰ ফলত উৎপত্তিস্থলত সময়ে সময়ে হোৱা বৃষ্টিপাতে ব্যাপক খহনীয়াৰ সৃষ্টি কৰিছে। হঠাৎ অহা বজ্ৰবৃষ্টিৰ ফলতো বহুসংখ্যক অৰণ্যভূমিত পানীৰ ঢল কোবাল বেগেৰে নামি গছ-গছনি ধ্বংসস্তূপত পৰিণত কৰাত জীৱকূলৰ লগতে আপুৰুগীয়া উদ্ভিদ, ঔষধি গছ-লতিকাৰো ব্যাপক ক্ষতি হৈছে। চৰকাৰী উন্নয়নমূলক আঁচনিসমূহ ৰূপায়নৰ বাবে প্ৰয়োজন হোৱা কাঠৰ বাবে চোৰাং কাঠবেপাৰী আৰু ঠিকাদাৰে অবিশ্বাস্য হাৰত বন আৰু পাহাৰ ধ্বংস কাৰ্য চলাই যোৱাৰ পৰিণতিতে হস্তীকূললৈও বিশেষ সংকট আহিছে। কেইবাখনো সংৰক্ষিত বনাঞ্চলৰ লগতে পাহাৰীয়া এলেকা সমূহত থকা হাতীৰ বিশাল আৱাসথলীসমূহ ব্যাপক হাৰত সংকুচিত হৈ অহাৰ বাবে বিশালাকায় প্ৰাণীবিধে প্ৰায়েই জনবসতি প্ৰধান অঞ্চললৈ সোমাই অনাহুত পৰিস্থিতিৰ উদ্ভৱ কৰিছে। জনাঞ্চললৈ এনেদৰে বন্যহাতীৰ প্ৰব্ৰজন ঘটাৰ ফলত বিস্তৰ কৃষিভূমি, ঘৰ-দুৱাৰ আদিৰ লগতে প্ৰাণীবিধৰ আক্ৰমণত বহুলোক মৃত্যুৰ গৰাহত পৰিছে। পাৰিপাৰ্শ্বিক ভাৰসাম্য বিনষ্ট হোৱাৰ ফলশ্ৰুতিত অসমত উদ্ভৱ হোৱা হাতী মানুহৰ সংঘাত সম্প্ৰতি এক

প্ৰধান পাৰিপাৰ্শ্বিক আৰু সামাজিক সমস্যাৰূপে পৰিগণিত হৈছে। অসমৰ খোদ ৰাজধানী চহৰ গুৱাহাটীৰ বাসিন্দাও এই সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে।

খনিজ সম্পদৰ সন্ধানত উপনিবেশিক কালৰে পৰা উজনি অসমত প্ৰকৃতিৰ ওপৰত অবাধ ধ্বংস লীলা চলোৱা হৈছিল। উজনি অসমত কয়লাখনি অঞ্চলত মুক্তভাৱে চলা মাইনিং বিস্ফোৰণৰ (Open Cast Mining) ফলত প্ৰাকৃতিক সম্পদৰ লগতে বন্যপ্ৰাণীৰো ব্যাপক ক্ষতি সাধন হৈছে। ঘাইকৈ খনিজ সম্পদৰে সমৃদ্ধ মাৰ্ঘেৰিটা আৰু তিনিচুকীয়াৰ কয়লাখনিত চলা এনে বিস্ফোৰণৰ ফলত বহু শ শ বিঘা কৃষি ভূমি কৃষিৰ বাবে অনুপযোগী হৈ উঠিছে।

পৰিশেষত ক'ব পাৰি যে, স্বাধীনোত্তৰ কালৰে পৰা বন আৰু বনজ সম্পদ ধ্বংসৰ জৰিয়তে উন্নয়নৰ যি আঁচনি গ্ৰহণ কৰা হৈছে; সেই আঁচনিসমূহ সীমিত আৰু বিজ্ঞানসন্মত ধৰণেৰে নকৰিলে অসমৰ অৰণ্য আৰু বন্যপ্ৰাণীৰ বিস্তৰ ক্ষতি সাধন হ'ব। কোৱাবাহুল্য, সমগ্ৰ অসমতে জলবায়ু পৰিৱৰ্তন আৰু বনভূমিৰ জধেমধে সংকোচনৰ পৰিণতিত বহুসংখ্যক সেউজ বনাবৃত এলেকা আৰু বিপন্ন প্ৰজাতিৰ প্ৰাণী আৰু পক্ষীকূল ইতিমধ্যেই সংকটৰ গৰাহত পৰিছে। লগতে একালৰ জীৱ বৈচিত্ৰ্যৰে সমৃদ্ধ অঞ্চল বুলি বিশ্বব্যাপী পৰিচিত অসমলৈ দুৰ্য্যোগ আৰু সংকট নামি আহিছে।

## পৰিবেশ সজাগতা আৰু ভাৰতীয় পৰিবেশ আন্দোলনৰ সংক্ষিপ্ত ইতিবৃত্ত

পৰিবেশ আৰু ইয়াৰ সজাগতা আৰু সংৰক্ষণৰ ধাৰণাটো তেনেই আধুনিক। ক্ষয়িষ্ণু প্ৰাকৃতিক পৰিবেশৰ যি ক্ৰমবৰ্দ্ধমান সমস্যা আৰু সেই সমস্যাই আজি সমগ্ৰ বিশ্বৰে পশ্চিমীয়া দেশসমূহৰ লগতে সমগ্ৰ ভাৰতবৰ্ষৰো পৰিবেশকৰ্মী আৰু পাৰিপাৰ্শ্বিকতাবাদীসকলৰ মনোযোগ আকৰ্ষণ কৰিছে। আজি সেউজ বা পৰিবেশ আন্দোলন বিশ্বব্যাপী সূচনা হোৱা এক জনপ্ৰিয় প্ৰতিবাদী আৰু সজাগতামূলক আৱশ্যকীয় পৰিঘটনা।

বিশ্ব পৰিবেশ আন্দোলন ইতিহাসৰ পাত লুটিয়ালে আমি ঊনবিংশ শতিকালৈ উভতি যাব লাগিব। সেই শতিকাৰ প্ৰথমাৰ্দ্ধত ঘাইকৈ উত্তৰ আমেৰিকা আৰু ইউৰোপত উদ্যোগিক উন্নয়নৰ নামত পৰিবেশৰ ব্যাপক অৱক্ষয় ঘটিছিল। ইউৰোপৰ ঠায়ে ঠায়ে ঘাইকৈ পানী আৰু বায়ু ভয়ানক ৰূপত প্ৰদূষিত হৈছিল। পৰিবেশ তন্ত্ৰ সুস্থিৰ কৰি ৰাখিবৰ নিমিত্তে যধেমধে সাগৰীয় কয়লা পোৰা কাৰ্য, যাৰ ফলত ইউৰোপৰ বায়ুমণ্ডলত দূষিত ধোঁৱা নিমজ্জিত হৈছিল তাক ৰোধ কৰিবৰ বাবে ইংলেণ্ডৰ সম্ৰাট প্ৰথম এডৱাৰ্ডে ১২৭২ খৃঃতে আইন প্ৰণয়ন কৰিছিল। একেদৰে আধুনিক পৰিবেশ সংৰক্ষণৰ বাবে আন এলানী জৰুৰী আইন ব্ৰিটিছ সংসদতেই পোন প্ৰথমে গৃহীত হৈছিল। সেই সময়ৰ অন্যতম আইনখন আছিল ১৮৬৩ খ্ৰীঃত প্ৰণয়ন কৰা 'খাৰক বিধি' (Alkali Acts) নামৰ আইনখন।

আধুনিক পৰিবেশ আন্দোলনৰ এক উল্লেখনীয় সূচাংক আছিল প্ৰকৃতিপ্ৰেমী ৰাছেল কাৰ্চনৰ (Rachel Carson) বিখ্যাত আৰু সময়োপযোগী গ্ৰন্থ 'নীৰৱ বসন্ত' (Silent Spring)। এই সজাগতামূলক গ্ৰন্থখনে দাঙি ধৰিছিল সেই সময়ৰ ব্যাপক প্ৰদূষণৰ ভয়াবহ দৃশ্যপট। খেতিপথাৰত কীট-নাশকৰ প্ৰয়োগৰ ফলত সৃষ্টি হোৱা ভয়াবহতাৰ বিষয়ে ইয়াত উল্লেখ আছে। আন্তৰ্জাতিক স্তৰত চাৰিটা বিশেষ পৰিঘটনাই ব্যাপক সংকটৰ

গৰাহত পৰা পৃথিৱীৰ দেশসমূহৰ পৰিবেশ সুৰক্ষা আৰু উন্নয়নৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব বহন কৰিছে। সেইকেইটা হৈছে —

ক) ৰাষ্ট্ৰসংঘৰ মানৱ পৰিবেশ সন্মিলন, ষ্টকহ'ম, চুইডেন (১৯৭২)

খ) "উন্নয়নৰ সীমা" শীৰ্ষক এক প্ৰতিবেদন

গ) ব্ৰাউণ্ডতলেণ্ড (Brundt Land)ৰ "আমাৰ সামূহিক ভৱিষ্যৎ" (Our Common future) শীৰ্ষক প্ৰতিবেদন (১৯৮৭)

ঘ) দক্ষিণ আফ্ৰিকাত অনুস্থিত বসুধা সন্মিলন (১৯৯২)



চিত্ৰ-৯.৩ ঃ ৰাছেল কাৰ্চন

এইসমূহ ঘটনাক্ৰমে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত পৰিবেশ সুৰক্ষাৰ আন্দোলনটো অধিক ভাৱে শক্তিশালী আৰু সংঘবদ্ধ ৰূপত গঢ়লৈ উঠাত বিশেষ নিৰ্ণায়কৰ ভূমিকা পালন কৰিছিল। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি বেঞ্জামিন ফ্ৰেঙ্কলিনে ধাৰাবাহিক হাৰত দেশখনত আৱৰ্জনা স্তুপীকৃত কৰা কাৰ্য ৰোধ কৰিবলৈ পেনচিলভিনিয়া এছেম্বলীক ১৭৩৯ চনত এক বিশেষ অনুৰোধ জনাইছিল। সেয়াই আছিল এনে সজাগতাৰ আৰম্ভণি। কেইবাগৰাকীও বিশিষ্ট পাৰিপাৰ্শ্বিকতাবাদী পণ্ডিতে তাত্ত্বিক ৰূপত পৰ্যাৱৰণ ৰক্ষাৰ এই আন্দোলনটো সন্দৰ্ভত কিছু নতুন ধাৰণা দিবলৈ প্ৰচেষ্টা চলাইছিল। উদ্দেশ্য আছিল সামগ্ৰিক অৱক্ষয়ৰ পৰা পৰিবেশক ৰক্ষা কৰি পাৰ্যমানে পূৰ্বৰ অৱস্থালৈ ঘূৰাই অনাটো। সেইসকলৰ ভিতৰত অন্যতম আছিল দুই ভাৰতীয় পাৰিপাৰ্শ্বিকতাবাদী পণ্ডিত, গৱেষক ৰামচন্দ্ৰ গুহ আৰু মাধৱ গেদগিল। সকলোৱে সচেতন ৰূপত অৱস্থান কৰি প্ৰাকৃতিক সম্পদসমূহক ক্ষতিগ্ৰস্ত হোৱাৰ পৰা ৰোধ কৰিবলৈ, পৰৱৰ্তী প্ৰজন্মৰ বাবে সংঘৱদ্ধ আৰু পৰিকল্পিত ৰূপত কাম কৰি যাবলৈ সূচনা কৰা এই ধৰণৰ সামাজিক গতি-বিধিকে সামগ্ৰিক ৰূপত পৰিবেশ আন্দেলন বুলি তেওঁলোক দুগৰাকীয়ে অভিহিত কৰিছে। বিগত ৩/৪ টা দশকত ভাৰতবৰ্ষত ব্যাপক ৰূপত পৰিৱেশ সংৰক্ষণৰ এই আন্দোলনে বিশেষ গ্ৰহণযোগ্য ৰূপ ধাৰণ কৰিছে। আমাৰ দেশত এই আন্দোলন উদ্ভৱ হোৱাৰ উদ্দেশ্য—

১. প্ৰাকৃতিক সম্পদৰ ওপৰত নিয়ন্ত্ৰণ বৰ্তাই ৰখা।

২. চৰকাৰৰ কেতবোৰ ভুৱা আৰু ক্ৰটীপূণ উন্নয়নমুলক আচঁনি।

৩. আৰ্থ-সামাজিক ক্ষয়ক্ষতি

৪. ব্যাপক পৰিৱেশ বিনষ্টকৰণ।

৫. পৰিৱেশ সম্পৰ্কীয় সজাগতা বৃদ্ধি আৰু প্ৰচাৰ মাধ্যম।

বিংশশতিকাৰ প্ৰাৰম্ভিক সময়ছোৱাত উপনিৱেশিক ব্ৰিটিছ শাসনৰ কালছোৱাত বনজ সম্পদক বাণিজ্যকৰণ কৰাৰ বিৰুদ্ধে প্ৰতিবাদৰ যি ঢৌ উঠিছিল ভৰতবৰ্ষত পৰিৱেশ সুৰক্ষাৰ বিষয়টোও সেই সময়তে প্ৰথমে উত্থাপন হৈছিল। স্বাধীনোত্তৰ কালত ১৯৭৩ চনত তিনিটা প্ৰধান বিষয়ে পৰিৱেশ সম্পৰ্কীয় ক্ষেত্ৰত প্ৰাধান্য লাভ কৰিছিল-

১. ৰাষ্ট্ৰীয় প্ৰাণী 'বাঘ' সুৰক্ষাৰ বাবে ভাৰতত 'প্ৰজেক্ট টাইগাৰ' প্ৰকল্প ঘোষণা।

২. এজন শীর্ষ চৰকাৰী বিষয়া বি. ভি. ভুৰাই ‘ভূমিৰ বাবে চনদ’ শীৰ্ষক প্রতিবেদনখনত দেশখনত ভয়াবহৰূপত খহনীয়া আদি পৰিৱেশজনিত প্ৰধান সমস্যাৰাজিৰ সঠিকৰূপত উত্থাপন কৰিছিল।

৩. ১৯৮০ চনত এই সমস্যাসমূহৰ নিৰাময়ৰ বাবে কাৰ্যকৰী ৰূপত স্বতন্ত্ৰৰূপত পৰিৱেশ আৰু বনমন্ত্ৰণালয় প্ৰতিষ্ঠা কৰা হয়।

ভাৰতবৰ্ষত পৰিৱেশ সজাগতা আৰু সুৰক্ষা সংক্ৰান্তীয় প্ৰখ্যাত আন্দোলন লানি আছিল এনে ধৰণৰ -

**১। বিষ্ণয় আন্দোলন ঃ** বিষ্ণয়সকল আছিল প্ৰাচীন ভাৰতৰ এটা ধৰ্মীয় সম্প্ৰদায়। প্ৰকৃতিক পৰম্পৰাগতভাৱে উপাসনা কৰি অহা এই জনগোষ্ঠীৰ লোকসকলে উত্তৰ ভাৰতৰ থৰ মৰুভূমিৰ দক্ষিণে বসতি স্থাপন কৰিছিল। তেওঁলোকৰ বসতিপ্ৰধান এলেকাত ঘটা ব্যাপক বনধ্বংসৰ বিৰুদ্ধে ১৭৩১ খৃঃতে এই আন্দোলনটোৰ সূচনা কৰিছিল মুখ্যতঃ সুম্বাজী (Sombaji) নামৰ এগৰাকী পৰিৱেশকৰ্মীয়ে। এই প্ৰখ্যাত পৰিৱেশ আন্দোলনটোৰ অন্যতম গুৰি ধৰিছিল বিষ্ণয় সম্প্ৰদায়ৰ মহিলা নেত্ৰী অমৃতা দেৱীয়ে। বন ধ্বংসৰ বিৰুদ্ধে প্ৰতিৰোধ গঢ়ি তোলা ৩৬৩ গৰাকী মহিলা প্ৰতিবাদকাৰীয়ে এই আন্দোলনৰ ফলত ৰজাৰ সৈন্যৰ হাতত প্ৰাণ দিবলগীয়া হৈছিল। সেই অঞ্চলৰ যোধপুৰ ৰাজ্যৰ ৰজাজনে যেতিয়া এই আন্দোলনটো আৰু ইয়াৰ ব্যাপক প্ৰতিবাদৰ কাৰণ সন্দৰ্ভত সঠিককৈ অনুধাৱন কৰিব পাৰিলে তেতিয়া সংঘাত এৰি বাধ্য হৈ তেওঁ নিজে সেই অঞ্চললৈ গৈ সমগ্ৰ সম্প্ৰদায়টোৰ ওচৰত ক্ষমা ভিক্ষা বিচাৰিলে। লগতে প্ৰতিবাদকাৰীসকলৰ মৰ্মান্তিক হত্যাকাণ্ডৰ বাবে চৰম ৰূপত অনুতাপ প্ৰকাশ কৰিলে। স্মৰ্তব্য যে, ৰজাগৰাকীয়ে তৎকালেই বিষ্ণয় সম্প্ৰদায়ৰ অধীকৃত সেই সমগ্ৰ এলেকাটো বন আৰু পৰিৱেশ সুৰক্ষাৰ বাবে বিশেষ ৰূপত তেতিয়াৰে পৰা সংৰক্ষিত এলেকা বুলি ঘোষণা কৰিলে।

**২। চিপ্‌কো আন্দোলন ঃ** ‘চিপ্‌কো’ বা ‘চিপক’ শব্দৰ অৰ্থ হৈছে ‘সাৱটি ধৰা’। ১৯৭২ চনত উত্তৰাখণ্ডৰ চামলি জিলাৰ গোপেশ্বৰ নামে ঠাইত ব্যপক হাৰত ঘটি থকা বনধ্বংস কাৰ্য ৰোধ কৰিবলৈ সেই অঞ্চলৰ প্ৰধানকৈ সচেতন মহিলাসকলে প্ৰতিজোপা গছেই সাৱটি ধৰি ৰক্ষা কৰিছিল। এই আন্দোলনৰ উদ্দেশ্য আছিল ঠিকাদাৰ, বনধ্বংসকাৰীসকলৰ গৰাহত পৰা হিমালয়ৰ পাদদেশৰ উত্তৰাখণ্ডৰ সেউজ বনাঞ্চলক যথাৰ্থৰূপত সুৰক্ষা প্ৰদান কৰা। প্ৰথমে ৰেনী নামৰ গাড়োৱালৰ গাঁও এখনৰ মহিলাসকলে গছৰ গুৰিত সাৱটি ধৰি গছবোৰ ঠিকাদাৰে কাটি নিয়াৰ পৰা নিজ সন্তানৰ দৰে ৰক্ষা কৰিছিল। অতি সোনকালেই এই আন্দোলনৰ নীতি-আদৰ্শ ভাৰতৰ অন্যান্য ঠাইলৈকো বিয়পি পৰিছিল। বাধ্যত পৰি সেই সময়ৰ চৰকাৰে বনজ সম্পদৰ ক্ষেত্ৰত পূৰ্বনিৰ্দ্ধাৰিত নীতি পৰিৱৰ্তন কৰিবলগীয়াত পৰিছিল।



**চিত্ৰ-৯.৪ ঃ মহিলাসকলে গছ ৰক্ষা কৰিছে।**

এই আন্দোলনৰ মুখ্যনেতা সুন্দৰলাল বহুগুণাই 'পৰিৱেশ মানে স্থায়ী অৰ্থনীতি'— এই প্ৰখ্যাত বাণীটো উদ্ভাৱন কৰে।

৩। **এপিক' আন্দোলন ঃ** এপিক' শব্দৰ অৰ্থ হৈছে এজন ব্যক্তিৰ এজোপা গছক মৰমেৰে সাৱটি ধৰাৰ হেঁপাহ বা প্ৰেম। ই চিপক' আন্দোলনৰে এক উত্তৰসুৰী আৰু অনুগামী আছিল বুলি ক'ব পাৰি। ১৯৮৩ চনত পাণ্ডুৰাজ গেড়ে নামৰ এগৰাকী বিশিষ্ট পৰিবেশকৰ্মীয়ে এই সেউজ-আন্দোলনটো আৰম্ভ কৰিছিল। ইয়াৰ মূল উদ্দেশ্য আছিল বনজ সম্পদৰ ধ্বংস কাৰ্য ৰোধ কৰা, উন্নয়ন, সংৰক্ষণ, বনজ সম্পদৰ প্ৰকৃত আৰু যথাৰ্থ ৰূপত অৰ্থবাহক ব্যৱহাৰ বা সংৰক্ষণমূলক প্ৰয়োগ।

৪। **নীৰৱ উপত্যকা আন্দোলন ঃ** Silent Valley বা নীৰৱ উপত্যকা হৈছে কেৰেলাৰ এক ক্ৰান্তীয় চিৰসেউজ বনাঞ্চল। স্থানীয়ভাষাত 'সৈৰন্ধ্ৰিবনম' নামে জনাজাত এই উদ্যানখন আছিল দক্ষিনঘাট পৰ্বতমালাৰ অৰ্ন্তগত অৱশিষ্ট আৰু বিনষ্ট নোহোৱাকৈ থকা একমাত্ৰ ক্ৰান্তীয় চিৰসেউজ বনাঞ্চল। জৈৱবৈচিত্ৰ্যৰ দিশৰ পৰা অতিকে চহকী এই চিৰহৰিৎ বন এলেকাটোত ১৯৭৩ চনত প্ৰস্তাৱিত এটা জলবিদুৎ প্ৰকল্প প্ৰতিষ্ঠাৰ জৰিয়তে ধবংসকাৰ্য চলোৱাৰ বিপক্ষে স্থানীয় লোক আৰু পৰিৱেশকৰ্মীসকল একত্ৰিত হৈ ব্যাপক প্ৰতিবাদ আৰম্ভ কৰিছিল।

৫। **জংঘল বাচাও আন্দোলন ঃ** ১৯৮২ চনত পূৰ্বৰ বংগ প্ৰেচিডেন্সীৰ অৰ্ন্তগত ঝাৰখণ্ডৰ সিংভূম জিলাৰ পৰিৱেশপন্থী আৰু প্ৰকৃতিপ্ৰেমী সকলে চৰকাৰৰ ভুল বননীতিৰ বাবে এই প্ৰতিবাদী আন্দোলন আৰম্ভ কৰিছিল। চৰকাৰে প্ৰাকৃতিকভাৱে সৃষ্ট বন আৰু বনভূমিক উচ্চদৰত বিক্ৰী আৰু উৎপাদনৰ বাবে 'টিক গছ' ৰোপনৰ ক্ষেত্ৰলৈ পৰিবৰ্ত্তন কৰিবলৈ লোৱাৰ প্ৰতিবাদতেই এই আন্দোলনটোৰ সূচনা হৈছিল।

৬। **নৰ্মদা বাচাও আন্দোলন ঃ** প্ৰকৃতিলৈ গুৰুতৰভাৱে ভাবুকি কঢ়িয়াই ১৯৮৫ চনত গুজৰাটৰ নৰ্মদা নদীৰ ওপৰত বৃহৎ আকৃতিৰ এটা নদীবান্ধ তৈয়াৰ কৰাৰ প্ৰতিবাদত পৰিৱেশ ৰক্ষাকাৰী আৰু প্ৰকৃতিপ্ৰেমী স্থানীয় ৰাইজে মিলি সৰলৰূপত আৰম্ভ কৰা বৃহৎ আন্দোলনটোৰ 'নৰ্মদা বাচাও' বা 'নৰ্মদা সুৰক্ষা' আন্দোলন নামে জনাজাত। এই আন্দোলনটোলৈ সমৰ্থন আগবঢ়োৱা প্ৰমুখ প্ৰকৃতিপ্ৰেমীসকলৰ মাজত আছিল মেধা পাটেকাৰ, অৰুন্ধতী ৰয়, বাবা আমটে, আমিৰখান আদি ব্যক্তিসকল।

**টেহৰিবান্ধ সংঘাত ঃ** 'টেহৰিবান্ধ সংঘাত' নামে প্ৰকৃতি সুৰক্ষাৰ বাবে হোৱা আন এটা আন্দোলন হৈছিল— ১৯৭৮ আৰু ১৯৯০ চনত। উত্তৰাঞ্চলৰ ভাগিৰথী নৈৰ ওপৰত প্ৰচণ্ড ভূঁইকপ আক্ৰান্ত অঞ্চলৰূপে চিহ্নিত এলেকা এটাত নিৰ্মাণ কৰিবলৈ লোৱা এটা নদীবান্ধৰ ফলত অৰণ্য আবৃত্ত এলেকা এটা ক্ষতিগ্ৰস্ত হোৱাৰ লগতে প্ৰায় এক লাখ লোকক সেই ঠাইৰ পৰা নিৰাপদ স্থানলৈ স্থানান্তৰিত কৰিবলগীয়া পৰিস্থিতিৰ উদ্ভৱ হৈছিল। জনতা আৰু প্ৰকৃতিপ্ৰেমীৰ তীব্ৰ প্ৰতিবাদ স্বত্তেও আৰক্ষীৰ ব্যাপক আবেষ্টনীৰ মাজত বান্ধ নিৰ্মাণৰ কাম আগবাঢ়িছিল। চৰকাৰৰ পৰা প্ৰতিশ্ৰুতি লাভ কৰাৰ পিছত আন্দোলনটোৰ মূল নেতা প্ৰকৃতিপ্ৰেমী সুন্দৰলাল বহুগুনাই আৰম্ভ কৰা আমৰণ অণশন কাৰ্যসূচী স্থগিত ৰাখে যদিও বান্ধ নিৰ্মাণৰ কাম কিন্তু স্থবিৰ নহ'ল।

এনেদৰেই ভাৰতবৰ্ষত বিভিন্ন সময়ত প্ৰকৃতি সুৰক্ষা আৰু পাৰিপাৰ্শ্বিকতা ৰক্ষাৰ বাবে বিভিন্ন ঠাইত বিভিন্ন পৰ্য্যায়ৰ সৰু-বৰ পৰিবেশ সজাগতা আন্দোলনসমূহ গঢ় লৈ উঠিছিল। এই আন্দোলন সমূহৰ উদ্দেশ্য

আছিল মুলতঃ পৰিবেশজনিত সমস্যাৰ বিষয়ে প্ৰতিবাদ, জনসাধাৰণক সজাগ আৰু অৱগত কৰা। পাৰিপাৰ্শ্বিকতা, প্ৰাকৃতিক পৰিস্থিতি ৰক্ষা কৰাৰ বাবে বাসিন্দাসকলৰ মাজত পৰিবেশ সুৰক্ষা সম্পৰ্কীয় নিয়মাৱলীৰ সম্প্ৰচাৰ কৰা ইত্যাদি, ইত্যাদি।

ভাৰতবৰ্ষৰ প্ৰধান প্ৰধান পৰিবেশ আন্দোলনৰ স্থানসমূহ তলৰ মানচিত্ৰত দেখুওৱা হ'ল




চিত্ৰ-৯.৫ ঃ *চিহ্নিত মানচিত্ৰ*

## পাৰিপাৰ্শ্বিক সুৰক্ষা আৰু অসমৰ বেচৰকাৰী সংস্থা ঃ

অসমৰ পাৰিপাৰ্শ্বিক সুৰক্ষা আৰু এই বিষয়ে সজাগতাৰ বাবে দীৰ্ঘদিন ধৰি কাম কৰি অহা বেচৰকাৰী পৰ্যায়ৰ সংস্থাসমূহৰ সংখ্যা প্ৰায় দুশ। চেণ্টাৰ ফৰ এন্ভাইৰন্মেণ্ট এডুকেশ্যন, নৰ্থ ইষ্ট (Centre for Environment Education, NE) সংক্ষেপে CEE-NE ৰ মতে ১৫২ টা এনে সংস্থাই অসমত পৰিৱেশ

সুৰক্ষাৰ বাবে বিভিন্ন পৰ্যায়ত কাম কৰি আহিছে। পৰিৱেশ সুৰক্ষাৰ বাবে গঢ়ি উঠা অসমৰ প্ৰথমটো বেচৰকাৰী সংস্থা কাজিৰঙা ৱাইল্ড লাইফ চচাইটি। উনবিংশ শতিকাৰ ষষ্ঠদশকত প্ৰতিষ্ঠা লাভ কৰা প্ৰথমটো এনে সংগঠনৰ মূল উদ্দেশ্য আছিল কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বন্যপ্ৰাণীৰ নিৰাপত্তা নিশ্চিত কৰা আৰু পৰিৱেশ সুৰক্ষাৰ বাবে সজাগতা বৃদ্ধি কৰা। বিশ্ব প্ৰকৃতি নিধিৰ (WWF) তথ্য মতে অসমত ৬৬ টা এনে বেচৰাকৰী পৰ্যায়ৰ সংস্থাই কাম কৰি আহিছে। সেই সমূহৰ ভিতৰত প্ৰধান উল্লেখনীয় সংস্থা কেইটা হ'ল—

নেচাৰ্ছ বেকন (Natures' Beckon), ১৯৮২

চেণ্টাৰ ফৰ এন্‌ভাইৰন্‌মেণ্ট এডুকেশ্যন, নৰ্থ ইষ্ট (Cente for Environment Education, North-East) (CEE-NE), ১৯৮৪

আৰণ্যক (Aranyak Nature Club), ১৯৮৪

আৰ্লি বাৰ্ড্‌ছ্‌ (Early Birds), ১৯৯২

নেচাৰ্‌ছ্‌ ফ'ষ্টাৰ (Natures' Foster), ১৯৯৫

এড্‌ এন্‌ (Ed-En), ২০০০

এন্‌ভাইৰন্‌ (Environ), ২০০৩

## অনুশীলনী

১। ক) প্ৰাচীন কালত এজন আৰ্য্যই শেষ বয়সত পালন কৰা সময়ছোৱাক কি বুলি কোৱা হয় ?

খ) অসমৰ প্ৰাচীনতম নাম কি ?

গ) ফৰেষ্ট শব্দটো ক'ৰ পৰা উদ্ভৱ হৈছে ?

ঘ) কৌটিল্যৰ অৰ্থশাস্ত্ৰত উল্লেখ থকা ভাৰতৰ প্ৰথম গৰাকী বন বিষয়া কোন?

ঙ) ভাৰতত কেতিয়া বন বিভাগ প্ৰতিষ্ঠা কৰা হৈছিল?

চ) ব্ৰিটিছ সকলে বনজ সম্পদৰ ওপৰত ধাৰ্য কৰা এবিধ কৰৰ নাম উল্লেখ কৰা।

ছ) ব্ৰিটিছ সকলে ব্যাপক হাৰত অসমত ৰোপন কৰা তিনিবিধ বিশেষ গছ কি কি আছিল?

জ) কাজিৰঙা সংৰক্ষিত বনাঞ্চল কেতিয়া প্ৰতিষ্ঠা কৰা হৈছিল?

ঝ) স্বাধীনোত্তৰ কালত কোন কোন বছৰত অসমত বৃহৎ ভূমিকম্প হৈছিল?

ঞ) হাতী সম্পৰ্কীয় তথ্য সম্বলিত অসমৰ প্ৰথমখন পুথিৰ নাম কি?

চ) আহোমৰ শাসন কালত নিয়োজিত হোৱা দুজন বন বিষয়াৰ নাম উল্লেখ কৰা।

২। অসমৰ ৰজা ভগদত্তক কি বুলি কোৱা হৈছিল?

৩। কালিকা পুৰাণত বৰ্ণিত অসমৰ প্ৰাকৃতিক পৰিসীমাটো কি আছিল?

৪। ব্ৰহ্মপুত্ৰ নদীৰ দৈৰ্ঘ্য কিমান?

৫। অসমৰ মাটিৰ তিনিটা প্ৰধান ভাগ কি কি?

৬। অসমৰ ভূমি ব্যৱস্থাপনা সম্পৰ্কে উল্লেখ কৰা দুজন ইংৰাজ লেখকৰ নাম উল্লেখ কৰা।

৭। কিমান পৰিমাণৰ মাটি আহোমসকলে ধৰ্মীয় অনুষ্ঠানৰ কাৰণে কৰবিহীন কৰি ৰাখিছিল? এই তথ্য

সম্পৰ্কে কোনে উল্লেখ কৰিছিল?

৮। অসমত কেতিয়া আৰু কোন ঠাইত প্ৰথমে চাহ উৎপন্ন হৈছিল?

৯। অসমৰ প্ৰাচীন প্ৰাকৃতিক বিভাগ কেইটা—

ক) এটা খ) দুটা গ) তিনিটা ঘ) চাৰিটা।

১০। Silent spring নামৰ গ্ৰন্থখনৰ লেখক কোন?

ক) ৰাছেল কাৰ্ৰ্চন খ) মাধৱ গেডগিল গ) অৰুন্ধতি ৰয় ঘ) মেধা পাটেকাৰ

১১। গ্ৰীষ্ম আৰু শীতকালত গড়ে সৰ্বাধিক আৰু সৰ্বনিম্ন তাপমাত্ৰা কিমান হয়?

১২। ১৮৬৫ চনৰ ভাৰতীয় বন আইনৰ মূল উদ্দেশ্য দুটা কি কি?

১৩। পৰৱৰ্তী উপনিবেশিক কালত অসমৰ পৰিবেশ সম্পৰ্কে এটা বিৱৰণ আগবঢ়োৱা।

১৪। কি কি প্ৰধান কাৰণত ভাৰতত বন বিভাগ সংস্থাপন কৰা হৈছিল?

১৫। অসমত ব্ৰিটিছ প্ৰশাসনে প্ৰৱৰ্তন কৰা বন পৰিচালনা আঁচনি সম্পৰ্কত এটা টোকা লিখা।

১৬। পৰৱৰ্তী উপনিবেশিক কালত অসমৰ জলবায়ু পৰিৱৰ্তনৰ মুল কাৰণকেইটা উল্লেখ কৰা।

১৭। ভাৰতৰ পৰিবেশ আন্দোলনৰ বিষয়ে এটা চমু বিৱৰণী প্ৰস্তুত কৰা।

১৮। অসমত অতীজৰ পৰা উপলব্ধ প্ৰধান প্ৰধান বনস্পতিসমূহ কি কি?

১৯। চমুটোকা লিখা ঃ

ক) কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান খ) মাজুলী গ) বনধ্বংস

২০। আহোম যুগৰ বনবিষয়া সকলৰ বিষয়ে এটা টোকা লিখা।

২১। অসমৰ প্ৰকৃতিৰ সুৰক্ষাৰ বাবে কাম কৰি থকা সংস্থাৰ কাৰ্যাৱলীৰ বিষয়ে এটি টোকা লিখা।

দশম অধ্যায়

# প্ৰকল্প প্ৰস্তুত

স্বদেশ অধ্যয়নত ছাত্ৰ-ছাত্ৰীয়ে একোটা প্ৰকল্প বিষয় বাছি লৈ বিজ্ঞান সন্মতভাৱে সকলোবোৰ দিশ বিশ্লেষণ কৰি প্ৰকল্পটোৰ ফলাফললৈকে লিখি উলিওৱালৈ চেষ্টা কৰাটো অত্যন্ত প্ৰয়োজন। প্ৰকল্প এটা এখন ৰচনা নহয়। প্ৰকৃতাৰ্থত প্ৰকল্প এটা বৈজ্ঞানিক পদ্ধতিৰে তথ্য বিশ্লেষণৰ দ্বাৰা কৰা এক গৱেষণা। স্বদেশ অধ্যয়নৰ ছাত্ৰ-ছাত্ৰীৰ বাবে এটা প্ৰকল্প কৰাটো এটা ক্ষুদ্ৰ গৱেষণা কৰাৰ নিচিনা। ছাত্ৰ-ছাত্ৰীসকলে একো একোটা প্ৰকল্প সম্পূৰ্ণ কৰাৰ অভ্যাসেৰে ভৱিষ্যতে উচ্চ খাপৰ গৱেষণা কৰিব পৰা ক্ষমতা আহৰণ কৰিব পাৰে। সেয়েহে প্ৰকল্পটোৰ বিষয় বাছনিৰ পৰা প্ৰকল্পটোৰ লগত নিবিড়ভাৱে জড়িত হৈ বিজ্ঞানসন্মতভাৱে লিখি উলিয়াব পৰাটো ছাত্ৰ-ছাত্ৰীৰ বাবে অতি প্ৰয়োজনীয় শিক্ষা বুলি ভবা হয়।

সাধাৰণতে প্ৰকল্প এটা হাতত লোৱাৰ সময়ত বিষয় কি হ'ব, কেনেদৰে লিখিব লাগিব, কিমান দীঘল হ'ব লাগিব আদি প্ৰশ্নবোৰ মনলৈ আহে। একো একোটা অতি জটিল বিষয়ৰ ওপৰত কৰা প্ৰকল্পৰ সৰল সমাধান অতি সংক্ষিপ্তকৈ লিখি উলিয়াই আন্তৰ্জাতিক পৰ্যায়ত স্বীকৃতি পোৱাৰ বহুতো উদাহৰণ আছে। ভূগোলৰ ছাত্ৰ-ছাত্ৰীয়ে যিকোনো ভূগোল বিষয়ক প্ৰকল্প আৰু বুৰঞ্জীৰ ছাত্ৰ-ছাত্ৰীয়ে যিকোনো বুৰঞ্জী বিষয়ক প্ৰকল্প হাতত ল'ব পাৰে। তেনেদৰে যিকোনো বিষয়ৰ ছাত্ৰ-ছাত্ৰীয়ে নিজ নিজ বিষয়ৰ লগত সম্বন্ধ থকা আন এটা প্ৰকল্প বিষয় বাছি ল'ব পাৰে। এটা বিষয়জনা ছাত্ৰ-ছাত্ৰীয়ে নজনা এটা বিষয়ৰ ওপৰত প্ৰকল্প লোৱাত বাধা নাই যদিও পঢ়া বিষয়ৰ লগত সংগতি থকা প্ৰকল্প বিষয় হলে প্ৰকল্পটো ভালদৰে আৰু সময়মতে শেষ কৰাত সহজ হয়। বিষয় বাছনিত স্বাধীনতা থাকিলেও একোটা বিষয় নিৰ্বাচন কৰোঁতে কি কি দিশ চাব লাগিব তলত উল্লেখ কৰা হৈছে।

আমি আমাৰ চৌদিশত বহুতো পাৰিবেশিক আৰু আৰ্থ-সামাজিক সমস্যা প্ৰত্যক্ষ কৰি আহিছোঁ আৰু সেইবোৰৰ কুপ্ৰভাবোৰৰো সন্মুখীন হৈ আহিছোঁ। পৃথিৱীৰ সকলো ঠাইৰ লোকেই বিভিন্ন সমস্যাৰ সন্মুখীন হৈ আহিছে। এই সমস্যাবোৰ গোলকীয় সমস্যাও হ'ব পাৰে বা স্থানীয় সমস্যাও হ'ব পাৰে। বহুতো গোলকীয় সমস্যা যেনে — জলবায়ু পৰিৱৰ্তন, প্ৰদূষণ, বিশ্বযুদ্ধ, মহামাৰী, সন্ত্ৰাসবাদ আদিৰ সমাধান কৰাত চৰকাৰ, আন্তৰ্জাতিক সংস্থা, ধৰ্মীয় অনুষ্ঠান বা ৰাজনৈতিক গোটৰহে দায়িত্ব আছে এনে নহয়। প্ৰতিজন ব্যক্তিয়ে কোনো গোলকীয় সমস্যাৰ দৰে ডাঙৰ সমস্যা সমাধানত অংশ ল'ব পাৰে। প্ৰতিজনে আগবঢ়োৱা সামান্য অৰিহণাৰে বৃহৎ সমস্যাবোৰো সহজে সমাধান হ'ব পাৰে। বহুক্ষেত্ৰত দেখা যায় একোজন ব্যক্তিয়ে এটা ডাঙৰ সামাজিক সংকট সৃষ্টি কৰিব পাৰে অথবা এজন ব্যক্তিয়েই একোটা ডাঙৰ সমস্যা সমাধানত বিশেষ ভূমিকা ল'ব পাৰে। উদাহৰণ স্বৰূপে এজন সন্ত্ৰাসবাদীয়ে কোটি কোটি লোকৰ সুখ শান্তিত ব্যাঘ্যাত আনিব পাৰে।

আনহাতে কেইগৰাকীমান মহিলাই আৰম্ভ কৰা 'চিপক' আন্দোলন'ৰ দৰে পৰিৱেশ ৰক্ষাৰ আন্দোলন পৃথিৱীবাসীক এক সুস্থ প্ৰাকৃতিক পৰিৱেশ বৰ্তাই ৰাখি মানুহ তথা সকলো জীৱ-জন্তুকে সুখে শান্তিৰে বসবাস কৰাত সহায় কৰিব পাৰে। আমি নিতৌ ব্যৱহাৰ কৰা বিভিন্ন আচবাব, যন্ত্ৰপাতি, বিভিন্ন ধৰণৰ সা-সুবিধা একোজন বিজ্ঞানী তথা একো একোটা অনুষ্ঠানে লোৱা একো একোটা গৱেষণা প্ৰকল্পৰ ফল।

পৰিৱেশ সম্পৰ্কীয় সমস্যাই হওক বা আৰ্থ-সামাজিক সমস্যাই হওক এইবোৰ সমাধানত বহুক্ষেত্ৰত কিতাপৰ জ্ঞান যথেষ্ট নহয়। কোনো এটা সমস্যা বা কোনো এটা পৰিবেশৰ প্ৰতিটো উপাদানৰ গুৰুত্ব আৰু প্ৰভাৱ বুজাত কোনো এজন ব্যক্তি বা ছাত্ৰ-ছাত্ৰী তেনেবোৰ অৱস্থা স্বচক্ষে দেখা বা তেনে অৱস্থাৰ লগত ভালদৰে পৰিচয় হোৱা প্ৰয়োজন। কিতাপৰ জ্ঞানতকৈ নিজ চকুৰে দেখিলে আৰু উপলব্ধি কৰিব পাৰিলে বহুতো সমস্যাৰ সমাধান ছাত্ৰ-ছাত্ৰীয়ে নিজেই বিচাৰি পাব। ভালদৰে উপলব্ধি কৰা এটা বিষয়ৰ সুন্দৰ বৰ্ণনা তথা ব্যাখ্যা কৰাই নহয়; তেনে বিষয়ৰ বা সমস্যাৰ ওপৰত বাস্তৱসন্মত সমাধানো আগবঢ়োৱাত সহজ হয়। সেইবাবেই ছাত্ৰ-ছাত্ৰীসকলক কোনো এখন ঠাইৰ ভৌগোলিক অথবা বুৰঞ্জীমূলক কোনো এটা সমস্যা অথবা কোনো এটা বিষয়ৰ ওপৰত একোটা প্ৰকল্প প্ৰস্তুত কৰিবলৈ উৎসাহ যোগোৱাৰ প্ৰয়োজন।

## প্ৰকল্প এটা প্ৰস্তুত কৰোঁতে কেনেদৰে আগবাঢ়িব ঃ

এটা বিষয় বাছি লোৱাটো এটা প্ৰকল্পৰ প্ৰথম কাম। বিষয় নিৰ্বাচন কৰোঁতে লক্ষ্য কৰিব লগীয়া দিশসমূহ হ'ল —

(১) প্ৰকল্পৰ বিষয়টোৰ ওপৰত বিজ্ঞানসন্মত অধ্যয়ন কৰিব পাৰিনে নোৱাৰি?

(২) বাছি লোৱা বিষয়টো অধ্যয়নৰ বাবে প্ৰয়োজনীয় তথ্যপাতি সংগ্ৰহ কৰিব পৰাৰ সুবিধা আছেনে নাই?

(৩) বিষয় বাছনিৰ পৰা আৰম্ভ কৰি প্ৰয়োজনীয় তথ্য সংগ্ৰহ, তথ্য বিশ্লেষণ আৰু প্ৰকল্পটো লিখি উলিওৱালৈকে প্ৰয়োজনীয় সময় পোৱা যাবনে নেযায়?

(৪) ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰকল্পটোৰ বাবে তথ্য সংগ্ৰহ আৰু উপস্থাপন অধিক ব্যয়সাপেক্ষ নেকি?

(৫) প্ৰকল্পটোৰ উদ্দেশ্য ইতিবাচক হয়নে নহয়?

প্ৰকল্প এটাৰ লক্ষ্য আৰু উদ্দেশ্য তথা ইয়াৰ ফলাফলসমূহ পৰিৱেশ অথবা সমাজৰ মঙ্গলৰ বাবে হ'ব লাগিব। এনেকুৱা প্ৰকল্প বিষয় নিৰ্বাচন কৰিব নালাগিব যি প্ৰকল্পৰ ফলাফলে প্ৰাকৃতিক পৰিৱেশ বা মানৱ সমাজত কু-প্ৰভাৱ পেলায়, সমাজক বিপথে পৰিচালিত কৰিব পাৰে, সমাজ বিৰোধীক তথা উন্নয়ন বিৰোধীক অথবা দেশদ্ৰোহী সকলক উৎসাহিত কৰিব পাৰে।

সঠিকভাৱে এটা প্ৰকল্প বিষয় নিৰ্বাচনৰ পাছত প্ৰথম অধ্যায়ত প্ৰকল্পটোৰ বিষয়ে এক আৰম্ভ বুলি টোকা বা প্ৰস্তাৱনা লিখিব; যিটো টোকা পঢ়িলে পঢ়োতাই প্ৰকল্পটোত কি কৰিব বিচৰা হৈছে, প্ৰকল্পটোত কোন ভৌগোলিক এলেকা বা বুৰঞ্জীয়ে সামৰা কোনখিনি সময় তথা কোনটো অঞ্চল সামৰা হৈছে সেই কথা থুলমূলকৈ হ'লেও বুজি পায়। ইয়াৰ পিছত প্ৰথম অধ্যায়টোতে প্ৰকল্পটোৰ লক্ষ্য আৰু উদ্দেশ্য চমুকৈ লিখিব

যাৰ দ্বাৰা  পঢ়োতাই প্ৰকল্পটোত আচলতে কি কি দিশ নিৰ্দিষ্টকৈ সামৰা হৈছে — সেই কথা স্পষ্টকৈ জানিব পাৰিব।

একোটা অধ্যায়তে প্ৰকল্পটোৰ অধ্যয়ন পদ্ধতি লিখিব যাৰ দ্বাৰা পঢ়োতাই প্ৰকল্পটোৰ বাবে ক'ৰ পৰা কেনে ধৰণৰ তথ্য সংগ্ৰহ কৰি বিশ্লেষণ কৰিছে আৰু কেনেদৰে উপস্থাপন কৰা হৈছে জানিব পাৰে। ইয়াৰ লগতে প্ৰকল্পটোৰ বিশেষত্ব কি চমুকৈ লিখিব যাতে পঢ়োতাই প্ৰকল্পটো কিমান গুৰুত্বপূৰ্ণ বুজি পায়। প্ৰথম অধ্যায়ৰ শেষাংশত পিছৰ কোনটো অধ্যায়ত কি কি দিশ সামৰা হৈছে অতি চমুকৈ লিখিব।

দ্বিতীয় অধ্যায়ত ভূগোলৰ ছাত্ৰ-ছাত্ৰীয়ে প্ৰকল্পটো যিটো অঞ্চলৰ ওপৰত কৰা হৈছে সেই অঞ্চলটোৰ ভৌগোলিক বিৱৰণ দিব। অঞ্চলটোৰ ভৌগোলিক অৱস্থান, ভূ-অৱয়ব, জলবায়ু, উদ্ভিদ, জীৱজন্তু, জনবসতি, কৃষি, যাতায়াত, উদ্যোগ আদিৰ বিষয়ে এটা বিৱৰণ দাঙি ধৰিব।

এই অধ্যায়ত বুৰঞ্জীৰ ছাত্ৰ-ছাত্ৰীয়ে কোন অঞ্চলৰ বুৰঞ্জী প্ৰকল্পটোত সামৰি লোৱা হৈছে; সেই অঞ্চলৰ অতীত আৰু বৰ্তমানৰ অৱস্থা, পৰিৱৰ্তনৰ গতি, প্ৰশাসন ব্যৱস্থা আৰু সময়ৰ লগত ইয়াৰ পৰিৱৰ্তন আদিৰ বিষয়ে ব্যাখ্যা কৰিব।

প্ৰকল্পটোৰ তৃতীয় অধ্যায়ত প্ৰকল্পটোৰ বাবে সংগ্ৰহ কৰা প্ৰাথমিক বা দ্বিতীয়ক তথ্য, যদি জৰীপ বা কোনো সংগঠন তথা ব্যক্তিৰ উক্তি বা মন্তব্য সংগ্ৰহ কৰা হৈছে সেইবোৰ তালিকাভুক্ত কৰা, তথ্যবোৰ সু-সংগঠিতভাৱে বিশ্লেষণ কৰাৰ লগতে মানচিত্ৰ, লেখচিত্ৰ, দণ্ডচিত্ৰ আদি প্ৰস্তুত কৰি উপস্থাপন কৰিব যাতে প্ৰকল্পটোত উপস্থাপন কৰা কথাবোৰ বুজাত সহজ হয়।

চতুৰ্থ অধ্যায়টো হ'ব বিশ্লেষণাত্মক, য'ত তথ্যসমূহ বিশ্লেষণ কৰি কিহৰ বাবে কি হৈছে, কিয়, কেনেদৰে হৈছে আৰু ইয়াৰ ফলাফল কেনেধৰণৰ সেইবোৰ বাছি উলিয়াব আৰু সুশৃংখলভাৱে লিখিব।

প্ৰকল্পৰ পঞ্চম তথা শেষ অধ্যায়ত প্ৰকল্পটোৰ সাৰাংশ লিখিব। অধ্যয়নটোত লাভ কৰা অভিজ্ঞতাৰে নিজা মন্তব্যও আগবঢ়াব। অৰ্থাৎ পঢ়োতাই এই অধ্যায়ৰ পৰা অধ্যয়নটোৰ ফলাফলসমূহৰ বিষয়ে জানিব পাৰিব আৰু ইয়াৰ সাৰমৰ্ম বুজিব পাৰিব। অধ্যায়টোৰ শেষত চমুকৈ সামৰণি টোকা লিখি অধ্যায়টো সামৰিব।

প্ৰথম অধ্যায়ৰ পৰা পঞ্চম অধ্যায়লৈ লিখা কথাখিনি প্ৰকল্পটোৰ মূলভাগ। ইয়াত পাঁচটা অধ্যায়ৰ কথা উল্লেখ কৰা হৈছে যদিও প্ৰকল্পভেদে অধ্যয়ৰ সংখ্যা কম বা বেছি হ'ব পাৰে। প্ৰকল্পটোৰ মূলভাগৰ পিছত অৰ্থাৎ সামৰণি টোকাৰ পিছত প্ৰয়োজন সাপেক্ষে পৰিশিষ্ট লিখিব। দীঘল তালিকা, দীঘলীয়া উক্তি, প্ৰপত্ৰৰ নমুনা আদি প্ৰকল্পটোৰ ভিতৰত অধ্যায়ত উপস্থাপন কৰিলে বহুক্ষেত্ৰত প্ৰকল্পটোৰ সৌষ্ঠৱ নষ্ট হয়। তেনে ক্ষেত্ৰত এনেবোৰ তথ্য পৰিশিষ্টত উল্লেখ কৰা উচিত।

শেষত প্ৰকল্পটোত সন্নিৱিষ্ট কৰা তথ্যবোৰৰ উৎস, কিতাপ, আলোচনা আদিৰ প্ৰকাশক তথা লেখকৰ নাম, পৃষ্ঠাসহ উদ্ধৃতি সুশৃংখলভাৱে লিখিব। প্ৰকল্পটোত প্ৰয়োজন হ'লে তথ্য সংগ্ৰহৰ বাবে প্ৰথম বাৰ্ষিকৰ স্বদেশ অধ্যয়ন পুথিৰ নৱম অধ্যায়ৰ ক্ষেত্ৰ অধ্যয়নত উল্লেখ কৰা ধৰণৰ জৰীপ প্ৰপত্ৰ ব্যৱহাৰ কৰিব পাৰে আৰু সংগৃহীত তথ্য মানচিত্ৰ বা বিভিন্ন লেখচিত্ৰৰ দ্বাৰা উপস্থাপন কৰি প্ৰকল্পটো অধিক ফলপ্ৰসূ কৰি তুলিব পাৰে।

প্ৰকল্পটো প্ৰস্তুত কৰোঁতে যি সকল ব্যক্তিয়ে সহায় আগবঢ়ালে তেখেতসকল বা যদি কোনো অনুষ্ঠানে বা বিভাগে তথ্য আদি যোগান ধৰি সহায় কৰিলে এই সকলোবোৰকে ধন্যবাদ জ্ঞাপন কৰি এটা চমুটোকা প্ৰকল্পটোৰ সূচীপত্ৰ লিখাৰ আগতে অথবা প্ৰকল্পটোৰ শেষ অধ্যায়টোৰ অন্তত লিখি কৃতজ্ঞতা জ্ঞাপন কৰিব। এনেদৰে কৃতজ্ঞতা জনোৱাতো বিদ্যায়তনিক দিশৰ এক ভদ্ৰতা বুলি জ্ঞান কৰা হয়।

**দ্ৰষ্টব্য ঃ** শিক্ষক-শিক্ষয়িত্ৰীসকলে ছাত্ৰ-ছাত্ৰীসকলৰ আলোচনা মৰ্মে স্থানীয় সামাজিক, অৰ্থনৈতিক, সাংস্কৃতিক, জৈৱবৈচিত্ৰ্য বিষয়ক আদি নানান বিষয় ক্ষেত্ৰ প্ৰকল্পৰ বাবে নিৰ্বাচন কৰি দুটাকৈ প্ৰকল্প প্ৰস্তুত কৰিব। পাঠ্যপুথিখনৰ প্ৰতিটো অধ্যায়তে প্ৰকল্প প্ৰস্তুত কৰাৰ যথেষ্ট সমল আছে। শিক্ষক-শিক্ষয়িত্ৰীসকলে এই বিষয়ত ছাত্ৰ-ছাত্ৰীসকলক উচিত দিহা-পৰামৰ্শ দি সহায় কৰিব।

●●●